# ডিব্ৰুয়ান

১৯৯৯-২০০০
২০০০-২০০১ বৰ্ষ



সম্পাদকদ্বয়ঃ

অনন্ত খনিকৰ
প্ৰশান্ত শইকীয়া

# ভৱাৰ্থ

এমুঠি পোহৰৰ সন্ধানত বিমূৰ্ত্ত হেৰুৱা মানুহৰ হৃদয়। তথাপিও
আশাত নীলাভ চকুপাহি। আন্ধাৰ আৰু পোহৰত
লাগি ৰোৱা বিষাদৰ কণ্ঠ। মুক্ত জীৱনৰ বন্দী
কপৌৰ দুখৰ চকুলো। জীৱনৰ তাল
মিলা নিমিলা নতুন পৃষ্ঠা আৰু
মৃন্ময়ে গঢ়া মানুহৰ তেজৰ
তৰলত বাজি থাকে
এক যাদুকাৰী বাঁহী।
এই সুৰে মানুহক দিয়ে নতুন
আশা আৰু কিছু সুন্দৰ সপোন।




COLLEGE CENTRAL LIBRARY 1963 GARH

# ডিব্ৰুৱান

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

বিংশ-তম সংখ্যা

১৯৯৯-২০০০ আৰু ২০০০-২০০১ বৰ্ষ।

# DIBRUAN

## THE ANNUAL JOURNAL OF DIBRU COLLEGE

VOL : XX

Session : 1999-2000 & 2000-2001

-: EDITORS :-

Ananta Khanikar (1999-2000)

Prasanta Saikia (2000-2001)

28,577
Dibru College Library
Accession no 28,577
Date 13/2/2002
DIBRU COLLEGE LIBRARY

## ।। সম্পাদনাৰ আঁৰত ।।

**উপদেষ্টা ঃ**

অধ্যাপক ঃ ড০ মহেশ কুমাৰ জৈন।
অধ্যাপক ঃ শ্ৰীযুত বীৰেন বৰুৱা।
অধ্যাপক ঃ শ্ৰীযুত প্ৰদীপ কুমাৰ চেতিয়া ফুকন।
অধ্যাপক ঃ শ্ৰীযুত ৰঞ্জিত সিংহ।
অধ্যাপক ঃ শ্ৰীযুত মনোজ কুমাৰ শৰ্মা।
অধ্যাপিকা ঃ শ্ৰীযুক্তা জ্যোতি বৰ গোহাঁই।
অধ্যাপিকা ঃ ড০ এইচ, কে, ওৱালিয়া।
অধ্যাপিকা ঃ শ্ৰীযুক্তা ৰুমা ফুকন।
অধ্যাপিকা ঃ শ্ৰীযুক্তা মৌচুমী দত্ত।

**সম্পাদকদ্বয় ঃ**

অনন্ত খনিকৰ।
প্ৰশান্ত শইকীয়া।

**সদস্য ঃ**

ৰাণাজ্যোতি কোঁৱৰ।
ধ্ৰুৱ সোনোৱাল।
অজিত মানেকিয়াল।
ৰাতুল দত্ত।
ৰাণা হাজৰিকা।
প্ৰাচুৰ্য্য দত্ত।
মিন্টু সন্দিকৈ।

**বেতুপাত অংকন ঃ** মিন্টু কুঁচ।

**অঙ্গসজ্জা ঃ** মহেশ কুমাৰ জৈন, মনোজ কুমাৰ শৰ্মা।

**প্ৰকাশক ঃ** ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**মুদ্ৰক ঃ** *ডিজাইনাৰ গ্ৰাফিক্স,* এইচ্, এচ্, ৰ'ড, ডিব্ৰুগড় -১(অসম)

DIBRU COLLEGE CENTRAL LIBRARY
ESTD-1963
DIBRUGARH

## উৎসৰ্গা



*" অসত্য মা সৰ্দ্গময়*
*তামসো মা জ্যোতিৰ্গময়।*
*মৃত্যু মা অমৃতং গময়*
*ওঁম শান্তি শান্তি শান্তি............." ।।*

জ্ঞাত অজ্ঞাত যি সকল মহান ব্যক্তিয়ে ডিব্ৰু মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা বৰ্ত্তমানলৈকে মহাবিদ্যালয়খনৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে নিজৰ তেজ পানী কৰি গ'ল সেইসকল পূণ্যাত্মাৰ পবিত্ৰ স্মৃতিত শতাব্দীৰ অন্তিমখন **"ডিব্ৰুয়ান"** উৎসৰ্গা কৰা হ'ল।

*সম্পাদকদ্বয়-*

প্ৰবীন শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী আমাৰ মহাবিদ্যালয়ৰ
প্ৰাক্তন অধ্যক্ষ প্ৰয়াত মহেন্দ্ৰ নাথ গগৈদেৱৰ পবিত্ৰ সোঁৱৰণত



## শ্ৰদ্ধাঞ্জলী





জন্ম ঃ ২৮ নৱেম্বৰ, ১৯৩৪ চন।

মৃত্যু ঃ ৮ জুন, ২০০১ চন।


*Dr. Kalyan Kumar Gogoi.*
M.L.A., Dibrugarh

☎ : (0373) 300403 (R)
300499




## Message

*I am happy to learn that the Dibru College going to publish the College Magazine after the interval of one year. Now the Magazine which would come off with meaningful write-ups that would be of immense help to the teaching faculty as well as to the student community.*

*Dr. Kalyan Kr. Gogoi*

**VICE-CHANCELLOR DIBRUGARH UNIVERSITY**

DIBRUGARH, PIN- 786 004 (ASSAM)

**Dr. D. Kakati,**
*Vice-Chancellor*

Phone : 370239 (Office)
Fax No. : 0373-370323
E-mail : devdaskakati@yahoo.com


Date : 4th January, 2002

No. DU/VC/Message/2000/

To

Sri Ananta Khanikar,Prasanta Saikia
Magazine Secretary
Dibru College Students' Union
DIBRUGARH
Assam.

Dear Sri Khanikar, Saikia,

I am very happy to learn that you are bringing out the College Journal in the near future. I extend my goodwill to all of you in this creative effort.

At the beginning of the new century, I would like to share with you my deep conviction that it is time for each of us individually and collectively to understand our own roles and duties, do accordingly and build up our own competence. Only then we can expect to benefit from any help we get from others. This means growing from inside. We must grow from inside first.

Please remember, there are three steps to sucess : a DREAM, an AWAKENING and WORK. OUR Dream is a developed Assam, one Assam. Our awakening is a new cultural revolution to adjust ourselves to the requirements of a globalized world made small by science and technology, while keeping ourselves anchored in our own time-tested value system. The work is to build up a developed prosperous one Assam through innovations and entrepreneurial work. This is the best contribution we can make to realise our vision of a developed India in the new century.

With good wishes to all of you,

Yours sincerely,

(Devdas Kakati)

---


# Office of the Secretary

*Finance Committee,*
Dibru College,
Dibrugarh


*Date : 7th Jan' 02*

## -ঃ শুভেচ্ছা বাণী ঃ-

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত বাৰ্ষিক মুখপত্ৰ "ডিব্ৰুয়ান" (১৯৯৯-২০০০,২০০০-২০০১) প্ৰকাশ পাব বুলি জানি নৈথে আনন্দিত হ'লোঁ। মুখপত্ৰ খনিয়ে মহাবিদ্যালয় খনিৰ শৈক্ষিক দিশৰ দাপোন স্বৰূপ।

আশাকৰোঁ এই মুখপত্ৰ "ডিব্ৰুয়ানৰ" যোগেদি মহাবিদ্যালয় খনিৰ ছাত্ৰ-ছাত্ৰী সকলৰ নিজস্ব প্ৰতিভা বিকাশৰ সহায় হব। শেষত মহাবিদ্যালয় খনিৰ অধ্যাপক/অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৈলে নতুন বছৰৰ শুভেচ্ছা জনাই মুখপত্ৰ খনিৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

০৭/০১/2002
সম্পাদক,
বিত্ত সমিতি -
ডিব্ৰু মহাবিদ্যালয়,
ডিব্ৰুগড়।

# MESSAGE

Dear Friends,

Through a college magazine one comes to know about the hidden potential of the students in the various fields like arts, sports and culture as well as education. As such I would like to say that a maximum number of students should contribute to a college magazine by writing articles on various topics.

If we go through the daily news-papers and T.V. or the radio news what we hear is only bad news. We get an impression that everyone in this world are getting selfish and inhuman. In this third millennium we have a very big responsibility the responsibility to eradicate such unsocial activities around us. It is upto each one of us to reject the wrong way and choose the right way.

Youth as we all know are the future leaders. I think that to a great extent if the youth desire they can maintain peace and prosperity for all human beings. We should try to keep the world good, by loving the things god has created, by loving nature and other human being.

You my dear students, apart from acquiring degrees should also learn to have proper attitudes and noble principles. You should try to be men of character, having the knowledge of good and evil. You should be reliable and responsible so that your parents as well as the other people who depend on you can trust you. You should be an example for the students in future.

With warm and heartiest greetings for a Happy New Year.

Your affectionately
*Dr (Mrs.) H.K. Walia*
*Dibru College.*



শ্ৰীযুত কান্তেশ্বৰ তালুকদাৰ
ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়

## শুভেচ্ছাবাণী

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতি বছৰে প্ৰকাশ কৰি অহা মুখপত্ৰ "ডিব্ৰুয়ান" খনি এইবাৰো যোৱা দুটা বছৰক(১৯৯৯-২০০০-২০০১) সামৰি লৈ প্ৰকাশ কৰিবলৈ লোৱা আন এটা সংস্কৰণ। মই ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে গুৰু দায়িত্ব বহন কৰি আৰু দুয়োটা বছৰৰ সম্পাদকীয় সমিতিদ্বয়ৰ যুটীয়া প্ৰচেষ্টাত এই মুখপত্ৰখন যথেষ্ঠ সংখ্যক গল্প, প্ৰবন্ধ, কবিতাৰে সমৃদ্ধ এখন উচচমানৰ সুন্দৰ মুখপত্ৰ হিচাপে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

এই কলেজ আলোচনীখনিয়ে কলেজখনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ লিখনীত সৃজনী প্ৰতিভাৰ বিকাশ ঘটাত সহায়ক হ'ব বুলি ভাবি আলোচনীখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

শ্ৰীকান্তেশ্বৰ তালুকদাৰ
ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়

# A SECTION OF TEACHING STAFF OF DIBRU COLLEGE



Sitting (L to R): N. Tamuli(Ph), H.R. Chutia(Anth), M. Borbora(Ch), S.K. Das(Math), B. Bora(Math), K. Talukdar(Principal i/c), K. Roy(Beng), J. Borgohain(As), B. Konwar(Anth), S. Hazarika(Anth), S. Ojha(Ch), B.K. Baruah(Ph)

Standing (L to R) 1st: Row: P.K. Chetia Phukan(Math), B. Baruah(As), A. Bhattacharjee(Math), B. Das(Bot), R. Phukan(Eng), R.J. Gogoi(Bora)(Bot), N. Das(As), M. Borthakur(Sas), M. Saikia(Edu), A. Bagchi(Beng), A.N. Sahay(Hin), E. Baruah(Ph), M. Baruah(His), B. Phukan(Sonowal)(His), H. Devi(V.P.i/c), H.K. Walia(Eng)

Standing (L to R)2nd Row: R. Singha(P.Sc), N.A. Shah(Com.Sc), S.K. Saikia(Com), R.T Saikia(Ch), S.L. Yadav(Com), P. Borah(Eco), B.P. Sharma(His), P.K.Gogoi(Geo), N. Konwar(Socio), A.Saikia Baruah(Bot), M. Sharma(As), C.G. Bora(Zoo)



## From The Desk of Editor

*At the outset we the two Secretary of 99-2000,2000-2001 would like to convey our heartiest love to our brothers and sisters and our dear friends who have elected us to serve them as their Magazine Secretary.*

*At the very outset as a Secretary I Ananta Khanikar of 99-2000, have decided to do something good for our College either in the literary field or other asset. First of all I have tried to introduce the Wall Magazine again .For this I had to request my friends to write down articles for the Wall Magazine. In return I got the articles and my friend Ranajyoti Konwar helped in writing the articles. I am very grateful to him for helping me. The Wall Magazine was it was inaugurated by Mr. Khagendranath Das , S.I. on 18th Jan. 2001. The report of the inauguration of the Wall Magazine was also published in "The Telegraph" dated 24th Jan. 2001. I then started collecting articles for the College magazine but I was not in a position to publish it earlier as the previous magazine was not published yet.*

*Then the time came for new election and a new candidate was elected . But yet the Magazine was not published. I was waiting for the previous magazine to be published and the newly elected candidate too was waiting for me . In this way the time passed yet the Magazine was not published.*

*By the time the newly elected Secretary Prasanta Saikia collected articles and resumed the Wall Magazine. It was inaugurated on 16th of August 2001 by Shri K.K. Gogoi , M.L.A, Dibrugarh.*

*After the completion of the Wall Magazine we, both the Magazine Secretaries of 99-2000, and 2000-2001 decided to have a joint meeting with the Editorial boards of the year 99-2000 & 2000-2001. As per the decision of the meeting of the two editorial boards it was decided to publish jointly the College magazine for the two sessions 99-2000 & 2000-2001 . By then we had to face some problems both*

*physically and financially. For instance we had to go almost once daily to the office of the Finance Secretary to get our finance cleared and again several meetings were held to decide various other matters. Again as per decision taken in the meeting "Designer Graphics" was the press selected to print the magazine. In publishing this magazine our College teachers like Prof.. Manoj Sarma, Prof.. M. K. Jain, Prof. P. K. Chetia Phukan, Prof.. B. Boruah, Prof.. R. Sinha, Madam J. Borgohain, Madam H. K. Walia, Madam M. Dutta, and our Principal K. Talukdar helped us a lot. We are very much grateful to them.*

*By mid of November 2001 we both had already completed most of our work. Everything went well and good and we submitted our articles to the press.*

*Lastly we would again like to thank all the teachers of our college, especially Madam J. Borgohain, H. K Walia and Sir Manoj Sarma who had helped us a lot in selecting the articles. We would also like to thank our friends Ranajyoti Konwar, Dhurbajyoti Sonowal, Ratul Dutta, Pashajya Dutta for assisting us in arranging the Wall Magazine. Once again we thank our friends for giving us a chance to serve them.*

*Lastly we thank all the Professors and the staffs for their co-operation.*

*Thanking you,*

*Ananta Khanikar (99-2000)*
*Prasanta Saikia (2000-2001)*

# ঃ সূচীপত্ৰ ঃ


| | | | | পৃষ্ঠা |
|---|---|---|---|---|
| অতিথি চ'ৰা | | | | |
| | জীৱনৰ সৌন্দৰ্য্য | ঃ | ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱা | ১ |
| | অসমীয়া সমালোচনা আৰু বেজবৰুৱা | ঃ | ডঃ আনন্দ বৰমুদৈ। | ৩ |
| সোণালী অতীত | | | | |
| | ডিব্ৰু মহাবিদ্যালয়ৰ সোণালী ইতিহাসৰ লেছেৰি বুটলি | ঃ | শশীকান্ত শইকীয়া। | ৬ |
| কবিতা | | | | ৯-১৬ |
| | ডিব্ৰুয়ান | ঃ | ৰাজকুমাৰ কৰুণা দৈউৰী। | |
| | অনুভূতি বসন্তৰ দোভাগ ৰাতিৰ | ঃ | লাৰিন লিগেন। | |
| | বেশ্যালয়ত আশাৰ বতৰা | ঃ | বিবেক দাস | |
| | জোনাক ৰাতি | ঃ | নৰজিৎ চুতীয়া | |
| | খৰাং | ঃ | নৰজিৎ চুতীয়া | |
| | আঘোন আৰু কবিতাৰ বিষয়ে | ঃ | অৰবিন্দ হাজৰিকা | |
| | আশা | ঃ | জয়ন্ত উৰাং | |
| | মই অজন্মা বোবা | ঃ | ধ্ৰুৱজ্যোতি সোনোৱাল। | |
| | বৰ্ষা | ঃ | দেৱজিৎ বৰুৱা। | |
| | ৰক্তাক্ত অসম | ঃ | ৰতন গগৈ। | |
| | পেক্ পেক্ পেক্ | ঃ | ঘনশ্যাম সোনোৱাল। | |
| | জীৱন | ঃ | দেৱজিৎ চেতিয়া। | |
| | বিহঙ্গ | ঃ | পাৰ্থ প্ৰতিম বৰা। | |
| | প্ৰেতাত্মাৰ বিননি | ঃ | উৎপল হাজৰিকা। | |
| প্ৰৱন্ধ | | | | |
| | সন্ত্ৰাসবাদ ঃ এটি সমীক্ষা | ঃ | কান্তেশ্বৰ তালুকদাৰ। | ১৭ |
| | বিশ্বজনীন ভাৰধাৰাত ধৰ্ম আৰু বিজ্ঞান | ঃ | প্ৰদীপ কুমাৰ চেতিয়া ফুকন। | ১৯ |
| | ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি;একৰিংশ শতিকাৰ বাবে এক প্ৰত্যাহ্বান | ঃ | ডঃ দিলীপ কলিতা। | ২২ |
| | ৰজনী কান্ত বৰদলৈৰ 'নিৰ্মল ভকত'ঃএটি আলোচনা | ঃ | জ্যোতি বৰগোহাঁই। | ২৬ |
| | সমৰ ক'লা (Martial Art)ৰ উৎপত্তি আৰু ইয়াৰ ক্ৰমবিকাশ | ঃ | নয়ন জ্যোতি পাংগিং। | ২৮ |
| | সাম্প্ৰতিক উশৃংখল যুৱমানসিকতাঃ এক অৱলোকন | ঃ | প্ৰশান্ত শইকীয়া। | ৩১ |

| | | | |
|---|---|---|---|
| **পুৰণি আলোচনী পাতৰ মণি মুকুতা** | | | ৩৩-৩৯ |
| য'ত ডিব্ৰু মহাবিদ্যালয় আছে | : | মহেন্দ্ৰ নাথ গগৈ। | |
| "অদ্ভুত জুই ধনগুলৈ" | : | বিপিন চন্দ্ৰ সন্দিকৈ। | |
| পণ্ডিত আনন্দৰাম বৰুৱা আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থান | : | ভৱেন ভট্টাচাৰ্য্য | |
| "ডিব্ৰুগড় দেখিছা" ? | : | ললীকান্ত গগৈ | |
| **কবিতা** | | | ৪০-৪৬ |
| বেদনাই উচুপে নীৰৱে | : | পল্লৱিকা কছাৰী। | |
| অন্তিম স্তৱক | : | সীমান্ত সোনোৱাল। | |
| হৃদয়ৰ ৰং | : | দূৰ্লভ দাস। | |
| বন্ধু তুমি | : | ৰুণাদ্বীপ বৰদলৈ। | |
| আশা | : | পংকজ বৰা। | |
| উপলব্ধি | : | প্ৰণৱ কুমাৰ চাংমাই। | |
| আই | : | পাৰ্থ প্ৰতিম গগৈ। | |
| পোহৰৰ প্ৰতিচ্ছবি | : | পাৰ্থ প্ৰতিম গগৈ। | |
| অতীত তুমি আহিবানে | : | প্ৰণৱ শইকীয়া | |
| অদৃশ্য জগতত প্ৰেম বিচাৰি | : | নিৰাজ সোনোৱাল। | |
| অনুভৱ | : | পংকজ বুঢ়াগোহাঁই। | |
| মন ব'হাগী | : | ৰাণাজ্যোতি কোঁৱৰ। | |
| প্ৰেমৰ ঘাটলৈ তোমাক আহ্বান | : | জোন্টি গন্ধীয়া। | |
| ক'বানে জুৰি | : | বিনয় কুমাৰ দাস। | |
| **গল্প** | | | |
| সন্ধিয়া | : | গুণদীপ চেতিয়া। | ৪৭ |
| মন, বন্ধুত্ব আৰু আৱিষ্কাৰ | : | ডিম্পুল চুতীয়া। | ৫০ |
| তোমালোক কেনে আছা ? | : | দেৱাজিৎ দেউৰী। | ৫৪ |
| সন্তান | : | মানৱ কোঁৱৰ। | ৫৬ |
| মমতা | : | প্ৰণৱ কুমাৰ চাংমাই। | ৬০ |
| "শুকুলা ডাৱৰত এক তেজস্বী ঘোঁৰা" | : | জয়ন্ত লাহন। | ৬৩ |
| হেৰাই যোৱা স্মৃতি | : | পাৰ্থ প্ৰতিম গগৈ। | ৬৫ |
| মাথো তোমাৰ বাবে | : | কুলদীপ ভৰলুৱা। | ৬৯ |
| In Search of True Love | : | Anjum Ara Khatoon. | ৭৩ |
| **চুটি লেখা** | | | |
| কলেজৰ অড্ডা | : | ছাত্ৰ বন্ধু | ৭৬ |
| যোগ্যজনৰ বিচাৰ | : | নীলিম জ্যোতি বৰগোহাঁই। | ৭৭ |

| | | | |
|---|---|---|---|
| **কবিতা** | | | ৭৮-৮৪ |
| মানৱ | - | গৌতম পেগু | |
| নোপোৱাৰ বেদনাত | - | দিব্যজ্যোতি মেছ। | |
| নদী মানুহৰ ঠিকনা | - | গৌৰৱ য়েইন। | |
| এচেৰেঙা ৰ'দ | - | ৰঞ্জন গগৈ। | |
| চিঠি | - | ৰিতুৰাজ বুঢ়াগোহাঁই। | |
| সিহঁতে পাহৰি গ'ল | - | মহেন্দ্ৰ গগৈ। | |
| শ্বহীদ জোৱান | - | মমী ডেকা। | |
| অনুভৱত "তুমি" | - | ধীৰাজ কোঁৱৰ। | |
| প্ৰেমৰ অনুভৱ | - | পল্লৱিকা কছাৰী। | |
| মৰীচিকা | - | দিপাঙ্কৰ হাজৰিকা। | |
| মই লিখিম ধ্বংসৰ কবিতা | - | জোন দাস। | |
| এতিয়া দুঃসময় | - | মনোৰঞ্জন গোহাঁই। | |
| মোৰ অনুভৱ | - | পঙ্কজ বুঢ়াগোহাঁই | |
| **প্ৰৱন্ধ** | | | |
| ড্ৰাগছ আৰু সাম্প্ৰতিক যুৱমানসিকতা | - | পল্লৱিকা কছাৰী। | ৮৫ |
| পাণ্ডিত্যৰ স্পষ্ট প্ৰতিফলন কৃষ্ণকান্ত সন্দিকৈ" | - | অৰবিন্দ হাজৰিকা । | ৮৮ |
| উত্তৰ পূৰ্ব্বাঞ্চলৰ কপৌফুল | - | দেৱৰাজ কুম্ভকাৰ । | ৯১ |
| কেনেকৈ ইচ্ছা শক্তি বৃদ্ধি কৰি জীৱনত উন্নতি সাধিব পাৰি | - | বি.কে. দিব্যজ্যোতি । | ৯৩ |
| **গল্প** | | | |
| ন'কইনাৰ সাজৰ আঁৰত | - | জ্ঞানদ্বীপ গগৈ। | ৯৫ |
| অৱশেষত অন্ত পৰিল | - | ৰঞ্জন গগৈ। | ৯৭ |
| জীৱনতৰ বাটত | - | ৰতন গগৈ। | ৯৯ |
| মৃত্যুৰ প্ৰতীক্ষাত | - | পিৰজ সোনোৱাল। | ১০২ |
| আহত মনৰ অনুভৱ | - | ধীৰাজ কোঁৱৰ। | ১০৫ |
| প্ৰতিশ্ৰুতি | - | অঞ্জলি কেওট । | ১০৭ |
| **উপন্যাস** | | | |
| আধাৰ শিলা | : | ধ্ৰুৱজ্যোতি সোনোৱাল । | ১১০ |
| বিভিন্ন হিতান | | | ১২০-১২২ |

## ENGLISH SECTION


| | | Page |
|---|---|---|
| **PROSE** | | |
| Contribution of North-Eastern Council in the Socio-Economic development of North-Eastern region of India A Discussion | - Dr. Mahesh Kr. Jain. | 123 |
| The lasse- Ultra-Narrow Sword of light | - Ratul Dutta. | 127 |
| HIV and You | - Prakash Upadhyay. | 129 |
| Computer-The Grace of Modern Age | - Monit Kumar Puri. | 131 |
| Education - A means to Social Change | - Prakash Upadhyay. | 132 |
| **POEM** | | 134-138 |
| Merciless Nature | - Akashdeep Chetie | |
| A past moment | - Larein Ligen | |
| The silver moonlight stret | - Larein Ligen | |
| To my pen | - Wazid Khan | |
| The truth of nature | - Rituraj Kumbhakar | |
| Love | - Ringa Pillai | |
| Mother | - Devid Ekka | |
| If you want | - Bapukan Dutta | |
| Genuine friend | - Vijayeta Tirkey | |
| The midnight dream | - Jintu Kakati | |
| Time | - Sanjoy Ghosh | |
| **PROSE** | | |
| Know your hand - | - Ringu Pillai | 139 |
| A world Hooked on smoking | - Pranab Jyoti Neog | 143 |
| Fish in India Folk-lore (Myths and Legends) | - Pallabi kachari | 144 |
| The beauties of spring | - Pankaj Buragohain | 145 |
| The world of the 21st century | - Raju Kumar Ghosh | 146 |
| The fine art of gift giving | - Mintu Handique | 147 |
| A Journey to Success | - Yuvaraj Chetri | 148 |
| How to be happy and successful | - Vijayeta Tirkey | 149 |
| Noble Prize world's most Famous award | - Pallabika Kachari | 150 |
| Join N.C.C | - Yuga Sundar Gogoi | 152 |
| প্ৰাচীৰ পত্ৰিকা "জাগ্ৰত"ৰ পাতৰ পৰা..... | | ১৫৫ |
| উপ-সভাপতিৰ প্ৰতিবেদন - ২০০০-২০০১ বৰ্ষ | | ১৬২ |
| বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন - ১৯৯৯-২০০০ ইং বৰ্ষ | | ১৬৩ |
| বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন - ২০০০-২০০১ ইং বৰ্ষ | | ১৬৪ |
| Repots of college week (১৯৯৯-২০০০, ২০০০-২০০১) | | ১৭২-১৭৮ |





# জীৱনৰ সৌন্দৰ্য


ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱা।


জীৱনৰ সৌন্দৰ্য বোলা কথাষাৰৰ অৰ্থবোধ সহজে নহয়। কোনো স্থূল বস্তুৰ সৌন্দৰ্য বুলিলে বুজিবলৈ সহজ। ফুলৰ সৌন্দৰ্য, পৰ্বতৰ সৌন্দৰ্য বুলি কলে বুজিবলৈ একো টান নহয়। আনকি মানুহজনৰ সৌন্দৰ্য অথবা তিৰোতাগৰাকীৰ সৌন্দৰ্য বুলি কলেও বুজিবলৈ সহজ। কিন্তু জীৱন সৌন্দৰ্য বোলা কথাষাৰ বুজি পাবলৈ যথেষ্ট আহুকাল। কাৰণ মানুহৰ জীৱনৰ বুলি হাতেৰে চুব পৰা, চকুৰে দেখিব পৰা কোনো এটা স্থূল ৰূপ নাই। মানুহৰ জীৱন এক বিমূৰ্ত ধাৰণা মাত্ৰ। মানুহৰ জীৱনৰ এই বিমূৰ্ত ধাৰণাটো গঢ়লৈ উঠে কিছুমান গুণৰ সমষ্টিৰ আধাৰত।

জীৱন যিহেতু এটা বিমূৰ্ত ধাৰণা গতিকে এই বিমূৰ্ত ধাৰণাটোৰ সৌন্দৰ্য বিচাৰ যথেষ্ট জটিল কাম। কাৰণ কিছুমান গুণৰ আধাৰত গঢ় লৈ উঠা মানুহৰ জীৱনৰ সৌন্দৰ্য অতি সূক্ষ্ম। কিন্তু এই সূক্ষ্ম সৌন্দৰ্য আনে অনুভৱ কৰিব পাৰে মানুহৰ চিন্তা-ভাৱনা, আচৰণ, কাৰ্য আৰু প্ৰাত্যহিক জীৱন পদ্ধতিৰ মাজেদি। অৰ্থাৎ একোজন ব্যক্তিৰ চিন্তা-ভাৱনাবোৰ কেনেকুৱা, আচৰণেই বা কেনেকুৱা, ব্যক্তিজনে কৰাৰ কাম বোৰ কেনেকুৱা আৰু দৈনন্দিন জীৱনত মানুহজনে কেনেধৰণৰ জীৱন যাপন কৰে - সেইবোৰৰ মাজেদিয়ে মানুহজনৰ জীৱনৰ সৌন্দৰ্যৰ স্বৰূপটো প্ৰকাশ পায়।

মানুহৰ জীৱনৰ সৌন্দৰ্য সাধাৰণতে গঢ় লৈ উঠে মানুহৰ গুণাৱলীৰ ওপৰত। যি মানুহৰ চিন্তা-ভাৱনা সুস্থ, সেই মানুহৰ কাম-কাজ আৰু আচৰণো পৰিমাৰ্জিত। উশৃঙ্খল হৈ থকা কোঠা এটা দেখি ভাল লাগে জানো? কিন্তু পৰিপাটিকৈ সজাই থোৱা কোঠা এটা দেখিলে মনটো ভাল লাগে। কাৰণ পাৰিপাট্য বা শৃঙ্খলাবদ্ধতাৰ মাজেদিয়ে সৌন্দৰ্য প্ৰকাশ পায়। জীৱনৰ বেলিকাও সেই একে কথা। কথা-বাৰ্তা, কাম-কাজ, আচৰণ আদি যাৰ পৰিমাৰ্জিত, তেনে মানুহৰ জীৱনৰ সৌন্দৰ্য ফুটি উঠে।

পৰিমাৰ্জিত জীৱন-যাপন কৰিবলৈ হ'লে মানুহৰ বিবেকৰ সুস্থতা লাগিব। যাৰ বিবেকবোধ দুৰ্বল অথবা চনকা, তেনে মানুহৰ মন আৰু মানসিকতা অসুস্থ হ'বই। বিবেকবোধ দুৰ্বল হ'লেই মানুহে অশালীন কাৰ্যত লিপ্ত হ'ব পাৰে। বিশেষকৈ বিবেকবোধ অস্থিৰ হৈ পৰে যৌৱনকালত। যৌৱনৰ দৈহিক শক্তিয়ে যুৱক-যুৱতীক সাধাৰণতে অন্ধ কৰি তোলে আৰু এনে অৱস্থাতে বিবেকে সৎ কৰ্ম আৰু অসৎ কৰ্ম অথবা শুদ্ধ পথ আৰু অশুদ্ধ পথ বাচি ল'ব নোৱাৰা হয়। যৌৱনৰ উন্মাদনাত অন্ধ হৈ বিবেকক দুৰ্বল কৰি তুলিলে জীৱনে নানা প্ৰকাৰ বিপৰ্যয়ৰ সন্মুখীন হোৱাটো স্বাভাৱিক। আনকি যৌৱনৰ উন্মাদনাবশতঃ বিবেকক দুৰ্বল কৰিলে যি বিষময় অৱস্থা ভূঞ্জিবলগীয়া হয়, সিয়ে গোটেই জীৱন অশান্ত কৰি লোৱাৰ সম্ভাৱনা থাকে। এনেধৰণৰ কথা চিন্তা কৰিয়ে এগৰাকী চিন্তাবিদে কৈছে – "Foundation of true joy is in the conscience." সঁচা কথা প্ৰকৃত আনন্দৰ আধাৰ বিবেক। যি নিজৰ বিবেক সুস্থ সবল কৰি তোলে সিয়ে নিজৰ সুস্থ সবল বিবেকৰ দ্বাৰা পৰিচালিত হয়। তেঁৱেই জীৱনত সুখী হয় আৰু তেনে মানুহৰ জীৱনেই সৌন্দৰ্যশালী হৈ উঠে।

সুস্থ বিবেকবোধৰ সৈতে কৰ্মচেতনা বোলা কথাষাৰ জড়িত হৈ থাকে। যাৰ বিবেক সুস্থ, তেওঁ কেতিয়াও নিষ্কৰ্মা হৈ থাকিব নোৱাৰে। নিষ্কৰ্মা জীৱন গতিহীন অৰ্থাৎ স্থবিৰ। গতিশীল জীৱনৰহে সৌন্দৰ্য থাকে। স্থবিৰ জীৱনৰ সৌন্দৰ্য নাথাকে। জীৱনক গতিধৰ্মী কৰি তুলিবলৈকে কৰ্মময় জীৱনযাপন কৰিবই লাগিব। কৰ্ম কৰাই জীৱনৰ প্ৰধান কৰ্তব্য বুলি উপলব্ধি কৰিব পৰা জনেহে জীৱনত সুখী হ'ব পাৰে। এনে অৰ্থতে থিউদৰ পাৰ্কাৰ নামৰ চিন্তাবিদ্ গৰাকীয়ে কৈছে - "Who escapes duty, voids a gain" এই কথাষাৰ মন কৰিবলগীয়া। যি কৰ্তব্যৰ পৰা আঁতৰি থাকে, তেওঁ প্ৰাপ্তিৰ পৰাও বঞ্চিত হয়। গতিকে জীৱনৰ বয়স অনুসৰি আমি যেনেধৰণৰ কাম কৰা উচিত, সেইধৰণে যদি কাম কৰি যাওঁ, তেতিয়াহে আমি সুখী হ'বও পাৰিম আৰু জীৱনকো সৌন্দৰ্যময় কৰি তুলিব পাৰিম।

জীৱনৰ সৌন্দৰ্যবৰ্দ্ধন কৰিব পাৰি বহু দিশৰ পৰা। এই ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথা এষাৰ আছে। কথাষাৰ হ'ল যে, আমাৰ চৌপাশৰ সমাজখনলৈ নিৰীক্ষণ কৰি আৰু আমাৰ চৌপাশৰ সমাজখনৰ পৰাও আমি শিক্ষা ল'ব লাগে। আমি নিতৌ এনে মানুহ দেখিছোঁ - যিয়ে হয় কৰ্তব্য বিমুখ হৈ নিষ্কৰ্মা জীৱন যাপন কৰিছে, নহয় অসৎ কৰ্মত লিপ্ত হৈ উশৃঙ্খলতা আৰু অসাধুতাৰে জীৱনক ধ্বংসমুখী কৰি তুলিছে। উদাহৰণ স্বৰূপে আমাৰ ছাত্ৰ-সমাজখনলৈকে আঙুলিয়াব পাৰি। আমাৰ ছাত্ৰসমাজৰ বুজন সংখ্যকে দৈনন্দিন কৰিবলগীয়া কামৰ পৰা নিজকে আঁতৰাই ৰখা দেখা যায়। ছাত্ৰ হ'ল বুলিয়ে অন্ততঃ নিজৰ কাৰণে হ'লেও কোনো ধৰণৰ কৰ্ম নকৰাকৈ কেৱল পিতৃ-মাতৃ ওপৰত নিৰ্ভৰ কৰা দেখা যায়। ইও এক প্ৰকাৰ দাসত্ব। দাস অৰ্থাৎ ভৃত্যই নিজে একো চিন্তা নকৰে। মালিক বা প্ৰভূৱে যি কৰিবলৈ কয় ভৃত্যই তাকে কৰে। নিজে কৰ্ম কৰাৰ পৰা বিৰত থাকি যিজন পৰনিৰ্ভৰশীল

হয়; তেনে মানুহে আচলতে ভৃত্যতুল্য জীৱন-যাপন কৰে আৰু এনে মানুহ জীৱনত কেতিয়াও সুখী হ'ব নোৱাৰে। এগৰাকী চিন্তাবিদে কৈছে —'Slaves connot even dream of happiness' নিজে নিষ্কর্মা হৈ আনৰ ওচৰত আত্ম সমৰ্পণ কৰা মানুহে যিহেতু জীৱনক সুখী কৰি তোলা কথাযাৰ সপোন দেখিবও নোৱাৰে, তেনে মানুহৰ জীৱন সৌন্দৰ্যময় হ'ব কেনেকৈ?

দৈহিক শ্ৰমৰ লগতে মানসিক শ্ৰমৰ সংযোগ নঘটিলেও জীৱন সৌন্দৰ্যৰ আকৰ হৈ নুঠে। মানুহৰ জীৱনৰ পূৰ্ণতাৰ বাবে, মানুহৰ জীৱনৰ গতিশীলতাৰ বাবে আৰু মানুহৰ জীৱন জ্যোতিৰ বাবে দৈহিক আৰু মানসিক এই দুয়ো প্ৰকাৰ শ্ৰম অপৰিহাৰ্য। দৈহিক শ্ৰমে যিদৰে দেহৰো কান্তি বঢ়ায় আৰু ব্যৱহাৰিক জীৱনক স্বচ্ছল কৰি তোলে; মানসিক শ্ৰমে সেইদৰে মনৰ সুস্থতা আনে, চিন্তাক স্বচ্ছ কৰে, বুদ্ধিক প্ৰখৰ কৰে আৰু আত্মিক জেউতি বৃদ্ধি কৰে। এনে কাৰণতে নিৰন্তৰ মানসিক শ্ৰমৰ প্ৰয়োজন। প'পে কৈছিল - 'Straight of mind excercise, not rest.' সঁচা কথা - চিন্তাৰ নিৰন্তৰ অনুশীলনে মনৰ শক্তি বৃদ্ধি কৰে, চিন্তা বিমুখতাই সেইদৰে মনক দুৰ্বল কৰে । দুৰ্বল মন চয়তানৰ লীলাভূমি। গতিকে দুৰ্বল মনে মানুহক ধ্বংসৰ ফালে নিয়ে আৰু সুস্থ সবল মনে মানুহক সৎ পথৰ যাত্ৰী কৰি তোলে। বভী বোলা চিন্তাবিদ গৰাকীয়ে কৈছে-"Mind unemployed is mind unenjoyed" কথাযাৰ সঁচা এইকাৰণেই যে, মানুহৰ জীৱনৰ সুখ,দুখ, শান্তি অশান্তি এই সকলোবোৰ নিৰ্ভৰ কৰে মনৰ স্বৰূপটোৰ ওপৰতে। মনটোৱেই জীৱনক উপভোগ্যও কৰিব পাৰে আৰু জীৱনক বিষময় কৰি তুলিবও পাৰে। যাৰ মন নিৰন্তৰ সৎ চিন্তা, সৎ কৰ্ম আৰু সৃষ্টিধৰ্মী চিন্তা-চৰ্চাত নিমগ্ন হৈ থাকে, তনে মানুহৰ জীৱন সৌন্দৰ্যশালী হৈ উঠে। আনহাতে মানুহৰ জীৱনলৈ দুখ আহে নিজৰ মনৰ অসুস্থতাৰ বাবে। নিজৰ মনটো স্থিৰ আৰু সৎ চিন্তাৰে সমৃদ্ধ কৰি ৰাখিব পাৰিলে নানান প্ৰকাৰ অশান্তিয়ে মানুহক বিব্ৰত কৰিব নোৱাৰে। এই অৰ্থতে এগৰাকী চিন্তাবিদে কৈছে- "If you keep your mind calm and full of pure thoughts, nobody can come into conflict with you."

জীৱনক সৌন্দৰ্যশালী কৰিব পাৰি বহু দিশৰ পৰা। আমি আমাৰ অতীত ইতিহাসৰ পৰা জ্ঞান ল'ব পাৰো আৰু বৰ্তমানৰ বাস্তৱ সমাজৰ পৰাও জ্ঞান ল'ব পাৰো জীৱনক ঐশ্বৰ্যময় কৰি তুলিবৰ বাবে। আমি নিৰন্তৰ মনত ৰাখিব লাগিব যে, আমি জীৱশ্ৰেষ্ঠ মানুহ আৰু সেই বাবেই দৈনন্দিন আমি মনুষ্যসুলভ কামহে কৰা উচিত। জীৱন কালত প্ৰয়োজনত আমি বহু ধৰণৰ কাম কৰিব পাৰো। কিন্তু নিজৰ আগ্ৰহ আৰু ৰুচি অনুসৰি কোনো এটা নহয় কোনো এটা দিশত আমি আত্মনিয়োগ কৰিব লাগে। আমি চকুৰ আগতে দেখিছো যে, কোনোবাই জীৱন জুৰি সংগীত সাধনা কৰি জীৱনক সুন্দৰ কৰিছে, কোনোবাই নৃত্য সাধনা কৰি, কোনোবাই অভিনয় কৰি, কোনোবাই বিজ্ঞানৰ গৱেষণা কৰি, কোনোবাই চিত্ৰকলাৰ সাধনা কৰি, কোনোবাই সাহিত্য সাধনা কৰি মনুষ্যসুলভ আত্ম পৰিচয় এটা গঢ়ি তুলিছে আৰু এনেধৰণৰ সাধনাৰে নিজৰ জীৱনক মহৎ আৰু মোহনীয় কৰি তুলিছে। কিন্তু এইখিনিতে এটা প্ৰশ্ন হয় যে, উল্লিখিত দিশবোৰত যে সকলোৱে সমানে 'সাধনা কৰিব পৰাটো সম্ভৱ জানো? সকলোৱে উচ্চাঙ্গ কলা সাধনা কৰাটো সম্ভৱ নহয় আৰু কৰিব লাগিবই বুলিও কোনো কথা নাই। কিন্তু প্ৰত্যেক মানুহৰ ৰুচি আৰু যোগ্যতা অনুসৰি উচ্চাঙ্গ কলাৰ পৰিৱৰ্তে অন্যান্য কোনো এটা দিশত অন্ততঃ আত্মনিয়োগ কৰিব পাৰে। ধৰা যাওক কোনোবাই খেলা ধূলাত, কোনোবাই অন্যান্য যিকোনো একোটা দিশত ঐকান্তিক চৰ্চা কৰিব পাৰে। কেৱল সেয়ে নহয়-এইবোৰৰ উপৰিও অতি নিষ্ঠা আৰু সততাৰে ব্যৱসায় বাণিজ্যতো আত্মনিয়োগ কৰিব পাৰে। সম্প্ৰতি বাণিজ্যত বহু মানুহে মনুষ্যত্বক বিসৰ্জন দি, সততা আৰু নৈতিকতাক বিসৰ্জন দি প্ৰচুৰ ধন ঘটা দেখা যায়। কিন্তু বাণিজ্যত ধন ঘটিবলৈ যাওঁতে যদি সততা,নৈতিকতা আৰু মনুষ্যক আওকাণ কৰা যায়, তেতিয়া কিন্তু মানুহৰ জীৱন প্ৰশংসনীয়, শ্ৰদ্ধেয় আৰু সৌন্দৰ্যময় হৈ উঠিব নোৱাৰে।

জীৱনক সৌন্দৰ্যশালী কৰি গঢ়ি তোলাৰ পথ অথবা মাধ্যমৰ অন্ত নাই। আমি যদি জানো-তেনেহ'লে বিভিন্ন প্ৰকাৰে আমি আমাৰ জীৱনক উপভোগ্য ৰূপত সজাই তুলিব পাৰোঁ। আমাৰ দেশ কৃষিপ্ৰধান দেশ। বিবিধ প্ৰকাৰ কৃষিৰ বাবে আমাৰ দেশৰ মাটি উপযোগী। তাতে আৰু আধুনিক বস্তুবাদী বিজ্ঞানে নতুন নতুন কৃষি পদ্ধতি আৱিষ্কাৰ কৰি জনসাধাৰণৰ বিশেষকৈ কৃষকসকল উন্নতিৰ পথত আগবাঢ়ি যোৱাত সহায় কৰিছে। এনেবোৰ অনুকূল পৰিস্থিতিত আধুনিক পদ্ধতিৰে কৃষিকৰ্ম কৰিও জীৱনক সুখী কৰি তুলিব পাৰি, ভোগী কৰি তুলিব পাৰি আৰু সুখ আৰু ভোগেৰে জীৱনৰ সৌন্দৰ্য আহৰণ কৰিব পাৰি। গুণ বিশিষ্টতাবোৰ আহৰণ কৰি কৰা যিকোনো কৰ্মইহে মানুহক যথাৰ্থ মানুহ কৰি তোলে আৰু এনে মানুহৰ জীৱনহে সুখৰ, শান্তিৰ আৰু উপভোগ্য হৈ উঠে। এই যে আৰম্ভণিতে এষাৰ কথা কোৱা হৈছিল-মানুহৰ জীৱন এক বিমূৰ্ত ধাৰণা বুলি আৰু যে কোৱা হৈছিল জীৱনৰ বিমূৰ্ত ধাৰণাটো গঢ় লৈ উঠে কিছুমান গুণৰ সমষ্টিৰ আধাৰত বুলি সেইষাৰ কথাৰ ব্যাখ্যা স্বৰূপেই পিছৰ কথাখিনি দাঙি ধৰা হ'ল। মুঠতে মানুহৰ জীৱন অতি দুৰ্লভ। এনে দুৰ্লভ জীৱনক মধুময় আৰু সৌন্দৰ্যময় কৰি গঢ়ি তুলিবৰ বাবেই জীৱনক মানৱীয় সৎগুণেৰে গুণান্বিত কৰি তুলিবই লাগিব। তাকে কৰিব পাৰিলেই জীৱন হৈ পৰে উপভোগ্য আৰু সৌন্দৰ্যময়। □

# অসমীয়া সমালোচনা সাহিত্য আৰু বেজবৰুৱা

ড০ আনন্দ বৰমুদৈ।

পাৰ হ'ব ধৰা শতিকাটোত আধুনিক ভাষা সাহিত্যই প্ৰতিষ্ঠা লাভ কৰি বিভিন্ন দিশত বিস্তৃতি লাভ কৰিছে। সাহিত্যৰ বিকাশ কিন্তু চকুত লগা বিধৰ নহয়। অসমীয়া সাহিত্যৰ পাঠকৰ সংখ্যা কম আৰু সমালোচনা সাহিত্যৰ পাঠকৰ সংখ্যা নিচেই কম। সমালোচকৰ মাজত মতভেদ হৈ মতভেদে গালি-শপনিৰ ৰূপ ল'লে অনেক পাঠকে তাৰ মাজৰ পৰা গালি শপনিখিনিহে বাছি বাছি পঢ়ে। যোৱা এশ বছৰত অসমীয়া গল্প, উপন্যাস, নাটক, প্ৰবন্ধ আদিয়ে যিখিনি জনপ্ৰিয়তা লাভ কৰিছে সেইখিনি সমালোচনা সাহিত্যই লাভ কৰিব নোৱাৰাৰ কাৰণ কি হ'ব পাৰে? আধুনিক কবিতাই দুৰ্বোধ্যতাৰ কাৰণে জনপ্ৰিয়তা আৰ্জিব পৰা নাই বুলি কোৱা হয়। সমালোচনা সাহিত্যৰ ক্ষেত্ৰত এই দশকৰ অতি সাম্প্ৰতিক বিক্ষিপ্ত দুই এটা সমালোচনাৰ বাহিৰে বাকী সমালোচনাক সামগ্ৰিক ভাৱে দুৰ্বোধ্য বুলি ক'ব নোৱাৰি। সাহিত্য সমালোচনাই জনপ্ৰিয়তা অৰ্জন কৰিব নোৱাৰাৰ প্ৰধান কাৰণ অনেক সমালোচনা আমনি লগাকৈ বিৱৰণাত্মক। কিতাপ এখনৰ যিবোৰ কথা যিকোনো এজন পাঠকে পঢ়িলে বা আনে পঢ়ি দিলেই শুনি বুজি পাব পাৰে সেইবোৰ কথাকে সমালোচনাৰ নামত লিখি থাকিলে পাঠকে আমনি পোৱাটো স্বভাৱিক। বিৱৰণাত্মক সমালোচনাই মূল কিতাপখন আগেয়ে নপঢ়া পাঠকক মূল কিতাপৰ প্ৰতি অনাগ্ৰহী কৰাৰো আশংকা।

সমালোচনা সম্পৰ্কে বেজবৰুৱাই বৰ ভাল কথা কৈছিলঃ "এই পৃথিৱীত যতবিলাক মস্তিলৰ কাম আছে তাৰ তাৰ ভিতৰত সমালোচনা কৰাটোও এটা। কিন্তু আশ্চৰ্যৰ বিষয় এইহে যে সেইটো কাম সৰহভাগ মানুহে ইমান ঢিলা বুলি ভাবে যে খেৰণিয়ে বননিয়ে সমালোচক।" একে সুৰতে পৰৱৰ্ত্তী কালত ডিম্বেশ্বৰ নেওগে কৈছিল যে অসমীয়া সাহিত্যত যিকোনো হাটৰুৱা-বাটৰুৱাই সমালোচক। বাঁহীৰ সম্পাদক হৈ থাকি বেজবৰুৱা যিটো সমস্যাৰ সন্মুখীন হৈছিল সকলো কাকত আলোচনীৰ সম্পাদকেই আজিও সেই সমস্যাৰ সন্মুখীন হয়। লিখকসকলে নিজৰ কিতাপ সমালোচনাৰ কাৰণে সম্পাদক সকললৈ পঠায়। আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস কাকত আলোচনীকেন্দ্ৰিক। সমালোচনা সাহিত্য বহু পৰিমাণে বিৱৰণাত্মক হোৱাৰ এটা কাৰণ কাকত-আলোচনী নিৰ্ভৰশীলতা। বেজবৰুৱাই সমস্যাটো বুজি লিখিছিল ঃ সম্পাদকজন যেনে খাপৰে আৰু যেনে স্বভাৱৰে মানুহ হওক লেখকসকলে তেওঁলোকৰ কিতাপ ভাল বেয়াৰ সম্বন্ধে তেওঁৰ মতামত ছেপি উলিয়াবলৈ চেষ্টা নকৰি নাথাকে।...... গতিকে বেচেৰা সম্পাদক বাধ্য হৈ...... যি কিতাপ সমালোচনা কৰিবলৈ কাপ হাতত লয় সেই কিতাপ তেওঁৰ বিদ্যা বুদ্ধিয়ে ঢুকি পোৱা নহ'লেও আৰু তাত লেখা কথাবোৰত তেওঁৰ ৰুচিয়ে থাউনি পোৱা নহ'লেও, তেওঁ গহীনভাৱে সেইবোৰৰ ওপৰত মতামত প্ৰকাশ কৰি নিজৰ মান ৰাখিব লগীয়াত পৰে।...... সম্পাদকক গ্ৰন্থকাৰসকলে ঠেলিছেঁকি সমালোচনাৰ মাচিয়াত তুলি দি তেওঁৰ পৰা তেওঁলোকৰ কিতাপৰ বিষয়ে সমালোচনা পাওনাৰ দাবীনকৰি নেৰে... নিজৰ বিনাদোষত দেনাদাৰ হৈ পৰা সমালোচকৰূপী সম্পাদকসকলে ঠেকত পৰি গা সাৰিবৰ উপায় উলিয়াই লয়।..........কিতাপৰ পাতনি সূচী আৰু 'টাইটোল পেজ' মনোযোগ দি পঢ়িয়েই অৰ্থাৎ কিতাপৰ ভিতৰত প্ৰৱেশ নকৰিয়েই আৰু অনেক সময়ত লেখকজনৰ নামৰ নাইবা মুখৰফালে চাই ওপৰে ওপৰে ভালবেয়া ইত্যাদি সমালোচনা মাৰি পঠিয়াই দি গা সাৰে।"

অৰুণোদয়ৰ দিনৰ পৰ আজিলৈকে অসমীয়া সাহিত্য সমালোচনাৰ বাবে কোনো নিজা সমালোচনা তত্ব গঢ়ি উঠা নাই। সমালোচনা তত্বই সমালোচনাৰ বাবে মূল ভিত্তি তৈয়াৰ কৰি দিয়ে। সাহিত্য সমালোচনা সংস্কৃতবানলোকৰ প্ৰবৃত্তিগত কাম হ'লেও তাত্বিক ভিত্তিৰ কথাটো আমি সম্পূৰ্ণ বাদ দিব নোৱাৰো। প্ৰাচ্য আৰু পাশ্চাত্য নন্দনতত্বৰ পৰিচয়জ্ঞাপক কিতাপ অসমীয়াত ভালেকেইখন লিখা হৈছে। কিন্তু সমালোচনাৰ বেলিকা প্ৰাচ্য পাশ্চাত্যৰ তাত্বিক ভিত্তিৰ কিবা সচেতন আৰু প্ৰণালীবদ্ধ সংমিশ্ৰণ হৈছে বুলি ক'ব নোৱাৰি। পশ্চিমীয়া প্ৰভাৱক আধুনিক অসমীয়া সৃজনীশীল সাহিত্যই গঢ় লৈ উঠাৰ বাবেই সমালোচনাতো আজিলৈকে পাশ্চাত্য সমালোচনাতত্বই ক্ৰিয়া কৰি আছে। ইফালে অসমীয়া সাহিত্যত সমালোচনাৰ নিৰ্দিষ্ট তত্ব গঢ় লৈ উঠাৰ আগতেই পশ্চিমীয়া দেশত সমালোচনাতত্ব নিজেই প্ৰত্যাহবানৰ সন্মুখীন

হৈ পৰিল। প্ৰশ্ন উঠিছে তত্ত্বই অথবা তত্ত্বৰ জ্ঞানে পাঠকক সাহিত্য বুজাত সহায় কৰে নে বাধা প্ৰদান কৰে। তত্ত্বৰ জ্ঞানেৰে পুষ্ট পাঠক এজনে তত্ত্বত উল্লেখ থকা উপাদান, গুণ, বিশিষ্টি আদি বিশেষ সাহিত্যকৃতীৰ মাজত বিচাৰি ফুৰোতে ৰসাস্বাদন বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা।

বেজবৰুৱাৰ সাহিত্য সমালোচনাত তাত্ত্বিক ভিত্তি কি আছিল তাক নিৰ্ণয় কৰা টান, কিন্তু সমালোচক হিচাবে তেওঁৰ দৃষ্টিভংগী আধুনিক আৰু সংস্কৃতিবান। সমালোচকৰ দায়িত্ব আৰু কৰ্ত্তব্য সম্পৰ্কে তেওঁ কোৱা কথাৰ পৰা সিদ্ধান্ত কৰিব পাৰি যে সমালোচনা বস্তুনিষ্ঠ হোৱাটো একান্ত প্ৰয়োজনীয় বুলি তেওঁ বিবেচনা কৰিছিল। লিখকৰ মুখৰ ফালে চাই কৰা সমালোচনাক বেজবৰুৱাই ব্যংগ কৰিছিল। ধেমালীৰ ছলেৰে কোৱা এই কথাষাৰ সাহিত্য সমালোচনা তত্ত্বৰ প্ৰসংগত অতি গুৰুত্বপূৰ্ণ। মেথ্যু আৰ্ণল্ডে সমালোচনা ব্যক্তিমখী হ'ব নালাগে বুলি কৈছিল। পৰৱৰ্ত্তীকালত এলিয়টে কৈছিল যে সমালোচনা সাহিত্যকৃতীৰ ওপৰত হ'ব লাগে, সাহিত্যকৰ ওপৰত নহয়। বেজবৰুৱাই প্ৰণালীবদ্ধভাৱে কোনো সমালোচনা তত্ত্ব তৈয়াৰ কৰা নাই। কিন্তু হাহিঁৰ ছলেৰে কৰা তেওঁৰ উক্তি একোটাও সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সৰ্বোচ্চ উৎকৰ্ষ সাধনৰ সহায়ক হ'ব পাৰে। তৎকালিন সাহিত্য সমালোচনাত বজবৰুৱা সন্তুষ্ট হ'ব পৰা নাছিল। সেইবাবে তেওঁ লিখিছিলঃ "কোনো কোনো সম্পাদকে আকৌ সমালোচনামানে গালি বুলি বুজি লৈছে। সেইদেখি তেওঁলোকে কোনো গ্ৰন্থকাৰৰ কিতাপ সমালোচনা কৰিবলৈ বহি গালিৰে তাৰ সমিপণ্ডিতকৰণ কৰি থৈ দিয়ে।" কেৱল প্ৰশংসা কৰা সমালোচকৰ কথা ক'বলৈ গৈ বেজবৰুৱাই লিখিছে যে তেওঁৰ কাপৰ আগৰ পৰা পানী নিদিয়া প্ৰশংসাহে দাৰ নিছিগাকৈ বয়'। ধাৰ নিছগা প্ৰশংসা, স্তুতি, নিন্দা, গালি শপনি আদি অৱশ্যে সমালোচনা নামত আজিও আমাৰ সাহিত্যত বৰ্ত্তি আছে আৰু বৰ্ত্তি থকাটো স্বাভাৱিক। ধাৰ নিছিগা প্ৰশংসা আৰু স্তুতিবাদত সাহিত্যকৃতিৰ সন্মুখত সমালোচকৰ বিস্ময় বিমূঢ়তা প্ৰকাশ পায়। তেনে সমালোচনাই সাহিত্যিক জনক কিবা সহায় কৰিলেও সমালোচকজনক একো সহায় নকৰে।

সমালোচনাতত্ত্ব সাম্প্ৰতি কালত সমালোচনাৰ প্ৰসংগত এটা কথা ক'ব পাৰি যে সমালোচনাৰ কোনো তাত্ত্বিক ভিত্তি নাথাকিলে সমালোচকে কোৱা কথাবোৰ প্ৰশংসা, নিন্দা অথবা সাহিত্যকৃতিৰ প্ৰতি ব্যক্তিগত সঁহাৰি হোৱাৰ আশংকা। তাত্ত্বিক ভিত্তিৰ অভাৱত যুগৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, অভ্যাস আদি সাহিত্য বিচাৰৰ মাপকাঠী হৈ পৰিব পাৰে। এনে কাৰণতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দৰে লোকেও লিখিলে ঃ 'কীৰ্ত্তন জোনত 'হৰমোহন' আৰু 'ৰাসলীলা' এই দোডোখৰ বৰ ডাঙৰ চেকা।.....যি জাতিয়ে প্ৰেম খায়নে কানত পিন্ধে একো নেজানিছিল, সেই জাতিক প্ৰেমেৰে ভক্তি শিকাবলৈ যোৱা, আমাৰ মনেৰে হ'লে, বান্দৰৰ ডিঙিত মুকুতাৰ হাৰ পিন্ধোৱাৰ নিচিনা কথা আৰু তাৰ পৰা শংকৰদেৱৰ মনতো চহা ভাবৰ ছাৎ দেখিবলৈ পোৱা যায়।"

সাহিত্যকৃতিলৈ নচাই লিখকৰ মুখলৈ চাই কৰা সমালোচনাৰ কথাটো সমসাময়িক সাহিত্যৰ ক্ষেত্ৰতহে অধিক প্ৰযোজ্য। অসমীয়া সাহিত্যত বস্তুনিষ্ঠ আৰু তত্ত্বৰ আধাৰত কৰা সমালোচনা সদায় সমাদৃত হৈ আহিছে বুলি ক'ব নোৱাৰি। ডঃ বাণীকান্ত কাকতিয়ে জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰী নাটকৰ এটা বস্তুনিষ্ঠ সমালোচনা লিখিছিল। নাটকখনৰ শিল্পগুণ সমূহ দেখুৱাই দিয়াৰ লগতে ত্ৰুটি আৰু দুৰ্বলতাসমূহ আঙুলিয়াই দিছিল। 'মধুমতীক অগ্নিগড়লৈ অনাৰ পৰা নাটৰ কোনো অঙ্গ পূৰ্ণ হোৱা নাই। এইটো সম্পূৰ্ণ নিৰৰ্থক। যি ঘটনাৰ লগত নাটৰ মুখ্যবস্তুৰ সাক্ষাৎ বা পৰোক্ষভাৱে সম্বন্ধ নাই, তেনে কথা নাটত ঠাই দিব নালাগে।...... উষাক বিচিলিত কৰা বুলি তেওঁৰ যৌৱনৰ লগে লগে বসন্ত কালকো দায়ী কৰিব লাগিছিল। নহ'লে উষাৰ চৰিত্ৰৰ মৰ্যাদাত অলপ আঘাত কৰে।...... উষা অনিৰুদ্ধৰ প্ৰেম লীলা উপলব্ধি কৰোতেই কুমলীয়া গ্ৰন্থকাৰৰ কল্পনা ভাগৰি পৰিছে।.....অনিৰুদ্ধৰ আপোন মতলীয়া উক্তিবোৰ স্বাভাৱিক হোৱা নাই। ঘটনাৰ উল্লেখ বা পৰিস্পয্যৰ লক্ষ্য নকৰাত তাত হঠাৎকাৰিতাৰ দোষ পৰিছে। নাটত সাক্ষাৎ বা পৰোক্ষ ঘটনাৰ উল্লেখ বা সংশ্লেষ, লাগিবই।" ডঃ কাকতিয়ে তেওঁৰ সমালোচনাত ঘটনাৰ যি পাৰম্পৰ্য্য অথবা কাৰ্যকাৰণ নীতিৰ কথা উল্লেখ কৰিছে তাৰ ভিত্তি এৰিষ্টলৰ পয়েটিকচ। জ্যোতি প্ৰসাদে এই বস্তুনিষ্ঠ সমালোচনাক কি দৰে গ্ৰহণ কৰিছিল তাক নিশ্চিত ভাৱে জানিব পৰা নাযায়। নিমাতী কইনাত সমালোচকক এইদৰে ব্যংগ কৰা হৈছে ঃ "বিদ্যা দিকগজ এই পণ্ডিত প্ৰবৰ/আলোচনা বিলোচনা সমালোচনাৰে/কবিকো অকবিকৰি এঁৱে দিব পাৰে/মূৰ্খয়ো কবিতা লিখি যদি তুষ্ট কৰে/ টীকা ব্যাখ্যা অন্বয়েৰে কৰি সমন্বয়/তকো মহাকবি পাতি/ওপজাব পাৰে এওঁ বিশ্বৰ বিস্ময়/...... প্ৰবীণ লিখকবোৰে এওঁক কৰে ভয়/ন লিখাৰুৰ যম জানিবা নিশ্চয়......।" নাটকীয় চৰিত্ৰ এটাক নাট্যকাৰৰ লগত একাকাৰ কৰিব নোৱাৰি আৰু যিজন সমালোচকক



ব্যঙ্গ কৰা হৈছে তেওঁকো ডঃ কাকতি বুলি সিদ্ধান্ত কৰাটো নিৰাপদ নহয়, কিন্তু এই বুলি নিশ্চয় ক'ব পাৰি যে নিমাতী কইনাত পণ্ডিত সমালোচনাকক ব্যংগ আৰু বিদ্ৰুপ কৰা হৈছে।

অসমীয়া সাহিত্যত সাহিত্যকৃতিৰ বিশ্লেষণ আৰু বিচাৰৰ আধাৰত আৰু সাহিত্যিকৰ মুখলৈ নোচোৱাকৈ সমালোচনা কৰা আন এগৰাকী সমালোচক ডিম্বেশ্বৰ নেওগে লিখিছে ঃ "বুদ্ধিমান আৰু সাহসী জ্যোতি প্ৰসাদে তথাকথিত বাস্তৱ, প্ৰকৃততে নৰন্যাসমূলক নাটকৰ চেষ্টা কৰিছিল, কিন্তু যথেষ্ট সময় নাপালে। মিত্ৰদেৱ যথেষ্ট বুদ্ধিমান আছিল।, কিন্তু সেই বুদ্ধিৰ অপব্যয় ঘটিল। অতুল চন্দ্ৰৰ জোখতকৈ লেখৰ চিন্তা, নকুল চন্দ্ৰৰ অধ্যয়নৰ আৰু দৈৱচন্দ্ৰৰ একাগ্ৰতাৰ অভাৱ"। এই বিচাৰে সকলোৱে মানি ল'ব লাগিব বুলি কথা নাই, কিন্তু ইয়াত এগৰাকী সমালোচকৰ নিজৰ বিচাৰ আৰু দৃঢ় মতামত আছে। বিৱৰণাত্মক সমালোচনাত এনে মতামত পোৱা নাযায়। সাহিত্যিকৰ মুখলৈ চাই সমালোচনা কৰা হ'লে ডিম্বেশ্বৰ নেওগে এনে মতামত দিব নোৱাৰিলহেঁতেন।

সমালোচক এজনৰ গাত থাকিব লগীয়া গুণৰ বিষয়ে বেজবৰুৱাই কৈছেঃ সমালোচক হ'বলৈ যোৱা জনৰ গাত অপক্ষপাতিতা, গুণগ্ৰাহিতা আৰু ধৰ্মজ্ঞান থাকিব লাগে আৰু প্ৰচলিত হিংসাকুৰীয়া স্বভাৱটো থাকিব নালাগে।" ইয়াত নিজস্ব ভংগীত বেজবৰুৱাই বস্তুনিষ্ঠ সমালোচনাৰ কথাকে কৈছে। বাঁহীৰ ১ম বছৰ, ৪ৰ্থ সংখ্যাৰ এটা প্ৰবন্ধত বেজবৰুৱাই সমালোচনা সম্পৰ্কে কোৱা এষাৰ কথাৰ লগত সাম্প্ৰতিককালৰ প্ৰখ্যাত সমালোচকে কোৱা কথাৰো আশ্চৰ্যজনক মিল আছে। বেজবৰুৱাই কৈছ ঃ- 'ধৰ্ম, সমাজ, আচাৰ, ব্যৱহাৰ আদি সকলোৰে এটা প্ৰচলিত বান্ধোন থকা দৰে সাহিত্য ৰচনাৰো এটা প্ৰচলিত বান্ধোন আছে।" এই প্ৰচলিত বান্ধোননো কি হ'ব পাৰে ? এই বান্ধোনক আমি সাহিত্য পৰম্পৰা (Literary Convention)বুলি ক'ব নোৱাৰোনে ? সংগঠনবাদী সমালোচক জনাথন কিউলাৰে এনে এটা সমস্যাকেই আলোচনা কৰিছে। তেওঁ কৈছে ঃ এনে এজন মানুহ কল্পনা কৰা যি ইংৰাজী ভাষাটো জানে কিন্তু যাৰ সাহিত্যৰ কোনো ধৰণৰ জ্ঞান নাই।...... তেওঁক কবিতা এটা দিলে তেওঁ থতমত খাব। শব্দ আৰু বাক্যবোৰ তেওঁ নিশ্চয় বুজিব, কিন্তু এই আচহুৱা বস্তুটো কি তেওঁ বুজি নাপাব। ভাষাৰ এই অদ্ভুত নিৰ্মাণটোলৈ কিনো কৰিব লাগে তেওঁ তাকো নুবুজিব। অভিজ্ঞ পাঠকৰ জটিল জ্ঞানৰ পদ্ধতিটো তেওঁৰ ক্ষেত্ৰত অনুপস্থিত। এই পদ্ধতিটো হৈছে কেতবোৰ নীতি আৰু পৰম্পৰা।কবিতা বুজিবলৈ পাঠক কেতবোৰ নীতি আৰু পৰম্পৰাৰ লগত চিনাকি হ'ব লাগিব।" বেজবৰুৱাই কোৱা সাহিত্য ৰচনাৰ 'প্ৰচলিত বান্ধোনো' মূলতে এই নীতি আৰু পৰম্পৰা।

বেজবৰুৱাই কোৱা সাহিত্য ৰচনাৰ প্ৰচলিত বান্ধোন আৰু কিউলাৰে কোৱা নীতি পৰম্পৰাৰ কথাটো কিউলাৰে দিয়া উদাহৰণ এটাৰে অলপ বহলাই আলোচনা কৰিব পাৰি। এটা সাধাৰণ গদ্যৰ বাক্য ঃ "মই কালি বজাৰলৈ গ'লো আৰু চাকি এটা কিনি আনিলো।" এই বাক্যটো কবিতাৰ আকাৰত সজাই দিলে গদ্যত থকা বাক্যটোৰ দৰেই নিৰ্দ্দিষ্ট অৰ্থ থাকিবনে অৰ্থ আৰু ব্যঞ্জনাৰ কিবা তাৰতম্য হ'ব। সজোৱা হওক ঃ 'মই কালি/ বজাৰলৈ গ'লো/আৰু কিনিলো/এটা চাকি।" বাক্যটোৰ শব্দ কেইটাক এই কবিতাৰ ৰূপত গাঁথনিত অথবা সংগঠনত দেখাৰ লগে লগে অৰ্থ আৰু ব্যঞ্জনাৰ সালসলনি নিশ্চয় হ'ব। তাৰ কাৰণে আমি কবিতা এটা পঢ়িবলৈ ল'লেই আমাৰ শব্দ, অৰ্থ আৰু ব্যঞ্জনাৰ প্ৰতি সচেতনতা অন্য ধৰণৰ হয়। প্ৰথম কথা 'কালি' বুলি কোৱাৰ লগে লগেই বৰ্তমানৰ লগত সময়ৰ বিৰোধ উপস্থিত হ'ব। কাৰণ কবিতা এটাত পোৱা উক্তিৰ লগত সময়ৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ। দ্বিতীয় কথা কবিতাটোৰ বিষয়বস্তুৰ বাবেই কিবা অৰ্থবহ মূহুৰ্ত্ত ধৰি ৰাখিছে নেকি তাক আমি পৰীক্ষা কৰিম। 'কিনিলো' আৰু 'চাকি' শব্দ দুটাৰ কিবা প্ৰতীকী ব্যঞ্জনা আছে নেকি তাক অনুমান কৰিবৰ চেষ্টা কৰিম। 'চাকি'ৰ পৰম্পৰাগত প্ৰতীকী ব্যঞ্জনাত 'জ্ঞান বিস্তাৰ,' 'পথ প্ৰদৰ্শন' 'আন্ধাৰ বিনাশ' আদি ধাৰণা সোমাই আছে আৰু 'কিনা' শব্দটোৱে চাকিটো লাভ কৰাৰ এটা বিশেষ ধৰণৰ কথা কৈছে। কবিতাত সংহতি বিৰোধ উপস্থাপন আৰু নিষ্পত্তিৰ মাজেৰে সাধন কৰা হয়। এই কবিতাত দুটা কথাক বিৰোধী অৱস্থানত পাৰো-চাকি কিনা আৰু কিনোতাৰ পোহৰ লাভৰ চেষ্টা। এইটো কোনো উচ্চমানৰ কবিতা হোৱা নাই, কিন্তু গদ্য বাক্য কবিতাৰ পোছাক পিন্ধালে পাঠকৰ প্ৰতিক্ৰিয়া সলনি হয়। বেজবৰুৱাই এনে ধৰণৰ কথাও চিন্তা কৰিছিল।

❒



ঃ সোণালী অতীত ঃ

# ডিব্ৰু মহাবিদ্যালয়ৰ সোণালী ইতিহাসৰ লেছেৰি বুটলি

শ্ৰী শশীকান্ত শইকীয়া।

ডিব্ৰুগড়। অসমৰ ভিতৰত এখন মনোৰম চহৰ। সুন্দৰ প্ৰাকৃতিক দৃশ্যাৱলী, বিতোপন চাহ বাগিচাৰে আবৃত, চালে চকুজুৰোৱা এই ডিব্ৰুগড় চহৰৰ অন্যতম পুৰণি উচ্চ শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়। অতীতৰ ডিব্ৰুগড় কলেজ আৰু আজিৰ ডিব্ৰু মহাবিদ্যালয়। সেয়াও আছিল এক ৰসাল কাহিনী। জানিবলৈ হ'লে ঘূৰি যাব লাগিব ১৯৪৫ চনলৈ।

১৯৪৫ চন, ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ কুঁৰলি ফালি জন্ম হ'ল ডিব্ৰুগড় কলেজ নামৰে এটি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। ড° ফণী ঘোষ, সৰ্বানন্দ দুৱৰা প্ৰমুখ্যে কেইবাজনো বিশিষ্ট শিক্ষাবিদৰ প্ৰচেষ্টাত গঢ় লৈ উঠে ডিব্ৰুগড় কলেজ। লহপহকৈ বাঢ়ি অহা এই কলেজখনৰ বাবে ১৯৫০ চনত দানবীৰ কানৈজীয়ে ডিব্ৰুগড় কলেজখনলৈ এটি ভৱন দান দিবলৈ আগবাঢ়ি আহিল। কিন্তু চৰ্ত আছিল যে ৰায়বাহাদুৰ হনুমান বক্স কানৈ আৰু তেওঁৰ ভাতৃ সুৰজমল কানৈৰ নামেৰে কলেজ খন নামকৰণ হ'ব লাগিব। ডিব্ৰুগড় কলেজৰ পৰিচালনা সমিতিয়ে সেই চৰ্ত বিনাদ্বিধাই মানি লোৱাত ডিব্ৰুগড় কলেজ হৈ পৰিল ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ নামেৰে। অৰ্থাৎ এতিয়া সকলোৰে মাজত পৰিচিত ডি, এইচ, এচ, কে, কলেজ। ডিব্ৰুগড় কলেজখন ডি, এইচ, এচ, কে, কলেজ নামেৰে ৰূপান্তৰ হৈ পৰাৰ পাছত পুনৰ ১৯৬৩ চনৰ ১৬ আগষ্টত শিক্ষাবিদ নন্দলাল বৰগোহাঁই, চাইকুদ্দিন আহমেদ, মহেন্দ্ৰ নাথ গগৈ আদিৰ দৰে গুণী-জ্ঞানী ব্যক্তিৰ প্ৰচেষ্টাত আন এখন নতুনকৈ ডিব্ৰুগড় কলেজ গঢ়ি তোলা হয়। ডিব্ৰুগড় কলেজ নামেৰে আন এখন কলেজ গঢ়ি তোলা বুলি দানবীৰ কানৈয়ে জানিব পাৰি তেতিয়াৰ তদৰ্থভিত্তিক থকা পৰিচালনাৰ সমিতিৰ সভাপতি ডি. দাস আই, এ, এচ,ৰ লগত কানৈজীয়ে ততালিকৈ যোগাযোগ কৰি নতুনকৈ গঢ়ি উঠা ডিব্ৰুগড় কলেজৰ পৰা "গড়" শব্দটো বাদ দিবলৈ কাতৰ অনুৰোধ জনায় আৰু কানৈজীয়ে অনুনয়-বিনয় কৰি কলেজখনলৈ দহ হাজাৰ টকাৰ এক আৰ্থিক সাহাৰ্য্যও দিবলৈ ৰাজি হয়। দানবীৰ কানৈজীয়ে আগবঢ়াবলৈ খোজা আৰ্থিক সাহায্যটো গ্ৰহণ কৰি পৰিচালনা সমিতিয়ে ডিব্ৰুগড় কলেজৰ পৰা 'গড়' শব্দটো বাদ দিয়াত ডিব্ৰু কলেজতে সীমাবদ্ধ থাকে। সেয়ে বহুতে আজিও ৰগৰ কৰি কয় বোলে পৰিচালনা সমিতিয়ে দহ হাজাৰ টকাত 'গড়' শব্দটো বিক্ৰী কৰি দিয়া বাবে নেজ নোহোৱা খৰা শিয়ালৰ দৰে ডিব্ৰুগড় কলেজখন ডিব্ৰু কলেজ হৈ পৰিল। ডিব্ৰুগড়ত হওঁতে দুখনকৈ ডিব্ৰুগড় কলেজ গঢ়ি উঠিছিল। কিন্তু ৰাইজৰেই দুৰ্ভাগ্য যে আজি এখনো 'ডিব্ৰুগড় কলেজ' ডিব্ৰুগড়ত নাই। আছে ডি, এইচ, এচ, কে কলেজ আৰু ডিব্ৰু কলেজ। এই দুখন কলেজতে অকালতে মৰহি যোৱা দুখন ডিব্ৰুগড় কলেজৰ অস্তিত্ব লুকাই আছে।



ডিব্ৰুগড় মহাবিদ্যালয় জন্ম বৃতান্তৰ লগত ঘাইকৈ জড়িত আছে নন্দলাল বৰগোহাঁই, চাইকুদ্দিন আহমেদ, চাফাউদ্দিন আহমেদ, কেশৱ শৰ্মা, শৰৎ বৰকাকতী, প্ৰভাত বৰপূজাৰী, বিপিন শৰ্মা, নগেন দাস,আৰু নীলমণি বৰঠাকুৰ। মহাবিদ্যালয় এখনৰ স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা এই সকলৰ ভিতৰত নন্দলাল বৰগোহাঁইদেৰে এখন ৰাজহুৱা সভা আহ্বান কৰে ১৯৬২ চনৰ ২৫ চেপ্তেম্বৰত। সভাখনত সভাপতিত্ব কৰিছিল জৰ্জ ইন্ষ্টিটিউচনৰ অৰ্থাৎ বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন হাইস্কুলৰ অৱসৰ-প্ৰাপ্ত অধ্যক্ষ গোবিন্দ চন্দ্ৰ শৰ্মাই। সেই ৰাজহুৱা সভাতেই সিদ্ধান্ত লোৱা হয় ডিব্ৰুগড়ত এখন কলেজ স্থাপনৰ। অসম মেডিকেল কলেজৰ তেতিয়াৰ উপাধ্যক্ষ ডাঃ ৰুদ্ৰ গোস্বামীক সভাপতি আৰু



নীলমণি বৰঠাকুৰক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। যুটীয়া সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয় নন্দলাল বৰগোহাঁই আৰু চাফাউদ্দিন আহমেদক। কলেজখন স্থাপনৰ খবৰ বিভিন্ন ওচৰ চুবুৰীয়া ৰাইজে জানিব পাৰি খৰটকীয়া ভাৱে গঢ় লৈ উঠিবলৈ বহুতে আৰ্থিক সাহায্য আগবঢ়ায়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ১৯৬২ চনৰ চীন ভাৰতৰ মাজত হোৱা যুদ্ধৰ সত্বেও কলেজ পৰিচালনা সমিতি থমকি ৰোৱা নাছিল। কলেজখনৰ প্ৰথম শৈক্ষিক বৰ্ষ আৰম্ভ হয় ১৯৬৩ চনৰ ১৬ আগষ্টৰ পৰা অৰ্থাৎ ১৯৬৩-৬৪ বৰ্ষৰ পৰা। কলেজখনৰ কাম-কাজ পৰিচালনা কৰিবলৈ এটা অফিচ ঘৰৰ অভাৱৰ বাবে স্কুলসমূহৰ জিলা পৰিদৰ্শক শিৰনাথ শৰ্মাৰ চিৰিং চাপৰিস্থ বাসভৱনত প্ৰায় এবছৰ ধৰি চলাইছিল। ডিব্ৰু কলেজৰ প্ৰথম পাঠদান হৈছিল ১৯৬৩ চনৰ ১৬ আগষ্টৰ পৰা বৰ্তমান বাগ্মীবৰ নীলমণি ফুকন হাইস্কুলত (পূৰ্বৰ জৰ্জ ইনষ্টিটিউচন)। প্ৰাৰম্ভিক অৱস্থাত প্ৰি ডিগ্ৰী কলা আৰু বাণিজ্য আৰু ডিগ্ৰী কলা শাখাত নামভৰ্তি কৰা হৈছিল। প্ৰথম আৰম্ভণিতেই মুঠতে ১৩১ জন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিছিল। কলেজখনৰ উদ্বোধন কৰিছিল তদানীন্তন চৰকাৰৰ স্বাস্থ্য আৰু আবকাৰী বিভাগৰ তত্বাৱধায়কৰ দায়িত্বত থকা বৈদ্যনাথ মুখাৰ্জীয়ে।

ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰথম তদৰ্থ ভিত্তিত থকা পৰিচালনা সমিতিৰ সভাপতি আছিল ধৰ্মানন্দ দাস, (সভাপতি) ডাঃ এম, এন ভট্টাচাৰ্য্য (অধ্যক্ষ এ, এম, চি,) কাৰ্যকৰী সভাপতি, ডাঃ ৰুদ্ৰ গোস্বামী (উপসভাপতি) নন্দলাল বৰগোহাঁই আৰু চাফাউদ্দিন আহমেদ (যুটীয়া সম্পাদক) অধিবক্তা বিৰেন্দ্ৰ চন্দ্ৰ বৰুৱা (সদস্য) এ. চি চক্ৰৱৰ্ত্তী (সদস্য) অনিল কুমাৰ কুণ্ডু (সদস্য) কামাখ্যা প্ৰসাদ গাংগুলি (সদস্য) অম্বিকা প্ৰসাদ কেডিয়া (সদস্য) মহাদেউ জালান (সদস্য) ৰবীন বৰুৱা (সদস্য) নন্দেশ্বৰ চক্ৰৱৰ্তী (সদস্য) বিপিন শৰ্মা (সদস্য) প্ৰমোদ চন্দ্ৰ দাস (সদস্য), এম এ, ৰহমান (সদস্য), ৰত্নিজত গাংগুলি, (সদস্য) চাইকুদ্দিন আহমেদ (সদস্য) ৰমেশ বৰুৱা (সদস্য), আৰু বি এন জামুৱাৰ (সদস্য)। ১৯৬৩ চনৰ ২৬ মেত নন্দলাল বৰগোহাঁইৰ আহ্বানত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত এই তদৰ্থ ভিত্তিক পৰিচালনা সমিতিখন গঠন কৰা হৈছিল। বেঙ্গলী হাইস্কুলত অনুষ্ঠিত হোৱা এই ৰাজহুৱা সভাত সভাপতিত্ব কৰিছিল অশ্বিনীচৰণ চৌধুৰীয়ে। বি, এন, জামুৱাৰদেৰে অধ্যক্ষ ৰূপে কাৰ্য্যভাৰ লোৱাৰ আগলৈকে অৰ্থাৎ ১-১২-৬৩ চনলৈকে নন্দলাল বৰগোহাঁই দেৰে জ্যেষ্ঠ শিক্ষক হিচাপে অধ্যক্ষৰ দায়িত্বত আছিল। কলেজখন স্থাপন কৰাৰ পাছত শৰৎ বৰকটকী, নন্দলাল বৰগোহাঁই, অধ্যাপক কেশৱ শৰ্মা, প্ৰভাত বৰপূজাৰী, জি. বি. এল শাস্ত্ৰী, চুনিলেচ বুঢ়াগোহাঁই, চাইকুদ্দিন আহমেদ, ৰমা দত্ত, আৰ. কে দেৱনাথ, স্মৃতি শৰ্মা, হৰেণ ভূমিজ, ললিত গোস্বামী, এম আহমেদ, আবু-নাচিৰ বৰা, চানু দেৱী, লেখা দত্ত, কুঞ্জলতা দেউৰী, প্ৰসেনজিৎ শৰ্মা, সূৰ্য্য দাস, গগন হাজৰিকা, হেমৰঞ্জন চুতীয়া, পুলীন দাস, অজিত বৰুৱা আদি বৰেণ্য ব্যক্তি সকলে বিনা পাৰিশ্ৰমিকত শিক্ষাদান কৰিছিল। মহাবিদ্যালয়খনত সঞ্চিত হৈ থকা পুৰণা কাজ পত্ৰত উল্লেখ আছে যে যাদৱ বৰুৱা (পিছলৈ কানৈ কলেজৰ প্ৰবক্তা) বিপিন বৰগোহাঁই, পি পাণ্ডে, অমলা বৰুৱা, মহেন্দ্ৰনাথ গগৈ আদি শিক্ষকসকলে মহেকীয়া মাত্ৰ ৭৫ টকা (পইসত্তৰ টকা) বেতনত শিক্ষাদান কৰিছিল। ৭৫ টকীয়া বেতনৰো এক আমোদজনক কাহিনী শুনিবলৈ পোৱা যায়। বিশাল প্ৰতিভাধৰ পৰিশ্ৰমী শিক্ষকসকলে সেই ৭৫ টকাও নিয়মীয়াকৈ নপাইছিল। বেংকত চেক ভঙাবলৈ গৈ প্ৰায় তলি উদং হৈ থকা হিচাপ দেখি উভতি আহিছিল এই শিক্ষকসকলে। কেতিয়াবা এনেকুৱাও হৈছিল যে সেই ৭৫ টকাতকৈ জমা থকা হিচাপৰ বাবে চেকখনৰ সন্মানিত নোহোৱা কৰিবলৈ পাঁচ বা দহ টকা নিজে পকেটৰ পৰা জমা কৰিবলগীয়া হৈছিল। কিন্তু নিজে জমা কৰি ধন আদায় কৰাৰ আগতেই হয়তো আন এজনে বেংকৰ পৰা ধন উলিয়াই নিছিল। সেইয়া এতিয়া এক ইতিহাস মাথোন। কথাবোৰ, কাহিনীবোৰ এতিয়া এক গল্পৰ দৰেই হৈ পৰিছে।

১৯৬৪ চনত কলেজখনৰ স্থান ডিব্ৰুগড় চৌকিডিঙি ইনডৰ ষ্টেডিয়ামলৈ স্থানান্তৰ কৰা হয়। আৰু বৰ্তমানে থকা স্থানলৈ ১৯৭০ চনত চৌকিডিঙিৰ পৰা অনা হয়। ডিব্ৰুগড়ৰ চাহ পুঁজিপতি জালান গোষ্ঠীয়ে ৬ বিঘা মাটি মহাবিদ্যালয়খনক যোগাৰ কৰি দিয়াত সেই ঠাইতে এতিয়া এই ভৱনটো নিৰ্মাণ কৰা হয়।

মহাবিদ্যালয়খনলৈ পোনপ্ৰথমবাৰৰ বাবে চৰকাৰে তদৰ্থ ভিত্তিত প্ৰতিমাহে এহেজাৰ টকাকৈ মঞ্জুৰি দিয়ে ১৯৬৫ চনৰ এপ্ৰিল মাহৰ পৰা। এই মঞ্জুৰীৰ দ্বাৰা মহাবিদ্যালয়খন পৰিচালনা কৰাত অসুবিধা হোৱাত তদানীন্তন উজনি অসমৰ আয়ুক্ত ডি. দাস দেৰে মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে বিশেষভাৱে আৰ্থিক সাহায্য সংগ্ৰহ কৰা ব্যৱস্থা লয় আৰু প্ৰয়াত হনুমান বক্স কানৈৰ পৰা দহহেজাৰ টকা, পি দত্তৰ পৰা এহেজাৰ টকা, হবিবুল্লা চামচুদ্দিনৰ পৰা পাঁচশ টকা, মেচাৰ্চ চহৰীয়া চেৰিটি ফাণ্ডৰ পৰাপাঁচশ টকা, ডিব্ৰুগড় ফিচাৰিজ ক'-অপাৰেটিভৰ পৰা পাঁচশ টকা, কে শইকীয়াৰ পৰা এশ টকা, গিৰিধাৰীলাল চাদৰমলৰ পৰা পাঁচ হেজাৰ টকা, বি, চি বৰকাকতীৰ পৰা ১০০ টকা,

আৰ ডি শৰ্মাৰ পৰা ২৫০ টকা, এম, আহমেদৰ পৰা ১০০ টকা, এ, চি, গুপ্তাৰ পৰা ২৫১ টকা, ভগৱান দাসৰ পৰা ৫০ টকা, লেঙেৰী চাহাবাগিচাৰ পৰা ৫০ টকা, লক্ষীবাৰী চাহবাগিচাৰ পৰা ২০১ টকা, জে, কে শৰ্মাৰ পৰা ১০১ টকা, এ, চি সেনাপতিৰ পৰা ১০ টকা, বি বৰুৱাৰ পৰা ৫ টকা, বি, দুৱৰাৰ পৰা ৫ টকা, আৰু নগেন দাসৰ পৰা ১৫ টকা সংগ্ৰহ কৰা হয়।আজিৰ দিনত ৫/১০ টকাৰ বৰঙণি বা আৰ্থিক সাহায্যক - সাহায্য বুলি গণ্য কৰিবলগীয়া নহয় যদিও তেতিয়া পাঁচ টকা পৰ্য্যন্ত আৰ্থিক সাহাৰ্য্য সংগ্ৰহ কৰি মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে পুঁজি গঠন কৰা হৈছিল। প্ৰাথমিক অৱস্থাত দান বৰঙণিৰ মাজেদি আৰ্থিক সাহায্য আগবঢ়োৱা সকলৰ এতিয়াও মহাবিদ্যালয়খনৰ আত্মাৰ সতে নিবিড়ভাৱে জড়িত হৈ আছে। ইযাৰ উপৰিও কিছুমান ব্যক্তিয়ে মহাবিদ্যালয়খনৰ পুথিভঁড়ালৰ বাবে স্ব-ইচ্ছাই কিতাপ পত্ৰ দান আগবঢ়াইছিল। ইয়াৰ পাছত মহাবিদ্যালয়খনৰ বাবে চৰকাৰী অনুদান এহেজাৰ টকাৰ পৰা ৩৫০০ টকালৈ বৃদ্ধি কৰা হয়। ১৯৭২ চনত কলা আৰু বাণিজ্য শাখা ঘাটি মঞ্জুৰী প্ৰাপ্ত অধীনলৈ অনা হয়। ১৯৬৫-৬৬ চনৰ পৰা আৰম্ভ হোৱা বিজ্ঞান শাখাটো ১৯৭৪ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ঘাটি মঞ্জুৰী প্ৰাপ্ত অধীনলৈ যায়। মহাবিদ্যালয়খন চৰকাৰৰ পৰা ১,৭২,৯০০ টকা ‘মেইনটেনেঞ্চ’ ব্যয় মুকলি কৰাৰ লগতে বিশ্ববিদ্যালয় অনুদান আয়োগে ১৯৭০ চনৰ ডিচেম্বৰ মাহত ১,৭২,৬৬৬ টকা পুথিভৰাঁল ভৱনৰ বাবে মঞ্জুৰি দিয়ে। তিনিমহলীয়া এই ভৱনটো প্ৰকৃততে পুথিভৰাঁলৰ ভৱনৰ বাবেহে নিৰ্মাণ কৰা হৈছিল। এতিয়া য'ত পাঠদান কক্ষৰ মূল ভৱন হিচাপে ব্যৱহাৰ কৰা হৈছে। এনেদৰেই মহাবিদ্যালয়খনে লাহে লাহে ঠন ধৰি আহিবলৈ ধৰে আৰু আজিৰ এই অৱস্থাত উপস্থিত হৈছেহি।

মহাবিদ্যালয়ৰ পুৰণি তথ্যপাতি খুচৰি চালে দেখা পোৱা যায় যে ডিব্ৰু মহাবিদ্যালয়ৰ আৰম্ভণিৰ পৰাই পৰীক্ষাৰ ফলাফল সন্তোষজনক আছিল। বিশ্ব ৰাজখোৱা নামৰ কৃতী ছাত্ৰজনে ১৯৬৮ চনৰ স্নাতক পৰীক্ষাত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণী পাই উত্তীৰ্ণ হৈছিল। ইয়াৰ পৰৱৰ্তী পৰীক্ষা সমূহতো ধাৰাবাহিক ভাৱে ছাত্ৰই ডিষ্টিংচন লাভ কৰি সুনাম কঢ়িয়াই আনিছিল। মহাবিদ্যালয়খনৰ কৃতী খেলুৱৈ সকলে আৰম্ভণিৰ কেইবা বছৰো একেলগে বিশ্ববিদ্যালয়ৰ ভিতৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিছিল। অৱশ্যে এই দিশত যোৱা কিছুবছৰ ধৰি সুনাম অৱনমিত হৈছে। আশা কৰা হৈছে মহাবিদ্যালয়খনৰ সেই সুনাম পুনৰ ঘূৰি আহিব। পৰীক্ষাৰ ফলাফল বা খেল আদিৰ দিশত পুনৰ হেৰোৱা অতীত ঘূৰাই পাবলৈ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী সকলে যথেষ্ট চেষ্টা অব্যাহত ৰাখিব।

বিঃ দ্ৰঃ প্ৰবন্ধটো প্ৰস্তুত কৰিবৰ বাবে নন্দলাল বৰগোহাঁইদেৱে তথ্যপাতিৰ লগতে দিহা পৰামৰ্শ দি বিশেষভাৱে অনুপ্ৰাণিত কৰা বাবে কৃতজ্ঞতা থাকিল।

*বুৰঞ্জীৰ সেতুৰ বন্ধন। আমি আহি আছোঁ।*
*আলোক-যাত্ৰীৰ দল। মৰাঘুলিত সাঁতুৰি.....*
*চহৰতলীৰ নিষ্প্ৰভ চাকি। এন্দুৰৰ শোভাদল।*
*আমাৰ মৃত্যু ক'ত ?*

*- হেম বৰুৱা -*




## প্ৰিয় ডিব্ৰুয়ান

**ৰাজকুমাৰ কৰুণা দেউৰী**
*স্নাতক ১ম বৰ্ষ (বিজ্ঞান)*



প্ৰিয় ডিব্ৰুয়ান.........!
সাজু হৈছানে তুমি
সমুখ সমৰলৈ....?
দিনক ৰাতি, ৰাতিক দিন কৰিবলৈ
কেতিয়াবা প্ৰয়াস কৰিছানে....?
জীৱনৰ সঁচা উপলব্ধিৰে
‘মানুহ’ হোৱাৰ স্বপ্ন দেখিছানে..........?
হিয়াৰ কোনত ৰাখিছানে সাঁচি
অগ্নিস্নান কৰাৰ সৎ সাহস.............?

হে মোৰ প্ৰিয় ডিব্ৰুয়ান .............,
সহস্ৰাব্দৰ প্ৰভাতী বেলাত
তুমি যেন থমকি নোৰোৱা ;
পোহৰৰ ছাকি গছি
হাতত লৈ
তুমি হোৱা অগ্ৰগামী
চিৰ-সেউজ ভ্ৰাতৃত্বৰ প্ৰেমেৰে
আঁকোৱালী ল'বা নৱাগতক.....,
পঙ্কিলতাত ডুব গৈ থকা
কলেজৰ গৌৰৱ
তুমি উদ্ধাৰ কৰা ..........

প্ৰিয় ডিব্ৰুয়ান........
তুমি যেন থমকি নোৰোৱা
তুমি অগ্ৰগানী হোৱা
যুগৰ প্ৰত্যাহবানক
আকোঁৱালী লোৱা..............।

## অনুভূতি বসন্তৰ দোভাগ ৰাতিৰ



**লাৰিন লিগেন।**
*স্নাতক দ্বিতীয় বাৰ্ষিক*

নাজানো কুবুজো এই মাজনিশা
কিয় আৰু কি বুলি কেতেকীয়ে বিনাই
জানোচা তায়ো নাজানে
মোৰো হৃদয় উচুপিছে এই মাজনিশা
মৰমৰ সহাঁৰি নাপাই।

জানিবৰ বৰ মন যায়
মাজনিশা তাই কিয় যে বিনাই।
বসন্তৰ প্ৰীতি-নিশা তাইৰ গীত ?
হয়তো নাপাম কেতিয়াও বুজি,
এই মাজনিশা কেতেকীৰ
কান্দোনৰ ৰহস্য কি !!

সকলো ৰহস্য জানোচা
লুকায়েই থাকিব ;
লুকাই আছে যি দৰে
ভাল পোৱাৰ কথা প্ৰেয়সীৰ ;
জাগৰুৱা আজি মই থাক বিচাৰি
আজিও নাই মৰমৰ কোনো সহাঁৰি।

হৃদয়ত জ্বলিছে দোভাগ ৰাতি প্ৰেমাগ্নি
শুনি কেতেকীৰ কৰুণ বিননি
অগত্যা কটাঁও উজাগৰে ৰাতি
অশ্ৰুমচি দুখৰ কবিতা লিখি
হয়তো বসন্তৰ এই দোভাগ ৰাতি
উজাগৰে আছোঁ মাথো মই আৰু কেতেকী।

# বেশ্যালয়ত আশাৰ বতৰা

শ্ৰী বিকাশ দাস।
*বি, এচ, ৩য় বাৰ্ষিক(বয়েল)*



ক'ব নোৱাৰাকৈয়ে
কেতিয়াবা মোৰ মনটো শৰীৰ এৰি আতঁৰি যায় দূৰ দূৰলৈ
চলাথ কৰে বহু বেশ্যালয় (!)
তাৰ প্ৰেমিকাক বিচাৰি
বেশ্যালয় !
মানুহে (?) গঢ়া স্বৰ্গপুৰী।
(বেশ্যা যি টকাৰ বিনিময়ত দেহ বিক্ৰি কৰে। টকাৰ বিনিময়ত
নিজস্ব সত্বাক বিক্ৰি কৰা সমাজত আমি আটায়ে পতিতা)
কেতিয়াবা বন্ধ চেলত বহি
'পোহৰতকৈ এন্ধাৰ ভাল'-কথাবোৰো
একান্ত মনে শুনে।
আন কেতিয়াবা
মোৰ অজানিতে
সি ব্যথিত হয়
ধৰ্ষিতা কোনো অনাঘ্ৰাতা কুমাৰীৰ
চকুলোৰ সতে।
মই নাজানো,
চকুলো, এন্ধাৰ এইবোৰ কিয় আহে !
মই নুবুজো,
প্ৰেম, স্বৰ্গ, বেশ্যালয়
শব্দবোৰ একেই নেকি।
হয়তো নহয়,
বহুতে ভুল কৰে
শব্দবোৰলৈ আঁতৰি থাকে শব্দবোৰৰ পৰা
প্ৰায়ে সুৰাপানো কৰে সি...
হুইস্কি, XXX Rum ৰ গিলাচ
হাতত লৈ পাহৰি যায়
কাৰ্বাতি ফৰিঙে তহিলং কৰা
খেতি পথাৰ খনৰ কথা
আহুৰিৰ খোজে অভাৱগ্ৰস্ত বহু বহু স্বজনৰ কথা
আন কেতিয়াবা সংগোপনে অথচ নিভিৰ্কভাৱে
বাটে-ঘাটে বিচাৰি ফুৰে 'সমতা '
বন্দুকৰ ট্ৰিগাৰত আঙুলী থৈ
চিঞৰি উঠে আমাক সমতা লাগে
আমাক প্ৰগতি লাগে
আমি মুক্তি বিচাৰো
বেশ্যালয়ৰ পৰা মুক্তি ; এন্ধাৰৰ পৰা মুক্তি।
আমাক লাগে
সমাজৰ প্ৰগতি
জীৱনৰ সমতা ।
আজিও মোক এৰি আঁতৰি গৈছে মোৰ অভিমাণী মন
সি অহালৈকে বাট চাই আছো।
কিজানিবা সি কঢ়িয়াই আনে
আশাৰ বতৰা !
বেশ্যালয়ত আশাৰ বতৰা!!





# জোনাক ৰাতি ঃ

শ্ৰী নৰজিৎ চুতীয়া ।
*স্নাতক ২য় বাৰ্ষিক(অসমীয়া বিভাগ)*

মেঘ বৰণীয়া মেঘালী
কি সাজ পিন্ধি
ওলাই আহিলি জোনাক ৰাতি
কোনে বাৰু সানি দিলে তোৰ গালে মুখে
ফট্‌ফটীয়া জোনাকী ৰং
বৰ ধুনীয়া লাগিছে অ' মেঘালী
কালৈ চাই মাৰিছ এই মিচিকি হাঁহি
তোৰ জানো লাজ নালাগে ?
বহুতেই কৈছে তই হেনো গাভৰু হ'লি
ইমান নিৰৱে কাৰ কথানো ভাৱিছ মেঘালী
মোৰ মনৰ বেথা তই পাইছ জানো বুজি মেঘালী
তই হাঁহি থাকনে কান্দি থাক অ'
তোক বহু কথাই সুধিম বুলি ভাবিছো
তই ক'বিনে সকলো খুলি
নিৰাশ নকৰিবি মেঘালী
তই যদি কৰ
মইও পিন্ধি লম
মোৰ প্ৰেমৰ চোলাটি
আঁকি দিম তোৰ কপালত
মোৰ তুলিকাৰ ছবি
মেঘ বৰণীয়া মেঘালী
কি সাজ পিন্ধি
ওলাই আহিলি এই ৰাতি ৰাতি ॥



# 'খৰাং'

শ্ৰী নৰজিৎ চুতীয়া।
*স্নাতক ২য় বাৰ্ষিক(অসমীয়া বিভাগ)*

মনৰ সেউজ বননিত এতিয়া খৰাং
হৃদয়ৰ পৰা খহি পৰা ৰঙীন গছপাতবোৰত
কেনোবাই জুই লগাই দিছে
জুই তাপ আৰু পোহৰে বিস্তাৰ লভিছে
সময়বোৰ দৌৰিছে বতাহৰ সতে
হাতৰ পৰা খহি পৰিছে আঙুলি
হত্যা, ধৰ্ষন, লুন্ঠন-প্ৰখৰ ৰ'দ
শোষণ, দুৰ্নীতি অন্যায়-হালধীয়া পোহৰ
সপোনৰ কাৰেংঘৰ ভাঙিছে
মনৰ ফুলনিত ভোমোৰাই ফুলৰ ৰস চুহিছে
সহজ হ'ব পৰা নাই আমি। লুইতখন শুকাই গৈছে
এজাক বৰষুণৰ অভাৱত
প্ৰাণৰ বাটচ'ৰাত ধূলি উৰিছে, যন্ত্ৰণাকাতৰ কৰুণ ধূলি
চকুৱে একো নমনা হৈছে। ধূলিবোৰে হাঁহিছে
আশাৰে বাট চাই আছে এজাক বৰষুণৰ বাবে
উন্মাদ হৈ আছে তৃষ্ণাতুৰ ওঁঠবোৰ
নৈৰ ঘাটে ঘাটে বৈ আছে নাবিকবোৰ
চিঞৰি আছে নিঃকিন নাওঁবোৰে
আমাক এজাক বৰষুণ লাগে
সেউজীয়া বৰষুণ।

# আঘোন আৰু কবিতাৰ বিষয়ে

শ্ৰী অৰবিন্দ হাজৰিকা।
*স্নাতক ১ম বৰ্ষ(কলা)*



মোৰ যৌৱন বাটচ'ৰাত সৃষ্টি
হয় এটা আঘোণ আঘোণ
সপোন
তেতিয়াই কুঁহি-কুঁহি কবিতাৰ
ছন্দ আৰু গজালি গজালি
নিয়ৰবোৰ ঝাগৰি পৰে
মোৰ হিয়াৰ জোনাকী
দলিচাত
কহুৱা বিৰিণাৰ সেঁমেকা বতাহত
কম্পমান হয়
সোণালী ধাননিৰ বস্ত্ৰ
দোভাগ ৰাতি কঠালৰ শুকান
পাতত গৰ্জি উঠে
নিয়ৰৰ ৰৌদ্ৰ কামনা
নহ'লে
কলিআইৰ পথাৰত জ্বলা
স্নিগ্ধ পোহৰৰ
ঔটেঙা বাকলিৰ চাকিটো

তেতিয়াই মোৰ হিয়াৰ
মেলা দুৱাৰেদি সোমাই আহে এজাক পকুৱা
শুকান দেউকা কোবাই কোবাই ——
আচলতে,
মোৰ কবিতায়ো এনেকৈ আহে
সময়ৰ বোকোচাত সূক্ষ্ম প্ৰেমৰ
তৰংগলৈ
কিৰিলি পাৰিযোৱা চৰাইৰ মাতত
কিম্বা
হিমসনা আঘোনৰ এটা
বিস্মিত সন্ধিয়াত।
তথাপি,
মোৰ গোলাপী হিয়াৰ
ঘ্ৰাণত বাজি উঠক তাইৰ
চিৰন্তন সুষমা
মোৰ মন দাপোনৰ আন্ধাৰ আতঁৰি
মোৰ দেহ দেউলত প্ৰস্ফুটিত হওক কবিতাৰ
প্ৰণয় ব্যঞ্জনা।





# আশা

শ্ৰী জয়ন্ত উৱাং।
*স্নাতক বানিজ্য বিভাগ, ২য় বৰ্ষ*

মোৰ জীৱনৰ দুপৰ বেলাত
আহিবানে বাৰু তুমি
এপাহি গোলাপ হৈ ?
তোমাৰ সুবাসেৰে
মোৰ জীৱনত
তুলিবানে খলকনি ?
আছো বাট চাই
তুমি আহিবা বুলি
এই জীৱনৰ দুপৰত।
কোন বাৰু তুমি ?
কোন কবিৰ
কবিতা তুমি ?
কোন দেৱতা শিল্পীৰ
সৃষ্টি তুমি ?
পোৱা নোপাৱাৰ আশা
তোমালৈ বুলি
আছো বাট চাই ।
আহিবানে সোন
মোৰ জীৱনলৈ
এপাহি গোপাল হৈ ???

# মই আজন্ম বোবা

শ্ৰী ধ্ৰুৱজ্যোতি সোনোৱাল ।
*স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)*

তৰাৰ সতে কেতিয়াবা কথা পাতিলে
বুকুখনে যন্ত্ৰণাত তল-ওপৰ কৰে
তোমালৈ নিলিখি থাকিলেও
টুকুৰা-টুকুৰ নিলাজী কবিতা
বুকুৰ দুখবোৰ হোলোকা-হোলোকে সৰে।
ৰ'বা ০০০
তোমাৰ কলিজা নিলামত নিদিবা
সপোন হেৰাব বুলি এতিয়াও
গোপনে কান্দে মোৰ প্ৰাণে
নিৰ্লজৰ দৰেই যেন চিঞৰি-চিঞৰি
জনাই দিম পৃথিৱীক
০০০ ভাল পাওঁ ০০০
তুমিও জানা
জেৰিয়া বিলৰ পাৰত ঘৰ মোৰ !
মই ক'বতো নোৱাৰোঁ দিয়া বুলি
মোক, অলপ মৰম তোমাৰ লিহিৰি হাতৰ।
বোবা মই ০০০!
দুৱৰি বনেও ক'ব মই আজন্ম বোবা
মই যে আজন্ম বো —ব...... আ !!



## বৰ্ষা

শ্ৰী দেৱজিৎ বড়া।
*বি, এচি, প্ৰথম বাৰ্ষিক*

এজাৰৰ কজলা ফুলে আদৰি আনিলে
ডাৱৰৰ সেওঁতা ফালি নামি অহা
এজাক ডবা-পিটা বৰষুণ
ৰূপালী সূতা হৈ নামি অহা
দীঘল দীঘল টোপালবোৰ
উঘা-চেৰেকীত লেটাই থ'ব পৰা হ'লে আজি
যেনেকৈ চেনেহৰ সূতাবোৰ
লেটাই থৈছো মন চেৰেকীত
সুদীৰ্ঘ দিনৰ বাবে।
অন্তহীন এই বৰ্ষানিশা
তোমাৰ ওঠঁত ওঠঁ থৈ
মেলি দিলো মোৰ ৰূপালী সূতাৰ নদী
উঠিব প্লাৱন
উৰ্মি মালাই ধুৱাই পেলাব
হেপাহঁৰ জান-জুৰি।



## ৰক্তাক্ত অসম

শ্ৰী ৰতন গগৈ।
*স্নাতক প্ৰথম বাৰ্ষিক, কলা শাখা*

অসম আজি অগ্নিগৰ্ভা
চাৰিও ফালে বন্দুক বাৰুদৰ শব্দ
ভাই ভাইৰ মাজত কন্দল
শংকৰ মাধৱৰ সংস্কৃতিৰ স্থলী
অসম আজি ৰণৰ স্হলী।
ৰাজনীতিকৰ পাকচক্ৰই
যজ্ঞ পাতিছে 'নৰহত্যাৰ'
জুই জ্বলিছে প্ৰতিহিংসাৰ
নিৰ্জনতাৰ দুপৰ নিশা
ভাঁহি আহিছে মৰণ কাতৰ আৰ্ত্তনাদ।
দেশৰ ভাইক কৰিছো আহ্বান
নকৰিবা কাকো হিংসা
নজ্বলাবা প্ৰতিহিংসাৰ জুই
নোবোৱাবা তেজৰ নৈ
আহাঁ আমি সবে মিলি
একতাৰ গীত গাওঁ
অসমত গঢ়ো শান্তি
সেইয়া হ'ব অসমৰ নব সৃষ্টি।



## পেক্ পেক্ পেক্ ০০০০

শ্ৰী ঘনশ্যাম সোনোৱাল।
*স্নাতক প্ৰথম বৰ্ষ, (বিজ্ঞান)*

নিস্তব্ধতা, কেৱল নিস্তব্ধতা,
চৌদিশে নিস্তব্ধতা,
মৰিশালিৰ নিস্তব্ধতাই, নিশাৰ এন্ধাৰক ধৰিছে সাৱটি।
আনৰ বাবে, নিশাৰ বিচনাত
টোপনিৰ দৰে,
নাই কোনো শান্তিৰ কোলা,
কিন্তু হায় !!
তাৰো যে ভাগ্য নাই সিহঁতৰ
স্বপ্নৰ দুৱাৰডলীতো যেন, অপেক্ষাৰত মৃত্যু ।
মৃত্যুয়ে সিহঁতক হাত বাউল দি মাতিছে
স্বপ্নভংগৰ পিছত, ভয়াৰ্ত দৃষ্টিৰে
বাহিৰলৈ চোৱাত জ্ঞান হ'ল
ৰাতি পুৱাল।
অৰ্থাৎ আগমন ঘটিব এটা, জয়াল শোকাকুল দিনৰ।
নিশ্চিত মৃত্যুৰ পথৰ, যাত্ৰী সিহঁত আৰু মই।
মৃত্যুৰ জয়াল হাতে আগবাঢ়ি আহি
এটা এটা কৰি ধৰি নিব সিহঁতক
আৰু আৰম্ভ হ'ব মৰণকাতৰ উৎপীড়ন
সিহঁতৰ কোনোবা হয়তো,
কাৰোবাৰ ভগ্নী, কাৰোবাৰ ভাতৃ
কোনোবা শিশুৰ বিধবা মাতৃ
সকলোকে কৰি পেলাব
ভাতৃ-ভগ্নী তথা মাত-স্নেহৰ পৰা চিৰদিনলৈ বঞ্চিত।
কাৰোবাক শিৰশ্চেদ কৰা হ'ব, কাৰোবাক
চোকা অস্ত্ৰেৰে হানি হত্যা কৰা হ'ব।
সেই নিঠুৰ বৰ্বৰসকলে, সিহঁতৰ বুকুৰ মঙহেৰে,
নিজৰ, তৃষা পূৰাব
এইদৰে নিশেষ হ'ব একো একোটা পৰিয়াল
ময়ো একে পথৰেই যাত্ৰী-
মাত্ৰ মৃত্যুৰ আগে আগে, তেওঁলোকৰ মুখৰ পৰা
বাহিৰ হ'ব,
এটা শব্দ-পেক্ পেক্
ময়ো, সিহঁতৰ দৰেই, এটা পাতি হাঁহৰ
পোৱালী............!!!

## জীৱন

শ্ৰী দেৱজিত চেতিয়া ।
*স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)*

জীৱনৰ উত্তাল বানত
উটি-ভাহি ফুঁৰোতে
বুজি পোৱা নাছিলো
জীৱনৰ আদিম পুৱাত
উদিত ৰাঙলী
সুৰুযৰ সেন্দুৰীয়া ৰেঙনিৰ
কোমল আভাত
উটি-ভাহি ফুৰোতে
হেৰাই গৈছিলো
তাৰ উত্তাল বানত
আনন্দৰ আতিশয্যত
কৰিছিলো কত ধেমালি
কিন্তু হঠাৎ দেখিলো
তাৰ উগ্ৰমূৰ্তি
কি যে বিভৎস ৰূপ।

# বিহঙ্গ

শ্ৰী পাৰ্থপ্ৰতিম বড়া।
*স্নাতক ৩য় বৰ্ষিক*

চিৰ পৰিচিত বিহঙ্গজনী মোৰ
হঠাতে ডেউকা কঁপাই উৰি
মোৰ জীৱনলৈ নমাই আনিলে
এজাক কলা ধুমুহা।
সেই ধুমুহাৰ উত্তাল জোৱাৰত
মোৰ দেহৰ —
প্ৰতিটো ইন্দ্ৰিয়ই চিঞঁৰি কয়
আমাক নামাৰিবা, আমাক নামাৰিবা
আমাৰ জানো জীয়াই থকাৰ
অধিকাৰ নাই——?
হে মুক্ত বিহঙ্গ
তুমি মোৰ এটোপা
শোণিত নিগৰা
চকুলো বিচাৰা——!!
নে মোৰ মুখৰ
প্ৰফুল্লিত হাঁহি—!!
হে বিহঙ্গ
জটিলতাৰে আৱৰা
মোৰ জীৱনলৈ তুমি
এজাক শান্তিৰ
বতাহ বোৱাবা নে ?
মোৰ জীৱন বাটৰ
জ্যোতিৰ জোনাকী
তুমি হ'বানে ?
তুমিয়েই মোৰ ?
প্ৰথম প্ৰেৰণা
তুমি যেন মোক এই ধৰাত
জীয়াই থাকিবলৈ দিয়া !!

# প্ৰেতাত্মাৰ বিননি

শ্ৰী উৎপল হাজৰিকা।
*উঃ মাঃ ২য় বৰ্ষ (কলা)*

খাৰ বাৰুদৰে ভৰিল
অসমী আইৰ গৰ্ভত।
সৃষ্টি হ'ল সন্ত্ৰাস, দুৰ্নীতি
মানুহে এৰিলে নৈতিকতা।
অভ্যস্ত মানুহ আজি ব্যস্ত
জৈৱিক সুখ সম্ভোগত।
সন্ত্ৰাস, খাৰ বাৰুদৰ ধোৱাঁৰে,
কৰিছে সৃষ্টি বায়ু প্ৰদূষণ
যাৰ বাবে হয়তো আজি চফল ডেকাই
গুচি গৈছে অনন্ত ধামলৈ
প্ৰেতাত্মাই আজি,
চিঞৰিছে,
আমাক স্বাধীনতা লাগে।
হেৰা প্ৰেতাত্মা আমাৰ ভয় লাগে।
তুমি নিচিঞৰিৱা।



## প্ৰবন্ধ

# সন্ত্ৰাসবাদ ঃ এটি সমীক্ষা

শ্ৰী কান্তেশ্বৰ তালকদাৰ।
*ভাৰপ্ৰাপ্ত অধ্যক্ষ, ডিব্ৰু কলেজ, ডিব্ৰুগড়।*

বৰ্ত্তমান যুগত বিশ্বৰ সমাজ জীৱনৰ আটাইতকৈ জটিল আৰু ভয়াবহ সমস্যাটো সন্ত্ৰাসবাদ। মানুহৰ মনত ভয়, অস্থিৰতা আৰু সন্ত্ৰাসৰ সৃষ্টি কৰি মানৱ জীৱন আৰু সা-সম্পদৰ ভয়াবহ ধবংসলীলা সংঘাটিত কৰা কাৰ্য্যক সন্ত্ৰাসবাদ বুলি ক'ব পাৰি। ক্ৰোধ, হিংসা, প্ৰতিশোধৰ বশৱৰ্তী হৈ ধবংসমূখী পৰিকল্পনাৰে গোপনে বিধবংসী কাৰ্য্যকলাপ কৰি-ফুৰা সকলক সন্ত্ৰাসবাদী বুলি সকলোৱে জানে। আন কথাত "A disturbed and violent inner core will generate only destruitive and hostile thoughts. Such negative thoughts are then translated into multigariaus vices, the base of acivilised society"।



সৰু ডাঙৰ ৰাষ্ট্ৰৰ কথা বাদেই আজি বিশ্বৰ সৰ্ববৃহৎ শক্তিও এই সন্ত্ৰাসীৰ আঘাতত ত্ৰাহি ত্ৰাহি সুৱৰিছে। এই ধবংসমুখী কাৰ্য্যৰ মূল কি আৰু কোণ দোষী এইবোৰৰ চিন্তা চৰ্চ্চাই আজি চিন্তাশীল মানৱৰ মনত তোলপাৰ লগাইছে। ধৰ্মীয় গোড়ামী, সামাজিক বিভেদ, ৰাজনৈতিক মতাবিৰোধ, ভৌগলিক সীমাবদ্ধতা মানবীয় অধিকাৰ আদি নানা বিষয়ৰ বিৰোধী চিন্তাৰ ফলত কিছুসংখ্যক অমানবীয় লোকে নিজকে আদৰ্শবাদী বুলি-ভাবি ধবংসাত্মক কাৰ্য্যৰ প্ৰতি ধাবিত হয় আৰু তাৰ ফল ভোগ কৰিবলগা হয় নিৰ পৰাধী মানুহে। সন্ত্ৰাসবাদী সকল মানৱ সমাজৰ হিতাহিতৰ প্ৰতি অজ্ঞ, আকোৰগোজ মনোভাৱেৰে একোটি আদৰ্শক বাস্তৱত ৰূপ দিবলৈ গৈ কিছুমান অমানবীয় ধবংসমূখী কাৰ্য্য সংঘটিত কৰিবলৈ আগবাঢ়ে। সন্ত্ৰাসবাদী কাৰ্য্যই আজি ধবংস কৰিছে মানুহৰ সভ্যতা, সংস্কৃতি তথা-অমূল্য মানৱ জীৱন।

বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদ আৱিস্কাৰ মাৰণাস্ত্ৰৰ প্ৰয়োগেৰে সন্ত্ৰাসবাদীয়ে ৰেলগাড়ী, উৰাজাহাজ, নগৰ-চহৰ, অট্টালিকা, দলং উৰুৱাই দিছে। হত্যা কৰিছে বিষয়া, নেতা ধৰ্মযাজক আৰু অসংখ্য নিৰীহ লোকক।

সকলোৰে মনত এটাই প্ৰশ্ন এই সন্ত্ৰাসবাদক কেনেদৰে ৰোধ কৰিব পৰা যায়। ৰাষ্ট্ৰ তথা সমাজজীৱনত সন্ত্ৰাসবাদ বিয়পি পৰাৰ মূল কাৰণনো কি ? বৰ্তমান যুগত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ প্ৰভূত অগ্ৰগতিয়ে সমগ্ৰ বিশ্বক সামৰি এখন গোলকীয় গাওঁত (Global village) পৰিণত কৰিছে সচাঁ, কিন্তু মানৱ সমাজৰ মানসিক ব্যৱধান আৰু দূৰত্বক ওচৰ চপোৱাত সন্ত্ৰাসবাদী কাৰ্য্যক কেনেদৰে সহায় কৰি আহিছে সেই কথা সকলোৱে জানে। সন্ত্ৰাসবাদীসকলে এখন দেশ বা এটা নিৰ্দিষ্ট পৰিসীমাতে আবদ্ধ নাথাকি বিশ্বৰ বিভিন্ন প্ৰান্তত যি কোনো সময়তে নিজৰ ধবংসাত্মক আঁচনি সফল কৰি আহিছে শেহতীয়া উদ্ভাৱনসমূহৰ সহায়তে। ৰাসায়নিক আৰু যান্ত্ৰিক আৱিস্কাৰে জীৱজগতত ধবংসৰ আঘাত হানিব পাৰে কিন্তু মানৱীয় মূল্যবোধৰ কোনো পৰিবৰ্তন ঘটাব পৰা নাই।

সন্ত্ৰাসবাদৰ বিধবংসী প্ৰভাৱ সন্ত্ৰাসী সকলৰ নিজৰ জীৱনতে অধিক। নিজৰ দুস্কৰ্মৰ পৰিণাম স্বৰূপে জগতত সমাজ জীৱনত সিহঁতে মুক্ত বিচৰণৰ অধিকাৰ নিজেই হেৰুৱাইছে। প্ৰতিটো ক্ষণ

সংশয়, শংকা আৰু অনিশ্বয়তাৰে কটাবলৈ বাধ্য হয়।

মানৱ সমাজৰ প্ৰগতি আৰু বিশ্বশান্তি সমগ্ৰ মানৱ জাতিৰে কাৰ্য্য। বিশ্বশান্তি আৰু সন্ত্ৰাসবাদে সমান্তৰালভাৱে বিশ্বত স্থিতি নিৰ্ণয় কৰি আহিছে কিন্তু অতদিনে কিছুমান ভূল পদক্ষেপৰ কাৰণে বিশ্বশান্তিৰ লক্ষ্য মৰুভূমিৰ মৰাচিকাৰ পিছত ধাৱমান হোৱাৰ লেখীয়া হৈছে।

সন্ত্ৰাসবাদে ব্যক্তিজীৱন, সমাজজীৱন তথা ৰাষ্ট্ৰৰ প্ৰগতিৰ ি থদশত সততে অনিশ্চয়তাৰ বাতাবৰণ সৃষ্টি কৰি আহিছে। সন্ত্ৰাসবাদ দমন আৰু সন্ত্ৰাসবাদী ধবংসযজ্ঞৰ ক্ষয়-ক্ষতিৰ নামত একোখন ৰাষ্ট্ৰৰ প্ৰচুৰ ধন-জন ক্ষয় হয় যাৰ ফলত উন্নয়নৰ গতিত বাধা পৰিছে। বিশ্বশান্তি আৰু মানৱ অধিকাৰৰ প্ৰতি মানুহৰ মন ধাবিত কৰিবলৈ বিশ্বজুৰি চলা প্ৰচেষ্টাৰ বিপৰীতে সন্ত্ৰাসবাদৰ ভয়াবহ পৰিণতিয়ে মানৱ সমাজক ৰাকৈয়ে জোকাৰি গৈ আছে।

সন্ত্ৰাসবাদীৰ শেহতীয়া আক্ৰমণত বিশ্বৰ সৰ্ববৃহৎ ৰাষ্ট্ৰ আমেৰিকাৰ লগতে আন ৬৭খন দেশৰ কতজনে একেলগে নিজৰ মহামূল্য জীৱন হেৰুৱাব লগা হ'ল। এই সন্ত্ৰাসবাদে সমাজত বিশৃঙ্খলা আৰু বিভেদৰ সৃষ্টি কৰি শান্তিৰ পথত হেঙাৰ স্বৰূপে থিয় হয়।

সন্ত্ৰাসবাদৰ অৱসান ঘটোৱাৰ সৰ্বশেষ অস্ত্ৰ কি হ'ব পাৰে। সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুদ্ধত সৰ্বশক্তি প্ৰয়োগ কৰি ধবংস কৰিব পাৰি নিৰীহ জীৱন আৰু সম্পদসমূহ। এইখিনিতে সন্ত্ৰাসীসকলৰ লগত পাৰ্থক্য কোনখিনিত। সন্ত্ৰাসবাদ দমনত ন্যস্ত চৰকাৰ আৰু সামৰিক শক্তিৰ লক্ষ্য আঁচনি আৰু নীতি-নিৰ্দেশনাৰ বিষয়ে আলচ কৰা এই লেখাটিৰ উদ্দেশ্য নহয়। কিন্তু যুদ্ধৰ প্ৰয়োজনীয়তা আছে। আৰু সেই যুঁজ হ'ব লাগিব মানুহৰ অন্তৰত নিহিত থকা অজ্ঞানতা আৰু ভুল বুজাবুজিৰ বিৰুদ্ধে। সেই একে নীতি আৰু পথেৰে আগবাঢ়ি সন্ত্ৰাসবাদী সকলৰ বিবেকত আঘাত কৰিবলৈ সমৰ্থ হ'ব লাগিব যাৰ ফলত এদিন সন্ত্ৰাসবাদে নিজে নিজেই মানৱতাৰ আগত শিৰনত কৰিবলৈ ওলাই আহিব। সন্ত্ৰাসবাদী কাৰ্য্য যদিও ক্ষমাৰ যোগ্য নহয় ৰিন্তু হিংসা বা যুদ্ধৰ পন্হাৰে তাৰ পৰিসমাপ্তি আশা কৰা নাযায়। মানৱ অধিকাৰ তথা বিশ্বশান্তিৰ লক্ষ্য আগত ৰাখি যিসকল লোকে সমাজ সংস্কাৰৰ কামত ন্যস্ত হৈছে তেওঁলোকে উগ্ৰবাদীসকলৰ চিন্তা-ধাৰা, বুদ্ধি-বৃত্তি আৰু ধ্যান-ধাৰণাক সৃষ্টিশীল কাৰ্য্যত নিয়োজিত কৰাৰ প্ৰচেষ্টা কৰাটোহে উচিত পদক্ষেপ হ'ব। ❐




# বিশ্বজনীন ভাৱ ধাৰাত ধৰ্ম আৰু বিজ্ঞান

শ্ৰীযুত প্ৰদীপ কুমাৰ চেতিয়া ফুকন।
*প্ৰবক্তা, গণিত শাস্ত্ৰ বিভাগ।*

আমি যাক বিশ্বজনীন ধৰ্ম বুলি কওঁ, একে দিনাই হোৱা নাই। বহুতো যুগৰ সাধনাৰ মূৰত কোনো এক মহাত্মাৰ যোগেদি বিশ্বজনীন আদৰ্শ লৈ বিভিন্ন ধৰ্মৰ জন্ম হয়। হিন্দু, বৌদ্ধ, খৃষ্টিয়ান, ইছলাম, জৈন আদি যিয়েই নহওক লাগে প্ৰত্যেক ধৰ্মৰ মূলতে ধৰ্মবাদৰ কথা চিন্তা কৰা হয়। অৱশ্য হিন্দু ধৰ্মৰ প্ৰৱৰ্ত্তক কোন সঠিককৈ ক'ব নোৱাৰি। ধৰ্ম মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ। পৃথিৱীৰ বুকুত প্ৰথম যিদিনা মানুহৰ আৱিভাৱ বা উৎপত্তি হল, সেই দিন ধৰি আজিলৈকে মানৱ জীৱনৰ আৰু সভ্যতাৰ ইতিহাসত ধৰ্মই এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। "মেক্ৰমুলাৰ"ৰ দৰে পণ্ডিতে এনে মত পোষণ কৰিছে যে, মানৱ জীৱনৰ প্ৰকৃত ইতিহাস ধৰ্মৰ ইতিহাস। মানৱ অভিজ্ঞতাৰ এক বিৰাট অংশ ধৰ্ম অভিজ্ঞতা। আধুনিক বিজ্ঞান নৃতত্বৰ এটা প্ৰধান বিষয় বস্তু হ'ল ধৰ্ম। সৃষ্টিৰ আদিম কালৰে পৰা যি ধৰ্ম অবিনাসী আৰু অক্ষয় ভাৱে সমগ্ৰ পৃথিৱীত প্ৰৱৰ্ত্তিত হৈ আহিছে।

ঋষি-মুনি, সন্তসাধু, মহামানৱ মহাপুৰুষ সকলে গভীৰ সাধনা আৰু উদাৰ বানীৰে যি ধৰ্মৰ প্ৰবাহ প্ৰবাহিত কৰি তুলিল, লগতে গভীৰ আধ্যাত্মিক দৃষ্টি, উদাৰতা, সাৰ্বৰ্জনীনতা, জ্ঞান-বিজ্ঞান, দৰ্শন, সাহিত্য, নৃত্য-গীত আৰু কলা সৃষ্টিয়ে যি ধৰ্মৰ বেদী চিৰকালৰ নিমিতে প্ৰানোদীপ্ত কৰি তুলিলে, সেই বিলাক যেন আজি নানা কাৰণত ঘূণে ধৰিছে।

আজি মানৱ জাতি এক সংঘাতিক সংঘৰ্ষৰ যুগত উপনীত হ'ব লগাত পৰিছে। আমাৰ সমাজত সত্য-অসত্যৰ, পাপ পূন্যৰ, ভাল-বেয়াৰ সংঘৰ্ষ চলি অহাৰ উপৰিও প্ৰাচীন পৰম্পৰা আৰু বৈজ্ঞানিক চিন্তাৰ মাজত প্ৰৱল সংঘৰ্ষ সংঘটিত হ'ব লাগিছে। এনে বিলাক কাৰণৰ বাবেই হওঁক বা আৰ্থসামাজিক বিপৰ্য্যয়ৰ কাৰণেই হওঁক আমাৰ সমাজৰ মাজত বিভেদ সৃষ্টি হৈছে। অন্ধকাৰ বা অজ্ঞানতাৰ মূল কাৰণ লোভ, মোহ, কাম, ক্ৰোধ, দম্ভ অহস্কাৰ, ঘৃণা, স্বাথপৰতা, পৰশ্ৰীকাতৰতা আদিৰ ভাৱ মনৰ পৰা দূৰ কৰি জ্যোতি তথা জ্ঞানৰ সহায়ত বিশ্বজগতক শান্তিৰ বিৰাজ কৰাৰ অৰ্থে চিন্তা কৰাৰ সলনি কেতিয়াবা জীৱশ্ৰেষ্ঠ মানৱে পশুত্বৰ আচৰণ দেখুৱায়। ধৰ্মৰ প্ৰকৃত ধাৰণা সম্যক ভাৱে উপলব্ধি কৰিব নোৱাৰাৰ বাবেই পৃথিৱীৰ মানৱ জাতিয়ে বিভিন্ন সময়ত ধৰ্মৰ নামত সূৰ্য্য, চন্দ্ৰ, ইন্দ্ৰ, অগ্নি, বায়ু, বৰুণ, পৃথিৱী, সাগৰ, গছ, লতা, সাপ, শিল, পুতলা আদি পূজা কৰি ধন, ৰত্ন, ৰূপ, স্বাস্থ্য, শিক্ষা, বল, বিক্ৰম লাভ কৰাৰ ওপৰিও কেতিয়াবা ইন্দিয় সমূহৰ পৰিতৃপ্তিৰ লালসা কৰিবলৈ পিচ হুহুঁকা নাই। যি জ্ঞান, চেতনা আৰু শক্তি প্ৰভাৱত সমগ্ৰ সৃষ্টি জগত নিয়ন্টত, তাৰ অন্তৰালত থকা সত্বা টোৱেই হ'ল ঈশ্বৰ যাক কেৱল ধাৰণা কৰিব পাৰি আয়ধ কৰিব নোৱাৰি। মানুহৰ ধৰ্ম বিশ্বাসেই হওঁক বা ঈশ্বৰৰ বিশ্বসেই হওঁক কেতিয়াবা মানুহৰ বিভিন্ন মাংস পেশী সঞ্চলিত হ'লে আমি ভৱিষ্যত বানী কৰো। কিন্তু এইটো অন্ধবিশ্বাসৰ নামান্তৰ মাথোন। সেইবুলি শৌচ-পচাৱ কৰি মাটি-পানী লোৱা বুলি যিটো কওঁ সেইটো ধৰ্ম বিশ্বসেই নহয়। ইয়াৰ বৈজ্ঞানিক ভিত্তি বেছিহে সবল। তেনেদৰে আমি যদি কৰবাত ভ্ৰমণ কৰাৰ সময়ত খালি পাত্ৰ বা নিৰ্দ্দিষ্ট কোনো মানুহক দেখো তেতিয়া যাত্ৰা বেয়া হ'ব বুলি ভাবো। ইয়াত জানো কিবা বৈজ্ঞানিক ভিত্তি আছে। এনেবোৰ প্ৰশ্ন উদয় হলে আমাৰ ধৰ্ম আৰু বিজ্ঞানৰ মাজত সংঘাত আহি যায়। বৰ্তমান যুগ হৈছে বৈজ্ঞানিক যুগ আৰু যান্ত্ৰিক যুগ। পশ্চিমীয়া দেশ সমূহত বিজ্ঞানে অতি আচৰিত আৱিস্কাৰ সমূহে কৰিব লাগিছে। যাৰ ফলত মানুহেই জগতৰ সৰ্বময় কৰ্তা এই ভাৱ পৰিলক্ষিত হৈছে। এই যান্ত্ৰিক আৰু বৈজ্ঞানিক সভ্যতাৰ প্ৰভাৱ ভাৰতীয় সকলৰ মনতো সময়ে সময়ে প্ৰভাৱান্বিত কৰি নহাকৈ থকা নাই। আধ্যাত্মিক জ্ঞানৰ দেশ বুলি খ্যাতি লাভ কৰা ভাৰত ভুমিত আজি বৈজ্ঞানিক চিন্তা ধাৰাৰে পৰিপুষ্টি হৈ উঠিছে। সেই নিৰ্মিতে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে মানুহৰ মনত সন্দেহৰ ভাৱ সঞ্চাৰ হোৱাতো অস্বাভাৱিক কথা নহয়।

আধুনিক যুগত বস্তুবাদী সভ্যতা সংস্কৃতিয়ে আমাৰ মনত

ইমান গভীৰ প্ৰভাৱ পেলাইছে যে এখন দেশৰ ঐতিহ্য ৰক্ষা আৰু উন্নতিৰ কাৰণে যে ধৰ্মীয় নৈতিক আৰু জাতীয় শিক্ষাৰ নিতান্ত প্ৰয়োজন সেই কথা পাহৰি পেলাইছো। বৰ্ত্তমান ক্ৰমবৰ্দ্ধমান বৈজ্ঞানিক ভাৰধাৰা আৰু বিভিন্ন দৰ্শনে আমাৰ মাজত সুমুৱাই দিয়া আধ্যাত্মিকতাৰ খেলি-মেলিৰো অন্যতম। ধৰ্ম সদায় দৰ্শনৰ দৰে যুক্তি সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত আৰু বিজ্ঞানৰ দৰে প্ৰমান সাপেক্ষ বুলি আমি প্ৰায় ভাগে ভবাৰ থল আছে। ধৰ্মৰ স্থান দৰ্শন আৰু বিজ্ঞান সকলোৰে ওপৰত বুলি কলেও বঢ়াই কোৱা নহয়। বহুতো মনীষীয়ে ধৰ্মৰ ধাৰণা বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল বুলি ব্যাখা দিলেও বৈজ্ঞানিক সত্যৰ দৰে ন্যায়িক যুক্তিৰ অভাৱ হ'লে বিশ্বজগতৰ হিতসাধন কাৰী ধৰ্মৰ সৃষ্টি অসম্ভৱ।

বিজ্ঞানে উন্নতিকামী বিশ্বক শান্তি, শৃংখলা আৰু উন্নতিৰ ভালেখিনি আহিলা যোগান ধৰিলেও এই বিজ্ঞানেই মানৱ জাতিক যোগান ধৰা কেতবোৰ আহিলা সময়ত বিশ্বৰ ধ্বংসৰ কাৰণ হৈ পৰাৰ পৰিলক্ষ্যত হৈছে। বিজ্ঞানে মানুহক যিমান খিনি শক্তি আৰু ঐশ্বৰ্য্যৰ প্ৰকৃত ব্যৱহাৰৰ কাৰণে মানুহক দিছে, মানুহ সিমানেই সমৰ্থ্যহীন আৰু স্বাৰ্থপৰায়ণ হ'বলৈ ধৰিছে। ইফালে ধৰ্মৰ নামত মানৱ সমাজৰ এক শ্ৰেনীয়ে জাত-পাতৰ বিচাৰ কৰি ধৰ্মক এক জটিল ৰূপে বিশ্বৰ আগত ডাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। কিন্তু প্ৰকৃত ধৰ্মীয় অনুশাসনে মানুহক সামৰ্থ্যযুক্ত আৰু পৰম ঐশ্বৰ্য্যৰ অধিকাৰী কৰি সমগ্ৰ বিশ্বৰ দেশ বিলাকক একাত্ম হৈ জীয়াই থকাৰ শিক্ষাহে দিয়ে। মানৱ জাতিৰ বিকাশৰ প্ৰথম পৰ্য্যায় বোৰত ধৰ্ম আছিল "বিজ্ঞানসমূহৰ বিজ্ঞান।" অৱশ্য এই কাৰণে নহয় যে প্ৰাচীন দাৰ্শনিক সকলৰ এক অন্যান্য গুণ আছিল। ইয়াৰ কাৰণ আছিল এইটোৱেই যে বৈজ্ঞানিক জ্ঞান দুৰ্বল ভাৱে বিকশিত আৰু নিচেই প্ৰাথমিক পৰ্য্যায়ত আছিল। ক্ৰমশ মানুহৰ জ্ঞান প্ৰসাৰিত হোৱাৰ লগে লগে বিজ্ঞানে বেলেগ বেলেগ ভূমুকি মাৰিলে ; প্ৰথমতে প্ৰাকৃতিক বিজ্ঞান, গনিতশাস্ত্ৰ, পদাৰ্থবিদ্যা, জ্যোতিবিদ্যা, ৰসায়ন, ভূতত্ব, জীৱবিদ্যা আৰু তাৰ পিছত সমাজ আৰু মানুহ সম্পৰ্কীয় বিজ্ঞান মনস্তত্ব, ইতিহাস, অৰ্থনীতি ইত্যাদিয়ে দেখা দিয়ে। জীৱন, মৃত্যু, সুখ আৰু জীৱনত কোন পথ বাছি লব লাগে। তেনেহ'লে আমি দাৰ্শনিক হৈ পৰো বা ধৰ্মৰ কথা চিন্তা কৰো অথবা বিজ্ঞানেই ইয়াৰ উত্তৰ দিব পাৰিব নেকি ; এই বিলাক প্ৰশ্নৰ সম্পৰ্কে আমি ভাবিবলৈ বাধ্য নহওঁ নে ?

আধুনিক বিজ্ঞান সমূহৰ অধ্যয়নতো যুক্তি তৰ্কৰ আৰশ্যক। বিজ্ঞানে পৰিদৃশ্যমান জগতৰ বিভিন্ন বস্তুসমূহৰ অধ্যয়ন কৰোঁতে যুক্তিৰ উপৰিও বাস্তৱ প্ৰমাণৰ সহায় ল'ব পাৰে। কিন্তু ধৰ্মৰ বেলিকা বাস্তৱ, বিশ্বাস, নীতি নিয়ম আদি আছে। সেই সকলৰ মনোবৈজ্ঞানিক আধাৰ আৰু আদৰ্শৰ অনুশীলনী হ'ল ধৰ্মৰ দৰ্শন। আনহাতে ধৰ্ম বিজ্ঞান বুলি কলে ধৰ্মৰ শ্ৰেণীবিভাগ আৰু ইয়াৰ অন্তভূক্ত ধাৰনাৰ বিশ্বাস আদিৰ বিশ্লেষানাত্মক কথা আহি পৰে।

আকৌ ইহুদী সম্পদায়ৰ নয়নৰ মনি 'স্পিনজা'ও আছিল এগৰাকী ধৰ্মপ্ৰান ব্যক্তি। তেওঁ ঘোষণা কৰিছিল ধৰ্মশাস্ত্ৰত প্ৰতিটো উক্তিয়েই আক্ষৰিক ভাৱে সত্য ধৰি লোৱাতো পৰিচয় হ'ল, অজ্ঞ মানুহৰহে যি উৎপত্তিৰ কাৰণ নাজানে স্পিনজাৰ দৰে আইনষ্টাইনৰ মতেও, প্ৰকৃতিয়েই হ'ল ভগবানৰ প্ৰতিভূ। তেওঁ কৈছিল যে সাধাৰণ মানুহৰ কল্পনাত ঈশ্বৰ হ'ল এনে এক সত্ত। যাৰ কৃপাদৃষ্টিত মানৱ-জাতিৰ উপকাৰ হয়। কিন্তু বিজ্ঞানীৰ ধৰ্মভিতি লুকাই থাকে প্ৰকৃতিৰ বিৰাট মানুহৰ ৰূপক সত্যৰূপে বুজিবলৈ কৰা আপ্ৰান চেষ্টাতেই। আইনষ্টাইনে কৈছিল মই নিজে বিশ্বাস কৰোঁ যে মহাজাগতিক ধৰ্মীয় ভাৱনাই হ'ল বৈজ্ঞানিক গৱেষণাৰ বাবে আটাইতকৈ শক্তিশালী আৰু মহৎ প্ৰেৰণা। বিজ্ঞান সংঘবদ্ধ জ্ঞানৰ প্ৰতীক, ই নিশ্চিত সত্যৰ সন্ধানী। প্ৰকৃতিয়ে কেনেভাৱে আচৰণ কৰে পৰীক্ষা আৰু যুক্তিৰ সহায়েৰে ই তাক ফট-ফটিয়াকৈ জানিবলৈ বিচাৰে। জানিব পাৰি যে পৃথিৱীৰ সকলোদেশৰ সামন্ত যুগৰ দৰে য়ুৰোপৰ সামন্তযুগটোও আছিল বিশ্বাসৰ যুগ। এই যুগত ধৰ্মৰ প্ৰভাৱ আদি অত্যন্ত প্ৰবল। সেয়ে বিজ্ঞানে এই যুগত বিশেষ স্থান পোৱা নাছিল। বিজ্ঞান চৰ্চা কৰাৰ অপৰাধত ৰ'জাৰ বেকনো যাজক সম্পদায়ৰ সন্দেহৰ পাত্ৰহৈ পৰিছিল। গনিত আৰু জ্যোতিবিজ্ঞানৰ ওপৰত যাজক সকলৰ আস্থা নাছিল। ক'পাৰনিকাছ, গেলিলিওই গীৰ্জাৰ গঞ্জনা সহ্য কৰিব লগীয়া হৈছিল। সামন্তযুগীয় চিন্তা-চৰ্চাৰ পৰা উদ্ধাৰ পাবলৈ সোতৰ শতিকাৰ পৰ্য্যন্ত বিজ্ঞানে যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল। অকল পদাৰ্থ বা জ্যোতিবিজ্ঞানেই নহয়, বিজ্ঞানৰ অন্য শাখা বিলাকতো ধৰ্মৰ লগত কন্দলত লিপ্ত হ'ব লগীয়া নোহোৱাকৈ থকা নাই। মৃত মানুহৰ শৰীৰ কটা-চিঙা অপৰাধত চিকিৎসা বিজ্ঞানৰ 'এনাটীম' শাখাটোৰ জনক ভেছেলিয়াছৰ ওপৰত অভিযোগ অনা হৈছিল। কিন্তু সোতৰ শতিকাৰ শেষৰ ফালে বিজ্ঞানৰ ওপৰত ধৰ্মৰ হেতা-ওপৰা যথেষ্ট কমি আহিল। সোতৰ শতিকাৰ বিশেষকৈ ইংলেণ্ডৰ নিউটন, বইল, কেভেণ্ডিছ, হাৰ্ভে প্ৰমূল্য কেইবা গৰাকী প্ৰতিভা শালী বিজ্ঞানীৰ জন্ম হয়। এইদৰে ১৬৬০ চনত লণ্ডনত ৰয়েল চচাইটি স্থপিত হয়। আধুনিক সভ্যতাৰ প্ৰায় সকলোবোৰ অৱদানৰ বাবে সময়ে সময়ে জন্ম হোৱা পৃথিৱীৰ আধুনিক বিজ্ঞানৰ বিজ্ঞানী সকল ধৰ্ম বিৰোধী নাছিল। বৰং কেপলাৰ প্ৰমূল্য কোনো কোনো বিজ্ঞানী অতিশয় ধৰ্ম প্ৰানা লোক আছিল। কিন্তু তেওঁ লোকৰ কাৰ্য্যৱলীত যি উদ্যেগ নিহিত আছিল, সি আছিল ধৰ্মীয় উদ্যগৰ বিপৰীতা ধৰ্মৰ ভেঁটি হ'ল বিশ্বাস, কিন্তু বিজ্ঞানী সকলৰ কাৰ্য্য কলাপবোৰৰ ভেঁটি আছিল যুক্তি আৰু পৰীক্ষা এনে বিলাক কাৰণত বিজ্ঞানী সকল নিজে ধৰ্ম বিৰোধী ন'হলেওঁ ধৰ্মৰ লগত লাহে লাহে বিজ্ঞানৰ এক তীব্ৰ সংঘৰ্ষৰ আৰম্ভ হৈ আহিছে।

আধুনিক বিজ্ঞানৰ নৱ-নৱ আৱিস্কাৰে ঈশ্বৰ বিশ্বাসৰ ওপৰত আঘাত হানিছে। আজি জল, স্থল, বায়ু আদি সকলোতে বিজ্ঞানৰ জয়যাত্ৰা চলিছে। মানৱে আৱিস্কাৰ কৰিছে শ-শ বিস্ময়কৰ বস্তু। আজি কৃত্ৰিম উপগ্ৰহৰ আৱিস্কাৰে মানুহে লাখ-লাখ কিলোমিটাৰ দূৰত্ব বস্তু টেলিভিছনৰ-সহায়েৰে ঘৰতে বহি উপভোগ কৰিব পাৰিছে। আকৌ অন্যহাতেদি বিজ্ঞানে আনি দিছে মানৱৰ বাবে ভয়ঙ্কৰ দিন।

সূক্ষ্ম ভাৱে বিচাৰ কৰিলে বিশ্বপ্ৰকৃতিৰ জড় আৰু শক্তিৰ একমাত্ৰ বাস্তৱ সত্তা নহয়। বিজ্ঞানৰ লগত ধৰ্মৰ কোনো বিভেদ নাই। বৰং পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল. ধৰ্মহীন বিজ্ঞান আৰু বিজ্ঞানহীন ধৰ্মই মানুহৰ শুভবুদ্ধি উদয় হোৱাত ব্যাঘাত জন্মায়। সেয়েহে আজি বিজ্ঞানৰ লগতে মানৱ ধৰ্মকো স্থান দিয়া হৈছে। ❐



মুনুকন ঃ মা পাপুকণে মোৰ পুতলাটো ভাঙিলে।

মাক ঃ কেনেকৈ ভাঙিলে ?

মুনুকন ঃ মই পুতলাটো তাইৰ মূৰত মাৰিছিলো।





শিক্ষকে এটা ল'ৰাক অংক শিকাইছে – ধৰা হওঁক তোমাৰ লগত দুটাকৈ আছে, মায়ে যদি ৫ টকা দিয়ে কিমান টকা হ'ব ? ল'ৰাটোৱে অলপ সময় ভাবি ক'লে এইটো হ'বই নোৱাৰে, কাৰণ মায়ে মোক এটকাতকৈ বেছি কেতিয়াও নিদিয়ে।

# ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি : একৰিংশ শতিকাৰ বাবে এক প্ৰত্যাহ্বান

**ডঃ দিলীপ কলিতা।**
*এম, এছ, চি, পি, এইচ, ডি, এফ, এন, আৰ, এচ,*
*উদ্ভিদ বিজ্ঞান বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।*

সৃষ্টিৰ ঠিক পিচ মুহূৰ্তৰ পৰাই পৃথিৱীৰ তথা ভূমণ্ডলৰ পৰিৱেশ বিভিন্ন কাৰণত সালসলনি হৈ আহিছে আৰু সুদীৰ্ঘ কাল ধৰি হোৱা ক্ৰম বিৱৰ্তনৰ মাজেৰে ই বৰ্তমান অৱস্থাত ভৰি দিছেহি। প্ৰথম অৱস্থাত এই পৰিৱৰ্তন প্ৰাকৃতিক নিয়মেৰেই হৈছিল অৰ্থাৎ এই পৰিৱৰ্তনৰ নিৰ্ণায়ক শক্তি আছিল প্ৰকৃতি। কিন্তু প্ৰকৃতিৰ বুকুত মানৱ জাতিৰ উৎপত্তিৰ পিছত লাহে লাহে মানৱ সভ্যতা বিকাশ হ'বলৈ ধৰিলে। মানৱ সভ্যতাৰ বিকাশৰ লগেলগেই এই ভূমণ্ডলৰ পৰিৱেশৰ সালসলনিত মানৱ জাতিয়েও এক বিশেষ ভূমিকা ল'বলৈ ধৰিলে। ভূমণ্ডলৰ পৰিৱেশৰ সালসলনিৰ ভিতৰত ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিও (Global Warming) অন্যতম আৰু একৰিংশ শতিকাত ই পৰিৱেশবিদ্ সকল তথা সমগ্ৰ মানৱ জাতিৰ বাবেই এক প্ৰত্যাহ্বান হিচাবে থিয় দিছে। বায়ু প্ৰদূষণৰ বাবে হোৱা ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি হ'ল এক বিশ্বজনীন সমস্যা। বিশ্বৰ বিভিন্ন ঠাইত অৱস্থিত দুহেজাৰটা বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা লোৱা তথ্য অনুসৰি এই কথা পোহৰলৈ আহিছে যে যোৱা ১৮,০০০ বছৰৰ ভিতৰত ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ পৰিমাণ আছিল চাৰি ডিগ্ৰী চেন্টিগ্ৰেড। কিন্তু ইয়াৰে প্ৰায় ০.৫ ডিগ্ৰী চেন্টিগ্ৰেডৰ পৰা এক ডিগ্ৰী চেন্টিগ্ৰেড উষ্ণতা বৃদ্ধি হৈছিল যোৱা শতিকাটোতে। যোৱা শতিকাৰো আকৌ শেষৰ ২৫ বছৰত এই উষ্ণতা বৃদ্ধিৰ মাত্ৰা প্ৰতিবছৰে ক্ৰমাগত বৃদ্ধি হৈ গৈ থাকে ১৯৯৫ চনৰ পৰা ২০০৫ চনৰ ভিতৰত এই বৃদ্ধিৰ পৰিমাণ হ'ব ০.৫ ডিগ্ৰী চেন্টিগ্ৰেড, ২০০৫ চনৰ পৰা ২০৫০ চনৰ ভিতৰত এই উষ্ণতা বৃদ্ধিৰ পৰিমাণ হ'ব ১.৫ ডিগ্ৰী চেন্টিগ্ৰেড আৰু ২০৫০ চনৰ ভিতৰত এই উষ্ণতা বৃদ্ধিৰ পৰিমাণ হ'ব ১.৫ ডিগ্ৰী চেন্টিগ্ৰেড আৰু ২০৫০ চনৰ পৰা ২১০০ চনত এই উষ্ণতা বৃদ্ধিৰ পৰিমাণ ৩ ডিগ্ৰী চেন্টি গ্ৰেড হ'ব বুলি ধাৰণা কৰা হৈছে। এই উষ্ণতা বৃদ্ধিৰ পৰিমাণ উচ্চ অক্ষাংশীয় (High Latitude) অঞ্চলত আৰু বেছি হব বুলি ধাৰণা কৰা হৈছে।

বায়ুমণ্ডলত থকা সেউজ গৃহ গেছ সমূহ যেনে কাৰ্বন ডাই অক্সাইড, মিথেল, ক্লৰ'ফ্লৰ' কাৰ্বন সমূহ, নাইট্ৰাচ অক্সাইড আৰু অ'জন গেছৰ পৰিমাণ উষ্ণতা বৃদ্ধিৰ কাৰণ। এই গেছ সমূহে সূৰ্য্যৰ পৰা অহা দীৰ্ঘ তৰংগ প্ৰডাবোৰ মোষণ কৰি ভূমণ্ডলৰ উষ্ণতাৰ ভাৰসাম্যত প্ৰভাৱ মেলায়। এই গেছ কণিকাবোৰে দীৰ্ঘ তৰংগ প্ৰডাবোৰ শোষণ নকৰা হ'লে এইবোৰে সেউজ গৃহৰ স্বচ্ছ আইনা নতুবা প্লাষ্টিক জাতীয় পদাৰ্থৰ দৰে কাম কৰে যিবোৰে সূৰ্য্যৰ পৰা অহা পোহৰ সিহঁতৰ মাজেৰে পাৰ হৈ যাবলৈ দিয়ে কিন্ত তাপ পাৰ হৈ যাবলৈ নিদিয়ে অৰ্থাৎ শোষণ কৰে। সেয়েহে এই গেছবোৰক সেউজ গৃহ আহিলাৰ লগত তুলনা কৰি সেউজ গৃহ গেছ (Green House Gas) বুলি কোৱা হয়। যিহেতু এই গেছবোৰৰ মাজেদি সূৰ্য্যৰ পোহৰ প্ৰতিফলিত হৈ ওলাই যাব পাৰে কিন্ত তাপ শোষণ কৰি লোৱা বাবে ওলাই যাব নোৱাৰে। ইয়াৰ ফলত পৃথিৱীৰ বায়ু মণ্ডলৰ উষ্ণতা বৃদ্ধি হয়। সেইজ গৃহৰ আয়নাৰ বেৰে কাৰ্বন ডাই অক্সাইডৰ নিচিনাকৈ কাম কৰে। শীতকালত সেয়েহে সেউজ গৃহৰ উত্তাপ একে থাকে। এই গেছবোৰৰ দ্বাৰা বায়ুমণ্ডলত উষ্ণতা বৃদ্ধি প্ৰক্ৰিয়াটোক সেউজ গৃহৰ লগত তুলনা কৰিলে ইয়াক সেউজ গৃহ প্ৰভাৱ ( Green house effect) বুলি কোৱা হয়। অৰশ্যে আমাৰ পৃথিৱীখন সেউজ গৃহত পৰিণত হ'লে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব। এই বিষয়ে তলত আলোচনা কৰা হৈছে।

কাৰ্বন ডাই অক্সাইড ($Co_2$ ), পেট্ৰল কয়লা আৰু অনান্য ইন্ধন সামগ্ৰী অনবৰতে দহন কৰা বাবে, হাবি জংঘল জ্বলাই কৃষি ভূমি মুকলি কৰা বাবে আৰু অনান্য জৈৱ যৌগ দহন কৰা বাবে বায়ুমণ্ডলত $Co_2$ ৰ পৰিমাণ দিনে দিনে বৃদ্ধি পাব ধৰিছে। যন্ত্ৰ চালিত যানবাহনৰ সংখ্যা বৃদ্ধি হোৱাটোও বায়ুত $Co_2$ বৃদ্ধি হোৱাৰ অন্য এটা কাৰণ। যোৱা শতিকাটোত $Co_2$ বৃদ্ধিৰ পৰিমাণ ১৫ শতাংশ বুলি ঠাৱৰ কৰা হৈছে। ১৯৮৮-৮৯ চনত পোৱা তথ্য অনুসৰি কেৱল আমাৰ ভাৰতবৰ্ষতে কয়লা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আৰু যান বাহনৰ পৰা যথাক্ৰমে ৮৫,৩৫,৫ আৰু ২৫ নিযুত টন $Co_2$ গেছৰ সৃষ্টি হয়। $Co_2$ ৰ বাবে হোৱা সেউজ গৃহ প্ৰভাৱৰ প্ৰায় ২.৮ শতাংশৰ বাবে আমাৰ দেশেই দায়ী। ভূমণ্ডলত উৎপন্ন হোৱা প্ৰায় আধা অংশ $Co_2$ গেছ সাগৰলৈ যায় নতুবা সেউজীয়া উদ্ভিদে শোষণ কৰে আৰু বাকী আধা অংশ বায়ুমণ্ডলত



থাকি যায়। ঊনৈশ শতিকাৰ প্ৰথম ভাগত বায়ুমণ্ডলত $Co_2$ গেছৰ পৰিমাণ আছিল ২৮০ পি, পি, এম, ১৯৬০ চনত ইয়াৰ পৰিমাণ হ'লগৈ ৩১৬ পি,পি,এম আৰু ১৯৯৪ চনত হ'লগৈ ৩৬৯ পি, পি, এম । বৰ্তমান এই $Co_2$ ৰ পৰিমাণ আৰু দ্ৰুত গতিত বাঢ়িব ধৰিছে। কাৰ্বন ডাই অক্সাইডে পৃথিৱীৰ উষ্ণতা বৃদ্ধিত বিশেষ ভাৱে অৰিহণা যোগায়। $Co_2$ ৰ এই স্তৰ যিমানে বেচি ডাঠ হ'ব সিমানে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিহৈ গৈ থাকিব। এইটো হিচাপ কৰি উলিওৱা হৈছে যে যেতিয়া বায়ুমণ্ডলত $Co_2$ ৰ গাঢ়তা শক্তি দুগুণলৈ বৃদ্ধি পায় তেতিয়া বায়ুমণ্ডলৰ উষ্ণতা ১.৫ ডিগ্ৰী চেন্টিগ্ৰেডৰ পৰা ৫.৫ ডিগ্ৰী চেন্টিগ্ৰেডৰ ভিতৰত বৃদ্ধি হ'ব। সেউজগৃহ প্ৰভাৱৰ প্ৰায় আধা অংশৰ বাবে $Co_2$ গেছেই দায়ী । বৰ্তমান প্ৰতিবছৰে $Co_2$ গেছৰ পৰিমাণ বায়ুমণ্ডলত ১.৫ পি,পি, এমকৈ বৃদ্ধি হব লাগিছে। বিজ্ঞানী সকলে ভৱিষ্যৎ বাণী কৰিছে যে $Co_2$ গেছৰ পৰিমাণ যদি বায়ুমণ্ডলত ৪০০ পি, পি, এমলৈ বাঢ়ে তেতিয়া ভূমণ্ডলৰ উষ্ণতা প্ৰায় এক ডিগ্ৰী চেন্টিগ্ৰেড বাঢ়িব। বৰ্তমান প্ৰতিবছৰে $Co_2$ গেছৰ পৰিমাণ বায়ুমণ্ডলত ১.৫ পি,পি, এমকৈ বৃদ্ধি হৈছে। বিজ্ঞানী সকলে ভৱিষ্যত বাণী কৰিছে যে $Co_2$ গেছৰ পৰিমাণ যদি বায়ুমণ্ডলত ৪০০ পি,পি,এম কৈ বাঢ়ে তেতিয়া ভূমণ্ডলৰ উষ্ণতা প্ৰায় এক ডিগ্ৰী চেন্টিগ্ৰেড বাঢ়িব। মিথেন ($CH_4$) : প্ৰাকৃতিক গেছৰ মূল উৎস হ'ল মিথেন। পিতনি, ধাননি পথাৰ, গেলা পচা জাবৰ-জোথৰৰ দ'ম, গৰু, ছাগলী, ম'হ, ভেড়া, উঁই পৰুৱা আদিৰ অন্ত্ৰত এই গেছ উৎপন্ন হয়। পৃথিৱীৰ মুঠ মিথেন গেছৰ প্ৰায় ২৫-৩০ শতাংশ পিতনি আৰু ধাননি পথাৰৰ পৰাই উৎপন্ন হয়। ধান খেতি কৰাৰ ফলত পৃথিৱীত যিমান মিথেন গেছ উৎপাদন হয় তাৰ প্ৰায় দুই শতাংশ ভাৰতবৰ্ষৰ ধাননি পথাৰৰ পৰাই হয়। মিত্ৰৰ (১৯৯১) মতে গোটেই পৃথিৱীৰ পোহনীয়া জন্তুবোৰৰ পৰা বছৰি ৮০X১০$^{১২}$ গ্ৰাম মিথেন গেছ উৎপন্ন হয় আৰু ইয়াৰে প্ৰায় ৭X১০$^{১২}$ গ্ৰাম ভাৰতৰ পোহনীয় জন্তুবোৰৰ পৰাই উৎপন্ন হয়। বায়ুমণ্ডলত মিথেন গেছৰ গাঢ়তা যোৱা শতিকাটোত যথেষ্ট বৃদ্ধি পাইছে। যোৱা শতিকাৰ শেষত দশকটোত গড় হিচাপে প্ৰতি বছৰে ১.০ ৰ পৰা ১.৩ শতাংশ এই গেছৰ গাঢ়তা বৃদ্ধি হৈছিল। ইন্ধন চালিত যান বাহনৰ সংখ্যা বৃদ্ধি, কল কাৰখানাৰ সংখ্যা বৃদ্ধি, কয়লা খনি আদিৰ সংখ্যা বৃদ্ধিয়েই বায়ুমণ্ডলত এই গেছৰ গাঢ়তা বৃদ্ধিৰ মূল কাৰণ। প্ৰাকৃতিক গেছ, কয়লা, কেৰাচিন, ডিজেল আৰু আন আন জৈৱ যৌগৰ দহনৰ মাত্ৰা বৃদ্ধি পোৱাটোও বায়ুমণ্ডলত মিথেন গেছৰ গাঢ়তা বৃদ্ধিৰ বাবে কম দায়ী নহয়। মিথেনৰ প্ৰতিটো অণুৱে কাৰ্বন-ডাই অক্সাইডৰ প্ৰতিটো অণুতকৈ প্ৰায় ৫ গুণ বেছিকৈ তাপ শোষণ কৰিব পাৰে আৰু পৃথিৱীৰ সেউজ গৃহ প্ৰভাৱৰ মুঠ ১৮ শতাংশৰ বাবে এই গোটেই দায়ী বুলি বিজ্ঞানী সকলে ঠাৱৰ কৰিছে।

ক্লৰ'ফ্লৰ'কাৰ্বন সমূহ (Chlorofluoro carbans

ক্লৰ'ফ্লৰ'কাৰ্বন বায়ুমণ্ডলত বিভিন্ন ৰূপত থাকে। ইয়াৰে ২৫ শতাংশ বায়ু বিলয়ী (airosols), ১২ শতাংশ বায়ুৰীয় অৱস্থাত (air canditoners),১৯ শতাংশ ৮ শতাংশ স্নিগ্ধকাৰী (refrigerants) আৰু বাকী ১০ শতাংশ অনান্য ৰূপ থাকে। এই গেছসমূহ প্ৰধানকৈ বিমান আৰু প্ৰশীতন যন্ত্ৰত ব্যৱহাৰ কৰা হয়। ভূমণ্ডলৰ প্ৰায় ১৫ শতাংশ সেউজ গৃহ প্ৰভাৱৰ বাবে এই গেছ সমূহেই দায়ী। মিত্ৰৰ (১৯৯১) মতে পৃথিৱীত প্ৰতিবছৰে প্ৰায় ৭,০০,০০০ টন ক্লৰ'ফ্লৰ'কাৰ্বন উৎপন্ন হয় আৰু তাৰে ৫,০০০ টন ভাৰতবৰ্ষত উৎপন্ন হয়। অৰ্থাৎ প্ৰতি বছৰে পৃথিৱীত উৎপন্ন হোৱা ক্লৰ'ফ্লৰ'কাৰ্বনৰ শতকৰা এভাগৰ বাবে আমাৰ দেশ দায়ী। বায়ুমণ্ডলত এই গেছৰ গাঢ়তা এক পি, পি, এমতকৈও কম। কিন্তু ইয়াৰ প্ৰতিটো অণুৱে কাৰ্বন ডাই অক্সাইডৰ প্ৰতিটো অণুতকৈ প্ৰায় ১৫,০০০ গুণ বেছি তাপ শোষণ কৰিব পাৰে। গতিকে বায়ুমণ্ডলত এই গেছ সমূহৰ গাঢ়তা অতি কম যদিও সেইজ গৃহ প্ৰভাৱৰ বাবে অতি কম দায়ী নহয়।

এই গেছ সমূহে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি কৰাৰ উপৰিও সমতাপ মণ্ডলত এই গেছ সমূহৰ গাঢ়তা অতি কম যদিও সেউজ গৃহ প্ৰভাৱৰ বাবে অতি কম দায়ী নহয়।

এই গেছ সমূহে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি কৰাৰ উপৰিও সমতাপ মণ্ডলত (Stratospher) থকা অ'জনৰ তৰপৰ ক্ষতি সাধন কৰে। যোৱা শেষৰ দুটা দশকত অ'জনৰ তৰপে অতি বেঙুনীয়া ৰশ্মি পৃথিৱীলৈ অহাত বাধা দিয়ে। এই ৰশ্মিবোৰ জীৱজগতৰ বাবে বৰ বিপদজনক। এই ৰশ্মিবোৰ মানুহৰ চৰ্ম কেন্সাৰৰ বাবে দায়ী।

নাইট্ৰাচ অক্সাইড ($N_2O$), ক্লৰফ্লৰ কাৰ্বনৰ দৰে নাইট্ৰাচ অক্সাইডো ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি আৰু অ'জন তৰপৰ অনিষ্ট সাধন এই দুয়োটাৰ বাবে দায়ী। এই গেছ বৰ সুস্থিৰ; জীৱন কাল ১৫০ বছৰ। বায়ুমণ্ডলত নাইট্ৰাচ অক্সাইড গেছ ভাগি নাইট্ৰিক অক্সাইড (NO) আৰু নাইট্ৰ'জেন ডাই অক্সাইড ($NO_2$) লৈ ৰূপান্তৰিত হয়। হাবি-বননি দহন, অন্যান্য জৈৱ যোগৰ দহন, মাটি, দেশ মধ্যস্থ জলভাগ (Inland Water), সাগৰ আৰু

কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰা নাইট্ৰজেন জাতীয় সাৰৰ পৰা এই গেছ উৎপন্ন হয়। নাইট্ৰাছ অক্সাইড গেছৰ প্ৰতিটো অণুৱে $CO_2$ৰ প্ৰতিটো অণুতকৈ প্ৰায় ২৩০ গুণ বেচি তাপ শোষণ কৰিব পাৰে।

অ'জন ($O_3$)সমতাপ মণ্ডলত অ'জনৰ তৰপে অতি বেঙুনীয়া ৰশ্মি পৃথিৱীলৈ আহি জীৱৰ বংশগতিৰ বাহক ডি, এন, এ, অণুবোৰ (কোনো কোনো নিম্ন স্তৰৰ প্ৰাণীৰ ক্ষেত্ৰত আৰ, এন, এ,) ভাঙি নষ্ট কৰি পেলালেহেঁতেন। ক্ষোডমণ্ডলত (Toposphere) এই গেছৰ গাঢ়তা বেছি হ'লে সেউজগৃহৰ প্ৰভাৱত অৰিহণা যোগায়। সেউজ গৃহ প্ৰভাৱৰ শতকৰা ১০ৰ পৰা ২০ ভাগ এই গেছৰ বাবেই হয়।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। ই জলবায়ু, মানুহ আৰু আন আন জীৱবোৰৰ বেমাৰ আজাৰ, খেতিবাতি আদি বহুতো দিশত প্ৰভাৱ পেলাব।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি মানেই জলবায়ুৰ সাল-সলনি। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ মান উত্তৰ গোলাৰ্দ্ধৰ উচ্চ অক্ষাংশীয় (high latitude) অঞ্চলত বেছি হ'ব। ভাৰতবৰ্ষত জহকাল আৰু শীতকাল উভয়তে উষ্ণতা বৃদ্ধি হোৱা পৰিলক্ষিত হ'ব। এই উষ্ণতা বৃদ্ধিৰ পৰিমাণ জহকালত প্ৰায় ৩৪ ডিগ্ৰী চেন্টিগ্ৰেড। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ ফলত মেৰু অঞ্চলৰ আৰু ওখ পৰ্বতসমূহৰ বৰফসমূহ গলি সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি পাব। ইয়াৰ ফলত সাগৰৰ ওচৰৰ অঞ্চলসমূহ পানীত ডুব যাব।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিয়ে বৃষ্টিপাতৰ ওপৰতো প্ৰভাৱ পেলাব বুলি বিজ্ঞানীসকলে ভৱিষ্যৎবাণী কৰিছে। বিজ্ঞানীসকলৰ মতে বৰষুণৰ ওপৰত প্ৰভাৱ দুই ধৰণৰ হ'ব। প্ৰথমতে বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ কমিব বা বাঢ়িব। দ্বিতীয়তে কেতবোৰ অঞ্চলত ঋতুভেদে বৰষুণৰ পৰিমাণ সালসলনি হ'লেও বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ একেই থাকিব। উদাহৰণ স্বৰূপে উচ্চ অক্ষাংশীয় অঞ্চলত আৰু উচ্চ মধ্য অক্ষাংশীয় (high-mid-latitude) অঞ্চলত বৰষুণ পৰিমাণ জহকালত প্ৰায় ৫ শতাংশ আৰু শীতকালত ১৫ শতাংশ বৃদ্ধি হ'ব । নিম্নমধ্য অক্ষাংশীয় (lowar-mid-latitude). অঞ্চলত জহকালত বৰষুণ বৰ সীমিত পৰিমাণে হ'ব আৰু শীতকালত প্ৰায় ৫ৰ পৰা ১০ শতাংশ কমি যাব বুলি বিজ্ঞানীসকলে অনুমান কৰিছে। নিম্ন অক্ষাংশীয় অঞ্চলত বৰষুণৰ পৰিমাণ ৫ৰ পৰা ১০ শতাংশ বঢ়াৰ সম্ভাৱনা আছে । ভাৰতৰ উত্তৰ অঞ্চল আৰু দক্ষিণ পেনিনচুলা অঞ্চলত জহকালি বৰষুণৰ পৰিমাণ বৃদ্ধি হ'ব। আনহাতেদি মধ্যভাৰতৰ সমভূমি অঞ্চল যেনে বিহাৰ আৰু উত্তৰ প্ৰদেশৰ পূৱ অংশত মৌচুমী বতাহৰ বাবে হোৱা বৰষুণৰ পৰিমাণ কমি যোৱাৰ সম্ভাৱনাই অধিক। উষ্ণতা বৃদ্ধি হোৱাৰ লগে লগে বাষ্পীভৱন আৰু প্ৰস্বেদনৰ মাত্ৰা বৃদ্ধি হ'ব। ফলস্বৰূপে যিবোৰ অঞ্চলত বৰষুণৰ পৰিমাণ বৃদ্ধি নহয় সেইবোৰ অঞ্চলত পানীৰ অভাৱ পৰিলক্ষিত হ'ব।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ এটা বিশেষ ঋণাত্মক দিশ হ'ল মহ মাখি আদি বাহকৰ দ্ধাৰা বিস্তাৰণ হোৱা মেলেৰিয়া আদি ৰোগবোৰৰ প্ৰকোপ বৃদ্ধি পাব। উষ্ণতা আৰু বৰষুণৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে মহ, মাখি আদি ৰোগৰ বিজাণু বাহক পতংগবোৰৰ সংখ্যা বৃদ্ধি হ'ব কিয়নো নতুন জলবায়ুত সিহঁতে প্ৰজনন কৰিবলৈ অধিক সুবিধা পাব। নাতিশীতোষ্ণ অঞ্চলৰ উষ্ণতা আগতকৈ বাঢ়ি যোৱাৰ ফলত এই ৰোগসমূহ এই অঞ্চলসমূহলৈকো বিয়পি পৰিব।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিয়ে খেতি বাতিৰ ত্তপৰতো যথেষ্ট প্ৰভাৱ পেলাব। এবৰল আৰু তেওঁৰ সহযোগী সকলে (১৯৯১) মন্তব্য কৰে যে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে কৃষিৰ ওপৰতো প্ৰভাৱ পেলাব। প্ৰত্যক্ষ প্ৰভাৱ হ'ল – বায়ুমণ্ডলত $CO_2$ ৰ পৰিমাণ বাঢ়ি যোৱাৰ লগে লগে উদ্ভিদৰ সালোক সংশ্লেষণৰ মাত্ৰা বাঢ়ি যাব আৰু প্ৰস্বেদনৰ মাত্ৰা কমি যাব। ইয়াৰ ফলত উদ্ভিদবোৰৰ বৃদ্ধি বেচি হ'ব আৰু পাতৰ আকৃতিও এতিয়াতকৈ ডাঙৰ হ'ব। ইয়াৰ ফলত ঘেঁহু, বাৰ্লি আদিৰ উৎপাদনৰ ৪০ শতাংশ পৰ্য্যন্ত বৃদ্ধি হ'ব। এনে ধৰণৰ প্ৰভাৱ আন আন শস্যৰ ওপৰতো পৰিব বুলি বিজ্ঞানী সকলে ধাৰণা কৰিছে। অৱশ্যে $CO_2$ৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত যে শস্যৰ উৎপাদন ক্ষমতা বৃদ্ধি পাব তাক এতিয়াই কোৱা কঠিন। পৰিৱৰ্ত্তিত $CO_2$ৰ গাঢ়তা, বৰ্দ্ধিত উষ্ণতা, পৰিৱৰ্ত্তিত বৃষ্টিপাতৰ পৰিমাণ আদিৰ মিশ্ৰিত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত যি নতুন পৰিৱেশৰ সৃষ্টি হ'ব তাৰ ওপৰতহে শস্যৰ উৎপাদন ক্ষমতা নিৰ্ভৰ কৰিব। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ পৰোক্ষ প্ৰভাৱো খেতিবাতিৰ ওপৰত পৰিব। উষ্ণতা বৃদ্ধিৰ ফলত পৃথিৱীৰ জলবায়ুৰ যথেষ্ট সালসলনি হ'ব। চাইনৰ (১৯৯০) মতে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ ফলত হোৱা জলবায়ুৰ সালসলনিয়ে কৃষি পৰিৱেশ তন্ত্ৰৰ ওপৰতো প্ৰভাৱ পেলাব আৰু এই পৰিৱৰ্তিত পৰিৱেশ তন্ত্ৰৰ ওপৰতে কৃষিৰ উৎপাদন নিৰ্ভৰ কৰিব। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ ফলত তলত দিয়া পৰিৱৰ্তনবোৰ হোৱাৰ সম্ভাৱনা অতি বেছি।

১। বাষ্পীভৱনৰ মাত্ৰা বাঢ়িব।

২। জল আৰু ভূমিৰ উষ্ণতা বৃদ্ধি হ'ব।



৩। ভূমি জল কৃষি কাৰ্য্যৰ বাবে অপৰ্যাপ্ত নহ'ব।

৪।আবাদী ভূমিৰ পৰিমাণ বৃদ্ধি পাব।

৫। পতংগসমূহৰ বংশবৃদ্ধি খৰতকীয়া হ'ব আৰু ফলত পতংগৰ দ্বাৰা হোৱা উদ্ভিদৰোগ সমূহে ভয়ংকৰ ৰূপ ধাৰণ কৰিব।

৬। ভূমিৰ উৰ্বৰতা হ্ৰাস পাব।

৭। অণুজীৱ সমূহৰ সক্ৰিয়তা বাঢ়িব।

৮। জৈৱ যোগবোৰৰ পচন খৰতকীয়া হ'ব।

এই পৰিৱৰ্তনবোৰে কৃষিৰ ওপৰতো বহুতো প্ৰভাৱ পেলাব। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ ফলত শীতপ্ৰধান অঞ্চলসমূহত শস্যৰ উৎপাদন বৃদ্ধি হ'ব যদিও ভূমিত থকা জলীয় বাষ্পয়ে ইয়াৰ ওপৰত প্ৰভাৱ নেপেলোৱাকৈ নাথাকে। পেৰি আৰু তেওঁৰ সহযোগীসকলৰ (১৯৯০) মতে ভূমিত জলীয় বাষ্পৰ পৰিমাণ কমি যোৱাৰ বাবে উত্তৰ আমেৰিকা, মেক্সিকো আদিত শস্যৰ উৎপাদন হ্ৰাস পাব। ৰাচিয়াত উষ্ণতা আৰু বৃষ্টিপাতৰ মাত্ৰা বৃদ্ধি পোৱাৰ ফলত *চিকেল চিৰিয়েল* নামৰ শস্যবিধৰ উৎপাদন প্ৰথম অৱস্থাত বৃদ্ধি পাব যদিও পিছলৈ অতিমাত্ৰা বৃষ্টিপাতৰ ফলত হোৱা ভূমিক্ষয়ৰ ফলত মাটিৰ উৰ্বৰতা হ্ৰাস পোৱাত ইয়াৰ উৎপাদন কমি যাব। ভাৰতবৰ্ষত নতুন পৰিৱেশত ধান, ঘেঁহু, কপাহ আদিৰ উৎপাদন বৃদ্ধি হ'ব যদিও ভূমি জলৰ (soil water)অভাৱ হোৱা হেতু ৰবি শস্যৰ উৎপাদন হ্ৰাস হোৱাৰ সম্ভাৱনা নথকা নহয়। কাৰণ $CO_2$ ৰ গাঢ়তা আৰু উষ্ণতা বৃদ্ধিৰ ফলত খৰালি বতৰত ভূমিজলৰ নাটনি হোৱা সম্ভাৱনা আছে।

ইয়াৰোপৰি উষ্ণতা আৰু বৃষ্টিপাতৰ সালসলনিৰ লগে লগে কিছুমান শস্যৰ কৃষিক্ষেত্ৰবো সালসলনি কৰিবলগীয়া হ'ব। পেৰিৰ (১৯৯০) মতে এতিয়া সৰ্বাধিক ঘেঁহু খেতি ভাল হোৱা ঠাইত তেতিয়া বাৰ্লিৰ খেতি, বাৰ্লিৰ খেতিৰ ঠাইত গোমধানৰ খেতি, গোমধানৰ খেতিৰ ঠাইত চয়াবিনৰ খেতি ভাল হ'ব। পলমকৈ পূৰঠ হোৱা ধানৰ সঁচবোৰৰ (later maturing rice variety) নতুন পৰিৱেশত উৎপাদন ভাল হ'ব। $CO_2$ৰ পৰিমাণ বায়ুমণ্ডলত দুগুণ হোৱাৰ লগে লগে এই সঁচবোৰৰ উৎপাদন ২৬ শতাংশ বৃদ্ধি হ'ব বুলি অনুমান কৰা হৈছে। কেতবোৰ শস্যৰ খেতি কৰা সময়ৰ সালসলনি কৰিবলগীয়া হ'ব পাৰে। ধৰাহওঁক জুন-জুলাই মাহত কৰা খেতি আগষ্ট চেপ্তেম্বৰ মাহত, আগষ্ট-চেপ্তেম্বৰ মাহত কৰা খেতি নৱেম্বৰ-ডিচেম্বৰ মাহত কৰিবলগীয়া হ'ব পাৰে।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ লগেলগে বিভিন্ন ধৰণৰ কীট-পতঙ্গৰ দ্বাৰা আৰু অণুজীৱৰ দ্বাৰা হোৱা উদ্ভিদৰ ৰোগৰ প্ৰকোপ বৃদ্ধি পাব। কাৰণ উষ্ণতা আৰু বৰষুণৰ মাত্ৰা বঢ়াৰ লগে লগে এই ৰোগবোৰৰ কাৰকবোৰে বংশ বিস্তাৰ কৰিবলৈ অধিক সুবিধা পাব।

ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশ আছে। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে বৃষ্টিপাতৰ পৰিমাণ সালসলনি হ'ব। যিবোৰ অঞ্চলত বৰষুণৰ মাত্ৰা অতি বেছি হ'ব সেইবোৰ অঞ্চলত ভূমিক্ষয় ৰোধ কৰাৰ বাবে বিশেষ ব্যৱস্থা লব লাগিব। ভূমি ক্ষয়ৰ লগতে সেইবোৰ অঞ্চলত ভূমিৰ উৰ্বৰতাও হ্ৰাস পাব। ফলত কৃষিক্ষেত্ৰত অধিক সাৰ প্ৰয়োগ কৰিব লাগিব। অনবৰতে মৌচুমী জয়বায়ুৰ প্ৰভাৱত থকা অঞ্চলসমূহত বৰষুণৰ পৰিমাণ কমি যোৱাৰ ফলত এই অঞ্চল সমূহত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। নতুন পৰিৱেশত ভেকুৰ, বেক্টেৰিয়া আৰু আন আন অণুজীৱৰ দ্বাৰা হোৱা উদ্ভিদৰোগৰ পৰিমাণ বৃদ্ধি পাব। গতিকে নতুন পৰিৱেশৰ লগত অভিযোজন কৰিব পৰাকৈ পতঙ্গৰোধক, ভেকুৰৰোধক, বেক্টেৰিয়াৰোধক আদি উদ্ভিদ প্ৰজাতি সৃষ্টি কৰিবলৈ উদ্ভিদবিজ্ঞানীসকল যত্নপৰ হোৱাৰ সময় আহি পৰিছে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা পোহৰলৈ আহিছে যে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি সম্পূৰ্ণৰূপে ৰোধ কৰিব নোৱাৰি যদিও পৃথিৱীৰ সকলো দেশৰ জনসাধাৰণ সচেতন হলে ইয়াৰ গতি যথেষ্ট পৰিমাণে নিয়ন্ত্ৰণ কৰিব পাৰি। গতিকে আমি সকলো ক্ষেত্ৰত সচেতন হোৱাৰ সময় আহি পৰিছে। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ গতি যিমানে লেহেমীয়া হ'ব, জলবায়ুৰ লগত জীৱ সম্প্ৰদায়ে অভিযোজন কৰিবলৈ সুবিধা পাব। ফলত জীৱ প্ৰজাতিবোৰ ধ্বংসৰ মুখৰ পৰা ৰক্ষা পৰিব। আনহাতে ভূমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ গতি যদি খৰতকীয়া হয় তেন্তে জলবায়ুৰ পৰিৱৰ্তনো খৰতকীয়া হ'ব। এই খৰতকীয়াকৈ হোৱা পৰিৱৰ্তনীয় জলবায়ুৰ লগত জীৱসম্প্ৰদায়ে অভিযোজন কৰিবলৈ অক্ষম হ'ব। ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি অৰ্থাৎ সেউজগৃহ প্ৰভাৱৰ প্ৰতিবিম্বৰ জনগণক সচেতন কৰিবৰ বাবেই "United Nations Environment Programme" নামৰ আন্তঃৰাষ্ট্ৰীয় সংগঠনটোলে ১৯৮৯ চনত ৫ জুন অৰ্থাৎ বিশ্ব পৰিৱেশ দিৱসৰ দিনা "Global Warming : Global Warming"নামৰ শ্লগানটো প্ৰচাৰ কৰিছিল। আমি সকলোৱে এই শ্লগানটো মনত ৰাখি ভূমণ্ডলৰ উষ্ণতাবৃদ্ধি ৰোধ কৰিবলৈ যত্নপৰ হোৱা উচিত। অন্যথাই এই সুন্দৰ পৃথিৱী এদিন ধ্বংসৰ মুখত পৰিব। ❒

# ৰজনীকান্ত বৰদলৈৰ 'নিৰ্মল ভকত' এটি আলোচনা

শ্ৰীমতী জ্যোতি বৰগোহাঁই।
*মুৰব্বী অধ্যাপিকা (অসমীয়া বিভাগ)*

ইংৰাজ ঔপন্যাসিক ছাৰ ৱাল্টাৰ স্কট আৰু বঙ্গ ঔপন্যাসিক বাঙ্কিম চন্দ্ৰৰ অনুপ্ৰেৰনাৰে অনুপ্ৰাণিত হৈ অসমীয়া সাহিত্য জগতৰ উপন্যাস সম্ৰাট হিচাবে পৰিচিত ৰজনীকান্ত বৰদলৈদেৱে অসম বুৰঞ্জীৰ আধাৰত এলানি উপন্যাস ৰচনা কৰিছিল। সেই উপন্যাস ৰাজিৰ ভিতৰত 'নিৰ্মল ভকত' নামৰ উপন্যাসখনৰ বাহিৰে বৰদলৈদেৱৰ আটাইকেইখন উপন্যাসেই নায়িকা প্ৰধান। নিৰ্মল 'ভকতে'ই বৰদলৈ দেৱৰ একমাত্ৰ উপন্যাস য'ত নায়কে প্ৰাধান্য লাভ কৰিছে। সেই উপন্যাস ৰাজিৰ ভিতৰত 'নিৰ্মল ভকত' নামৰ উপন্যাস খনৰ বাহিৰে বৰদলৈ দেৱৰ আটাইকেইখন উপন্যাসেই নায়িকা প্ৰধান। 'নিৰ্মল ভকতেই' বৰদলৈ দেৱৰ একমাত্ৰ উপন্যাস য'ত নায়কে প্ৰাধান্য লাভ কৰিছে।

ইংৰাজ কৰি টেনিছনৰ 'এনক আৰ্ডেন' নামৰ কাহিনী কাব্যৰ। আধাৰত বৰদলৈদেৱে মানৰ প্ৰথম আৰু দ্বিতীয় আক্ৰমণৰ পটভূমিত এই উপন্যাস খন ৰচনা কৰিছে। টেনিচনৰ ইংৰাজী কাব্যখনৰ কাহিনী এনেধৰণৰ। সাগৰৰ পাৰত অৱস্থিত এখনি সৰু গাঁৱত তিনিটি ল'ৰা-ছোৱালীয়ে নিতৌ দৰাকইনা খেলে। ল'ৰা দুটিৰ নাম এনক আৰু ফিলিপ আৰু ছোৱালীটিৰ নাম এনী। এদিন তিনিও দৰাকইনা খেলি থাকোতে আগেয়ে কোন দৰা হ'ব এই কথা থিৰাং কৰিব নোবাৰাত এনীয়ে ঠিক কৰিলে যে সেই দিনাৰ বাবে এনক আৰু অন্যদিনাৰ বাবে ফিলিপ তাইৰ দৰা হ'ব। কালক্ৰমত তিনিও যৌৱনত ভৰি দিলে আৰু শৈশৱৰ মিলা প্ৰীতিয়েই যৌৱনত প্ৰণয়লৈ ৰূপান্তৰিত হ'ল। সময়ত এনকে এনীক বিবাহৰ প্ৰস্তাৱ দিলে আৰু এনীয়েও সেই প্ৰস্তাৱ গ্ৰহণ কৰিলে। লাজকুৰীয়া ফিলিপ কিন্তু মৌন হৈয়েই ৰ'ল আৰু অবিবাহিত হৈয়েই থাকিল। এবাৰ এনকে সাগৰত বনিজ বেহাবলৈ গল। কিন্তু দুৰ্ভাগ্যবশতঃ জাহাজ ডুবাত এটা নিৰ্জন দ্বীপত তেওঁ বাৰ বছৰ কাল থাকিব লগাত পৰিল। ইফালে এনীয়ে এনকলৈ বাট চাই চাই আমনি লগাত বাৰ বছৰ অপেক্ষাৰ অন্তত পূৰ্বৰ প্ৰেমিক ফিলিপকে বিয়া পাতিলে। বাৰ বছৰৰ পাছত এনক ঘূৰি আহি নিজৰ ঘৰবাৰীৰ কোনো চিন চাব নেদেখি গাৱঁৰ চৰাই খানাত আশ্ৰয় ল'লে আৰু মিৰিয়াম নামৰ এগৰাকী বুঢ়ীৰ পৰা এনী আৰু ফিলিপৰ বিয়াৰ বিষয়ে জানিব পাৰিলে। দুখ আৰু হতাশাত এনকৰ হৃদয় ভাগি পৰিল আৰু তেওঁ শয্যাশায়ী হ'ল। মৃত্যুৰ আগতে মিৰিয়ামক তেওঁ নিজৰ পৰিচয় দিয়ে আৰু মৃত্যুৰ পিছত এনী আৰু ফিলিপক তেওঁৰ বিষয়ে জনাবলৈ অনুৰোধ কৰে। কিছুদিনৰ পিছত মৃত্যুহোৱা এনকৰ বিষয়ে মিৰিয়ামৰ পৰা জানিব পাৰি এনী আৰু ফিলিপে এনকৰ মৰোনোত্তৰ কাৰ্য্য সমাধা কৰে।

'নিৰ্মলভকত' উপন্যাসত 'এনক আৰ্ডেন' নামৰ, কাহিনীৰ এনক, ফিলিপ আৰু এনীৰ ৰূপ দিছে ক্ৰমে নিৰ্মল অনিৰাম আৰু ৰূপহীয়ে। এওঁলোক তিনিও দৰাকইনা খেলোতে কোন দৰা হ'ব থিৰাং কৰিব নোৱাৰাত ৰূপহীয়ে মীমাংসা কৰিলে যে প্ৰথম দিনাৰ কৰে নিৰ্মল আৰু পাছত অনিৰাম দৰা হ'ব। কালক্ৰমত নিৰ্মল, অনিৰাম আৰু ৰূপহীয়েও যৌৱনত ভৰিদিলে। নিৰ্মল অনিৰাম দুয়ো ৰূপহীক প্ৰানভৰি ভাল পায় যদিও ৰূপহীয়ে নিৰ্মলকহে পতিৰূপে আশা কৰিলে। এদিন গাঁৱত ভাওনা চোৱাৰ সুবিধাতে দুয়ো পলাই গৈ নিৰ্মলৰ মাহীয়েকৰ ঘৰত গোপনে বিয়া পাতিলে। আনহাতে ৰূপহীৰ বেজাৰত অনিৰাম আবিয়ৈ হৈ থাকিল। সেই সময়তে মানে অসমদেশ আক্ৰমণ কৰাত জন্মভূমিৰ হকে যুঁজিবলৈ গৈ নিৰ্মল মান সেনাৰ হাতত বন্দী হ'ল আৰু বাৰবছৰ কাল মানদেশত থাকিব লগাত পৰে। নিৰ্মল ঘূৰি নহা দেখি ৰূপহীয়ে পূৰ্বৰ প্ৰমিক অনিৰামক বিয়া কৰালে। সুদীৰ্ঘ বাৰবছৰৰ অন্তত নিৰ্মল মান দেশৰ পৰা ঘুৰি আহি অনিৰাম ৰূপহীৰ সুখৰ সংসাৰখন ভাঙিবলৈ ইচ্ছা নকৰিলে। মাহীয়েকৰ উপদেশমতে জীৱনৰ শেষছোৱা তেওঁ দক্ষিণ পাট সত্ৰৰ কেৱলীয়া ভকত হৈ থাকিল আৰু এশবছৰ পৰমায়ু লাভ কৰিলে। নিৰ্মলৰ



মৃত্যুৰ পাছত অনিৰাম ৰূপহীয়ে যথাৰীতিৰে নিৰ্মলৰ সংকাৰ কাৰ্য্য সমাধা কৰিলে।

উপন্যাস খন আলোচনা কৰিলে দেখা যায় যে উপন্যাসৰ কাহিনী ঐতিহাসিক নহয়, মাত্ৰ লিখকে ঐতিহাসিক পটভূমি এটিত কাল্পনিক কাহিনী ৰচনা কৰিছে। বৰদলৈৰ উপন্যাসত অসমৰ ৰাজনৈতিক, সামাজিক, ধৰ্ম ব্যৱস্থা আৰু প্ৰচালিত ৰীতি-নীতিৰ বিৱৰণ আছে। 'নিৰ্মল ভকতো' ইয়াৰ ব্যতিক্ৰম নহয়। অসমৰ সামাজিক জীৱনত সাগৰৰ কথা নাহে। সেয়েহে লিখকে মূলকাব্যত থকা সাগৰৰ ঠাইত মানৰ আক্ৰমনৰ কথা উল্লেখ কৰি সমসাময়িক ৰাজনৈতিক অৱস্থাৰ সম্ভেদ দিছে। তদুপৰি সেই সময়ত প্ৰচলিত ভাওনা আৰু ভাওনাৰ ৰাতি নিৰ্মল আৰু ৰূপহী পলাই গৈ মাহীয়েকৰ ঘৰত বিয়াপতা কাৰ্য্য, সমসাময়িক অসমৰ ৰজাঘৰীয়া খেলিমলি, সোপাটিলা শাসন ব্যৱস্থা, মান দেশৰ বিৱৰণ, মানৰ আক্ৰমনৰ সময়ত অসমীয়া প্ৰজাৰ ওপৰত হোৱা মানৰ অবৰ্ননীয় অত্যাচাৰ আদি বৰ্ণনাই সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ সম্ভেদ দিয়ে।

এই খিনিতেই উল্লেখযোগ্য যে ৰজনীকান্ত বৰদলৈ দেৱ আছিল ঘোৰ বৈষ্ণৱ পন্থী। বৰদলৈ দেৱে উপন্যাস সমূহত যতেই সুবিধা পাইছে বৈষ্ণৱ ধৰ্মৰ জয় ধ্বজা উৰুৱাইছে। 'নিৰ্মল ভকতত' অনিৰাম ৰূপহীৰ সুখৰ সংসাৰ দেখি বিষাদ গ্ৰস্ত নিৰ্মলে জীৱনৰ সুঁতি সলনি কৰি দক্ষিণপাট সত্ৰত বৈষ্ণৱ ভকত হৈ দিন কটাইছে। নিৰ্মলৰ মুখত বৈষ্ণবধৰ্মৰ গীত মাতও আওৰোৱা হৈছে।

বৰদলৈৰ উপন্যাসৰ আনএটি লক্ষণ সপোনৰ প্ৰভাৱ 'নিৰ্মলভকতো' পৰিছে। স্বগীয়া মাহীয়েকে নিৰ্মলক সপোনত গুৰু আৰু ঈশ্বৰত ভজিবলৈ উপদেশ দিছে।

'নিৰ্মলভকত'ৰ চৰিত্ৰ সৃষ্টিতো বৰদলৈদেৱ সফল হৈছে। উপন্যাসৰ নায়ক নিৰ্মল এজন সাহসী ডেকা, সফল প্ৰেমিক আৰু স্বদেশ প্ৰেমিক বীৰ। ডেকা বয়সৰ প্ৰেমিক নিৰ্মলে শেষ বয়সত বিশাল ভগৱত প্ৰেমত আশ্ৰয় লৈছে।উপন্যাসৰ নায়িকা ৰূপহী এটি আদৰ্শ চৰিত্ৰ। প্ৰেমিকা আৰু পত্নী হিচাবে নিৰ্মলৰ প্ৰতি ৰূপহীৰ ভালপোৱা আছিল অপৰিসীম। নিৰ্মলৰ সৈতে পলাই যোৱা, বাৰবছৰ অপেক্ষা কৰাৰ পাছতহে অনিৰামক বিয়া কৰোৱা কাৰ্য্যত ৰূপহী চৰিত্ৰৰ বৈশিষ্ট্যতা প্ৰকাশ পাইছে। ৰূপহীৰ দ্বিতীয় প্ৰেমিক অনিৰামৰ ৰূপহীৰ প্ৰতি থকা ধৈৰ্য্য আৰু ভাল পোৱা অতুলনীয়। সেই দৰে নিৰ্মলৰ মাহীয়েক এগৰাকী পতিপৰায়ণা আৰু ধৰ্মৰ প্ৰতি অনুৰক্তা আদৰ্শৱান তিৰোতা।

বিদেশী লিখকৰ কাহিনী এটিক অসমীয়া ৰূপ দিবলৈ যাওঁতে কাহিনীৰ বাছনি, চৰিত্ৰ সৃষ্টি আৰু সমসাময়িক জীৱন যাত্ৰাৰ বিৱৰণ ডাঙি ধৰাত বৰদলৈদেৱে সফল হৈছে যদিও উপন্যাস খনিত কিছু দোষ গুণ নথকা নহয়। উপন্যাসৰ কাহিনী ভাগ সৰল হোৱা বাবে আৰু নিৰ্মলৰ মুখেদি পোনপটীয়া ভাৱে কাহিনী বৰ্ণনা কৰাৰ বাবে চৰিত্ৰ সমূহত মানসিক সংঘাত ফুটি উঠা নাই। কাহিনী বিন্যাসো বহুত ঠাইত সুসংগঠিত হোৱা নাই। উপন্যাস খনৰ ২৩-২৪-২৫ অধ্যায়ত প্ৰয়োজনতকৈ অধিক বৰ্ণনা দিয়া হৈছে। এনেধৰণৰ অসমীয়া উপন্যাসৰ চালুকীয়া অৱস্থাত বিদেশী লিখকৰ কাহিনী এটিক অসমীয়া সাজেৰে সজাই পৰাই তোলাত বৰদলৈ দেৱে নিঃসন্দেহে কৃতিত্বৰ দাবী কৰিব পাৰে।



গোটেই আহিনমহীয়া ৰাতিটো
ইন্দ্ৰমালতী ফুলবোৰে কান্দি আছিল
উঠি গৈ দেখিলোগৈ'
গাঁৱৰ এটা গধূলিৰ দৰে
তোমাৰ হাঁহিটো
তমাল জোপাত ওলমি আছে।

*- নীলমনি ফুকন -*

# সমৰকলা (Martial Art)ৰ উৎপত্তি আৰু ইয়াৰ ক্ৰমবিকাশ

শ্ৰী নয়ন জ্যোতি পাংগিং।
*উঃ মাঃ ২য় বাৰ্ষিক (বিজ্ঞান শাখা)*

"There are so many dangers in this world. Forget then and go around without fear. You weaken than nobody, have confidence in your own might and gear"



বিশ্বখন এখন মায়াৰ বজাৰ। ইয়াত মানুহে জন্ম গ্ৰহণ কৰি কাম, ক্ৰোধ, লোভ, মোহ আদি মায়াত বন্দী হৈ আনৰ কথা চিন্তা নকৰি নিজৰ সুখ-দুখৰ কথা চিন্তা কৰি নিজৰ জীৱনটো অতি বাহিত কৰে। গীতাত এষাৰ কথা আছে যে নিজৰ লগত তুলনা কৰি যি জনে সকলোৰে সুখ দুখৰ কথা সমান দৃষ্টিৰে চাব পাৰে তেওঁৱে পৰম জ্ঞানী। বিশ্বাস আৰু শ্ৰদ্ধাই মানুহৰ মন যিমান প্ৰভাৱিত কৰে, পৰাক্ৰমে সিমান কৰিব নোৱাৰে। আমি নিশ্চয় আশা উদ্দীপনাৰ ৰেঙনি দেখা নাই যেতিয়া মুকলিকৈ স্বীকাৰ কৰিব পাৰিম বা পাৰিব লাগিব যে আমাৰ তেনে কোনো অমানুষিক প্ৰজ্ঞা নাই ; যে আমাৰ ভুল হ'ব নোৱাৰে। জীৱনত স্থায়ী বুলি একোৱেই নাই। আব্ৰাহাম লিংকনে কৈছে, ধৈৰ্য্য নেহেৰুৱাবলৈ সাহস লাগে আৰু সাহসী হবলৈ ধৈৰ্য্য লাগে।

মানুহৰ জীৱনটো সৌন্দৰ্যময় আৰু সুগঢ়ী কৰি তুলিবলৈ শাৰীৰিক, মানসিক, দৈহিক আৰু বৌদ্ধিক উৎকৰ্যসাধনৰ বাবে শৰীৰ চৰ্চা অথবা সমৰ কলাই (M.A) গুৰুত্বপূৰ্ণ কলা হিচাপে বিশ্বজনীন স্বীকৃতি লভি আহিছে। প্ৰচীন কালৰ ঋযি-মুনি সকলে যোগাসনক আধ্যাত্মিক কলা হিচাপে লৈ সাধনা কৰিছে আৰু শৌৰ্য-বীৰ্য পৰাক্ৰমী বীৰসকলে শৰীৰ চৰ্চা অথবা মল্লযুদ্ধৰ জৰিয়তে যুদ্ধ বিগ্ৰহত প্ৰতি পক্ষৰ ৰণকৌশলক প্ৰতিহত কৰাৰ বাবে এক অন্যতম কৌশল হিচাপে প্ৰয়োগ কৰি সমৰকলাৰ (M.A) যি ধাৰা প্ৰসাৰ ব্যাপকভাৱে বিস্তৃতি লাভ কৰি পৃথিৱীজুৰি এক সৰ্বাত্মক আৰু সৰ্বজনগ্ৰাহ্য কলা হিচাপে জনপ্ৰিয়তা অৰ্জন কৰিছে।

সমৰ কলাৰ উৎপত্তি স্থল হৈছে জাপান। সমৰ কলাৰ বিভিন্ন শাখাৰ ভিতৰত সম্প্ৰতি জুডো, কাৰাটে, কুংফু, বক্সিং কিক বক্সিং আৰু টাইকোৱানডোই বিশেষ ভাৱে জনপ্ৰিয় হৈ পৰা দেখা গৈছে। জুডো হ'ল মল্লযুদ্ধৰেই আধুনিক পদ্ধতি। মল্লযুদ্ধ আৰু নানা প্ৰকাৰৰ কৌশল বহু প্ৰাচীন কালতেই ভাৰত, গ্ৰীচ আৰু ৰোমত প্ৰচলিত আছিল। বিশেষকৈ ভাৰতবৰ্যত বহু হাজাৰ বছৰ পুৰ্বেই মল্লযুদ্ধবিদ্যাৰ তত্ত্বাৱধানত এই বিদ্যাৰ শিক্ষা গ্ৰহণ কৰিছিল। ৰামায়ন আৰু মহাভাৰতৰ বালী, সুগ্ৰীব, হনুমান, ভীম, জৰাসন্ধ প্ৰভৃতি বীৰসকলে মল্লবিদ্যাত কিমান প্ৰচণ্ড শক্তিশালী আছিল সেইকথা আমি ভালেদৰেই জানো। বালী আৰু সুগ্ৰীবৰ মল্লযদ্ধুত কোনো অস্ত্ৰৰ প্ৰয়োগ কৰা দেখা নগৈছিল। একমাত্ৰ দৈহিক শক্তি বা ক্ৰীড়া কৌশলকেই অৱলম্বন কৰিছিল। যিহেতু 'জুডো' মল্লযুদ্ধৰেই আধুনিক পদ্ধতি তেনেহলে আমি সন্দেহাতীত ভাৱে স্বীকাৰ কৰিব পাৰো যে মল্লযুদ্ধৰ স্ৰষ্টা হ'ল ভাৰতবৰ্ষ।

সমৰকলাৰ জৰিয়তে দেশ আৰু জনসাধাৰণৰ মঙ্গলৰ কাৰণে এই বিদ্যা শিকাটো উচিত। তান্ত্ৰিক বৌদ্ধধৰ্মবাদী সকলে সমৰকলাক দেহ আৰু মনৰ সুস্থতাৰ বাবেই প্ৰচলন কৰিছিল। আজি আমাৰ ভাৰতীয় সকলে এই খেলৰ প্ৰশিক্ষণৰ বাবে বিদেশী প্ৰশিক্ষকৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা গৈছে। কিন্তু বৰ্তমানও তিব্বত আৰু চীনদেশত। বৌদ্ধ ভিক্ষুসকলে এনে সমৰকলাৰ প্ৰশিক্ষণ দি আহিছে।

কাৰাটে দু ঃ- কাৰাটেৰ অৰ্থ হ'ল খালী হাত আৰু দু-ৰ অৰ্থ হৈছে

ইয়াৰ বিশেষ গুণ বা লক্ষণ বীৰত্ব ভদ্ৰতা, পুণ্যতা, বিনয় আৰু আত্মসংযম। ই প্ৰকাশ কৰে শিক্ষা আৰু দৰ্শনৰ সৈতে, স্বভাৱ চৰিত্ৰৰ দেহ আৰু মন সম্পৰ্কীয় অৰ্থ । ইয়াৰ শেষ লক্ষ্য জ্ঞানোদয়, ব্যক্তিগত ক্ৰমবৃদ্ধি আৰু নিয়মিত বিস্তৃত অভ্যাস। কাৰাটেৰ প্ৰাৰ্থনাই আমাক শিকায় ব্যক্তিৰ চৰিত্ৰ সম্পূৰ্ণ ৰূপে গঢ় দিয়াবলৈ চেষ্টা চলোৱা, প্ৰকৃত অন্তৰৰ দৰ্শন বজাই ৰখা, চেষ্টাৰ উদ্যম কৰ্ষণ কৰা, সন্মান বা ভদ্ৰতা প্ৰদৰ্শন কৰাটো, নিশ্চিত কৰাটো আৰু কোনো ব্যক্তিৰ হিংস্ৰ মনোভাৱৰ বিপৰীতে থিয় দিয়া। কাৰাটে চৰ্চাৰ মাজেদি জীৱনৰ সত্যৰ স্বৰূপ উপলব্ধি কৰি ব্যক্তিৰ গঠন সৃষ্টি কৰিব পাৰি। কাৰাটে ড'ৰ দৰ্শন যদি আমি বিচাৰি চাওঁ ইয়াৰ কোনো আত্মানুৰাগ নাই, ই সৃষ্টি হৈছে 'জেন'ৰ পৰা। ইয়াৰ অৰ্থ স্বয়ং সৃষ্টি সংযম। কাৰাটে উন্নতি সাধনশীলৰ কাৰণ শৰীৰ আৰু জীৱনৰ অতুলনীয় গঠন প্ৰণালী। শক্তি আৰু সৌন্দৰ্য্য বৃদ্ধিকৰ ব্যায়াম। ইয়াৰ প্ৰকৃত সৃষ্টি প্ৰতিভা সদায় বেলেগ। যিটো সৰভাগ উদ্ভাসিত হৈছে বৌদ্ধধৰ্মৰ তত্ব সম্পৰ্কীত শিক্ষাৰ পৰা য'ত বেছি জোৰ দিয়া হৈছিল ধ্যান আৰু নিয়মানুৱৰ্তিতাৰ ওপৰত। ইয়াৰ উৎপত্তি সোতৰ শতিকাত জাপানৰ পৰা ৩০০ কিঃ মিঃ আতৰৰ লুকো নামৰ দ্বীপত হৈছিল। ১৯২০ চন মানৰ পৰা ই জাপানত প্ৰসিদ্ধ হৈ পৰে। জুডো খেলকেই আধুনিকতম কৰি তুলি এই খেলক চমৎকাৰ এক আকৰ্ষণীয় ৰূপত সজাই তোলা হৈছে কাৰাটে। কিক বক্সিং, বক্সিং আৰু কুস্তি খেলৰ দৰে আক্ৰমণ আৰু প্ৰহাৰৰ জৰিয়তে হাত ভৰি ভঙাৰ নিচিনা প্ৰচণ্ড আক্ৰমন খেলৰ বিপৰীতে কাৰাটেই নতুন নতুন অনুশীলন আৰু কৌশলৰ সহায়ত অ-মাৰাত্মক কৰি তুলিবলৈ কাৰাটে বিদ্যাই আধুনিক ৰূপ পৰিগ্ৰহণ কৰিছে। সেই বাবে আজি বিশ্বৰ সকলোবোৰ দেশতে ই প্ৰচলিত হৈছে। যিহেতু 'কাৰাটে' কথাৰ অৰ্থই হ'ল খালী হাতে সুদক্ষতাৰে সৈতে গঢ়া আত্মৰক্ষাৰ খেল। কাৰাটেত লাঠি, তৰোৱাল অথবা অন্যান্য সামগ্ৰী প্ৰয়োগ থাকিলেও সেইবোৰ প্ৰয়োগ নকৰাকৈ হাত ভৰিৰ আৰু শৰীৰৰ কৌশলেই হ'ল কাৰাটেৰ প্ৰধান অস্ত্ৰ। বক্সিং অথবা কুস্তি খেলৰ দৰে ইয়াৰ স্থান সুৰক্ষিত নকৰিলেও হয়। জুডো অথবা কাৰাটে প্ৰশিক্ষণৰ বাবে মঠ, মন্দিৰ অথবা ময়দানৰ প্ৰয়োজন নাই। এই খেলৰ সামগ্ৰী বুলিলে আমি দেহৰ বিভিন্ন অংশৰ অঙ্গচালনাকে বুলিব পাৰো। এজন জাপানী আৰু ফৰাচীয়ানে এই খেলৰ সপক্ষে কৈছিল এনেদৰে:- The weapons are the real and indispensable elements of karate and the weapons are part of the body.

কুংফু ঃ- খ্ৰীঃ পূঃ একাদশ শতিকাত 'শোৰিনজি গুম্ফা' নামেৰে মধ্য এছিয়াত স্বাস্থ্য আৰু ধৰ্মৰ পীঠস্থান আছিল। ইয়াত শৰীৰ আৰু মনৰ শক্তি সঞ্চয়ৰ শিক্ষা দিয়াৰ লগতে আধ্যাত্মিক অনুশীলন কৰা হৈছিল। বিনা অস্ত্ৰে কেৱল দেহৰ কৌশল প্ৰয়োগৰে মন আৰু স্নায়ুক সবল কৰাৰ শিক্ষা প্ৰদান কৰিছিল। এই "Cleanhand-Fight"ক চীন ভাষাত ৰূপান্তৰিত হয় 'কুংফু' হিচাপে। চীন দেশত ষোড়শ শতিকাত এই কুংফু শিক্ষাৰ প্ৰতি সকলোৱে আকৃষ্ট হৈছিল। কুংফু শিক্ষাই 'অকিনোয়া দ্বীপ'ৰ মাজেৰে চীনৰ পৰা গৈ জাপানত প্ৰৱেশ কৰে। 'কুংফু' সমৰকলাৰ এক প্ৰচণ্ড শক্তিশালী ক্ৰীড়া অথবা ভয়ংকৰ সমৰকলা হিচাপে সম্প্ৰতি চীন, জাপান, মালায়েছিয়া, ছিংগাপুৰ, ভাৰতকে আদি কৰি বিশ্বৰ প্ৰায়বোৰ দেশতেই ইয়াৰ প্ৰসাৰতা বৃদ্ধি পাইছে। কিন্তু সপ্তদশ শতিকাৰ শেষ আৰু ঊনেশ শতিকাৰ অষ্টম দশকলৈ বৌদ্ধ ভিক্ষুসকলে অতি গোপনভাৱে নিজৰ মাজতেই কুংফু শিক্ষা প্ৰয়োগ কৰিছিল।



'কুংফু'ৰ অৰ্থ হৈছে 'কানৈ শ্ৰম' । 'কুংফু' উৎপত্তি হোৱাৰ পৰাই সময়ত মানুহে জীৱজন্তুৰ লগত গছৰ ডালেৰেই অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি লাহে লাহে খালী হাতেৰেও জীৱ জন্তুবোৰৰ সৈতে যুঁজত অৱতীৰ্ণ হৈছিল। এনেকৈ আৱিস্কাৰ কৰি কুংফু বিশেষ মহলে প্ৰত্যেকটো কৌশলৰ নাম বা part জন্তুৰ নামেৰে নামকৰণ কৰে। যেনে —Tiger, Monkey, Eagle, Snake,

Cat, Dragon, ইত্যাদি। কুংফুৰ এনেবোৰ Style ফাইটিঙত ব্যৱহাৰ কৰাৰ বাবে খোপনিবোৰ কুংফুত সাধাৰণতে Law Position ত থাকে। সেয়ে শৰীৰৰ মাংসপেক্ষীবোৰ অধিক কঠিন আৰু শক্তিশালী হ'বলৈ ধৰে।

**সমৰকলাৰ প্ৰশিক্ষাৰ্থী সকলে মানিবলগীয়া কথা ঃ-**

সমৰকলাৰ প্ৰশিক্ষাৰ্থী সকলে মনত ৰখা উচিত যে সমৰকলা যুদ্ধ বিদ্যা নহয় ই খেলহে। সমৰকলাৰ অভিধানত আত্মানুৰাগ, হত্যা আদি নাই, সেয়ে সমৰ কলাক আত্মৰক্ষাৰ কৌশল হত্যাৰ কৌশললৈ ৰূপান্তৰ কৰিব নোৱাৰি। ইয়াৰ দ্বাৰা খেলৰ মাজেৰে নিজকে কৰিব পাৰে আত্মৰক্ষা। সমৰকলাত আছে তীব্ৰ প্ৰণোচ্ছলতা আৰু উন্মাদন। সেইবাবে যিকোনো কলাকেই সাধনাৰ বিষয় হিচাপে গ্ৰহণ কৰিব লাগে। মন, মগজ আৰু শৰীৰৰ একত্ৰীকৰণেৰেহে এই বিদ্যা শিকিব পাৰি। অন্যান্য সমৰকলা হৈ পৰিব অন্য কিছুমান আমি যদি পৰাজিত হওঁ প্ৰতিষ্ঠা হ'ব তেওঁলোকৰ নীতি। তেওঁলোক পৰাজিত হ'লে প্ৰতিষ্ঠা হ'ব আমাৰ খালি হাতৰ পথৰ নীতি। ফলত এই নীতিত যাৰ অৰ্ন্তদৃষ্টি অৰ্জন হয় তাক শ্ৰদ্ধাৰে গ্ৰহণ কৰাৰহে কথা। সমৰকলাৰ নীতি অহিংসা। অহিংসা ৰক্ষাৰ বাবে এই বিদ্যাৰ চৰ্চা ধ্বংস নহয়। উশৃংখলতা নহয় সংযমহে। এই বিদ্যাত হিংসাৰ আশ্ৰয় থাকিব নোৱাৰে । যাৰ জীৱনত হিংসাই স্থান পায়, প্ৰতিদন্দ্বিতাই স্থান পায়, তেওঁ সমৰকলাৰ (Martial Art)ৰ অংশীদাৰ হ'বই নোৱাৰে। শান্ত মনেৰে নিজৰ বিচাৰ বুদ্ধিৰে আমি যদি সকলো সদ্ গুণ প্ৰাপ্ত কৰিবলৈ চেষ্টা কৰো, তেন্তে আমাৰ কাৰণে সমৰকলা অতি উপযোগী আৰু মূল্যবান প্ৰমাণিত হ'ব। সমৰকলাৰ ঐতিহাসিক বিশ্লেষণ হৃদয়ঙ্গম কৰি পবিত্ৰ হৃদয়েৰে বিনয়ী, সংযমী আৰু সহনশীলতাৰে সমৰকলাত ব্ৰতী হোৱা উচিত। এখন পবিত্ৰ হৃদয় গঢ়াৰ প্ৰধান অন্তৰায় হ'ল নিচাযুক্ত দ্ৰব্য সেৱন আৰু আত্মগৌৰৱ। নিজৰ আত্ম সচেতনতাক ফাঁকিৰে বশীভূত কৰি অন্তৰায় মুক্ত নকৰিলে সাধনাৰ বিন্দুমাত্ৰ ফল নোপোৱাটো ধ্ৰুৱ। কিয়নো নিজৰ অন্তৰাত্মাক ফাঁকি দিয়াটো এক ডাঙৰ অপৰাধ। সমৰ কলাই আজি পৃথিৱীত ব্যাপক ভাৱে প্ৰসাৰতা লাভ কৰিছে। জুডো, কাৰাটে, কুংফু, বক্সিং আৰু টাইকোৱানডোই আধুনিক যুগৰ যুৱক-যুৱতীসকলৰ মাজত এনে সমৰকলাৰ প্ৰশিক্ষণৰ বাবে আগ্ৰহান্বিত হৈ পৰা দেখা যায়।

সমৰকলাত ভাষা, জাতি, ধৰ্মই ডাঙৰ বাধাৰ সৃষ্টি কৰিব নোৱাৰে। তাৰোপৰি বয়সে কোনো সমৰকলাৰ শিকাৰ নবীনত্ব তথা প্ৰবীনত্ব প্ৰকাশ নকৰে। নবীনেই হওঁক বা প্ৰবীনেই হওঁক দীৰ্ঘকাল ধৰি কঠোৰ অনুশাসন আৰু আত্মসংযমৰ অনুশাসন নকৰিলে কোনেও উদ্দীপনাৰ সঞ্চালৰ মনত যোগাব নোৱাৰে। গৌৰৱৰ কথা, সমৰকলাক প্ৰাণ দিবলৈ আজি সমগ্ৰ বিশ্বতে দুগুণ উৎসাহেৰে চৰ্চা আৰু অধ্যয়নত এই কাৰণেই লাগিছে যে সমৰকলাৰ বুনিয়াদী কৌশল শিক্ষাবোৰ কেইমাহমানৰ ভিতৰতে সহজে শিকিব পাৰি। কিন্তু সেইবোৰ সম্পূৰ্ণ কৰিবলৈ দৈহিক অভ্যাসৰ জীৱনজোৰা সময় লয়। কবিৰ সকীয়ণি মিছা নহয় "কৰা যত্ন বাৰে বাৰে হ'ব শেষ ফালে, হেৰা ল'ৰা তোমাৰেই জয়"। গঠনমূলক কামৰ অবিহনে দেশপ্ৰেম আৰু চৰিত্ৰ গঠনো অসম্ভৱ। উঠি অহা শিকাৰু সকলৰ এই চিন্তাধাৰা আমি ধ্বংস হ'বলৈ দিয়া অনুচিত। সেয়ে খন্তেকীয়া নিচাত মতলীয়া হৈ সমৰকলা (M.A)চৰ্চা কৰিলে নহ'ব, ইয়াক মনলৈ আনিব লাগিব। ইয়াৰ গভীৰতাত সোমাবলৈ একালব্যৰ একাগ্ৰতাৰ প্ৰয়োজন।

মানৱ সভ্যতাৰ বিৱৰ্তনৰ লগে লগে শৰীৰ চৰ্চা অথবা সমৰকলাক (Martial Arts)আধুনিক ধ্যান ধাৰণা, চিন্তা চৰ্চা আৰু নতুন নতুন কলাত্মক কৌশল উদ্ভাৱনাৰ ফলত ইয়াৰ শিক্ষন প্ৰণালীৰ ৰূপান্তিৰত হ'বলৈ ধৰে। পৃথিৱীজুৰি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশৰ লগে লগেই সমৰকলাইও এক দ্ৰুতভাৱে আগবাঢ়িছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে জুডো, কাৰাটে আৰু কুংফুই আধুনিক সমৰকলাবিদ সকলৰ কঠোৰ শ্ৰম-সাধনা আৰু একাগ্ৰতাৰ বলতেই ভিন্ন ৰূপত আত্মপ্ৰকাশ ঘটিছে। কাৰাটে আৰু কুংফুৰ নতুন নতুন শাখা বা শ্ৰেণীৰ সৃষ্টিয়ে দেশ আৰু স্থানভেদে ভিন্ন নামেৰে নামাংকৃত কৰা হৈছে। যেনেঃ- Shotokan karate do, Semi Contact Karate, kiya Kuchin Kaikan (Full contact) Karate ইত্যাদি। তেনেদৰে Wing-chun kung-Fu, New Shaolin Kung-Fu, Dragon Kung-Fu ইত্যাদি নামেৰে কাৰাটে আৰু কুংফু বিদ্যাৰ ৰূপান্তৰ ঘটিছে। টাইকোৱানডোৰ জন্ম হ'ল কোৰিয়াত। শেহতীয়াভাৱে টাইকোৱানডোক অলিম্পিক গেমছত অন্তৰ্ভুক্ত কৰা হৈছে। কাৰাটেক এচিয়ান গেমছত অন্তৰ্ভুক্ত কৰিবৰ বাবে জোৰা চলি আছে। সমৰকলাৰ ভিন্ন নামেৰেই নামাংকৃত কৰিলেও প্ৰত্যেক কলাৰ এক নিজস্ব সুকীয়া ষ্টাইল বা টেকনিক বিদ্যমান।

আমি আশা কৰিব পাৰো অসমৰ সমূহ সমৰকলা প্ৰশিক্ষাৰ্থীয়ে সমৰ কলাৰ দৰে গুৰুত্বপূৰ্ণ কলাৰ জৰিয়তে এখন সুস্থ সভ্য সমাজ আৰু দেশৰ সংহতি গঢ়নত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব। ❑

# সাম্প্ৰতিক উশৃংখল যুৱমানসিকতা ঃ এক অৱলোকন

শ্ৰীপ্ৰশান্ত শইকীয়া
আলোচনী সম্পাদক

উশৃংখলা বা বিকাৰ গ্ৰস্ত মানসিকতা বুলিলে কোনো ব্যক্তিয়ে স্বাভাৰিক অৱস্থাৰ পৰা বিচ্ছিন্ন হৈ কিছুমান আচহুৱা আচৰণ কৰাকে বুজায়। আজি আমাৰ সকলোৰে দৃষ্টিগোচৰ হৈছে যে বৰ্ত্তমান ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী সকল দিনক-দিনে উদণ্ড, উতনুৱা, অৰ্কমণ্য বিলাসপ্ৰিয় আৰু বিকৃত ৰুচিবোধৰ অধিকাৰী হৈ আহিছে। ফলস্বৰূপে সমাজত উশৃংলতা, ডকাইতি, লুন্ঠন, গুণ্ডাৰাজ, সুৰা, কাণি, ড্ৰাগছ সেৱন ভ্ৰষ্টাচাৰ দুনীতি, সন্ত্ৰাস হত্যা আদি অপৰাধ জগতৰ লগত জৰিত হৈ পৰা যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি পাব ধৰিছে। আমাৰ সকলোৰে সন্মুখত এই যুৱ চামক কাল সৰ্পই গ্ৰাস কৰিছে। গতিকে এটা জাতিৰ মেৰুদণ্ড স্বৰূপ এই স্বৰূপ এই যুৱ চামৰ অধঃপতন দেখি চিন্তাবিদ, বুদ্ধিজীৱীয়ে আস্ফালনৰ নামত অৰণ্যৰোদন কৰাৰ পৰিৱৰ্তে প্ৰতিজন সমাজ সচেতন ব্যক্তিয়েই ইয়াৰ প্ৰতিকাৰৰ বাবে বাস্তৱসন্মত চিন্তা-চৰ্চা কৰাৰ সময় হৈছে।



ৰোগ নিৰাময়ৰ উপায় বিচাৰৰ আগেয়ে আমি ৰোগৰ কাৰণ জানি ল'ব লাগিব আৰু অপথ্যখিনি খোৱাৰ দূৰত্ত থাকি পথ্য আৰু দৰৱৰ ব্যৱস্থা কৰিব লাগিব। সেয়েহে আমি উশৃংখলতাৰ কাৰণ সমূহ বিচাৰ কৰিলে দেখা পাম যে প্ৰচলিত শাসন ব্যৱস্থা, বাস্তৱ জীৱনৰ লগত বৰ্তমান শিক্ষা ব্যৱস্থাৰ সম্বন্ধ নথকা, মানসিক স্বাস্থ্যৰ অৱনতি, আধ্যাত্মিক তথা নৈতিক জ্ঞানৰ অভাৱ, ৰাজনৈতিক অভিসন্ধি দুনীতি, আৰ্থ সামাজিক বৈষম্য, ভ্ৰষ্টাচাৰ, নীচ জাতিক অৱহেলা, কৰ্ম বিমুখতা, শিশু অৱস্থাত বিদেশৰ আচহুৱা ভাষাৰ দ্বাৰা শিক্ষা দিয়া আদি। তদুপৰি আমাৰ সমাজত সস্তীয়া কু-ৰুচিপূৰ্ণ হিন্দী কথাছবি, দুৰদৰ্শন, জিটি ভি, পপ সঙ্গীত, ব্লু-ফিল্ম আদিৰ কবলত পৰি সমাজে সমাজলৈ হিংসা, হত্যা, পাশৱিক অত্যাচাৰ, অন্যায়, অনীতি, গুণ্ডাৰাজ, মদ-জুৱা আদি কঢ়িয়াই অৰ্কিন ই দেশ তথা জাতিৰ জৰ্বনাশ জাতি আনিছে। আমাৰ হালুৱা সংস্কৃতিৰ ওপৰত পশ্চিমীয়া সংস্কৃতিৰ কুঠাৰাঘাত পৰিছে। বৰ্ত্তমানে গাঁৱৰ চুকে কোনে যিখিনি এতিয়াও চচিত হৈ আছে সিও বিকৃত ৰূপ লবলৈ ধৰিছে। আজিৰ যুৱচামৰ পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণ আৰু জাতীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতি অৱজ্ঞাৱ, অসূয়া অপ্ৰীতি, অসামাজিক কাৰ্য্যকলাপ বৃদ্ধি পাইছে।

খাদ্যৰ ওপৰতো উশৃংখলা মানসিকতা বহু পৰিমাণে নিৰ্ভৰ কৰে। ৰাজসিক বহু পৰিমাণে নিৰ্ভৰ কৰে। ৰাজসিক আৰু অসমিক খাদ্যই তেতোন ক্ৰিয়া কৰে। সদায় আমিষ খাদ্য-মাছ, মাংস, কণী, পিয়াজ মচলা, জুলা আদি উত্তেজক খাদ্য। এই খাদ্য বোৰত মানুহৰ মনলৈ চঞ্চলতা আৰু খং ৰাগ আনে। আনহাতে সাত্বিক নিৰামিষ আহাৰে খং-ৰাগ, দম্ভ-অহঙ্কাৰ, চঞ্চলতা, লোভ-মোহ, কাম-ক্ৰোধ আদিৰ পৰা আঁতৰ ৰাখে। সাত্বিক আহাৰে মনলৈ সতেজতা প্ৰশান্তি আধ্যমিকতাৰ ভাৱ জমায় গ্ৰাত্ৰ গৰাকী ইংৰাজ গ্ৰহ্ণকাৰে কৈছিল "War begins not with weapons, but in mind."যুদ্ধ আৰম্ভ অস্ত্ৰত নহয়। ইয়াৰ উন্মেৰ মনতহে হয়। সৎ বা অসৎ যি কামেই মানুহে নকৰক কিয়, সকলোবোৰৰ জন্ম মানুহৰ মনতহে হয়। গতিকে মনক সংযম কৰিব লাগিব। এই সংযম আহিব আধ্যামিক জ্ঞানৰ দ্বাৰা। মানসিক উৎকৰ্ষ সাধনৰ বাবে আকধ্যাত্মিক শিক্ষাৰ প্ৰয়োজন। আধ্যামিক চিন্তা চৰ্চাৰ দ্বাৰাহে বিশ্বত শান্তি প্ৰতিষ্ঠা কৰা সম্ভৱ। শ্ৰী মন্ত শঙ্কৰদেৱৰ দৰে সৰ্ব গুণাকৰ, দুৰদৃষ্টিসম্পন্ন মানৱদৰদী মনীষা বিশ্বতে বিৰল। গতিকে আমি তেওঁৰ আদৰ্শৰে জীৱন পথত খোজ পেলোৱা উচিত।

শিশু অৱস্থাতেই প্ৰাৰ্থনা, যোগ, ধ্যান আদিৰ অভ্যাস কৰোৱাব লাগে। ই মনৰ একাগ্ৰতা বঢ়ায় আৰু মানসিক শক্তি বৃদ্ধি কৰে। দুৰ্বল, অস্থিৰ আৰু উশৃংখলা লোকৰ বাবে নিয়মিত প্ৰাৰ্থনা যোগাভ্যাস, ধ্যান আদি সহৌষধ, সজ আচৰণ ভাল ব্যৱহাৰ নৈতিক শিক্ষা, সৎ সঙ্গ আদিৰ সঞ্চাল দিব লাগিব। বৃক্ষ পুলি

এটি ৰুই যিদৰে সাৰ পানী নদিলে সময়ত তাৰ শ্ৰী বৃদ্ধি নহয়, তদ্ৰূপ শিশু অৱস্থাত সু-খাদ্য, সুস্থ পৰিৱেশৰ অভাৱত তেওঁৰ মানসিক উৎকৰ্ষ সাধন নহয়। ভাল পিতৃ-মাতৃৰ সন্তান যদি বেয়া পৰিবেশত ডাঙৰ দীঘল হয়। তেতিয়া সেই পৰিবেশৰ পাৰিপাশ্বিকতাই লৰা-ছোৱালী কু-পথলৈ যোৱাত সহায়ক হয়। আনহাতে অশিক্ষিত, মুৰ্খ ধৰণৰ চোৰ, ডকাইতৰ লৰা-ছোৱালীও সু-পৰিৱেশত থাকি আন বহুতো উচ্চ শিক্ষিত জ্ঞানী মানুহতকৈ এখোপ ওপৰলৈ যোৱাৰ উদাহৰণ আমাৰ সমাজত উদধাৰ পোৱা যায়। এই ক্ষেত্ৰত আমি কেইগৰাকীমান মহান শিশুলৈ লক্ষ্য কৰিলে দেখিবলৈ পাওঁ নিজ পুত্ৰক আসুৰিক বিদ্যা দিব বিচৰা হিৰণ্যকশিপু কালৰ হাতত নিধন হ'ল। একলব্যই নিজৰ জ্ঞানপিপাসু মনৰ দ্বাৰা বিদ্যাভিমানী ৰাজগুৰু দ্ৰোণাচাৰ্যৰ মোহভঙ্গ টাই শিক্ষা জগতত এক আদৰ্শ হৈ ৰল। আজি আমাৰ সমাজতো এনে প্ৰহ্লাদ ধ্ৰুৱ ৰূপী শিশু যুৱক বহুতো আছে। গতিকে এওঁলোকক পিতৃ-মাতৃ অভিকাৱক তথা সমাজেই উলিয়াই আনিব লাগিব।

আজিৰ এই জৰা-ব্যাধিগ্ৰস্ত সমাজখনক পোহৰৰ সন্ধান দি ৰক্ষা কৰিব পাৰিব যুৱ শক্তিয়েহে। তৰুণ চামক সঠিক দিশৰ জ্ঞান দিব পাৰিলে যুৱ উশৃংখলা হ্ৰাস পাব আৰু বিশ্ব শান্তি প্ৰতিষ্ঠা কৰাত সহায়ক হ'ব। মানৱ দেহত ছয় ৰিপু বিদ্যমান। এই ৰিপু দমন কৰিবলৈ বাল্যকালৰ পৰাই অভ্যাস কৰিব লাগিব। সকলো জীৱৰ প্ৰতি দয়া মমতা মৰম-স্নেহ আদি ভক্কিৰ নিজৰা ক'ব লাগিব।

সেয়ে ভাগৱতত কৈছে,

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।"

জীৱৰ প্ৰতি দয়াৰ ই এক চৰম নিদৰ্শন। জীৱ শ্ৰেষ্ঠ মানুহক ভোগৰ বাবে ইন্দ্ৰিয়সমূহ দিছে যদিও আধ্যাত্মিক চিন্তা-চৰ্চাৰ মাজেৰে সংযমী হোৱাৰ উপায় দিছে শাস্ত্ৰসমূহত। কিন্তু আজি আমি কুকুৰ-শৃগালক প্ৰণাম কতো দূৰৰ কথা মানুহে মানুহক হত্যা, পাশৱিক অত্যাচাৰ কৰিবলৈ কুন্ঠাবোধ কৰা নাই। এইবোৰৰ পৰা আমি নিশ্চিত ভাবে আতঁৰত থাকিবলৈ যত্ন কৰিব লাগিব। মৰম দয়াৰ দ্বাৰাহে মানুহে মানুহক ভাল পাবলৈ শিকিব।

আমি আজি মাতৃজাতিক সন্মান কৰিবলৈ এৰি দিছো। ফল স্বৰূপে নাৰী হৰণ, বলাৎকাৰ উৎপীড়ন আদিৰ নাৰীজনিত কেলেঙ্কাৰি বৃদ্ধি পাইছে। আমি নাৰীক আৰ্পোন মা, নিজভগ্নী হিচাপে লব পৰা নাই। ঠিক তেনেদৰে নাৰী জাতিয়ে পুৰুষক নিজ পিতৃ বা যুৱকক নিজ ভাতৃ বুলি লব পৰা নাই। ইয়াৰ ফলত জেষ্ঠ গুৰু তথা জ্ঞানীজনক সন্মান প্ৰদৰ্শন কৰিব নজনা হৈ পৰিছে। সেয়েহে মেক্সিম গৰ্কীয়ে কৈছিল "জীৱনৰ প্ৰতিটো মুহুৰ্তৰ একোটা চৰম উদ্দেশ্য আছে। এই লক্ষ্য প্ৰাপ্তিৰ বাবে কঠোৰ পৰিশ্ৰমৰ পৰিৱতে কৰ্মবিমুখীতাৰ হেতু মানৱ জীৱনৰ প্ৰকৃত লক্ষ্যৰ বিষয়ে উপলব্ধি কৰিব নোৱাৰি যুৱ চাম দিশহাৰা হৈ পৰিছে। জীৱন পৰিচলনা কৰাত ব্যৰ্থ যুৱসমাজক ভোকত কলমলাই থকা জনক, আধ্যামিক জ্ঞান দিলে সুফল পোৱা নাখাবা। তেওঁলোকক কৰ্মবিমুখীতাৰ পৰিবৰ্তে কৰ্ম-সংস্কৃতি গঢ়াত দিক নিদেৰ্শনা দিব লাগিব।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে হৰিজনসকলৰ দৰেই নিজৰ পাইখানা নিজে চাফা কৰিছিল। গতিকে আমিও কোনো কামকে হীন কৰ্ম বুলি নাভাৱি নিজৰ প্ৰয়োজনীয়ে কামখিনিৰ লগতে সমাজৰ বাবেও কিছু অৱদান আগবঢ়োৱা উচিত। কিন্তু বৰ্ত্তমান শোক-সভা, ৰাষ্ট্ৰীয় শোক, বন্ধ সংস্কৃতি য়ে ছাত্ৰ-ছাত্ৰী যুৱক যুৱতীক কৰ্ম্মবিমুখীতাৰ পিনেহে ধাবমান কৰায়। কৰ্মৰ মাজত জিৰণিয়ে মন সবল কৰে। ৰাতি দীৰ্ঘ সময় জিৰণিৰ পাছত মন সতেজ অনুভৱ কৰে। গতিকে পুৱা, গধুলি, কিতাপ, আধ্যাতিন, নৈতিক জ্ঞান সম্পন্ন গ্ৰহ্ অধ্যয়নে দিনটো মন সতেজ কৰি ৰাখে।

বৰ্ত্তমান যুগত বিজ্ঞানৰ নিত্য নুতন আৱিস্কাৰেও যুৱচামক বিপথে পৰিচালিত কৰিব নোৱাৰিব যদিহে আমাৰ মাজত বিশ্ব ভাতৃত্ব আৰু মানৱ প্ৰেম থাকে।

আজি বিশ্বত ধৰ্মনিৰপেক্ষতাৰ নামত চলিছে ধৰ্মহীনতা। নেতাসকলৰ কিছু অংশ অন্ধবিশ্বাস কু-সংস্কাৰ আদিৰ প্ৰভাৱত পৰিছে। অসমৰ উচ্চ ডিগ্ৰীধাৰী বন মন্ত্ৰীগৰাকীয়ে বন সংৰক্ষণ আৰু জীৱ-জন্তুৰ সংৰক্ষাৰ পৰিৱতে ম'হ বলি দি খাদ্য হিচাপে ব্যৱহাৰ কৰিছে। ছাত্ৰ সংগঠনৰ নেতা, চিন্তাবিদ, বুদ্ধিজীৱয়ে নিজ জাতিৰ সাহিত্য-সংস্কৃতিৰ জনক শঙ্কৰদেৱক আওকাণ কৰি তথাকথিত পাবত গজা কিছু সাধাৰণ গুণসম্পন্ন ব্যক্তিক গুৰু মানিছে। ইয়াৰ জৰিয়তে তেওঁলোকৰ চিন্তাৰ দৈন্য প্ৰকাশ পাইছে। শাসক গোষ্ঠীৰ ৰাজনৈতিক বিচাৰ বিবেচনাই সমাজত আঞ্চলিক ধৈষম্যৰ সৃষ্টি কৰিছে। ফলস্বৰূপে দেশৰ বিভিন্ন ৰাজ্যৰ এচাম যুৱক-যুৱতী উগ্ৰবাদী হৈ পৰিছে। বহু গৃহত জ্যেষ্ঠসকলৰ আচৰাণেও তৰুণচামক বিপথে পৰিচালিত কৰিছে। পিতৃ বা জেষ্ঠজনে নিচাযুক্ত দ্ৰব্য সেৱন কৰা আনহাতে সন্তানে সুৰা, ড্ৰাগছ আদি সেৱন কৰি ৰাতি পলমকৈ ঘৰ প্ৰৱেশ কৰিলেও পিতৃ তথা অভিভাৱকে চকু মুদি থকাটোৱে উশৃংখলতাক প্ৰশ্ৰয় দিয়ে। ❒

## পুৰণি আলোচনী পাতৰ মণি-মুকুতা

# য'ত ডিব্ৰু মহাবিদ্যালয় আছে

(এটি টোকা)

(ডিব্ৰু মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীবৰ্ষ সংখ্যা/১৯৮৮)

ˇমহেন্দ্ৰ নাথ গগৈ।
ৰাজনীতি বিভাগ, ডিব্ৰু কলেজ

ডিব্ৰুগড় অঞ্চলত ইতিহাসৰ অনেক কথা লুকাই আছে। কিছুমান কথা ইতিমধ্যে পোহৰলৈ আহিছে। বৰ্ত্তমানৰ ডিব্ৰুগড় চহৰৰ দক্ষিণ-পূবলৈ এটা অঞ্চল জুৰি চৌকিডিঙি চাহ বাগিচা। ইয়াৰ সাম্প্ৰতিক নাম দক্ষিণ জালান নগৰ চাহ বাগিচা ; তাৰেই দক্ষিণ-পুবত ডিব্ৰু মহাবিদ্যালয় অৱস্থিত। পূৰ্বতে এইঠাই খামটিসকলৰ বাসস্থান আছিল। তেতিয়া এইঠাইৰ নাম আছিল 'চৌকামটিং'। খামটিসকলে সেইঠাই এৰাত আৰু আন মানুহে তাত বসতি কৰিবলৈ লোৱাত পিচলৈ ঠাই খণ্ডৰ নাম চৌকিডিঙি হৈ পৰিল।

বৃটিছসকলৰ আগমনৰ লগে লগে চৌখামটিঙৰ খামটিসকল দক্ষিণ ছয়-সাত কিলোমিটাৰ নিলগলৈ আঁতৰি যায়গৈ। এতিয়াৰ যি ঠাইত খনিকৰ গাওঁ আছে তেতিয়া সেইঠাই খামটি গাওঁ বুলিহে জনা গৈছিল। বহু বুঢ়ালোকে এতিয়াও সেই গাওঁক খামটি গাওঁ বুলিয়ে কয়। তাৰো পিছত খামটি গাওঁৰ পৰা ৬/৭ কিলোমিটাৰ নিলগত থকা দিহিং নদীৰ কাষত এই খামটিসকলে কিছুকাল বসতি কৰিছিল। তাৰ চিন স্বৰূপে বৰ্ত্তমানেও দিহিং নদীৰ 'খামটি ঘাট' নামৰ ঠাই ডোখৰ পোৱা যায়। এতিয়াৰ পৰা দেড়শ-দুশমান বছৰৰ আগলৈকে খামটিসকলে এইঠাইত বসতি কৰিছিল, তাৰ পিছতহে তেওঁলোক শদিয়ালৈ উজাই যায়।

ডিব্ৰু কলেজৰ গাতে লাগি থকা অঞ্চলটো বৈৰাগী-মঠ নামে জনাজাত। এই নামৰ লগত ঐতিহাসিক কাহিনী জড়িত হৈ আছে। আহোম স্বৰ্গদেৱৰ কোপদৃষ্টিত পৰি শ্ৰী শ্ৰী কেশৱদেৱ গোস্বামী নামৰ এগৰাকী আউনিআটীয়া সত্ৰাধিকাৰ প্ৰভূৱে বৈৰাগীৰ বেশলৈ শদিয়াৰ সোণাৱাল-কছাৰীসকলৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি তাতে বৈৰাগী-মঠ নামেৰে থান-সত্ৰ পাতি আছিল। কিছুদিন যোৱাৰ পিছত গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহ স্বৰ্গদেউ যেতিয়া ৰাজপাটত বহিল তেতিয়া এইজনা স্বৰ্গদেউৱে বৈৰাগী গোঁসাই শদিয়াত থকা বুলি গম পালে আৰু তেওঁক পুনৰ সংস্থাপনৰ উদ্দেশ্যে মাতি পঠালে। গোঁসাই প্ৰভুৱে শিষ্যসকলৰ পৰা বিদায় লৈ নিজ ঠাইলৈ আহোতে বাটত এই 'বৈৰাগী-মঠ' নামৰ ঠাইতে কিছুদিন জিৰণি লৈছিলহি। এই অঞ্চলৰ ৰাইজে গোঁসাই প্ৰভুৰ ঐশ্বৰিক মাহাত্ম বুজি এই ঠাইতো শদিয়াৰ বৈৰাগী-মঠৰ এটি শাখা প্ৰতিষ্ঠা কৰিবলৈ প্ৰাৰ্থনা জনাইছিল। ভক্তবৃন্দৰ প্ৰাৰ্থনা ৰক্ষা কৰি তেৰাই ইয়াতো বৈৰাগী-মঠ এটি স্থাপন কৰে আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ ভাৰ ফেদেলা দেউৰীৰ স্বৰ্গাৰোহণৰ পিছত ভদ্ৰসেন নাজিৰ নামৰ তেওঁৰ বংশধৰ এজনে বৈৰাগী-মঠ পৰিচালনা কৰি আছিল।

ওপৰত বৰ্ণনা কৰা গোটেই আঞ্চলটোৱেই মানকটা মৌজাৰ অন্তৰ্গত। ডিব্ৰু কলেজৰ তেনেই কাষতে দক্ষিণ ফালে মানকটা গাওঁ। 'মানকটা' নামটোৰ লগতো ইতিহাসৰ এক কাহিনী লুকাই আছে। মান সৈন্যই তিনিবাৰ অসম আক্ৰমণ কৰিছিল। তৃতীয়বাৰত সিহঁতে অসমীয়া প্ৰজাৰ ওপৰত পাশৱিক অত্যাচাৰ কৰিছিল। ইতিমধ্যে পশ্চিমৰ পৰা বৃটিশসৈন্যই সিহঁতক খেদি আহিছিল। মানসেনা দিহাদিহি পলাইছিল। ডিব্ৰুগড় অঞ্চলেদি অহা কিছুমান মান সেনাক সাহসী অসমীয়া ডেকাই এই ঠাইতে কচু কটা দিছিল আৰু সিহঁতৰ শ-বোৰ কাষৰ·পুখুৰীত পেলাইছিল। সেইদিন ধৰি মানকটা গাওঁ আৰু মানকটা পুখুৰী নাম হৈ ৰ'ল। মানকটা পুখুৰীৰ ক্ষীণ অস্তিত্ব মানকটা খনীয়া গাৱঁৰ তেনেই কাষতে এতিয়াও দেখিবলৈ পোৱা যায়।

মানকটা অঞ্চলটো সোণোৱাল কছাৰী সম্প্ৰদায়ৰ লোকেৰে ভৰা। আজি-কালি অৱশ্যে বিভিন্ন সম্প্ৰদায়ৰ লোকে এই অঞ্চলত বসতি কৰিছে। ডিব্ৰুগড় চহৰৰ আশে-পাশে আৰু বহুতো পুৰণি ঠাই আছে যাৰ অন্তৰালত লুপ্ত হ'ব ধৰা বুৰঞ্জীৰ বিচিত্ৰ কাহিনী লুকাই আছে। গৱেষকসকলে অনুসন্ধান কৰিলে এই পুৰণি অঞ্চলটোৰ বহুতো তথ্য উদ্ধাৰ কৰিব পাৰিব। ❒

# “অদ্ভূত জুই—ধনগুলৈ”

(৫ম সংখ্যা, ১৯৭৭-৭৮ বৰ্ষ)

**শ্ৰী বিপিন চন্দ্ৰ সন্দিকৈ।**
*প্ৰাক-স্নাতক মহলা ২য় বাৰ্ষিক (বিজ্ঞান শাখা)*

ধৰিলওক, নিৰ্ব্বাচনী সময়। প্ৰচাৰ কাৰ্য্য অতি তীব্ৰগতিত চলিব ধৰিছে। নিৰ্ব্বাচনৰ নিচেই কাষ চাপি আহিছে। নিৰ্ব্বাচনৰ বতাহে কোৰাই আপোনাক নিজকে আপোন পাহৰা কৰি তুলিছে। আপুনি হয়তো পাটিত পৰি নিৰ্ব্বাচনৰ প্ৰচাৰৰ বাবে গাৱেঁ ভূঞে প্ৰচাৰ অভিযান চলাই যাব ধৰিছে। হঠাৎ এদিন এনেদৰে নিৰ্ব্বাচনৰ বাবে প্ৰচাৰ চলাই ঘূৰি থাকোতে সময়ৰ কোনো মূল্য নুবুজি সঙ্গত পৰি ঘূৰিব লাগিছে। হঠাৎ আপোনাৰ কোনোবা এঘৰত মাছে মঙহে পাটি খাই থাকোতে নিশা প্ৰায় চাৰে এঘাৰ বাজিল। আপুনি ঘৰলৈও নিশ্চয় ঘূৰি আহিবই লাগিব। ঘৰৰ মাইকী মানুহে ঘৰত অকলে থাকিবলৈও ভয় কৰে। যিহে ঠাই ভূত-প্ৰেতৰ এক আবাস ভূমি। গৃহিণীৰ কথা চিন্তা কৰিয়েই ঘৰলৈ ঘূৰি আহিবই লাগিব। আপোনাৰ সঙ্গৰ লগত দুই এষাৰ ভূত-প্ৰেতৰ কথাও ওলাল। সেই গাৱঁৰ মাজৰ নিস্তব্ধ ঠাইডোখৰৰ ভূত-প্ৰেতৰ বাসস্থানৰ ঘাটিটোলৈ চাইকেল চলাই আহিলে বোলে চাইকেলৰ কেৰিয়াৰত ধৰি বহুজনক ধৰি ৰাখিবলৈ চেষ্টা কৰাৰ কথা। বহুতে কব ধৰিলে যে, সেই ঠাইডোখৰত বোলে চাইকেলৰ কেৰিয়াৰ ধৰি বহুজনক ধৰি ৰাখিবলৈ চেষ্টা কৰাৰ কথা । বহুতে কব ধৰিলে যে, সেইঠাইডোখৰত বোলে চাইকেল চলাই গলে কেৰিয়াৰত ক'লা মেকুৰী এটাই কেতিয়াবা কেতিয়াবা কাৰোবাৰ কেৰিয়াৰত বহি লয়। কেতিয়াবা কেতিয়াবা বোলে বৰ ওখ বগা ঘোঁৰা এটা হৈ আগে আগে দৌৰ লগাব ধৰে। তাতে আকৌ হঠাৎ জুইৰ উৎপন্ন কৰি চাইকেল আৰোহীৰ আগত দপদপ কৈ জ্বলি উঠে। সি আকৌ পুনৰ নাইকিয়া হৈ যায়। আপুনি ঘৰৰ কথা মনত পৰাত সঙ্গ এৰি সেই ভূত-প্ৰেতৰ কথা পাহৰি সেই নিজান নিস্তব্ধ আলিয়েদি বাৰ বজাতো ঘৰলৈ আহিব ওলাল। সেই নিজান নিস্তব্ধ ঠাইৰ দূৰত্ব প্ৰায় দেৰ কিলোমিটাৰ। লগত কোনো বন্ধু বান্ধৱ নাই, তাতে আকৌ নিশা কোনোবা বাগানৰ চকিদাৰে বাৰটাৰ কোব মাৰিছে। জন প্ৰাণীহীন। আপুনি আহি আছে চাইকেলত। হঠাৎ চাইকেলৰ চেইন পৰিল। লাহে লাহে ঠেলিব আৰম্ভ কৰিছে। উপায় নাই, বহুবাৰ চেষ্টা কৰিও আপুনি চেইনডাল উঠাব নোৱাৰিলে। এনে মূহুৰ্তত আপোনাৰ আগত দপদপ কৈ জ্বলি উঠা জুই কুৰা। হঠাৎ অদৃশ্য। তাত আছে অন্ধকাৰময় হাবি, পিটনি ও মৰিশালি। আপোনাৰ বাৰু কেনে লাগিব ? আপুনি হয়তো পাহৰি যাব সেইনিৰ্ব্বাচনৰ প্ৰচাৰ কাৰ্য্যৰ বিষয়ে আৰু মনত পৰিব কিয় বাৰু এই নিশাখন এনে বেমেজালিত সোমাই পৰিলোঁ। ভয়ত হয়তো পেপুৱা লাগিব। বাৰু যিকিয়েই নহওঁক চাইকেলৰ কেৰিয়াৰত বহা ক'লামেকুৰী আৰু আগে আগে দৌৰা বগা ঘোঁৰাৰ কথা বাদদি আপোনাৰ আগত দেখা দিয় ক্ষন্তেকীয়া জুইকুৰাৰ কথা। কিয় তাতে জানো নিজান নিশাত সেই ভূত-প্ৰেতৰ জুইৰ আবিৰ্ভাৱ নহয় ?

প্ৰকৃততে এই জুই কোনো ভূত-প্ৰেতৰ লগৰীয়া নহয়। ইয়াক আমি ভূত-প্ৰেত আদি আখ্যা দিলে ভুল কৰা হব, কিয়নো ই বিজ্ঞানসন্মত পাৰমানৱিক যুগততো ভূত-প্ৰেতৰ কথা তেনেই অবিশ্বাস। আনহাতে ই তেনে কোনো বীভৎস ৰূপদাতা নহয় বুলি কলেই আলোচনা অন্তনপৰে। যদিহে ই সচাঁকৈয়ে ভূত-প্ৰেত আদি নহয়, তেন্তে ই কি ? আকৌ ইয়াৰ অৱস্থানেই বা সেই ঠাইবোৰত বহলগীয়া হ'ল কিয় ?

মৰিশালীত মৰাশ' আৰু নৰ্দ্দমা, পিটনিত পেলোৱা জা-জাবৰ আদি ইয়াৰ বাবে দায়ী বুলি কলে বোধহয় বঢ়াই কোৱা নহ'ব। মৃতদেহ আৰু গেলা জা-জাবৰত কম-বেছি পৰিমাণে নাইট্ৰজেন, ফচ্ ফৰাচ আৰু সামান্য পৰিমাণে এঙাৰৰ উপাদনো থাকে ; কাৰণ নাইট্ৰজেন আৰু ফচফৰাচে উদ্ভিদ আৰু প্ৰাণী দেহৰ ঘাই উপাদান। কিন্তু উদ্ভিদ আৰু প্ৰাণীয়ে নাইট্ৰজেন আৰু ফচ্ফৰাচ বিভিন্ন পদ্ধতিৰে আহৰণ কৰে।

দেখা যায় যে, প্ৰাণীয়ে নাইট্ৰজেন পোনপটীয়া ভাৱে গ্ৰহণ কৰিব নোৱাৰা। প্ৰাণীয় আকৌ যি ভাগ নাইট্ৰজেন পাই সেয়া হ'ল উদ্ভিদ সঞ্চিত হৈ থকা নাইট্ৰজেনহে। কিন্তু কথা হ'ল উদ্ভিদ দেহৰ পৰা প্ৰাণী দেহলৈ ই আহিল কেনেকৈ ? কাৰণ আমি জানোঁ যে প্ৰাণীয়ে পোনপটীয়া ভাৱে বায়ুমণ্ডলৰ পৰা নাইট্ৰজেন গ্ৰহণ কৰিব নোৱাৰে।

এতিয়া আহো উদ্ভিদে বায়ুমণ্ডলৰ পৰা কেনেকৈ নাইট্ৰজেন গ্ৰহণ কৰে আৰু প্ৰাণীয়েই বা

কথালৈ। মেঘাচ্ছান্ন আকাশত যেতিয়া বিজুলী উদ্ভৱ হয় তেতিয়া বায়ুমণ্ডলৰ নাইট্ৰজেন আৰু অম্লজান পৰস্পৰে লগ লাগি এটা যৌগ প্ৰস্তুত কৰে। তাক নাইট্ৰিক অক্সাইড বোলা হয়। ই প্ৰস্তুত হোৱাৰ লগে লগেই বায়ুমণ্ডলৰ অতিৰিক্ত অম্লজানৰ লগত ক্ৰিয়া কৰি নাইট্ৰজেন ডাইক্সাইত প্ৰস্তুত কৰে। এই সদ্য প্ৰস্তুত নাইট্ৰ'জেন ডাইক্সাইডে বৰষুণৰ পানীৰ লগত ক্ৰিয়া কৰি নাইট্ৰিক এচিড মিশ্ৰিত পানী মাটিত পৰি, মাটিত থকা অজৈৱ লৱনৰ লগত ক্ৰিয়া কৰি নাইট্ৰ'ত প্ৰস্তুত কৰে। এনেকৈয়ে নাইট্ৰ'জেনৰ উপাদান নাইট্ৰেত মাটিৰ লগত মিহলি হয়। আকৌ আমি জানোঁ যে নাইট্ৰেতোবৰ পানীত পমে আৰু উদ্ভিদে আস্ৰৱন প্ৰথাৰে তাকে গ্ৰহণ কৰি নিজৰ শ্ৰীবৃদ্ধি সাধন কৰে। ইয়াক ৰাসায়ণিক সমীকৰণেৰে প্ৰকাশ কৰিলে এনে হয়– $N_2 + O_2 = 2NO$, $2NO + O_2 = 2NO_2$, $3NO_2 + H2O = 2HNO_3 + NO$।

এই পদ্ধতিৰে উদ্ভিদে নাইট্ৰেটৰ পৰা নাইট্ৰজেন গ্ৰহণ কৰাৰ লগতে প্ৰোটিন আদি জৈৱ পদাৰ্থ প্ৰস্তুত কৰে। ইয়াৰ দ্বাৰাই প্ৰমাণ হ'ল যে উদ্ভিদত নাইট্ৰেট থাকে। আমি জানোঁ যে, খাদ্য সম্পৰ্কত প্ৰাণীজগত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱেই হওঁক উদ্ভিদৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল। কিয়নো উদ্ভিদ ভোজী প্ৰাণী আমি মানুহবোৰ সদায় ধান, গম, যব আদি শষ্যৰ পৰা উৎপন্ন হোৱা খাদ্য সামগ্ৰী খাও। আনহাতে আকৌ এই উল্লিখিত খাদ্যবোৰত নাইট্ৰ'জেন, ফচ্ফৰাচ আৰু এঙাৰৰ উপাদান কম বেছি পৰিমাণে কৰে।

আকৌ, যেনেকৈ উদ্ভিদে বায়ুমণ্ডলৰ নাইট্ৰজেন পোনপটীয়াকৈ গ্ৰহণ কৰিব নোৱাৰে থিক তেনেকৈ ফচ্ফৰাচেও নোৱাৰে কিন্তু এঙাৰ গেছৰ বেলিকা তেনেই বিপৰীত। কিয়নো উদ্ভিদৰ এঙাৰ আত্মীয়কৰণ বোলা কথা এষাৰ আছে। আনি জানোঁ যে খাৰুৱা মাটিৰ এটা উপাদান হ'ল কেলচিয়াম মাটিৰ এটা উপাদান হ'ল কেলচিয়াম ফচ্ফেট। এই ফচ্ফেট লোণ মাটিত থকা পানী ভাগত দ্ৰৱিত হয় আৰু উদ্ভিদৰ শিপাই পানীৰ লগত ইয়াক শোষণ কৰি নিজৰ পুষ্টি সাধনৰ লগতে শ্ৰীবৃদ্ধি ঘটায়।

কেৱল উদ্ভিদভোজী প্ৰাণী দেহতেই যে নাইট্ৰ'জেন আৰু ফচ্ফৰাচৰ উপাদান থাকে এনে নহয়। মাংসাহাৰী প্ৰাণী সিংহ, বাঘ আদি প্ৰাণীৰ দেহতো এই উপাদান সমূহ থাকে। সাধাৰণতে মাংসাহাৰী প্ৰাণীয়ে উদ্ভিদভোজী প্ৰাণীৰ মাংস খাই নাইট্ৰজেন আৰু ফচ্ফৰাচৰ উপাদান সমূহ আহৰণ কৰে। কিন্তু এই কথা সকলোৰে বিদিত যে প্ৰাণীৰ মলমূত্ৰত এই নাইট্ৰজেনৰ এক অংশ ইউৰিয়া স্বৰূপে বাহিৰ হয়। আকৌ ইউৰিয়াই পানীৰ লগত ক্ৰিয়া কৰি এমোনিয়া আৰু এঙাৰ গেচলৈ পৰিণত হয়।

$CO(NO_2) + H_2O = 2NH_3 + CO_2$ ইয়াৰ উপৰিও প্ৰাণী বা উদ্ভিদ দেহ পচিলে সিহঁতৰ দেহত থকা মাংসসাৰ নাইট্ৰজেন ও ফচ্ফেট ভাগ ৰাসায়নিক ক্ৰিয়াৰে এমোনিয়া আৰু ফচ্ফিন আদিলৈ পৰিণত হয়। এই কাৰণেই মৰিশালী, নৰ্দ্দমা, পিটনিত এমোনিয়া আৰু ফচ্ফিনৰ অৱস্থিতি সম্ভৱপৰ হৈছে। ইয়াৰ পৰাই প্ৰমাণ হ'ল যে, মৰিশালীৰ মৃত প্ৰাণীৰ দেহ পচি, আৰু নৰ্দ্দমা পিটনিৰ বন-জাবৰ আদি উদ্ভিদবোৰ গেলি পচি এই উক্ত গেচ সমূহ প্ৰস্তুত হয়। ইয়াৰ উপৰিও এই উক্ত স্থানবোৰত এই গেছ দুটাৰ বাহিৰেও মাৰ্শ্ব বা মিথেন ($CH_4$) গেছ থাকে।

এতিয়া কথা হ'ল এই স্থানবোৰত এন্ধাৰ নিশা সেই জুইৰ আবিৰ্ভাব হ'ল কেনেকৈ ? আমি জানোঁ যে বায়ুমণ্ডলত আম্লজানৰ পৰিমাণ নাইট্ৰজেনৰ ঠিক পিচতেই। আয়তন হিচাবে অম্লজানৰ পৰিমাণ ২১.০০% আৰু নাইট্ৰজেনৰ পৰিমাণ ৭৪.০৩% হে। গতিকে মৰিশালী আৰু নৰ্দ্দমা বা পিটনিবোৰত অম্লজানো থাকে। এই অম্লজানৰ সংস্পৰ্শত এমোনিয়া, মিথেন, ফচ্ফিন আদি গেচ সমূহ আহিলে জ্বলি উঠে। এই ক্ৰিয়াত তাপো উদ্ভৱ হয়। গতিকে ই মানুহৰ কৰণে সচাঁকৈ ক্ষতিকৰ।

$4NH3 + 5O2 = 6H2O + 4HO$

$2PH3 + 4O2 = P2 O 5 + 3H2O$

$CH4 + 2O2 = CO2 + 2H2O$

আমাৰ ভাষাত এই জুই কুৰাক ধনগুলৈ বিলু কোৱা হয়। বোধ হয় এই শব্দৰ নিশ্চয় স্বকীয় কিবা বৈশিষ্ট আছে।

কিন্তু সকলো স্থানতে এমোনিয়া ফচ্ফিন, মিথেন আদি গেচ সমূহ অম্লজানৰ লগত লগ নালাগে। কাৰণ নিৰ্দ্দিষ্ট অনুপাত আৰু নিৰ্দ্দিষ্ট তাপৰ ওপৰতহে এই ক্ৰিয়াটো সম্ভৱপৰ। আৰু সেই কাৰণেই এই জুইকুৰা অনবৰতে জ্বলি নাথাকি এটা অনিৰ্দ্দিষ্ট সময়ৰ ব্যৱধানত জ্বলি উঠে। বায়ু প্ৰবাহৰ কাৰণে এই সেঁতা জুই কুৰা (যাক আমি ধনগুলৈ বোলো) স্থিৰে নাথাকি অনবৰত ঘূৰি ফুৰে। এই জুই কুৰা মাটিৰ ওপৰত ঘূৰি ফুৰাৰ কাৰণ এইটোৱেই যে এমোনিয়া, মিথেন, ফচ্ফিন আদি এই গেচ সমূহ বায়ুতকৈ কিছু গধূৰ ; এই গতিকে এইবোৰৰ স্থিতি ধৰাতলৰ ওপৰত সম্ভৱপৰ হৈছে।

এটি আলোচনা

# ॥ পণ্ডিত আনন্দৰাম বৰুৱা আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থান ॥

ভবেন ভট্টাচাৰ্য্য।
*অধ্যাপক সংস্কৃত বিভাগ।*

উনবিংশ শতিকাৰ আৰম্ভণিতে প্ৰাগজ্যোতিষ পুৰ সম্ভৱঃ বুলি যিজনে সগৌৰবেৰে অসমী আইৰ নাম জগতত চিৰ উজ্বল কৰি থৈ গৈছিল, তেখেত আছিল সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত আনন্দৰাম বৰুৱা; যাৰ জীৱন বন্তি কেৱল আঙুলিৰ মূৰত লিখিব পৰা কেইটিমান বছৰৰ কাৰণেহে প্ৰজ্বলিত হৈ আছিল। প্ৰায় একে সময়তেই ভাৰতী আইৰ বুকুত কেইবাজনো পণ্ডিতৰ আৰ্বিভূত হৈছিল। তেখেতসকল আছিল স্বামী দয়ানন্দ সৰস্বতী, পণ্ডিত ইন্দ্ৰজিত ভৱানী, আৰু চাৰ ৰাম কৃষ্ণ গোপাল ভাণ্ডাৰকৰ। কিন্তু বৰুৱা ডাঙৰীয়াকেই এই সকলোৰে ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি আখ্যা দিয়া হয়।

ভাৰতৰ প্ৰাক্ স্বাধীনতাৰ সময়তো গধুৰ দায়িত্বৰ বোজা মূৰত লৈয়ো এইজন ব্যক্তিয়ে নিজৰ কাৰ্য্যদক্ষতাৰে চাৰ্চা কৰিছিল। সেয়েহে তেখেতে কৈছিল- To me Sanskrit is dearer than any other language, its music has charms which no words can express. Its capability of representing every from of human thought in most apropriate language is probably not rivalled, certainly not surppased any other language," এয়েই আছিল সংস্কৃতৰ প্ৰতি তেওঁৰ ধাউতি।

বৈবাহিক জীৱন যাপন কৰিলে কিজানি এই চৰ্চাৰ পথত অন্তৰায় হ'ব বুলি চিন্তা কৰিয়েই তেওঁ আনকি বিবাহ বন্ধনতো আবদ্ধ হোৱা নাছিল। কেৱল কোনোলোকে তেনে কথা কলেই তেওঁ কিতাপৰ আলমাৰীটো আঙুলিয়াই দি কৈছিল—

পশ্য পশ্য প্ৰিয়াং ভাৰ্য্যাং মম কল্যাণ কাৰিনীম্। সহ চিত্ৰিত বস্ত্ৰেণ দাৰুপেটক বাসিনীম্॥

অৰ্থাৎ চিত্ৰ বিচিত্ৰ কাপোৰেৰে আগুৰি আলমাৰীত থকা মোৰ শুভাকাঙ্খী প্ৰিয়ালৈ চাওঁক বিয়েই মোৰ শক্তি আৰু মনোযোগ অনুক্ষণে বিচাৰি আছে। এনেবিলাক উক্তিতেই তেওঁযে সংস্কৃত ভাষাক প্ৰাণভৰি ভাল পাইছিল, তাকেই প্ৰতিপন্ন কৰে। সেইসময়ত ইয়াৰ প্ৰতি অৱহেলা কৰি পৰদেশী ভাষা অতি আদৰৰ চকুৰে চোৱাৰ কাৰণে তেওঁৰ দুখ পাইছিল আৰু প্ৰতিজন ভাৰত বাসীকেই সকিয়াই দি কৈছিল। "I hope the day is not distant when our countryman will care more for our home literature then now do for shankespear and Bacon, for Addison ond Johnson."

সংস্কৃত সাহিত্যৰ আকাশত ভুমুকি মাৰিয়েই বৰুৱাদেৱে নিচেই চুটী জীৱনত যি খিনি কাম কৰি গ'ল সেইকথা ভাবিলে আচৰিত নহৈ নোৱাৰি। ভাব হয় তেওঁ যেন সৰস্বতী দেৱীৰ প্ৰতিভূ হিচাবেহে জন্ম ধাৰণ কৰিছিল। তেখেতে কেৱল এই ক্ষেত্ৰত বাৰ বছৰ মানহে সময় পাইছিল; কিন্তু কম সময়ৰ ভিতৰত গুণ আৰু পৰিমাণ হিচাবে যিখিনি লিখি গ'ল ভাবিলে অত্যাশ্চাৰ্য্য যেন লাগে। তেখেতৰ লিখনিৰ ভিতৰত ইংলিছ সংস্কৃত অভিধানখন এখন আপুৰুগীয়া গ্ৰন্থ। বিখ্যাত পাশ্চাত্য লিখক মনিয়'ত উইলিয়ামৰ ইং-সংস্কৃত অভিধানৰ পিছত বৰুৱাদেৱৰ গ্ৰন্থখনেই আছিল সুদীৰ্ঘ পচিশটা বছৰৰ পিছত দ্বিতীয় গ্ৰন্থ আৰু ভাৰতীয় লোক হিচাবে বৈজ্ঞানিক সন্মত হিচাবে লিখা প্ৰথম গ্ৰন্থ। এই অভিধানখন তেখেতে তিনিটা খণ্ডত লিখি প্ৰকাশ কৰি উলিয়ায়। ১৮৭৭ৰ পৰা ১৮৮০ চনৰ ভিতৰত। এই গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াই বৰুৱাদেৱে পণ্ডিত সকলৰ পৰা (ভাৰতীয় আৰু বিদেশী) আৰু তদানীন্তন ভাৰতৰ বৰলাট নৰ্থব্ৰুক জাৰ্মান দেশীয় সংস্কৃতৰ বিদগ্ধ পণ্ডিত অধ্যাপক এফ, মেক্সমূলাৰ ডাঙৰীয়াৰ পৰা ভূয়সী প্ৰশংসা আৰ্জন কৰে। এই অভিধান খনিৰে দ্বিতীয় আৰু তৃতীয় খণ্ডৰ পৰিপূৰক হিচাবে তেখেতে আৰু দুখন গ্ৰহ প্ৰণয়ণ কৰিছিল—"উচ্চ সংস্কৃত ব্যাকৰণ আৰু পুৰণি ভুগোল"(Hegher Sanskrit Grammer and Ancient Geography of India)। বৰুৱাদেৱৰ ...

পুনাৰ শব্দ বিজ্ঞানবিদ পণ্ডিত ভি, এচ, আপ্তে ডাঙৰীয়াই এইদৰে মন্তব্য দিছিল— "Boruah's work contrasting it with that of Moier Williams; it abounds in quotations from several standard authors, the sendering are generally happy. A study of Boruah's work is a good treat for an advanced Sanskrit Scholar." বৰুৱা ডাঙৰীয়াই ইংৰাজী শব্দ বিলাকৰ লগত সংস্কৃত ভাষাক সমপৰ্য্যায়ৰ শব্দলৈ নিছিল আৰু তাৰ অভিধানিক অৰ্থও বিজ্ঞান সন্মত ভাবে সংস্কৃত ভাষাৰ বিভিন্ন গ্ৰন্থত ব্যৱহৃত হোৱা বাক্য আদিৰ উদ্ধৃতি দি সকলোৱে বুজিব পৰাকৈ ব্যাখ্যা কৰি দিছিল এনেকুৱা ধৰণৰ অতি কঠিন কাম একোটাও তেখেতে লৌকিক সংস্কৃত আৰু ইংৰাজী ভাষাৰ জতুৱা ঠাঁচ (idom)আদি প্ৰয়োগৰ ক্ষেত্ৰতো সিদ্ধহস্ত আছিল। তেখেতে অকল সংস্কৃততেই নহয় ইংৰাজীতো তেওঁৰ পাণ্ডিত্যতা প্ৰকাশ পাইছিল।

এই অভিদানৰ পিছতেই বৰুৱা দেৱৰ নিজৰ ভায়েক জানকীৰামৰ নামাকৰণেৰে ভাষ্য লিখি নাট্যকাৰ ভৱভূতিৰ মহাবীৰ চৰিত্ৰ নাটকৰ এটি সংকলন সম্পাদনা কৰি উলিয়াই। বৰুৱা দেৱৰ এই ভাষ্য অতি সৰল আৰু সুন্দৰ সংস্কৃত ভাষাত লিখা যাতে সকলোৱে ইয়াৰ অৰ্থ বোধ গম্য হয়। এই নাটকখনৰ প্ৰতি অঙ্কৰ শেষত তেখেতে নিজৰ জীৱন চৰিত্ৰৰ কিছুমান সুন্দৰ সুন্দৰ শ্লোক অতি সাৱলীল ভাষাৰে ৰচনা কৰিছিল। ইয়াতেই তেখেতৰ কবিত্ব শক্তিৰো প্ৰকাশ দেখিবলৈ পোৱা যায়।

প্ৰথমং শৈব কাঠায়াং নগৰে শিৱসাগৰে। নদনু নসিৰা বাদে দ্বিভাগে বাসবাবিতে॥ ততশ্চ দিশি কৌবৰ্য্যায়াৰাজ ৰাজলক্ষিতে। মহাবীৰ চৰিত্ৰৰ শেষ অঙ্কত তেখেতে এনেদৰে লিখি গৈছে—

অধুনা মধ্যমে ভাগে বৰ্দ্ধমানাভিধ পুৰে। দৃষ্টেন ৰাজকাৰ্য্যানি বঙ্গ শাসৰ্ক শাসনাত। সমলো বিষমৈঃ শ্লোকৈঃ যঠোক্তো বিমলীকৃতঃ॥

ইয়াৰ আগতে তুলনাত্মক আকলোচনাৰে সংস্কৃত লিখক সকলৰ প্ৰকাশিত কাৰ্য্যসমূহ সাহিত্যৰ ৰীতি-নীতিৰে সমালোচনা কৰি, ইয়াৰ মূল্য নিৰ্ণয় কৰা হোৱা নাছিল। বৰুৱাদেৱৰ এই কাৰ্য্যই সংস্কৃত সাহিত্যৰ বুকুত সমালোচনাৰ নতুন যুগৰ সূত্ৰপাট ঘটাই আৰু লিখক সকলৰ কাৰ্য্যসমূহ চালিজাৰি চাই উপযুক্ততাৰ মাননিৰ্ণয় কৰাত নতুন পথৰ সন্ধান দি যায়। বৰুৱাদেৱৰ সমালোচনা মূলক এই গ্ৰন্থখনিও সংস্কৃত সাহিত্য অতুলনীয় অৱদান, ইয়ো বৰুৱাদেৱক সংস্কৃত সাহিত্য এক বিশিষ্ট স্থান প্ৰদান কৰাত ইন্ধন যোগাইছে। বিখ্যাত নাট্যকাৰ শুদ্ৰকৰ পিছতেই সংস্কৃত সাহিত্যত নিজৰ জীৱন চৰিত্ৰৰ বিষয়ে সম্ভেদ দি যোৱা লিখকৰ নামৰ উল্লেখ নাই বুলিয়েই কব পৰা যায়। কিন্তু বৰুৱাদেৱে ইয়াৰ ব্যতিক্ৰম কৰি যায়।

ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থানো বৰুৱাদেৱৰ অন্য এক জটিল সুগভীৰ চিন্তাৰ গ্ৰন্থ। ইয়াত তেখেতে নাট্যকাৰ হিচাবে ভৱভূতি আৰু তেওঁৰ সমসাময়িক নাট্যকাৰ সকলৰ তুলনামূলক আলোচনা এটি ডাঙি ধৰি নাট্যকাৰ ভৱভূতিৰ স্থান কিয় সবাতোকৈ উচ্চ তাৰ কাৰণ দৰ্শাইছে। কলিকতা বিশ্ববিদ্যালয়ৰ নিম্ন-স্নাতক ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণেও তেখেতে এফ, এ আৰু বি, এ মহলাৰ সংস্কৃত সাহিত্যৰ ওপৰত এখনি সহায়িকা পুথি লিখি উলিয়াইছিল। এই কিতাপখনি আকাৰত সৰু হলেও সংস্কৃত প্ৰেমী ছাত্ৰ-ছাত্ৰীৰ অমূল্য সম্পদ আছিল। তেখেতৰ ব্যাখ্যা সমূহ নাতিদীৰ্ঘ কিন্তু সংকেত সূচক আছিল।

নানাৰ্থ সংগ্ৰহ নামৰ গ্ৰন্থ খনতো বৰুৱা দেৱে অশেষ কষ্ট স্বীকাৰ কৰি দেশৰ বিভিন্ন ঠাইত ঘূৰিপকি আৰু পূৰ্বৰ বহুতো শব্দ বিজ্ঞান বিদৰ নামৰ উদ্ধৃতিৰে সৈতে বৰ্ণমালাৰ ক্ৰম অনুসাৰে সজাই সংস্কৃত শব্দ বিলাকৰ বিস্তৃত অৰ্থ নিৰ্ণয় কৰি দিছিল। ইয়াত তেখেত তুলনামূলক আলোচনাৰে নিজৰ অভিমত ব্যক্ত কৰিছিল। এনে কৰিবলৈ যাওঁতে তেখেতে পূৰ্বৰ সাতজনমান অভিধান লিখকৰ সহায় লৈছিল— তেওঁলোক আছিল অমৰসিংহ, হাহে শ্বৰ, হেমচন্দ্ৰ, হলায়ুধ, পুৰুষোত্তমদেৱ, হাৰাৱলী আৰু মেদিনীকাৰ।

সৰস্বতী কন্ঠাভৰণ নামৰ আলঙ্কাৰিক শাস্ত্ৰ খনৰ এটি সংকলন তেখেতে সম্পাদনা কৰি উলিয়াই। ইয়াত বৰুৱাদেৱে অন্যান্য আলঙ্কাৰিক শাস্ত্ৰৰ তুলনাত্মক আকলোচনাৰে নিজস্ব অভিমত ব্যক্ত কৰিছিল।

ক্ষীৰ স্বামীৰ টিপ্পনীসহ অমৰসিংহৰ 'নামলিঙ্গানু শাসনম্' নামৰ গ্ৰন্থখনিও বৰুৱাদেৱে সম্পাদনা কৰি উলিয়াইছিল। এই

কাম সম্পন্ন কৰিবলৈ তেখেতে হস্তলিখিত অমৰকোষখনৰ বিভিন্ন লিখকে লিখা টিপ্পনী ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে বিচাৰি চলাথ কৰি অশেষ কষ্টও ভূগিবলগীয়া হৈছিল। অধ্যাপক মেক্সমূলাৰ ডাঙৰীয়াই এই কিতাপখনিৰ ওপৰত এইবুলি অভিমত দিছিল– “It does you very great honour” ইয়াৰোপৰিও ১৮৮৭ চনৰ ইণ্ডিয়ান স্পেকটেতৰ নামৰ ইংৰাজী কাকত এখনেও বৰুৱা দেৰৰ সম্পাদিত এই গ্ৰন্থখনিৰ ওপৰত এইদৰে মন্তব্য কৰিছিল- — (We cannot too much admire the imense in dustry which Mr. Boruah has brought to bear on this Magnum opns of the immortal Amara.")

তেখেতে সংকলন কৰি উলিয়াবলৈ লোৱা সংস্কৃত ভাষাৰ বিস্তৰিত জটিল, বিশ্লেষণ আৰু বুৰঞ্জীমূলক ব্যাকৰণ খনিয়েই সৰ্ব্ববৃহৎ। ইয়াক বৰুৱাদেৱে বাৰটা খণ্ড লিখি প্ৰতিখণ্ডতেই এক হাজাৰ পৃষ্ঠাৰে পূৰ্ণ কৰি প্ৰকাশ কৰিবলৈ থিৰাং কৰিছিল। বৰুৱাদেৱে ইয়াৰ দ্বাৰা সংস্কৃত ব্যাকৰণৰ সূত্ৰবোৰ যিমান পাৰে সিমান সৰলিকৰণ কৰি সিহঁতৰ ঐতিহাসিক উদ্ভৱ আৰু আধুনিক আৰু পৌৰাণিক সাহিত্যত ইয়াৰ প্ৰয়োগ আৰু বেদৰ ওপৰত এটি বিশদ ব্যাখ্যা লিখিবলৈ মনস্থ কৰিছিল। এনে উদ্দেশ্য সাৰোগত কৰি তেখেতে ১৮৮২ চনত দশমখণ্ড নাম দি ছন্দ শাস্ত্ৰ নামে এখনি গ্ৰন্থ প্ৰকাশ কৰে। ইয়াৰ পিছত ১৮৮৩ চনত ইয়াৰ তৃতীয় খণ্ড প্ৰকাশ কৰে। এনে অসম্ভৱ কাম কৰিবলৈ লোৱা দেখি অধ্যাপক মেক্সমূলাৰে বৰুৱাদেৱলৈ লিখিছিল– (I confess I felt almost over whelmed by the grandeur of, if only you carry out some portion of it, you will have done a very use ful work. It is a great undertaking and will require for its compection a long life, a longer purse and long patience.) কিন্তু দুখৰ বিষয় এই দুঃসাধ্য কামৰ অৰ্দ্ধ সমাপ্ত হোৱাৰ পূৰ্বেই এই মহান পণ্ডিত জনে পৃথিৱীৰ পণ্ডিতসকলক কন্দুৱাই চিৰবিদায় মাগিলে। তেখেতৰ মৃত্যুত ১৮৮৯ চনৰ ২১ জানুৱাৰী তাৰিখে হিন্দু পেট্ৰীয়ত নামেৰে কাকতখনে এইদৰে মন্তব্য দিছিল– “We deeply regreat to announce the death of Mr. Ananda Ram Boruah C.S. He was highly cultured man and his scholartic attainments were need known through the country."

চাৰ গুৰুদাস বানাৰ্জ্জী ডাঙৰীয়াই বৰুৱাদেৱৰ মৃত্যুত তেওঁৰ ‘A nation in Making’ নামৰ গ্ৰন্থত (১৯৩১ চনত) এইদৰে কৈছিল–“Among the Indian candidates who competed with us for the indian Civil Service in 1869 was another remarkable man whose early death deprived the world of a Sanskrit Scholar of great pro mise I mean Ananda Ram Boruah.”

সংস্কৃত ভাষাক পুনৰুজ্জীবিত কৰাৰ ক্ষেত্ৰত বৰুৱাদেৱ আছিল সকলোৰে ভিতৰত অগ্ৰগণ্য। সংস্কৃত সাহিত্য আৰু ভাষা যাতে বিস্তাৰিত হয় এইয়ে আছিল তেওঁৰ জীৱনৰ লক্ষ্য।

কেইখনমান গ্ৰন্থৰ ওপৰত তেখেতে দিয়া ব্যাখ্যা আৰু টিপ্পনিয়ে সংস্কৃত সাহিত্যত আদ্বিতীয়, বিশেষকৈ ভবভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থান, তেখেতৰ অমৰ লিখনিৰ পৰা ওলোৱা এক চিন্তা গধুৰ গ্ৰন্থ।

সংস্কৃত ব্যাকৰণৰ সূত্ৰ সমূহ সৰলীকৰণ কৰি লিখি এই ভাষা জনপ্ৰিয় কৰি তুলিবলৈ প্ৰচেষ্টা সমূহ আদিৰ বাবেও তেখেতৰ স্থান সংস্কৃত সাহিত্যত অতি উচ্চ।



# “ডিব্ৰুগড় দেখিছা”?

লীলাকান্ত গগৈ।

ডিব্ৰুগড় দেখিছা ?
নাই দেখা কেতিয়াও
মই হলে নিৰুপমা দেখিছো এবাৰ ;
লাখ লাখ বৰমাখি
মৰণৰ ছবি আঁকি
ভেন্ ভেন্ উৰি ফূৰে দোকান-পোহাৰ।
দেখিছানে কেতিয়াবা
ফঁপৰাৰ শোভা যাত্ৰা
গোটেই গাতেই নোম এডালো-নোহোৱা
আৰু বাৰু দেখিছানে
গৰু-গায়ে ৰংমনে
‘ফুট পাথ’ৰ মাজে মাজে নিভয়ে জিৰোৱা।
আধূনিকা পৰীহঁতে
জাকে জাকে উৰা মাৰে
নিজ নিজ ৰূপ-শোভা যায় দেখুৱাই,
সকলোটি একেলগে
মিলি-জূলি ৰংমনে
দোকানে দোকানে ফূৰে হাইহিল চাই।
পাউদাৰ দ’ম দ’ম
কোনটোনো বাচি লম
অচিনাকি অচিনাকি চিনাকি দোকানী,
খোপাবোৰ কিংনা চুলি
ভাব হয় সঁচা বূলি
থাকিব নোৱাৰে তাত পিজলা ওকণি
ৰীনা, বীনা, ৰুণু, অনু
ৰিভা, ইভা, চিনু, বিনূ-চপলা
উষা, মায়া, বনলতা মন্দিৰা;
শুনিছানে কেতিয়াবা ?
ছোৱালীৰ নাম এয়া ?
এক, দূই, বাইশ তেইশ বয়সে আচোৰা
দোকানৰ কাষত গৈ
কোনোবাই খপি ৰৈ
সাপযেন বেনীবোৰ কেৰাহিকৈ চায় ;
তাতোকৈ লাজ লগা
মাজ বাটে কেতিয়াবা
বিৰহীয়ে হাতখূলি দূঁচকীয়াত যায়।
তুমি হয়তো দেখা নাই
তুমি হয়তো শুনা নাই
হেৰা মোৰ জীৱনৰ প্ৰিয়া ;
আহা তেনে আজিয়েই
ডিব্ৰুগড় ‘চিটি’লই-
সকলো দেখিবা তুমি
বূজিবাও নিজে নিৰুপমা।



# বেদনাই উচুপে নীৰৱে

পল্লৱীকা কছাৰী।
স্নাতক ১ম বাৰ্ষিক

আশাহীণ জীৱন মোৰ
প্ৰাণহীণ এই দেহা,
নোৱাৰো বুজাব তোমাক
মোৰ অন্তৰৰ কথা।
জীৱনৰ দীঘল বাটত
এদিন লগ পালো তোমাক,
মনৰ কোঁৱৰ বুলি
মই ভাৱিছিলো তোমাক।
কিন্তু মই নোৱাৰিলো
নোৱাৰিলো কৰিব প্ৰকাশ,
মোৰ মনৰ এই কথা ——
তুমিও নাজানিলা হয়তো,
মোৰ মনৰ গোপনীয়তা।
কি দৰে বুজাম তোমাক
মোৰ মনৰ এই কথা,
তোমাৰ অবিহনে যে–
মোৰ এই জীৱন, তেনেই আধৰুৱা॥

# অন্তিম স্তৱক

শ্ৰী সীমান্ত সোনোৱাল।
স্নাতক দ্বিতীয় বৰ্ষ(কলা শাখা)

কুৰিশতিকাৰ, আজিলৈকে
কতবাৰ বিচাৰিছিলো মই
গনিছিলো,
আকাশৰ তৰা অলেখ
কিমান যে সেই
কোনো অসীম
বিশ্বৰ প্ৰান্তে প্ৰান্তে ফুৰিছিলো
যাযাবৰী জীৱন মাথো।
হেৰাই
এটি প্ৰাণহীন আত্মাৰ (কান্দোনৰ প্ৰতিমূৰ্ত্তি ছাঁয়াটো
বিচাৰিছিলো)
বিচাৰি ফুৰিছিলো, মই
অন্ধকাৰ ৰাজ্যত, তোমাক
তুমি চাগে গমেই নোপোৱা, ময়ো
লেখি লেখি ভাগৰি পৰা মোৰ অন্তিম কবিতাটো——।
পাৰাপাৰ বিহীন সমুদ্ৰ যাত্ৰাৰ মই এজন–
আকাশৰ বুকুত মই
উৰি ফুৰে বগলীয়ে ইতিকিঙৰ সুৰত
কান তাল মৰা চিঞৰত সাৰ পাওঁ
মাজনিশা কেতিয়াবা
অজান বেদনাৰ ভৰপুৰ বাৰিষাৰ এনেকৈয়ে শেষ হ'ল মাথো
জীৱনৰ দিনবিলাক গনি
শেষ হ'ব খোজা শিলালিপিবোৰ
দুবৰিত ছানি ধৰিছিল মকৰা জালৰ মোহে
পাকঘূৰণী খোৱা, তলসৰা সেই আধৰুৱা কবিৰ
কোনেনো দিবহি শান্তি।উচুপি উচুপি কান্দো মই
শতিকাৰ এই অন্তিম দিনটোৰ, শুভদিনটোৰ বাবে।



# হৃদয়ৰ ৰং

শ্ৰী দূৰ্লভ দাস।
স্নাতক প্ৰথম বাৰ্ষিক

হৃদয়ৰ ৰং সাগৰৰ সমান গভীৰ
প্ৰতিটো উশাহতে উদ্মাদৰ ছবি;
বুলাই দিয়াৰ প্ৰতিশ্ৰুতিৰে
প্ৰথম ৰেঙণিত ইমান বিশ্বাস!!
তুলিকা বাখৰৰ দুটি নয়নৰ নীলা
একেই গভীৰ ৰঙেৰে,
প্ৰশান্তৰ হৃদয় খনিত্ত নীলা!!
মনৰ কামনাৰ নুফুটা ক'লিবোৰ,
ৰিনিকি নুশুনা মনৰ কথাবোৰ হ'লেও
মই উচুপি উচুপি শুনো !
পিছত্ত কঁপা কঁপা দুয়োটি উঠেৰে যাহোঁ!!
||||

## মাতৃভূমি

সুকোমল সেউজীয়া আনন্দৰ নিজৰা
হৃদয় আৰু আত্মাৰ বিশ্বাস ঘাটকতা !
জীৱনৰ অনুশীলনত হৃদয়ৰ কাৰখানা খনি,
ইনটাৰনেটৰ দপদপনি !!
মুক্ত বতাহৰ সুস্থ সমাজৰ সপোন সত্য হ'লে
বুভুক্ষু জনতাৰ মূখত এমুঠি আহাৰ,
দেশৰ হকে দিয়া বীৰৰ ৰক্ত টুপি !!
জাতীয় অৰ্থনীতিৰ বিশ্বাসঘাটকতা কাৰী,
কিয় দিলা মাতৃভূমিক ইমান অশান্তি !
মাতৃভূমিক লৈ প্ৰাণ আহুতি দিয়া
বীৰ সকললৈ যাছিছো শ্ৰদ্ধাঞ্জলী !!

# বন্ধু তুমি—!

শ্ৰী ৰুণাদ্বীপ বৰদলৈ।
স্নাতক ১ম বাৰ্ষিক (ক'লা শাখা)

ডিবৰুৰ ঘাটত বিদ্যাৰ তৰী খনি তোমাৰ
এৰিছিলা বন্ধু কত কামনাৰ,
আগুৱাইছিলা তুমি ধুমুহা বেগেৰে
পাইছিলা স্নাতক ডিগ্ৰী অতি কষ্টেৰে।
আৰ্থিক সম্বলৰ যিহেতু দৰিদ্ৰ তুমি
সংস্থাপনৰ ব্যৱস্হা কৰিবলৈ বুলি,
নিমজ তলুৱাই গছকিলা কত দুৱাৰ দলি
হতাশাৰে জৰ্জৰিত হৈ উঠিছিলা তুমি।
মোৰ স্মৃতিৰ এক শাৰদী পুৱাত,
হঠাতেই এদিন হেৰাই গোৱা,
ৰিঙিয়াই অজিও মোৰ মনত
তোমাৰ সপোনবোৰ নিস্ফল হোৱা।
জন্মভূমিত থাকিও তুমি হেৰুৱাইছিলা স্বতন্ত্ৰতা
হয়তো তুমি গুছি গ'লা বিছাৰিবলৈ স্বাধীনতা,
অতীজৰ ডিব্ৰু মহাবিদ্যালয়ৰ স্মৃতিবোৰ নাইনে মনত ?
চিকচিকিয়া অস্ত্ৰ লৈছা পাথ্যপুথি লোৱা হাতত।
মনত ৰাখিবা বন্ধু তুমি যে এজন ডিগ্ৰীধাৰী
নুশুৱাই তোমাৰ হাতত জীৱন নাশৰ বাৰুদ গুলী,
মইহে জানো তুমি য়ে প্ৰকৃততে প্ৰতাৰিত বুলি
দেশে তোমাক উপাধি দিছে বিদ্ৰোহী, সন্ত্ৰসবাদী।
বন্ধু তোমাক কাবৌ কৰিছো নকৰিবা মইমতালি
মূল সুঁতিলৈ উভতি আহা সন্ত্ৰাস নহয় সমিধানী,
পুথিভড়ালৰ চুকত পঢ়ি লৈছিলা যে ডিগ্ৰীটি
মূল্যপাৰা তেহে তুমি উভতা যদি হৈ পোহৰ সন্ধানী।
যদি বা বন্ধু ঘূৰি নাহা এযাৰি কথা মনত ৰাখিবা
যিমানেই তুমি বন্ধু বৰফৰ দৰে শুক্ল হোৱা,
নতুবা ডাৱৰৰ দৰে নিষ্কলুষ হোৱা
কেতিয়াও তুমি মানৱ নিন্দাৰ হাত নাসাৰা।

# আশা

শ্ৰী পঙ্কজ বৰুৱা।
*স্নাতক ২য় বাৰ্ষিক (ক'লা)*

অস্তগামী সুৰুযৰ ৰক্তিম আভাত
মই দেখো তোমাৰ স্বপ্ন,
বিস্মৃতিৰ গৰ্ভৰ নিভৃত কোণত
অনুভৱ কৰোঁ মই তোমাৰ মৰ্ম।
সোঁৱৰণী মঞ্চৰ প্ৰতিটো আখৰাত
তৰুণ তেজৰ বোল।
মোৰ স্বপ্নত দেখা দিয়া
মিঠা স্মৃতিৰ কল্লোল।
ভগ্ন হৃদয়ৰ শেষ ৰজনীত
গায়ত্ৰী মন্ত্ৰৰূপে কৰিছোঁ উচ্চাৰণ
তোমাৰ কবিতা,
জ্বলাব বিচাৰিছো কঁপি থকা দুখনি হাতেৰে
তোমাৰ কোলাত কেঁচা তেজৰ শলিতা
গংগা, যমুনা, কাবেৰী সদৃশ
ললো মই আজি পথ,
ৰক্ত বীজৰ বংশ মই, কৰি যাম।
এৰেটো জীৱন মৃত্যু বিজয়ী ৰণ।





# উপলব্ধি

শ্ৰী প্ৰণৱ কুমাৰ চাংমাই।
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*

অনুভূতি হ'ল মানস গহবৰত,
এখন বিশাল সাগৰৰ.........
কেতিয়াবা তুমিও অনুভৱ কৰিছানে
সেই সাগৰৰ গভীৰতা কিমান?
যাৰ সুউচ্চ উৰ্মিমালাত আজিয়ে মোৰ জীৱন আৱদ্ধ
অক্টোপাচৰ সৈতে আলিঙ্গন হৈছে মোৰ দেহ সমস্ত
চাৰ্কৰ সৈতে যে পাৰ কৰিছো বিনিদ্ৰ ৰজনী
আল্লাউদ্দিনৰ পৰা চুৰ কৰা বন্তি গছ,
উৰ্মিৰ প্ৰতাপত নিস্প্ৰভ হৈ গ'ল।
সিন্ধুঘোটকৰ প্ৰহাৰত,
মোৰ যে আজি দেহ বিদিৰ্ণ
হায় মোৰ কপাল।
মন মন্দিৰত ৰুই থোৱা কল্পতৰু জোপাত
আজিযে তল গ'ল।
আজি মই অসহায়..........
নিঃসংগ হৈ গভীৰ জলৰাশিত ককবকাইছো,
ক্ষণ গনিছো মাত্ৰ
এক চিৰ শান্তিলৈ.........।





# "আই"

শ্ৰী পাৰ্থ প্ৰতিম গগৈ।
*স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

আই তোমাৰ কোলাত মোক অলপ শুবলৈ দিয়া,
তোমাৰ কোলাত শুই শুই মই আজি সাধু শুনিম।
তুমি মোক এনে সাধু শুনাবা আই,
মই যেন তোমাৰ লগত বিলিন হৈ যাওঁ।
বিষন্নতাবোৰেও এতিয়া বিস্তীৰ্ণতা লভিছে আই,
আহঃ দেহটোৰো বিভ্ৰাট হৈ পৰিছে।
কলিজাখনো যেন বুকুৰপৰা সৰি পৰিছে,
কোনেনো মোক ধৰিবহি এতিয়া,
মোৰে সোন কলিজাতো বুলি।
মৃত্যুতো যে শান্তি থাকিব পাৰে,
ভবাই নাছিলো আই।
তোমাৰ কতজন পুত্ৰ এতিয়াও,
কেঁচামাটি গোঁন্ধত শুই পৰিছে।
সিহঁত নিদ্ৰাত মগ্ন, সিহঁতকনক জগাবা আই।
সাৰপাই উঠিব।
সিহঁতৰ কান্দোনৰ ধ্বনিত,
বিযাদৰ প্ৰতিধ্বনি জোৰাৰ উঠিব।

# পোহৰৰ প্ৰতিচ্ছবি

শ্ৰী উৎপল হাজৰিকা।
*উঃ মাঃ ২য় বৰ্ষ (কলা)*

কৈশোৰৰ শুভাৰম্ভতে
সেই আজলী ছোৱালীজনীক
কিবা ভাল লাগি গ'ল।
মনত খুদুৱানি।
কিবা ক'ম বুলিও ক'ব পৰা নাই।
কল্পনাৰ সাগৰতে
গাধৃই দেহাটো
পৰিস্কাৰ কৰিছো মাথোঁ
শুদ্ধ হোৱা নাই মোৰ মনটো।
বসন্তৰ প্ৰকৃতিৰ সেই মৃদু বতাহে
হৰণ কৰিছে মোৰ দেহ মন।
মনৰ আকুল চঞ্চলতাৰ
বাতৰি দিবহি যেন মোক
সেই মৃদু বতাহ জাকে।
হয়, সেই বতাহজাকে
আনি দিলে বতৰা
নীড় সৰা সেই পখীটোৰ যেন
অশ্ৰুৰ অৱলুপ্তি ঘটিল।
অপহৰন হ'ল সেই আউসী
নিশাৰ আন্ধাৰবোৰ
তাৰ স্থান ললে পোহৰে
প্ৰকৃতিৰ প্ৰতিটো কীট পতংগ
গছ লতিকা নাচিবলৈ ধৰিলে।
হে দেৱী তুমি কোন ?
তোমাৰ ওচৰত কি আছে
যাৰ বাবে হয়তো
সেই উশৃঙ্খল
সংঘাত-হতাশাপূৰ্ণ,
জৰ্জৰিত জীৱনত
শান্তিৰ হাত বোলাইছা
তোমাৰ কি শক্তি ..........?

# অতীত তুমি আহিবানে ?

শ্ৰী প্ৰণৱ শইকীয়া।
*স্নাতক ২য় বাৰ্ষিক (ক'লা)*

তুমি বাৰু উজাগৰে নিশা কটাইছানে,
কৰেনে তেতিয়া তোমাক অতীতৰ মধুৰ স্মৃতিয়ে আমনি,
জাগেনে তোমাৰ মোৰ,প্ৰতি প্ৰীতি........?
জানা, মই প্ৰায়েই পাৰ কৰোঁ উজাগৰি নিশা অতীতক সুঁৱৰি,
চাব খোঁজো পুৱতি নিশাৰ কুঁৱলী সনা আকাশত জোন তৰাৰ ধেমালী,
মোৰ খোলা খিৰিকিয়েদি সোমাই অহা মিঠা মলয়াজাকত
বিচাৰোঁ মই তোমাৰ দেহত লাগি থকা কেঁচা হালধী যেন সুবাস......।
নাজানো তোমাক মই আৰৌ কেতিয়া পাম মোৰ নিচেই কাষত,
অতি নিবিড় ভাৱেৰে,
কলিজাৰ কেঁচা মৰমবোৰ বুলাই দিবলৈ,
অথবা বুজাই দিবলৈ তোমাক মৰম অভিমানৰ ভাষা......।
হয়তো ভগৱানেও নাজানে।
এতিয়াও ফুলেনে সোন তোমালোকৰ পদূলিৰ শেৰালী জোপা,
যাৰ সুবাসত উন্মনা হৈ প্ৰতি জোনাকৰ গধূলি
পাতিছিলো দুয়ো হৃদয়ৰ গোপন ভাষা,
কৰিছিলো আমি দুয়ো ভৱিষ্যতৰ ৰঙীন কল্পনা.........
মোক বৰকৈ আমনি কৰে জানা
অতীতৰ এই সুমধুৰ স্মৃতি বোৰে।
নহ'লে তুমি এটা কাম কৰা 'সোন,
মোৰ কাষলৈ তুমি আজিয়েই আহাঁ।
এটি ৰঙীন সপোন হৈ.........
উলাহত আত্মহাৰা হৈ খেলিম দুয়ো যৌৱনৰ দলিচাত,
ৰাখি থম তোমাক মোৰ কলিজাৰ গোপন কোঠাত।



# অদৃশ্য জগতত প্ৰেম বিচাৰি

শ্ৰী নিবজ সোনোৱাল।
*কলা শাখাৰ প্ৰথম বাৰ্ষিক*

নগ্ন মোৰ জকাটোৰে 'সপোন'ত
জীণ যোৱা বননিৰ ওপৰেদি খোজ কাঢ়ি যায়
কিন্তু বাস্তৱত শীতক্লিষ্ট স্নেহহীন ধূলিময় পথেদি,
সংকুচিত হৃদয়ৰ দুৱাৰেদি কিনো
হিম আৱৰণৰ দৰে স্বপ্নজাল
ক'ব নোৱাৰো কিহৰ অভিযানত
মোৰ এই 'যাত্ৰা'..........
মোৰ হৃদয়ে কয় নতুন অধ্যায়ত
লাভ কৰা প্ৰেম হেনো জীৱনৰ একমাত্ৰ পৰাজয়
তথাপিও কিহৰ সন্ধানত,
মোৰ এডাল মমৰ দৰে এই 'যাত্ৰা'..........।
চাওঁতে চাওঁতে লীন হৈ গৈছিল মোৰ কৰ্মজীৱন।
দৃশ্য-অদৃশ্যৰ মহা নাটকৰ
এক অভিনয়ত কোৱা শুনিছিলো
কৰ্মফল আৰু সাধনাৰ প্ৰেম হেনো
জন্ম-জন্মান্তৰ গণিত শাস্ত্ৰৰ এক পুৰণি অংক।
অৱশেষত ......মোৰ যাত্ৰা অন্ত পৰিল,
কিন্তু, ব্যৰ্থতাৰ প্ৰেমৰ এখন পৰাজয়
অদৃশ্য জগতত.........॥





# মন ব'হাগী

শ্ৰী ৰাণাজ্যোতি কোঁৱৰ।
*স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান শাখা)*

যেতিয়া——
বসন্তৰ বা লাগি,
প্ৰকৃতিৰ বুকুলৈ,
কোমল কোমল কুঁহিপাতেৰে,
ৰং বিৰঙৰ ফুল হৈ,
আমোল মোল সুগন্ধিলৈ,
ব'হাগী আহি,
জৰাজীৰ্ণ ধৰণী,
সেউজী যৌৱনা কৰেহি!
যেতিয়া——
কুলি কেতিকীয়ে,
বহাগীৰ সৌন্দৰ্য্যত
সুহুৰিয়াই জোকাইহি,
ভোমোৰা পখিলাইও,
লাজুকী চাৱনিৰে চুমা যাচেহি !
তেতিয়া—
হৃদয় হাঁহকাৰ কৰি,
লাজুক লাজুক চাৱনিৰে,
মৌমিঠা মৰমসনা মাত লৈ,
সাতোৰঙী স্বপ্ন হৈ,
শান্ত মোৰ মন প্ৰাণ,
উন্মাদ উতনুৱা কৰেহি।
প্ৰেম সাগৰৰ জোৱাৰ ভাটা হৈ,
মোৰ মন প্ৰাণ সমৃদ্ধ কৰাহি ॥
কোৱাচোন—
মনৰে আপেক্ষিত ব'হাগী,
কোন কালে, কোন দিশে, আহিবা তুমি..........???

# প্ৰেমৰ ঘাটলৈ তোমাক আহ্বান

শ্ৰী জোনটি গন্ধীয়া।
*স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান শাখা)*

তুমি নহাকৈ নাথাকিবা
চিনাকী ঠিকনা, চিনাকী ঘাট
সেই একেই বাট
মাথো অলপ বেছি সেউজীয়া তুমি বিচৰাতকৈ
মোৰ প্ৰেমৰ চোলাটো খুলি তোমাক দিম
তুমি নলওঁ বুলি কবা
তাৰ পৰাই আৰম্ভ হ'ব অভিমান।
অভিমানৰ শেষত কি হ'ব নাভাবো
মাথো দুহাত আগবঢ়াই দিম
বাকী দিবা মন ভৰাই প্ৰেমৰ সুৰা
তুমি হাঁহিবা শেষ হ'ব অভিমানৰ ছাঁ
এনেকৈয়ে ক্ৰমে ক্ৰমে
আগবাঢ়িম ভোগৰ মুকলি বালিচৰালে
শৈশৱৰ সপোনলে
তুমি নহাকৈ নাথাকিবা
চিনাকী ঠিকনা, চিনাকী ঘাট
সেই একেই বাট
মাথো অলপ বেছি সেউজীয়া তুমি বিচৰাতকৈ॥

# ক'বানে জুৰি ?

শ্ৰী বিনয় কুমাৰ দাস।
*স্নাতক দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)*



আকাশৰ জোন হৈ
কিমাননো থাকিব আৰু
মনৰ দুৱাৰ খুলি হৃদয় ৰঙীন কৰি
ক'বানে জুৰি
ভাল পাঁও বুলি !
বিন্দুঘন সময়ে উজুটিয়াই ৰাজপথৰ শিলগুটি
নালিয়াপুল বজাৰত বোকাৰ প্ৰলেপ
কাৰখানাৰ হুইচেল এখাৰ বজাৰ
বিক্ৰমৰ কৰ্কশ শব্দকো পাহৰি
জুমি চাওঁ, ৰাৰ্লিংগেটৰ ট্ৰেফিক জাম
মাথো তুমি !
জানানে জুৰি ?
||||||||||
আকাশ চোৰাৰ হেপাহে
তোমাৰ হৃদয়ে কি সুৰে
মিলন নগৰৰ শেষ পথত
কি সপোন আঁকে
এবাৰ, মাথো এবাৰ
ক'বানে জুৰি ?
||||||||||
কলিজাৰ ৰং সনা
জবাই হাৰি পাৰ হৈ
কেতিয়া আহিবা হাঁহিৰ উমলৈ
সেউজী কন্যা জালান নগৰেৰে
মোৰ মৰমৰ ডিব্ৰু কলেজলৈ
ক'বানে জুৰি ?
||||||||||
নিজম নিজম ফাগুনৰ দুপৰীয়া
খোলা খিৰিকিত হাত থৈ তন্ময় নহ'বা
কোমল ঘাঁহনিত নথ'বা বেঙুনীয়া লেডিবাৰ
বতাহ জাঁক যে বহু অভিমানী
তন্ময় নয়নত সোমাব অবুজ ধুলি
বুজানে জুৰি ?
||||||||||
অবুজ শিহৰণ ফাগুনৰ ধুলিৰ
ক'বানে জুৰি ?
||||||||||||||||
জুৰি !
তুমি ফাগুন নোহোৱা
তথাপি আহিবা অভাৱবীজলৈ
তললৈ চালে দেখিবা দুটি ধাতব চিৰি
কত বেদনালৈ কত বোজা হৈ
অন্তহীন প্ৰতীক্ষা লগ হোৱাৰ
(ৰেলৰ চিৰিৰো হৃদয় থাকে !)
সাক্ষী মাথো শব্দৰ ইতিহাস !
জানানে জুৰি ?
জুৰি !
জোনাক আহিলে চঞ্চল নহ'বা
কাৰ্বন ফ্ৰেমৰ চচমা সামৰি থ'বা
জিলা পুথিভঁৰালত বিচাৰিবা
"সাগৰ দেখিছা" ?
সাহিত্য সভতো শেষ
হীৰুদাৰ 'শইচ পথাৰ মানুহ'
'অনুৰাধাৰ দেশৰ' ৯৫ পৃষ্ঠাত পাবা
'মানুহক মানুহৰ স্পৰ্শৰ প্ৰয়োজন'
মাথো এবাৰ ভাবি চাবা–
মনৰ দুৱাৰখুলি, হৃদয় ৰঙীন কৰি
ক'বানে জুৰি !
ভাল পাওঁ বুলি..................

গল্প

# সন্ধিয়া

শ্ৰী গুণদীপ চেতিয়া।
*স্নাতক ২য় বৰ্ষ, বিজ্ঞান শাখা*

দপকৈ লাইটবোৰ নুমাই গ'ল। ল'ড শ্বে'ডিং। সন্ধিয়াৰ আন্ধাৰত ডুব গ'ল এই অঞ্চলটো, ইয়াৰ প্ৰতিটো গলি-উপগলি, প্ৰতিটো ঘৰ। অৱশ্যে কিছু মানৰ ঘৰত লাইট জ্বলিছে, ইনভৰ্টাৰ চিষ্টেমৰ সহায়ত। ক'ৰবাত দুই এটা জেনেৰেটৰ ষ্টাৰ্ট হৈছে। কিন্তু জীৱন দত্ত লে'নত এতিয়াও আন্ধাৰ বিৰাজমান।



মুখেৰে 'ইচ্' জাতীয় শব্দ এটা উচাৰণ কৰিলে ধৰণীয়ে। কেইমূহুৰ্ত মান অলসভাৱে ৰ'ল সি। তাৰপিছত টেবুলৰ ওপৰত জুইশলা বাহটো খেপিয়ালে। তাত এডালো কাঠি নাই। খুব হতাশ হ'ল ধৰণী। মমডাল জ্বলাব লাগিছিল। আন্ধাৰত থাকি ভাল নালাগে। সি লাহে লাহে টেবুলৰ ওপৰত সিঁচৰতি হৈ থকা কাগজ পত্ৰবোৰ জাপিলে। কাৰেন্ট অহাৰ এতিয়া আৰু কোনো আশা নাই। অতিকমেও এঘন্টা লাগিব। সি অলপপৰ ৰ'ল। তাৰপিছত কাষৰ বিচানাখনত বাগৰ এটা মাৰিলে।

জীৱন দত্ত লে'নৰ একেবাৰে শেষৰফালে এটা বিৰাটাকাৰৰ ঘৰ। তাৰ ঠিক পাছফালে একেটা বাউণ্ডেৰীৰ ভিতৰতে আন এটা সৰু ঘৰ। অৱশ্যে তাক ঘৰ বুলিব পাৰি নে নোৱাৰি তাত সন্দেহ আছে। তিনিটা মাত্ৰ ৰুম। তাৰে এটা ৰুমত ধৰণী থাকে। বাকী দুটা পৰিত্যক্ত।

খুব গৰম পৰিছে। কোঠাৰ ফেনখন কাৰেন্ট যোৱাৰ পাছত অচল হৈছে। হয়তো শ্ল' মশ্ব'ন। ভিতৰৰ পৰিৱেশ উত্তপ্ত হৈ উঠিছে। ইপিনে মহবোৰেও সমবেত সংগীত আৰম্ভ কৰিছে। ধৰণীয়ে অনুভৱ কৰিলে ৰুমৰ ভিতৰত আৰু অলপ সময়ো সোমাই থাকিব নোৱাৰি। একে জাপে বিচনাৰ পৰা উঠিল সি। আলনাডাল খেপিয়াই খেপিয়াই এটা চোলা বিচাৰি ল'লে। খুব সন্তৰ গ্ৰে ৰঙৰ চাৰ্টটো। চোলাটো পিন্ধি সি বাহিৰ ওলাল।

ক্ৰাংকৈ গে'টখন খুলি সি ৰাস্তাত ভৰি দিলে। বাহিৰৰ পৰিৱেশ অলপ শীতল। তাৰ যথেষ্ট ভাল লাগিল। বহুপৰ ধৰি ৰুমৰ গেলা গৰমত সোমাই থাকি তাৰ দেহ মন অৱসাদ গ্ৰস্ত হৈ পৰিছিল। বাহিৰৰ এছাটি দুছাটি বতাহে কিছু সকাহ দিলে।

এৰা, খুব ব্যস্ত আছিল সি। গোটেই আবেলিটো ৰুমৰ ভিতৰত সোমাই সি লিখা-মেলা কৰি আছিল। পেপাৰৰ কাম। সি সাংবাদিক মানুহ। লোকেল সাপ্তাহিক কাকত খনৰ সি ষ্টাফ ৰিপ'টাৰ। নতুনকৈ জইন্ কৰিছে। খুব কষ্ট কৰিছে। তাক প্ৰতিষ্ঠা লাগে। অমানুষিক পৰিশ্ৰম কৰিছে তাৰ বাবে। তাৰ ফল সি পাইছে। কাকত খনৰ সম্পাদক নৃপতি বৰুৱাই তাক বহু গুৰু-দায়িত্ব দিছে। হয়তো এদিন সি নিজেও সম্পাদক হ'বলৈ পাব।

নৃপতি ছাৰে তাক খুব বিশ্বাস কৰে. বহু গুৰুত্বপূৰ্ণ কথা আলোচনা কৰে তাৰ স'তে। ছাৰৰ ব্যক্তিত্বত সি মুগ্ধ হৈ য়ায়। কি অদ্ভুত সাহসী এই মানুহজন। কাৰোৰে লগত আপোচ নকৰে। এখন নিৰপেক্ষ কাকত চলায়। বিবিধ বাধা-বিঘিনি, ভাবুকি-সাকীয়নি আদিক অগ্ৰাহ্য কৰি তেওঁ মাথোঁ কাম কৰি য়ায়। তেওঁৰ প্ৰতি ধৰণীৰ অশেষ সান্মান আছে। তেওঁৰেইতো সেইজন মানুহ-যিয়ে তাৰ মনলৈ জীৱনৰ প্ৰতি এটা ধনাত্মক দৃষ্টিভংগী আনি দিছে।

জীৱন দত্ত লে'নৰ আদি বিন্দুত ধৰণী ৰৈ যায়। এই খিনিতে

তিনিটা সৰু সৰু আলি লগ লাগিছেহি। এচুকত এখন পাণ দোকান। কেইটা মান ডেকাই তাত আড্ডা মাৰিছে। হয়তো চিগাৰেটৰ শ্ৰাদ্ধ পাতিছে। সিহঁতৰ হাঁহি-খিকিন্দালিত চৌদিশ কপিঁ উঠিছে। ধৰণী পোনে পোনে গৈ থাকিব পাৰিলেহেঁতেন। এইটো গলিয়েদি গ'লে সোণকালে মেইন ৰাস্তা পাব পাৰি। সি সেইফালে নগ'ল। সোঁফালে থকা দীঘলীয়া ৰাস্তাটোৰেদি সি খোজ ল'লে। এই ৰাস্তাটোৰ প্ৰতি তাৰ বেলেগ এটা আকৰ্ষণ আছে। কাৰণ অলপদূৰ গৈয়ে সি পাবগৈ নৃপতি ছাৰৰ ঘৰ। গেটৰ মুখত হয়তো দেখা পাব জুৰিক। জুৰি অকলে নাথাকিব। লগত ঘৰত কাম কৰা ছোৱালীজনী থাকিব। সন্ধিয়াৰ আধা আলো আধা ছাঁত হয়তো জুৰিৰ মুখ খন ভালকৈ নেদেখিব। তথাপি ওখ লাহী সেই ছায়াকৃতিটোৱেই তাৰ হৃদয়ত খলকনি তুলিব।

ধৰণীয়ে জুৰিৰ মুখত লাগি থকা মিঠা হাঁহিটো মনতে কল্পনা কৰিলে। এক অবুজ পুলকে তাৰ দেহ মন জোকাৰি গ'ল। ঠিক সেই একেই অনুভূতি জুৰিক প্ৰথম দেখাৰ দিনা যি হৈছিল। ভাৰা ঘৰ এ'টা বিচাৰি সি এই ৰাস্তাইদি আহিছিল। তেতিয়া জাৰকালি। চোতালত এখন আৰামী চকীত বহি জুৰিয়ে চুলি শুকুৱাইছিল। পুৱাৰ মিঠা ৰ'দ আহি তাইৰ মুখ মণ্ডলত ছিটিকি পৰিছিল। পানীৰ এটা দুটা অনু তাইৰ দীঘল চুলিৰ ওপৰত তিৰবিৰাই আছিল। অসহ্য ধুনীয়া লাগিছিল তাইক। 'চুল তাৰ কবেকাৰ অন্ধকাৰ বিদিশাৰ নিশা, মুখ তাৰ শ্ৰাৱস্তীৰ কাৰুকাৰ্য।' বিদ্যুৎপৃষ্ট হোৱাৰ দৰে ধৰণী অলপ কঁপি উঠিছিল। হৃদয়ৰ কোনোবাখিনিত যেন কোনোবাই সজোৰে আঘাত কৰিলেহি। জীৱনত ইয়াৰ আগতে তাৰ এনে অনুভৱ হোৱা নাই। এতিয়াও জুৰিক দেখিলে তাৰ অন্তৰৰ অতল তলিত এডাল সূক্ষ্ম তাঁৰ কঁপি উঠে।

সেই যিদিনা ধৰণীয়ে জুৰিক দেখিলে, তাৰ পিছৰ পৰা সি এই ৰাস্তাটো এৰিব পৰা নাই। তাইক দেখাৰ কিছুদিনৰ আগতে সি পেপাৰৰ চাকৰিটো পাইছিল। কিছুদিনৰ পিছত সি জীৱন দত্ত লে'নত ভাড়াঘৰ এটাও বিচাৰি পালে। তাৰ পিছত এদিন সি নৃপতি ছাৰৰ ঘৰলৈ গৈছিল। তেতিয়াহে সি গম পালে জুৰি ছাৰৰ জীয়েক। তাইৰ সৰুতেই মাক ঢুকাইছে। একমাত্ৰ ভায়েকটো বাহিৰত পঢ়ি আছে।

সোঁফালৰ ৰাস্তাটোৰেদি আহি ধৰণী নৃপতি ছাৰৰ ঘৰৰ মুখ পালেহি। বাহিৰত কোনো নাই। ভিতৰৰপৰা ক্ষীণ পোহৰ অলপ ভাহি আহিছে। সি কিছুপৰ ৰ'ল, নাই, কাৰোৰে দেখাদেখি নাই। অলপ হতাশ হ'ল সি। লাহে লাহে মেইন ৰাস্তাৰ ফালে খোজ দিলে। কেইখনমান দোকান সি অতিক্ৰম কৰিলে। এখন গাড়ী তাৰ কাষেৰে পাৰ হৈ গ'ল। মেইন ৰাস্তাত ইখনৰ পিছত সি খন গাড়ী, স্কুটাৰ আদি পাৰ হৈ গৈছে। তাৰ কাষে কাষে খোজকাঢ়ি যোৱা মানুহ। ধৰণীয়েও তাত যোগ দিয়ে।

ৰাস্তাৰ কাষত দোকানৰ শাৰী। দোকানবোৰৰ সন্মুখেদি ধৰণী পাৰ হৈ যায়। ফাষ্টফুডৰ দোকানখনত যথেষ্ট ভিৰ হৈছে। তাৰ পৰা ৰমেন ওলাই আহে। স্কুটাৰ খন ষ্টাৰ্ট কৰিবলৈ সি সাজু হৈছে। ধৰণীয় তাক মাত দিয়ে।

ৰমেনে স্কুটাৰ খন ষ্টেণ্ড কৰিলে। ধৰণীক একাষৰীয়াকৈ মাতি নি সি প্ৰায় ফুচ্‌ফুচাই কোৱাৰ দৰে ক'লে – অপুক লগ পাইছিলো। পৰহি। তোৰ কথা সুধিছিল।

——— ক'ত ?

—বাছ ষ্টেণ্ডৰ ওচৰত। লগত আৰু এটা আছিল। আজি কিছুদিনৰ পৰা বোলে সিহঁত ইয়াত আছেহি। সংগঠনৰ কামত। বিশেষ একো নক'লে।

একেটা উশাহতে ৰমেনে কথাখিনি কৈ গ'ল। ধৰণীয়ে নিৰ্লিপ্তভাৱে সুধিলে—মোৰ কথা কি সুধিছিল?

——তোৰ খবৰ লৈছিল। তই ইয়াত থকাৰ কথা নাজানে। মই তোৰ এড্ৰেছটো দিছোঁ। হয়তো সি আহি যাবও পাৰে। ৰমেন অলপ ৰ'ল। ধৰণীৰ মুখৰ প্ৰতিক্ৰিয়া সি লক্ষ্য কৰিছে। তাৰ পাছত ক'লে-তাৰ চেহেৰা কিন্তু একদম আগৰ দৰে আছে। দাড়ি চাড়ি একো ৰখা নাই। গালৰ কটা দাগটোও একেদৰে আছে।

ধৰণীয়ে একো নক'লে। স্কুটাৰ খনত উঠি ৰমেন গ'লগৈ। তাৰ দেৰি হৈছে। ঘৰত পৰিবাৰ অকলে আছে।

অপুৰ কথা ধৰণীয়ে ভাবিলে। সি ঘৰৰ পৰা যোৱাৰ কেইবা বছৰো হ'ল। নিষিদ্ধ ঘোষিত সংগঠন এটাৰ সি সদস্য। ঘৰলৈ একেবাৰে নাহে। মাকে মৰাৰ সময়ত কেঁকাই কেঁকাই ধৰণীক কৈছিল-ককায়েৰতো আৰু নাহিলেই। মই মৰাৰ পিছত যদি কেনেবাকৈ আহে, তাক ক'বি সি যেন সেইবোৰ এৰি গুচি আহে।

অপু আহিছিল। মাক ঢুকুৱাৰ দুদিনৰ পাছত সি ৰাতি ওলাইছিলহি। কোনফালৰ পৰা যে সাউতকৈ ওলালহি ধৰণীয়ে তৰ্কিবই নোৱাৰিলে। ঘৰৰ আগফালে পুলিচে পহৰা দি আছিল।



ধৰণীয়ে তাক ফুচ্‌ফুচাই কৈছিল মাকে কৈ যোৱা কথা। অপুৱে একো নামাতিলে। অহা বাটেদি সি গুচি গ'ল।

তাৰ পিছত আৰু দেখাদেখি নাই। ধৰণীয়েও বিচাৰে সি সংগঠন এৰি আহক। ছাৰেণ্ডাৰ কৰক। তাৰ লগৰ বহুতো ল'ৰা গুচি আহিছে। সংগঠন দুৰ্বল হৈ পৰিছে। হতাশা গ্ৰস্ত হৈ বাকী থকা সদস্যবোৰে নানা দুস্কাৰ্য্য কৰিছে। অ'ত ত'ত গুলি ফুটাইছে, বোমা দিছে। ধৰণীয়ে এইবোৰ ভাল নাপায়। নৃপতি ছাৰৰ দৰে সিও সিহঁতৰ লক্ষ্য, কাৰ্য্য আদিবোৰ সমৰ্থন নকৰে। ছাৰে পেপাৰত এইবিষয়ে বহুতো লিখিছে। জনসাধাৰণো এতিয়া সিহঁতৰ পক্ষত নাই।

মাক ঢুকুৱাৰ পাছত ধৰণী অকশৰীয়া হৈ পৰিল। গাঁৱত তাৰ মন নবহা হ'ল। তেনেকৈয়ে এবছৰমান কটালে। এদিন চহৰত থকা ৰমেনে খবৰ দিলে গয়ে এখন নতুন পেপাৰ ওলাব ধৰিছে। তাত সি কিবা এটা কাম পাব পাৰে। বৰ কষ্টেৰে সি জাৰ্নেলিজমৰ ক'ৰ্ছ এটা লৈ থৈছিল। তাৰ ফল সি পালে। পেপাৰৰ কামটো পোৱাৰ পাছত সি আৰু উভটিচোৱা নাই। গাঁৱৰ মাটি-বাৰী এৰি থৈ আহি সি এই চহৰতে থাকিবলৈ ল'লে।

সন্ধিয়াৰ ব্যস্ত পথেদি ধৰণী গৈ আছে। তাৰ কাষত চলমান চহৰখন। ডিষ্ট্ৰিক্ট লাইব্ৰেৰীটো সি পাৰ হৈছে। আৰু বেছিদূৰ সি নাযায়। উভটিব লাগিব। ৰাস্তাৰ ইটো পাৰে সি যাব খোজে। এখন মাৰুতী কাৰ পাৰ হৈ গৈছে। তাৰ পিছে পিছে এখন স্কুটাৰ। সি ৰাস্তাটো পাৰ হ'ল। পাণ দোকানখনৰ ওচৰত সি ৰৈ যায়। কাষতে নাইট চুপাৰৰ টিকট কাউন্টাৰটো। তাৰ কাষেদি এটা গলি আহি মূল ৰাস্তাত লগ লাগিছেহি। গলিটোৰ সিটো পাৰে থকা চেলুন খনৰ পৰা হিন্দীগান ভাহি আহিছে।

ধৰণীয়ে পাণ দোকান খনৰ পৰা এটা চিগাৰেট জ্বলালে। ওচৰত এজন-দুজন মানুহ। চিগাৰেটত এটা দীঘল হোঁপা দি সি সমুখৰ ৰাস্তালৈ চালে। কি দ্ৰুতভাৱে পাৰ হৈ গৈছে গাড়ীবোৰ! হেডলাইটৰ পোহৰ তাৰ গাতো ছিটিকি পৰিছে। কাৰোৰে ৰ'বলৈ সময় নাই। সঁচাই ব্যস্ত এই পৃথিৱী, ব্যস্ত এই চহৰ।

শাক-পাচলিৰ বজাৰ খনত মানুহৰ ভিৰ হৈছে। অলপ আগলৈ এটা বাদামৱালা বহিছে। কেৰাচিন তেলৰ ডাঙৰ চাকি এটা জ্বলিছে তাৰ কাষত।

ধৰণীৰ দৃষ্টি ওচৰত নিৱদ্ধ হয়। নৃপতি ছাৰ এইফালে আহি আছে। হাতত এটা চুটকেছ। জ্বলন্ত চিগাৰেটটো পেলাই দিব খুজিও ৰৈ যায় ধৰণী। ছাৰ টিকট কাউন্টাৰটোৰ সন্মুখত ৰৈছেহি। চুটকেছটো মাটিত থৈছে।

চিগাৰেটটো শেষ কৰি লোৱা যাওক। সি ভাবিলে। তাৰ পাছত ছাৰক মাত দিব। তেওঁ তাক দেখা নাই। পাণদোকান খনৰ কাষতে অলপ আন্ধাৰ ঠাই এডোখৰত ৰ'লগৈ সি।

এজন মানুহে নৃপতি ছাৰৰ লগত কথা পাতিছে।

ক'ৰবালৈ যায় ? মানুহজনে উৎসুকতাৰে সুধিছে।

এৰা, গুৱাহাটীলৈ। সাত বজাৰ বাছ আছে। ছাৰে উত্তৰ দিয়ে। ভাল বাৰু আহোঁ। মানুহজন গুচি যায়।

কেই মূহুৰ্তমান পাৰ হৈ গৈছে। কাষৰ গলিটোৱেদি এখন গাড়ী সোমাই যায়। নৃপতি ছাৰে বাৰে বাৰে ঘড়ীটোত সময় চাইছে। ধৰণীৰ হাতৰ চিগাৰেটটো প্ৰায় শেষ হওঁ হওঁ। হঠাৎ সি লক্ষ্য কৰিলে এখন মটৰ চাইকেল আহি ছাৰৰ ওচৰত ঘপহকৈ ৰৈছেহি। তাত দুজন আৰোহী। ছায়ামূৰ্তিৰ দৰে সিহঁতৰ দেহ। সন্ধিয়াৰ ছয়াময়া আন্ধাৰত ধৰণীয়ে দেখিলে পিছত বহা আৰোহী জনে কিবা এটা উলিয়াইছে। লগে লগে গুলীৰ শব্দ। এটা, দুটা, তিনিটা—কেইবাটাও গুলী নৃপতি ছাৰৰ গাত লাগিছে।

কাষৰ গলিটোৱেদি এখন গাড়ী ওলাই আহিছিল। হেড্‌লাইটৰ তীব্ৰ পোহৰত উজ্জ্বল হৈ পৰিল দুৰ্বৃত্তৰ মুখ। ধৰণীয়ে স্পষ্ট কৈ দেখা পালে। সি উচপ খাই উঠিল। এৰা, তাৰ চেহেৰা একেই আছে। গালৰ কটা দাগটোও স্পষ্ট। গোঁফ নাই। সেয়া অপু। ধৰণীয়ে ঠিক চিনি পালে ককায়েক অপুক। নিচেই ওচৰৰ পৰা গুলীয়াইছে সি ছাৰক। কি নিষ্ঠুৰ হৈ পৰিছে তাৰ মুখভংগী।

ঠাইখনত হুৱাদুৱা লাগিল। মটৰ চাইকেলখনে ঠাইতে পাক এটা মাৰি অহাবাটেদি ঘূৰি গ'ল। ধৰণীৰ হাতৰ পৰা চিগাৰেটৰ অৱশিষ্ট অংশ খহি পৰে। শিল পৰা কপৌৰ দৰে সি ঠাইতে থৰ লাগিল। নৃপতি ছাৰৰ দেহটো মাটিত ঢলি পৰিল।

❐

# মন, বন্ধুত্ব আৰু আৱিস্কাৰ

শ্ৰী ডিম্পুল চুতীয়া।
*উঃ মাঃ ২য় বৰ্ষ, বিজ্ঞান শাখা*



আজি দেওবাৰ। বিছনাৰ পৰাই মই খিৰিকিখন খুলি বাহিৰলৈ বুলি এবাৰ ভুমুকি মাৰিলো। বাহিৰলৈ চায়েই মোৰ মনটো ভাল লাগি গ'ল। কিয়নো আজি দিনটোৰ প্ৰথম পুৱাটোৱেই ফৰকাল ফৰকাল লাগিছে। এতিয়াও মই বিছনাতে। যদিও ঘড়ীৰ ঘন্টা আৰু মিনিটৰ কাটা যথাক্ৰমে ৬ আৰু ৩০ৰ সীমা পাৰ হৈছে তথাপিও মোৰ চকুদুটাত এতিয়াও টোপনিয়ে অধিকাৰ কৰি আছে। এতিয়াও আৰু টোপনি থকাৰ কাৰণ এইটো নহয় যে - মই যোৱা নিশা দোভাগ ৰাতিলৈকে পঢ়াত ব্যস্ত আছিলো, বৰঞ্চ মই কালিনিশা আগৰদিনতকৈ অলপ সোনকালেহে বিছনাত পৰিছিলো। মই মোৰ চকুদুটা মোহাৰি মোহাৰি আকৌ এবাৰ বাহিৰলৈ চালো। বাঃ কি অপূৰ্ব সুন্দৰ দৃশ্য ! পুৱা বেলি ওলোৱাটো চাবৰ বাবে। এই সুন্দৰ দৃশ্যটোৰ লগত যেন মোৰ কোনোবা এখিনিত অলপ মিল আছে। মই যেতিয়া সৰু, মাৰ কোলাত টোপনি গৈছিলো, তেতিয়া মোৰ মৰমৰ মাই সন্তৰ মোক চাই মোৰ মুখৰ কোমল গাল দুখন মোহাৰি মোহাৰি ভাবিছিল কিজানি- মোৰ মৰমৰ মইনাই ডাঙৰহৈ ভাল দৰে পঢ়া শুনা কৰি এজন পৃথিৱীৰ ভিতৰতে জাকত জিলিকা মানুহ হিচাপে নিজকে চিনাকী দিব পাৰিব আৰু ইয়াৰ পিতৃ-মাতৃ বুলি গৌৰৱ কৰিবৰ বাবেই যেন ই আমাৰ কোলাত জন্ম লৈছে। কিন্তু মাই মোক লৈ যি কল্পনা কৰিছে হয়তো অন্য মাতৃ সকলেও নিজৰ সন্তানৰ মুখ চাই ঠিক এই দৰেই নভবা নহয়। আজি মোৰ এই দৃশ্য মই সৰু থাকোতে মোকলৈ মাই ভবা এই কল্পনাবোৰৰ লগত যেন সচাঁই কিবা এটা মিল আছে। হয়, যিদৰে এই বেলিটোৱে অলপো সময় নৰখি নিজৰ দায়িত্ব নিয়াৰিকৈ শেষ কৰে মইও মোৰ কৰ্ত্তব্য মই নিয়াৰিকৈ কৰি যাম। যেনে দৰে এই বেলিটোৱে ইয়াৰ শেষ পৰিনতি কি হ'ব তাক নাভাৱে মইও ইয়াক ভৱাৰ কথা বুলি বিবেচনা নকৰো। নহয় জানো, এদিন নিশ্চয় ইয়াৰ বাবে মোৰ মাই কৰা কল্পনাবোৰ বাস্তৱত পৰিণত কৰি মিঠা ৰস পাম। ইয়াকে ভাবি মই বিছনাৰ পৰা ভৰিদুটা মাটিত দিয়াতহে জানিব পাৰিলো যে মোৰ ৰুমমেট কেতিয়াবাই উঠি বাহিৰলৈ ওলাই গ'ল। কাৰণ আমাৰ দুটাৰ চেণ্ডল এযোৰেই আছিল। চাৰিদিন মান হ'ল তাৰ চেণ্ডেলৰ ফিটা ছিঙা। মই খালী ভৰিয়েই বাহিৰলৈ ওলাই আহিলো।

দুয়োটাই ভাত পানীখাই আজৰি হওঁ মানে প্ৰায় ঘড়ীৰ কাটা ১১-৩০ ৰ সীমা অতিক্ৰম কৰিলে। মোৰ ৰুমমেট দ্বিগন্ত। সি মোৰ লগতে পঢ়ে। আমি দুয়োটাই এইবাৰ একাদ্বশ শ্ৰেনীৰ ছাত্ৰ। অৱশ্যে দুয়োটাই দুখন কলেজত পঢ়ো। সি পঢ়ে 'কানৈ কলেজ'ত, মই পঢ়ো 'ডিব্ৰু কলেজ'ত। তাৰ ঘৰো আমাৰ ফালৰ নহয়। তাৰ ঘৰ তিনিচুকীয়াত। সি পঢ়ে কলা বিভাগত আৰু মই পঢ়ো বিজ্ঞান বিভাগত। আমাৰ দুয়োটাৰ মাজত এটাও মিল নাই, নহয় জানো, কিন্তু কোনেও নেদেখা দুটাহে আমাৰ মাজত ইমান মিলযে আমি ইটোৱে সিটোক কেতিয়াও পাহৰিব নোৱাৰো। সেই বস্তুটোৱেই লাগে দুজনৰ মাজত বন্ধুত্ব গঢ়ি উঠিবৰ বাবে। সেই নেদেখা বস্তুটো হ'ল-আমাৰ দুয়োটাৰ প্ৰকৃত মনটো। এই মনটোৰ বাবেই আমাৰ দুটাৰ মাজত হাঁহাকাৰ কৰি উঠে। এনে এদিন আছিল যিটো মই কেতিয়াও পাহৰিব নোৱাৰো।

ঃ গৌৰৱ, ঐ গৌৰৱ কি পঢ়ি আছ, ইমান দেৰিলৈকে।

ঃ নাই একো পঢ়া নাই। ভাৱিছোহে তোমাৰ আৰু মোৰ মাজৰ কথা।

ঃ থ্ থ্ তোৰ আৰু মোৰ মাজত এনে কি কথানো থাকিব পাৰে যে তোক পঢ়াৰ পৰা এৰুৱাই আনি তোৰ মনটো সি অধিকাৰ কৰিব পাৰে।

ঃ নহয় দ্বিগন্ত, আমাৰ মাজত এনেকুৱা কথা আছে, যিয়ে মোক আজি এই অৱস্থা কৰি দিছে।

ঃ কি কথানো থাকিব পাৰে, সোনকালে কোৱা মইও জানি লওঁ।

ঃ তই দেখোন বহাই নাই। মই বহি আৰু তই থিয়হৈ কথা পাতিম এয়া কেনেকুৱা কথা। তই আগতে বহি ল্। (দ্বিগন্তই গৌৰৱৰ সন্মুখতে বহি ল'লে।)

ঃ কোৱা এতিয়া।

ঃ তোক মই আগতে চিনিজানি নেপাও আৰু তই জানো মোক আগতে জান বা চিনি পাৱ। তইওতো মোক নাজান। আমি দুটা ইয়ালে পঢ়িব অহাৰ বাবেহে লগ পাওঁ।

ঃ অ' কথাটো সঁচা।

ঃ শুন তই মই এতিয়া ইমান ভাল বন্ধু হলো যে এটাৰ অবিহনে এটাই অলপ সময়ো থাকিব নোৱাৰো, যদি তই ঘৰলৈ যাব লগিয়া হয় মইও তোৰ লগত গৈছিলো আৰু তইও মোৰ লগত আমাৰ ঘৰলৈ যাব। কিয় ইয়াৰ বাবেই আমি এনে নকৰোনে ?

ঃ হয়, কথাটো মই ভাৱি ছাইছোঁ। জান গৌৰৱ মোৰ মনটো কেতিয়াবা বেয়া লাগে ইয়াৰ বাবে। কিয়নো আমি এদিন পঢ়ি শুনি দুয়ো আকৌ আগৰ ঠাইলৈ ঘূৰি যাব লাগিব। নহ'লে আমি বেলেগ ঠাইত থাকিব পাম। একে ঠাইত থাকিব নেপাও।

ঃ সেই কাৰণে মোৰ মনটোৱে ইমান আমনি কৰে জান।

ঃ যোৱা যোৱা এই কথাটোকে ভাৱি আমি মন বেয়া কৰিব নালাগে।

সেই কথাটো এই বাবেই কলোযে সি যাতে মনত আৰু দুখ নাপায়। কিন্তু সি কথাৰ সূত্ৰহে সলালে বিষয় অলপ হে পৰিৱৰ্তন কৰিলে।

ঃ গৌৰৱ, তই সিদিনা কৈছিলি তোৰ বোলে আৰু দুটা লগৰ আছে। মানে তহঁতৰ তিনিটাই সকলোসময়তে কলেজত একেলগে থাক। Class কৰিলেও তিনিটাই একেলগে কৰ। এটাই যদি এদিন নাহে তহঁত দুটাইও Class নকৰ। আৰু যদি তহঁতৰ কৰবালৈ যাবলগীয়া হয় তেতিয়াও তহঁতৰ তিনিটাই একে লগে যাব। সেইবাবে তহঁত তিনিটাক কলেজত সকলোৱে বোলে 'থ্ৰিষ্টাৰ' বুলি মাতে। কি আছিল সিহঁতৰ নাম।

মই ইয়াৰ কথা শুনি আচৰিত। কাৰণ ই আমাৰ বিষয়ে ইমান কথা কেনেকৈ জানিলে। অৱশ্যে ই যিবোৰ কথা কৈছে তাৰ অলপো মিছা নহয়। সকলো সঁচাই।

ঃ ঐ কি ভাবিছ ? মই অকলে ক'ব নালাগে নহয় তহঁতক 'থ্ৰিষ্টাৰ' বুলি। তহঁতৰ কলেজৰ সকলোবোৰ ছোৱালীয়েও মাতে হয়নে নহয় ?

ঃ হয়, গোটেইবোৰ কথাই সঁচা। তাৰে এটা মই আৰু দুটা হ'ল— এটা প্ৰণৱ আৰু আনটো ধ্ৰুৱজ্যোতি। তই যেতিয়া এই সকলোবোৰ কথা জানিলিয়ে তথাপি আৰু অলপ আছে। আমি কিয় ত্ৰিৰ্মূতিৰ দৰে থাকো।

ঃ এতিয়া ক মই নজনাখিনি।

ঃ শুণ, আমি তিনিটাই চিনাকী হওঁতেই আমাৰ মাজত কোনোবা এটাত আমি মিল দেখোঁ। চিনাকীহোৱা কিছুদিনৰ পাছত আমি একেবাৰে তিনিওটাই ওচৰ চাপি আহোঁ। তিনিওটাই এদিন মনতে প্ৰতিজ্ঞা কৰিলো যে - মোৰ নাম গৌৰৱ। মই মোৰ প্ৰতিভাৱে মোৰ মাই কৰা কল্পনা বাস্তৱত পৰিণত কৰি এই কলেজৰ নাম সকলোৱে মাজত গৌৰৱান্বিত কৰিম, কলেজৰ এই মহান শিক্ষাৰ বাবে। দ্বিতীয় জনৰ নাম-ধ্ৰুৱজ্যোতি। ধ্ৰুৱতৰাই আকাশত যেনেদৰে সকলোৱে মাজত জ্যোতিৰ্ময় হৈ থাকে তেনেদৰে ই ইয়াৰ প্ৰতিভাৱে এই কলেজৰ নাম সমাজৰ ধ্ৰুৱ শিখাৰ দৰে উজলাই তুলিব। আৰু এটা কথা ইয়াক কাৰ্য্যত কৰাতো সহজ নহয়। সেইয়ে আমাৰ দুয়োটাৰ মাজত এটা সম্বন্ধ থাকিব লাগিব যিটোৰ দ্বাৰা আমি সহজে আমাৰ কল্পনা বাস্তৱত প্ৰকাশ কৰিব পাৰিম। সেইটো সম্বন্ধ হ'ল - প্ৰনৱ। সেই কাৰণে আমি তিনিটাই এটা মনতে পন কৰিছোঁ যিটো হ'ল ঃ- 'আমাৰ কলেজখন আমাৰ প্ৰতিভাৱে গৌৰান্বিত কৰি সমাজৰ মাজত এটি উজ্বল তৰাৰ দৰে উজলাই তুলিম'।

ঃ বাঃ গৌৰৱ তহঁতে ইমান ভাল পৰিকল্পনা কৰ। অথচ তই মোক আজিলৈকে ইয়াৰ বিষয়ে অলপো কোৱা নাই। মই কিন্ত তোক বেয়া পাইছোঁ।

ঃ শুন দ্বিগন্ত, মই কিয় কোৱা নাছিলো তোক সকলো কম। আমি তিনিওটাই বুজি পালো যে আমাৰ মাজত আৰু এজন লাগিব যদিহে আমি আমাৰ লক্ষ্যস্থানত ভৰি দিব খোজো। তেতিয়া মই তোমাৰ কথা কলো। সিহঁতে মোৰ কথাত ৰাজি হ'ল কিয়নো আমাৰ মাজৰ এটাৰ বিচাৰেও তিনিওটাৰ বিচাৰ। সেই বাবে মোৰ এই প্ৰস্তাৱত সিহঁত একমত। কিন্তু আমাৰ মাজত আৰু এটা কথা আছিল যে, যেতিয়া আমাৰ দৰকাৰ তেতিয়াহে আনৰ পৰা ইয়াৰ বাবে সহায়ৰ হাত বঢ়োৱাতো।

সেই কাৰণে এতিয়া মই তোমাৰ পৰা সহায় বিচাৰোঁ, তুমি নিশ্চয় দিবা। কিয়নো তোমাৰ নাম দ্গিন্ত। তোমাৰ নাম তোমাৰ মা-দেউতাই এনেই দিয়া নাই। এই কাৰণে দিছে যে, যেতিয়া কাৰোবাক সহায় লাগে বা কোনোবাই আন্ধাৰ ৰাস্তাত পৰি কেনি যাওঁ বুলি আন্ধাৰতে থাকে তেনেকুৱা সকলক তুমি তোমাৰ নিজৰ উজ্বল শিখাই প্ৰকৃত ৰাস্তা চিনাই দি সহায় কৰিবা বুলি। কোৱা এইটো সচাঁনে ?

ঃ হয়, তুমিকোৱা বোৰ সচাঁ আৰু মই তোমালোকক সহায় কৰিবৰ বাবে আগ্ৰহী। তোমালোকক মই কিদৰে সহায় কৰিম, তোমালোকৰ শিক্ষা-বিজ্ঞান আৰু আৱিস্কাৰ কিন্ত মোৰ শিক্ষা সাহিত্য।

ঃ সেই বাবে মই তোমাক আমাৰ লগৰ বুলি বিবেচনা কৰিলো, কিয় জানা। সাহিত্য আৰু বিজ্ঞানৰ মাজৰ সম্বন্ধটো মোক এদিন দেউতাই ইমান ভালদৰে বুজাই দিছিল যে মই তোমাক সেইদৰে অলপো বুজাব নোৱাৰোঁ। তথাপি শুনা মই মোৰ পৰা মচিব নোৱাৰা সেই ঘটনাটোৰ কথা মনত পেলাই তাক কও। মই তেতিয়া নৱমশ্ৰেণীৰ ছাত্ৰ। সেইদিনা ৰাতিপুৱা আমি ভাত খাই সকলোৱে TV চাবৰ বাবে বহো। সেইদিনা দেওবাৰ আছিল বাবে আমাৰ স্কুল বন্ধ। আমি সকলোৱে আগতেও এইদৰে বহোঁ। সেইদিনা আমি সকলোৱে দহ মিনিট মান বহাৰ পাছত বাতৰি দিলে। তাত ক'লে যে কালি ভাৰতৰ পাঁচটা পাৰমানৱিক বোমা পৰীক্ষাত সফল। মই তেতিয়া শুনিলোযে তাত আমাৰ দেশৰ গণ্য মান্য ব্যক্তি সকল উপস্থিত আছিল। মই তেতিয়া দেউতাক সুধিলো।

ঃ দেউতা, এইটোতো বৈজ্ঞানিকৰ কাম। কিন্ত ইয়াত দেখোন সাহিত্যিক মানুহ বোৰেও উপস্থিত আছিল। তেতিয়া দেউতাই মোৰ কথাষাৰ শুনি মাক ক'লে।

ঃ শুনা ইয়াৰ কথাবোৰ । ই ভৱিষ্যতে যদি বৈজ্ঞানিক হৈ কিবা এটা আৱিস্কাৰ কৰে তেতিয়া ই বৈজ্ঞানিকৰ বাহিৰে কাকোৱেই নেদেখুৱাব। গতিকে ই কিবা এটা আৱিস্কাৰ কৰাৰ আগতে আমি কিবা এটা আৱিস্কাৰ কৰি ল'ব লাগিব।তেতিয়াহে আমি ইয়াৰ সেই আৱিস্কাৰ বোৰ চাব পাৰিম।

ঃ মা চোৱা, দেউতাই কিবোৰ ক'ব ধৰিছে। মই যেতিয়া কিবা এটা আৱিস্কাৰ কৰিম তেতিয়া তোমালোককহে আগতে দেখুৱাম। আৰু মই কিবা এটা নিশ্চয় আৱিস্কাৰ কৰিম।

ঃ কিয়, আমিতো একো আৱিস্কাৰ কৰা নাই।

ঃ মা শুনা, মই কিবা এটা আৱিস্কাৰ কৰাৰ পাছত তোমালোকক এই কাৰণে আগত উপস্থিত ৰাখিম যে, এই কিবা নামৰ আৱিস্কাৰ কৰিছিলা তোমালোকে। সেইবাবে তোমালোক আৱিস্কাৰক। তোমালোক মোতকৈ মহান আৱিস্কাৰক।

ঃ দেউতাই মোৰ কথাত ৰ'ব নোৱাৰি হাঁহি হাঁহি মাক কলে, দেখিছা আমাৰ ল'ৰাৰ মুখত যি কথা ভৱিষ্যতে ই এই পৃথিৱীত নোহোৱা বস্তু নিশ্চয় আৱিস্কাৰ কৰিব। আৰু আমি ইয়াক লৈ সকলোৱে আগত গৌৰৱ কৰিব পাৰিম।

ঃ আমি কিবা এনেই ইয়াৰ নাম গৌৰৱ ৰাখিছোনে ? ই নিজৰ নামক সন্মান কৰিবই লাগিব।

ঃ শুনা সোন মইনা। (মোক সকলোৱে মৰমতে ঘৰত এই নামেৰেই মাতে।) তুমি অলপ আগতে কৈছিলা যে সাহিত্যিক, ৰাজনীতিকৰ কথা। এই ৰাজনীতি হ'ল সাহিত্যৰে এটা অংশ। আৰু এই সাহিত্যই বিজ্ঞানৰ পথ প্ৰদৰ্শক।

মই দেউতাৰ কথা একো বুজিব নোৱাৰি দেউতাক সুধিলো।

ঃ দেউতা ই কেনেদৰে সম্ভৱ?

ঃ তেতিয়াহ'লে শুনা, যেতিয়া এই সাহিত্যৰ সন্তান সাহিত্যিক সকলে কোনো এটা বস্তৰ বিষয়ে সম্ভৱনা কৰে তেতিয়া বিজ্ঞানৰ সন্তান (বৈজ্ঞানিক) সকলে এই সম্ভৱনাক চালিজাৰি চাই হাতে কামে লাগি ইয়াক আৱিস্কাৰ কৰি পেলায়। সেই কাৰণে ইয়াক আওপকীয়াকৈ ক'ব পাৰি যে সাহিত্য হ'ল বিজ্ঞানৰ মগজু।

দেউতাৰ এই কথাৰ পৰা মই ঠিৰাং কৰিলো যে মই বিজ্ঞান শাখাত পঢ়িম আৰু আগতেই মোৰ দাদাই কলাশাখাত পঢ়ি আছে। মই তেতিয়াৰ পৰা এটা কথাই ভাবো মোৰ দাদাই মোক কিবা এটা সম্ভৱনাৰ বিষয়ে ক'ব আৰু মই তাক হাতে কামে লাগি আৱিস্কাৰ কৰিম। মোৰ এই কথাবোৰ শুনি দ্গিন্তই কলে।

ঃ ভাল গছৰ গুটি সদায় ভাল হ'বই। তোমাৰ সচাঁই ভাগ্য গৌৰৱ তুমি ইমান আদৰ্শ মূলক এজন পিতৃৰ সন্তান।

ঃ সেইবাবেই মই তোমাক দলটোৰ মাজত সোমোৱাব খোজো।

ঃ গৌৰৱ, ইয়াৰ বাবে মই তোমালোকক অকলে সহায় কৰিব পাৰিম জানো? তোমালোকৰ কলেজৰ ছাত্ৰ ছাত্ৰীবৃন্দৰ সহায় অলপ লব পাৰা।

ঃ ইয়াৰ বাবে আমি অলপো চিন্তা কৰিব নালাগে। কিয়নো আমাৰ ছাত্ৰ-ছাত্ৰী সকলোৱে কিবা এটা কৰাত আগ্ৰহী। যদি আমি ইয়াৰ বাবে সহায় বিচাৰোঁ তেওঁলোকে জীয়াই থকালৈকে আমাক সহায়ৰ ...



আমাক যে অকল কলা আৰু বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে সহায় কৰিব এইটো নহয় আমাক বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলেও সহায় কৰিব। আমাৰ এই আৱিস্কাৰক জোখ-মাখ কৰি পৃথিৱীত প্ৰতিস্থিত কৰিবৰ বাবে।

ঃ তেনেহলে আজিৰ পৰা মই তোমালোকৰ সহায়কাৰী।

ঃ দ্গিন্ত গধূলিয়েই হ'ল। আজি দিনটো ইমান ভালদৰে মানে কৰকাল ভাৱে গ'ল যে, গধূলিটো ভালে যাব, ঠিক আমাৰ কল্পনাটো যেনেদৰে সম্পূৰ্ণ সফল ভাৱে বাস্তৱত পৰিণত কৰিব পাৰিম।

আমি দুয়োটাই মুকলি আকাশৰ তলত অলপ খোজ কাঢ়ো বুলি আহিয়েই দেখিলো যে আকাশত সকলোবোৰ তৰাৰ মাজত এটি উজ্বল তৰাই জিলিকি আছে। মই মনতে ভাবিলো এই তৰাটিয়েই হ'ল আমাৰ কলেজখন। ❒

*মোৰ লগৰ প্ৰণৱ, ধ্ৰুৱ, পলি, পৰিণীতা*
*আৰু দিপাংকৰৰ হাতত বন্ধুত্বৰ এনাজৰীৰে।*



# তোমালোক কেনে আছা ?

শ্ৰী দেৱজিত দেউৰী।
*স্নাতক ২য় বৰ্ষ*



ব্যৱসায় সংক্ৰান্তত আজি ৰূপমে আহি ডিব্ৰুগড়ৰ হোটেল 'মনালিছাত' আছেহি। ব্যৱসায় কাৰণতে তেওঁ কতবাৰ এই চহৰৰ মাজেদি অহা যোৱা কৰিছে। কিন্তু তেওঁ ইয়াত থকা বা খন্তেক ৰৈ জিৰাবলৈ কোনো দিনে সাহস গোটব পৰা নাছিল। কাৰণ এই চহৰ খনত ভৰি দিলেই ৰূপমৰ হৃদয়ত সাৰপাই উঠে হাজাৰ বিজাৰ স্মৃতিৰ বাস্তৱবোৰ। যাক তেওঁ কোনো কালেই পাহৰিব নোৱাৰে। কিন্তু আজি এৰাব নোৱাৰা কামত পৰি পুনৰ কিছুদিনৰ বাবে ডিব্ৰুগড়ে হাত বাউল দি মাতিছে। আজি যেন তেওঁ আকৌ অতীতলৈ ঘূৰি গৈছে। এই চহৰতে তেওঁ জীৱনৰ পাচোঁটা মধুৰতম কলেজীয়া বছৰ অতিবাহিত কৰিছিল। ইয়াতে পাইছিল আনন্দময় দিনবোৰ আৰু তেওঁৰ হৃদয়ত কেতিয়াও মোহাৰিব নোৱাৰা বিষাদ। এই দহ বছৰতে চহৰ খনত বহুতো পৰিৱৰ্তন আহিছে। কলেজত সাজ পোছাক পিন্ধি এজাক ছাত্ৰ ছাত্ৰীক ডিব্ৰু কলেজৰ পথেদি যোৱা দেখি ৰূপমৰ মনতো পুণৰ কলেজীয়া নষ্টালজিয়াবোৰ সাৰ পাই উঠিছে। তেওঁৰ আজি পুনৰ চাব মন গৈছে, আজিও আছেনে কলেজৰ সন্মুখত থকা আকাশলজ্ৰী দেৱদাৰু গছ কিজোপা, পথৰ কাষতে থকা চাহ গছবোৰৰ মিঠা আমেজ, উশাহ ভৰি যোৱা গোন্ধবোৰ। এজাক বৰষুণতে প্লাৱিত হোৱা কলেজৰ সন্মুখৰ দূৰবিৰ দলিচাবোৰ। আজিও আছেনে বাৰু পূজা দীপাৱলিত হাৰিয়া (মদ) খাই মাদলৰ তালত গান গাই নচা মজদুৰ ভাইসকল। কলেজৰ কেন্টিনত খোৱা দুটকীয়া ফিকা চাহ কাপ। সময় উলিয়াই Common Roomত মৰা আদ্দাবোৰ। পুনৰ প্ৰাণ ভৰি ডিব্ৰু কলেজক আকৌ এবাৰ চোৱাৰ আশাৰে ৰূপমে গাড়ীখন উলিয়াই কলেজৰ ফালে অগ্ৰসৰ হ'ল। কলেজৰ ফালে যিমানেই আগুৱাই গৈছে ৰূপমৰ হৃদয়ত যেন পুনৰ সাৰ পাই উঠিছে পাচঁ বছৰীয়া কলেজীয়া দিনবোৰৰ প্ৰতিচ্ছবিয়ে।

আহক আমি উভতি যাওঁ ৰূপমৰ অতীতৰ স্মৃতিবোৰলৈ। অৰুণাচলৰ তেজু নামে এখন পাহাৰীয়া ঠাইৰ পৰা আহি এই কলেজখনত আহি পঢ়িছিল আজিৰ পৰা দহ বছৰৰ আগতে ৰূপমো। ইয়াতে তেওঁ লগ পাইছিল বন্ধু, বান্ধৱী, প্ৰিতম, ৰাহুল, দিমি, জুৰি, মাতু ইত্যাদিক। তেওঁলোকৰ লগত পাঁচ বছৰে ৰূপমে অকৃত্ৰিম মৰম চেনেহৰে বান্ধ খাই আছিল আৰু প্ৰত্যেকক সামৰ্থ্য অনুসৰি সহায় সহযোগিতা আগবঢ়াইছিল। কেন্টিনত বহি ঘন্টাৰ পাছত ঘন্টা গল্প, কবিতা আৰু প্ৰেমৰ গোপন কথাবোৰৰ আলোচনা কৰিছিল। ৰূপমৰ জীৱনলৈও প্ৰেম আহিছিল। ৰূপম আৰু প্ৰিতমে এদিন দৌৰা দৌৰিকৈ Pol Science major Class কৰিবলৈ যাওঁতে মৰম লগা মুখখনিৰে দীঘল চুলি টাৰিব সৈতে নিতুক পোন প্ৰথম বাৰৰ বাবে দেখিছিল। কিন্তু ব্যস্ততাৰ কাৰণে তাইৰ সম্পৰ্কে কোনো কথা জানিব পৰা নহ'ল বা পৰিচয় হ'ব নোৱাৰিলে। ক্লাচত ৰূপমৰ অকনো মন নবহিল। বাৰে বাৰে তাইৰ প্ৰতিছবিয়ে ৰূপমৰ চকুৰ আগত আমনি কৰিছিল। সেয়ে তেওঁৰ মনত পৰিছিল প্ৰিয় কবিৰ কবিতা ফাঁকি-





"কাইলৈৰ পৰা আপোনাক ভাল পাম
আজি যে এৰাৰ নোৱাৰা ব্যস্ততা
আজি চকা মকাকে দেখিলো আপোনাৰ চুলিখিনি কাইলৈ
জুখিম দীঘল হয়নে সিমান প্ৰেমত লাগে যিমান"।

প্ৰিতম আৰু ৰূপমৰ বন্ধু-বান্ধৱীৰ সহাযোগিতাৰ বাবে অতি সহজে ৰূপম আৰু নিতুৰ মাজত বন্ধুত্ব স্থাপন হ'ল। বন্ধুত্বৰ জৰিয়তেই দুয়ো বহু ওচৰ চাপি গ'ল। এজনে আনজনক নেদেখিলে অভাৱ অনুভৱ কৰিবলৈ ধৰিলে। ৰূপমৰ ফালৰ পৰাই নিতুলৈ ভাল পোৱাৰ প্ৰস্তাৱ আগবঢ়ালে। তাইও সহাৰি জনালে। এইদৰে দুয়ো অনাগত ভৱিষ্যতৰ বাবে সপোন ৰচিবলৈ ধৰিলে আৰু এজনে আনজনৰ ওচৰৰ পৰা কেতিয়াও আতঁৰ নোহোৱাৰ প্ৰতিশ্ৰুতিৰে। এইদৰে পাৰহৈ গ'ল চাৰিটা বছৰ। ফাইনেল ইয়েৰৰ পৰীক্ষাৰ বাবে বেছিদিন আৰু নাই। ৰূপমে পঢ়া শুনাত মনোযোগ দিছে। বহুদিন হ'ল নিতুৰ খবৰো পোৱা নাই। সেয়ে ৰূপমে নিতুৰ খবৰ ল'বলৈ বুলি তাইৰ ঘৰৰ ফালে খোজ দিলে। গৈ দেখিলে নিতু হতঁৰ ঘৰৰ আগত বিয়াৰ পেন্দেল বনাই থৈছে। নিশ্চয় নিতুৰ বাইদেউৰেকৰ বিয়া হ'ব পাৰে, ৰূপমে ভাবিলে। কিন্তু নিতুৱে তেওঁক এদিনো কোৱা নাই তাইৰ বায়েকৰ কথা। যেতিয়া নিতু হতঁৰ ঘৰৰ ভিতৰলৈ সোমাবলৈ বুলি ৰূপমে কলিং বেল টিপিলে, নিতুৰ মাকে দৰজা খুলি ৰূপমক মাত লগালে- "কিহে ৰূপম বহুদিন দেখোন তোমাৰ দেখা দেখি নাই, এইফালে তোমাৰ বন্ধুৰ বিয়া পাতিছো, তোমাৰ খবৰে নাই দেখোন।" ৰূপমে মাকৰ কথা শুনি আচৰিত হ'ল। কোন বন্ধুৰ কথা কৈছে খুৰিদেউ ? কিয় নিতুৰ আকৌ, অহা সপ্তাহত তাইৰ বিয়া, গুৱাহাটীৰ এজন অভিযন্তাৰ লগত। বহু আগৰে পৰা আমাৰ লগত চিনাকী। নিতুৱে বহু দিনৰে পৰা তেওঁৰ লগত সম্পৰ্ক স্থাপন কৰি আহিছে। সেয়ে তাইৰ ভালপোৱাক আমি স্বীকৃতি দিছো। এই কথাবোৰ শুনি ৰূপমে অকনমান সময়ো তাত ন'ৰল। কেতিয়াও তেওঁ নিতুক প্ৰশ্ন নকৰিলে তেওঁক কিয় বিশ্বাসঘাতকতা কৰিলে। কাৰণ তেওঁ নিতুক নিজৰ প্ৰাণতকৈয়ো বহু ভাল পায়। গোটেই ৰাতি সেই দিনা উজাগৰে থাকি ৰূপমে বস্তু বাহানিবোৰ সামৰি ঘৰলৈ যাবলৈ ওলাল। এইদৰেই ৰূপমৰ প্ৰথম প্ৰেম বিফল হৈছিল। তেওঁ মনতে ঠিৰাং কৰিলে এতিয়া তেওঁ সকলোৰে মাজৰ পৰা বহু দূৰলৈ আতৰি যাবগৈ য'ত গৈ তেওঁ স্মৃতিকে লৈ জীয়াই থকাৰ চেষ্টা কৰিব। নিতুৰ অবিহনে তেওঁ এইখন চহৰত একমুহূৰ্তও থকাৰ ইচ্ছা নগ'ল। ৰূপমে ঘৰলৈ যাবলৈ ওলাল। ইউনিভাৰচিটিত আৰু পঢ়াৰ, মন নাই ৰূপমৰ। তেওঁক আগবঢ়াই থবলৈ বন্ধু, প্ৰিতম, ৰন্তু, দিমি, ৰিজু আদিও ওলাল। এইদৰেই আমি আমাৰ জীৱনত বহু মানুহক লগ পাওঁ ; কিন্তু কৰ্মব্যস্ততাৰ কাৰণে বা আন বহুতো কাৰণত আমি তেওঁলোকক হেৰুৱাই পেলাওঁ। ৰৈ যায় মাথোন তেওঁলোকৰ মিঠা মিঠা স্মৃতি। এতিয়া ৰূপম এজন প্ৰতিস্থিত ব্যৱসায়ী। আজি তেওঁৰ হাতত ধন, সম্পত্তি, গাড়ী, ঘৰ ক্ষমতা সকলো আছে। এইবোৰ নোহোৱা কাৰণে নিতুৱে তেওঁক ত্যাগ কৰিছিল। ৰূপম আজিও ৰৈ আছে অন্য এজনী নিতুৰ কাৰণে যি আহি পুনৰ পুৰাব তেওঁৰ আধৰুৱা হৃদয় কোঠালী। ৰূপমৰ গাড়ীখন কলেজৰ চৌহদত প্ৰৱেশ কৰিলে। এজাক ছাত্ৰ ছাত্ৰীক কলেজৰ সন্মুখত দেখি ৰূপমৰ চিঞৰি ক'বৰ মন গল, প্ৰিয় ডিব্ৰুয়ান বন্ধু সকল ! তোমালোক কেনে আছা ? ❒

# সন্তান

শ্ৰী মানৱ কোৱঁৰ ।
*স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান শাখা)*



পাপৰিয়ে কলেজৰ গেটৰ ওচৰত ৰিক্সাখন ৰখাবলৈ নিৰ্দেশ দি ৰিক্সাৱালা জনৰফালে পাঁচটকীয়া নোট এখন আগবঢ়াই দিলে আৰু ৰিক্সাখনৰ পৰা নামি আহিল। ৰিক্সাৱালাটোৱে মুখেৰে একো নামাতি এটকীয়া নোট এখন পাপৰিক ঘুৰাই দি ৰিক্সাখন অহাবাটে ঘূৰাই ল'লে। তাই সাধাৰনতে ৰিক্সাত আহা যোৱা নকৰে। কিন্তু কলেজলৈ অলপ দূৰ বাট হোৱা বাবে ৰিক্সাতে কলেজলৈ আহিব লগা হৈছে।

'ঐ ৰিক্সা ৰখাবি'..........................................।

কলেজৰ চৌহদৰ নগা ল'ৰা এজনে চিঞৰিলে। ল'ৰাজনে ইমান জোৰকৈ চিঞৰিছিল যে পাপৰিয়ে অলপ উচ্‌প খাই-উঠিছিল। ল'ৰাটো পাপৰিৰ গাৰ কাষেদিয়েই পাৰ হৈ গ'ল। ল'ৰাটোৰ গাৰ পৰা ভাহি অহা লুনীয়া গোন্ধটোৱে পাপৰিৰ নাকটো কোচ খোৱাই পেলালে।

পাপৰিয়ে এইখন কলেজত নতুনকৈ নামভৰ্ত্তি কৰিছে, স্নাতক প্ৰথম বাৰ্ষিকত। কলেজলৈ আজিৰ দিনটো ধৰি তিনিদিনহে অহা হৈছে। তাই শাৰী-শাৰী একেছীয়া গছেৰে ভৰা ন-চিনাকী কলেজৰ পদূলিটোৱেদি খোজ পেলালে। শুকান একেছীয়া গছৰ পাতেৰে, গছৰ তলখন দলিছা পাৰি থৈছে। তাই মন কৰিলে এজোপা ডাঙৰ একেছীয়া-গছৰ তলত কেইটামান ল'ৰাই বহি কথা পাতি আছে। তাই সেইখিনি ঠাই অলপ ভয়ে ভয়ে পাৰ হ'ল। অলপ দূৰ গৈয়ে তাই প্ৰণতিক লগ পালে। তাই আগতে একেলগে পঢ়িছিল।

ঐ পাপৰি, তইতো গুৱাহাটীতহে পঢ়িবলৈ যোৱাৰ কথা আছিল। কিয় নগ'লি-তালৈ ?

বাদ দে সেইবিলাক এতিয়া। মই তোৰ লগত থাকিলে তই কি বেয়া পাৱ নেকি ?

তইয়ো যে কথা ক'ব-জান আৰু । মই সুধিলো তোক কিবা এটা আৰু ওলোটাই তই মোক সুধিলি কিবা এটা। তই মোঁৰ লগত থাকিলে মই বেয়া পোৱাৰ প্ৰশ্ন আহে নেকি ? তইয়েতো ক'ব পাৰ। আচলতে মোৰহে সন্দেহ হয় মই তোৰ লগত থাকিলে তই কি জানি বেয়া পাৱ।

ঐ তোক মই ধেমালীতে কৈছিলো। ইমান আৱেগিক নহ'লেও হ'ব দে। মা দেউতাই এজনী ছোৱালী বাবে ইমান দূৰত পঢ়িবলৈ নিদলে।

প্ৰনতিয়ে হাঁহি-হাঁহি পাপৰিৰ কানত চিকূট মাৰি দিলে। তাই পাপৰিৰ কথাত অলপ লাজ পাইছিল। সঁচাকৈ তাই সাধাৰণ কথা এটাতে কিয় জানো আজিকালি ইমান আৱেগিক হৈ পৰে। অথচ সিহঁতৰ দৰে মানুহৰ আৱেগৰ মূল্য কোনেও নিদিয়ে আৰু দিব নিবিচাৰে যাৰ দুবেলা খোৱাৰ বাবে আনৰ ঘৰত গোলামী কৰিব লগা হয় তাৰ জানো আৱেগ আৰু বিৱেকৰ মূল্য আছে? নাই, তাই আজি পৰা কেতিয়াও আৱেগক পশ্ৰয় নিদিয়ে। সকলো সাধাৰণ ভাৱেই ল'ব।

তোৰ আকৌ কি হ'ল ? অলপ আগতে কথা কৈ থকা ছোৱালীজনী একেবাৰে নি



প্ৰনতি, তই যেন মোৰ পৰা কিবা লুকুৱাই ৰাখিছ তোৰ মনৰ ভিতৰত। তোৰনো এনে কি কথা থাকিব পাৰে যিটো মই জানিব নোৱাৰো।

এতিয়া বাদ দে সেইবিলাক কথা. সেইবোৰ পাছতো পাতিব পাৰিম। ক্লাচ-ৰুম পালোহি, ঠাইখিনি অলপ মনে মনে ব'ল। নহ'লে কোনোবা ল'ৰাই এনেদৰে ফট্-ফটাই অহা দেখিলে ৰেগিং কৰিবলৈ মাতি নিব।

ৰেগিংৰ নাম শুনাৰ লগে লগে পাপৰিৰ মনটো কোঁচ খাই আহিল। তাই ঘৰৰ পৰা কলেজলৈ আহোতেই চিন্তা কৰি আহিছিল ওপৰৰ ক্লাচৰ পুৰণা ল'ৰাবোৰে ৰেগিংৰ নামত কৰা অভদ্ৰামিবোৰৰ মুখা-মুখি কেনেকৈ হ'ব ?

"আজি কালি ল'ৰাবোৰে চিনাকী হোৱাৰ আঁৰ লৈ ভালে বেয়াই এগালমান প্ৰশ্ন কৰি ছোৱালী জনীৰ ৰঙা পৰা মুখখন চাই বৰ ভাল পায়।" এইখন কলেজতে পঢ়া পাপৰিৰ মাহীয়েকৰ ল'ৰা অৰূপে এদিন সিহঁতৰ ঘৰলৈ যাওঁতে তেনেদৰে কৈছিল। আৰু কলেজত নাম ভৰ্ত্তি হোৱাৰ দিনাৰে পৰা তাইক ৰেগিংৰ ভয়টোৱে বাৰুকৈয়ে আমনি দি আছিল।

পাপৰি আৰু প্ৰনতি দ্বিতীয় বেঞ্চখনতে বহিল। অলপ সময়ৰ পাছতে গম্ভীৰ খোজেৰে ছাৰ এজন সোমাই আহিল। ছাৰ জন সোমাই আহাৰ লগে লগে গুণ-গুণনিৰে পূৰ্ণ হৈ থকা ক্লাচ-ৰুমটো একেবাৰে নিস্তব্ধ হৈ পৰিল।

প্ৰথম ক্লাচটো হোৱাৰ পাছত লৰা-ছোৱালী বিলাক ঘৰলৈ যাবলৈ ধৰিলে। এতিয়া যে আৰু ক্লাচ নহয় সকলোৱে জানে। এতিয়া কলেজত ৰৈ থাকিলে ৰেগিংৰ বান্ধোনতহে সোমাব লাগিব। পাপৰি আৰু প্ৰনতিও ঘৰলৈ যাবলৈ ক্লাচৰ পৰা ওলাই আহিল।

ঐ প্ৰনতি ঘৰত এতিয়াই গৈ কি কৰিবি ? ছিলং ৰ'ডৰ ফালে বহুদিন ফুৰিবলৈ যোৱা নাই। আজি যাঁও ব'ল, আৰু তাতে তোৰ অথনি ক'ম বুলি কোৱা কথাবিলাকো ক'বি। পাপৰি আৰু প্ৰনতি ছিলং ৰডৰ পৰা ফাটি যোৱা সৰু ৰাস্তাটোৱেদি গৈ মনচুন পাৰ্কত সোমালেগৈ। পাৰ্কত থকা পকী বেঞ্চখনতে দুয়োজনী বহিল। শাওন মাহৰ প্ৰখৰ ৰ'দ যদিও গছ-গছনি বিলাকে ঠাইডোখৰ ছাঁ কৰি ৰাখিছিল। প্ৰনতিয়ে দূৰ-দৃষ্টিৰে চাৰিওফালে এবাৰ চাই হুমুনিয়াহ কাঢ়ি ক'লে।

জান, জীৱন বোলা বস্তুটো একেবাৰে সহজ নহয়; বহু বেছি কঠিনহে। জীৱন যুদ্ধত মই হয়তো বেয়া ধৰণে পৰাজিত হৈ গৈছো। কিন্তু পাপৰি, মই কেতিয়াও থমকি নৰওঁ। যিমান বাৰেই পৰাজিত নহওঁ কিয়; মোৰ সন্মুখৰ বাট কোনেও ৰোধিব নোৱাৰে।

ঘৰত বেমাৰী আই-বোপাই কেকাই-কেকাই পৰি আছে। মই একেবাৰে অসহায় পাপৰি। চিকিৎসা কৰিবলৈও মোৰ সাৰ্মথ্য নাই। সহায় বিচাৰিলে সকলোৱে প্ৰতিদান বিচাৰে। সৰু দাদা কোনোবা বিপ্লৱী সংগঠনৰ লগ-লাগি "স্বাধীনতা" বিচাৰি গ'ল। ডাঙৰ দাদাই গুৱাহাটী চহৰত ঘৰ কৰিলে। চহৰীয়া ছোৱালী বিয়া কৰাই আপোন ঘৰ, জন্মদাতা পিতৃ-মাতৃক পাহৰি থাকিল। সি কনেকৈ এনেদৰে থাকিব পাৰিছে একমাত্ৰ ভগৱানে জানে। তাক পঢ়ুওৱাৰ খৰছ যোগান দিওঁতে আমাৰ খেতি-মাটি বন্ধকত গ'ল। ডাঙৰ দাদা কলেজত পঢ়ি থাকোতে আমি সৰু আছিলো যদিও মা-দেউতাৰ কথাৰ পৰাই বুজি পাইছিলো–তাক পঢ়ুৱাবলৈ কিমান কষ্ট কৰিব লগা হৈছিল। মাজু দাদাইও অলপ দিনৰ আগতে বিয়া কৰাই ডিব্ৰুগড়তে ভাড়া ঘৰত আছে। চহৰীয়া ছোৱালীৰ মোহত সিও সকলোকে পাহৰিলে। গাওঁৰ ল'ৰা হৈও গাওঁ নামৰ শব্দটোকে সি নুশুনে এতিয়া। ভনী জনীয়েও সাধাৰন কথাত আত্মহত্যা কৰিলে। আৰু মই .................................?? নিঃসহায়। সকলো দেখিও মই নিৰৱে থাকিব লগা হৈছে। ভনীজনীৰ আত্মহত্যাৰ কাৰন আজিও বিচাৰি নাপালো। সৰু দাদাই "স্বাধীনতা" ক'ত বিচাৰিছে তাকো নাজানো। দাদাহঁতে সকলো জানে। কিন্তু আমাৰ কথা চিন্তা কৰিবলৈ সময় নাই সিহঁতৰ। আমাৰ প্ৰয়োজনত খৰছ কৰিবলৈ সিহঁতৰ টকাৰ অভাৱ। পত্নী আৰু পইছা। এই তিনিটা শব্দই এতিয়া সিহঁতৰ জীৱন। মা-দেউতাৰ মুখলৈ চাই আৰু নিজৰ বাবে পাছ বেলা সৰু সৰু ল'ৰা চাৰিটাক পঢ়াবলৈ ওচৰৰ মানুহ এঘৰত ঘৰুৱা কাম কৰি দি মাহে তিনিশ টকা পাওঁ। কেনেকৈ জীয়াই আছো মই। অৱশ্য তোক এই বিলাক কথা কৈ তোৰ পুতৌৰ পাত্ৰ মই হ'ব বিচৰা নাই। তই মোৰ বান্ধৱী, সেইবাবেই সকলো খুলি কৈছো তোক তইঁতো দৰিদ্ৰ জীৱনৰ দুখ দেখা নাই। তই যিদিনা দৰিদ্ৰতাৰ স্বৰূপ বুজিব পাৰিবি সেইদিনাই গম পাবি কিমান কষ্ট আৰু দুখেৰে জীয়াই আছো আমি। আমাৰ দৰিদ্ৰতাৰ বিনিময়ত আমি আমাৰ সকলো আশা বিসৰ্জন দিব লগা হয়। আমি এতিয়া সপোন দেখাটোও ভুল। আমি খোৱাৰ বাদে আন চিন্তা কৰিব নোৱাৰো। পেটৰ চিন্তাই সকলোকে তল পেলায়। কেতিয়াবা আই-বোপাইক খাবলৈ দি মোৰ বাবে নাথাকেগৈ। তেতিয়া মই কি কৰো জান পাপৰি ?...................... দুগিলাচ মান পানী খাই ওৰে ৰাতি বিছনাত বাগৰ সলাই সলাই পাছ দিনাৰ বাবে চিন্তা কৰো। ভগৱানৰ চিন্তা মই কোনো দিনে কৰা নাই। যদি সঁচাকৈয়ে ঈশ্বৰ আছে তেন্তে দুখ থকা মানুহ বিলাকেই

কেৱল দুখ বুটলিব নাপায় আৰু সুখ থকা মানুহ বিলাকেই সুখৰ জখলা বগাবলৈ নাপায়।

প্ৰনতি তই এই বিলাক কথা কিয় মোক আগতে কোৱা নাছিলি ? মই জানো তোক কিবা ধৰণে সহায় কৰিব নোৱাৰিলোহেতেঁন ?

শুন পাপৰি, ———এই বিলাক ঘটনা ইমান সোনকালে হৈ গ'ল যে মই একেবাৰে বোবা হৈ গ'লো। পৰীক্ষা শেষ কৰি আহি ঘৰত গম পালো সৰু দাদা বোলে এতিয়া বহু দূৰত আছে। সি ঘৰলৈ ডাক যোগে এখন চিঠি পঠিয়াইছে। চিঠিখন দেউতাক উদ্দেশ্য কৰি লিখিছিল। সেইদিনাই ডিব্ৰুগড়ৰ পৰা মাজু দাদাও ঘৰলৈ আহিছিল। সি সৰু দাদাৰ চিঠিখন পঢ়ি তাৰ পুৰণা খংটো আকৌ উঠিল। ঘৰত সকলোকে গালি পাৰিলে। সৰু দাদাৰ পঢ়াৰ টেবুল ভাঙিবলৈ গৈ ভন্টিৰ টেবুলখনকে গুৰিয়াই ভাঙি পেলালে। ভন্টিৰ কিতাপবোৰ য'তে ত'তে সিঁচৰতি হৈ পৰিল। কিতাপ এখনৰ পৰা কেইখন মান চিঠি আৰু কোনোবা ল'ৰা এটাৰ স'তে একেলগে তোলা ভন্টিৰ ফটো এখনো ওলাই পৰিল। চিঠি বিলাক কোনোবা প্ৰদীপ নামৰ ল'ৰা এটাই ভন্টিলৈ দিছিল। দাদাৰ খং এইবাৰ দুগুন বাঢ়িল। ভন্টিক হাতত ধৰি ইমানকৈ বাহৰ মাৰি এডালেৰে মাৰিলে যে ভন্টি তাতে অচেতন হৈ পৰিল। মইও থকা ঠাইতেই অজ্ঞান-অবাক আৰু নিৰৱ হৈ পৰিলো। মানুহো যে ইমান নিষ্ঠুৰ হ'ব পাৰে মই সেইদিনাহে বুজিলোঁ। লৰি গৈ বাল্টি এটাত পানী অলপ আনি মা আৰু ভন্টিৰ মূৰত দি দিলো। মাই-অকনমান সময়ৰ পাছত চকুদুটা লাহে লাহে মেলিলে। ভন্টি কিন্তু থকা ঠাইতেই নিশ্চুপ পৰি ৰ'ল। দাদাই খু-উ-ব চিঞৰ বাখৰ কৰি গুচি গ'ল। যাওঁতে হৈ দাদাই গেটৰ সন্মুখতে জেপৰ পৰা ১০ টকীয়া বান্দোল এটা উলিয়াই মোৰ কালে দলি মাৰি গুচি গ'ল।

ৰাস্তাইদি যোৱা ৰিক্সাখন ৰখাই মা আৰু মই ভন্টিক দাঙি নি ৰিক্সাত উঠালোগৈ। দাদাই দলিয়াই দি যোৱা টকা লোৱাৰ মানসিকতা নাছিল যদিও ভন্টিৰ জীৱনৰ কথা চিন্তা কৰিয়েই তুলি ল'লো হাতেৰে। মাক দেউতাৰ ওচৰত থৈ মই ভন্টিক ডাক্তৰৰ ওচৰ পোৱালোগৈ।

সম্পূৰ্ণ এদিনৰ পাছত ভন্টিৰ চেতনা আহিল। মূৰত আঘাত পোৱাৰ বাবে চকু দুটা ভালকৈ খুলিব পৰা নাছিল। মই হস্পিতেলৰ পৰা ঘৰলৈ অহা যোৱা কৰিব লগা হৈছে। ঘৰলৈ গ'লে দেউতাই মুখখন দুহাতে ঢাকি উচুপি উঠে। মই সহ্য কৰিব নোৱাৰি ওচৰৰ পৰা আঁতৰি আহো। মাইও ফেকুৰি সৰু ছোৱালী এজনীৰ দৰে কান্দে। মই কান্দিব নোৱাৰো। হাজাৰ দুখে আৱৰিলেও মোৰ চকুপানী নোলোৱা হ'ল। দুদিন দুৰাতি সকলোৰে অলক্ষিতে একেৰাহে কান্দি কান্দি মোৰ চকুপানী শেষ হৈ গ'ল। বুকুখন মাথো বিষাই উঠে। মই তেতিয়া সৰু ছোৱালীজনীৰ দৰে মাৰ কোলাত মূৰটো থৈ অলপ শান্তি বিচাৰো। মাইও মোৰ চুলিৰ ফাঁকে ফাঁকে আঙুলি বুলাই দি সমিধান বিচাৰে মনে মনে। মাৰ মনত হয়তো তেতিয়া এটাই ভাৱ একো নাই যদিও অশূন্যতাৰে ভৰা আমাৰ জীৱন।

ডাঙৰ দাদালৈ টেলিগ্ৰাম কৰিলো, ফোন কৰিলো যদিও সহায় আৰু সান্তনাৰ সহাঁৰি নাপালো। তাৰ বোলে ঘৰলৈ আহিবলৈ অসুবিধা, দৰমহা পোৱা নাই। গতিকে পইচাও পঠিয়াব নোৱাৰে। ভন্টিতো সকলোৰে মৰমৰ আছিল অথচ তাইৰ চিকিৎসাৰ বাবে দাদাহঁতে এনেদৰে গা-এৰা দিয়াটো মই সহজ ভাৱে ল'ব নোৱাৰিলো। মই মনে মনে প্ৰতিজ্ঞা কৰিলো—ভন্টিক যেনেদৰেই হওঁক আৰোগ্য কৰিবই লাগিব। সৰু দাদা থকা হলে নিজৰ কলিজাটো বেছি হলেও কিজানি ভন্টিক সুস্থ কৰিলেহেঁতেন। অন্তৰত এক অবুজ হাহাঁকাৰ লৈ পাতল কপাহী চুৰিদাৰ পিন্ধি টাউনৰ সোনাৰীটোৰ ওচৰলৈ যাওঁ বুলি ওলালো। মাজুদাদাই দলিয়াই দি যোৱা এহেজাৰ টকা কেতিয়াবাই শেষ হ'ল। সম্পতি বুলিবলৈ ঘৰত একোৱেই নাই। হাতৰ খাৰুযোৰ আৰু কানৰ কানফুলিযোৰ বিক্ৰি কৰাৰ বাদে আন একোৱেই উপায় নাছিল মোৰ।

ভন্টিৰ প্ৰয়োজনীয় কিছুমান ঔষধ কিনি ডাক্তৰক পাঁচশ টকাদি সোনাৰীৰ পৰা পোৱা দুহাজাৰ টকাৰ মোৰ হাতত থাকিলগৈ মাথো সাঁতশ টকা। ঘৰত বহুতো বস্তুও কিনিব লগা আছে। দেউতাৰ বুকুৰ বিষৰ দৰৱৰ পৰা চাউল-দাইললৈকে কিনিবলৈ আছে।

দোকানৰ পৰা চাউল-দাইল আদি লৈ ঘৰ পাওঁগৈ মানে সন্ধিয়া হ'ল। মা মই গোঁসাই ঘৰত চাকি জ্বলাই প্ৰাৰ্থনা কৰিবলৈ বহিছে। গৰম পানী অলপ কৰি দেউতাৰ হাত-ভৰিবোৰ ধুৱাই দিলো। দেউতাই বিহবল দৃষ্টিৰে মোৰ ফালে মাথো চাই আছে। দেউতাৰ মনটো ভন্টিৰ খবৰ জানিবলৈ উদগ্ৰীৱ যে হৈ আছে বুজি পালো। ভন্টিয়ে ভাল পাইছে বুলি কৈ দেউতাৰ ওচৰৰ পৰা আঁতৰি আহিলো। দেউতাই কথা কব নোৱাৰে যদিও বুজি পাইছিলো ভন্টিৰ বিষয়ে আৰু অলপ বেছিকৈ জানিব বিচাৰিছিল।

পুৱাই শুই উঠি বিছনাৰ পৰা নামি খিৰিকীখনৰ কাষলৈ গৈ পুৱাৰ ৰঙা বেলিটো কিছু ক্ষণৰ লাগি চাই আছিলো। বিছনাখন ঠিক কৰি আগফালৰ বাৰান্দালৈ ...



তেনেতে দেখিলো হস্পিতেলৰ ওৱাৰ্ড বয় এটা খৰ খোজেৰে আমাৰ ঘৰলৈ সোমাই আহিছে। মোৰ বুকুৰেদি পুনৰ এক বেদনাৰ ঢল· বৈ আহিল। ভয়ে ভয়ে বয়টোক কি হ'ল বুলি সোধাত তাৰ পৰা যিটো উত্তৰ পালো মোৰ এনে লাগিছিল যেন আকাশখনহে মোৰ মূৰত খহি পৰিল আৰু তাৰ বোজা মই যেন সহ্য কৰিব পৰা নাই। যেনেদৰে আছিলো তেনেদৰেই হস্পিতেল পালোগৈ। দেখিলো গা মোহাৰিবলৈ দিয়া–গামোছাখন আৰু বেড়ক'ভাৰখন গাঠি লগাই ভন্টি ছিলিংফেনখনত ওলমি আছে। তাইৰ ভৰি দুটাত ধৰি কিমান সময় মই চিঞৰি চিঞৰি কান্দি আছিলো ক'ব নোৱাৰো, কিন্তু এনে লাগিছিল মই যেন গোটেই জীৱন কান্দিয়েই থাকিম।

ভন্টিক সৎকাৰ কৰি আহি ঘৰত থাকিবলৈ মন নোযোৱা হ'ল। মই বলিয়াৰ দৰে প্ৰলাপ বকিছো। দেউতাই আনদিনা বিছনাৰ পৰা উঠিব নোৱাৰে যদিও কিবা শক্তিৰ বলত উঠি আহি বেৰত মূৰটো খুন্দিয়াই তেজেৰে ৰাঙলী কৰি পেলালে। চুবুৰীৰ সকলো মানুহেই আমাক সান্তনা দিছিল যদিও মোৰ সেইদিনা এনে লাগিছিল সিহঁতে যেন আমাক পুতৌ কৰিহে তেনেদৰে দুখ কৰিছে। মই মনটো ডাঠ কৰি দেউতাক বিছনাত শুৱাই থলো।

মাজনিশা হঠাৎ দুৱাৰত টোকৰ পৰিল। মোৰ ভাৱ হ'ল সৰু দাদাই হয়তো ভন্টিৰ মৃত্যুৰ খবৰ শুনি আহিছে। মই ঘপ্‌কৈ উঠি দুৱাৰখন খুলি দিলো। কিন্তু মই এইয়া কি দেখিছো..........! খোৱা বৰণীয়া পোছাক পিন্ধা এগালমান সৈন্য আমাৰ ঘৰৰ ভিতৰলৈ সোমাই আহিল। এটাই মোক হিন্দীত সৰু দাদা ক'ত আছে সুধিলে। মই নাজানো বুলি কোৱাত মোক চুলিত ধৰি চোচৰাই বাহিৰলৈ টানি আনি বাৰান্দাত..............। পাপৰি শুনিবি জানো সেই নিশাৰ ঘটনা আৰু ? মোৰ নিজৰেই ক'বলৈ সাহস নহয়, তই কেনেদৰে শুনিবি ? সেই নিশাৰ কথা মাৰ বাহিৰে আন কোনেও নাজানে। আজি কিন্তু তইয়ো গম পালি। অৱশ্যে অলপ দিনৰ পাছত সকলোৱে গম পাব। কিয় জান পাপৰি??..................সেই নিশাৰ ফলশ্ৰুতিত মোৰ গৰ্ভত ভাৰতীয় সেনাৰ পোছাক পিন্ধা ধৰ্ষন কাৰীৰ সন্তানে থিতাপি লৈছে। সঁচাকৈ কি বৰ্বৰ, আৰু অত্যাচাৰী। নিৰপৰাধী মানুহক হত্যা কৰি; অসহায়, অকলশৰীয়া নাৰীক ধৰ্ষন কৰি বিজয়ৰ মালা পিন্ধিবলৈহে যেন সিহঁতৰ অসমলৈ আগমন। আজি মই ভাৰতীয় সেনা বাহিনীৰ বীৰত্বৰ কথা নকওঁ, মোৰ মনত ভাৰতীয় সেনাৰ প্ৰতি মাত্ৰ এটাই ধাৰণা। সেইয়া হ'ল- যদি ধৰ্ষন কৰিবই নাজানে সি ভাৰতীয় সেনা হ'বই নোৱাৰে।

ভাৰতীয় সেনাৰ পুৰুষত্বৰ (?) বিনিময়ত কুমাৰী হৈয়ে মই মাতৃ হ'বলৈ আগবঢ়িছো। এই সন্তানৰ ভাগ হিচাবে, এই সন্তানৰ গৰাকীৰবাবে সকলো বদনাম মইয়ে মূৰ পাতি ল'ব লাগিব। সেই কাপুৰুষটোৱে ইয়াৰ পিতৃত্ব স্বীকাৰ কৰিবলৈ কোনোদিনেই নাহে। সি বিহাৰ, পঞ্জাৱ নে ৰাজস্থান সেইয়া মই নাজানো। মই মাথো জানো সি মোৰ গৰ্ভৰ সন্তানৰ পিতৃ । কিমান অসহায় নাৰী এনেদৰে কামনাৰ বলি হৈছে তাৰ হিচাপ কোনেও নাজানে। আনকি কাৰ বাবে এই অৱস্থা হৈছে সিহঁতৰো ইয়াৰ খবৰ ৰাখিবলৈ সময় নাই।

পাপৰিৰ দুগালেদি বৈ অহা চকুলো কেইটোপাল প্ৰণতিয়ে মোহাৰি দি ক'লে...... ধ্যেৎ আকৰীজনী, মইয়ে কন্দা নাই, তই কিয় কান্দিছ? কান্দিলে জানো সমস্যাৰ সমাধান হয় ? কান্দিলে কেৱল নিজৰহে কষ্ট হয়। চকুৰ পানীবোৰ দুখবোৰ বেছি গভীৰহে কৰে। মই ভাৱিছো মোৰ গৰ্ভৰ সন্তানটো জন্ম দিম। সন্তাটো যদি ছোৱালী হয় ভালেই। যদি ল'ৰা হয় মই কিন্ত তাক আন পুৰুষৰ দৰে কাপুৰুষ হ'বলৈ কেতিয়াও নিদিও। তাক মই নিৰ্ভীক, সৎ, হিচাপে গঢ় দিম। পুৰুষত্বৰ অহংকাৰ তাৰ মনত মই কোনোদিনে জন্ম হ'বলৈ নিদিও। সিটো একো অপৰাধ কৰা নাই। মই জানো তাক ধ্বংস কৰিব পাৰিম ? মই কিন্তু ইয়াৰ বাবে তোৰ সহায় বিচাৰিছো। মই বিচাৰো অনাগত সন্তানটো সকলোৰে আগত ভাৰতীয় সেনাৰ কলংকৰ প্ৰতীক হোৱাটো। সিও ডাঙৰ হ'লে বুজিব পুৰুষত্বৰ অহংকাৰে এজনী নাৰীৰ জীৱন কি দৰে ধ্বংস কৰে। যদি সন্তানটো ছোৱালী হয় তেন্তে তাইয়ো বুজিব পাৰিবি পুৰুষত্বৰ অহংকাৰে নাৰীৰ সপোন কেনেদৰে চূৰ্ণ কৰে। মই মাথো তোৰ সহায় বিচাৰো পাপৰি। তই বাৰু মোক সহায় কৰিবিনে ?

পাপৰিয়ে প্ৰণতিৰ হাত দুখন জোৰেৰে মুঠি মাৰি ধৰিলে। প্ৰণতিৰ এনে লাগিল তাই যেন এক নতুন শক্তি পাইছে। আৰু সেই শক্তিয়ে পৃথিৱীৰ সকলো বাধাই অতিক্ৰম কৰিব পাৰিব। ❒

# মমতা

শ্রী প্রণৱ কুমাৰ চাংমাই
*স্নাতক ১ম বাৰ্ষিক (কলা)*

ক্ৰমে চহৰখনলৈ আন্ধাৰ নামি আহিছে। পশ্চিমৰ আকাশত হেৰাই যাব খোজা অৰুণে লাহে লাহে নিজৰ জ্যোতি সংকোচন কৰি আনিব ধৰিছে। পথৰ কাষৰ শাৰী শাৰী ষ্ট্ৰীট লাইটবোৰ এটা এটাকৈ জ্বলি উঠিছে।

আনদিনাৰ দৰে স্বৰ্ণমঠ চাৰিআলিৰ কেউকাষৰ দোকান কেইখনো ক্ৰমাৎ কৃত্ৰিম পোহৰে পোহৰাই তুলিলে। বাবলু পাণ দোকানীয়ে বেৰত আঁৰি থোৱা ভগৱানৰ ফটোখনৰ তলত জ্বলন্ত ধূপদাল গুজি থৈয়েই আলিৰ ফালে চকু দিলে। পদব্ৰজকাৰীৰ সংখ্যা বাঢ়িছে। সেই সন্ধ্যাভ্ৰমণ কৰা ডেকা-গাভৰুৰ কোমল পদপৰশত দিনৰ গাড়ী-মটৰৰ চকাৰ ভৰত কেকাই থকা আলিটোৱে যেন অকণমান বেচিকৈ বেদনা অনুভৱ কৰিছে। অৱশ্যে চহৰৰ উপকণ্ঠ অঞ্চল হোৱা বাবে ইয়াত সন্ধ্যাসময়ত সিমান গাড়ী মটৰৰ প্ৰভাৱো নপৰে। কেৱল ওচৰৰ কলেজত পঢ়া দু-দুৰণিৰ লৰা-ছোৱালী বিলাকেহে এই সময়ত নিজ নিজ ৰুমৰ পৰা ওলাই আহে। বাবলুৱে অলপপৰ তেনেদৰেই চাই থাকিল। নাই আজি আৰু ল'ৰাকেইটা অহাৰ কোনো লক্ষণেই নাই। ভালেই হৈছে। যিহে সিহঁতৰ আড্ডা। ইফালে সি একো বেয়াকৈ ক'বও নোৱাৰে। তথাপিও তাৰ কোমল অন্তৰত কিবা হেৰোৱা দুখে ক্ৰিয়া কৰিলেহি। প্ৰকৃততে সেই ল'ৰাকেইটা আহিলে যিমান বেয়া লাগে নাহিলে তাৰ বেছি বেয়া লাগে। কেইদিনমানৰ পৰা সিহঁতৰ সেই আড্ডাত কৃষ্ণ নামৰ ল'ৰা এটা নতুনকৈ যোগ দিছেহি। যিহে ফুচুৰি লৰা! তাৰ কথা শুনিলে মৰা মানুহেও যেন উঠি পগলাৰ দৰে হাঁহিব। অৱশ্যে আজিলৈকে সিহঁতে কাৰোৱে লগত অসভ্যালি কৰা বাবলুৱে শুনা নাই। হয়তো ভাল ঘৰৰ ল'ৰা। আড্ডা মৰা কেইটামানৰ বোলে কলেজত কিবা 'গাৰ্ল ফ্ৰেণ্ড' 'চাল ফ্ৰেণ্ড' আছে। বাবলুৱে বুজি নাপায় এই গাল ফ্ৰেণ্ডৰ অৰ্থ। অৱশ্যে আজিলৈকে ইয়াৰ প্ৰকৃত অৰ্থ কাকো সোধাৰ প্ৰয়োজন বোধ কৰা নাই। কেৱল সি ইয়াৰ অৰ্থ ভাল ছোৱালী নাইবা ধুনীয়া ছোৱালী বুলিহে ভাবি থৈছে।



ঃ ঐ বাবলুকাই জৰ্দা পাণ পাঁচখনমান বনোৱা।

হঠাৎ ৰাজীৱ নামৰ ল'ৰাটোৰ মাতত তাৰ চিন্তাত যতি পৰিল। লৰালৰিকৈ ৰঙা কাপোৰ টুকুৰাৰ তলৰ পৰা পাঁচ খিলা পাণ উলিয়াই চূণ লগাই থকাৰ মাজতে শুধিলে- “কি হে ৰাজীৱ লগৰ কেইজন আজি নাই নেকি...



ঃ আছে ........... আছে ............। সৌ কেইটা। সিহঁতৰ বাবেইতো পাণ বনাবলৈ কৈছো। ৰাজীৱে আলিটোৰ সিটো পাৰে থকা পাৰ্থ, নব, ডিউকহঁতলৈ আঙুলিয়াই দেখুৱালে।

ঃ কি খবৰ হে বাবুল কাই ........... ? পাৰ্থই এটা হাঁহি মাৰি সুধিলে।

ঃ ৰবৰৰ দৰে।

তাৰ উত্তৰত কেউটাৰেই হাঁহি উঠিল। অৱশ্যে এনেদৰে ক'বলৈ বাবলুৱে কৃষ্ণৰ পৰাহে শিকিলে। এটা এটাকৈ পাণ মুখত ভৰাই ওচৰত পাৰি থোৱা বেঞ্চখনত বহি পৰিল। কেইমুহূৰ্ত্তমান নিৰৱে পাৰ হ'ল। তাৰ পিছত নবই উচ্চস্বৰে কৈ উঠিল - “ঐ তহঁতেচোন মৌন প্ৰাৰ্থনা কৰাৰ দৰে আছ যে কিবা এটা কথা উলিওৱাচোন।”

ঃ কিনো কম, ক'বলগীয়া ভাষাবোৰ যে ক্ৰমে শেষ হৈ আহিছে। যেনেদৰে আমাৰ জীৱনটোও শেষ হৈ আহিছে এক জ্বলন্ত চিগাৰেটৰ দৰে। ৰাজীৱে ৰসিকতা কৰি ক'লে।

ঃ তইচোন একেবাৰে কবিৰদৰে কথা ক'বলৈ ধৰিছ যে। ডিউকে– ব্যংগাত্মক সুৰেৰে কৈ উঠিল। লাহে লাহে সিহঁতৰ আড্ডা আগবাঢ়ি গ'ল ক্ৰমবৰ্দ্ধমান গতিত। সেই আড্ডাৰ পৰা কিন্তু পাৰ্থই নিজকে আঁতৰাই মনে মনে কিবা ভবাত ব্যস্ত আছিল।

ঃ হেৰা পাৰ্থ বৰ মনে মনে আছা যে...? কাৰোবাৰ প্ৰেমত পৰিছা নেকি? প্ৰকৃততে যিয়ে প্ৰথমে ন কৈ প্ৰেমত, পৰে সি হে এনেদৰে আড্ডাৰ পৰা নিজকে আঁতৰাই ৰাখে।

সৌৰভ নামৰ ল'ৰাটোৱে ধেমালিকৈ কোৱা কথাত পাৰ্থই একো প্ৰতিক্ৰিয়া নেদেখুৱাই বৰঞ্চ মনে মনে ৰ'ল। সিহে জানে তাৰ মনৰ ভিতৰত কিহে ক্ৰিয়া কৰি আছে। তাৰ এই ক্ৰিয়াৰ কথা কেৱল সি কৃষ্ণৰ বাদে আন কাকো কোৱা নাই। অৱশ্য এই আড্ডাত কৃষ্ণও নাই। ঘৰলৈ যোৱা দুদিন হ'ল। আজি অহাৰ কথা আছিল। ইমান দেৰিলৈকে নাহিল যেতিয়া অহাৰ আশা ক্ষীণ। ইফালে ৰাজীৱহঁতৰ আড্ডা চলি আছে। পাৰ্থই হাতৰ ঘড়ীটোলৈ চালে। আঠ বাজিবৰ হ'ল। তাৰমানে ৰুমলৈ যাবৰ সময় হ'লেই। তেনেতে সিহঁতৰ ওচৰত ধীৰাজ, দেৱজীত আৰু কৃষ্ণ ক'ৰবাৰ পৰা হঠাৎ ওলালহি। কৃষ্ণৰ হাতত এটা চাউলৰ বেগ।

ঃ ঐ তহঁতে এনেদৰে অসময়ত কৰ পৰা ওলালিহি....? চিনেমা হলত নে আন ক'ৰবাত সোমাইছিলি। পাৰ্থই সিহঁতক উদ্দেশ্যি সুধিলে।

ঃ নাই —নাই মানে.... মইতো চাৰিমান বজাতেই পাইছিলোহি। ইহঁত দুটাইহে লগ ধৰাত নগৰৰ মাজ মজিয়াত থকা বৰ নামঘৰটোত দহটকীয়া প্ৰসাদ এভাগ খাই খোজেৰে আহেতেই ইমান সময় হ'ল। নহ'লেতো কেতিয়াবাই পালোহিহেঁতেন। কৃষ্ণই হাঁহি হাঁহি ক'বলৈ ধৰিলে।

ঃ বাৰু সেইবোৰ থ। আমাৰ ঘৰৰ খবৰ কচোন।

পাৰ্থই আবেগ মিহলি ভাবে কৈ উঠিল। তাৰ ঘৰৰ ওচৰতে কৃষ্ণহঁতৰ ঘৰ। গতিকে কৃষ্ণ ঘৰলৈ গ'লে পাৰ্থৰ ঘৰৰো খবৰ লৈ আনে। আটাইবোৰ তেতিয়া মনে মনে আছিল। কৃষ্ণই বাবলুক পান এখনৰ অৰ্ডাৰ দি ক'বলৈ আৰম্ভ কৰিলে —'কি হ'ল পাৰ্থ, আজি ইয়ালৈ আহোঁতে চাৰিআলিতে লগ পাই গলো। বহুসময় ধৰি কথা পাতিলো। সৰহভাগ তোৰ কথাই কৈছে। তোক কিন্তু বহুত ভাল পায় দেই। তই হে আহি ইয়াত দিনক দিনে মদ চিগাৰেটৰ পাল্লাত পৰিছহি। তোৰ ভাল হোৱাতো সদায়ে কামনা কৰিছে। তাৰ বাবে হেনো মন্দিৰত পূজা এভাগও আগ কৰি থৈছে..........। কথাৰ মাজতে কৃষ্ণই বাবলুৰ পৰা পাণখন লৈ মুখত ভৰালে। ইমান পৰে আড্ডাৰ সকলোৱে তাৰ মুখলৈ কৌতুহল ভৰা অপলক চাৱনিৰে চাই আছিল। সকলো নিৰৱ নিমাত। কাৰোৱে মুখত 'তু' শব্দ এটা নাই। সকলোৱে কেৱল ভাবিছে পাৰ্থই নিশ্চয়কৈ কোনো ছোৱালীক ভাল পায়। তাৰ প্ৰেয়সীয়ে তাক হয়তু বহুত ভাল পায়। কিন্তু এই বিষয়ে যে সি আজিলৈকে সিহঁতক একোৱেই কোৱা নাছিল। কোন হ'ব পাৰে এই অকৃত্ৰিম প্ৰেমৰ অধিকাৰিণী। মুখৰ ভিতৰত জমাহোৱা পিক্‌খিনি দুৰলৈ পেলাই দি কৃষ্ণই পুনৰ কবলৈ ধৰিলে– “তোক ভালদৰে পঢ়িবলৈ কৈছে। ভালদৰে পাচ কৰিলেহে এটা সংস্থাপনৰ যোগাৰ কৰিব পাৰি। নহ'লে আজিৰ যুগত খোজ পেলোৱাটোৱেই যে কঠিন। যিহে দিনকাল হৈছে। ঘোচ দিলেও চাকৰি পোৱাটো টান। তাতে পঢ়াত ভাল নহ'লে যে বাওনা হৈ চন্দ্ৰমা ধৰা অলিক কল্পনাৰ দৰে। আজিৰ যুগ হেনো প্ৰতিযোগিতাৰ যুগ। ঠিক ডাৰউইনৰ প্ৰাকৃতিক মতবাদৰ দৰে।

অলপ সময় ৰৈ সি আকৌ পিক পেলালে। এতিয়ালৈকে

পাৰ্থইও বুজি পোৱা নাই প্ৰকৃততে কৃষ্ণই কাৰ কথা কৈ গৈছে। সি কেৱল ভেবা লাগি চাই থাকিল অকঁৰাৰ দৰে।

ঃ কোননো সেই নাৰী......। তাৰ পিছত আৰু কি কৈছে সোনকালে কৈ যা। ন বাজিবৰে হ'ল। ইফালে ভোকো লাগিছে। ধীৰাজে উৎসুকতাৰে চিঞৰি উঠিল।

ঃ ৰবা হে...........। ইমান খৰখেদা কিয়? ধৰাহওক এখন নাটক চলি আছে আৰু কেইটামান দৃশ্যৰ পিচতেই এই নাটকৰ যৱনিকা পৰিব। যদি শেষৰ দৃশ্যতো আগতিয়াকৈ প্ৰদৰ্শন কৰি দিয়ে তেতিয়া নাটকৰ প্ৰকৃত মাদকতাকণো হেৰাই যাবচোন। ধৰ মোৰ কথাবোৰো এখন পূৰ্ণাংগ নাটকৰ দৰে...........।

ঃ তোৰ লেকচাৰ বন্ধকৰ ........। প্ৰকৃত কথালৈ আহ। আমাক আৰু বেছি কৌতুহলী কৰি নুতুলিবি। দেৱজিতে প্ৰায় ধমকৰ সুৰতেই কৈ পেলালে। তাৰ কথাত কৃষ্ণই এটা মৃদু হাঁহি মাৰি ক'বলৈ ধৰিলে। "আৰু কৈছে যে তোৰ লগৰ কোনোবা বিপথে পৰিচালিত হ'লে তাক মূল সুতিলৈ অনাতো তোৰো এক কৰ্তব্য। কাৰণ তহঁতৰ ওপৰতেই যে দেশৰ ভৱিষ্যত। তোৰ ওপৰত বহু আশা কৰিছে। এক ৰঙীন সপোন বাস্তৱত পৰিণত হোৱাৰ আশা। সেই আশা মোক কোৱা নাই দেই। কেৱল সেই মহিয়সীয়েহে সংগোপনে হৃদয়ৰ মণিকোঠাত সুমোৱাই ৰাখিছে সেই আশাৰ স্তুপ.....।

ইফালে বাবলুৱে দোকান বন্ধ কৰিও থমকি ৰৈ গৈছিল কেৱল এটা শব্দ শুনাৰ মানসেৰে। কোন সেই নাৰী! যিয়ে ইমান গভীৰ প্ৰেম বন্ধনেৰে আবৃত মৰমৰ উপদেশ দিব পাৰে। অবিবাহিত বাবুলৰ পঞ্চল্লিশ বছৰ বয়সতো অলপ সময়ৰ বাবে নাৰীৰ প্ৰতি প্ৰথম এক স্নেহ জাগি উঠিল। অশিক্ষিত বাবলুৱেও অনুভৱ কৰিলে যে নাৰী সচাঁকৈয়ে মহিমাময়ী। সি কৃষ্ণই কৈ যোৱা কথালৈ মন দিলে। কৃষ্ণই অনৰ্গল কৈ গৈছে–"........ সেইবিলাক জীৱনৰ শেষ মুহুৰ্ত্তলৈকে জীয়াই ৰাখিব যদিহে পূৰণ নহয়। তই এজন ভাল মানুহ হৈ ঘুৰি নোযোৱালৈকে আশাৰে ৰৈ থাকিব। নহ'ও কৈছো তই অলপ ভাল হ'বলৈ চেষ্টা কৰ। কিহৰ বেদনাত নিজকে নিঃশেষ কৰি দিবলৈ ওলাইছ। তোৰবাবে যে এখন বিশ্ব ৰৈ আছে আৰু তাৰো প্ৰান্তত ৰৈ আছে দুহাত মেলি এগৰাকী নাৰী........... সেইয়া হৈছে..........। কৃষ্ণ ৰৈ গ'ল।

সেইয়া কোন ? গোটেইবোৰে যেন সমস্তৰে চিঞৰি উঠিল। কৃষ্ণই জেপৰ পৰা ৰুমাল এখন উলিয়াই মুখখন মচি ললে। চাৰি আলিটোত তেতিয়া সিহঁতৰ বাদে আন কোনোৱেই নাছিল। অদুৰত গাড়ীৰ হেডলাইটৰ পোহৰ ক্ৰমাৎ ওচৰ চাপি আহিছে। লগতে চাইৰেণৰ শব্দ। হয়তো পুলিচৰ গাড়ী। গোটেই জাকে পলাবলৈ প্ৰস্তুত হ'ল। ক্ৰমাৎ পোহৰ ওচৰ পালেহি। কিন্ত কৃষ্ণই যিটো শব্দ উচ্চাৰণ কৰিলে সেইটো শুনি সকলো খন্তেকৰ বাবে হ'লেও থমকি ৰ'বলৈ বাধ্য হ'ল। কৃষ্ণই দৌৰ মৰাৰ আগেয়ে চিঞৰি কলে "সেইয়া হৈছে পাৰ্থৰ মাক........."। ❒




# "শুকুলা ডাৱৰত এক তেজস্বী ঘোঁৰা"

শ্ৰী জয়ন্ত লাহন।
*বি, এচ্, চি, ৩য় বাৰ্ষিক।*

যোগেনৰ মনটো আজি বৰ স্ফুটি দেখা গৈছে। স্ফুটি লাগিবও, কাৰণ যোৱাকালিৰ পৰীক্ষাটোৰ পৰাই তেওঁ নিশ্চিত হৈ পৰিছে যে এইবাৰ মেডিকেল শেষান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰিব। সচাঁকৈয়ে যদি প্ৰথম শ্ৰেণী লাভ কৰে তেন্তে তেওঁলোকৰ ঘৰখনলৈ উন্নতিৰ আগমন নিশ্চিত। বেচেৰা যোগেনৰ দেউতাকেও ঘৰখন কম কষ্টৰে চলোৱা নাই। কষ্ট নহ'বনো কিয়। তেওঁতো চাকৰিৰ নামত সৌ মধ্য ইংৰাজী বিদ্যালয় এখনৰ শিক্ষকহে। এফালে পুতেক যোগেনক পঢ়ুওৱাৰ উপৰিও একমাত্ৰ কণ্যা সন্তান মৌচুমীকো পঢ়ুৱাইছে। তাই এইবাৰ হায়াৰ ছেকেণ্ডেৰী ২য় বাৰ্ষিকৰ ছাত্ৰী । এমাহ দৰমহা পাই সাঁত আঠমাহ দৰমহা নোপোৱা দেইতাকৰ একমাত্ৰ শিক্ষকৰ চাকৰিটোৰে ঘৰখন চলিবলৈ অসুবিধা হোৱাত মোচুমীয়ে কেইজনমান স্কুলীয়া ল'ৰা-ছোৱালীক টিউচন কৰে। ইমান কষ্টৰে ঘৰখন চলা বাবেই হয়তো যোগেনে বহু চেষ্টা কৰিছে যাতে প্ৰথম শ্ৰণী লাভ কৰি কোনো এখন ভাল ঠাইত ডাক্তৰৰ চাকৰি কৰিব পাৰে।

আজি যোগেনে হোষ্টেলৰপৰা ঘৰলৈ যাব। সেহবাবেই তেওঁ পুৱাৰে পৰা বস্তু বাহনি বন্ধাত ব্যস্ত হৈ আছে। হঠাৎ যোগেনৰ বন্ধু এজনে এখন চিঠি দি গ'ল। যোগেনে চিঠিখন চাই দেখে যে ভনীয়েক মৌচুমীয়ে দিয়া চিঠি। তেওঁ তাতাতৈয়াকৈ চিঠিখন পঢ়িব ধৰিলে-

মৰমৰ,

জোনদা,

মৰম লবি, চিঠিখন বিশেষ এটা কাৰণতহে লিখিব লগা হ'ল। আমাৰ গাঁৱত মিলিটেৰী সোমাই বৰ উপদ্ৰব কৰিছে। পৰহিদিনা আমাৰ ঘৰলৈও আহিছিল। মা-দেউতাহঁতে হিন্দী ক'ব নাজানে তইতো জানই। ভঙা-ভঙা হিন্দীত কথা পতাৰ কাৰণে মা-দেউতাক সিহঁতে গতিয়াই পেলাই দিছিল। তোৰ কথা সিহঁতে সুধিছিল। তই মেডিকেলত পঢ়ি থকা বুলি কোৱাত সিহঁতে তোক উগ্ৰপন্থীলৈ পঠাই আমি মিছা কৈছো বুলি সিহঁতে মোৰ চুলিত ধৰি গতা মাৰি দিছিল। ঐ দাদা, তই যিমান পাৰ সোনকালে ঘৰলৈ আহ।

বিশেষ নাই

ইতি

তোৰ ভন্টি

চুমি

যোগেনক চিঠিখনৰ প্ৰতিতো শব্দই যেন মিলিটেৰীৰ প্ৰতি শক্ৰতাভৱ গঢ়াই তুলিছিল। ইতিমধ্যে হয়তো তেওঁৰ খঙে চুলিৰ আগ পাইছিলগৈ। তেওঁ লৰা-লৰিকৈ বস্তু বাহানি বান্ধি ঘৰলৈ বুলি ৰাওনা হ'ল।

দুখে-ভাগৰে আধামৰা অৱস্থাত কোনোমতে ঘৰ পাইছেগৈহে, তেনেকুৱাত দেখে যে, তেওঁলোকৰ ঘৰত মিলিটেৰীয়ে গোটেই ঘৰখন আগুৰি থকাৰ উপৰিও চোতালখনো ভৰি আছে। মাক-দেইতাকক হয়তো পিতিলে। কাৰণ বাহিৰৰ চোতালত তেওঁলোকে বহি পৰি আছে। ভনীয়েকক যিটো অৱস্থাত দেখিলে, তাক সহ্য কৰিব নোৱাৰি খঙেৰে তেওঁ ভিতৰলৈ চোঁচা ললে। কিন্তু তেওঁক ঘৃণীয়া কৰি থৈ গ'ল।

যোগেন সেনাৰ হাতত ঘৃণীয়া হোৱাৰেপৰা হয়তো তেওঁ সেনাৰ বিপক্ষে প্ৰতিদ্বিন্দিতা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ পৰিছিল, যাতে তেওঁ সেনাৰ ওপৰত প্ৰতিশোধ ল'ব পাৰে। তেওঁৰ প্ৰতিজ্ঞা পূৰণ কৰিবৰ বাবেই হয়তো তেওঁ ঘৰৰপৰা সকলোৰে অজ্ঞাতে ওলাই গৈ উগপন্থীত যোগদান কৰিলে। বহুদিনৰ পিছতহে ঘৰত গম পালে, তেওঁ এটি উগ্ৰপন্থী সংগঠনত যোগদান কৰিলে।

উগ্ৰপপন্থীত যোগদান কৰাৰেপৰাই যোগেনৰ বাবে হাবিয়েই একমাত্ৰ বাসস্থান হৈ পৰিছে। তেওঁ ইতিমধ্য বহুতো হত্যা, লুন্হণ, অপহৰণ, বোমা-বিস্ফোৰণ আদি ঘৃণনীয় কু-কৰ্মত জড়িত হৈ পৰিল। এনেবিলাক কাম তেওঁৰ দৈনন্দিন কাৰ্য্যসূচীলৈ ৰূপান্তৰিত হ'ল। ডাঙৰ-ডাঙৰ সংঘৰ্ষ বিলাকত তেওঁ আগভাগ ল'ব পৰা হ'ল। ইফালে তেওঁলোকৰ গাঁৱত সেনাই সকলোকে উপদ্ৰৱ কৰিব ধৰিছে।

তেওঁক ধৰি দিবৰ বাবে বহুতো লোকক শাস্তিত্ত দিছে। মাকৰতো আৰম্ভাই নাই।

ইতিমধ্যে যোগেনহঁতৰ মেডিকেলৰ ফলাফলো ঘোষণা কৰিছে। যোগেনে প্ৰথম শ্ৰেণীৰ সপ্তম স্থান লাভ কৰিছে। হয়তো ইয়াৰ স্ফুৰ্তিতে যোগেনে বহুকেইখন সেনাৰে ভৰ্তি হৈ থকা গাড়ী বোমাৰে ধ্বংস কৰি পেলালে। তেওঁৰ উপদ্ৰৱ দিনক-দিনে বাঢ়ি আহিব ধৰিলে।

এশ গৰু মাৰিলে বাঘৰো মৰণ। যোগেনৰো একে অবস্থা হ'ল। তেওঁ পুলিচৰ হাত ধৰা পৰি অৱশেষত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। বৰ্তমান তেওঁ আত্মসৰ্মপনকাৰী লৈ পৰিৱৰ্তন হ'ল। পৰিৱৰ্তন হ'লেও কিন্তু আগৰ কু-কৰ্মবিলাক ত্যাগ কৰিব নোৱাৰিলে। যিজন যোগেনে ভনীয়েকক কৰা অত্যাচাৰৰ বাবে সেনাক চকুপাৰিও দেখিব নোৱাৰা হৈছিল, সেইজন যোগেনেই এতিয়া দিনৰ দিনটো ফুৰা-মেলা কৰে সেনাৰ লগতহে। সেনাৰ লগত গৈ উগ্ৰপন্থী ধৰাত সহায় কৰে। অবশ্যে নিজেও বহুতো ল'ৰা ধৰি নি উগ্ৰপন্থী সন্দৰ্ভত সোধা পোচা কৰাৰ লগতে শাৰীৰিক অত্যাচাৰো কৰে। কিছুমানক হয়তো চিৰদিনৰ বাবে পৃথিৱীৰ পৰাই বিদায় দিয়াইছে।

যোগেনে আত্মসমৰ্পণ কৰিলে যদিও তেওঁ ঘৰলৈ যোৱা নাই। কাৰণ তেওঁক মাক-দেইতাকহঁতে ঘৰত সোমাব দিয়া নাই। যোগেনে এদিন দেওঁৰ মটৰ চাইকেলখন লৈ ফুৰিব যাওঁতে বাটতে উগ্ৰপন্থীৰ সৈতে গুলীয়াগুলী হয়। গুলীয়াগুলীত যোগেনে মৃত্যুক আকোৱালি ল'লে। তেওঁৰ মৃতদেহ ৰণস্থলীতে পৰি থাকিল। ইতিমধ্যে আকাশত কাউৰী-শগুনে ভৰি পৰিছে। দুই এটাই নিজৰ কামো আৰম্ভ কৰি দিছে। হয়তো তেওঁ জীয়াই থকাতো পৃথিৱীৰ সকলোতকৈ কুৎচ প্ৰাণী শগুণেও সহ্য কৰিব পৰা নাছিল।

আজি যোগেনে তেওঁৰ ডাক্তৰী জীৱন আৰম্ভ কৰা হ'লে —! তেওঁৰ আৰু এতিয়া ডাক্তৰী জীৱন আৰম্ভ কৰাৰ উপায় নাই।

❒





DIBRU COLLEGE CENTRAL LIBRARY ESTD-1963 DIBRUGARH

# হেৰাই যোৱা স্মৃতি

শ্ৰী পাৰ্থপ্ৰতিম গগৈ।
*স্নাতক ২য় বৰ্ষ (বিজ্ঞান)*

কাইলৈ দেশৰ স্বাধীনতা দিৱস। হোষ্টেলটোৰ কাষতে থকা সেনাবাহিনীৰ শিবিৰটোত পোন্ধৰ আগষ্ট উপলক্ষে মাৰ্চ পাচৰ আখৰা চলিছে। নিতৌ পাঁচ বজাৰ লগে লগে সেনাবাহিনীৰ শিবিৰটোৰ পৰা নিৰ্গত ৰাষ্ট্ৰীয় সংগীতটোৰ ধ্বনি শুনিবলৈ পোৱা যায়। সেই সংকেত ধ্বনিয়েই আছিল হোষ্টেলটোৰ ল'ৰাবোৰৰ পৰম্পৰাগত শুই উঠাৰ সময়।



কেৱল কপিলৰ বাহিৰে হোষ্টেলৰ সকলো ল'ৰাই শুই উঠিল। তাক তেনে অৱস্থাত দেখি ৰাহুলে মাত লগালে— "ঐ কপিল– নুঠ নেকি—? আজি কলেজ ফেচাৰ্চ আছে নহয়, সোনকালে ওলা।" ৰাহুলৰ মাতত কপিলে সাৰ পাই খৰধৰকৈ বিচনাৰ পৰা উঠি বহিল। সেই সময়ত তাৰ কৰবীলৈ মনত পৰি গ'ল। তাইয়ো ছাগে আহিব। কোনোবা এটা দিনতেই নিঃসঙ্গ মূহুৰ্ত্তত কুন্দন-কপিলৰ চিনাকি হৈছিল কৰবীৰ লগত। ক্ৰমে কপিল কৰবীৰ প্ৰতি সহানুভুতিশীল হৈ আহিছিল। দুয়োৰে দুয়োক যেন বুজি পাইছিল। অৱশ্যে কপিলৰ লগত কৰবীৰ যিমান ভাল, তাৰ বন্ধু ৰাহুলৰ লগতো তাতকৈ কোনো গুণে কম নাছিল। কৰবীৰ ব্যৱহাৰতো কোনেও বেয়া পোৱা নাছিল।

প্ৰায় দহ মান বজাত কপিল আৰু ৰাহুল কলেজ পালেগৈ। ইতিমধ্যে সভা আৰম্ভ হ'লেই। সভাপতিয়ে ভাষণ দি আছে। তাৰ মাজতে কপিলে কৰবীক দেখা পালে। কৰবী ৰাহুলৰ লগত কথা পাতি থকাত ব্যস্ত। কপিলে বহাৰ পৰা উঠি আহি কৰবীৰ ওচৰত থিয় হ'ল আৰু সিও সিহঁতৰ কথাৰ মাজত

যোগ দিলে।

সিহঁতৰ বিভিন্ন কথাৰ মাজতে কপিলে কৈ উঠিল "জানা কৰবী মোৰ জীৱনটো বতৰৰ দৰে কেতিয়াবা সুন্দৰ জোনাক, কেতিয়াবা আকৌ ক'লা ডাৱৰে আৱৰি ধৰে। ভয়ংকৰ মেঘৰ গৰ্জনে কোন সময়ত দেহটো ছাই কৰি পেলাব পাৰে তাকো নাজানো—।" কৰবীয়ে একো বুজি নাপালে। ৰাহুলে কপিলৰ কথাৰ মাজতে মাত দিলে-" জান কপিল-তোৰ কথাবোৰ এনে লাগে যেন একো একোটা বিষাদপূৰ্ণ কবিতাহে।" কপিলে এটা বিষাদৰ হাঁহি মাৰি কথাষাৰ উৰুৱাই দিলে। কিছুসময় নিৰৱে পাৰ হ'ল।

ঃ কপিল—!—কৰবীয়ে হঠাতে কৈ উঠিল, "এনেকৈ বহি থাকিবা নেকি—? চোৱা ক্ৰমে বেলি লুকাবৰে হ'ল। যাওঁগে ব'লা-।" তেতিয়া মঞ্চত সংগীতানুষ্ঠান চলি আছে। তিনিও উঠি পাতল ৰিম ঝিম বতাহৰ মাজেৰে ঘৰলৈ বুলি আগবাঢ়িল।

নিশা হোষ্টেলৰ সকলো ল'ৰাই শুই পৰিছে। ইফালে কপিলে ভাবলেশহীন দৃষ্টিৰে খিৰিকীৰে চাই আছে বাহিৰৰ আকাশখনলৈ। তাৰ হাতত এটা জ্বলন্ত চিগাৰেট। ৰাহুলে তাৰ নাম ধৰি মাতি থকাতো সি শুনা নাই। কিবা এটা যেন গভীৰ চিন্তাত নিমগ্ন সি।

ঃ কপিল

ঃ ও

ঃ কচোন—তোৰ বাৰু কি হৈছে————?

ঃ নাই——নাই ————মোৰ একো হোৱা নাই।

ঃ তই মোক কিবা কথা লুকুৱাইছ———।———ৰাহুলে ক'লে।

সচাঁকৈ কপিলে ৰাহুলৰ পৰা কথা লুকুৱাইছে। তাক এতিয়া শত সহস্ৰ চকুৰ ভিতৰত মাথো এযুৰি চকুৱে বৰকৈ আমনি কৰিব ধৰিছে আৰু সেই যুৰি চকুৰ চিন্তাই তাৰ মনটোক এতিয়া বিভ্ৰান্ত কৰি তুলিছে। ক'ব নোৱাৰাকৈয়ে সি যেন কৰবীৰ প্ৰেমত পৰিব ধৰিছে। সেই কথা সি কাৰো আগত প্ৰকাশ কৰিব নোৱাৰে। দুখৰ উম দি দি তাৰ বুকুখন এতিয়া সেমেকি পৰিছে।

পূব আকাশত পোহৰ হওঁ হওঁ অৱস্থা। চৰাই বিলাকৰ ৰাতি পুৱাৰৰ ইঙ্গিত দিছে। ৰঙা বেলিটোৱেও যেন তাৰ সেউতা কালি ওলাই আহিছে।

পৰম্পৰাগত ভাবে ৰাহুলে সোনকালেই শুই উঠিল। সেইদিনা কিন্তু সি কপিলক পাঁচ বজাৰ আগতেই শুই উঠা দেখিবলৈ পাই অবাক হ'ল।

ঃ আৰে কপিল তই যে আজি পাঁচ বজাতে উঠিলি—?

ঃ অ,—আজি অলপ সোনকাল হ'ল । —— কপিলে লাহেকৈ ক'লে। প্ৰকৃততে ৰাহুলে জনাই নাছিল যে কপিলে সেই নিশাটো নুশুৱাকৈয়ে কটাই দিছিল।

মেজৰৰ ক্লাচ প্ৰায় ন বজাৰ পৰা আৰম্ভ হয়। কপিল আৰু ৰাহুলে মেজৰ ক্লাচটো কৰি বাহিৰত পাৰি থোৱা বেঞ্চখনত বহি কিবা কথা পতাত ব্যস্ত। তেনেতে কৰবী সিহঁতৰ ফালে আগবাঢ়ি আহিল।

ঃ ৰাহুল ! তোমাৰ লগত মোৰ অলপ কথা আছে। - কৰবীয়ে ৰাহুলক উদ্দেশ্যি ক'লে।

ঃ কি কথা কৰবী——।

ঃ তোমাৰ এখন চিঠি আছে। কৰবীয়ে বেগৰ পৰা এখন চিঠি উলিয়াই ৰাহুলক দিয়ে। ৰাহুলে এটা মিচিকিয়া হাঁহিৰে চিঠিখন জেপত ভৰাই থলে। মুহূৰ্ত্তৰ ভিতৰতে কপিলক যেন হতাশাৰভাৱে আৱৰি পেলালে। সমস্ত পৃথিৱী যেন তাৰ বাবে শূন্য হৈ পৰিল। সি এক ভাবিব নোৱাৰা পৰিস্থিতিৰ মাজত সোমাই পৰিল। ৰাহুল তাৰ প্ৰিয় বন্ধু। গতিকে সি ৰাহুলক কেতিয়াও বিশ্বাসঘাতকতা কৰিব নোৱাৰে। কিন্তু কৰবীৰ প্ৰতি থকা তাৰ প্ৰেম সদায় তাৰ অন্তৰত বেদনাৰ ফুল হৈয়ে ৰ'ব ।

ক্ৰমাৎ বি, এচ, চি, ফাইনেল পৰীক্ষাও পালেহি। এই সময়ত সকলো পৰীক্ষাৰ্থীয়ে ভাল মনোযোগেৰে পঢ়িবলৈ ধৰে। কৰবী আৰু ৰাহুলেও জোৰ দিছে ভাল ৰিজাল্ট এটা কৰিবলৈ। ইফালে কপিলে নিজকে বিলীন কৰি দিছে স্মৃতিৰ গৰ্ভত। পাৰ কৰিছে বিনিদ্ৰ ৰজনী। তাৰ এই দুখৰ ৰাতি যেন কেতিয়াও নুপুৱাই। স্মৃতিৰ কালসৰ্পই যেন তাক খেদি ফুৰিছে। তাৰ নিৰৱে দুধাৰি চকুলো দুগালেদি নিগৰি আহে কোনেও নজনাকৈ! যথা সময়ত পৰীক্ষা চলিল। এটা সময়ত ৰিজাল্টো ওলাল। ৰাহুলে কিন্তু আনবোৰতকৈ অলপ ভালদৰে পাছ কৰিলে। তাৰ এতিয়া ইউনিভাৰ্চিটিত পঢ়িবৰ বাবে অলেখ কল্পনা।

ৰিজাল্ট পোৱাৰ পাছদিনা সিহঁত প্ৰত্যেকেই নিজৰ নিজৰ ঘৰলৈ যাবলৈ প্ৰস্তুত হ'ল। যাবৰ সময়ত তলৰ শ্ৰেণীৰ ল'ৰা এজনে আবেগেৰে কৈ উঠিল-"দাদা আমাক পাহৰি নাযায় যেন —।" তাৰ কথাত সকলো ক্ষন্তেকৰ বাবে নিৰৱ হৈ পৰিল। মৌনতাই বিৰাজ কৰিলে সকলোৰে মাজত। কপিলৰ দুচকু চলচলীয়া হৈ পৰিল। ক্ষন্তেকৰ বাবেও সি বৰ নোৱাৰি কমৰ পৰা বাহিৰলৈ ওলাই আহি হোষ্টেলটোলৈ চাই চাই অতীত স্মৃতি ৰোমন্থন কৰিব ধৰিলে। বাকী সকলো কপিলৰ ওচৰ পালেহি। ৰাহুলে এক ক'ব নোৱাৰা যন্ত্ৰনাত কপিলক সাৱটি ধৰে। কপিলে আবেগেৰে কৈ উঠিল—"জান বন্ধু আজি নিশাটোৱেই যে আমাৰ বাবে শেষ নিশা। কোনে জানে কাইলৈৰ দিনটোৰ পাছত আমি পুনৰ দেখা পাওঁ বা নাপাওঁ——।"

পিছদিনা সকলোৱে এক ভাবাক্ৰান্ত মনলৈ নিজ নিজ বাটেৰে ঘৰলৈ বুলি অগ্ৰসৰ হ'ল । কপিলো নিজৰ ঘৰ পালেগৈ। ৱাল ঘড়ীটোৰ টং টং শব্দত কুন্দন কপিল সাৰ পাই উঠিল। খুলি থোৱা খিৰিকি খনেদি সোমাই অহা এজাক চেঁচা বতাহে তাৰ শৰীৰটো চুই গ'ল। তাৰ পিছত সি বিচনাৰ পৰা উঠি অলসভাৱে খিৰিকিৰে বাহিৰৰ সেউজ সৌন্দৰ্যলৈ চাই ৰ'ল উদাস দৃষ্টিৰে।

বাহিৰত তেতিয়া তাৰ দেউতাক অৱসৰ প্ৰাপ্ত শিক্ষক ভবানন্দ বৰুৱাক এতি বিষন্ন মনেৰে বহি থকা পালে। দেউতাকৰ এনে এটা অৱস্থা সি সহজভাৱে ল'ব পৰা নাই। ঘৰৰ একমাত্ৰ সন্তান হিচাবে দায়িত্ব এতিয়া তাৰ ওপৰতে। কিন্তু সি শিক্ষিত হৈও নিস্কৰ্মা হৈ বহি আছে। এনে বিলাক চিন্তাই তাৰ মনটোক এতিয়া বিষাদে ভৰাই তুলিছে। তাক এতিয়া এটা চাকৰিৰ প্ৰয়োজন।

আনদিনাৰ দৰে সেইদিনাও সি এটা চাকৰিৰ সন্ধানত জিলাৰ শিক্ষা বিষয়াৰ ওচৰ পালেগৈ। তাৰ যাবতীয় প্ৰমান পত্ৰ বিলাক চাই এটা নিৰ্দিষ্ট দিনত চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিলে। সেইদিনা চাকৰি পোৱাৰ আশাত অতি আনন্দমনেৰে সি ঘৰ সোমাইহি। যথা দিনত কপিলে শিক্ষা বিষয়াজনৰ ওচৰ পালেগৈ। কিন্তু এজন মন্ত্ৰীৰ প্ৰৰোচনাত পৰি সি পাব লগা চাকৰিটো আন এজন লোকক দি দিলে। তাৰ বুজিবলৈ বাকী নাথাকিল যে উৎকোচ নিদিলে চাকৰি পোৱাটো অসম্ভৱ। এই কথা জানিব পাৰি কপিলে চিঞৰি উঠাৰ দৰে ক'বলৈ ধৰিলে—"এইখন এক নিষ্ঠুৰ বিশ্বাসঘাতক আৰু অন্ধ গণতান্ত্ৰিক চৰকাৰ। যাৰ প্ৰতি আজি মোৰ ধিক্কাৰ জন্মিছে। যিখন চৰকাৰত যোগ্যতাৰ কোনো বিচাৰ নাই এনে বিচাৰহীন বিবেকহীন চৰকাৰখনৰ বিপক্ষে মই এদিন হেঙাৰ হৈ থিয় দিম। আজিৰ পৰা মই আপোনালোকৰ ওচৰত এনেদৰে চাকৰি বিচৰাৰ কোনো প্ৰয়োজনবোধ নকৰো। মই নিজৰ পথ নিজেই বাচি ল'ম——।" সি তাত আৰু বেছি সময় নৈ নাথাকিল। হতাশা আৰু ক্লান্ত হৈ গধূৰ মনেৰে, বিৱৰ্ণ মুখেৰে ঘৰলৈ বুলি অগ্ৰসৰ হ'ল।

সেইদিনা নিশা কপিলে ঘৰ সোমায়েই মাক আৰু দেউতাকক স্তম্ভিত কৰি এটা উগ্ৰপন্থী সংগঠনত সোমোৱাৰ প্ৰস্তাৱ দিলে। এক ভয়ংকৰ নিৰৱতাই বিৰাজ কৰিলে কোঠাতো। কোনেও কাৰো মুখলৈ চাব পৰা নাই। কপিলে কিছুসময় একেঠাইতে থিয় হৈ থাকিল প্ৰস্তৰ মূৰ্তিৰ দৰে।.এবাৰ মুৰ তুলি মাকৰ মুখলৈ চালে। মাকে উচুপিছে, দেউতাক কিন্তু অলৰ অচৰ। সমস্ত খং আৰু ক্ষোভ যেন থুপ খাই পৰিছে দেউতাকৰ চকু দুটাত।

ঃ তাৰ মানে এয়া তোৰ শেষ সিদ্ধান্ত—। দেউতাকে নিৰবতা ভংগ, কৰি কৈ উঠিল।

ঃ অ—— এয়াই মোৰ শেষ সিদ্ধান্ত——। কপিলে চিঞৰাৰ দৰে কৈ উঠিলে। ক্ষন্তেক নিৰবতাৰ পিছত কপিলে আশীৰ্বাদ পোৱাৰ আশাৰে মাক আৰু দেউতাকৰ ভৰি চুই ঘৰৰ পৰা ওলাই গ'ল।

কপিল ঘৰৰ পৰা যোৱা পাঁচ বছৰো অধিক হ'ল। এবাৰলৈও সি ঘৰলৈ অহা নাই। তাৰ চিন্তাত মাকে বিচনা ললে। দিনক - দিনে মাকৰ অৱস্থা বেয়ালৈ যাব ধৰিলে।

ক্ৰিং —— ক্ৰিং ———, ক্ৰিং ——— ক্ৰিং————

দেউতাক ভবানন্দ বৰুৱাই আনটো কোঠাত থকা ফোনটোৰ ওচৰ পালেগৈ———।

ঃ কি —— পোনা —— কেনে আছ তই ? তোক ভগৱানে কুশলে ৰাখক — মা — মাৰাই অৱস্থা ভাল নহয় — তোক লগ পাবলৈ আমাৰ প্ৰবল ইচ্ছা কৰিছে। তই এবাৰৰ বাবে হলেও যেনে তেনে আহি যাহি ——।" সিমুৰত ৰিচিভাৰ থৈ দিয়াৰ শব্দ। চলচলীয়া চকুৰে ভবানন্দ বৰুৱা কোঠোটোৰ পৰা ওলাই আহিল।

মাকৰ অৱস্থা বেয়া বুলি জানিব পাৰি সি তীব্ৰ যন্ত্ৰণাত ভাগি পৰিল। মুহূৰ্ত্তৰ ভিতৰতে মাকক এবাৰ দেখা কৰিবৰ বাবে ব্যাকুল হৈ পৰিল। দুজন দেহৰক্ষীক লগত লৈ কপিলে গোপনে মাকক দেখা কৰিবলৈ ঘৰলৈ বুলি ৰাওনা হ'ল। কিন্তু সেই কথা প্ৰশাসনিক বিষয়াই গুপ্তচৰৰ দ্বাৰা জানিব পাৰি নগাঁৰত সিহঁতক ধৰা পেলায়। উপায়ন্তৰ হৈ সিহঁতেও গুলি চলাবলৈ বাধ্য হ'ল। সেই গুলীয়া-গুলীত কপিলৰ দেহৰক্ষী দুজনৰ মৃত্যু হয়। এনেদৰে সি কেইবাদিনো পলাই থাকিব লগীয়াত পৰিল। তাক এতিয়া

এটা নিশাৰ বাবে হ'লেও এঘৰ মানুহৰ প্ৰয়োজন — যিয়ে তাক এসাঁজ ভাত দিব পাৰে।

টক—টক—টক—। নিশা এঘাৰ মান বজাত ৰাহুলৰ ঘৰৰ দৰ্জাৰ পাল্লাত কাৰোবাৰ মৃদু টোকৰ পৰিল। ৰাহুলে দৰ্জাখন খুলি দিয়াত এজন আগন্তুক ভিতৰলৈ সোমাই আহে। আগন্তুকৰ মুখমণ্ডল দাড়িৰে আবৃত্ত। ৰাহুলে তেওঁক চিনি নেপালে।

ঃকোন আপুনি ? কাক লাগে ? মই আপোনাক চিনিব পৰা নাই ?। — ৰাহুলে আগন্তুকক উদ্দেশ্যি কৈ উঠিল। বহুদিনৰ মূৰত কপিলে ৰাহুলক দেখা পাইছে যদিও সি তাক চিনিব পাৰিছে।

ঃ তই ৰাহুল নহৰ জানো—? —কপিলে লাহেকৈ সুধিলে।

ঃ হয় —কিন্তু আপুনি—?

ঃ মোক তই চিনিব পৰা নাই—? —মই কুন্দন কপিল-

ঃ আৰে কি তই কপিল ।

বহুদিনৰ মুৰত কপিলক লগ পাই আন্তৰিকতাৰে ৰাহুলে তাক সাৰতি ধৰিলে। ৰাহুলে আবেগেৰে কৈ উঠিল–"কচোন কপিল — হঠাতে আজি কেনেদৰে মনত পৰিল—?

ঃ বাৰু — সেইবোৰ পিছত —। বহুত ভোকত আহিছো। এনেদৰে থিয় কৰাই ৰাখিবিনেকি ? —কপিলে কৈ উঠিল। তাৰ কথাত ৰাহুলে বহিবলৈ দি পাকঘৰ পালেগৈ। সেই ছেগতে কপিলে তাৰ চোলাৰ তলত থকা পিষ্টলটো উলিয়াই টেবুলৰ তলৰ খপটোত থৈ দিলে। তেনেতে ৰাহুলে ভাত বাঢ়ি আনি তাৰ সন্মুখত থলেহি। বহুদিনৰ মুৰত আজি সি যেন অতি তৃপ্তিৰে ভাত কেইটা খাবলৈ ধৰিলে।

ঃ বাৰু এতিয়া কচোন তই ক'ৰ পৰা কেনেদৰে আহিলি? দেউতাৰ আৰু মাৰ খবৰ ভালনে ? ৰাহুলে যেন একে উশাহেৰে প্ৰশ্ন কৰি গ'ল। কিন্তু কপিলে একো উত্তৰ নিদি কেৱল এটা বিষাদৰ হাঁহিহে মাৰিলে। ৰাহুলৰ মনত কপিলৰ প্ৰতি এক সন্দেহৰ ভাব জাগি উঠিল। প্ৰকৃততে সি ঘৰৰ পৰা অহা নাই নেকি ? ৰাহুলে পুনৰ সুধিলে "সঁচাকৈ কচোন প্ৰকৃততে তই ক'ৰপৰা আহিছ ?" ৰাহুলৰ আগত কপিলে কথাবিলাক কবলৈ ইচ্ছা প্ৰকাশ নকৰিছিল যদিও তাৰ আন্তৰিকতাত সি নোকোৱাকৈ থাকিব নোৱাৰিলে।

ঃ জান ৰাহুল। পোৱা আৰু নোপোৱাৰ বেদনাৰে ভৰা সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ আগবঢ়া মই এতিয়া এটা কন্টকময় পথৰ যাত্ৰী। দেউতাকৰ অৱসৰৰ পিছত তাক যে একোটা চাকৰিৰ প্ৰয়োজন হৈছিল কিন্তু পাবলগীয়া চাকৰিটো টকাৰ বাবেই যে পোৱা নহ'ল যাৰ বাবে সোনোৱালী জীৱনটো এক বেলেগ জীৱনলৈ পৰিৱৰ্ত্তিত হ'ল সেই কথা কপিলে ৰাহুলৰ আগত অতি বিষন্ন মনেৰে কৈ যাব ধৰিলে। তাৰ মাতৃ আজি মৃত্যুৰ দুৱাৰ দলিত থিয় হৈ একমাত্ৰ পুতেকৰ অপেক্ষাত বাটচাই আছে, কিন্তু সি এবাৰৰ বাবে হলেও দেখা কৰিবলৈ অসমৰ্থ। কথাৰ মাজতেই কপিলৰ হঠাৎ কৰবীলৈ মনত পৰিল।

ঃ অ ৰাহুল কচোন কৰবীৰ কথা। বহুদিনযে তাইক লগ পোৱা নাই। লগনো পাম ক'ৰপৰা ? মোৰ কিন্তু তাইলৈ খুব মনত পৰি থাকে। বাৰু বাদ-। তইঁতৰ চাগে বিয়ালৈ বেছি দিন নাইয়ে।

কপিলৰ কথাত ৰাহুল স্তম্ভিত হৈ শিৰপৰা কপৌৰ দৰে একেঠাইতে থিয় হৈ ৰ'ল. সি তাক কিদৰে ক'ব তাৰ যে কৰবী বহুদিনৰ আগতেই হেৰাই গ'ল।

ঃ কপিল ———। এই বিষয়ে তেনেহলে তই একোৱেই নাজান ? তাৰ প্ৰশ্নত কপিলে উৎসুকতাৰে সুধিলে—"ইয়াতো কিবা কথা থাকিব পাৰে নেকি ? খন্তেক সময় নিৰৱে পাৰ হ'ল। তাৰ পিছত ৰাহুলে অনুচ্চ কন্ঠেৰে কবলৈ ধৰিলে।

ঃ জান কপিল–। আজি তিনি বছৰ মানৰ আগতে কৰবীৰ এজন সৈনিকৰ লগত বিয়া হৈ গ'ল। সেইদিনা খবৰ পালো যে নগাঁৰত তাইৰ পতি উগ্ৰপন্হীৰ গুলিত নিহত হ'ল–।

ৰাহুলৰ কথাত কপিল বহাৰ পৰা উচপ খাই উঠিল আৰু যেন বুকুৰ নিভৃত কোণত বিষ ক্ৰিয়া আৰম্ভ হ'ল। সি ভবা নাছিলযে তাৰ বন্দুকৰ গুলীয়েই চুই যাব পাৰে তাৰ অতি প্ৰিয় জনৰ দেহ। তাৰ মগজুৱে এতিয়া ভাৰসাম্য হেৰুৱাই পেলাইছে। খন্তেকৰ বাবেও যেন ৰাহুলৰ কোঠাত থাকিবলৈ তাৰ ধৈৰ্য্য নাথাকিল। তাৰ পিছত সি টেবুলত পৰি থকা পিস্তলটো থাপ মাৰি ককালত গুজি লৈ ধীৰে ধীৰে আগুৱাই গ'ল মুক্ত আকাশৰ তললৈ।

□

# মাথো তোমাৰ বাবে

শ্ৰী কুলদ্বীপ ভৰলুৱা।
স্নাতক ১ম বৰ্ষ (বাণিজ্য)



ঃ ব'ল, ব'ল গাড়ী ৰৈ আছে, ইয়াতে যদি ইমান পলম কৰো কেনেকৈ হ'ব। বিৰাজে ক'লে।

গাড়ী মানে এখন জংগী জীপ য'ত উঠি আমি দয়োটাই সুদূৰ বাট অতিক্ৰম কৰিব লাগিব। মানুহ এটা ৰাষ্টাত পাবলৈ নাই, দুয়ো কাষে অটব্য অৰণ্য, বাঘ-সিংহৰ গোজৰণি শুনিবলৈ পোৱা যায়। আপোনালোকে হয়তো কল্পনা কৰিছে, আমি যাম ক'লৈ। মোৰ ক'বলৈ ইচ্ছা নাই যদিও ক'বলৈ বাধ্য , আমি যাম ভূটান সীমান্তলৈ। তাত আমাৰ মালিকৰ মানে "দ্বিগবিজয় চলিহা"ৰ কাঠৰ ব্যৱসায় আছে। আমি নতুনকৈ কামত যোগ দিছো।

বিৰাজ বৰুৱা আৰু মই মানে, এপল'ক গগৈ। আমি দুয়ো বাল্যকালৰ বন্ধু । ইজনে সিজনৰ দুখ বুজি পাওঁ, ইজনে সিজৰ সুখৰ কাৰণে যি কোনো কাম কৰিবলৈকো কুণ্ঠাবোধ নকৰো।

আমাৰ যাত্ৰা আৰম্ভ হ'ল, তিনি দিনৰ ৰাষ্টা। ভোজনৰ সকলো সামগ্ৰী গাড়ীৰ উঠাই লোৱা হ'ল। সৰুৰ পৰাই বিৰাজে মোক প'ল বুলি মাতে।

ঃ প'ল তই ঘৰত ক'লৈ যাওঁ বুলি ক'লি?

ঃ কিয় ? ভূটানলৈ যাওঁ বুলি কলো। কিয়নো সুধিলি?

ঃ নাই, মানে এনেয়ে সুধিলো অ'।

বিৰাজৰ ঘৰত মাক, বাপেক আৰু ভায়েকৰ অবিহনে আৰু কোনো নাই। বাপেক অৱসৰ প্ৰাপ্ত শিক্ষক,ঘৰৰ অৱস্থা বৰ বেয়া নহয়। ভায়েক মানে পূলকৰ দোকান আছে। তাৰ পৰাই ঘৰখন চলি থাকে, আৰু বিৰাজ, বি,এ,পাছ কৰাৰ পাছত চাকৰি নাপাই মোৰ লগত কাঠৰ কামত নামি পৰিল। আমাৰ পদ্‌ৱী হাজিৰা মহৰি।

ঃ প'ল, চাহৰ ঘৰত সোমায় সুধি যাওঁ নেকি কেই নম্বৰ কৃপত আমাৰ কাম চলি আছে?

ঃ নালাগে থ, আমি প্ৰথমে কামৰ ঠাইলৈকে যাম, তাত সুধিলে নিশ্চয় ক'ত কাম চলি আছে জানিব পাৰিম।

দ্বিগবিজয় চলিহাৰ নাম নিশ্চয় শুনিছে। তেওঁ এজন বিখ্যাত কাঠৰ ব্যৱসায়ী। তেওঁৰ কাঠৰ কাম চলাবলৈ দুজন মহৰি আৱশ্যক হৈছিল। আমি চলিহা চাৰক লগ কৰাত তেওঁ আমাক আগতেই সকিয়াই দিছিল, বোপা তোমালোক আধুনিক যুগৰ ডেকা ল'ৰা মোৰ কামত ফাঁকি দিলে কথা বেয়া হ'ব। এই কাম অফিচৰ কাম নহয়। হাবিয়ে হাবিয়ে ঘূৰি ফুৰা কাম। আগে তিতা, পিছে মিঠা, ভাবি চোৱা, পাৰিবানে, তোমালোকে অৰণ্যৰ মাজৰ নিৰ্জনতা উদাসীনতা আৰু নিঃসঙ্গতাৰ লগত থাকিব লাগিব।

নিৰ্জানতাই মোৰ কাম্য চাৰ। আপুনি নিশ্চিন্ত থাকক। আমি পাৰিম কাৰণ, আমি নিৰ্জনতা ভাল পাওঁ। মই ক'লো।

তাৰ পিছত আমি চলিহাৰ বেতন ভোগী কৰ্মচাৰী হৈ পৰিছিলো। তিনিদিনৰ অন্তত আমি ভূটানত পদাৰ্পন কৰিলো। '১১' নম্বৰ কৃপত আমাৰ কাম দিনে ৰাতিয়ে চলি আছিল। কেম্পত গাড়ী থৈ খোজেৰে কৃপলৈ বুলি আগবাঢ়িলো। কাম সাৰধানে চলি আছে যিহেতু চোৰাং ব্যৱসায়, বিশেষ চিন্তাৰ কাৰণ নাই, ফৰেষ্টৰ ৰেঞ্জাৰ চাহাব এই ব্যৱসায়ত মালিকৰ সমান অংশীদাৰ। কৃপত সোমায় মই আৰু বিৰাজে নিজৰ ৰুমটো প্ৰথমে চফা কৰি ললো।

ঃ আজি আৰু কামলৈ যোৱা নহ'ব। মই ক'লো।

ঃ কিয় ?

ঃ ভাগৰ লাগিছে, কাইলৈ ৰাতিপুৰা ৰেঞ্জাৰ চাৰক দেখা কৰি আহিব লাগিব, নতুনকৈ আহিছো যেতিয়া চিনাকী হ'ব লাগিব।

ঃ হ'ব তেনেহ'লে। বিৰাজে ক'লে।

গধূলি সময়ত অকণমান ফুৰিবলৈ ওলাই ৰেঞ্জাৰ চাহাবৰ বঙলাৰ ওচৰ পালোগৈ। বঙলাটো আছিল প্ৰকৃতিৰ ৰাজ্যত, বঙলাৰ ওচৰে পাজৰে অৰণ্যৰ মাজত হয়তো ক'ৰবাত জলপ্ৰপাত আছে, তাৰ হো-হোৰনী শব্দই নিৰ্জনতা ভঙ্গ কৰি তুলিছে। দূৰ-দিগন্তলৈ চালে মনটো আকুল হৈ পৰে, জীৱনৰ এয়ে চৰম আনন্দ।

ঃ ক'লৈ গৈছিলি প'ল, অচিনাকী ঠাই ক'ৰবালৈ গ'লে কৈ যাবি। বিৰাজে ক'লে।

ঃ নাই বেছি দূৰলৈ যোৱা নাই, এনেয়ে বতাহ লৈ আহিলো।

(২)

ৰাতিপুৰা আমি দুয়ো ৰেঞ্জাৰ চাহাবৰ ঘৰ ওলালোগৈ, চাৰৰ লগত চিনাকী হ'বৰ বাবে। গেট খন খুলি গৈ ৱালত থকা কলিং বেলটো টিপি দিলো। অকণমান সময়ৰ পিছত দুৱাৰ মেল খালে। মোৰ চকু দুৱাৰৰ ফালে পৰিল। ই, কি ? মোৰ আগত বাঘ ওলালেও ইমান আচৰিত নহ'লোহেঁতেন..........!

ঃ এপ.....ল.....ক তু....মি ? আহা, আহানা ভিতৰলৈ।

ঃ সংগীতা তুমি ইয়াত ? মোৰ নিজকে বৰ আচৰিত যেন লাগিল।

খন্তেক মান সময় আমাৰ দৃষ্টি বিনিময় হ'ল। সংগীতাৰ চকু চকুলোৰে ভৰি পৰিল। কিন্তু মই সংগীতাৰ চকুলো আনন্দৰ নে বিষাদৰ তাকহে বুজিব নোৱাৰিলো।

ঃ এইজন মোৰ বন্ধু বিৰাজ বৰুৱা। আমি আচলতে চাৰক দেখা কৰিবলৈহে আহিছিলো। মই কলো।

ঃ ভিনিদেউ বৰ্তমান ঘৰত নাই, বাইদেউৰ লগত বজাৰলৈ গৈছে। সংগীতাই চকুযোৰ চলচলীয়া কৰি ক'লে।

ঃ বাৰু, আমি এতিয়া যাওঁ, আহিলে ক'ব চলিহা চাৰৰ মানুহ আহিছিল বুলি। বিৰাজে ক'লে। আৰু এই বুলি কৈ যাবলৈ ওলাল। ময়ো উঠিছোহে মাত্ৰ এনেতে মোৰ হাত এখনত ধৰি সংগীতাই ক'লে "যাবা চোন বহা, আজি প্ৰথম আহিছা চাহ নোখোৱা কৈ গ'লে কেনেকৈ হব, আৰু প'ল তোমাৰ লগত মোৰ ব্যক্তিগত কথা আছে, অকণমান যদি সময় দিয়া,.......... প্লিজ.............প'ল"

ঃ চোৱা সংগীতা, তোমাৰ ব্যক্তিগত কথা জনাৰ মোৰ ইচ্ছা নাই, আমি আৰু বহুত সময় পাম, তেতিয়া চাহ খাম আৰু কথা পাতিম, হ'ব।

ঃ কিন্তু ? সংগীতাই ক'লে।

ঃ কোনো কিন্তু নাই, পাছত পুনৰ লগ হম। এতিয়া যাওঁ। মই ক'লো।

ঃ আজি আবেলিকৈ এবাৰ আহিবাচোন অকলে, প্লিজ, সংগীতাৰ কাতৰ অনুৰোধ ।

ঃ সময় পালে.............., সম্পূৰ্ণকৈ ক'বলৈকে নাপালো।

ঃ সময় পালে নহয়, আহিবই লাগিব, মোৰ শপত। অকস্মাতে তাই মোৰ হাতখন নিজৰ মূৰৰ ওপৰত তুলি ধৰিলে।

ঃ ঠিক আছে আহিম। মই ক'লো।

ঃ বাই, প'ল। সংগীতাই ক'লে।



বিৰাজ আৰু মই কৃপলৈ বুলি খোজ ল'লো, মনে মনে দুয়ো আছো। আজি হঠাৎ সংগীতাক লগ পাম বুলি কল্পনাই কৰা নাছিলো।

আজিৰ পৰা দুবছৰৰ আগতে, মই তেতিয়া গড়গাওঁ কলেজৰ স্নাতক "২"য় বৰ্ষত, আৰু তাই মানে সংগীতা স্নাতক "১"ম বৰ্ষত। কলেজৰ সকলো ল'ৰাৰ মুখত মাত্ৰ এটাই কথা, স্নাতক "১"ম বৰ্ষত বৰ ধুনীয়া ছোৱালী এজনী আহিছে, ল'ৰা বিলাকে চিনাকী হ'বলৈ বিচাৰে কিন্তু তাই ল'ৰা বিলাকৰ পৰা আঁতৰি ফুৰে। তাই আগতে দৰং কলেজত পঢ়িছিল। শুনামতে বাপেক এচ, পি,' পুলিচৰ উচ্চ পদস্থ বিষয়া। বৰ্তমান শিৱসাগৰত আছে। ছোৱালীজনীকো লগত আনিছে। ছোৱালী দুজনী, ডাঙৰ জনী ছোৱালীক বিয়া দিলে, আৰু সৰুজনী আহিছে আমাৰ গড়গাওঁ কলেজত নামভৰ্ত্তিৰ বাবে।

আমাৰ চিনাকী হৈছিল বৰ বেলেগ ধৰণে, শুনিলে হয়তো হাঁহি উঠিব। তাই সদায় কলেজলৈ চানী স্কুটাৰ লৈ আহে আৰু মই সদায় চাইকেল লৈ। এদিন তাইৰ স্কুটাৰৰ তেল শেষ হ'ল, তাকো ৰাস্তাৰ কাষত মানুহৰ ঘৰ নথকা ঠাইত। মই আহি আছো, এনেতে আগত দেখোন ছোৱালী এজনী অকলে ঠিয় হৈ আছে আৰু কাষতে স্কুটাৰ খন।

ঃ মই কিবা সহায় কৰিব পাৰো নেকি ? মই ক'লো। তাই মোলৈ চালে ।

ঃ আপোনাৰ চাইকেলত তেল আছে যদি নিশ্চয় সহায় কৰিব পাৰে। ছোৱালীজনীক সহায় কৰাৰ কথা ক'ব নালাগিছিল। মই নিজ ইচ্ছা মতে তাইৰ স্কুটাৰত তেল আছেনে নাই চালো, আচিৰত তেল বহু পৰিমাণে আছে, হয়তো ষ্টাৰ্ট হোৱা নাই, মই স্কুটাৰ খনত দুৱাৰ মান কিক মৰাৰ পাছত ষ্টাৰ্ট হৈ গ'ল। তাইক তাতে এৰি, মুখেৰে একো মাত নমতাকৈ মই কলেজলৈ গুচি আহিলো। কলেজত মোৰ তিনিটা মান ক্লাচ হ'ল।

ঃ এক্সীউজ মি ? আপুনি বোধহয় মোক বেয়া পালে নহয় জানো ?

আচলতে কি জানে আজিকালি অচিনাকী ছোৱালী দেখিলে প্ৰায় ল'ৰাই সহায় কৰিব বিচাৰে, তাৰ পাচত কিমান যে অসভ্যালী বুজিছে নিশ্চয়, মোৰ নাম মিচ্ সংগীতা শইকীয়া, এইবাৰ প্ৰথম এইখন কলেজলৈ আহিছো। মই মোৰ নাম ক'লো "এপ'লক গগৈ"।

ঃ মই কিন্তু আপোনাক প'লদা বুলিহে মাতিম, হ'বনে ? সংগীতাই কলে।

ঃ হ'ব, হ'ব, তুমি যি বুলি মাতা। মই ক'লো, তোমাৰ ঘৰ ক'ত ? নে ভাড়া ঘৰত থাকা ?

ঃ আমাৰ ঘৰ ইয়াতে মানে গড়গাওঁৰ নাট্য মন্দিৰৰ ওচৰত, তাৰ পৰাই আহো। সংগীতাই ক'লে। নাট্য মন্দিৰৰ পৰা কলেজৰ দূৰত্ব "৩" কিঃমিঃ মান হ'ব। ৰাস্তাৰ দুয়ো কাষে পথাৰ। ৰাস্তাটো ভাল বাবে অহা-যোৱাত বৰ কষ্ট নহয়।

ঃ আপোনাৰ ঘৰ ক'ত, নকলে যে ? সংগীতাই মোলৈ চাই প্ৰশ্ন কৰিলে।

ঃ প্ৰথমে মোক তুমি বুলি কবা, মোৰ ঘৰ মৰাণত মই ক'লো। ইয়াত ভাড়া ঘৰলৈ আছো।

ঃ তুমি অকলে থাকা নে ? ক'ত আছে বাৰু তোমাৰ ভাড়া ঘৰ ?

ঃ নাট্যমন্দিৰ পোৱাৰ অলপ আগত বাওঁফালে নাড়িকলৰ গছ থকা ঘৰটোতে থাকো। মালিক নাথাকে, সেয়ে অকলে আছো। মই ক'লো।

দিনৰ পিছত দিন পাৰ হবলৈ ধৰিলে, ক্ৰমান্বয়ে আমাৰ কথা পতা বাঢ়িবলৈ ধৰিলে। কলেজৰ সকলোৰে মোক তাইৰ কথা লৈ জোকায়, খং উঠে যদিও মনত এটা পুলক অনুভৱ কৰো। কলেজলৈ সদায় লগতে অহা যোৱা কৰো, তাই মোৰ ৰুমত সোমায়, কেতিয়াবা কাপোৰ বিলাক ভালকৈ সজাই থৈ আহে। তাইৰ যে মোৰ ওপৰত কিমান আদেশ, এইটো নাখাবা, সেইটো নিপিন্ধিবা, তালৈ নাযাবা, সময় মতে আহাৰ খাবা আৰু নানা ধৰণৰ আদেশ। আৰু যদি মই এইবোৰ আদেশ নামানো তাইৰ খং অভিমানত মুখ খন ওফোন্দায়, মোক নমতাকৈ থাকে। আৰু যে কিমান ধৰণৰ মৰমীয়াল স্বভাৱ। এনে স্বভাৱৰ কাৰণে কেতিয়াবা তাইক নিজৰ যেন লাগে, এদিন আমি এটা কথা অনুভৱ কৰিছিলো যে ইজনে সিজনক দিনটোত এবাৰ নেদেখিলে দিনটো ভাল নালাগিছিল। মনতো কেনেবা কেনেবা লাগিছিল। তাই কলেজলৈ নগলে ক্লাচ কৰি মোৰ ভাল নালাগে, হয়তো তাইৰো মই নগ'লে ভাল নালাগে, তাই মোক অন্য ছোৱালীৰ সৈতে কথা পাতিবলৈ নিদিয়ে, নিজেও মই বেয়া পাম বুলি কোনো ল'ৰাক নামাতে, চকুলৈকো নাচাইছিল। গধূলি সময়ত দুয়ো সদায় ফুৰিবলৈ যাওঁ, আহোঁতে আন্ধাৰ হৈ যায়, মই তাইক ঘৰত থৈ আহোঁ। কিমান যে কথা পাতো সুখৰ, দুখৰ মৰমেৰে ভৰা।

এদিন তাই কৈয়ে পেলালে "প'লদা হ'বানে তুমি মোৰ হিয়াৰ আপোন, মোক দিবানে অকণমান মৰম, প্লিজ, তুমি মোক জীয়াই থকাৰ সাহস কণ দিয়ানা প'ল, মাত্ৰ তোমাৰ বুকুৰ মাজত। আজীৱন। সুখেৰে । নিৰ্ভয়ে।"

মই অবাক দৃষ্টিৰে তাইলৈ চাইছিলো। মোৰ মনত কিমান আনন্দ, চায়হে কোনে, হয়তো জীৱনত ইমান আনন্দ আজিহে প্ৰথম মই ক'লো। " হৃদয়ত সাঁচি ৰখা সকলো মৰম তোমাৰ বাবেই সংগী" তাই আবেগতে আহি মোক সাৱতি ধৰিছিল। এনেদৰে আমাৰ মৰমেৰে ভৰা দিন বোৰ বাগৰি গৈছিল। গোটেই দিনটো আমাৰ বাবে ছুটি হৈ গৈছিল। কিমান যে সংগীৰ আৱদাৰ ভৰা কথা। মানুহে কয় নহয় বেছিকৈ হাঁহিলে কান্দিবলৈ পায়, ঠিক আমাৰো তেনে হৈছিল। সকলো উলত পালত হৈ গ'ল। মই এসপ্তাহ মানৰ বাবে ঘৰলৈ গৈছিলো। সংগীয়ে এটা মিঠা চুমাৰে মোক বিদায় দিছিল। আৰু মাজে মাজে ফোন কৰিবলৈ কৈছিল। এসপ্তাহৰ পিছত কলেজত যি দেখা পাইছিলো। সি মোৰ সপোনৰো অগোচৰ আছিল।

ঃ সংগী, তুমি ইমান সলনি হৈ গ'লা আজি কলেজত................ মই সম্পূৰ্ণকৈ ক'বলৈ নাপালো।

ঃ এইটো মোৰ জীৱন, মোৰ যি ইচ্ছা তাকেই কৰিব পাৰো। আজি চাৰিটা ল'ৰাৰ লগতহে কথা পতা দেখিছা, কাইলৈ হয়তো আৰু বেলেগ ধৰণে দেখা পাবা, গতিকে মোক পাহৰি যোৱা।

ঃ.....................।

মোৰ একো ক'ব লগা নাথাকিল। মই কলেজ এৰি গুছি আহিলো। কাৰণ মোৰ সংগীয়ে আনৰ লগত, নাই নাই ভাবিব নোৱাৰি। কলেজ এৰি বিৰাজৰ লগত মিলি দুয়ো কাঠৰ ব্যৱসায়ত নামি পৰিলো। আকৌ আজি ইমান দিনৰ মূৰত পুণৰ সংগীক লগ পাইছো।

(৩)

গধূলি সংগীৰ ওচৰলৈ যোৱাটোকে ঠিক কৰিলো। বিৰাজক কৈ মই ওলাই আহিলো।

ঃ কোঁৱা কি কথা আছে, মোৰ হাতত সময় কম।

ঃ প্ৰথমে কোৱা মোক ক্ষমা কৰিম বুলি। সংগীয়ে ক'লে।

ঃ তোমাৰ ভূল বা ক'ত মই , কিয়বা ক্ষমা কৰিব লাগে। এইটো তোমাৰ জীৱন, তুমি যি কৰা তাত মোৰ ক'ব লগা একো নাই। আৰু কি ক'ব লগা আছে কোঁৱা। মই ক'লো।

সংগীয়ে কলে "তুমি যে ঘৰলৈ গৈছিলা তাৰ তিনিদিনৰ পাছত মই দেউতাৰ লগত মৰাণলৈ গৈছিলো। অকস্মাতে মোৰ চকু তোমাৰ ওপৰত পৰিল। কিন্তু দেউতা থকাৰ বাবে মাতিবলৈ সাহস নকৰিলো। তোমাৰ লগত এজনী ধুনিয়া ছোৱালী যাৰ লগত তুমি হয়তো বজাৰ কৰিছিলা। মোৰ কিয় জানো তোমাক হেৰুৱাৰ ভয় হ'ল, মই নাজানো। তোমাৰ লগত ছোৱালী জনীৰ চঞ্চলতাক মই সহ্য কৰিব পৰা নাছিলো। তোমাৰ লগত কিয় ইমান ঘনিষ্টতা বুজিব নোৱাৰিছিলো। মই যে তোমাক কৈছিলো "কোনো ছোৱালীৰ লগত ফ্ৰি নহ'বা " মোক ৰাতি এইকথাযাৰে বৰ কন্দুৱাইছিল জানা ? ঘৰৰ পৰা তুমি অহাৰ পিছত তুমি মোক কলেজত পাইছিলা, মই প্ৰতিশোধ লোৱাৰ মনে ল'ৰা বিলাকৰ লগত তোমাক দেখুৱাই কথা পাতিছিলো। তুমি হয়তো সপোনতো ভবা নাছিলা তোমাৰ সংগী ইমান নিঠুৰ হ'ব বুলি। তাতেই মোৰ ভুল হৈ গৈছিল। তুমি কলেজ এৰাৰ পিছত ময়ো কলেজ বাদ দিলো। তোমাৰ লগত মৰাণত দেখা ছোৱালী জনীক এদিন লগ পাইছিলো আৰু তেতিয়া গম পাইছিলো তাইৰ তোমাৰ খুড়াৰ ছোৱালী। মোৰ নিজকে খুব চৰিয়াবলৈ মন গৈছিল। মই তেতিয়াহে বুজিছিলো তুমি মোক কিমান ভাল পোৱা। মোক নিজৰ ইচ্ছা মতে থাকিবলৈ এৰি দিলা আৰু নিজকে অনেক দুখ সহ্য কৰি গুছি আহিলা। সেইদিনা ৰাতি মই আকৌ কান্দিছিলো। তোমাক হেৰুৱাৰ বাবে নহয়, তোমাৰ কোমল হৃদয়ত আঘাত দিয়াৰ বাবে। বহুত ঠাইত তোমাক বিছাৰিছিলো। কিন্তু তোমাৰ ঘৰৰ ঠিকনা নথকাৰ বাবে অলপ অসুবিধা হৈছিল। মোৰ ভগৱানৰ ওচৰত বিশ্বাস আছিল, তোমাক যে এদিন লগ পাম আৰু মোৰ হেৰোৱা প'লক ক্ষমা বিছাৰিম। প'ল তুমি মোক ভুল নুবুজিবা, প্লিজ.........। শেষত তাইৰ মাতযাৰ কঁপি উঠিল।

ঃ প'ল সচাঁই তুমি অতুলনীয়, তোমাৰ অবিহনে মই থাকিব নোৱাঁৰো প'ল।

ভিনিদেউইঁত এতিয়ালৈকে অহা নাই, তুমি মোক এৰি নাযাবা প'ল। "আই ল'ভ ইউ প'ল" তাই আহি মোক সাৱতি ধৰিলে। তাইৰ ওঠৰ স্পৰ্শত মোৰ চাৰ্টৰ বুকুখন তিতি গৈছিল। অকস্মাতে মোৰ মুখৰ পৰা বাহিৰ হৈছিল পাঁচটা শব্দ "তুমি মোৰ হিয়াৰ আপোন সংগী"।

□

# "IN SEARCH OF TRUE LOVE"

Miss Anjum Ara Khatoon.
*B. Com. 3rd year.*



"অপু.......... অপু.............অপু............ ক'ত আছা তুমি ?" ধুমুহা গতিৰে হোষ্টেলৰ চিৰিৰে দীপ ওপৰলৈ গৈছে অপুক চিনেমা চাবলৈ লগ ল'বলৈ। দীপ আৰু অপু ৰুম মেটৰ লগতে খুৱ ভাল বন্ধুও। দীপ স্বভাৱত চঞ্চল, হুলস্থুলীয়া; আনহাতে অপু শান্ত স্বভাৱৰ।

"অপু........ অপু.......... ব'লানা চিনেমা চাওঁগৈ । মই দুটা টিকট লৈ আহিছো, একেবাৰে লেটেষ্ট হিট চিনেমা, ব'লানা Please"।

অপুৱে চিলা উৰুৱাই ভাল পায়। সি সেই সময়ত চিলা বনোৱাত ব্যস্ত। "দীপ প্লিজ তুমি আভাক লৈ যোৱানা, মই এতিয়া অলপ ব্যস্ত।"

আভা তেওঁলোকৰ আন এগৰাকী বেষ্ট ফ্ৰেণ্ড, লগতে দীপৰ Girl friend।

"হুহ আভা মেমচাহেৱৰ মেকআপ কৰোঁতেই ৪ ঘণ্টা লাগিব আৰু চিনেমাখন তিনি ঘণ্টাতে শেষ হ'ব............ প্লিজ অপু ব'লানা চিনেমা বিগিনেই হব এতিয়া।"

"দীপ তুমি জানা মই এইছব ভাল নাপাওঁ, মোক ক্ষমা কৰা।"

" বাৰু ............. হ'ব', তোমাৰ দৰে Friend ৰ মোৰ কোনো প্ৰয়োজন নাই, মই আন কাৰোবাক লগত লৈ যাম, Good, bye!" দীপ অভিমান কৰি হোষ্টেলৰ পৰা ওলাই যায়।

চিনেমা চাই উভতি অহাত দীপে অপুলৈ আইছক্ৰীম লৈ আহে। দুয়োয়ে আইছক্ৰীম ভগাই খায় আৰু দীপে আইছক্ৰীম খাই হাত বিছনা ছাদৰত মছে।

"দীপ মই আজি চাদৰখন ধুই থৈছো, তাত পৰুৱা বগাব, তুমি হাতখন ধুই আহিব নোৱাৰানে?" "মোৰ ভাগৰ লাগিছে, মই এতিয়া শুওঁ, মোৰ হাত ধোৱাৰ ধৈৰ্য্য নাই, Good night, sweet heart !" ক্ষন্তেক পাছতেই বিছনাত পৰুৱা বগায় আৰু দীপ খপজপাই সাৰ পায়। অপুৱে গম পাই আন এখন চাদৰ উলিয়াই পাৰে।

"মই কৈছিলো নহয়, হাত ধুই শুৱা বুলি, কাইলৈ আকৌ চাদৰখন ধুব লাগিব, এতিয়া ত' অনুগ্ৰহ কৰি হাতখন ধুই লোৱা।"

(২)

"Sorry অ'পু।" দীপে হাতধুই পুণৰ শুই পৰে। দীপে তাৰ বস্তবোৰ বিশৃংখল কৰি থৈ ভাল পায় আৰু অপুৱে সদায় দুয়োৰে বস্ত পৰিপাটি কৰি ৰাখে।

পুৱা দুয়ো কলেজলৈ ওলাইছে।

"অপু মোৰ Note Book খন ক'ত থ'লা?,মই কওঁ নহয়, মোৰ বস্তবোৰ নসজাৱা, এতিয়া ছব বেয়া হ'ব।"

"ৰ'বা মই বিচাৰি দিছো তুমি কষ্ট কৰিব নালাগে, এইখন লোৱা।" দুয়ো বাইকত কলেজলৈ ওলাই যায়।

"অলপ লাহেকৈ গ'লে কিবা ট্ৰেইন Miss হৈ যাব নেকি ? মোৰ কাৰৰ হেড়লাইট ভঙা হ'লে ?"

"থোৱা তোমাৰ খাটাৰখন, মোৰ বাইকত যদি এটা ঘঁহাও পৰাহ'লে তোমাৰ খাটাৰখনৰ হুইল বদলাই দিলোহেঁতেন।"

আভা আৰু দীপে দুয়ো দুয়োকে ভালপায় যদিও তেওঁলোকৰ বেছি সময় দন্দ কৰোঁতেই পাৰ হয়।

"তোমালোকৰ কাজিয়াত পৰিলে মোৰ ক্লাছেই মিছ্ হ'ব, তোমালোকে 'প্যাৰ' কৰা মই আহোঁ।" অপুৱে দীপৰ বাইখন লৈ যাবলৈ লয়, তেনেতে আভাই মাত লগায়।

"অপু, দীপ, কাইলৈ মাঁৰ Brithday তোমালোক দুয়ো আহিব লাগিব।"

"কিন্তু মইতো তোমাৰ মাঁ-দেউতাক চিনি নাপাওঁ, মই গ'লে ভাল নালাগিব।" অপুৱে সংকোচ ভাৱে কয়।

"ভাল লাগিব নে বেয়া লাগিব সেইটো পাছৰ কথা মুঠতে তোমালোক আহিব লাগিব আৰু মায়েও তোমাক চাব বিচাৰিছিল।"

"Hai অপু তুমি কিয় সংকোচ কৰিছা, আভাৰ মা-দেউতাক খুউব মৰমিয়াল, আমাৰ বিলৈচনৰ কথাও আনকি তেওঁলোকে জানে, অথচ মই নিঃসংকোচে আভাহঁতৰ ঘৰলৈ যাওঁ। Don't worry, be Happay ! "

(৩)

আভাৰ মাকৰ জন্মদিনৰ দিনা সকলো আভাৰ ঘৰত উপস্থিত হয় অপুৰ বাহিৰে।

"মাঁ কেক্‌টো কাটা, ৰেডী।"

"Happy Birthday to you, Happy Birthday to you..................Happy Birthday to you।" সকলোৱে......সমস্বৰে গাৱলৈ ধৰে।

"মাঁ First piece মোৰ নহয়নে?" আভাৰ অভিমান।

"ওহোঁ প্ৰথমতে Brithday Girl য়ে তেওঁৰ Husband কহে খুৱাব নহয়নে ?" দেউতাকে ধেমালিতে কয়।

তেনেতে দুৱাৰত অপু আহি ৰয়। অপুক দেখি মাঁকৰ তালৈ মৰম লাগি যায়। আৰু..............।

"সেইটো Birthday Gift য়েহে Decide কৰিব।" এইবুলি কেকৰ Piece ডোখৰ অপুক খুৱাই দিয়ে।

আভাই মাঁক-দেউতাকৰ সৈতে অপুক চিনাকি কৰাই দিয়ে।

উভতি গৈ অপু আৰু দীপে Birthday Gift ৰ কথা পাতে। "অপু তুমি কি Gift দিলা, মই আৰু আভাই মিলি Aunty ক এখন দামী শাৰী Present কৰিলো I am sure Aunty য়ে সেইখন আটাইতকৈ বেছি পছন্দ কৰিব। তুমি কি দিলা কোৱানা ?"

"মই এটা পিতলৰ পূজাথলীৰ লেম্প Gift কৰিলো।"

"পূজাথলীৰ লেম্প. .......... হাঁ হাঁ....... অপু তুমিও যে। তোমাৰ যে একেবাৰে Gift Chance নাই, Aunty এগৰাকী আধুনিক মহিলা, You Don't Know about that।"

"দীপ, Aunty এগৰাকী ভাৰতীয় মহিলাও।"

আভাৰ মাঁক দেউতাকে যেতিয়া Gift বিলাক চালে, তেওঁৰ অপুৰ Gift টো খুৱ ভাল লাগিল। তেওঁ লেম্পটো জ্বলালে।

" ল'ৰাটো যিমান মৰম লগা সিমান মৰম লগা তাৰ Gift টো নহয়নে ?" মাঁকৰ উক্তি।

"ওঁ ওঁ...।" দেউতাকৰ হয়ভৰ।

(৪)

"আভা......... অপুহঁতৰ হোষ্টেলৰ ফোন নাম্বাৰটো দিয়াছোঁন, মই তেওঁলোকক Dinner ৰ বাবে নিমন্ত্ৰণ কাৰোঁ।"

"কিন্তু মাঁ আজি Weekend নহয় জানো, দীপটো ঘৰলৈ গ'ল।"

"হব বাৰু অপু আছে নহয়।"

"ক্ৰীং.......... ক্ৰীং...........ক্ৰীং............।" হোষ্টেলৰ ফোনটো বাজি উঠে।

"হেল্ল'............ অপুক অলপ মাতি দিব নেকি।" আভাৰ মাকে হ'ল্ড কৰে।

"নিশ্চয় , আপুনি অলপ ৱেইট কৰক।"হোষ্টেলৰ ৱাৰডেন জনে কয়।

ক্ষন্তেক পাছতেই অপু আহে আৰু ফোনটো ৰিচিভ কৰে।

"হেল্ল'।"

"হেল্ল'........অপু, মই আভাৰ মাঁ।"

" অ' Aunty ভালনে আপোনাৰ ?"

"ভালেই মই তোমাক আজি Dinner ৰ বাবে নিমন্ত্ৰণ কৰিবলৈহে ফোন কৰিলো।"

"হ'ব Aunty , কিয় কষ্ট কৰিছে, অৱশ্যে দীপো নাই মই অকলে যাম জানো ?"

"মই জানো দীপ নাই বুলি, মই কিন্তু তোমাৰ বাবে বিশেষভাৱে খীৰ বনাইছো।"

"খীৰ............।" অপু খীৰৰ নাম শুনি চিঞৰি উঠিল।

" তুমি খীৰ বৰ ভাল পোৱা নেকি ?" আহাঁ তেন্তে আমি ৱেইট কৰিম, Ok থৈছো দেই Bye "

সেইদিনাৰ পৰা অপু প্ৰায়ে আভাৰ ঘৰলৈ যায় আৰু খোৱা বোৱা কৰে। দীপৰ চকুত অপুৰ পৰিৱৰ্তন ধৰা পৰে। সদায় মনে মনে থকা, মিউজিক, চিনেমা ভাল নোপোৱা অপু আজি উচ্চস্বৰৰ সংগীতত ডাঞ্চ কৰে। তাৰ অলপ সন্দেহ হয়।



(৫)

এদিনাখন দীপ আভাহঁতৰ ঘৰলৈ যায়। অপু আৰু আভা একেলগে বহি কথা পতাত ব্যস্ত।

" আভা তোমালোকৰ মাঁ-দেউতা ইমান ভাল। মোক নিজৰ ল'ৰাৰ দৰে মৰম কৰে।"

"And what about me ? " আভাই সোধে ?

"তুমি....., তুমিটো মোৰ Girl Friend " অপুৱে ধেমালিতে কয়।

দীপে সেইসময়তে সিহঁতৰ কথা শুনে আৰু খঙত ওলাই যায়।

"সেই সেইবোৰ কি কৈছা?" আভাই অপুক ঠেলা মাৰি কয়।

" অ'টো তুমি হলা এজনী ছোৱালী মানে Girl, আৰু মোৰ friend মানে বন্ধু, গতিকে তুমি মোৰ Girl friend ."

"তেনেকৈ হ'লে ঠিকে আছে।"

সন্ধিয়া হোষ্টেলত দীপে অপুৰ লগত মাতবোল নকৰে। অপু আচৰিত হয়। অপুৱে সজোৱা দীপৰ সকলো বস্তু ঠানবান কৰে। অপুৱে সোধাত দীপৰ আৰু খং উঠে।

"নিজৰ পুতৌ উপজা চেহেৰা দেখুৱাই প্ৰথমে আভাৰ মাঁ-দেউতাক পটালা আৰু এতিয়া মোৰ প্ৰেয়সীকো হাত কৰিব বিচাৰিছা আৰু সুধিছা "কি হ'ল"? বাহ.......... তোমাৰ দৰে চালাক মানুহ মই দেখা নাই, তুমি বন্ধুত্বৰ নামত কলঙ্ক ।"

"দীপ তুমি ভুল বুজিছা।"

"থোৱা থোৱা মোৰ আগত নিজকে Innocent দেখুৱাবলৈ চেষ্টা নকৰিবা।" দীপে খংত ৰুমৰ পৰা ওলাই যায়।

(৬)

"ক্ৰীং..........ক্ৰীং.........ক্ৰীং...........ক্ৰীং............।" হোষ্টেলৰ ফোনটো বাজি উঠে। ৱাৰডেনজনে ৰিচিভাৰটো তোলে আৰু অপুক মাতি পঠায়।

"হেল্ল'..............?"

"হেল্ল'........মই আভা...........। অপু আমি কাইলৈ পিক্‌নিক্ যাম, তুমিও আমাৰ লগত যাব লাগিব। পুৱা সোনকালে যাম। তুমি গুছি আহাঁ, আজি আমাৰ ঘৰতে থাকিবা।"

অপুক কাপোৰ সামৰা দেখি দীপে ভাৱে যে, তাৰ কথাত বেয়া পাই অপু তাৰ পৰা যাবলৈ ওলাইছে. দীপৰ অলপ বেয়া লাগে।

"কলৈ যোৱা তুমি............।"

"তোমাক কেলেই, মই য'তেই নাযাওঁ। ইমান যদি জানিবলৈ মন গৈছে শুনা, মোক আভাই পিক্‌নিকত লগ লৈছে। আৰু শুনা মই সিহঁতৰ ঘৰলৈ আভাৰ কাৰণে নেযাওঁ, মই যাওঁ আভাৰ মাঁ, আভাৰ দেউতাৰ বাবে। তেওঁলোকে মোক নিজৰ ল'ৰাৰ দৰে মৰম কৰে। তুমি জানাই যে মোৰ দেউতাই আন এগৰাকী বিয়া কৰাই আমাক এৰি থৈ যায়গৈ, মোৰ মায়েও নিজৰ জীৱন সঙ্গী বিচাৰি লয়। মই জানো তেওঁ মোক খুব মৰম কৰে, কিন্তু মই এইটোও জানো যে তেওঁ মোক লগত ৰাখিবও নোৱাৰে। তুমিওটো প্ৰত্যেক Weekend অতে ঘৰলৈ যোৱা, তুমিটো এদিনো মোক নকলা (ব'লা আমাৰ ঘৰলৈ যাওঁ বুলি।" আভাই মোৰ দুখ বুজিলে। "A true friend She is, because true friends are those, who can feels their friends feelings," কৈ অপু যায়গৈ।

(৭)

পুৱা অপু, আভা আৰু আভাৰ মাঁক-দেউতাক পিকনিকৰ বাবে সাজু হয়।

" অপু, বেটা পিকনিকৰ বস্তুবোৰ চৰ ৰেডী নে?"আভাৰ মাকে অপুক কয়।

"হয় মাঁ, চৰ ৰেডী আছে।" অপুৱে. আভাৰ মাঁকক মাঁ বুলি মাতে।

"কি ক'লা আকৌ এবাৰ কোৱাচোঁন।" আভাৰ মাঁকে মৰমতে কয়।

"মাঁ .............. চৰ ৰেডী....... আছে?" অপুৱে এইবাৰ সংকোচেৰে কয়।

আভাৰ মাঁকে আগবাঢ়ি গৈ অপুৰ কপালত এটা চুমা খায়।

"তুমি মোক আজিৰ পৰা 'মাঁ' বুলিয়ে মাতিবা।

"আৰু মোক দেউতা।" আভাৰ দেউতাকে লগতে যোগ দিয়ে। সকলোৱে মনত সুখৰ জোৱাৰ উঠে।

"ব'লা ব'লা জল্‌দি কৰা, আমি লেট হৈ যাম নহ'লে। আভাই কয়।

সকলো যাবৰ বাবে দুৱাৰ মুখ পাওঁতেই দীপ আহে।

"তোমাক কোনে মাতিলে ?" অপুৱে খঙত কোৱাৰ দৰে কয়।

"মোক মোৰ Girl Friend য়ে মাতিছে।" দীপৰ উত্তৰ।

"তাই মোৰ Girl Friend."

"ধেমালিতে কৈছা যদি ঠিক আছে, নহ'লে............?"

সকলোৱে মূখত হাঁহি বিৰিঙি উঠে !!! ❐

চুটি-লেখা

# "কলেজৰ আড্ডা"

ছাত্ৰবন্ধু, ডিব্ৰু মহাবিদ্যালয়।

আড্ডা বিষয়ত এটা কথা কওঁতে বহুত কথা ক'ব পাৰি, কিন্তু লিখিবলৈ যথেষ্ট কঠিন। আড্ডা হ'ল, নানা ধৰণৰ কথা বতৰাৰ আলোচনা। ইংৰাজীত কবলৈ গলে "A meeting place"। কলেজক কিছু অংশ ছাত্ৰ-ছাত্ৰীৰ বাবে আড্ডাৰ প্ৰধান ৰহঘৰা বুলি ক'ব পাৰি। ছাৰি পাচঁ জন ছাত্ৰ-ছাত্ৰী এক লগ হৈ আড্ডা হয়। বিভিন্ন অঞ্চল, বিভিন্ন জন-জাতিৰ, বিভিন্ন ধৰণৰ ছাত্ৰ-ছাত্ৰী হোৱাৰ বাবে আড্ডাই অন্য এক ৰূপ পায়। এনে আড্ডাবোৰ মহাবিদ্যালয় সমূহত প্ৰত্যেক দিনাই দেখা যায়। আড্ডা সমূহৰ মাজত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সংঘটিত মনোগ্ৰাহী ৰসাল ঘটনা জড়িত হৈ থাকে। এক প্ৰকাৰে কবলৈ গলে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কলেজ হ'ল আড্ডাৰ ষ্টেচন। সেই আড্ডা এক ভাইৰাছ ৰূপত ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাই পৰিছে।

ছাত্ৰ-ছাত্ৰীৰ সকলৰ ক্লাচ নথকাৰ সময়ত কলেজত সংঘটিত ঘটনা বা আনুসংগিক কথাৰে আড্ডাৰ পাতনি মেলে। কলেজৰ প্লে-বয়ৰ পৰা আৰম্ভ কৰি পেলেষ্টাইনৰ মুক্তি যোদ্ধা, অসমৰ সন্ত্ৰাসবাদীৰ সমস্যা, দিছপুৰৰ মন্ত্ৰীৰ নাৰী কেলেংকাৰি, টেহেলকা ডট্ কমৰ অনুসন্ধানৰ অভিযান, বৰপেটাত বুটমাহ খাই হোৰা কিশোৰৰ মৃত্যু; জলন্ত নিৰনুৰা সমস্যা, আজি চলিত মেচত শচীনে কিমান মাৰিলে, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতি, অসমীয়া হিন্দী-চিনেমাৰ নায়ক-নায়িকাৰ সাজপাৰ ইত্যাদি বোৰ হল আড্ডাৰ প্ৰধান বিষয় বস্তু। এটা বিষয়ত আড্ডা চলি থকা সময়তে আন এটা লৈ গতি কৰি থাকে।

কলেজৰ আড্ডা বহু প্ৰকাৰৰ দেখা যায় যেনে কেন্টিনৰ আড্ডা, কমনৰুমৰ আড্ডা, কলেজৰ কাষৰ দোকানৰ আড্ডা ইত্যাদি। কিছু ছাত্ৰ-ছাত্ৰীয়ে ক্লাচ নকৰি আড্ডা মাৰি ভাল পায়। সিহঁতে প্ৰায় কলেজৰ কেন্টিন বা কোনো এচুকত বহি আড্ডা মাৰি থাকে। সিহঁতক আন ছাত্ৰ-ছাত্ৰীয়ে কেন্টিন আড্ডা পাটি বুলিয়ে জানে। কেতিয়াবা সিহঁতে ইমান হুলস্থুল কৰে যে কেন্টিনৰ বাইদেইৰে চকুৰে সৰিয়হৰ ফুল দেখে। তাৰে কিছু ছাত্ৰই কলেজৰ কাষৰ পান দোকানত আড্ডা মাৰে। মুখত পান, হাতত চুৰট জ্বলাই দিল্লীয়া টান মাৰি এৰি দিয়া ধোৱাঁ বোৰৰ মাজে মাজে অশ্লীল কথা । তাৰ উপৰিও কলেজৰ ছাত্ৰী সকলক ........ আৰু মুখত নানা ধৰণৰ অশ্লীল মাত। কিন্তু কিছু ছাত্ৰ-ছাত্ৰী আছে ক্লাচ ৰূমত বহি সংগীত গায়, নাচি-বাগি আড্ডা উপভোগ কৰে। তাৰ ভিতৰতো কিছু ছাত্ৰ-ছাত্ৰীয়ে প্ৰেমত মগন হৈ মধুৰ সপোন ৰচাত ব্যস্ত হৈ থাকে। কিতাপ বা সাহিত্য চৰ্চা বা জ্ঞান অৰ্জ্জনৰ বিষয়ে চিন্তা কৰিবৰ সময় নাই।

কবলৈ গ'লে আড্ডাই ছাত্ৰ-ছাত্ৰী সকলক জানিবলগীয়া বহু কথাৰ সন্তেদো দিয়ে। যদিহে ছাত্ৰ-ছাত্ৰী সকলৰ আলোচনাৰ বিষয় বস্তু ভাল বা ফলপ্ৰসু হয়। সু-আড্ডাই ছাত্ৰ-ছাত্ৰী সকলৰ বন্ধুত্ব শক্তিশালী কৰে। কিন্তু ভাল বিষয়ত আড্ডা মৰাৰ পৰিৱেশ মহাবিদ্যালয়ত আছেনে ? যদি নাই ছাত্ৰ-ছাত্ৰী সকলেই মহা বিদ্যালয়ত ভাল আড্ডাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সময় হ'ল অতি মূল্যবান। গতিকে এনে মূল্যৱান সময়বোৰ কলেজৰ কেন্টিনত বা পান দোকানত, কলেজৰ কোনো চকুত বাজে কথাৰ আড্ডা নামাৰি অলপ ভাল চিন্তাৰ ওপৰত আড্ডা মাৰিলে ছাত্ৰ-ছাত্ৰী সকল কিছু পৰিমাণে হ'লেও উপকৃত হ'ব পাৰিব। যিহেতু "ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে সময়ৰ সদব্যৱহাৰেই হৈছে উন্নতিৰ মূলমন্ত্ৰ"। ❐

# যোগ্যজনৰ বিচাৰ

শ্ৰী নীলিম জ্যোতি বৰগোহাঁই
*প্ৰথম বাৰ্ষিক (বিজ্ঞান শাখা)*

এখন গাওঁত এজন উকিলে বসবাস কৰিছিল। উকিলজনে ওকালতি শেষ কৰি পেন্সন লোৱাৰো বহু বছৰ হৈছিল। তেওঁ ভাবিছিল যে তেওঁৰ কোনো এজন উপযুক্ত পুতেকক ঘৰৰ দায়িত্ব দি নিশ্চিন্ত হ'ব।

তেওঁৰ তিনিজন পুতেক আছিল। তেওঁলোকৰ নাম দেৱ, মানৰ আৰু মহাৰলী আছিল। তেওঁ তিনিওজন পুতেকক মাতিলে আৰু প্ৰত্যেককে এশ টকা এটা দি ক'লে, "ল'ৰাহঁত, তোমালোকক প্ৰত্যেককে এটা এটা কোঠা দি থৈছো। তোমালোকে কোঠাটোৰ যিমান বস্তু আছে সকলো বাহিৰ কৰি দি, মই দিয়া এশটকাৰে তোমালোকে নিজৰ ইচ্ছাৰে যি কিনিবপৰা কিনি ঘৰতো পৰিপূৰ্ণ কৰা"।

তিনিজন পুতেকে এশ টকাটো লৈ বজাৰলৈ গ'ল আৰু নিজৰ নিজৰ ইচ্ছাৰে যি মন যায়, তাকে কিনি কোঠাটোত থৈ দিলে।

আবেলি সময়ত উকিলজনে তিনিও পুতেকৰ-কোঠালৈ সোমাই কোঠাবোৰ চাবলৈ ধৰিলে। প্ৰথমতে মহাৰলীৰ কোঠাত সোমাই দেখিলে গোটেই কোঠাটো তুলাৰে ভৰাই থৈছে ; তথাপিতো কোঠাটো তুলাৰে সম্পূৰ্ণ কৰিব পৰা নাই।

উকিলজনে সুধিলে, "মহাৰলী কি হ'ল, তোমাৰ কোঠাটো তুলাৰে সম্পূৰ্ণ কৰিব নোৱাৰিলা"?

মহাৰলীয়ে ক'লে, "দেউতা, তুলাই সকলো বস্তুতোতকৈ ওজনত কম। আপুনি দিয়া এশ টকাৰে যিমান পাৰি কিনিলো, তথাপি কোঠাটো তুলাৰে সম্পূৰ্ণ কৰিব নোৱাৰিলো।"

উকিলজনে হাঁহি মাৰি আগৰ কোঠালৈ আগবাঢ়ি গ'ল, তেওঁ মানৰৰ কোঠাত ,সোমাই দেখিলে, গোটেই কোঠাটোত ঘাঁহ পাতেৰে ভৰাই থিছে। তথাপিতো কোঠাটো ঘাঁহ পাতেৰে সম্পূৰ্ণ কৰিব পৰা নাই। দেউতাকে সুধিলে,"মানৰ, তুমি দেখোন কোঠাটো ঘাঁহ পাতেৰে ভৰাই তুলিব পৰা নাই।

মানৰে ক'লে,"দেউতা বজাৰত ঘাঁহ-পাততকৈ কম দামৰ বস্তু নাই। এশটকাৰে মই অধিক আনিব নোৱাৰিলো। সেইকাৰণে এইখিনিকে লৈ আনিব পাৰিলো।"

এইবাৰ আগবাঢ়ি দেৱৰ কোঠাৰ সন্মুখত ৰ'লে আৰু চালে। দেৱে এখন চকীত বহি এখন কিতাপ পঢ়ি আছে। তেওঁৰ কোঠাটোৰ চাৰিওফালে চালে। কোঠাটো মম আৰু ধূপেৰে উজ্বল আৰু সুগন্ধি কৰি ৰাখিছে, উকিলজনে সুধিলে, দেৱ তোমাৰ কোঠাটো দেখোন খালী হৈ আছে। দেৱে ক'লে, "দেউতা মোৰ কোঠাটো চাৰিওফালে সম্পূৰ্ণ হৈ আছে"।

দেউতাকে সুধিলে কি কি বস্তুৰে পূত্ৰ। দেৱে ক'লে, "বায়ু আৰু পোহৰ কোঠাটোত আগৰপৰাই আছিল। মই ধূপৰ গোন্ধ আৰু মমৰে পোহৰ কৰি কোঠাটো ভৰাই তুলিছো। দেউতাকে দেৱৰ উত্তৰ শুনি বৰ সন্তোষ পালে আৰু মহাৰলী আৰু মানৰক মাতি ক'লে ,"কোৱাচোন দেৱৰ কোঠাটোত কি কি বস্তু আছে।"

ইপিনে-সিপিনে চালে আৰু ক'লে, "একো বস্তু নাই"। কিন্তু দেউতাকে সকলো কথা বুজালে আৰু দেৱক তিনিওজনৰ ভিতৰত যোগ্য পুত্ৰ বুলি ক'লে।

সুগন্ধ আৰু পোহৰ কৰিবলৈ দেৱৰ দেউতাকে দিয়া এশটকাৰ দহ টকা খৰচ হৈছিল আৰু বাকী টকা ঘূৰাই দিলে।

উকিলজনে ক'লে " মই গোটেই ঘৰৰ দায়িত্ব তোমাৰ ওপৰত দিছো। তুমি নিজৰ ভাইটিকেইজনক ভালদৰে চাবা। নিজৰ উজ্বল কৰ্ম কৰি ঘৰটো পোহৰে উজ্বলাই দিবা আৰু নিজৰ যশস্যা সুগন্ধি লৈ সকলোতে বিলাবা।"

পিতাকৰ এই দায়িত্ব মানৰ আৰু মহাৰলীয়ে ভাল বুলি জানিলে আৰু ককায়েকৰ কথা শুনি সুখেৰে থাকিবলৈ ল'লে। ❐

# "মানৱ"

শ্ৰী গৌতম পেগু।
*স্নাতক ১ম বৰ্ষ, বিজ্ঞান শাখা (উদ্ভিদ বিভাগ)*

আমি যে কওঁ আমি মানৱ
আছে জানো আমাৰ মানৱ পৰিচয়
হওঁ জানো আমি জীৱ শ্ৰেষ্ঠ?
আমি মানৱে পাহৰি গ'লো
ভগৱানৰ সেই সৃষ্টিৰ
মহান উদ্দেশ্য
যাৰ বাবে ভগৱানে আমাক
দিছিল এনে এক অমূল্য সম্পদ।
সেইবোৰ ভাবিবলৈ আছে জানো
আমাৰ হাতত সময়
আমি কেৱল সময় পাওঁ
দুৰ্নীতি, ধ্বংস, হত্যা-লীলা কৰাৰ।
আজি আমি শেৱালীৰ গোন্ধৰ
ঠাইত পাইছো
মানুহৰ তেজৰ গোন্ধ
আমাৰ আকাশ বতাহ ভৰিল
গুলি, বাৰুদৰ ধোৱাৰে।
কিয় এনে হ'ল আমাৰ
মানৱৰ মন
ক'ত গ'ল আমাৰ মানৱীয় গুণ?
আমাৰ কাৰ্য্যৰ দ্বাৰা
আমাৰ মানৱীয় পৰিচয়
মিলি গ'ল ধূলিৰ লগত।
সেই শান্তি, সেই আনন্দ
সেই শস্য শ্যামলা
মৰমী পৃথিৱী
ক'ত গ'ল সেইবোৰ কোনে কাঢ়ি নিলে
সেইবোৰ আমাৰ পৰা।
আমাৰ হেৰোৱা গৌৰৱ,
সেউজীয়া পৃথিৱী খনি
উদ্ধাৰ কৰিবলৈ
আহা আহা আজি আমি
সকলো মিলি এই নৱ শতিকাৰ
নৱ প্ৰভাতত সকলোৱে মিলি
গাওঁ, শান্তি, সমৃদ্ধিৰ
জয় গান॥



# "নোপোৱাৰ বেদনাত"



শ্ৰী দিব্যজ্যোতি মেছ।
*স্নাতক ১ম বাৰ্ষিক(কলা শাখা)*

নিজান ৰাতি মই বাহিৰলৈ ওলালেই
থিৰ হৈ পৃথিৱীলৈ চাই থকা তৰাবোৰে
মোক দেখি সোধে—
কিয় এনেকৈ নিজান ৰাতি বাহিৰলৈ ওলাই আহিছা?
ভয় নালাগে?
উত্তৰ দিওঁ মই তৰাবোৰক মাথো এটি বাক্যত
নোপোৱাৰ বেদনাত। নোপোৱাৰ বেদনাত কি থাকিব পাৰে?
সিহঁতে বুজি পায়, মোৰ বাক্যটিৰ অৰ্থ
আৰু ছটিয়াই মোলৈ
সান্ত্বনাৰ ফুলৰ থোপা।
কিন্তু সান্ত্বনাৰ ফুলৰ থোপাবোৰ
ৰাতিৰ উদণ্ড বতাহজাকে মোৰ পৰা
বহু আঁতৰত উৰুৱাই নি সিঁচি দিয়ে
সেই সান্ত্বনাৰ ফুল।
ৰাতিৰ সেই উদণ্ড বতাহজাকে
ৰৈ থকা ডাৱৰখিনিকো উৰুৱাই লৈ আহে
মোৰ মূৰৰ ওপৰেদি
মোক দেখি ডাৱৰখিনিয়েও ৰৈ যাব খোজে
দিব খোজে মোৰ শৰীৰত আশ্ৰয় লোৱা
বিন্দু বিন্দু ঘামবোৰক এশিকনি
ধুই নিব খোজে মোৰ শৰীৰ
বৰষুণৰ ফুলেৰে।
কিন্তু নোৱাৰে, সেই উদণ্ড বতাহজাকে
ডাৱৰখিনিকো লৈ যায় উৰুৱাই
ক'ৰবালৈ, মোৰ পৰা বহু দূৰলৈ।
কৃষ্ণ পক্ষৰ অষ্টমী নিশাৰ জোনটোৱে
হঠাৎ ক'ৰবাৰ পৰা আহি মোক সোধে
কিয় এনেকৈ নিজান ৰাতি অকলে ৰৈ আছা?
ভয় নালাগে?
পুণৰ জোনটোকো মই একেই উত্তৰ দিওঁ
আৰু ভিক্ষা মাগো
তুমিতো আছাই দেখোন আৰু সাতটা দিনৰ বাবে
মোৰো আৰু সেই সাতটা দিনেই আছে
সেইবাবেই তুমি দি যোৱা মোক
তোমাৰ পলে পলে ক্ষয় হৈ যোৱা
পোহৰ আৰু পোহৰৰ সুগন্ধি।





# "নদী মানুহৰ ঠিকনা"

শ্ৰী গৌৰৱ য়েইন।
*উৎসৰ্গ : (সহপাঠি ছবিত্ৰাৰ হাতত)*
*(প্ৰথম বাৰ্ষিক কলা)*

দিচাং পৰীয়া খেতিয়কৰ বৰ পুত্ৰ মই।
যিহেতু, 'নদীৰ মানুহ'।
বাৰেবৰণীয়া কৃষ্টিৰে গঢ়া
এই সমাজৰ এক অন্য নাম শিৱসাগৰ 'দিচাং মুখ'।
নদীৰ মানুহ বুলি,
ঘৃণা ন'কৰিবা। অ, মোৰ বুকুৰ বান্ধৈ ঐ
তোমাৰ দৰেই নৱ স্বপ্ন লৈ থিয় হৈ ৰৈছো
এই ফুলনিবাৰী খনত।
তুমি য'ত আছা মইও তাতেই
পাৰ্থক্য মাথো, এখন ইপাৰ সিপাৰ ছাঁহে
মুলতঃ আমি মানুহ
যদি তুমি আৰু মই একেখন নদীৰ গঢ়া
একেটা ঢৌ, তেন্তে কিহৰ ভয়। আগবাঢ়ি যাও আহা,
পাৰ কৰিম লুইত পাৰৰ কবিতাৰ এসন্ধ্যা
ভাটীয়ালী সুৰেৰে আখৰা কৰিম
সুখ আৰু দুখৰ 'নদীৰ মানুহৰ ঠিকনাৰ গান'।

# এচেৰেঙা ৰ'দ

শ্ৰী ৰঞ্জন গগৈ।
*স্নাতক ২য় বৰ্ষ (কলা)*

মাত্ৰাহীন 'প' নামৰ পৃথিৱীত
ধৰা দিলেহি তাই,
আহাৰমহীয়া কিন্‌কিনিয়া বৰষুণৰ মাজতো
হাতত এমুঠি
এচেৰেঙা ৰ'দলৈ।
যাযাবৰ জীৱন যাত্ৰাত
হাতে হাতে ধৰি
প্ৰেৰণাৰ উৎস হৈ পৰিল
তাইৰ হাতৰ সেই
এচেৰেঙা ৰ'দখিনি।
কেৱল মাথোঁ, কল্পনাই নহয়
চিৰসঙ্গিনী হৈ ৰ'ব
মোৰ জীৱনজুৰি।
প্ৰকৃতিয়ে উদঙাই দিয়া
তাই সদায় লৈ ফুৰা
এচেৰেঙা ৰ'দ
মোৰ প্ৰেম সাগৰৰ
মাহঁস পটত।



# চিঠি

শ্ৰী ৰিতুৰাজ বুঢ়াগোহাঁই।
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান শাখা)

বকুল তলত
নিয়ৰ পৰি থকা দুবৰিত
লগ কৰিছিলো
তুমি মই
নিশা আন্ধাৰত
তোমাৰ জানো
মনত আছে প্ৰিয়া
তুমি চাগে
পাহৰিয়ে পেলাইছা
মই ওলাই আহিলো
জাতীয়তা বাদত মুগ্ধ হৈ
দিলা বিদায় শোক
চকুৰ মণি মাটিত পেলায়
লাজুকীয়া মনটি তোমাৰ
প্ৰীতি ভৰা হৃদয়ৰ প্ৰাণ
জানা প্ৰিয়া
তোমাৰ মোৰ
চিঠিয়েই সংযোগৰ আহিলা
সিদিনাখন
ৰণজিতক লগ পাইছিলো
তুমি হেনো এতিয়ালৈকে
ক্ষমা কৰোৱা নাই
কিন্ত
কিয় কৰিছা মোৰ প্ৰতি অন্যায়
প্ৰিয়া তুমি নুবুজা
দেশৰ কাৰণে
স্বজাতিৰ হকে
জীৱন দিবলৈ
মই যে কৰিছো পণ
প্ৰিয়া তুমি বুজিবলৈ
চেষ্টা কৰিবা
দেশত কৈ প্ৰেম ডাঙৰ নহয়
তাৰ ইতিহাস
তুমি নিশ্চয় পঢ়িছা।
মই জানো
মোৰ মনে জানে
মোৰ প্ৰাণে জানে
আত্ম সম্পৰ্ণৰ নিৰ্চিনা
নাই অপমান
গতিকে
সেই আশা তুমি ত্যাগ কৰা
বিদায় সম্ভাষণ দিলো প্ৰিয়া
শেষত আকৌ
এবাৰ মৰম লবা।



# সিহঁতে পাহৰি গ'ল !

শ্ৰীমান মহেন্দ্ৰ গগৈ।
দ্বাদশ শ্ৰেণী (কলা শাখা)

সেই দিনা
সিহঁতেই আৰ্তনাদ কৰিছিল
দেশৰ বাবে স্বজাতিৰ বাবে।
সিহঁতেই বজ্ৰৰ দৰে গৰ্জন কৰি
আগুৱাই গৈছিল দুহাতত মৰণাস্ত্ৰলৈ।
সিহঁতেই অগ্নিবৰষিছিল
গাঁৱে ভূঞে নগৰে চহৰে
মেদিনী কপাই।
কিন্ত.............
সিহঁতে এতিয়া
সকলো পাহৰি গ'ল
সিহঁতে এতিয়া
বিষাক্ত বায়ুৰসতে মিলি গ'ল।
সিহঁতে পাহৰি গ'ল
নিজৰ ককাই-ভাই, বাই-ভনী
পাহৰি গ'ল পিতৃ মাতৃক।
সিহঁতৰ আগতেই জানো কৰা নাই
বৰ বৰ পিশাচহঁতে
অত্যাচাৰ, হত্যা আৰু ধৰ্ষণ॥
সিহঁতে পাহৰি গ'ল
আই অসমীৰ দুখৰ কথা
সিহঁতক স্বৰ্গদেৱে
খুৱাইছিল আহুদি।
সিহঁত আজি নিমাত নিৰ্বিকাৰ
সিহঁতে নিজকে পাহৰি গ'ল॥

# শ্বহীদ জোৱান

মমী ডেকা।
উঃ মাঃ ১ম বাৰ্ষিক (কলা শাখা)

হে কাৰগিল বিজয়ী
ভাৰতৰ বীৰ জোৱান
তোমালোকলৈ জনাওঁ আমাৰ
অন্তৰৰ সহস্ৰ প্ৰণাম
দেশৰ অনাগত ভৱিষ্যৎৰ বাবে
তোমালোকে কৰিলা জীৱন দান
হে জোৱান তোমালোকলৈ আমাৰ
শত শত দেশবাসীৰ প্ৰণাম
দেশৰ সীমাত কাৰগিল আজি
হৈ ৰ'ল বিজয় নিচান।
আশীষ নিয়ালী লৈ দেশ মাতৃৰ
কপালত আঁকি ল'লা তিলক জয়ৰ
শত্ৰুক পৰাজয় কৰি ৰাখিলা
নিজৰ দেশৰ মান।
জন্মভূমিৰ তুমি ভাগ্যৱান সন্তান
হে বীৰ শ্বহীদ জোৱান
তোমালোকলৈ আমাৰ কোটি কোটি প্ৰণাম॥



## 'অনুভৱত তুমি'

শ্ৰী ধীৰাজ কনোৱাৰ।
*স্নাতক ১ম বাৰ্ষিক (কলা)*

নামটোনো কি ?
তুমিয়েই মোক কৈছিলা,
চিনাকি হ'বলৈ তুমিয়েইতো কৈছিলা
চিনাকিয়েই প্ৰেম হ'ল।
মোৰতো নাছিল এটা ঘৰ
আৰু নাছিল এটা চাকৰি,
য'ত থাকি———
সুখেৰে দুটি কথা পাতিব পাৰোঁ।
আছো মাথোঁ সাগৰৰ দৰে
এখন বিশাল হৃদয়
আৰু অলেখ স্বপ্ন,
নতুবা তোমাক দিব পাৰোঁ গীতৰ লহৰ
জীৱন জুৰি, সুৰ মদিৰাত।
প্ৰেমৰ প্ৰথম পত্ৰ দিবলৈ তুমিয়েই কৈছিলা,
এতিয়া পালো নিৰৱতা আৰু
অজস্ৰ অপৰিচিত স্মৃতি
যি এতিয়া সম্পূৰ্ণৰূপে জাগ্ৰত।

❒

## প্ৰেমৰ অনুভৱ

পল্লৱীকা কছাৰী
*স্নাতক ২য় বৰ্ষ (ক'লা বিভাগ)*

মনত আছেনে তোমাৰ
তুমি প্ৰথম লগপোৱাৰ ,
সেই ক্ষণটো, মনত আছেনে তোমাৰ।
তাহানিৰ সেই সোণালী দিনৰ কথা
শুকান কাঠত যে লিখিছিলা
মোক ভালপাওঁ বুলি।
মোৰ হৃদয়ত সিঁচা তাহানিৰ সেই প্ৰেমৰ বীজ
তোমাৰ অনুৰাগতেই আজি অঙ্কুৰিত হ'ল
মোৰ স'তে কথা পাতি পাৰ কৰা ক্ষণবোৰ
কেতিয়াবা বাৰু মনত পৰেনে তোমাৰ ?

মোৰ হৃদয়ত আশাৰ সোণালী আভা,
তুমিয়েই যে ছটিয়াইছিলা সুন্দৰ,
অসূৰ্য্যস্পৰ্শা মোৰ হৃদয়ৰ ঢকা কেনভাচৰ আৱৰণ
তোমাৰ ছত্ৰছায়াতেই কৰিলো মই উন্মোচন।
তুমি যি বাটে আহিছিলা মোৰ জীৱনলৈ
অহা বাটে আকৌ গুচি যাবা নেকি?
তুমি জানো ভাবিছা, এবাৰ হ'লেও
তোমাৰ অবিহনে মোৰ বা কেনে অৱস্থা হয় ?
মোৰ সপোনবোৰ তোমাৰ মৰমৰ অণুশাসনত
লহপহকৈ বাঢ়ি জী-পাল হৈ উঠিল।
তুমি বাৰু জানানে——
তোমাক নেদেখিলে, মোৰ হৃদয়ত
হিমশীতল বৰফৰ উষ্ণতাতো
সৃষ্টি হ'ব ধৰে সুপ্ত জ্বালামুখী,
তোমাৰ এযাৰি মাতত যে
চঞ্চল হৃয়দ মোৰ হয় শান্ত
তোমাক এবাৰ দেখিলেই যে
মোৰ সেমেকা নয়ন হয় তৃপ্ত
জীৱনত বাৰু থাকিবানে মোৰ কাষত ?



## মৰীচিকা



শ্ৰী দিপাঙ্কৰ হাজৰিকা।
*স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)*

নাজানো................
কিয় বাৰু মোক ইমান
আকৃষ্ট কৰে তোমাৰ সেই চকুজুৰিয়ে।
তুমি মোৰ বাবে হৃদয় আস্থানৰ চিৰন্তন পথিক
তোমাক মই ভাল পাওঁ
সিদিনা আহি তুমি খুলি দিলা মোৰ মনৰ দুৱাৰ
ভাল পোৱাটো যদি অপৰাধ হয়........
তেনেহ'লে মই হ'ব খোজো তেনে এক অপৰাধী
মোক কোনোবাই হত্যা বা বন্দী কৰিব পাৰে।
নিজকে ধোৱা তুলসীৰ পাত বুলি ভবা কোনোবা
উচ্চাকাংক্ষী অভিভাৱকে
মোৰ প্ৰেমক দিব পাৰে বদনামৰ কবৰ
তথাপি তোমাক মই ভাল পাওঁ
মোৰ বিশ্বাসত হাত থৈ মই সাহসেৰে ক'ব পাৰো
মোৰ প্ৰেম মোৰ ভালপোৱা চিৰঞ্জীৱ শিপা।
নাজানো নাজানো
কোনদিনা দিবা তোমাৰ চকুজুৰিয়ে
প্ৰেমৰ নিৱেদন
তথাপি মই অপেক্ষা কৰিম
তোমাৰ সেই ভালপোৱা প্ৰস্তাৱ
তোমাক মই ভাল পাওঁ।

❒

## মই লিখিম ধ্বংসৰ কবিতা

জুন দাস।
*২য় বাৰ্ষিক (কলা)*

গভীৰ নিশাৰ গধূলি
তাৰিখ মোৰ মনত নাই
বৰষিছিল তেতিয়া ৰিম ঝিম বৰষুন।
তুমি আৰু মই
গৈ আছিলো অকলে অকলে,
উভতিছো সন্তৰ্পণে,
নিজ নিজ ঘৰলৈ।
পৰেনে মনত তোমাৰ শৈশৱ কালৰ
আমি পঢ়া সেই স্কুলখনলৈ,
একেলগে গোৱা সেই গানৰ কলিটো।

পাহৰিম বুলি ভাবি থাকোতে,
সুৰবোৰ দেখোন লেপ খাই গ'ল,
হৃদয়ৰ ফুলবোৰ বাচি
গাঁথিছিলো মালা তোমালৈ বুলি।
সময়ো বাগৰি গ'ল,
ফুলবোৰ মৰহি গ'ল,
মালাডাল গথাই নহ'ল।
নাগাঁথো মালা কোনো ফুলৰ,
দেখিছো ফুলত ধ্বংসৰ কবিতা,
কৰিছো অনুভৱ হৃদয়ত মোৰ
লাগে কেৱল মোক কেৱল ধ্বংস,
সেয়েহে লিখিছো কবিতা ধ্বংসৰ
লিখিম কেৱল ধ্বংসৰ কবিতা
কেৱল তোমাৰ বাবে
তুমি নিশ্চয় কৰিবা অনুভৱ
কবিতা মোৰ ধ্বংসৰ

❒

*সময় যেতিয়া মানুহৰ বাবে অসহ্যকৰ হৈ উঠে*
*তেতিয়া সময়ক প্ৰত্যাহ্বান জনাবলৈ আগবাঢ়ি আহে*
*হাতত কলম তুলি আৰু ভাৱবোৰ প্ৰকাশ কৰে এইদৰে ঃ*

## এতিয়া দুঃসময়



শ্বাস ৰুদ্ধ পৰিৱেশত
কলংকিত পৃথিৱীৰ দেহ-মন
স্মৃতিৰ প্লাপৰিত আনকুলে
পৰি ৰ'ল বিষাদৰ দুটোপাল
শৰতৰ নিয়ৰ।
ধূবলীকুৰলীময় বন্ধ কোঠাত শতিকাৰ জন্ম যান্ত্ৰনা।
বিকৃত উৎকট পৃথিৱী
মানুহৰ ঘৰ্মাক্ত থেলা হেঁচা
এতিয়া দুঃসময়।
হে কবি ; এতিয়া নাই ইয়াত
জোনাকৰ স্নিগ্ধতা, নিশাৰ নিস্তব্ধতা
আৰু সৃষ্টিৰ মিঠা উন্মাদনা।
শিয়ালৰ হোঁৱা আৰু ফেচাঁৰ কুকুলিত
জোনাকৰ লুকাভাকু অপহৃত।
গভীৰ ৰাতি দানৱৰ কিৰিলীত
বৰ্ধিত যৌৱন আৰু প্ৰেমৰ পৃথিৱী !

## মোৰ অনুভৱ



Sri Pankaj Buragohain.
*H.S. 2nd year.*

তুমি মোক সুধিছা মোৰ প্ৰেমৰ খবৰ ;
(বাৰু শুনা)
বহু কষ্ট কৰি গঢ়ি তুলিছো মোৰ প্ৰেম!!
অস্থি দিছো, মাংস দিছো, তেজ দিছো,
উশাহ দিছো, বতাহ দিছো;
আৰু ক'ত কি ?
মই ক'লো বৰ দুৰ্গম পথ;
কেনেবাকৈ উজুটি খাব পাৰা;
তেতিয়াৰ পৰাই সি আৰু কোনো প্ৰশ্নই
কৰা নাই !
গোমোঠা মনেৰেই ৰৈ আছে ;
এতিয়া ময়েই অহা-যোৱা কৰিম
বুলি ভাবিছো!
বৰ চিনাকী বাট.........

প্ৰবন্ধ

# "ড্ৰাগছ সেৱণ আৰু সাম্প্ৰতিক যুৱমানসিকতা"

Miss Pallabika kachari, *B.A. 2nd year.*
*(2001-2002 Session)*

"ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্য যি আমাৰ সমাজৰ এক অতি চিনাকী নাম। প্ৰথমে জানিব লাগিব ড্ৰাগছ (Drugs)নো কি ? ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্য হ'ল মানুহৰ প্ৰাণ ৰক্ষাকাৰী এক ঔষধ। যাক মাথো ৰোগ নিৰাময় কৰিবলৈ, ৰোগ চিনাক্ত কৰাৰ লগতে অস্ত্ৰোপ্ৰচাৰৰ সময়ত কষ্টৰ লাঘৱ ঘটাবলৈ ব্যৱহাৰ কৰা হয়। কিন্তু চিকিৎসা-বিজ্ঞানৰ প্ৰয়োজনৰ বাহিৰেও যদি ইয়াক ব্যৱহাৰ কৰা হয় তেন্তে তাক বদ অভ্যাস বা নিচাযুক্ত দ্ৰব্যৰ অপপ্ৰয়োগ বুলি অভিহিত কৰিব পাৰি।



আজি প্ৰায় তিনি চাৰি দশকৰ পৰা আমাৰ দৈনন্দিন সমাজত ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্যৰ ক্ৰমবৰ্দ্ধমান ব্যাপকতা আৰু বিভীষিকাই সমগ্ৰ বিশ্বখনৰ কাৰণে এক অতি ভয়ংকৰ ভাবুকি স্বৰূপ হৈ পৰিছে। এই নিচাযুক্ত দ্ৰব্যৰ সেৱণৰ প্ৰৱণতাই বিশেষকৈ সমগ্ৰ বিশ্বৰ যুৱক-যুৱতীৰ চামটোক আক্ৰান্ত কৰি সমাজৰ প্ৰকৃত ভেটিটোক ক'লিতেই মোহাৰি পেলোৱাৰ উপক্ৰম ঘটিছে। আৰু এই বিষয়টো সমগ্ৰ বিশ্ববাসীৰ বাবে এক গভীৰ চিন্তনীয় বিষয় হৈ পৰিছে। বৰ্ত্তমান সমাজখনৰ যুৱমানসিকতাৰ এটা বিস্তীৰ্ণ অংশ বিকৃতিৰ পথত পথভ্ৰষ্ট, লক্ষ্যভ্ৰষ্ট তথা ভ্ৰষ্টাচাৰৰ কৰাল গ্ৰাসত জাহযোৱাৰ মুল কাৰণটো খুচুৰি উলিয়াবলৈ যাওঁতে আমি হয়তো নিচাযুক্ত দ্ৰব্যৰ সেৱণকো এক প্ৰধান কাৰণ বুলি গণ্য কৰিব পাৰো।

থাইলেণ্ড, পাকিস্তান, ব্ৰহ্মদেশ আদি দেশবোৰেই হ'ল চোৰাং নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় প্ৰচলনৰ প্ৰাণবিন্দু স্বৰূপ। কিন্তু ভাৰতৰ দৰে দেশ এখনতো ড্ৰাগছৰ প্ৰচলন হোৱাটো অতি পৰিতাপৰ বিষয়। আমাৰ অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলো এই ড্ৰাগছ তথা নিচাযুক্ত দ্ৰব্যৰ সেৱণৰ ফলত পোৱা তৃপ্তিভৰা আমেজক আমাৰ উঠি অহা ডেকাচামে বিনাসংকোচে উপভোগ কৰাৰ ক্ষেত্ৰত পিছপৰি থকা নাই। ব্ৰহ্মদেশৰ পৰা মণিপুৰৰ মাজেদি, ডিমাপুৰেদি হিৰোইন, আফিং, গাঞ্জা, ভাং, চৰচ, মেনড্ৰেক্য ভিন্ন নিচা যুক্ত দ্ৰব্যসমূহ আমাৰ অসমলৈ আহে। বিশেষকৈ "Metroplitan" চহৰত ড্ৰাগছৰ প্ৰচলন দ্ৰুত গতিত বৃদ্ধি হৈছে।

নিচাযুক্ত দ্ৰব্যবোৰ ৰোগৰ মাথো ঔষধহে। কিন্তু যেতিয়া সেই ঔষধ নিচা লাগিবৰ বাবে ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ প্ৰয়োজন শাৰীৰিক বা মানসিক ভাৱে অতি প্ৰয়োজনীয় বুলি ধাৰণা হয় তেতিয়া সেই সেৱণকাৰীজনক নিচাযুক্ত বুলি কোৱা হয়। ড্ৰাগছ আসক্ত ব্যক্তি এজনে অন্য এজন অনাসক্ত লোকৰ লগত মুকলিভাৱে লগ হ'বলৈ টান পায়। কিছুমানে ঘৰ-সংসাৰ, ল'ৰা-ছোৱালী, বন্ধু-বান্ধৱ, আত্মীয়-কুটুম্ব, চাকৰি, স্কুল-কলেজ আদি ড্ৰাগছৰ কৱলত পৰি এৰি দিয়ে বা ত্যাগ কৰে যাৰ বাবে সমস্যা বোৰ ব্যক্তিগতখণ্ডৰ সীমা চেৰাই সামাজিক সমস্যাৰ ফালেও ধাৱমান হয়। এইবোৰৰ ভিতৰত দাম্পত্য জীৱনত অশান্তি, গৃহকন্দল, অপৰাধ প্ৰৱণতা তথা পথদুৰ্ঘটনা আদিয়েই প্ৰধান। নিচাযুক্ত দ্ৰব্য বহু প্ৰকাৰৰ যদিও পাঁচবিধকেই আমি প্ৰধান তথা মুখ্য বুলি অভিহিত কৰো। সেইকেইবিধ হ'ল ঃ-

১। কেনাবিজ ২। আচ্ছন্নতা উদ্ৰেকাৰী (Depressents)

৩। উৎসাহ বৰ্দ্ধক (Stimeants) ৪। ভ্ৰম সৃষ্টিকাৰী (Hallucination) ৫। অপিয়েটছ (Oprates)

১। কেনাবিজ ঃ

এই শ্ৰেণীত হাচিচ, গাঞ্জা, ভাং, হাচিচ অইল আদি পৰে। ভাৰতৰ বিভিন্ন ঠাইত বিশেষকৈ কেৰালাৰ পাহাৰীয়া অঞ্চল, কাশ্মীৰ আৰু হিমালয় প্ৰদেশত ইয়াৰ উৎপত্তি হয়। কেনাবিজ গছৰ পাত, ফুল, গুটি, গা-গছ, শিপা আদি সকলো ভাগৰে পৰা ভিন্ন ধৰণে নিচাযুক্ত দ্ৰব্য প্ৰস্তত কৰা হয়। এই জাতীয় নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰাৰ পাছত নিচাসক্ত লোকজনে তাতোঁকে চোকা নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্ত হয়।

২। আচ্ছন্নতা উদ্ৰেককাৰী (Deressents)ঃ

মানৱজীৱণটোৱেই আৱেগ-উৎকণ্ঠা তথা তিতা-কেহা অভিজ্ঞতাৰে পূৰ্ণ। কিন্ত এইবোৰৰ পৰা উপশম পাবৰ বাবে নিচাযুক্ত দ্ৰব্য বা ড্ৰাগছ সেৱণ কৰাটো কিমানদূৰ গ্ৰহণযোগ্য ? ভাৰতৰ দৰে সমস্যা বহুল দেশ এখনত মানুহে উৎকণ্ঠা অশান্তিৰ লাঘৱ ঘটাবলৈ এইবিধৰ ব্যৱহাৰ কৰে। এইবোৰৰ ভিতৰত মেনড্ৰক্স, বাৰবিটুৰেটছ-ভায়েজপাম আদিয়েই প্ৰধান। সমস্যা বৰ্দ্ধিত জীৱনৰ চিন্তাচৰ্চাৰ পৰা মুক্তি লভিবলৈ আমাৰ সমাজৰ জ্ঞানী-মুৰ্খৰ দৰে একাংশলোকে এনেধৰণৰ ড্ৰাগছ ব্যৱহাৰ কৰে।

৩। উৎসাহ বৰ্দ্ধক (Stimulants)ঃ

এইবিধৰ ভিতৰত এমফেটামাইনচ্, ক'কেইন, কেফেইন, ইমিপ্ৰেমাইন আদি বোৰেই প্ৰধান। এইবিধ ড্ৰাগছ ব্যৱহাৰ কৰিলে ক্ষন্তেকৰ বাবে হ'লেও উৎসাহ-উদ্দীপনা জাগে। ইয়াৰে প্ৰথমবিধ (এমফেটামাইনচ্) ছাত্ৰ-ছাত্ৰী, গাড়ীচালক সকলে টোপনিৰ পৰা হাত সাৰি থাকিবলৈ ব্যৱহাৰ কৰে। ক'কেইনক সাধাৰণতে ক'ক গছৰ পৰা তৈয়াৰ কৰা হয়। আৰু ইয়াৰ খেতি দক্ষিণ আমেৰিকাত কৰা হয়। ইয়াৰ আধুনিক নামটো হ'ল ক্ৰেক।

৪। ভ্ৰম সৃষ্টিকাৰী (Hallucination)

এই বিধ নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰিলে চকুৰ দৃষ্টি শক্তি ক'ম হয় আৰু কানেৰেও সংগতি বিহীন শব্দ কিছুমান শুনা যায়। এল. এছ. ডি (LSD :- Lysergze), পি.চি.পি. (PCP :- Phenacyeridine), ধতুৰা, মেজিক মাচৰুম (এবিধ বনৰীয়া গছ) আদিয়েই ভ্ৰম সৃষ্টিকাৰী ড্ৰাগছ। এল, এছ, ডি (L.S.D)ক চুহি, চেলেকি বা পানীৰ লগত গুলি খোৱা হয়।

৫। অবিয়েটছ (Opiates)

অপিয়েটছ ব্যৱহাৰ কৰিলে ব্যৱহাৰ কৰোতাজনে নিজকে স্বপ্নৰাজ্যত বিচৰণ কৰি থকাৰ দৰে অনুভৱ হয়। কানি, মৰফিন, হিৰোইন আদিয়েই প্ৰধানকৈ ব্যৱহৃত অপিয়েটছ শ্ৰেণীৰ ড্ৰাগছ। আফিংগোগী নামৰ চাৰিফুট উচ্চতাৰ এবিধ গছৰ পৰা কানি প্ৰস্তুত কৰা হয়। ভাৰতত বহুযুগেৰ পৰা কানিৰ প্ৰচলন চলি আহিছে। আমাৰ অসমতো এটা সময়ত কানিয়ে বাৰুকৈয়ে খোপনি পুতিছিল। মৰফিনক আনহাতে বিষ উপশম ঘটাবলৈ ব্যৱহাৰ কৰা হয়। বহুতো নিচাসক্ত লোকে মৰফিন লয়। ৰাসায়নিক গাৰত মৰফিনক ৰাসায়নিক পতন ঘটাই হিৰোইন প্ৰস্তুত কৰা হয়। হিৰোইন গন্ধহীন আৰু ইয়াৰ ৰং দুই প্ৰকাৰৰ। (বগা আৰু বাদামী ৰঙৰ গুড়ি) বগা বিধৰ দাম বাদামী ৰঙৰ বিধতকৈ তুলনামূলকভাৱে বেছি। বাদামী ৰঙৰ হিৰইনবিধৰ দাম কম হোৱাৰ বাবেই ইয়াৰ প্ৰচলন অতি বেছি। ইয়াৰ আন এটা পৰিচিত নাম হ'ল ব্ৰাউন চুগাৰ। হিৰ'ইনক কিছুমানে শ্মোক বুলিও কয়।

উল্লেখিত ড্ৰাগছ তথা নিচাযুক্ত দ্ৰব্যসমূহকেই বৰ্ত্তমান একবিংশ শতিকাৰ প্ৰায় ডেকা যুৱক-যুৱতীয়ে বিভিন্ন পদ্ধতিৰে সেৱণ কৰে। চিগাৰেট বা চিলিমত ধোৱাৰূপে হুপি, গুড়ি, পানীয়ৰূপে পি. টেবলেটৰ দৰে আৰু বেজীৰসহায়ত শৰীৰৰ তেজৰ লগত মিহলি কৰি বা অন্যকোনো উপায়েৰে ড্ৰাগছ আসক্ত লোকে ড্ৰাগছ সেৱণ কৰে। নিচাযুক্ত দ্ৰব্য হুপি খোৱাৰ ফলত নিচাসহজে ধৰা হয় বুলি ভাৱিলেও অধিকাংশ যুৱক-যুৱতীয়ে বেজীৰ সহায়েৰে সহজে নিচা লগাটো বিচাৰে। শৰীৰত বেজীৰ সহায়েৰে ড্ৰাগছ সুমুৱাই ললে বেছি পৰলৈকে প্ৰতিক্ৰিয়াটো উপভোগ কৰিবলৈ পায় আৰু বহুতো শক্তি পায়। প্ৰথমবাৰ ড্ৰাগ্ছ ব্যৱহাৰ কৰোতে কৰোতাজনে শাৰীৰিক বা মানসিক ভাৱে এক বুজাব নোৱাৰা আনন্দদায়ক অনুভূতি লাভ কৰে। ক্ৰমে এই ড্ৰাগ্ছে নিচাযুক্ত লোকজনক নিজৰ অধীন কৰি লয়। যেতিয়া ইয়াৰ ক্ৰিয়া কমিবলৈ ধৰে তেতিয়াই আৰম্ভ হয় প্ৰতিক্ৰিয়াজনিত অসুস্থতা আৰু লগতে দেখা দিয়ে শৰীৰত কিছুমান লক্ষণ (Withdrwal Symptom)। আগতে পৃথিৱীৰ উন্নয়ণশীল দেশবোৰৰ ভিতৰত ইউৰোপীয় দেশবোৰতেই বিশেষকৈ ইয়াৰ ব্যাপক প্ৰচলন হৈছিল, যদিও আজিকালি আমাৰ ভাৰতৰ দৰে দেশখনতো ড্ৰাগ্ছৰ অবৈধ বেহাখনে বাৰুকৈয়ে থিতাপি লৈছেহি।

আমি খোৱা চাহ, কফি আদিতো কম বেছি পৰিমাণে "কেফেইন" নামৰ এবিধ ড্ৰাগছ জাতীয় পদাৰ্থ থাকে। যাৰফল স্বৰূপে চাহ বা কফি খোৱাৰ পাছত আমি এক উৎসাহ-উদ্দীপনা লাভ কৰো। "চিগাৰেট (Cigaratte)যি আমাৰ এক অতি চিনাকী নাম ; বিশেষকৈ উঠি অহা ডেকা-যুৱক চামৰ লগত এই চিগাৰেটৰ সম্পৰ্ক অতি ঘনিষ্ঠ। চিগাৰেটৰ [illegible] ঃ



(Cigaratte smoking is injurious to health) ইয়াক খাওঁতা জনৰ জীৱনলৈ চিগাৰেটে কিমান বিপদ চপাই আনে সেই কথা জানিও নজনাৰ দৰে চকু থাকিলেও অন্ধলোকৰ দৰে থাকি আমাৰ সমাজৰ উঠি অহা ডেকাচামে ইয়াৰ সৈতে বাৰুকৈয়ে মিতিৰালি পাতিছে। চিগাৰেট খোৱা বা ধপাত খোৱাৰ ফলত মানুহৰ মগজুৰ স্নায়ুবোৰ উত্তেজিত হয় আৰু তেতিয়াই মানুহে নিচা অনুভৱ কৰে। (New England Journal of Medicine "(১৯৮৮)ৰ এক সমীক্ষা মতে চিগাৰেটৰ ধোঁৱাৰ দ্বাৰা মগজু উত্তেজিত হ'লে মগজুৰ পৰা "Acetylcholine" নামৰ এবিধ পদাৰ্থ নিৰ্গত হয় আৰু ই হৃদপিণ্ডৰ স্পন্দন দ্ৰুততৰ কৰে। "Alabama-University" (১৯৮৬)ৰ গৱেষণাৰ দ্বাৰা প্ৰমাণিত হয় যে নিৰ্কটিণে ($C_6H_{14}N_2$)Vita $B_{12}$ ধ্বংস কৰাৰ বাদেও Vita $B_1$ আৰু Vita $B_6$ ক ধ্বংস কৰিব পাৰে। সুৰাপান কৰাৰ ফলতো মানুহৰ নিচা হয়। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে যি বিলাতীমদ তৈয়াৰ কৰা হয়— প্ৰকৃততে ই কিছুমান ৰাসায়নিক দ্ৰব্যৰ সংমিশ্ৰণ। অধিক সুৰাপানে মানুহ চেতনাহীন কৰি তোলে। আনকি ই মৃত্যুও ঘটাব পাৰে। বিলাতী মদত এলক'হল থাকে। এলক'হলৰ কণিকাবোৰে "Inhibitory" আৰু "Excitatory" স্নায়ুত ক্ৰিয়া কৰাৰ ফলত সুৰামত্ত মানুহৰ মাতকথাবোৰ কিছু তাৰতম্য হয়। এই সুৰাপানে মুখগহবৰৰ কলাবোৰ উত্তেজিত কৰাৰ উপৰিও মগজুৰ স্নায়ুবোৰক খৰকৈ উত্তেজিত কৰি তোলাৰ বাবে মানুহৰ নিচা অনুভৱ হয়।

বৰ্ত্তমান সমাজত ড্ৰাগছসেৱণে এক বিভীষিকাৰ সৃষ্টি কৰিছে। নিচাযুক্ত দ্ৰব্য সেৱণৰ বিৰুদ্ধে অভিভাৱক সমূহৰ এক গুৰুত্বপূৰ্ণৰূপে নিৰাময় কৰাৰ ক্ষেত্ৰত ঘৰুৱা পৰিৱেশেও যথেষ্ট মুখ্য ভুমিকা গ্ৰহণ কৰিব পাৰে। অভিভাৱক সকলে পৰা পক্ষত নিজৰ ঘৰখনক সুখ-শান্তিৰে পূৰ্ণ কৰি তুলিবলৈ প্ৰয়াস কৰিব লাগে। কোনো আভিজাত্য পৰিয়ালত পিতৃ-মাতৃয়ে নিজে সুৰাপাণ বা অন্যান্য ৰাগিয়াল বস্তু সেৱণ কৰে ; তেনেমূলৰ সন্তানে পিতৃমাতৃৰ আদৰ্শকে মানি চলাটোত কোনো নতুনত্ব নাই। এনেক্ষেত্ৰত প্ৰথমে পিতৃমাতৃয়েই এই বদ অভ্যাসবোৰ বাদ দিব লাগিব। কাৰণ সন্তানৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ়ি তুলিবৰ বাবে প্ৰথমেই ভুমিকা ল'ব লাগিব (ঘৰখনে), অভিভাৱক সকলে, বা নিজ নিজ পৰিয়ালৰ লোক সকলে। সন্তান সকলে মাক-দেউতাকৰ পৰা মৰমৰ লগতে নিৰাপত্তা লভা, ধৰ্মীয় আচাৰ ব্যৱহাৰ, ৰীতিনীতি তথা মানৱীয় মূল্যবোধৰ শিক্ষা আহৰণ কৰাটো নিতান্তই প্ৰয়োজন।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাত নিচাযুক্ত দ্ৰব্য সেৱণৰ অপকাৰিতা সমন্ধে এক পাঠ্যক্ৰম যুগুত কৰাটো খুবেই প্ৰয়োজনীয় হৈ পৰিছে। নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন আৰু চোৰাং ভাৱে বহা ইয়াৰ বেহাক ৰোধ কৰিবৰ বাবে বৰ্ত্তমানৰ চাৰকাৰে আৰু ভিন্ন সংগঠন সমূহে বহু পন্থাৰ ব্যৱস্থা কৰিছে। (Nareoficigrugs Psochtropies Substances Act in 1885)এই আইনৰ মতে চোৰাংব্যৱসায়ীলোকৰ বাবে ১০ ৰ পৰা ২০ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ড আৰু একলাখৰ পৰা দুইলাখ পৰ্যন্ত জৰিমনা দিহাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে ভালেমান দেশত নিচাযুক্ত দ্ৰব্যৰ চোৰাংবেপাৰীক মৃত্যুদণ্ডৰ ব্যৱস্থা কৰা হৈছে। এই ড্ৰাগছ তথা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে যুজিবলৈ হ'লে আইন, পুলিচ, চিকিৎসক, বুদ্ধিজীৱী, পৰিৱহণ সন্থা তথা ভিন্ন প্ৰতিষ্ঠান সমূহৰ লগতে সমগ্ৰ দেশবাসীৰো যুটীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। নহ'লে যে "ড্ৰাগছ" নামৰ মাৰাত্মক ব্যাধিৰ কৱলৰ পৰা আমাৰ উঠি অহা ডেকাচামক ৰক্ষা কৰাটো অতি কষ্টকৰ হৈ উঠিব। কাৰণ আজিৰ এই উঠি অহা ডেকাচামৰ ওপৰতেই আমাৰ ধৰণীখনৰ ভৱিষ্যত নিৰ্ভৰ কৰে। আজিৰ এই প্ৰত্যেক জন তৰুণ-তৰুণীয়েই ভৱিষ্যতৰ এজন সু-নাগৰিক হ'ব। সেয়েহে দেশখনৰ ভৱিষ্যত, নতুন নতুন পুৰুষক নিচাযুক্ত দ্ৰব্যৰ সেৱণৰ পৰা ৰক্ষা কৰাটো আমাৰ সকলোৰে কৰ্ত্তব্য। নহ'লে সমাজ বিজ্ঞানী সকলে কোৱাৰ দৰে এদিনাখন এইটো সত্য হৈ পৰিব যে ঃ

"ড্ৰাগছ" বা নিচাযুক্ত দ্ৰব্যৰ কৱলত আমাৰ এই পৃথিৱীখন হৈ পৰিব এদিন নীৰৱ হিৰোচিমা (Silent Hiroshima)।

(ছাঁ লৈ)

সমদলৰ শেষত মানুহজনে জনা নাছিল।
তেওঁ যে এটা নতুন সমদলৰ আগশৰীত।

-নৰকান্ত বৰুৱা-

# পাণ্ডিত্যৰ স্পষ্ট প্ৰতিফলন 'কৃষ্ণকান্ত সন্দিকৈ'

শ্ৰী অৰবিন্দ হাজৰিকা।
*বি. এ. ১ম বৰ্ষ।*

ভাৰতৰ স্বাধীনতাৰ পাছত উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথম প্ৰতিষ্ঠা হৈছিল ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়। প্ৰথম উপাচাৰ্য্য আছিল কৃষ্ণকান্ত সন্দিকৈ। তেওঁৰ জীৱনটো আলোকপাত কৰিলে দেখা যায় যে তেওঁ এজন অতি আত্মমৰ্যাদা সম্পন্ন ব্যক্তি আছিল। পৃথিৱীৰ ভিতৰত অনন্য এগৰাকী পণ্ডিত, শিক্ষাবিদ, ঐশ্বৰ্য্য আৰু বিৰল সন্মানৰ অধিকাৰী, লগতে ভাৰত তথা অসমৰ সাংস্কৃতিক জগতৰ এগৰাকী অভিজ্ঞ ব্যক্তি আছিল।

এইজনা মহান পণ্ডিতৰ জন্ম হৈছিল ১৮৯৮ চনৰ ২০ জুলাইৰ বুধবাৰে যোৰহাট নগৰত। তেওঁৰ পিতৃ আছিল ৰাধাকান্ত সন্দিকৈ আৰু মাতৃ আছিল অসম সাহিত্যসভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ ভনীয়েক নাৰায়নী সন্দিকৈ। কৃষ্ণকান্ত সন্দিকৈয়ে ঘৰতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ ১৯১৫ চনত গুৱাহাটীৰ কটন কলেজৰ পৰা আই, এ,আৰু সংস্কৃতত অনাৰ্চ লৈ ১৯১৭ চনত কলিকতাৰ সংস্কৃত কলেজৰ পৰা পি, এ, আৰু ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীত এম, এ, পৰীক্ষাত উৰ্ত্তীণ হয়। তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা ১৯২৩ চনত মডাৰ্ণ হিষ্টৰীত এম, এ, পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ইউৰোপৰ বিভিন্ন দেশত ভ্ৰমণ কৰিছিল। তেখেত ১৯৩০ চনৰ পৰা ১৯৪৭ চনলৈ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ পৰিচালনা কৰিছিল।

আমাৰ বাবে অতি গৌৰৱৰ কথা যে তেওঁ ফ্ৰান্স আৰু জাৰ্মানীত চাৰিবছৰ আৰু ইংলেণ্ডত তিনিবছৰ অতিবাহিত কৰিছিল। তেওঁ ফ্ৰান্সৰ পেৰিছত প্ৰায় আঢ়ৈ বছৰ কাল বাস কৰি ফৰাচী ভাষা অধ্যয়ন কৰিছিল। পূৰ্ব-জাৰ্মানীৰ বাৰ্লিনত থাকি গ্ৰীকভাষা আৰু বুৰঞ্জী সাহিত্য অধ্যয়ন কৰিছিল। জীৱনৰ সুদীৰ্ঘকাল বিদেশত থাকি ১৯২৭ চনত তেওঁ জ্ঞান আৰু ভাষা সাহিত্যৰ বিপুল অধ্যয়নৰ বোজা গ্ৰহণ কৰি অসমলৈ ঘূৰি আহে।

সৎ ভাৱনা আৰু জীৱনৰ অসাধাৰণ সাধনাই কেনেকৈ মানুহক পাণ্ডিত্য দান কৰে তেওঁৰ জীৱনটো তাৰ এক নিদৰ্শন। উল্লেখযোগ্য যে তেও সুদীৰ্ঘ বছৰকাল বিদেশত বাস কৰিছিল যদিও বিদেশত আনন্দ, সুখ তথা জীৱন উপভোগ কৰা নাছিল। মাথো তেওঁ পশ্চিমীয়া ভাৱধাৰাৰ, সভ্যতা আৰু কৌশলৰ অধ্যয়ন কৰিছিল। তেওঁ ১৯২৮ চনত নগাঁওৰ হেমলতা গোহাঁইক বিয়া কৰাইছিল। তেওঁলোকৰ সংসাৰত তিনিটা সন্তান আছিল ক্ৰমে প্ৰমীলা সন্দিকৈ, বিজয় কৃষ্ণ সন্দিকৈ আৰু অহল্যা সন্দিকৈ।

কৃষ্ণকান্ত সন্দিকৈৰ জীৱনটো সাধনা আৰু অধ্যয়নৰ এটি জলন্ত প্ৰতীক। তেওঁৰ অগাধ প্ৰতিভা, সাধনা আৰু অধ্যয়নৰ বিৰল আদৰ্শই আজিৰ তৃতীয় পুৰুষৰ জীৱন গঢ়াৰ বাবে প্ৰেৰণাৰ উৎস। তেওঁ শিক্ষাৰ ক্ষেত্ৰত এষাৰ কথা কৈছিল, "শিক্ষা প্ৰণালী আৰু জ্ঞান সাধনাৰ এটা পাৰ্থক্য আছে। স্কুল কলেজত যি শিক্ষা দিয়া হয়, তাৰ উদ্দেশ্য জ্ঞান সাধনা হৈছে এটা সত্য, যি জীৱনৰ এটা বিশেষ ৰূপ।"

এই গৰাকী পণ্ডিতক ভাৰত চৰকাৰে অৰ্পন কৰিছিল 'পদ্মশ্ৰী' উপাধী । ১৯৫৫ চনত অৰ্পন কৰিছিল 'পদ্মভূষণ' আৰু ১৯৬৮ চনত পুনাৰ ডেক্কাল কলেজে প্ৰদান কৰিছিল ' সন্মানীত সদস্য' (Honorany Felloeship) পদ। তেখেতক অসম সাহিত্য সভাই প্ৰদান কৰিছিল সদস্য মহীয়ান আৰু ইয়াৰ উপৰিও গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ডি. লিট. উপাধীৰে সন্মানীত কৰিছিল।

আমি সততে জানো যে তেওঁ অসমীয়া, বাংলা ভাষাকে ধৰি ইংৰাজী, সংস্কৃত, জাৰ্মান, ফৰাচী, ইটালীয়, ৰুচ, গ্ৰীক, লেটিন আদি পৃথিৱীৰ যোল্লটাতকৈও অধিক ভাষা জানিছিল। তেওঁৰ অসমীয়া মাধ্যমৰ কুৰিটামান প্ৰৱন্ধই তেওঁৰ অসমীয়া সাহিত্যৰ দায়বদ্ধতাৰ পৰিচয় দিয়ে। সংখ্যাত তেনেই নগন্য হলেও তেওঁৰ প্ৰৱন্ধবোৰ আছিল অসমীয়া ভাষা সাহিত্যৰ নজহা নপমা বস্তু। তেওঁৰ এই প্ৰৱন্ধবোৰৰ ভিতৰত জাপানৰ বীৰ নোগী, আত্মবিচাৰ, অসমৰ প্ৰকাশ, ইউৰোপৰ ভাষা সাহিত্য, গ্ৰীক ভাষা, জাৰ্মানীৰ জ্ঞান সাধনা, ৰুচ অভিনয়, ভাৰতীয় চিন্তা, গ্ৰীক নাটকৰ গান স্পেনিছ সাহিত্যৰ 'ৰোমিত' জুলিয়েট, প্ৰাচীন বেবিলনৰ বেদ আদিয়েই প্ৰধান। তেওঁৰ কবিতা আৰু গান আছিল অসমীয়া সাহিত্যৰ অন্যতম অৰ্ঘ্য।

ইয়াৰ উপৰিও তেওঁ অসম সাহিত্য সভাৰ সপ্তদশ (গুৱাহাটী অধিৱেশন ১৯৩৭ চন) অধিৱেশনৰ সভাপতি আছিল। গোলাঘাটত ১৯২৯ চনত হোৱা অসম ছাত্ৰ সন্মিলনৰ সভাপতি আছিল। এই অধিৱেশনবোৰত তেওঁ আগবঢ়োৱা ভাষণ আছিল গভীৰ চিন্তা-চৰ্চাৰ উজ্জ্বল নিদৰ্শন। হাৰিয়ানাৰ কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন



উপাচাৰ্য্য শৰৎ কুমাৰ দত্তই সন্দিকৈ দেৱৰ সহজ সৰল জীৱন যাত্ৰাৰ কথা উল্লেখ কৰি কৈছে যে সন্দিকৈ দেৱ আনৰ দ্বাৰা পৰিচালিত ব্যক্তি নাছিল। বৰঞ্চ তেওঁ আছিল নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত ব্যক্তি।

অধ্যয়ন আৰু সাধনাৰ বাবে পৰিৱেশৰ অভাৱৰ কথা কৈ হামবাও কৰা সকলৰ বাবে কৃষ্ণকান্ত সন্দিকৈ এক জীৱন্ত প্ৰেৰণাৰ উৎস। অসমৰে এজন ব্যক্তি হৈ অধ্যয়ন আৰু নীৰৱ সাধনাৰে জীৱনৰ জলন্ত বল লভিছিল। এই বলে তেওঁক বিশ্ব-বিশ্ৰুত পণ্ডিতলৈ পৰিণত কৰিছিল। তেওঁ ১৯৫১ চনত লক্ষৌত বহা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ সভাপতিৰ আসন শুৱনি কৰিছিল। সেই অধিৱেশনত দিয়া তেওঁৰ ভাষনখিনিয়ে পণ্ডিত সমাজৰ বিপুল আদৰ তথা প্ৰশংসা বুটলিছিল আৰু তাৰ গৌৰৱ আজি আমি কৰিব পাৰো। তেওঁৰ বিষয়ে ভাৰতৰ ৰাজনৈতিক বিষয়া অশোক মেহতাই এষাৰ কথা কৈছিল, "ভাৰতত মই সন্দিকৈৰ দৰে বিশাল ব্যক্তিত্বৰ উপাচাৰ্য্য লগ পোৱা নাই। তেওঁৰ প্ৰৱন্ধৰাজিৰ বিষয়ে মুনীন বৰকটকীয়ে কৈছিল "কি ভাষাৰ বিষয় বস্তুৰ বৈভৱ সকলো পিনৰ পৰা সন্দিকৈৰ অসমীয়া প্ৰৱন্ধৰ ৰাজিয়ে সাহিত্যত এক আচুতীয়া সন্মানৰ দাবী কৰিব পাৰে। সন্দিকৈৰ ভাষাৰ পৰিছন্নতা, সৰলতা আৰু যথোপযুক্ততা যেনেকৈ উল্লেখনীয় তেনেকৈ অনুকৰণীয়।" সন্দিকৈদেৱে ১৯৫১ চনৰ বিশ্ববিদ্যালয়ৰ সমাৰৰ্তন উৎসৱত স্নাতকসকলক উদ্দেশ্য কৰি কৈছিল - "স্নাতকসকলে মনত ৰাখিব লাগিব যে চৰিত্ৰ আৰু মনৰ বিশুদ্ধতাইহে তেওঁলোকক মানুহৰ মৰ্যাদা দিব।" তেওঁ কৈছিল যে আদৰ্শ এটা আহুকলীয়া বস্তু। ই চকুৰে নেদেখা আৰু হাতৰ মুঠিৰে ধৰিব নোৱাৰা বহুত বস্তৰ কাৰণেই এটা আগ্ৰহ জন্মায়।

সন্দিকৈদেৱে অসম ছাত্ৰ সন্মিলনৰ ভাষণত কৈছিল যে - "ভাৰতবৰ্ষৰ ছাত্ৰ সমাজৰ ফালে চালে এনে বোধহয় যেন তেওবিলাকৰ ভিতৰত এটা নতুন আত্মসন্মান আৰু জাতীয় মৰ্য্যাদাৰ বোধ আৰম্ভ হৈছে, কোনো অযথা অপমান সহ্য নকৰিবলৈ তেওঁবিলাকে যেন দৃঢ় সংকল্প কৰিছে। চৰিত্ৰৰ বল আৰু নিঃস্বাৰ্থ ভাব থাকিলে ছাত্ৰ সকলে সময়মতে জয় হ'ব তাত কোনো সন্দেহ নাই।

চৰিত্ৰৰ বলৰ লগত শাৰীৰিক বলৰ সম্বন্ধ আছে। এই বিষয়ে আমাৰ বিশ্ববিদ্যালয়বিলাক সদায়েই উদাসীন। জাৰ্মানীৰ প্ৰত্যেক বিশ্ববিদ্যালয়ত নানা কুস্তি, জাপানী যুযুৎসু বিদ্যা, বক্সিং, মাল যুঁজ আদিৰ ব্যৱস্থা আছে। ইয়াৰ বাবে সুকীয়া শিক্ষক আৰু ডাক্তৰ ৰখা হয়। তৰোৱাল খেল ফৰাচী বিলাকৰ এটা বিশেষত্ব। অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব পৰাটো ইউৰোপীয় ছাত্ৰৰ পক্ষে এটা সাধাৰণ কথা। আমাৰ দেশত কিন্তু বৈজ্ঞানিক প্ৰণালীৰ ডন বৈঠক কৰিব পাৰিলেও শাৰীৰিক শিক্ষাই আমাৰ ব্যক্তিগত আৰু জাতীয় আত্মৰক্ষাত সহায় নকৰে। তেনে শিক্ষাৰ পৰা আমাৰ একো লাভ নহয়। লাঠীখেল, তৰোৱাল খেল, অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ ফুটবল বা টেনিছত কৈও লাগতিয়াল। এই বিলাক বিদ্যা ভাৰতীয় ছাত্ৰই শিকিলে কাৰ কি অপকাৰ হব বুজিব নোৱাৰি। য়ুৰোপীয়া ছাত্ৰৰ তুলনাত ভাৰতীয় ছাত্ৰ নিৰ্জু আৰু জুকলা, য়ুৰোপীয়া ছাত্ৰসকল স্বাস্থ্যবান আৰু যুঁজাৰু। জাৰ্মান ছাত্ৰসকলৰ মাজত উৰণীয়া চৰাই বুলি এটা আন্দোলন চলাৰ কথা অনেকে শুনিছে। এদল এদল ছাত্ৰ জুম বান্ধি জাৰ্মানীৰ বেলেগ বেলেগ খোজ কাঢ়ি ভ্ৰমণ কৰে। এই আন্দোলনৰ এটা জাতীয় উপযোগীতা আছে। শাৰীৰিক উৎকৰ্ষ সাধনাৰ লগত জাতীয় সাধনা আৰু চৰিত্ৰৰ বল জড়িত আছে। এই বিষয়তো বিশ্ববিদ্যালয়ত এটা উচ্চশিক্ষাৰ প্ৰধান অংগ হিচাপে ধৰি উপযুক্ত ব্যৱস্থা কৰা উচিত।

সন্দিকৈদেৱে আন এটা উল্লেখ যোগ্য কথা কৈছে যে ভাৰতীয় আৰু ইউৰোপীয় সমাজ চিন্তাৰ পাৰ্থক্য কি? এই বিষয়ে কৈছে যে - "ভাৰতীয় সমাজ চিন্তাৰ গতি হৈছে এই যে ভাৰতীয় সমাজ কৰ্ম বিভাগৰ ওপৰত প্ৰতিষ্ঠিত। যিবিলাকে ব্ৰাহ্মণৰ কাম কৰিছিল সেইবিলাক ব্ৰাহ্মণ, যিবিলাকে ক্ষত্ৰিয়ৰ কাম কৰিছিল সেইবিলাক ক্ষত্ৰিয়। অৱশ্যে আজিকালি এটা জাতি বিভাগ কৰ্ম্মগত নহৈ, জন্মগত হৈছে। কিন্তু আদিতে ইয়াৰ উদ্দেশ্য আছিল জন্মগত। কিন্তু যদি ইউৰোপীয় সমাজ চিন্তাৰ লগত তুলনা কৰা যায় দেখিব যে বৰ্তমান ইউৰোপীয় সমাজ বিজ্ঞান আৰু ৰাষ্ট্ৰবিজ্ঞানৰ প্ৰতিষ্ঠাতা। মেকিয়া ভেলীৰ ৰচনাত সমাজবিজ্ঞানৰ প্ৰধান সূত্ৰ হৈছে এই যে সমাজত কোনো এটা বিশেষ শ্ৰেণীয়েহে যে যুদ্ধ কৰিব লাগিব। ইয়াৰ অৰ্থ হৈছে সমাজত ক্ষত্ৰিয় বুলি কোনো জাতি নাই। সকলোৱেই ক্ষত্ৰিয় হব লাগিব। পৰাধীন গ্ৰীচৰ দাৰ্শনিক শ্ৰেণীৰ ইংগিত কৰি মোকলাভেলিয়ে আৰু এটা কথা কৈছে যে বেছি লিখা পঢ়া জনাৰ পৰা সমাজ এলেহুৱা হৈছে আৰু সেই সমাজৰ অধঃপতন হৈছে। তেওঁৰ কথাৰ মতে এই যে সমাজত কেৱল জ্ঞান-চৰ্চা কৰিবৰ কাৰণে যুদ্ধ বিগ্ৰহক পিঠি দিয়া ব্ৰাহ্মণ বুলি এটা শ্ৰেণী থাকিব নোৱাৰে। জ্ঞান-বিদ্যাৰ চৰ্চা ব্যক্তিগত ৰুচি আৰু শক্তিৰ ওপৰত প্ৰতিষ্ঠিত । মেকিয়াভেলিৰ কথাৰ পৰা ইয়াকে বুজা যায় যে আধুনিক ইউৰোপীয় সমাজবিজ্ঞানে কৰ্ম বিভাগ নামানে।

ইউৰোপীয় সমাজ চিন্তাৰ দ্বিতীয় লক্ষণ এই যে সকলো ঠাইতে ভাৰতীয় দৰ্শন আৰু ইউৰোপীয় দৰ্শনেও বিশ্ব ব্ৰহ্মাণ্ডৰ ঠাই ক'ত

এই বিষয়ে আলোচনা কৰিছে। কিন্তু ইউৰোপীয় সমাজ চিন্তা আৰু ইউৰোপীয় দৰ্শনৰ এটা বিশেষত্ব আছে যে বিশ্ব ব্ৰহ্মাণ্ডত মানুহৰ ঠাই ক'ত সেইটো জানিলেই নহয়, সমাজত মানুহৰ ঠাই কি তাকে জানিব লাগে । ইউৰোপত মানুহে কয় সমাজৰ যিবিলাক শ্ৰেণী আছে বা যিবিলাক দল আছে, সেই বিলাকৰ নিজৰ বিপদ আছে, ঠাই আছে, তাৰ ভেটি কি ? তেওঁবিলাকে ভাবে আমি যে এই ঠাইত আছো, তাত আমাৰ কি স্বত্ব আছে। আন বা তাত আমাক থ'বৰ স্বত্ব কি ? আৰু সেই ঠাইত যে আছোঁ সেইটো ন্যায় নে অন্যায় ? এই চিন্তাৰ ফল স্বৰূপে ইউৰোপত যোল্ল শতাব্দীৰ পৰা আৰম্ভ কৰি কুৰি শতাব্দীলৈ প্ৰত্যেক শতাব্দীতে নানা বিপ্লৱ আৰু বিদ্ৰোহ হৈছে। এই বিদ্ৰোহ বিলাকৰ কথা যদি ভালকৈ আলোচনাৰ কৰা যায় দেখিব যে প্ৰত্যেক বিদ্ৰোহৰ আগতে একোটা একোটা ভাবৰ বিপ্লৱৰ ঢৌ বৈ গৈছে। ফৰাচী বিপ্লৱৰ প্ৰকৃত বুৰঞ্জী বুজিবলৈ হ'লে তাৰ ৫০/৬০ বছৰৰ আগৰ পৰা যি ভাবৰ আন্দোলন হৈছিল তাক বুজিব লাগিব। মট্ৰেকু, ৰুচো, ভলটেয়াৰ আদিয়ে সমাজত মানুহৰ ঠাইত সেই বিষয়ে যিবিলাক আলোচনা কৰিছিল, সেইবিলাক যেতিয়া সমাজত প্ৰচাৰ হ'বলৈ ধৰিলে, যেতিয়া গোটেই দেশ বিয়পি পৰিল, তেতিয়াই বিপ্লৱৰ সূত্ৰপাত হ'ল, বিপ্লৱৰ আগত ভাৱৰ পৰিৱৰ্তন আৱশ্যক। ভাৱ পৰিৱৰ্তনৰ লক্ষণ, যিবিলাক মূল সূত্ৰ সেইবিলাক সমাজত প্ৰচাৰ কৰাটো ছাত্ৰ সমাজৰ কৰ্তব্য বুলি ভাবোঁ।

ইউৰোপীয় সামাজিক চিন্তাৰ তৃতীয় লক্ষণ এটা হ'ল ইউৰোপীয় সভ্যতাৰ এটা কথা বিশেষকৈ দেখা যায় যে সমাজত মানুহ আছে, সমাজত কিছুমান আইন আছে, সেই আইনবিলাক প্ৰত্যেক মানুহেই মানিব লাগিব। কিন্তু সমাজত আইনৰ বাহিৰেও ব্যক্তি হিচাপে প্ৰত্যেক মানুহৰে এটা বিবেক আছে। সেই বিবেকৰ লগত আইনৰ সংঘৰ্ষ হ'ব পাৰে। ব্যক্তিগত বিবেকৰ লগত আইনৰ সংঘৰ্ষ হ'ব পাৰে। ব্যক্তিগত বিবেকৰ লগত সামাজিক চিন্তাৰ লক্ষণ এই যে, সমাজৰ আইন মানিবই লাগিব কিন্তু ব্যক্তিগত বিবেকৰো যে এটা স্বত্বকো মানিব লাগিব। এই ভাৱৰ ফলতে ইউৰোপীয় সভ্যতাত Equity চিন্তাৰ স্বাধীনতা আদি ধাৰণা বিলাক হৈছে। সামাজিক বিবেক আৰু ব্যক্তিগত বিবেকৰ যি সংঘৰ্ষ হয় তাৰ নিদৰ্শন গোটেই ইউৰোপীয় সাহিত্যত সিঁচৰিত হৈ আছে। গ্ৰীক সাহিত্যত বিখ্যাত নাট্যকাৰ এচ্‌ইলাং আৰু চফোক্লিচে ইয়াৰ চিত্ৰ আঁকি দেখুৱাইছে। আন আন সাহিত্যতো ইয়াক অনেক উদাহৰণ আছে। ডষ্টয়েভস্কিৰ "অপৰাধ আৰু শাস্তি" নামে এখন উপন্যাসত ই কেনে তাক বুজা যায়।

পৃথিৱীৰ বহুতো পণ্ডিতে কৃষ্ণকান্ত সন্দিকৈৰ লগত যোগাযোগ ৰাখিছিল। প্ৰাচ্যৰ প্ৰখ্যাত প্ৰাকৃত পণ্ডিতে (ড০ এ. এন উপাধ্যায়) তেওঁক "জ্ঞানৰ পাহাৰ" বুলি আখ্যা দিছে। যি কি নহওঁক কৃষ্ণকান্ত সন্দিকৈ কুৰি শতিকাৰ পাণ্ডিত্যৰ গৰাকী, শ্ৰেষ্ঠতম ব্যক্তি।

এইজনা মহান পণ্ডিতৰ সুদীৰ্ঘ জীৱন পৰিক্ৰমাত নিজৰ সাধনাৰে গঢ়ি তোলা পাণ্ডিত্যৰ সৌধ নিজ চকুৰে প্ৰত্যক্ষ কৰি সন্দিকৈ দেৰে ১৯৮২ চনৰ ৭ জুন তাৰিখে পুৱা ১০ বাজি ২৬ মিনিটত ডিব্ৰুগড় জি, এম, হস্পিটেলত ক্লান্তিহীন জীৱনৰ অৱসান ঘটাই শেষ নিশ্বাস পেলালে।

মোকতো পোৱাই চিনি, মই যে ফাগুন।
অকঁৰা কবিৰ স'তে চুপতি মৰাৰ বাবে
মোৰতো বহুত বদনাম।

*নৰকান্ত বৰুৱা*

# উত্তৰ-পূৰ্বৰ্ঞ্চলৰ কপৌফুল

শ্ৰী দেৱৰাজ কুম্ভকাৰ।
*স্নাতক ২য় বৰ্ষ(বিজ্ঞান শাখা)*

ব'হাগৰ প্ৰথমজাক বৰষুণৰ পাচতেই আমাৰ চকুত পৰে গছৰ কুমলীয়া কুঁহিপাত আৰু গছত ফুলা বিভিন্ন ধৰণৰ কপৌ ফুলবোৰ, যাৰ অপূৰ্ব ৰং, গঠন, আকৃতিৰে যুগে যুগে মানৰ জাতিক সন্মোহিত কৰি আহিছে। ইয়াৰ গঢ় আৰু গঠন কপৌৰ দৰে হোৱাৰ বাবে ইয়াক কপৌ ফুল নামেৰে নামকৰণ কৰা হৈছে। যাক ইংৰাজীত অৰ্কিড (orchid)বুলি কোৱা হয়। এইটো আমাৰ গৌৰৱৰ বিষয় যে, সমগ্ৰ উত্তৰ পূৰ্বৰ্ঞ্চলেই ইয়াৰ উদ্ভিদ আৰু প্ৰাণীৰ বাবে পৃথিৱী বিখ্যাত। তাতোকৈ গৌৰৱৰ কথা যে আমাৰ উত্তৰ পূৰ্বৰ্ঞ্চলতেই পৃথিৱীৰ ভিতৰত কপৌফুলৰ প্ৰাচুৰ্য্য বেছি।

সপুষ্পক উদ্ভিদৰ আটাইতকৈ ডাঙৰ আৰু উন্নত গোত্ৰ বুলি কপৌ ফুলকে বহুতে অভিহিত কৰিছে। এতিয়ালৈকে ইয়াৰ প্ৰায় ২০,০০০—৩০,০০০ টা প্ৰজাতি আৰু প্ৰকাৰ আছে বুলি জনা গৈছে। উল্লেখ যোগ্য যে ভাৰত বৰ্ষৰ প্ৰায় ১,২৫০ বিধ কপৌফুলৰ ভিতৰত প্ৰায় ৮০০বিধ কপৌফুল উত্তৰ পূৰ্বৰ্ঞ্চলৰ অৰণ্যত পোৱা যায়। ইয়াৰে সৰ্বাধিক প্ৰজাতিৰ স্থল অৰুণাচলত। অৰুণাচলৰ নামডাফাত প্ৰায় ৬০বিধ কপৌ ফুল পোৱা যায়।

কপৌ ফুল বুলি ক'লে সাধাৰণতে আমি গছৰ ডালত থকা পৰাশ্ৰয়ীবোৰৰ কথাহে ভাবো। কিন্তু বাস্তৱত এনে নহয়। ইহতৰ ভিন্ ভিন্ প্ৰজাতিৰ জীয়াই থকাৰ স্থলো ভিনভিন্। কিছুমান জোপোহা গছত, কিছুমান শিলৰ ফাকত আৰু আন কিছুমান মাটি আৰু জলহ ভূমিত হোৱা দেখা যায়। ইয়াৰ উপৰিও মৃতজীৱী কপৌ ফুলো আছে।

কপৌ ফুলৰ জীৱনৰ আমোদ জনক কথাটো হ'ল পৰাশ্ৰয়ী কপৌ ফুলবোৰ শিপাৰে আশ্ৰয় লোৱা গছত খামোচ মাৰি ধৰি থাকে। সিহঁতৰ বায়বীয় শিপা কিছুমান ওলায়, যাৰ ভালেমান (Velamen)নামক এক প্ৰকাৰ স্পঞ্জৰ দৰে বিশেষ ধৰণৰ মৃত কলা থাকে। যাৰ সহায়ত উদ্ভিদ জোপাই বায়ুমণ্ডলৰ পৰা জলীয় বাষ্প শুহি সংগ্ৰহ কৰি ৰাখে। ই সেই বাবে অতিপাত খৰাং আৰু তুষ্যা সহ্য কৰিব পাৰে। ই আশ্ৰয় পোৱা গছৰ পৰা খাদ্য শোষণ একেবাৰে নকৰে। বছৰৰ প্ৰতিটো ঋতুতে বেলেগ বেলেগ কপৌ ফুল ফুলে। যদিও বছৰৰ এপ্ৰিল, মে' আৰু জুন এই তিনিমাহতেই অসম আৰু উত্তৰ-পূৰ্বৰ্ঞ্চলত থকা প্ৰায়বোৰ কপৌফুল ফুলে।



কিছুমান বিশেষ চৰিত্ৰৰ বাবে কপৌ ফুলক আন ফুলৰ পৰা পৃথকিকৰণ কৰিব পাৰি। ফুলপাহ দেখাত দীঘল। পাহিটো দেখাত ডাঙৰ বেছি চকুত লগা বা আনকৈ বেলেগ ধৰণৰ হয়। আৰু কিছুমান প্ৰায় দুমাহ লৈকে সজীৱ থাকে। ইয়াৰ গৰ্ভাশয় আগোগভী আৰু পাক খোৱা। পুং দণ্ড আৰু স্ত্ৰী-স্তাৰক লগ লাগি পৰাগপীঠ নামৰ এটি বিশেষ গঠনৰ সৃষ্টি হয়, পৰাগ ৰেণু থোপ খোৱা ইত্যাদি। ইয়াৰ ফুলৰ চৰিত্ৰ আন ফুলৰ লগত বহুত বেলেগ। তাৰ উপৰিও ইয়াক কটাৰ পাছত বহুত-দিন সতেজ হৈ থাকে। কপৌফুলৰ এই গুণবোৰৰ বাবে ই আন্তৰ্জাতিক বজাৰত স্থান গ্ৰহণ কৰিছে। পশ্চিমীয়া দেশ সমূহত ইয়াক অভিজাত্যৰ প্ৰতীক হিচাপে গণ্য কৰে। সেয়েহে ইউৰোপ আমেৰিকা আদিৰ দৰে উন্নত দেশসমূহৰ মাজত ইয়াৰ জনপ্ৰিয়তা সৰ্ব্বাধিক।

কপৌফুল আৰু অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ কলা সংস্কৃতিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। ৰঙালী বিহুত গোৱা মঠা বিহুগীত, নামঘোষা বোৰত ইয়াৰে প্ৰতিধ্বনি শুনিবলৈ পোৱা

যায়। অৰুণাচলৰ স্থানীয় আদিবাসীৰ সংস্কৃতি আৰু বিশ্বাসৰ ওপৰতো কপৌফুলৰ গুৰুত্বপূৰ্ণ স্থান আছে। ভগৱানৰ পূজাত ইয়াক পৱিত্ৰ বুলি গণ্য কৰা হয়। লিচং মমদাং (ডেনড্ৰবিয়াম হাকাৰেনিয়াম) মন্ পাস সকলৰ বাবেই অতি পবিত্ৰ। মণিপুৰী সকলৰ বাবে ইয়ালেই (ডেনড্ৰবিয়াম জেমেছিয়ানাম) অতি আদৰৰ। টিৱাপ জিলাত পোৱা নীলা ভেন্দাক (ভান্দা কৰোলিয়া) অতি শ্ৰদ্ধাৰে চায় আৰু যি কোনো উৎসৱ উপলক্ষে এই ফুল ব্যৱহাৰ কৰে।

মোহনীয় সৌন্দৰ্য্য তথা আন্তৰ্জাতিক গুৰুত্বৰ উপৰিও কপৌফুলৰ ব্যৱহাৰিক গুণ যথেষ্ট। যেনে, "ভেনিলা প্লেনিফেলিয়া" ইয়াৰ ফুলবোৰ দেখাত দীঘল কেপচুলৰ দৰে যাক ভেনিলা বিন বুলি জনা যায়। আৰু এই ভেনিলা বিনৰ পৰা "ভেনিলিন" নামৰ দ্ৰব্য বিধ আহৰণ কৰা হয়। ইয়াক আইচক্ৰিম লমুপনীয়া, কেক চকলেট আদি বনোৱাত ব্যৱহাৰ কৰা হয়। ভাৰতৰ নীলগিৰি মহীশুৰৰ কৰ্ণটিক আদি ঠাইত ইয়াৰ খেতি কৰা হয়। (Orchis latifolia)আৰু (O. mascula)ৰ পৰা তালমিচিৰি প্ৰস্তুত কৰা হয়. কিছুমান আদিবাসী লোকে ইয়াৰ আলুক পাচলি হিচাপে ব্যৱহাৰ কৰে।

ইয়াৰ উপৰিও কিছুমান কপৌ ফুলক ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে ঃ- Desmotrichum Fimbrialtem নামৰ কপৌফুল বিধৰ পৰা বাতবিষ, পিত, কাহ আদিৰ ঔষধ তৈয়াৰ কৰা হয়। Cymbidium abrifolium নামৰ কপৌফুল বিধৰ পৰা অত্যধিক ৰক্তপাতৰ ঔষধ প্ৰস্তুত কৰাত ব্যৱহাৰ কৰা হয়। Vanda spathulata নামৰ প্ৰজাতি বিধ যক্ষ্মা ৰোগৰ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়। তদুপৰি আৰু আন আন প্ৰজাতিৰ কপৌফুলৰ ঔষধ ব্যৱহাৰ আয়ুৰ্বেদ চিকিৎসাত আছে।

অতি দুখৰ বিষয় যে আজি অসম তথা উত্তৰ পূৰ্ববাঞ্চলৰ কপৌ ফুল পৃথিৱীৰ ভিতৰত বিখ্যাত আৰু বাহিৰৰ বজাৰত ইয়াৰ যথেষ্ট চাহিদা আছে। যদিও ইয়াৰ লোকে দুবিধ মান চিনাকী কপৌ ফুলৰ বাহিৰে অন্যবোৰৰ লগত বেছিভাগ লোকৰ চিনাকী নাই। সেয়েহে দুই এবিধৰ লগত পৰিচয় ঘটিছে যদিও সেইবোৰক বহুতে বনৰীয়া কপৌ ফুল বুলি অনাদৰ কৰে। আজি উত্তৰ পূৰ্ববাঞ্চলৰ বহুত প্ৰজাতি লুপ্তপ্ৰায় অৱস্থা পাইছেহি। উদাহৰণ স্বৰূপে নীলা ভেন্দা (Vanda corulea) নামৰ প্ৰজাতিবিধ ইয়াৰ লগাতকৈ অতিৰিক্ত সংগ্ৰহণ কৰি হাবি বননী ধ্বংস কৰাৰ ফলাত নাইকিয়া হৈছে।

এই মূল্যবান উদ্ভিদবিধ বিস্তাৰৰ কাৰণে লুপ্তপ্ৰায়বোৰৰ সংখ্যা বৃদ্ধি কৰিব আৰু জনসাধাৰনক সচেতন কৰি তুলিবৰ বাবে ১৯৯১ চনত অৰুণাচলত "অৰ্কিড ছ'চাইটি অফ অৰুণাচল প্ৰদেশ" বুলি এটা সংস্থা স্থাপন কৰা হৈছে। উত্তৰ পূৰ্ববঞ্চলৰ শ্বিলঙৰ (Experimentel garden)আৰু গুৱাহাটি বিশ্ব বিদ্যালয়ৰ জৈৱ প্ৰযুক্তি বিদ্যা বিভাগে কলাকৰ্ষণ পৰিক্ষাগাৰত কিছুমান লুপ্তপ্ৰায় আৰু দুস্প্ৰাপ্য প্ৰজাতিৰ কলাকৰ্ষণ কৰি সংখ্যা বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে।.

*অসমৰ পৰ্বত ভৈয়াম-পথাৰ, গছ-গছনি, চৰাই-চিৰিকতি, সকলোৰে কণ্ঠত সুৰ আছে।*
*এই সকলোৱে যেতিয়া একেলগ হৈ গীত গাবলৈ আৰম্ভ কৰিব কাৰো সাধ্য নহ'ব সেই*
*সমবেত কণ্ঠ হেঁচি ধৰি থাকিবলৈ।*

*-বিষ্ণুৰাভা-*

# কেনেকৈ ইচ্ছা শক্তিৰ বৃদ্ধি কৰি জীৱনত উন্নতি সাধিব পাৰি ?

শ্ৰী বি, কে, দিব্যজ্যোতি।
*স্নাতক ৩য় বৰ্ষ(বিজ্ঞান শাখা)*

বৰ্তমান আমাৰ সমাজ খনলৈ লক্ষ্য কৰিলে দেখা যায়যে বাহিৰৰ দেশবোৰৰ যি কৰ্ম উৎসাহ, আমাৰ দেশৰ তুলনাতকৈ বেছি। এই প্ৰবন্ধটোৰ যোগেদি ইয়াৰ আচল ৰহস্য ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হৈছে। আজিকালি প্ৰায়ে শুনা যায় যে মই বহু ভালকৈ পঢ়িম বুলি ভাৰিছিলো কিন্তু সফল নহলো, এইবাৰ খেতিৰ মাটি কেইডৰা ভালকৈ ৰুম বুলি ভাবিছিলো, কিন্তু কি হ'ল ভৰামতে নহ'লে, তাক মই গালি নাপাৰিম বুলি ভাবিছিলো, মদ নাখাম বুলি ভাবিছিলো, যিমান ভাল মানুহ হম বুলি ভাবিছিলো সিমান নহলো ইত্যাদি। ইয়াৰ অৰ্থটো কি ? আমি ভাৱো অথচ কৰিব নোৱাৰোঁ। শুদ্ধ সংকল্প থাকে, পৰিকল্পিত আঁচনি থাকে, কৰাৰ উৎসাহও, থাকে কিন্তু বাকী কি বাদ পৰি গ'ল ? অকণমান ভাবি চালেই আপোনালোকে লক্ষ্য কৰিব যে আমাৰ ইচ্ছা শক্তিৰ অভাৱ। ইয়াৰ কাৰণেই আজি সমাজৰ অৱনতি ঘটিছে।

এই ইচ্ছা শক্তিৰ বৃদ্ধি কৰিব পাৰিলেই আমাৰ সকলো সমস্যা দূৰ হ'ব। এই ইচ্ছা শক্তি কিনিবলৈ পোৱা নাযায়, মাংসখালে নহয়, গাখীৰ খালে নহয়, তেন্তে এতিয়া পাম ক'ৰ পৰা ? কৈছো শুনক, ৰাজযোগেই হৈছে একমাত্ৰ আৰু সৰ্বোত্তম পদ্ধতি যাৰ দ্বাৰা আমি ইয়াক বৃদ্ধি কৰি জীৱনত সফলতা লাভ কৰিব পাৰো। ৰাজ যোগ অভ্যাস কৰিলে, আমাৰ যি মুখ্য আঠটা শক্তি আছে এইবোৰ বঢ়াব পাৰি। শক্তি কেইটা হৈছে– ১। সাজুহৈ থকাৰ শক্তি ২। সহ্য শক্তি ৩। সকলোৰে লগত মিলি থাকিব পৰা শক্তি ৪। ভাল-বেয়া চিনি পোৱাৰ শক্তি ৫। অনুচিত বিচাৰ কৰাৰ শক্তি ৬। সমস্যাৰ লগত সাহসেৰে মুখামুখি হোৱাৰ শক্তি ৭। সহযোগ শক্তি ৮। বিস্তাৰক সংকীৰ্ণ বা সাৰাংশলৈ অনাৰ শক্তি। এইবিষয়ে আৰু বহলাই নকাওঁ কাৰণ ৰাজযোগৰ বিষয় বস্তু বহুত বহল। এই চুটি প্ৰবন্ধত ক'ব পৰাতো সম্ভৱ নহয়। ৰাজযোগৰ কেন্দ্ৰবোৰলৈ গ'লে আপোনালোকে এইবিষয়ে অধ্যয়ন কৰিব পাৰিব। ইয়াৰ কেন্দ্ৰ গোটেই পৃথিৱী ব্যাপি আছে। গতিকে যোৱাতো চাগে একো অসুবিধা নহ'ব। আমাৰ অসমত প্ৰতিখন জিলাত আৰু কোনো কোনো ঠাইত গাওঁ বোৰতও খুলিছে। বিশেষকৈ ডিব্ৰুগড়ৰ লাচিত নগৰ, পুৰণি ডি, চি, বাংলো পথত ইয়াৰ এটা কেন্দ্ৰ আছে। সুবিধাৰ বাবে ফোন নম্বৰটোও কৈ থৈছো ৩২১৩৯। ইয়াৰ সম্পূৰ্ণ নাম "প্ৰজা পিতা ব্ৰহ্ম কুমাৰী" ঈশ্বৰীয় বিশ্ববিদ্যালয়। লগতে এইটোও জানি থওঁক যে-এই বিশ্ব বিদ্যালয়ত সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰশিক্ষণ দিয়া হয়।

আমি যদি ইচ্ছা শক্তি বঢ়াবখোজো তেন্তে প্ৰথমে চাব লাগিব আমাৰ নিজৰ ওপৰত কিমান বিশ্বাস আছে, আৰু দৃঢ়তা কিমান আছে। দৃঢ়তা নাথাকিলেই এলাহ, নিৰাশা আদি আহিযাব আৰু আমাৰ সকলোবোৰ আঁচনি আধৰুৱা হৈ ৰয়। আমাৰ আত্মবিশ্বাসেই এই সকলোবোৰৰ মূল। ব্যৰ্থ চিন্তা, পাৰহৈ যোৱা কথাবোৰ বেছিকৈ ভাবি থকা, পৰচিন্তন, পৰদৰ্শন আদিয়ে আমাৰ আত্ম বিশ্বাস কমাই তোলে। বৈজ্ঞানিক সকলে গৱেষণা কৰি ঠিৰাং কৰিছে যে এজন মানুহৰ ৰাতিপুৱা বিচনা ত্যাগ কৰাৰ পৰা গধুলি শুৱালৈকে ৩০,০০০ বিভিন্ন ধৰণৰ ভাৱ আহে। ইয়াৰ বেছিভাগেই আমি পাহৰি যাওঁ আৰু অতি কম সংখ্যকহে মনত ৰাখিবলৈ সক্ষম হওঁ। এতিয়া লক্ষ্য কৰিব লাগে যে আমাৰ কিমান বিলাক চিন্তা নিৰৰ্থক (Waste), কিমান বিলাক লাভ দায়ক (Positive)কিমান ক্ষতিকাৰক (Negative), আৰু কিমান বিলাক অ-দৰকাৰী (Un necessary) চিন্তা আহে। প্ৰতিদিনে আমি নিজক পৰীক্ষা কৰিব লাগে যে আমি কোন প্ৰকাৰৰ চিন্তা বেছিকৈ কৰো। এটা কথা ঠিকযে অ-দৰকাৰী চিন্তাবোৰে আমাৰ মন কমজোৰ কৰে আৰু অশান্তকৰি তোলে। সুস্থ-সৰল মন নহ'লে কাম সুস্থ-সৰল হ'ব জানো ? এতিয়া ৰহস্য জনক কথাতো হ'ল আমি ভাবো ভাল কৰিবলৈ ; কিন্তু পৰা নাই। বৰ্তমান সমাজ খনলৈ চাওক, আগতকৈ যিমানেই শিক্ষিতৰ হাৰ বাঢ়িছে ; সেই অনুপাতে ভাল কাম কৰিছেনে ? যিটো হাৰত মানৰ চৰিত্ৰৰ বৰ্তমানে অৱনতি ঘটিছে এনেকৈ

বাড়ীগে থাকিলে এদিন কি হ'বগৈ ভাবি চাওক চোন, ভায়ে-ভায়ে কটামৰা , বোমা-বাৰুদ আদিৰে সমাজখন ধ্বংস নহ'বগৈনে বাৰু ? জুই লাগিবলৈ লোৱা ঘৰটো যেনেকৈ এটা সময়ত জ্বলি শেষ হৈ যায় তেনেকৈ বৰ্তমান সমাজ খনৰো একেই অৱস্থা হোৱা নাই জানো ? গতিকে সময় থাকোতেই বছাওঁ আহক।

আজিকালি শিক্ষা ব্যৱস্থাৰ যি অৱনতি ঘটিছে তাৰ ঘাই কাৰণ কি ? পৰীক্ষাত নকল মৰাটো ছাত্ৰৰ দোষ নে শিক্ষকৰ ? কোনোৱে কব শিক্ষকৰ, কোনোৱে কব ছাত্ৰৰ। আকৌ শ্ৰেণীসমূহ নিয়মিত ভাবে নোহোৱাটো কাৰ দোষ ? এই ক্ষেত্ৰতো তেনেকৈ দুই ধৰণৰ মত নিশ্চয় পোৱা যাব। আচলতে এনেকৈ আমি দোমোজাত সোমাই থাকিলে সমস্যাবোৰ সমাধান হ'ব ? প্ৰকৃত সত্যটো হ'ল দোষ কাৰো গাত নাই। ভালকৰ্ম কৰিবলৈ যি শক্তি লাগে, সুস্থমন লাগে সেইখিনিহে আমাৰ কম হৈছে। গতিকে সমাধানৰ বাবে প্ৰথমেই ধ্যান দিব লাগিব আমাৰ একাগ্ৰতা আৰু দায়িত্ববোধ কিমান আছে। নিজৰ প্ৰতি আৰু সমাজৰ প্ৰতি শুভ ভাৱনা, মৰম চনেহ কিমান আছে। আজিকালি আগতকৈ মানুহে মানুহৰ প্ৰতি কৰা বা থকা মৰম চেনেহ কমি গৈ আছে। য'ত মৰম চেনেহ নাথাকে ত'তেই গণ্ডগোল বোৰ হয়। এতিয়া আমি যদি "ৰাজযোগে" কৰো। তেন্তে ধীৰে ধীৰে আমাৰ ইচ্ছা শক্তি, মনৰ একাগ্ৰতা, মৰম চেনেহ আদি বাঢ়ি গৈ থাকিব।

ইচ্ছা শক্তিৰ বৃদ্ধিয়ে আমাৰ স্বাস্থ্যৰ ক্ষেত্ৰটো যথেষ্ট সহায় কৰে। ধৰিলওক কাৰোবাৰ বেমাৰ হৈছে। যদি তেওঁ মন ভাঙি দিয়ে বা বেমাৰটোৰ কথাকে চিন্তা কৰি কৰি মানুহৰ লগত মুকলি মনেৰে কথা-বতৰা পাতিবলৈকো এৰি দিয়ে, তেতিয়া কি হ'ব, তেওঁৰ স্বাস্থ্য ভাল হ'বলৈ বেছিহে দিন নালাগিব জানো ? এনেকৈ ইচ্ছা শক্তিয়ে বিভিন্ন সময়ত আমাক বিভিন্ন ধৰণে সহায় কৰি আহিছে।

শেষত কওঁযে প্ৰৱল ইচ্ছা-শক্তি তেওঁৰহে আছে বুলি কব পৰা যাব যি নিজৰ পাঁচ কৰ্ম ইন্দ্ৰিয়ক ইচ্ছামতে দমন কৰি ল'ব বা চলাব পাৰে। তেওঁৰ কৰ্ম ইন্দ্ৰিয়ৰ অধীনহৈ ঠেকা খুন্দা খাই নুফুৰে, কৰ্ম ইন্দ্ৰিয়ক তেওঁ নিজৰ বশ কৰি ৰাখে। ব্ৰেক নধৰিলে গাড়ীয়ে যেনেকৈ দুৰ্ঘটনা ঘটোৱাৰ আশংকা থাকে ঠিক তেনেকৈ ইচ্ছা শক্তি নথকা দুৰ্বলীলোকেও পদে পদে বাধা বিঘিনিৰ সন্মুখীন হৈ থাকে। □

> *ভাৰতবাসীৰ মাজত নিজন আটাইতকৈ দৰিদ্ৰ যদি তেওঁলোকলৈ স্বৰাজৰ মৌজোল বৈ নাযায়, তেন্তে সেই স্বৰাজৰ প্ৰয়োজন নাই। মোৰ লক্ষ্য হৈছে যি সকল সৰ্বহাৰা, বিত্ত সভ্যতাৰ জ্যোতিৰ পৰা বঞ্চিত প্ৰধানত তেওঁলোকৰ কল্যাণ তেওঁলোকৰ মুক্তি।*
>
> *-মহাত্মা গান্ধি-*

গল্প

# ন'কইনাৰ সাজৰ আঁৰত

শ্ৰী জ্ঞানদ্বীপ গগৈ।
*উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ।*

এখন বেঞ্চত পলাশে অকলে বহি আছে। অলপ আঁতৰত সমীৰ আৰু কেইটামান ল'ৰাই কিবা কথাপাতি আছে। পলাশক অকলেবহি থকা দেখি সমীৰে দূৰৰ পৰা চিঞৰি মাতিলে। সমীৰে মতাত, পলাশ সিহঁতৰ ওচৰলৈ আহিল। সমীৰে দুষ্টালি ভৰা হাঁহি এটা মাৰি দূৰৰ এজাক ছোৱালীৰ মাজৰ মলয়া নামৰ ছোৱালীজনীৰ ফালে দেখুৱাই ক'লে-কেনে দেখিছা ? তোৰ লগত বেছ মিলিব দেই। পলাশে লাজত ৰঙা পৰি সিহঁতৰ ওচৰৰ পৰা খৰ খোজেৰে আঁতৰি আহিছিল। বাকী ল'ৰাবোৰে হাঁহিছিল।

পিছদিনা কলেজত যেতিয়া পলাশে মলয়াক দেখিছিল তেতিয়া তাৰ লগে লগে সমীৰৰ কথাষাৰ মনলৈ আহিছিল। সম্ভৱ মলয়াকো লগৰ ছোৱালীবোৰে পলাশকলৈ জোকাইছিল। সেয়ে নেকি মলায়াই মাজে মাজে পলাশলৈ দৃষ্টি দিছিল। কিন্তু লাজ কুৰীয়া পলাশে তাইৰ সেই দৃষ্টি অলপো ভাল পোৱা নাছিল। বৰং এই দুষ্ট মলয়াৰ ওপৰত তাৰ ভীষণ খং উঠিছিল। সি কোনো ছোৱালীৰ লগত কথা নাপাতে। লগৰ ল'ৰাবোৰৰ আগত সি কয় বোলে ছোৱালীৰ লগত কথা পাতিলে তাৰ গাত কিবা ভূত লম্ভা যেন লাগে। গ্ৰীষ্ম কাল, সন্মুখৰ আহঁত জোপাৰ তলত পলাশ হঁতে জিৰণি লৈছে। মলয়া, বেবী, পল্লৱীহঁতো আহঁতৰ তলতে বহিবলৈ বুলি আহিল। এনেতে উৎপতীয়া শান্তনুৱে, একপ্ৰকাৰ চিঞৰাৰ দৰে কৈ উঠিল, "এই পলাশ ইমান গৰম, ফাগুণ মাহত কি বতাহ বলে জানা 'পলাশ', মলয়া আৰু ফাগুণ মাহত কি ফুলে বিৰিখত, মলয়া, পলাশ।" কথাষাৰৰ তাৎপৰ্য্য বুজি সকলোৱে গিৰ্জনি পাৰি হাঁহিছিল। পলাশে খঙতে বহাৰ পৰা সাউৎ কৰি উঠি আহিছিল। কিয় জানো মলয়াক পলাশৰ অলপো ভাল নালাগে। সকলোয়ে জানে মলয়াৰ দুষ্ট চৰিত্ৰৰ বিষয়ে। কিন্তু তাই ধনী ঘৰৰ ছোৱালী সেয়ে নেকি মুখৰ আগত কোনেও একো নকয়। শান্তনুহঁতৰ ওপৰত তাৰ খং উঠে, কিয় জোকায় তাক এই দুষ্ট ছোৱালী জনীৰ লগত। এদিন দুদিন কৈ পলাশৰ কলেজীয়া জীৱনৰ অন্ত পৰিল। বি. এচ. চি ফাইনেল হৈ গ'ল। কিছুমান ল'ৰা ঘৰলৈ গ'লেই। পলাশৰ মনটো বেজাৰে ভৰি পৰিল। কাৰণ পাচোঁটা বছৰ এইখন কলেজত শিক্ষা গ্ৰহণ কৰিলে। কলেজৰ সন্মুখৰ আহঁত জোপা, শাৰী শাৰী পাইন গছবোৰ, সদায় চাহখোৱা কেন্টিনখন, শ্বহীদ বেদীটো আৰু তাৰ অলপো ভাল নলগা মলয়াজনী। এই সকলোবোৰৰ পৰা আজি সি চিৰদিনৰ বাবে বিদায় ল'ব। বিদায় শব্দটো মনলৈ অহাৰ লগে লগে তাৰ অন্তৰখন এক অবুজ বেদনাৰে ভৰি পৰিল। চকুৰ পৰা অজানিতে তপত লোটক বৈ আহিল। বাধা দিব খুজিও নোৱাৰিলে। এখোজ দুখোজকৈ হোষ্টেলৰ বাহিৰ ওলাল। বহুতো ছাত্ৰ নিজৰ ঘৰলৈ গুচি যোৱাত হোষ্টেলটো গহীন হৈ অহাত কলেজ পালেহি। কলেজ পায়েই পলাশৰ মনত পৰিল যিদিনা এইখন কলেজলৈ কেনেদৰে প্ৰথম আহিছিল, কেনেদৰে আপোন কৰি লৈছিল আৰু আজি কেনেদৰে বিদায় দিবলগীয়া হৈছে। শ্বহীদ বেদীত সেৱা জনালে। তাৰ পাছতে আহঁত জোপাৰ তল পালেগৈ। আহঁত জোপাৰ তল পাই মনত পৰিল তাৰ মলয়ালৈ। কেনেকৈ যে তাক সমীৰ হঁতে জোকাইছিল এদিন। শাৰী শাৰী পাইন গছবোৰৰ মাজে মাজে সি অকলে গৈ আছে। অতীতৰ স্মৃতি আজি তাৰ মানসপটত জিলিকি উঠিছে। চাওঁ নাচাওঁ কৈ দুহাতেৰে বৈ অহা চকুপানী খিনি মচি এবাৰ উভতি চালে। তাৰ এনে লাগিল যেন কলেজখনে থৰ লাগি তালৈকে চাই আছে আৰু আহঁত জোপাই যেন বতাহতে কঁপি কঁপি তাক বিদায় দিছে। পলাশৰ হাতখনো নিজে নিজেই ওপৰলৈ তুলি জোকাৰি দিলে, অজানিতে তাৰ মুখৰ পৰা ওলাই আহিল এটি শব্দ 'বি-দা-য়।'

এটা সময়ত পলাশগৈ বাছষ্টৈণ্ড পালেগৈ। তাত বহুতো ছাত্ৰ-ছাত্ৰী গোটখাই আছিল যেন পলাশহতঁক বিদায় দিবলৈহে। সিহঁতৰ মাজত মলয়াও আছিল। মিচিক-মাচাক কৰি হাঁহি মাৰি মলয়াই পলাশক কৈছিল "পলাশ দা বিদায়ৰ মূহুৰ্তত সকলোবোৰ দোষ ক্ষমা কৰে যেন আৰু আমাৰ এই চিনাকি দুদিনীয়া নহৈ যেন চিৰ যুগমীয়া হৈ ৰয়" পলাশে মৃদু হাঁহি এটা মাৰি জীৱনত প্ৰথমবাৰৰ বাবে কৈছিল ভালদৰে পঢ়া-শুনা কৰিবা বুলি আশা থাকিল। ইমানকে কৈ পলাশ বাছত উঠিল। ইতিমধ্যে বাছখনে যাবলৈ আৰম্ভ কৰিলে। খিৰিকিয়েদি বাওঁ হাত খন উলিয়াই জোকাৰি দি পলাশে সকলোকে শেষ বিদায় জনালে। পলাশৰ মনত অলপ আনন্দ কিয়নো আজি ঘৰত সকলোকে লগ পাব;

কি যে ফূৰ্তি আৰু আনফালে দুখ লাগিছে কিয়নো কলেজীয়া জীৱন শেষ হৈ গ'ল। বহুতো ছাত্ৰ-ছাত্ৰী এইখন কলেজত পঢ়িবলৈ আহে আৰু এদিন কলেজীয়া জীৱন অন্ত পৰে, ঘৰলৈ উভতি যায়। এনেকৈয়ে আহে আৰু যায়। সকলো মাথো দুদিনীয়া চিনাকি, মাথো ৰৈ যায় কিছুমান স্মৃতিৰ টুকুৰা-বিবোৰ স্মৃতি পাহৰণিৰ বুকুত বিলীন হৈ নাযায়। এইবোৰ নানা কথা ভাবি থাকোতেই তাৰ নামিবৰে হ'ল। পলাশে নামি ঘৰলৈ লাহে লাহে খোজ ল'লে। সি দেখিবলৈ পালে পদূলিমুখৰ কৃষ্ণচূড়া গছজোপা বহুত ওখ হ'ল। থুপি থুপি ফুলবোৰ যেন তালৈকে চাই হাঁহি আছে। পলাশৰ লাজ লাগি গ'ল সি তলমূৰ কৰি গেটখন খুলি ভিতৰলৈ সোমাই গ'ল।

মাক-দেউতাক আৰু এজনী ভনীয়েক 'মৃন্ময়ী' । কিমান যে সুখৰ সিহঁতৰ ঘৰখন, দেউতাক আৰক্ষী থানাৰ এজন উচ্চপদস্থ বিষয়া। মাক হাইস্কুলৰ শিক্ষয়িত্ৰী। ভনীয়েক মৃন্ময়ী এইবাৰ হায়াৰ ছেকেণ্ডাৰীৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। এক অনাবিল আনন্দৰে দিনবোৰ অতিবাহিত হৈ গৈছে। এদিন দুদিনকৈ পলাশৰ ৰিজাল্ট দিবৰ হ'ল; ৰিজাল্ট দিলে। পলাশে এটা ভাল ৰিজাল্ট কৰি এম. এচ. চি পঢ়িবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় পালেগৈ। তিনিটা বছৰ অতিক্ৰম কৰি এম. এচ. চি ত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বন্ধু বৰ্গৰ পৰা বিদায় লৈ নিজ ঘৰলৈ বুলি যাবলৈ ওলাল। ট্ৰেইনখনে এটা দীঘল উকি মাৰি যাত্ৰা আৰম্ভ কৰিলে। পলাশৰ তেতিয়া অতীতলৈ মনত পৰি গ'ল। কেনেদৰে এদিন সি বি. এচ. চি. ফাইনেল দি ঘৰলৈ আহিছিল আৰু আজি মনত পৰিল ভনীয়েকে লিখা চিঠিখনলৈ। চিঠিত লিখিছে তাৰ বিয়াৰ কথা। দেউতাকৰ ল'ৰালি কালৰ কোনো বা এজন বন্ধুৰ একমাত্ৰ কন্যা পলাশৰ বাবে চাই থোৱা হৈছে। ছোৱালীজনীয়ে এইবাৰ বি. এ. পাছ কৰিছে। এটা সময়ত পলাশে ট্ৰেইনৰ পৰা নামি ঘৰৰ অভিমুখে যাত্ৰা কৰিলে। ঘৰ পাই দেখে যে ভনীয়েক, মাকহঁতে তাৰেই অপেক্ষাত আছে। খোৱা-বোৱাৰ মাজতে মাকে সুবিধা বুজি বিয়াৰ কথা উলিয়ালে। পলাশে একো আপত্তি নকৰি মাত্ৰ কৈছিল যে আপোনালোকৰ পছন্দেই মোৰ পছন্দ, যিহেতু মোৰ বাবে. আপোনালোকে কেতিয়াও দুষ্ট চৰিত্ৰৰ ছোৱালী নাচায়। আৰু সেয়ে মই চাবলৈ যাবলগীয়া প্ৰয়োজন বোধ নকৰো। ছোৱালী জনীয়েও কৈছিল যে মোৰ নিচিনা এজনী ছোৱালীৰ বাবে যদি ইমান ভাল ল'ৰা এজন চাইছে তেন্তে কিয়নো আহিব লাগিছে।

ফাগুণ মাহৰ এটা শুভ দিন চাই পলাশৰ বিয়াৰ দিন ধাৰ্য্য কৰা হ'ল। বিয়াৰ দুদিনৰ আগতে বন্ধুবৰ্গ তথা আলহি অতিথিয়ে ঘৰ ভৰি পৰিল। বিয়াৰ দিনা পলাশক মৃন্ময়ীৰ লগৰবোৰে খু-উ-ব জোকাইছিল। মৃন্ময়ীৰ লগৰ ৰশ্মিয়ে পলাশক কৈছিল ফাগুন মাহত কি বতাহ বলে জানে ? পলাশক উৰুৱাই লৈ গ'ল অতীতৰ সেই দিনটোলৈ যিটো প্ৰশ্ন এদিন শান্তনুৱে তাক আহঁত জোপাৰ তলত বহি থাকোতে সুধিছিল।আকৌ আজি! সি ততাতৈয়াকৈ ভনীয়েকক একাষে মাতিনি সুধিলে নবৌয়েকৰ



নামটো কি ? ভনীয়েকে একো নকৈ মাথো হাঁহিছিল। তাৰ মনটো দোমোৰ মোমোৰ লাগিল। তাৰ ভাল নলগা সেই মলয়াজনীয়ে তাৰ জীৱনসঙ্গী নহয়তো ? এটা সময়তে দৰা গৈ কইনাৰ ঘৰ পালেগৈ। নানা নীতি-নিয়মৰ মাজেৰে সমাজক সাক্ষী কৰি কইনাক ঘৰ সোমোৱালেহি। তেতিয়ালৈকে কইনাৰ মুখ দৰাই দেখাই নাই।

ফুলশয্যাত যেতিয়া কইনাক বহুওৱা হ'ল তেতিয়া পলাশে লাজ আৰু ভয়ত সংকোচেৰে ওৰণিখন সামান্যভাৱে দাঙি চাই হঠাৎ চমকি উঠিল এইয়া সি কি দেখিছে। তাৰ কাণত বাজি উঠিল "পলাশ দা বিদায়ৰ মুহূৰ্তত সকলোবোৰ দোষ ক্ষমা কৰে যেন। এই চিনাকি দুদিনীয়নহৈ যেন চিৰ-যুগমীয়া হৈ ৰয়" সি মনতে ভাবিলে এই ন-কইনাৰ সাজৰ আঁৰত কি ৰহস্য লুকাই আছে কোনেজানে ?

# অৱশেষত অন্ত পৰিল

শ্ৰী ৰঞ্জন গগৈ।
*স্নাতক ২য় বৰ্ষ (অসমীয়া)*

পুৰাৰ শালিকাজনীৰ চিঞৰত ৰ'ব নোৱাৰি বিচনাৰ পৰা নামি বাথৰুমলৈ গৈ তাৰ পৰা ব্ৰাছডালত অলপ ক'লগেট সানি পদূলিমুখত থিয় হ'লহি প্ৰমুদে। আনদিনাৰ দৰে ফিল্ডত দৌৰিবলৈ নগ'ল। মনত পৰাৰ দিনৰে পৰা সি পুৱাতে দৌৰিবলৈ বুলি যায়। কিন্তু আজি দুদিন মানৰ পৰা সি বাৰলু, শোভা, ভবেনহঁতক মাতি আনি একেলগে যায়। ইমানযে পলমকৈ সিহঁতে সাৰ পায়! কিন্তু সি এবাৰ চাইকেলৰ বেল মাৰিলেই অৱশ্যে সিহঁতে অলপ সময়ৰ পাছতেই আহি উপস্থিত হয়হি। তাৰ পাছত এজন এজনকৈ কৈ যাব, "বুইছ প্ৰমুদ ; কালি, মানে আজি যোৱা ৰাতি চিনেমা চাই আছিলো। ১১টা মান বজাত কাৰেন্ট গ'ল বাবে শুই থাকিলো। ন'হলে আজি মোৰ........." বাৰলুৱে কোৱাৰ পাছত শোভা, ভৰেনহঁতেও কৈ যাব। সকলোৰে কোৱা শেষ হ'লত সি ক'লে "বাৰু বাৰু, যি হ'ল হ'ল। এতিয়া যাওঁ ব'ল।" সিহঁতেও দৌৰিবলৈ বুলি দূৰত থকা খেল পথাৰখনলৈ চাইকেল লৈ যায়। আৰু এনেদৰেই সিহঁতৰ দিনবালাক উকলিছিল।

প্ৰথম কেইদিনত সি মানে প্ৰমুদে মাত্ৰ দৌৰাৰ উদ্দেশ্যেৰে খেলপথাৰলৈ আহিছিল। কিন্তু পুৱাতে দেখা ৰূপালীজনীৰ সেই গোলাপীমুখ খন দেখি শোভাহঁতে নজনাকৈয়ে তাৰ মনত কিবা এটা অদ্ভুত সাঁচ বহিল। কিন্তু কেইদিনমানৰ পাছত অনুমান হ'ল প্ৰমুদে দৌৰাৰ সলনি মাত্ৰ ৰূপালীক চাবৰ বাবেই ফিল্ডলৈ আহে। এই ভাবি বাৰলুৱে এদিন ক'লে, " কি হ'ল প্ৰমুদ আন কেইদিন চোন তইয়েই আমাক কেনেদৰে ব্যায়াম কৰিলে হাড়-মূৰ ভালে থাকে শিকাইছিলি। পিছে এই কেইদিন দেখিছো তোক কিহবাই পালে, ক চোন কি হ'ল ?" তাৰ কথাত বাকীকেইটাইও সন্মতি দিলে। বাৰলুৰ কথাষাৰ শুনি প্ৰমুদে ক'লে, "আজি মুদ্ নাই অ', সেইকাৰণে.......! কিন্তু তাৰ উত্তৰত সিহঁত পতিয়ন নগ'ল। আৰু শেষত ক'লে "হ'ব হ'ব ; তোৰ ৰূপালীক তইয়েই চাই ল'। আমাক লুকোৱাবৰ প্ৰয়োজন নাই।" সিহঁতেও যে তাৰ মনৰ কথা গ'ম পাই গ'ল, তাক আৰু বুজিবৰ প্ৰয়োজন নহ'ল। সেইদিনা সিহঁতে সিমানতে দৌৰা সামৰিলে। প্ৰমুদে সেইদিনা বাৰলুৰ কথাত যে কিমান ভাল পাইছিল !! সি তাক আৰু দুবাৰমান ক'বলৈকে অনুৰোধ কৰিলেহেঁতেন। কিন্তু কি বুলিনো ক'ব। তাৰ যে এয়া প্ৰাথমিক পৰ্য্যায়হে।

প্ৰমুদ নাথ। বৰ্তমান স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ। পঢ়াত অত্যন্ত চোকা বুদ্ধিৰ বুলি নক'লেও মেট্ৰিক, হায়াৰ চেকেণ্ডাৰী, স্নাতক ২য় বৰ্ষত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। প্ৰমুদৰ মাক-দেউতাক, ভায়েক-ভনীয়েকৰ সৈতে এখন সুখৰ ঘৰ। দেউতাক কৃতী খেতিয়ক। এইবাৰ চৰকাৰী বঁটাও পাইছে। বাম মাটি আছে বাবে তাত কৰা শাক-পাচলিৰ উপাৰ্জনেৰে তেল-নিমখ কিনিবলৈ জোৰে। মাক-বাপেকৰ একমাত্ৰ আশা-সিয়েই ঘৰখনলৈ এদিন পোহৰ কঢ়িয়াই আনিব। কোনো কাম-বন নকৰাৰ বাবে মাকে বৰপুতেকক কৈয়েই থাকে, "বাপেৰে ইমান কষ্ট কৰি তোক পঢ়ুৱাইছে, যদি ভালদৰে পাচ কৰি যাব নোৱাৰ, কি বুলি বাপেৰক দেখুৱাবি?" মাকৰ এনে কথাত প্ৰায়ে সি অন্যমনস্ক হৈ দিয়ে। সি অন্যমনস্ক হয় যদিও ভাবৰ দৰে অন্যমনস্ক নহয়। সিও ভাৱে ভালদৰে পঢ়িম আৰু এদিন নাম কৰিমেই। সি সমাজৰ আগত নিজক লৈ গৌৰৱ নকৰে বাবে মাকক মাত্ৰ কয়, "যেতিয়া পৰীক্ষাৰ ৰিজাল্ট শুনিবি ক'বি।" সঁচাকৈ সি প্ৰতিটো পৰীক্ষাত সুফল অৰ্জন কৰি আজি এই অৱস্থাত।

এদিন ফিল্ডতে সিহঁতকেইটাক সি ক'লে, "বুজিছ, ইমান দিনে তহঁতক লুকোৱাই থোৱা কথাষাৰ কওঁ, শুনিবি ? তহঁতে চাগৈ বুজিলিয়েই কাৰ কথা ক'ম, হয়, ৰূপালীৰ। ৰূপালীক দেখাৰ পৰা জানো কি হৈছে। মাথোঁ প্ৰতিচ্ছবি চকুৰ আগত ভাহি থাকে।" কথা শেষ কৰিব নৌ-পাওঁতেই বাৰলুৱে ক'লে, "এতিয়া হবলা প্ৰেমত পৰিছো ?" ওঁ সঁচাকৈ, ঠিক প্ৰেমত পৰিছো বুলিও ক'ব নোৱাৰি। নাজানো প্ৰেম কেনেকুৱা বস্তু........।" তাৰ কথা শুনি ভবেনে ক'লে, "প্ৰেম, ই এক হৃদয়ৰ অনুভূতি। যেতিয়া পৰস্পৰ দুজন ব্যক্তিৰ মাজত মানে পুৰুষ আৰু নাৰীৰ মাজত হৃদয়ৰ মৰমবিলাক ইজনে সিজনক একাগ্ৰতাৰে প্ৰেৰণ কৰে, সিয়েই প্ৰেম। এতিয়া জানিলি।" আৰে ভবেনে যে এনেকুৱা কথা ক'ব পাৰে, কোনেও ভাবিব পৰাই নাছিল। সিহঁতে প্ৰেক্টিছ কৰিবলৈ ফিল্ডতে বহি আলোচনা কৰিবলৈ ধৰিলে। সিহঁতক এনেদৰে বহি কথা পতা দেখি ওচৰৰ মানুহবোৰে কৈ কৈ যায়," তহঁতে দৌৰিছ নে কাৰোবাক পলুৱাই অনাৰ কথা পাতিছ।" সিহঁতে এনে কথা শুনি হাঁহিৰে উৰুৱাই পেলায়। যাতে সন্দেহ নাথাকে। "কিন্তু ভবেন, কেৱল মই তাইক ভাল পালেইতো

নহ'ব আৰু এজনে ভাল পালেতো প্ৰেম হ'ব নোৱাৰে।" তাকেইতো, এতিয়া কি কৰিবি ?" শোভাই সুধিলে। অলপ সময় ভাবি সি পুনৰ ক'লে, " তই নিজেই তাইক একান্ত ভাবে লগ কৰিবি আৰু তোৰ মনৰ কথা প্ৰকাশ কৰিবি। কিজানিবা.......। তাৰ হাঁহি উঠে। "মোৰতো ইমান সাহস নাই ভাই। সাধাৰণ কুকুৰা এজনীও আলহী আহিলে মাৰিব নোৱাৰোঁ, তই আক' তাইৰ আগত ভালপোৱাৰ প্ৰস্তাৱ দিবলৈ কৈছ ? তাকো মই নিজেই । ধ্যেৎ নহ'ব। "ন'হলে চিঠি এখন দিবি".......বাৰলুৱে ক'লে। বাৰলুৰ কথাত যেন সি প্ৰাণ পাই উঠিল। সিতো নানা ধৰণৰ প্ৰেমৰ গল্প, উপন্যাস আলোচনী আদিত দিয়েই থাকে। বাৰলুৰ কথাতে সি হয়ভৰ দিলে আৰু সেইদিনা সিমানতে সামৰি ঘৰমুৱা হ'ল।

সেইদিনা সি ভাত খাই উঠি পঢ়াৰ টেবুলত বহিছিলহে মাত্ৰ, এনেতে ভায়েকে সুধিলে, "দাদা, তোক যে মই দৰখাস্ত এখন লিখি দিবলৈ কৈছিলো, লিখিলি নে ?" তেতিয়া সি চিঠি লিখাৰ চলতে ক'লে," ৰ' লিখিছো, কাইলৈ ল'বি। এইবুলি কোৱাত মাকৰ সন্দেহ জাগিল। নহ'লে মাকে কিবা চিঠি লিখিছে বুলি ভাবিলেহেঁতেন। কিয়নো সি ভাত খাই উঠি কেতিয়াও কিতাপৰ টেবুলত নবহে। কিন্তু মাক-বাপেকে নাজানিলে যে সিহঁতৰ বৰপুত্ৰ ইতিমধ্যে প্ৰেমৰ পূজাৰী হৈছে।

পাচদিনা তাইৰ লগৰী মানে ৰূপালীৰ লগৰী গীতাঞ্জলীক প্ৰমুদে চিঠি এখন দি কিছু কথা তাইৰ আগত প্ৰকাশ কৰিলে। গীতাঞ্জলীয়ে ক'লে, "চেষ্টা কৰি চাম বাৰু, কিমান সম্ভৱ হ'বনেকি ?" আৰে তই কেনেকৈ জানিলি ? তাৰ উত্তৰত গীতাঞ্জলীয়ে ক'লে সেইদিনা মুকুলদাৰ বিয়াত তোৰ কথা কৈ কৈ বহু সময় পাৰ কৰিলে। তই দৌৰাৰ চলত যে সিহঁতৰ ঘৰলৈ কেইবাৰ চাৰ-চৰ ক'লে, কিন্তু ? কিন্তু কি ? প্ৰমোদে সোধাত তাই পুনৰ ক'লে। "তই হলি পঢ়াত চোকা ল'ৰা আৰু তাই এইবাৰ যেনেতেনে মেট্ৰিকটো পাছ কৰিছেহে।" "ধেৎ আকৰি, তই তাইক অলপ বুজাবি। এই বস্তুটোৱে পঢ়া-চঢ়া নাচায় নহয়, মাত্ৰ মনৰহে.......। বাৰু বৰ বেছি নকওঁ, কোনোবাই দেখিলে আকৌ তোৰ লগতহে মোক.......। প্ৰমুদৰ কথাত তাইৰ হাঁহি উঠিল আৰু দুয়ো গ'লগৈ।

আবেলি গীতায়ে ৰূপালীহঁতৰ ঘৰলৈ গৈ পোনচাটেই তাইক মাতি আনি বহুৱালে। গীতা ৰূপালীতকৈ বেছি ডাঙৰ নহয়। সেয়েহে ৰূপালীয়েও তাইক গীতাঞ্জলী বুলিয়েই মাতে। কিন্তু গীতাঞ্জলী ৰূপালীতকৈ পঢ়াত অলপ আগচবা। তাৰ পিছত ক'লে, তোৰ বাবে চিঠি এখন আহিছে। কাৰ পৰা আহিছে কম নেকি ?" গীতাঞ্জলীৰ আগতেই ৰূপালীয়ে ক'লে, "নিশ্চয় প্ৰমুদদাৰ ।" ওঁ, তই ঠিকেই ধৰিছ। আচলতে তোমো মন আছে বাবেই তই হঠাতে ধৰি ল'ব পাৰিলি।" এতিয়া এইখন পঢ়ি তোৰ সপোন পুৰুষক কাইলৈ দৌৰিবলৈ আঁহোতে বাৰলুক ৰখাই দি দিবি আৰু চাবি যাতে কোনেও সন্দেহ নকৰে।" মই এতিয়া যাওঁ দেই। সিহঁতৰ ঘৰৰ পৰা গীতাঞ্জলী ওলাই অহাৰ পাচত বাথৰুমলৈ গৈ তাই চিঠিখন পঢ়ি আহিলেগৈ। আৰু মাক-বাপেক নথকাৰ সুযোগ লৈ তেতিয়াই উত্তৰ লিখি পেলালে।

আনদিনাতকৈ তাই অলপ সোনকালে উঠি চোতালসৰাৰ চলেৰে গৈ নঙলাৰ মুখত ৰৈ আছেগৈ। উক্ত সময়ত সিহঁত কেইটাও চাইকেলেৰে আহি সিহঁতৰ ঘৰৰ ওচৰ পাইছেহি। তাইক নঙলাৰ মুখত দেখি প্ৰমুদৰ ভয়ত জীৱ উৰি গ'ল। কিজানিবা ওলোটাতো হৈ গ'ল। ভাবি ভাবিয়েই সি ৰূপালী হঁতৰ পদুলি পাৰ হ'ল। বাৰলু পাৰ হব লওঁতেই ৰূপালী তৎকালিকভাৱে চিঠিখন তাৰ হাতত জাপিদিলে আৰু প্ৰমুদদা বুলি লাহেকৈ উচ্চাৰিত কৰি চোতাল সাৰিবলৈ ল'লে।

বাৰলুৱে তাক চিঠিখন দিয়াৰ পাছত প্ৰমুদৰ কি কৰো, কি নকৰো লাগিছে। ভাল উত্তৰ আহিলে ভালেই, নাহিলে তাৰ ৰূপালীৰ আগত কিমান যে লাজ লাগিব। প্ৰেক্টিচ কৰি সেইদিনা সোনকালে ঘৰলৈ গ'লগৈ। চাহতাহ খাই নিজৰ কমত সোমাল। দুৱাৰ বন্ধ কৰি বিচনাতে বাগৰি জেপৰ পৰা চিঠিখন উলিয়ালে। উকা কাগজৰ খমটো ফালি সি ভগৱানক স্মৰণ কৰিলে। তাৰ পাইত পঢ়িলে। আৰে, তাৰ উত্তৰ আজি এই চিঠিখনতে পালে। "Dear Pramuda" ৰ পৰা আৰম্ভ কৰি "I Love you too" লৈকে দিয়া চিঠিখন সি সাতবাৰ নে আঠবাৰ পঢ়িলে। তাৰ মনত যে আজি কি স্ফূৰ্তি ! তাক আৰু পায় কোনে। মনৰ আনন্দত, লগৰীয়া কেইটাক যি টি খুৱালো গীতাঞ্জলীকো কিবা দিলে। তাক আৰু পায় কোনে। পৃথিৱীত যেন আৰু তাৰ সমান সুখী পুৰুষ নায়েই তেনে ভাব হ'ল। ইমানদিনে কষ্ট কৰাৰ ফল যেন আজি হাতে হাতে পালে। এতিয়াহে সি বুজিলে "প্ৰেমৰ সোৱাদ" কিমান। এতিয়া মাত্ৰ প্ৰমুদে বাট চাই আছে আগন্তুক পৰীক্ষাটোলৈ। আৰু এনেদৰেই প্ৰমুদ ৰূপালীৰ অনাবিল সাগৰৰ মুকুতাৰ আশাৰে টোৰ লগত উটি ভাহি গৈ থাকিল। ভনীয়েকে যেতিয়া দাদা চাহ নাখাৰ নেকি ? মুখ ধুই লগৈবা বুলি ক'লে তেতিয়াহে তাৰ স্মৃতি ৰোমন্থনৰ অন্তপৰিল। সচাঁকৈ-"A Love Is a Heart In Two Bodies." □

# "জীৱনৰ বাটত"

শ্ৰী ৰতন গগৈ।
*স্নাতক মহলা, ২য় বাৰ্ষিক*

এদিন গধূলি টেনিছ খেলি ঘামি ঘামি ঘৰত সোমাইছো, চাৰ্টটোৰ পিঠি আৰু কলা ঘামত তিতি আৰু চুলিবোৰ অসংযত হৈ পৰিছে। ভিতৰলৈ সোমাই যাওঁতে দেখিলো মোৰ ভণ্টী নিৰুৰ লগত কোনোবা ছোৱালী এজনী ভিতৰৰ পৰা ওলাই আহিছে। মই চকু দুটা মোহাৰিম নে নোমোহাৰিম একো ঠিক কৰিব নোৱাৰিলো।

"তই আহিলি ককাইদেউ-" নিৰুৱে ক'লে।

"ওঁ", কোনোমতে মই ক'লো।

"এইয়া মোৰ কমল ককাইদেউ" নিৰুৱে মোক চিনাকী কৰি দিবৰ কাৰণে ছোৱালী জনীক কলে। ছোৱালী জনীয়ে কোমলকৈ, আচৰিত ধুনীয়াকৈ চকু-মুখত হাঁহি কুটাই মোক নমস্কাৰ জনালে। মই টেনিছ খনৰ সৈতে তাইক নমস্কাৰ জনালো। নিৰুৱে কলে, 'এওঁ ববিতা মোৰ ক্লাছ মেট্‌ও'।

'অ' বুলি কৈ মই একাষৰীয়া হৈ বাট দিলো।

'যাও' ব'লা ববিতা', নিৰুৱে কলে।

ছোৱালী জনীয়ে দুয়ো চকুৰ সম্পূৰ্ণ চাৱনি মোৰ চকুমুখৰ ওপৰত সানি এটা বেলেগ হাঁহি মাৰি ক'লে, "আজি যাওঁ। বেয়া নেপায় যদি আকৌ কেতিয়াবা আহিম। আমাৰ ঘৰ ওচৰতে।"

ইয়াৰ উত্তৰত কি কব লাগে মই জনা নাছিলো। মই কিজানি খেলাতকৈ এতিয়াহে বেছি ঘামিলো। মই কোনোমতে মুৰ দুপিয়ালো। কিবা ক'ব খুজিছিলো যদিও উচিত মাত নোলাল। মই নিশ্চয় ৰঙা পৰিছিলো। পিছত মনতে ভাবিছো মই বেছি নাৰ্ভাছ হ'লো নেকি, ববিতায়ো ছাগে মই নাৰ্ভাছ হোৱাটো বুজি গ'ল।

সেইদিনাৰ পৰা মোৰ মুখত মাত্ৰ এটা শব্দ উদয় হয় ববিতা, ববিতা, ববিতা...। তাই আমাৰ ঘৰলৈ নহা হ'ল। তাইক আকৌ এবাৰ দেখা পাবৰ কাৰণে মই অধৈৰ্য্য হৈ পৰিলো। ববিতা সম্পৰ্কে নিৰুক কিবা সুধিম বুলি ভাবিছিলো; কিন্তু সঙ্কোচ লাগিল, কিজানি তাই কিবা ভাবিবৰ, আৰু তেনে কৰিলে মোৰো দুৰ্বলতা প্ৰকাশ পাব।

কিন্তু ববিতাক দেখা পাবৰ কাৰণে মই বেছি অধৈৰ্য্য হৈ পৰিছো। ববিতাই স্কুললৈ অহা যোৱা কৰা বাটত ঠিয় হৈ থকাটো ভাবিলো, আকৌ ভাবো নিৰু আৰু মাহঁতে কেনেবাকৈ যদি জানি যায় মোৰ লাজৰ সীমা নেথাকিব। তথাপি মনত মাথো ববিতা, ববিতা।

এদিন অভাৱনীয় ভাৱে ববিতাক লগ পালো। মই ক্লাৱলৈ বুলি যাওঁতে বাটতে দোকান এখনত কিবা বস্তু দুটা মান লৈছিলো ঘূৰি চাই দেখো মোৰ আতঁৰতে ববিতা থিয় দি আছে। ববিতাই মোক দেখিলে। তাই সেইদিনাৰ দৰে মোক নমস্কাৰ কৰিলে। মোৰ দুৰ্ভাগ্য আজিও মোৰ হাতত চাবোন, টুথব্ৰাছ আৰু কিবা কিবি। তাৰেই প্ৰতি নমস্কাৰ জনালো। প্ৰণাম জনাই অপ্ৰস্তুত আৰু নাৰ্ভাছ হৈ গ'লো।

হাঁহি ববিতাই ক'লে "আপোনাক ইয়াত দেখিহে সোমালো এতিয়া কোনফালে যাব" ?

মই সহজ হবৰ চেষ্টা কৰি ক'লো "ক্লাৱলৈ বুলি ওলাই আহিছো।"

"অ' তেন্তে যাওঁক"- ববিতাই কলে।

ইয়াৰ পিছত কি ক'ব লাগে মই নুবুজি মনে মনে থাকিলো। তাৰ পিছত কলো "তুমি কোনফালে যাবলৈ ওলালা"?

"আপুনি যি ফালে যাব সেইফালে মোৰ যাবলগীয়া নাই" কৈ চকুলৈ চাই ববিতাই এক বেলেগ ৰকমে হাঁহিলে?"

মই অভিভূত হৈ গলো। কেনেকৈ নেজানো মই ক'লো, দৰকাৰ হ'লে তুমি যোৱা বাটে দুয়ো মইও যাব পাৰো।

অলপ সময় তাই উত্তৰ নিদিলে। তাৰ পিচত শান্ত ভাৱে ক'লে, "আজি বাৰু আমি নিজ নিজ বাটে যাওঁ। দৰকাৰ হ'লে দুয়ো একে লগে যাম। আহিলো দেই"।

বিশেষ নেভাবি মই ক্লাৱলৈ নগৈ ঘৰলৈ আহিলো।

কিন্তু ঘৰত ৰাতি শুবলৈ লওঁতে যেন ববিতা মোৰ কাষতে বহি আছে এনে চিন্তা হ'ল। ববিতা দেখিবলৈ ধুনীয়া, ৰূপে অপৰূপা, অনিন্দ্য সুন্দৰী। ববিতা এপাহ ফুলৰ দৰে, জোনৰ দৰে, স্বপ্নৰ দৰে। তাইক মই কেনেকৈ পাহৰিম। দিনবোৰ খৰ গতিৰে আগবাঢ়িছে। প্ৰায় স্বাভাৱিক ভাৱেই ববিতাৰ লগত মোৰ সাহচৰ্য্য আৰু সান্নিধ্য গঢ়ি উঠিল। নিতৌ ববিতাক লগ পাওঁ। ববিতা আমাৰ ঘৰলৈ আহে। মযো সিহঁতৰ ঘৰলৈ যাওঁ।

সঙ্কোচ মোৰ আগৰ দৰে নাছিল। দুদিনতে ববাতিৰো মোৰ সন্মুখত কোনো সঙ্কোচ নোহোৱা হ'ল। আমি আপোন হৈ পৰিলো, আত্মীয় হৈ পৰিলো।

ববিতাৰ কথা ভাবোতে উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যোৱা দৰকাৰী কামটোও গুৰুত্ব দি ভাবিবলৈ পাহৰি গৈছো। তাতোকৈ লাজৰ কথা মই উপলব্ধি কৰিলো - যে মই ববিতাৰ প্ৰেমত পৰিছো। ইয়াত কোনো ভুল নাই। এইটো বুজিব পাৰি মই আচৰিত হ'লো। আচৰিত হ'লো ভাবি - এই সকলোবোৰ কেনেকৈ সম্ভৱ হ'ল।

এদিন তাহানিকালত প্ৰেমিকৰ দৰে মই ববিতাক চিঞৰি চিঞৰি কৈ উঠিলো। "তুমি নহ'লে মই জীয়াই থাকিব নোৱাৰিম ববিতা। মৃত্যু পৰ্য্যন্ত তুমি মোৰ জীৱনত থাকিব লাগিব"।

ববিতাই মোৰ চকুলৈ চালে, যেন তাই একোকে বুজা নাই। ববিতাৰ চকুৰ চাৱনিয়ে মোক উদভ্ৰান্ত, অৱশ কৰি তুলিলে। চঞ্চলভাৱে তাইৰ হাত দুখন মোৰ হাতৰ মাজত লৈ মই ক'লো, "তুমি মোৰ কাৰণে বাট চাব লাগিব ববিতা। মই ইউৰোপৰ পৰা ঘুৰি আহো। কোৱা, মোৰ কাৰণে তুমি ৰ'বা ?"

মোৰ প্ৰশ্নটোৱে ববিতাক যেন চিন্তিত কৰি তুলিলে। কিছুপৰ মোৰ মুখলৈ চাই থাকি, ববিতাই হাঁহি দিলে আৰু এক কৃত্ৰিম অভিযোগ ভৰা মাতেৰে ক'লে, "আপুনিহে দূৰদূৰনিলৈ যাবলৈ ওলাইছে। মইনো ক'লৈ যাম"?

ধুনীয়াকৈ মূৰ জোকাৰি ববিতাই ক'লে, "কমল দা মই সৰু ছোৱালী হৈ থকা নাই জানো? এতিয়াও মেট্ৰিককে পাছ কৰা নাই। মইনো ক'লৈ লৰ মাৰিম? আপুনি মাত্ৰ পাহৰি নগ'লেই হয়"।

এটি বুজাব নোৱাৰা শিহৰণে মোৰ বুকুৰ ভিতৰখন চুই উঠিল। মই আৱেগেৰে ববিতাক বুকুৰ মাজত সাৱতি ধৰিলো, কুচিমুচি মোৰ বুকুৰ মাজত সোমাই ববিতাই কেৱল আনন্দ-আপ্লুত ভৰা মাতেৰে বাৰে বাৰে সুধিলো,"কমলদা আপুনি সচাঁকৈয়ে মোক ভাল পায় জানো? কেলেই ভাল পায়"?

মোৰ মুখত ভাষা নাছিল।

মোৰ বিলাতলৈ যোৱা দিনটো ঠিক হ'ল। যা-যোগাৰ খৰ-খেদাকৈ কৰা হ'ল। মা-নিৰুহতে মই তিনি বছৰৰ কাৰণে যোৱাৰ বাবে মনে মনে দুখ কৰিছে। ববিতাৰ পৰা ইমান দিন আঁতৰি থকা দুৰ্ভাৱনাই মোৰ মনত শান্তি নোহোৱা কৰিলে। নিৰুৱে ববিতা আৰু মোৰ কথা নজনাকৈ থকা নাছিল। ববিতাইও ছাগে খুব বেজাৰ কৰিছে, তাইৰ চকু দুটি জলজলীয়া হৈ পৰিছে। মই তথাপি হাঁহি মাতি সকলোকে ফুৰ্ত্তিত ৰাখি বিদায় ল'লো।

বিলাতলৈ গৈ কেৱল ববিতাৰ কথাবোৰ হে মনত পৰিল, তাই মোলৈ বাট চাই আছেনে নাই ! মনত পৰিল এদিন নিৰুহঁত চিনেমা চাব ওলাল আৰু ববিতাকো মাতিলে, আৰু ববিতা মোৰ সোফাঁলে কাষতে বহি চালে, তেতিয়াও কোনেও একো নেভাবিলে। ববিতাই সেইদিনা চিনেমা চাই আহি আমাৰ ঘৰতে ভাত খালে। তাৰ পিছত মাই কোৱাত ময়ে গাড়ীৰে ববিতাক ঘৰত থৈ আহিলোগৈ । আমাৰ ঘৰৰ পৰা ববিতাৰ ঘৰ এমাইলৰো কম। এদিন ববিতাক থবলৈ যাওঁতে আমি দুয়ো নগৰৰ একাষত গাড়ী ৰখাই কিছু খোজ কাঢ়ি সৰু সৰু কথা পাতিলো, আমাৰ ভৱিষ্যত জীৱনৰ আচনিৰ কথা দাঙি ধৰিলো।

বিলাতত মই তিনিবছৰ কটালো। শিক্ষাকাল শেষ হৈ গ'ল। বিদেশৰ বিচিত্ৰ দিনবোৰ শেষ হৈ গ'ল এদিন। এটা সন্মানীয় ডিগ্ৰীৰ অধিকাৰী হ'লো এদিন। সকলো আশা, সকলো স্বপ্ন, সকলো কল্পনা বুকুৰ মাজত লৈ এদিন ঘৰ পালোহি। দেউতা, মা নিৰুহঁত, মোৰ বন্ধু বান্ধৱ সকলো ৰৈ আছিল এৰ-দ্ৰমত মোক অৰ্ভ্যথনা জনাবলৈ। সকলোৰে আনন্দ, মুখত হাঁহি, মই যেন যুদ্ধ জয় কৰি অহা এজন অজেয় সেনাপতি। আমাৰ ঘৰখন বিয়া ঘৰ যেন হ'ল।

কিন্তু !

ববিতা অহা নাই, ববিতা নাহিল। মই ক্ষুন্ন হ'লো, দুঃখীত হ'লো, কাৰণ একো বুজিব নোৱাৰিলো। একো সুধিবও নোৱাৰিলো। তাইৰ দেউতাক ৰত্নেশ্বৰ আহিল। কিন্তু তাই নাহিল।

বিলাতৰ পৰা আহি দীঘল এটা সপ্তাহ পাৰ হৈ গ'ল। ববিতা আমাৰ ঘৰলৈ নাহিল। মই কাকো নকলো নিৰুয়ে ববিতাৰ কথা এষাৰো উলিওৱা নাই। মাজে মাজে নিৰুয়ে মই চিন্তিত হৈ থকা অৱস্থাত মোৰ কোঠালৈ আহি কিবা কিবি কথা পাতে। মোৰ অনুমান হয়, যেন মোৰ মনৰ অৱস্থা বুজিবৰ কাৰণেহে তাই আহি বহি থাকে।

এদিন ববিতাহঁতৰ ঘৰলৈ যাম বুলি কাপোৰ কানি পিন্ধি ওলাই যাবলৈ সাজু হৈছিলো।

নিৰু আহি মোৰ কাষত থিয় হৈ ক'লে,

কেনিবা যাব নেকি ককাইদেউ ?

"ববিতাৰ ঘৰলৈ যাব নেকি" ?

"ও," ববিতাহঁতৰ ঘৰলৈ যাওঁ। তয়ো যাব যদি ব'ল।"

মই নিৰুৰ মুখলৈ চালো, তাইৰ চকুৰ মুখ বিবৰ্ণ হৈ পৰিছে।



"ব'ল" ? মই ক'লো।

তাই মোৰ কাষ চাপি আহি ফুচ্-ফুচাই কলে, "তই ববিতাহঁতৰ ঘৰলৈ নেযাবি"।

নিৰুৰ কথাই মোক আঘাত দিলে। ভালকৈ নুবুজাৰ দৰে তাইৰ মুখলৈ চাই ক'লো। "কি হৈছে নিৰুৰ" ?

তাই তলমূৰ কৰি সৰুকৈ ক'লে, "সকলো শুনিবি নহয়, তই ববিতাৰ ঘৰলৈ যাব নালাগে। মা-দেউতাহঁতে বেয়া পাব"।



তাই মোৰ কোঠাপৰা ওলাই গ'ল। নিৰুৰ কথাই মোক চিন্তিত কৰি তুলিলে। মাত্ৰ তিনিটা বছৰ মই আঁতৰি থাকিলো। ইয়াৰ মাজতে কি অঘটন ঘটিল।

সেইদিনা ববিতাহঁতৰ ঘৰলৈ নগৈ মই ঘৰতে সোমাই থাকিলো। এনে অৱস্থাত মোৰ প্ৰিয় বন্ধু বিকাশ আহিল। বিকাশক মোৰ কোঠাতে বহিবলৈ কলো। সি মোৰ ভাল বেয়া খবৰ ল'লে।

মই মনতে ভাবিছো বিকাশে ববিতাৰ কথা নিশ্চয় জানে। মই তাৰফালে চালো, দেখিছো, সি মন মাৰি বহি আছে। তথাপি তাক সুধিলো ববিতাৰ কথা। বিকাশে মোলৈ নাচাই তললৈ মূৰ কৰি থাকে। মই পুনৰবাৰ সুধিলো ববিতাৰ কথা। দেখো তাৰ চকু দুটা জললীয়া হৈ পৰিছে। মই কলো, বিকাশ তোৰ কি হৈছে, তই নেমাত যে। সি এবাৰ আমাৰ ঘৰৰ চাৰিওফালে চাই ক'লে।

পাঁচ, ছবছৰৰ আগৰ কথা উল্লেখ নকৰিলেও হব বুলি ভাবিছিলো। হেমলেটে বোধ কৰো কৈছিল- ফ্ৰেইলটি, দাই নে'ম ইজ ৱ'মেন। এই কথাষাৰ আজিও ইমান সত্য হৈ আছে, ববিতাৰ কথা কাণ্ড নজনালৈকে মই বিশ্বাস কৰা নাছিলো।

"পোনপটিয়াকৈ ক' কথাটো কি ? টানকৈয়ে মই ক'লো।

বিকাশে কলে, "শুনিলে হয়তো তই দুখ পাবি, কিন্তু তোৰ পৰা লুকুৱাই লাভ নাই যে ববিতা এজনী ...................'

"অকণো সন্দেহৰ থল নাই যে, ববিতা এজনী অতি বেয়া ছোৱালী, ...................এজনী.........."

কৰুণভাৱে ওলোৱা তাৰ মাতটোৱে মোক স্তম্ভিত কৰি তুলিলে। মই আৰু একো নুসুধিলো। বিকাশৰ এবাৰ কথাৰে মোৰ সকলো ৰঙীন কল্পনা, সকলো আশাক ধুলিসাৎ কৰিলে। মই নিৰ্বাক হৈ পৰিলো।

মোৰ ফালে নোচোৱাকৈ ক্ষুন্ন মাতেৰে ক'লে - "অৱস্থাটো স্বীকাৰ কৰি ল'ব পৰা হ'বলৈ তোক সময় লাগিব। কিন্তু তই নেভাবিবি যে মানুহৰ জীৱনটো প্ৰেমৰ ঘটনাতে আৰম্ভ হৈ তাতেই শেষ হৈ যায়। জীৱনটো বহুত ডাঙৰ, বহুত দীঘল। যি প্ৰেম আৰম্ভণিতে শেষ হৈ গ'ল, তাৰ কাৰণে আক্ষেপ কৰি থাকি একো লাভ নহয়, মানুহৰ হৃদয়ত বহুত ঠাই আছে।"

বিকাশে কোৱা কথা অৰ্থ বুজিবলৈ ধৈৰ্য্য মোৰ অকনো নাছিল।

কোনোবাই যদি ক'লেহেঁতেন যে, ববিতাৰ মৃত্যু হৈছে, ববিতা নিৰুদ্দেশ হৈছে, ববিতাক কোনোবাই হত্যা কৰিছে, হয়তো মানি ললোহেঁতেন। কিন্তু কেনেকৈ মই মানি লম, সহি থাকিম যে ববিতা-সেই নতুনকৈ ফুলা এপাহ ফুলৰ নিচিনা সুন্দৰ ববিতাজনী-এজনী চৰিত্ৰহীনা, অসতী, বেয়া ছোৱালী। মোৰ প্ৰথম ভাল পোৱাক কেনেকৈ ববিতাই এনেদৰে অপমান কৰিব পাৰিলে মই বুজি নেপালো ! ❒

# ঃ মৃত্যুৰ প্ৰতীক্ষাত ঃ

শ্ৰী নিৰজ সোনোৱাল,
*H.S 1st Year (Arts)*

জাৰকালি কোনোবা এটা আবেলি। কালান্তক হিম চেঁচা বতাহৰ লগতে সমস্ত পৃথিৱীখনক গ্ৰাস কৰি পেলাইছে। ঠাণ্ডাৰ প্ৰকোপত সকলো জীৱ-জন্তু, চৰাই-চিৰিকতিৰ লগতে গলিয়ে গলিয়ে ঘূৰি ফুৰা অঘৰীবোৰ শিলৰ দৰে কঠিন হৈ পৰিছে। নিঃচুপ জীৱজন্তুবোৰে খুউব কৰুণভাৱে যেন আকাশৰ পিনে মুখ মেলি চাই আছে কি জানিবা 'কণা-বিধাতা'ই কেৰা চকুৰে হ'লেও চাইয়ে বা। নাই ক'তো কোনো উমঘামেই নাই।



আশাৰ বালিঘৰ যিমান মধুৰ, ঠিক সেইদৰে সাগৰৰ ঢৌও সিমান ভয়ানক। লক্ষ্যৰ বাট যিমান দীঘল, কাঁইটোও সিমান। এয়াই হৈছে আচল জীৱনৰ উদাৰ অন্তৰময়। মানুহৰ জীৱনটো বাৰিষাৰ কোবাল সোঁতত উঠি অহা ফেনবোৰৰ দৰে লক্ষ্যহীন বিফল দম্ভ। কিছুমানৰ বাবে হয়টো লক্ষ্যহীন নহ'বও পাৰে.............কিন্তু। এইখিনিতে 'তথাপি' বুলি কথা এটা আহি পৰে। বৃহৎ বজাৰখনৰ দোকানপোহাৰবোৰ প্ৰায়বোৰ বন্ধ হৈ পৰিছে। ঠাণ্ডাৰ কিহে প্ৰকোপ; কুঁৱলীবোৰ যেন কিবা কম্বলৰূপী মৃত্যুদূতহে। এনেকুৱা এটা ঠাণ্ডা বতৰৰ সময়তে মাক-দেউতাক বিহীন কিশোৰ এজনে (বয়স প্ৰায় ৬/৭ বছৰ মান হব,) সি বজাৰৰ চাৰি আলিটোৰ পৰা ক্ৰমে আন্ধাৰলৈ গতি কৰিছে। গাত এখন সামান্য পাতল কাপোৰৰ বাহিৰে একোৱেই নাই। চকু দুটাত গভীৰ কৰুণতাৰ চাপ, জাবৰৰ দমযেন হৈ পৰিছে চুলিবোৰ। ভালদৰে খাব নোপোৱাত ল'ৰাজন হাড়ে-ছালে লগা অৱস্থা হৈছে। সি নাজানে সি কলৈ গতি কৰিছে, তাৰ বিবেকৰ কোনো ভাৱ দিশ নাই। পৰিস্থিতিয়ে তাক বিবেকৰ কাম কৰাবলৈ পাহৰাই দিছে। কবলৈ গলে হয়তো এইটো সময়ত সি মাক-দেউতাকৰ মৰমৰ আচলৰ তলত ক,খ,গ শিকাৰ সময়। কিন্তু, বিধাতাই কেতিয়াবা কেতিয়াবা ভাগ্যৰ লগত ইমান নিষ্ঠুৰ ব্যৱহাৰ কৰে যে ভাবিবলৈ ভয়ে লাগে। সি সদায় এটাই সপোন দেখি আহিছে সেইয়া হ'ল ঃ- "মোৰ মৰমৰ মা-দেউতা থকা হ'লে....................।"

সচাঁকৈয়ে বাস্তৱ বৰ নিষ্ঠুৰ; কিহে পালে এই কিশোৰ জনৰ লগত বাস্তৱে খেলা কৰিবলৈ। পৃথিৱীৰ যিমান জ্বালা যন্ত্ৰণা-দুখ আছিল সমস্তবোৰ ইয়াৰ মুৰতে জাপি-দিলেযেন পাওঁ। এই ৬/৭ বছৰৰ বয়সতে সমস্ত জীৱনৰ খলা-বমা পথটো ল'ৰাজনক দেখুৱাই দিছে; তেনে অৱস্থাত ল'ৰাজন মানসিক ভাৰসমতা হেৰোৱা নাই নে..........? নিশ্চয় হেৰুৱাইছে। সেই বুলিয়ে যে কোনেনো ল'ৰাজনৰ বিষয়ে চিন্তা কৰিব বা ল'ৰাজনৰ দুখবোৰ উপলব্ধি কৰিব। যি দুই-এজনে চিন্তা কৰে সেই সকলেও এই যন্ত্ৰসমাজৰ সহযোগ নাই। গতিকে নিঃচুপ ভাৱে প্ৰতিটো বস্তু দৃষ্টিপাট কৰিব লগা হয়।

এইদৰে কিশোৰজন কঁপি কঁপি আন্ধাৰৰ মাজেৰে গৈ গৈ চহৰখনৰ ৰেল ষ্টেচন এখনত সি বহি পৰিল। আই ঐ দেহি.................. বুলি সি মনতে চিঞৰি উঠিল। বেঞ্চখনত কুঁৱলী পৰি পৰি একেবাৰে বৰফযেন হৈ পৰিছে। ষ্টেচনৰ জিৰণী চ'ৰালৈ সি আগবাঢ়ি গ'ল আৰু খুটা এটাতে লেপেত খাই বহি পৰিল। ক্লান্তি আৰু বেদনাত তাৰ চকু দুটা জাপখাই আহিছিল...................... কিন্তু ভোকৰ বাবে সি সামান্য শান্তিৰে শুব পৰা নাই। সি মনতে ভাবিলে ভোকযেন তাৰ চিৰলগৰী আৰু 'চকুলো' আৰু 'বেদনা' তাৰ নিসংগতাৰ সংগী। আজি সি দিনৰ দিনটো পুৰা-ৰুটি এটুকুৰাৰ বাদে একোৱে খোৱা নাই। অ' তাৰ ভালদৰে মনত পৰিছে সেই যে 'লঘু-হোটেলৰ' পাছফালে থকা জাৱৰৰ খেচখিনিৰ পৰাহে সি বুটলি খাইছিল আৰু সেই ৰুটি টুকুৰাৰ কাৰণে তাক কুকুৰৰ দৰে লেইলেই চেইচেই কৰি খেদি দিলে। মানুহবোৰৰ গালিশুনি যেন তাৰ আমনি নলগা হৈছে। সি অনুভৱ কৰিছে তাৰ দুগালেদি কিবা যেন বৈ আহিছে আৰু সেইবোৰ তাৰ জিভাত লাগি চেককৈ নিমখিয়া নিমখিয়া ভাৱ এটা লাগিল। নিশ্চয় সেইবোৰ তাৰ গভীৰ হৃদয়ৰ পৰা ওলাই অহা চকুপানীবোৰ। ওলাই থাকক যিমান পাৰে সিমান, সি মনতে ভাবিলে। অৱশেষত সি টোপনি গল। সোণালী ধাননীৰ মাজে মাজে সি গৈ গৈ ৰঙা ৰংৰ ধুনীয়া সু-সজ্জিত ঘৰ এটা দেখিছে। সি ঘৰটোৰ গেটৰ ওচৰলৈ গৈ থমকি ৰৈছে..................। দেখিলে এহাল বগা সাজ পোছাক পিন্ধা তিৰোতা আৰু মতা মানুহ এজনে মোৰ পোনাকণ মোৰ পোনাকণ বুলি চিঞৰি দৌৰি আহিছে আৰু সিহঁত দুয়োজনে তাক অতি আলফুলে সাৱটি লৈছে আৰু অতি মৰমে তপৰ তপৰকৈ মৰমৰ চুমা যাচিছে আৰু কৈছে "বলা পোণাকণ আমাৰ ঘৰলৈ যাওঁ, সৌৱা চোৱা আমাৰ আৰু তোমাৰ বাবে সজোৱা ধুনীয়া ঘৰ। ভয় নকৰিবা সেইয়া তোমাৰ বাবে সজোৱা ঘৰ, ব'লা পোণাকন ব'লা গেট খুলি আগবাঢ়ি ব'লা ...... ।" হঠাৎ সি বাস্তৱলৈ ঘূৰি আহিল। সি অনুভৱ কৰিলে সেয়া নিশ্চয় তাৰ মৰমৰ মাক দেউতাকে সপোনত নিব অহিছিল। কিন্তু আপদীয়া ঠাণ্ডা বতাহ জাকে সকলো বোৰ সোণালী সপোন পন্দ কৰি দিলে। তাৰ খুব বেছি ঠাণ্ডা লাগিছে, সি কাপোৰ খনলৈ চালে। কাপোৰখন আৰু বেছিদিন নাযায়। ফাটি ফাটি একেবাৰে অৱস্থা নহোৱা হৈছে। ঠাণ্ডাৰ পৰা সি হাত-সাৰিবৰ বাবে ইফালে-সিফালে চাবলৈ ধৰিলে। নাই ....... কতো-কোনো উম লগা বস্তুৱেই নাই। মাত্ৰ অলপ দূৰত এটা জাৱৰৰ বৃহৎদম। সি মনতে ভাবিলে তাতে সি গৈ শুব আৰু ঠাণ্ডাৰ পৰা হাত সৰাৰ সেয়াই তাৰ একমাত্ৰ নিৰাপদ ঠাই। তাৰ নিচিনা এজন ঘৰবিহীন মাউৰা ল'ৰাৰ বাবে জাৱৰৰ দমেই সোণৰ পালেং। সেই বুলি সি জাৱৰৰ দমটোৰ লগত কুচ-মুচ খাই-শুই পৰিলে।

কালান্তক কুঁৱলীৰ বুকুফালি ৰাঙলী সুৰুজে ভুমুকি মাৰিছেহি। ৰাতিপুৱাৰ ৰাঙলী সুৰুজৰ চিক্‌মিক্ পোহৰ আৰু চৰাই চিৰিকতিৰ চিৰিক চিৰিক মাতত সি সাৰ পালে । বেলিটো ওলাইছে তথাপিও ঠাণ্ডা আছেই। সি এলাহ নকৰি জাৱৰৰ দমটোৰ পৰা কঁপি উঠি আহিল আৰু মুখ-ধুবৰ বাবে সি ষ্টেচনৰ সিমূৰত থকা পানীৰ পাম্পটোলৈ গতি কৰিলে। মুখ খন ধুই সি অতি শান্তিৰে পানী খাই ল'লে। সামান্য পানীৰে তাৰ চুলি কেইডাল তিয়াই ললে। চুলি কেইডাল চুই সি মনতে গমিলে, চুলিকেইডালৰ অৱস্থা কাহিল। একেবাৰে মৰাপাতৰ জাৱৰৰ দমযেন। চুলি, নখ, দাঁতৰ কাৰণে তাৰ চিন্তা নাই। কেৱল মাত্ৰ পেট বুলি কোৱা বস্তুটোৰ প্ৰতিহে তাৰ চিন্তা। সি কেতিয়াবা মনতে ভাৱে 'সি বাৰু কিহৰ আশাত জীয়াই আছে, সি ক'ব নোৱাৰে, কিহৰ সন্ধানত তাৰ এই যাত্ৰা সি ক'ব নোৱাৰে। সামান্য পানীৰে তাৰ পেটতো বাৰু কিমান সময় টিকিব, গতিকে সি আহাৰৰ সন্ধানত বৃহৎ বজাৰৰ ফালে গতি কৰিলে।

আহাৰৰ সন্ধানত সি দিনৰ দিনটো ঘূৰি ঘূৰি এপৰ-দুপৰ হ'লগৈ। এতিয়ালৈকে সি খুদকন এটাও পোৱা নাই। হঠাৎ তাৰ মনত পৰিল লঘু হোটেলৰ পাছফালটো। সি লঘু হোটেলৰ পাছফাললৈ বুলি গতি কৰিলে আৰু তাত গৈয়ে সি দেখিলে তাৰ দৰে ছালে হাড়ে লগা কেইটামান কুকুৰ আৰু ঠিক তাৰ সমনীয়া দুজন ল'ৰাই আহাৰৰ সন্ধানত জাৱৰবোৰ ওকটি আছে। নিশ্চয় তাৰবাবে কিবা এটা পোৱা যাব বুলি সি দৌৰি জাৱৰৰ দমটোলৈ গৈ বলিয়া কুকুৰৰ দৰে ওকটিব ধৰিলে। ......... ভাগ্য যোৱাকালি পোৱাৰ দৰে এটুকুৰা ৰুটি পালে। কিন্তু মুখত ভৰাব লওতেই। লঘুৱেএকেবাৰে প্ৰচণ্ড মূৰ্ত্তিৰূপ ধাৰণ কৰি খেদি আহিল--"চালা চুৰা পাত চেলেকা চব কুকুৰৰ দৰে ঘুৰি ফুৰ।" লঘুৰ ৰূপ দেখি কুকুৰ কেইটাৰ লগতে সিহঁত কেইটাও ধুমুহা বলাৰদৰে দৌৰিল। তাৰ গাত থকা সামান্য চাদৰ কাপোৰৰ দৰে ব্যৱহাৰ কৰা কাপোৰ এফাল জেৰুৱাত লাগি থাকি আহিল। কিন্তু দুনাই

সেই টুকুৰা তাৰ আনিবলৈ সাহ নহ'ল। পিছে এই খিনিতে ঘটনা এটা ঘটি গ'ল। একেখন নাৱৰে সহযাত্ৰী দৰে সেই ল'ৰাদুজনৰ এজনে লঘুৰ ভয়ত পলাব লওঁতে এখন ডাঙৰ টাটা গাড়ীৰ চকাৰ লগত বিলীন হৈ গ'ল। তাৰ লগত থকা সিজনে সামান্য করুণদৃষ্টিৰে বন্ধুজনৰ ভাগ্য আৰু মৃত্যুখেলটো চাই উচুপি উচুপি দৌৰি গ'ল। তাৰো দুখ লাগিছিল সেই দৃশ্যটো দেখি। এদিন নিশ্চয় সেই ল'ৰাজনৰদৰে তাৰো মৃত্যু আহিব বুলি মনতে গমিলে। ............ কেইবাটাও চিন্তা মনতলৈ সি ৰেলষ্টেচনৰ জাৱৰৰ দমটোলৈ বুলি গতি কৰিলে।

ঠাণ্ডাৰ প্ৰকোপ দিনক দিনে বাঢ়ি হে আহিছে। তাৰ গাটো সিমান ভাল নহয়, ভোক আৰু ক্লান্তিত সি জাৱৰৰ দমটোতে শুই পৰিল।

পিছ দিনাখনৰ ৰাতিপুৱা সি পানীখাই আহাৰৰ সন্ধানত ওলাল। নাই......। সেই দিনাখন সি ক'তো কোনো আহাৰ নাপালে। পুনৰ আবেলি সি পানীখাই ঠাণ্ডাত কঁপি শুই পৰিল। এইদৰে সি পাঁচদিন পানীখাই পুনৰ জাৱৰৰ দমটোতে শুই পৰে। ঠাণ্ডা, ভোক আৰু বেদনাত তাৰ সমষ্ট শৰীৰটো জঠৰহৈ পৰিছে। দুৰ্বলতাই তাক একেবাৰে মৃত্যুৰ ওচৰলৈ গ্ৰাস কৰি নিছে। তথাপিও সি কিহবাৰ সন্ধানত ষষ্ঠ দিনাখনো দুৰ্বল দেহাৰে বজাৰৰ অলিয়ে-গলিয়ে জাৱৰৰ দমেদমে ঘূৰি ফুৰিছে। এইদৰে সি সদায় সেই বগা সাজ-পোছাক পিন্ধা সপোনত দেখা মাক-দেউতাকৰ কথা ভাৱি ভাৱি গৈথাকোতে এটা প্ৰচণ্ড লাইট খুটাত খুন্দা মাৰিলে। বিষ আৰু মনৰ আৱেগত সি 'ঢাপ' কৰি পৰি গ'ল। কপালখন ফালি সৰ্সৰ্কৈ তেজ ববলৈ ধৰিছে। কিছুসময় সি এনেদেৰে পৰি থাকিল। অলপ পিছত সি সমস্ত গাৰ বলদি পৰি থকাৰ পৰা উঠিল কপালৰ তেজ লগা অংশটো লৈ সি সামান্য হাঁহি-উচুপি উঠিল আৰু আক্ষেপ কৰি উঠিল হে ঈশ্বৰ মইনো কি দোষ কৰিলো। এই মায়াময় সংসাৰত মোক জাৱৰৰ দৰে পেলাই দিলা। হে ঈশ্বৰ তুমিয়ে মোক উদ্ধাৰ কৰা...........।

সেইদৰে সি ধলং-পলংকৈ মাতাল মানুহৰ দৰে বিষ আৰু যন্ত্ৰপাত আগবাঢ়িছে, মাথোন আগৱাঢ়িছে। ক'ব নোৱাৰে সি ক'লৈ যাত্ৰা কৰিছে। এই দৰে সি ক্ৰমে ক্ৰমে কেতিয়া যে ৰাস্তাৰ সোঁমাজ পালেগৈ গমকে নাপালে। তাৰ বিপৰীত দিশে আহি থকা এখন প্ৰকাণ্ড টাটা গাড়ীৰ চকাৰ গতিৰ তালে তালে সি অতি নিঃচুপ ভাৱে বিলীন হৈ গ'ল......... হয়টো সেই গাড়ীখনে তাৰ মৃত্যু কঢ়িয়াই আনিছিল অতি গোপনভাৱে ...........॥



শিক্ষক : ৰমেন তই কচোন, ৰাৱণৰ যে দহটা মূৰ আছিল সেইবাবে তাৰ কি উপকাৰ আৰু কি অপকাৰ হৈছিল ?

ৰমেন : চাৰ, অপকাৰটো হৈছে যে তেওঁ কেতিয়াওঁ গেঞ্জি পিন্ধিব নোৱাৰিছিল আৰু উপকাৰটো হৈছে যে তেওঁ সমবেত সংগীত অকলে গাব পাৰিছিল।

শিক্ষক : চিকাগু ক'ত আছে ?

ছাত্ৰ : আমাৰ বিছনাৰ তলত ছাৰ ।

(শিক্ষাভিত্তিক গল্প)

# (আহত মনৰ অনুভৱ)

শ্ৰী ধীৰাজ কোঁৱৰ।
স্নাতক ১ম বাৰ্ষিক(ক'লা)

অনুপমে কিয় বাৰু উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হ'ব নোৱাৰিলে। ল'ৰাটো পঢ়াত বেয়া নাছিল। আন এজনে ক'লে মেট্ৰিকত প্ৰথম স্থান পাইছিল। এই বাৰো মই তাৰপৰা বহু আশা কৰিছিলো, সি..............। আন এগৰাকী শিক্ষয়িত্ৰীয়ে ক'লে হয় চেতিয়া মইও ল'ৰাটোৰ পৰা ভাল ৰিজাল্ট পাম বুলি ভাবিছিলো। যদিও মই লক্ষ্য কৰিছিলো যে ক্লাছত সি সদায় শেষৰ বেঞ্চৰ ফালে বহি লগৰকেইটাৰ লগত লেকচাৰ মাৰি থাকে। এদিন স্কুলৰ পৰা দুজনমান লৰাৰ লগত পলাই গৈ বেট খোৱা অনুপম বৰা নামৰ ল'ৰাটো নহয় জানো গগৈ ? হয়, ঠিকেই অনুমান কৰিছা কলিতা, সেই ল'ৰাটোৱেই। পিছে ল'ৰাটোক মই বেট দিওঁতে লক্ষ্য কৰিছিলো সি বন্ধুসংগত পৰিহে স্কুলৰ পৰা পলাই গৈছিল। অনুপমে হয়তো এতিয়াৰ পৰা বুজি পাব। এইদৰে সোণালীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষায়িত্ৰীসকলৰ মাজত আলোচনা হৈছে। কিয়নো অনুপমে পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ চুড়ান্ত পৰীক্ষালৈকে প্ৰথম আৰু দ্বিতীয় বিভাগেই পাই আহিছে।

আবেলি চাৰি মান বজাত অনুপমে বন্ধুসকলৰ লগত ৰিজাল্ট নিবলৈ বিদ্যালয়লৈ আহিছে। অনুপমে বিদ্যালয়ৰ ওৱাল ব'ৰ্ডত নিজৰ ৰিজাল্ট চোৱাৰ লগে লগে চকুলো বৈ আহিল। কিন্তু কোনও নেদেখাকৈ অনুপমে ৰুমালেৰে চকুলো মচি পেলালে। তাৰ বন্ধু দেৱজিত আৰু দিগেন দুয়োয়ে দ্বিতীয় বিভাগ পাইছে। সি অনুপমে ইংৰাজীত বেয়া হোৱাৰ বাবে নিজকে দোষিছে। সি ঘৰলৈ আহোতে ৰাষ্টাত গাওঁৰ মানুহবোৰে তাক লগ পাওঁতে ৰিজাল্ট সোধাত সি দুখ মনেৰে কোনোমতে উত্তীৰ্ণ হ'লো বুলি ক'লে। ঘৰ পোৱাত মাক-দেউতাকে সোধাত অনুপমে কলে যে ইংৰাজীত উত্তীৰ্ণ হোৱাহেঁতেন প্ৰথম বিভাগ পালোহেঁতেন। ৰাতি শুৱৰ সময়ত সি ভাবিলে মাক-দেউতাকে তাক ইংৰাজীত কেচা বুলি জানিয়েই টিউচন দিছিল। কিন্তু মাক-দেউতাৰ আশা পুৰণ পালে? নাই নাই হ'বই নোৱাৰে। মই মা-দেউতাৰ আশা পুৰণ কৰিব লাগিবই।

তেওঁলোকৰ আশা মই এইবাৰ পূৰ কৰিব নোৱাৰিলো যদিও উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাত ভাল ৰিজাল্ট কৰিবই লাগিব। ৰাতিটো এইদৰে চিন্তা কৰি থাকোতে কেতিয়া ৰাতিপুৱা হ'ল সি ক'বই নোৱাৰিলে। মাকে জগাই দিয়াতহে গম পালে বেলি তাৰ মুৰৰ ওপৰ পাইছেগৈ। মাকে তাক চিন্তা নকৰি মুখ হাত ধুই চাহ খাবলৈ ক'লে। মাকে শান্তনা দি তাক ক'লে এইবাৰ য়ি হ'ল তাকলৈ চিন্তা কৰিব নালাগে, চুড়ান্ত পৰীক্ষাটোলৈ ভালদৰে পঢ়। ৰাস্তাৰ ফাললৈ ওলাই যোৱাত অনুপমে গাঁবৰ লগৰ ল'ৰা ৰাণা আৰু লিখনক লগ পালে। লিখনে ক'লে তই প্ৰথম বা দ্বিতীয় বিভাগ পাবি বুলি ভাবিছিলো। ৰাণাই ও ক'লে, তই কি কৰিলি অনুপম ইংৰাজীত অলপ জোৰ দিব লাগিছিল। নাই ৰাণা কি ক'বা আৰু..........অনুপমে ক'লে। অনুপমে কিয় পৰীক্ষাত ভাল ৰিজাল্ট কৰিব নোৱাৰিলে। সেই কথা একৰকম সিহে জানে, কাক ক'ব মনৰ কথা খুলি। এইদৰে কিছুদিন যোৱাৰ পিছত অনুপমে হায়াৰ ছেকেণ্ডেৰী ফাইনেলৰ কিতপ পত্ৰ যোগাৰ কৰি আগতীয়াকৈ নোট কৰি মুকস্থ কৰিবলৈ ধৰিছে। এইদৰে দিনবোৰ অতিবাহিত হৈ গৈছে। অনুপমে এতিয়া আগৰ সম্পূৰ্ণ কথা পাহৰি ভালদৰে পঢ়া শুনা কৰিছে। খেলতো বেছ মনোযোগ দিছে। বিশেষকৈ ক্ৰিকেট খেলত, ভাল খেল খেলাৰ বাবে তাহাঁতৰ ক্ৰিকেট দলৰ সি অধিনায়ক। ইংৰাজীতো দুটা টিউশ্যন লৈছে। হয়তো এইবাৰলৈ সি ভাল ৰিজাল্ট কৰিবই। সেইটো একমাত্ৰ ভগবানেহে জানে।

কিছুদিনৰ পিছত অনুপম আৰু লিখনে ডিব্ৰুগড়লৈ চাৰ্ট-পেণ্ট চিলাবলৈ বুলি গ'ল। যাওঁতে বাছত লিখনে অনুপমক নিজৰ জীৱনৰ নানা কথা ক'লে। অনুপমেও এই ছেগতে নিজৰ মনৰ কথা খুলি কবলৈ এজন প্ৰকৃত বন্ধু পাইছো বুলি অনুভৱ কৰিলে। কিন্তু তাৰ আগতে লিখনক এইবোৰ কথা কাৰো আগত প্ৰকাশ নকৰিবলৈ প্ৰতিশ্ৰুতি দিলে। তাৰ পিছত অনুপমে ক'বলৈ আৰম্ভ কৰিলে। শুনা লিখন, মই প্ৰথম বাৰ্ষিকত নেহা নামৰ এজনী ছোৱালী ভাল পাইছিলো। প্ৰতিক্ষণতে নেহাৰ ছবি মোৰ চকুৰ আগত ভাঁহি উঠে। আনকি পৰীক্ষাৰ সময়তো নেহাকে মাথো দেখা পাওঁ। কিন্তু নেহাই মোক ভাল পাইছিল নে নাই সেইটোহে মই আজি পৰ্য্যন্ত গম নাপালো। কি হৈ গৈছিল মোৰ একো বুজিব নোৱাৰিলো। এতিয়াহে তাৰ মজাতো পাইছো। জামাৰ্নীৰ গ্যেটেৰ উপদেশটো যে প্ৰকৃততে সত্য মই এতিয়াহে বুজি পাইছো। লিখনে লগে লগে ক'লে গ্যেটেৰ সেই মহান উপদেশটো নো কি আছিল। অনুপমে ক'লে গ্যেটেৰ সেই মহান উপদেশটো আছিল "তিৰোতাৰ ওচৰলৈ যাওঁতে

হাতত এডাল সৌকা নিবলৈ নাপাহৰিবা।" লিখনে তেতিয়া ক'লে মইও জীচি নামৰ ছোৱালী এজনীক ভাল পাইছিলো। বাৰু এইবোৰ কথা এতিয়া বাদ দিয়া। এতিয়া হাইছেকেণ্ডাৰীৰ চুড়ান্ত পৰীক্ষাৰ বাবে ভালদৰে পঢ়া। আৰুতো বেছিদিন নাই। পৰীক্ষাৰ সময় নিচেই ওচৰ চাপি আহিছে। নেহাকো এতিয়া পাহৰি যোৱা। তোমাৰ পৰীক্ষাৰ ৰিজাল্ট ভাল হ'লে দেখিবা নেহাই তোমাক প্ৰথমতেই শুভেচ্ছা জনাব। এইদৰে দুয়োৰে কথা পাতি আহি সন্ধিয়া সময়ত ঘৰ পালেহি।

লিখনৰ প্ৰেৰণা আৰু নেহাৰ মন মুহিব পৰাকৈ অনুপমে ভালদৰে পঢ়া-শুনা কৰিছে আৰু এদিন ৰিজাল্ট ওলাল। অনুপমে প্ৰথম স্থান অধিকাৰ কৰিলে নিজৰ বিদ্যালয়ৰ ভিতৰত। প্ৰথমতে অনুপমে লিখনক কলে যে লিখন-তোমাৰ প্ৰেৰণাতে মই এইবাৰ সকলো বিষয়তে উত্তীৰ্ণ হৈ প্ৰথম স্থান পালো। তেনেহলে অনুপম তুমি বৰ ডাঙৰ পাৰ্টী দিব লাগিব। হৈ যাব পাৰ্টী। আজি ৰাতি আমাৰ ঘৰত পাৰ্টী দিছো। তুমি আহিবই লাগিব. দেৱজিত, ৰাহুলহঁত ও আহিব। পিছে কি ধৰা হ'ব অনুপম হাঁহ নে ব্ৰয়লাৰ। ব্ৰয়লাৰ পিছে মই ভাল নাপাওঁ। হাঁহ ধৰিবা। বাৰু পাৰ্টীৰ কথা ইমানতে থাকক। ৰাতি দেখা যাব তুমি কিমান খুৱাব পাৰা । তুমি উৰ্ত্তীণ হোৱাৰ কথাটো নেহাই গম পালেনে? পালে লিখন, আজি নেহাক লগ পাওঁতে তাই আগতীয়াকৈ সুধিছিল। কি বুলি ক'লা তুমি? নাই মই একো কোৱা নাই। তাইয়ে প্ৰথমতে ক'লে-অনুপম দা, ৰিজাল্ট শুনি ভাল লাগিছে। আৰু কি সুধিলে জানা-কোন কলেজত নাম লগাবা ? মইও টপৰাই কৈ দিলো 'কানৈ কলেজ'ত বুলি। মইতো তোমাক আগতেই কৈছিলো তোমাৰ ৰিজাল্ট শুনিলে নেহাই তোমাক প্ৰথমতেই অভিনন্দন জনাব। পিছে তুমি এতিয়া ভালপোৱা কথাটো নেহাৰ আগত নক'বা। মই এইটো বুজি পাইছো লিখন। কিয়নো মই এবাৰ ইয়াৰ মজাতো পাই গৈছো। এতিয়া অকল পঢ়াৰ সময়। হয় অনুপম, এতিয়া মাথো অধ্যয়ন কৰাৰ সময়হে। আমাৰ বন্ধুহঁতে এইটোৱেই ভুল কৰে লিখন। পঢ়াৰ সময়ত বাহিৰা কথাহে অধিক ভাবে। যদিও কিছুমান বন্ধু ইয়াৰ ব্যতিক্ৰম অনুপম, তুমি এইটো মন কৰিছানে ? হয় পিছে ইয়াৰ সংখ্যা অতি কম অনুপমে ক'লে। বাৰু অনুপম; তুমি মেজৰ কোনটো বিষয়ত ল'বা। অসমীয়াতে ল'ম বুলি ভাবিছো। কিয়নো আজিকালি অসমীয়া ল'ৰাই অসমীয়া বিষয়ত মেজৰ ল'বলৈ নিবিচাৰে। সচাঁকৈ অসমীয়া ল'ৰাই অসমীয়া বিষয়টো মেজৰ ল'বলৈ নিবিচাৰে। তুমি কিন্তু বহুত কষ্ট কৰিব লাগিব। কিয়নো অসমীয়া বিষয়টো কঠিন নহ'লেও উজুও নহয়। শুনিছো, অসমীয়াত মেজৰ ল'বলৈ ২২ খনমান কিতাপ লাগে। হয় লিখন, মইও শুনিছো। এতিয়াহে গম পাম। তুমি ভালদৰে পঢ়া-শুনা কৰিব বাবে ভাল পৰিৱেশৰ ভাৰাঘৰ এটা বন্দবস্ত কৰি লোৱা। কিন্তু বাহিৰা কথাত মন কাণ- নিদিবা। নিজৰ মনটোক সদায় বল কৰি থবা। তেতিয়া তুমি নিশ্চয় ভাল ফল পাবাই অনুপম। এইবোৰ কথা থাকক এতিয়া। ব'লা প্ৰথমতে সৌ দোকানখনলৈকে যাওঁ, লিখনে আঙুলিয়াই দি অনুপমক কয়। কেক খুৱাব লাগিব। তোমাৰ নামত নহয় কিন্তু, নেহাৰ নামতহে-মিচিকিয়া হাঁহি মাৰি লিখনে ক'লে। অনুপমেও হাঁহিলে। হয়তো তাৰ মনত আজি বিৰাট ফুটি। তাৰ পিছত অনুপম আৰু লিখন দোকান খনলৈ ৰাওনা হ'ল।



# "প্ৰতিশ্ৰুতি"

মিচ্ অঞ্জলী কেওট।
উঃ মাঃ ২য় বৰ্ষ, বিজ্ঞান শাখা

নীৰৱ নিশা, চাৰিওফালে অন্ধকাৰে আৱৰা, কোঠাটোত জ্বলি থকা কণমাণি পোহৰে অংকিতা আৰু তাইৰ কোঠাটো ধুঁৱলি কুঁৱলীকৈ পোহৰাই তুলিছে। তাই বিচনাখনত বহি কিবা ভাবি আছে। হঠাৎ বাহিৰৰপৰা অহা বতাহজাকে তাইৰ সমস্ত দেহ মন চুই গ'ল। তাই এক অবুজ শিহৰণ অনুভৱ কৰিলে। বতাহজাকে তাইৰ মেলি থোৱা চুলি খিনিক বৰকৈ আমনি কৰিছে। তাই বাহিৰলৈ লক্ষ্য কৰিলে, জোনবাইটিৰ শীতল পোহৰে দিনটো ভাগৰি অহা মানুহবোৰলৈ ৰাতিটোৰ বাবে মিঠা সপোন আনি দিছে। অংকিতাৰ আজি বাহিৰলৈ যাবলৈ বৰকৈ মন গ'ল। কাষতে থকা চাদৰখন গাতলৈ বিছনাখনত বহাৰপৰা উঠি দৰজাখন তাই লাহেকৈ খুলিলে। চাদৰখন বেছিকৈ আগফালে আনি তাই বাৰাণ্ডাখনতে বহি ল'লে। এই তৰাভৰা ৰাতি জোনাকীবোৰে যেন কিবা মেল পাতিছে ; কিযে মনোৰম দৃশ্য ; জোনটিয়ে মেঘৰ সতে লুকাভাকু খেলি তাইলৈ চাও নাচাওঁকৈ লাজুক চাৱনিৰে চাইছে। এই তৰাবোৰে হাঁহি হাঁহি যেন তাইৰে কথা পাতি আছে। আৰু নেপাতিবই বা কিয়। এই তৰাবোৰেইতো তাইৰ নিৰৱতাৰ সংগী, তাইৰ সকলো। তৰাবোৰৰ সতে কথা পাতিলে তাই যেন এক সুখ অনুভৱ কৰে, ইহঁতবোৰেই তাইৰ সুখ দুখৰ লগৰী, যেতিয়া তাই অকলশৰীয়া অনুভৱ কৰে, তেতিয়া তাই মাথো বিচাৰি পায় ৰাতিৰ অন্ধকাৰত পোহৰ বিলোৱা এই তৰাবোৰক। তৰাবোৰৰ সতে তাইৰ এক গভীৰ সম্বন্ধ আছে। আজি অত দিনে থকা এই সম্বন্ধ কেৱল মাত্ৰ তাই আৰু তৰাবোৰেই বুজি পায়। হয়তো আৰু কোনেও বুজিব নোৱাৰে। যেতিয়া তাইক কিবা চিন্তাই আমনি কৰে তেতিয়া তাই হিয়াৰ মাজৰ কথাবোৰ তৰাবোৰৰ আগত প্ৰকাশ কৰে। সেয়ে, আজি ছাগে তাইৰ হিয়াৰ কথাবোৰ যি কথা তাই কৰো আগত প্ৰকাশ কৰিব নোৱাৰে, সেই কথাবোৰ প্ৰকাশ কৰিবলৈ বহিছে। তৰাবোৰে চাৰিওফালে বহি তাইক মাজত বহুৱাই কথাবোৰ গভীৰভাৱে শুনি আছে। তাই কথাবোৰ কৈ গ'ল ...............।

নিজৰ আত্মবিশ্বাসৰ বলত অংকিতাই H.S.L.C ৰ পৰা H.S. তো ভালদৰে উৰ্ত্তীৰ্ণ হৈ আহিছে। মাক-দেউতাক তাইৰ বাবে বৰ আনন্দিত। তাইৰ একমাত্ৰ সপোন আছিল মাক দেউতাক আৰু তাইৰ সপোনবোৰ পূৰ্ণ কৰাৰ। তাই গোপনে ৰচা সপোনবোৰৰ বাস্তৱ ৰূপ দিয়াৰ। সেয়ে তাই আগবাঢ়ি গৈ আছিল, আৰু আজি তাই B.A. স্নাতক শাখাৰ কলা বিভাগত নামভৰ্তি কৰিছে। দেউতাকেই তাইৰ প্ৰয়োজনীয় সকলোখিনি সুবিধা কৰি দিছে। ইতিমধ্যে তাইৰ নামভৰ্তিৰ কামো হ'ল। এতিয়া মাত্ৰ তাই কলেজলৈ যাবলৈ সাজু হ'ব লাগে। কোনো দিনেই মাক-দেউতাকৰ পৰা আঁতৰ নোহোৱা অংকিতাই এতিয়া যাব লাগিব সকলোকে এৰি থৈ। কোনো পথেই তাই বুজাব পৰা নাই নিজক। কিন্তু যবতো লাগিবই, কিয়নো তাই মাকক প্ৰতিশ্ৰুতি দিছে। যিকোনো প্ৰকাৰে তাই মাকৰ সপোন বোৰ পূৰ্ণ কৰিবলৈ আগবাঢ়ি যাব। এখন নতুন কলেজত তাই খোজ আগবঢ়াইছে য'ত থাকিব তাইৰ সকলো অচিনাকি। এখন অচিনাকি ঠাই, অচিনাকি লোক ; ঘৰত থাকোতে মাকেই তাইৰ দায়িত্ব লৈছিল। তাই মাক-দেউতাকৰ অতি মৰমৰ ছোৱালী আৰু তায়েই মাক-দেউতাকৰ আশাৰ থলি।

কলেজলৈ আহিয়েই তাই অচিনাকি ঠাইত চিনাকি হ'ল, বহুতো লগৰ-বন্ধুৰ লগত চিনাকি হ'ল আৰু সকলোৰে লগত তাই মিলি পৰিল। কলেজত ক্লাচ বোৰ প্ৰায় আৰম্ভ হৈছিল আৰু কলেজত ক্লাচ কৰা তাইৰ আজি দুমাহ সম্পূৰ্ণ হ'ল। পঢ়াখিনিও তাই যথেষ্ট আয়ত্ব কৰিছিল। ইমানদিনে তাই বন্ধুবোৰৰ সৈতে ভালকৈ চিনাকিও হৈছিল। এদিন তাই কলেজত Class কৰি room ৰ সন্মুখতে ৰৈ আছিল, এনেতে এজন ল'ৰা, তাইৰ ক্লাচৰে আছিল, আহি তাইৰ লগত চিনাকি হ'ল। অংকিতাই ল'ৰাজনৰ ফালে মুখখন ঘূৰোৱাত তাৰ চকুত চকু পৰিল। এজাক পাতল বতাহে সিহঁতক চুই গ'ল। প্ৰথম চাৱনিতে অংকিতাৰ ভাল লাগি গ'ল। তাৰ চকুযুৰি ইমান মৰম লগা, তাৰ কথা-বতৰা, তাৰ দেহৰ গঠন সকলোৰে প্ৰতি আকৰ্ষিত হ'ল অংকিতা, তাৰ handwriting, তাৰ পুৰুষসুলভ ব্যক্তিত্ব, আনক বুজিব পৰা শক্তি এই সকলোবোৰ গুণ আছিল তাৰ মাজত। এই সুন্দৰ ব্যক্তিত্বৰ ল'ৰাজনৰ নাম "প্ৰদ্যুৎ"; 'প্ৰদ্যুৎ' কিযে ভাল লগা নাম; দেখিলেই ভাল লাগি যায় প্ৰদ্যুৎক। সময়বোৰ অতিবাহিত হোৱাৰ লগে লগে সিহঁতৰ লগ পোৱাতোও আৰম্ভ হৈছিল। অংকিতাৰ লগত প্ৰদ্যুৎ খুব ভালদৰে মিলি পৰিল, তাইক কেতিয়াবা পঢ়াত help কৰি দিয়ে, পঢ়াৰ কথাত আলোচনা কৰে। কলেজৰ সময়খিনি সি অংকিতাৰ লগতে কটায় । দুয়ো ভাল বন্ধু আছিল

যদিও অংকিতাৰ পক্ষে প্ৰদ্যুৎক বুজি পোৱাতো সহজ নাছিল। সদায় হাঁহিমুখে থকা প্ৰদ্যুতক দেখিলেই ভাল লাগি যায়, তাৰ সেই নাচি থকা চকুযুৰি, তাৰ সেই ধুনীয়া হাঁহিটিয়ে যেন সকলোকে আকৰ্ষিত কৰে। সময়ে কাৰোলৈ অপেক্ষা নকৰে। এইদৰে সময়ৰ সোঁতত সিহঁত আগবাঢ়ি গৈ আছিল আৰু এনেতে এদিন অংকিতাক কিছুমান কথা কৈ পেলালে প্ৰদ্যুতে। হয়তো এইবোৰ দুজন ভাল বন্ধুৰ মাজত গঢ়ি উঠা সম্বন্ধৰ কথাই আছিল। তাইৰ সৰ্বশৰীৰ শিঁয়ৰি উঠিল। তায়ো প্ৰদ্যুৎৰ কথাবোৰ আপোন কৰিবৰ ইচ্ছা আছিল যদিও মনত বিভিন্ন শংকাও সৃষ্টি হৈছিল। অংকিতা এতিয়া দোমোজাত। এফালে তাইৰ জীৱনৰ উদ্দেশ্য আৰু আনফালে প্ৰদ্যুৎৰ দৰে এজন ভাল বন্ধুৰ লগ। তাই কি কৰিব, তাই মাক দেউতাকৰ সপোনবোৰকো সফল কৰিব লাগিব আৰু প্ৰদ্যুৎকো তাই আঁতৰ কৰিব নোখোজে। বহুতো মানসিক কষ্টেৰে পাৰ কৰিছিল সেই সময়খিনি। তাই প্ৰদ্যুৎক এই কথাবোৰ বুজাইছিল যদিও একো বেয়াকৈ তাক ক'ব পৰা নাছিল। হয়তো প্ৰদ্যুৎৰ প্ৰতি থকা তাইৰ দুৰ্বলতাই আছিল ইয়াৰ কাৰণ। তাই নিজেই সহ্য কৰিও তাক দুখ দিব পৰা নাছিল আৰু সচাঁকৈ এদিন তাই তাৰ প্ৰতি থকা দুবৰ্লতাবোৰ অনুভৱ কৰিলে। সময়বোৰো এনেকৈয়ে পাৰ হৈ আছিল।

মাজে মাজে তাই ঘৰলৈ অহাত মাকে আগতে কোৱা কথাবোৰ তাইক সোঁৱৰাই দিয়ে। মাকে কৈছিল, এনেবোৰ কাম নকৰিবি যিয়ে নেকি তোৰ পথত বাধাৰ সৃষ্টি কৰে। যাৰ ফলত তোৰ মনেও আঘাত পাব পাৰে । কেতিয়াবা তাইৰ ভয় লাগি যায় যদি মাকে কোৱা কথাবোৰ তাইৰ পক্ষে সঁচা হয়। মাকৰ কথাবোৰ তাই ভালকৈ কাণ কৰি ল'লে। ঘৰত কেইদিনমান থকাৰ পাছত আকৌ কলেজলৈ যাবলৈ হ'ল। ক্লাচবোৰো হৈছিল আগৰদৰে। আকৌ লগৰবোৰকো লগ পালে মিলি-জুলি আৰম্ভ হ'ল। প্ৰদ্যুৎকো লগ পালে সিহঁতৰ মাজত মিলি-জুলি বেছিকৈ আৰম্ভ হ'ল। এইবাৰ সিহঁতৰ বন্ধুত্ব বহু দূৰলৈ আগবাঢ়ি গ'ল। ঘৰৰপৰা যেন উভতি অহাতো কঠিন হ'ব সিহঁতৰ বাবে। অংকিতাই বহু কষ্টেৰে মনটিক ডাঠ কৰি ৰাখিছিল যদিও প্ৰদ্যুৎৰ আগত তাইৰ কঠোৰতা বেছিদিন আৰু বৰ্ত্তি নাথাকিল। সময়ৰ ক্ষণবোৰ বৰ খৰকৈ আগবাঢ়ি গ'ল। সেই সময়ত তাইৰ মনত অবুজ ভয়ে ঠাই পাইছিল। তাইৰ মনত পৰিছিল মাকে কোৱা সেই কথাবোৰ। মাকে কৈছিল "মনোযোগ দি পঢ়িবি" আৰু আগে পিছে লেখি খোজ দিবি। এই পৃথিৱীত স্বাৰ্থপৰ মানুহৰ অভাৱ নাই। নিজৰ বিচাৰ বুদ্ধিৰে কাম কৰিবি। অজানিতে বহু ভূল হ'বও পাৰে, গতিকে সাবধানে আগবাঢ়িবি"। মাকৰ কথাবোৰ তাই বুজিছিল। সদায় হাঁহি-মুখে থকা প্ৰদ্যুৎক নিজকৈত অধিক বিশ্বাস কৰিছিল। তাৰ বিষয়ে একো বেয়াকৈ ভাবিবই পৰা নাছিল। অংকিতাই কলেজৰ সময়খিনি সকলোৰে লগত হাঁহি ধেমালিৰে কটাইছিল। ওঠত তাইৰ অফুৰন্ত হাঁহি বিৰিঙিছিল। কিন্তু, কি হৈছে আজি তাইৰ। কিয় আজি সেই হাঁহি ফুটি উঠা নাই তাইৰ ওঠত। তাই একোকে ক'ব পৰা নাই, এক ভয়ৰ অনুভৱ কৰিলে তাই। প্ৰদ্যুৎ যদি তাইৰ পৰা আতঁৰি যায়, যদি আৰু কেতিয়াও লগ নাপায়, তেতিয়া কি হ'ব ? তাই যে সহ্য কৰিব নোৱাৰিব। এইবোৰ ভাবি তাইৰ গা শিয়ৰি উঠিছে।

আজি কিছুদিনৰ পৰা অংকিতাই কিছুমান পৰিৱৰ্ত্তন লক্ষ্য কৰিছে প্ৰদ্যুৎৰ মাজত। প্ৰদ্যুৎতো এনে নাছিল ; অংকিতাই সুধিলে সি চায় ............ "মইতো ঠিকেই আছো তুমিয়েই ছাগে সলনি হৈছা।" তাই নিজকে এবাৰ ভাবি চালে সঁচাকৈ জানো তাই সলনি হৈছে, তাই নিজকে পৰীক্ষা কৰি চালে। তাই মনৰ পৰা সকলো শংকা আতঁৰাই সেই হাঁহি আৰু স্ফুৰ্তি ওঠত আনিব পাৰিছিল মাথো, কিন্তু এই হাঁহি আছিল যেন ক্ষন্তেকীয়া। অংকিতাই লক্ষ্য কৰিছিল প্ৰদ্যুৎ তাইৰ পৰা আঁতৰ হ'বলৈ ধৰিছে। তাই বুজিব নোৱাৰিলে। এনেকৈ এদিনাখন অংকিতাৰ কাষতে থকা প্ৰদ্যুৎৰ বহী এখনত পাতবোৰ তাই লুটিয়াই আছিল। হঠাৎ তাইৰ চকু বহীখনৰ পৃষ্ঠা এখনত পৰিল। তাই ভাবিলে নিশ্চয় এইখন চিঠি হ'ব পাৰে। প্ৰদ্যুতে বাৰু কালৈ লিখিব পাৰে, চিঠিখন তাইৰ পঢ়িবলৈ ইচ্ছা হ'ল। তাই চিঠিখন পঢ়িলে। তাইৰ হৃদয়ত যেন কিহবাই খামোচ-মৰা যেন অনুভৱ কৰিলে, তাই ঠৰ লাগি ৰ'ল। এইয়া কি দেখিছে তাই, চিঠিৰ তলত লিখা আছে, কি দেখিছে তাই, চিঠিৰ তলত লিখা আছে আন কোনোবা ছোৱালীৰ নাম। নাই, নাই হ'ব নোৱাৰে; কেতিয়াও হ'ব নোৱাৰে। তাই মনে মনে মুখেৰে গুণগুণাই উঠিল। তাইৰ হাতৰ পৰা বহীখন মাটিত পৰি গ'ল। প্ৰদ্যুৎক লগৰবোৰৰ লগত অহা দেখি বহীখন থৈ তাই তাৰ পৰা নিঃশব্দে উঠি গ'ল। তাই এটি শিলৰ মূৰ্তিৰ দৰে হৈ পৰিল। তাই তাৰ পৰা নিশব্দে উঠি গ'ল। তাইৰ শৰীৰত যেন বজ্ৰপাতহে পৰিল। তাইক লগৰ বোৰে সুধিলে কি হ'ল। তাই একো উত্তৰ দিব নোৱাৰিলে। মাথো ক'লে, নাই একো হোৱা নাই। লাহে লাহে তাই এখোজ এখোজকৈ ক্লাচ ৰুমৰ পৰা চিৰিৰে নামি আহিছে, তাইৰ চকুৰ আগত এটাই কথা, কিয় প্ৰদ্যুতে তাইৰ লগত এনে কৰিলে, মাত্ৰ এটি ক্ষণতেই তাইৰ সকলো সপোন, আশাবোৰ শেষ হৈ গ'ল। কিমান আশাৰে সুখবোৰ বুটলিছিল তাই ; সেইবোৰ যেন এটি ক্ষণতেই তাইৰ



হাতৰ পৰা পৰি ভাগি থাকিল। ইমান থুনুকা আছিল জানো সিহঁতৰ সম্বন্ধ। অংকিতাই নিজকে কেনেকৈ চম্ভালিছিল একমাত্ৰ তাইহে জানে। শৰীৰত থকা সকলো শক্তি যেন তাই হেৰুৱাই পেলাইছিল। সেই সময়ত তাইৰ প্ৰয়োজন আছিল অকণমান সাহসৰ, যাৰ সহায়ত তাই নিজকে চম্ভালিব পাৰে। তাইৰ চুলিখিনি খোল-খাই আগফালে আহি পৰিছে। তাইৰ মুখখন নিৰৱতাৰে ভৰি পৰিছে, মাথো মৌনতা, আৰু নিৰৱতা । এনেকৈ তাই চিৰিৰে নামি আহিছে, লগৰবোৰে তাইক সুধিছে কিন্তু তাইৰ মুখৰ পৰা একো শব্দ ওলোৱা নাই। চকুযুৰি তাইৰ চকুলোৰে চলচলীয়া হৈ পৰিছে। কাষতে থকা Class room এটাত তাই বহি ল'লে। ওলাও নোলাওকৈ ওলাই অহা চকুলোক তাই আৰু বাধা দি ৰাখিব নোৱাৰিলে। তাইৰ দুচকুৰে হৰ হৰাই চকুলো নিগৰি গ'ল। তাই বুকু ভাঙি কান্দিলে। প্ৰদ্যুৎৰ চিন স্বৰূপে দিয়া ফটোকপি, নতুন বছৰত দিয়া কাৰ্ড সকলো চিৰা চিৰ কৰি পেলালে।তাইৰ হৃদয় ভাগি পৰিল। তাই আৰু সেই ঠাইত এক্ষন্তেকো থাকিব নোৱাৰে। সেইসময়তেই তাই ঘৰলৈ উভতি আহিল। তাইক হঠাৎ দেখি ঘৰত সকলো আচৰিত হ'ল। মিছা কথা কৈ থলে। তাই কলে পৰীক্ষালৈ আৰু ৪ মাহ বাকী আৰু কলেজত ক্লাচ বোৰো ভালদৰে হোৱা নাই, সেয়ে তাই ঘৰতে পঢ়ি পৰীক্ষা দিব। কোনো দিন মাকৰ পৰা কথা নুলুকোৱা ছোৱালীজনীয়ে আজি প্ৰথমবাৰৰ বাবে মাকৰ আগত মিছা কথা কৈছে। ইয়াৰ বাবে হয়তো নিজকে তাই কেতিয়াও ক্ষমা কৰিব নোৱাৰিব। ঘৰলৈ আহি নিজৰ কোঠালৈ গৈ বিছনাতে বেগটো পেলাই থলে। দৰজাখন বন্ধ কৰি তাই কান্দিবলৈ ধৰিলে, যিবোৰ দুখ অংকিতাই নিজৰ হিয়াত লুকুৱাই ৰাখিছিল সেইবোৰ চকুলোৰে ক'বলৈ ধৰিলে। ৩ঘন্টা মানেই তাই ৰুমত থাকিল। নিজক বুজাব পৰা নাই। অত দিনৰ সম্পৰ্ক কি এদিনতেই, মাত্ৰ এটি ক্ষণতেই শেষ হৈ যাব। প্ৰদ্যুৎৰ সতে থকা তাইৰ সম্পৰ্ক জানো এদিনতে পাহৰি পেলোৱাতো সহজ হ'ব। কিমান বিশ্বাস কৰিছিল অংকিতাই, তাক যে কিমান ভাল পাইছিল, কিমান যে সপোন ৰচিছিল তাক লৈ, এইবোৰৰ কি একো মূল্য নাই ? তাই নিজকে প্ৰশ্ন কৰিছে, তাইৰ হৃদয়ক ভঙাৰ অধিকাৰতো তাই কাকো দিয়া নাছিল। সি কিয় এনে কৰিলে। প্ৰদ্যুতে অংকিতাৰ হৃদয়ৰ সতে, তাইৰ আলফুলীয়া মনৰ সতে বিশ্বাসঘাতকতা কৰিলে, যি হৃদয়বিদাৰক দুখ প্ৰদ্যুতে দিলে সেয়া জানো পাহৰিব পৰাটো সম্ভৱ হৈ উঠিব। সম্ভৱ হ'ব জানো অংকিতাৰ পক্ষে প্ৰদ্যুৎক ক্ষমা কৰাতো ? এইবোৰ ভাবি থাকোতেই মাকে তাইক মতা শুনিবলৈ পালে। তাইৰ চকুলো ওলাই আহিল। তাই এক দীঘল উশাহ ল'লে। হাত মুখ ধুই অলপ সময় তাই ফুলনিখনলৈ চাই ৰ'ল। মাকে তাইক খাবলৈ কৈছে, তাইৰ একো খাবলৈ ইচ্ছা নোযোৱা সত্বেও মাকে জোৰ কৰি খুৱাইছে। তাই মাকৰ কথা ৰাখিলে, যদিও তাই আৰু খাব নোৱাৰিলে, পাহৰিব বিচাৰিলেও বাৰে বাৰে সেই একেটি কথাই তাইক আমনি কৰে। নিজৰ ৰুমলৈ গৈ বিছনাখনত চকু মুদি কিবা ভাবি আছে। প্ৰায় সন্ধিয়া হৈ আহিছে। আন্ধাৰত তিৰবিৰাই থকা তৰাবোৰক চাই তাই কিছু সাহস, ধৈৰ্য্য, গোটাবলৈ চেষ্টা কৰিছে। তাই আজি খুব অকলশৰীয়া অনুভৱ কৰিছে। তাইৰ মনৰ কথা বোৰ কাকোকে খুলি কব পৰা নাই। সেয়ে তাই অকলশৰৰ লগৰী, সাহসৰ বন্ধু এই তৰাবোৰৰ লগত কথা পাতিবলৈ খুব মন গৈছে। তাইৰ অন্তৰৰ বেদনা বোৰ মুকলিমূৰীয়াকৈ সকলো খুলি তৰাবোৰৰ আগত এটি এটিকৈ কৈ গৈছে। কথাবোৰ কওঁতে তাইৰ চকুৰে নিগৰি গৈছে। কথাবোৰ শেষ কৰি তাই নিজকে সাৱটি লৈ আঠুঁট মুৰ গুজি বহি আছে। এনেতে হঠাৎ তাইৰ কান্ধত কাৰোবাৰ স্পৰ্শ অনুভৱ কৰিলে। তাইৰ মাক, মাকে তাইৰ অন্তৰৰ কথাবোৰ বুজি পালে। মাকে তাইৰ কাষত বহিল। আলফুলে তাই মাকক সাৱটি উচুপিবলৈ ধৰিলে। তাই বুজিলে এইবোৰৰ বাবে দায়ী একমাত্ৰ তাই নিজেই। মাকে তাইক বাৰে বাৰে সোঁৱৰাই দিছিল ভাল বেয়া কথাবোৰ। সেই সময়ত তাই যদি মাকৰ কথাবোৰ শুনা হ'লে আজি তাই হিয়া ভাঙি কান্দিব লগীয়া নহ'লহেঁতেন। এই কথা তাই আজি উপলব্ধি কৰিব পাৰিছে। মাকক মিছা কথা কোৱাৰ বাবে তাই মাকক ক্ষমা বিচাৰিছে। মাকে তাইৰ দুখ বুজিছে। মাকে তাইক সান্তনা দি ক্ষমা কৰিছে। ৰাতিও গভীৰ হ'ল। ৰাতি পুৱাবলৈ আৰু অলপ সময় বাকী। সূৰ্য্যৰ পোহৰৰ লগে লগে তাই নতুনৰ সৈতে নতুন জীৱন আৰম্ভ কৰিব। তাইৰ এতিয়া মাত্ৰ মাকক দিয়া প্ৰতিশ্ৰুতিয়েই প্ৰথম আৰু প্ৰধান লক্ষ্য। জীৱনৰ পথত সকলো বাধা নেওচি তাই আগবাঢ়িব আৰু আগবাঢ়িব লাগিব। তাই এই ক্ষণৰ পৰাই নিজৰ পথত দেখা পাইছে একাজলি পোহৰ। তাইৰ পথত সহায় তাইৰ মাক আৰু এই তৰাবোৰ সদায়ে তাইৰ লগত থাকিব আৰু পোহৰ বিলাব। তাইক আজি এইদৰে প্ৰতিজ্ঞাবদ্ধ দেখি তৰাবোৰেও যেন হাঁহি তাইক শুভেছা যাচিছে।

❑

উপন্যাস

# আধাৰ শীলা

শ্ৰী ধ্ৰুৱজ্যোতি সোনোৱাল।
*স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)*



(১)

"তোমাৰ কলিজাতেই আছে
মোৰ প্ৰিয় শব্দৰ প্ৰতিধ্বনি
তোমাৰ হিয়া খন
মই এবাৰ খুচুৰি চাম
তোমাৰ চকুলৈ
মোক চাই থাকিবলৈ দিয়া......"

ঃ এই ফুলবোৰ ইমান ধুনীয়া কিয় ?

ঃ তোমাৰ কাৰণে !

ঃ মোৰ কাৰণে ! কিয় ?

ঃ তুমি যে ছোৱালী।

ঃ নিলাজটো ক'ৰবাৰ। পৃথিৱীত ছোৱালী কেৱল ময়েহে আছোনে?

ঃ অ'টো !

ঃ পাগল! তুমি হ'বলগা মোৰ বাহিৰে আন ছোৱালী দেখাই নাই।

ঃ নিশ্চয় ; সিহঁতবোৰ মোৰ বাবে বান্ধৱী ভন্টি, বাইদেউ, মা, খুৰী, বৰমা, জেঠাইদেউ, মাহীদেউ, পেহী, মামী, খুল-শালী, ভতিজী, ভাগিনী আৰু তুমি মোৰবাবে ছোৱালী।

ঃ সেইটো বাৰু বুজিলো, কিন্তু মোৰ কাৰণে ফুলবোৰ কিয় ধুনীয়া এইটো নুবুজিলো।

ঃ ছোৱালী নথকা হ'লে ফুল কোনেও ভাল নেপালেহেঁতেন আৰু তুমি মোৰ বাবে ছোৱালী। ধৰাহওঁক এখন ফুলনি ধুনীয়া ধুনীয়া ফুলেৰে জাতিস্কাৰ হৈ আছে আৰু যদি তাত তোমালোকৰ জাতিৰ কোনোবা সোমাই গুণ-গুনাই ফুলৰ মাজে মাজে খোজকাঢ়ি আছে। তেতিয়া, বাঃহ ! ফুলনিখন কিমান প্ৰাণৱন্ত হৈ আছে। কিন্তু অকল এই নিৰ্জন ঠাইত বনৰীয়া ফুলৰ মাজত তুমি সোমাই থকাৰ বাবে ঠাইখন কেনে প্ৰাণৱন্ত হৈ উঠছে মোৰ বাহিৰে কোনে বুজিব। সৌফালে চোৰা সৌ ভীক্ষাৰী দেৱতাইও তুমি সোমাই থকা ফুলনিখন চাই পেটৰ ভোক পাহৰিছে ; আৰু......

ঃ মনে মনে থাকা। তুমি হ'বলা মোক ইয়ালৈ এনেদৰে ভালৰি বুলাবলৈহে মাতি আনিছিলা।

ঃ নহয়, প'লী, মই পুৰাপুৰি সঁচা কথাকে কৈছো। তুমি আজি নথকা হ'লে মোৰ চকুত এই ফুলবোৰ পৰিলহেঁতেন নে? তুমি নথকা হ'লে এই শ্মশান হেন ঠাইত ফুলবোৰ কেতিয়াও ধুনীয়া নেদেখিলোহেঁতেন।

ঃ অ' সেই বাবেহে ফুলবোৰ ধুনীয়া।

ঃ নিশ্চয় ! তুমি ফুলবোৰ কিয় ধুনীয়া বুলি সুধিলে মই ইয়াৰ বাহিৰে কি উত্তৰ দিব পাৰো।

তাই, বনৰীয়া কিবা ফুল এপাহ লৈ এটা বিশেষ ভংগিমাৰে গালত লগাই লাহেকৈ



ঃ নিলাজ !

ৰঞ্জনে তাইৰ কালে চাই হা হাকৈ হাঁহি উত্তৰ দিয়ে—

ঃ এই সৰু সৰু অপ্ৰিয় সত্য কথা কোৱাবোৰ সদায়েই নিলাজ। কাৰণ এইবোৰ অলপ লাজৰ কথা। আৰু তোমাৰ প্ৰশ্নটোও লাজ মাতি আনিবলৈ কৰা চতুৰ নিলাজ প্ৰশ্ন, গতিকে নিলাজ কোন ? সোধাজন নে উত্তৰ দিয়া জন ?

ঃ দুয়োজন।

কৈয়েই তাই ফুলবোৰৰ মাজে-মাজে দৌৰ দিলে। কিবা ভাবি সি ৰৈ দিলে। আৰু শিল এচটাত বহি একান্ত মনে তাইলৈ চাব ধৰিলে। আৱেলি যদিও আন্ধাৰ হ'বলৈ বহুত বাকী। ডাৱৰৰ ফাঁকে ফাঁকে লৰি অহা সূৰ্য্যৰ কিৰণ হেঙুলীয়া হৈ পলিৰ মুখত ৰঙা ৰ'দে খেলা কৰিছে। জোপোহাৰ পাতৰ আৱৰণৰ মাজেৰে সিহঁতবোৰ সৰকি আহি দৌৰি থকা প'লিৰ গাত যেন কোনোবা চিত্ৰকাৰৰ কেনভাচ ৰচনা কৰিছে। অপূৰ্ব দেখাইছে তাইক। হঠাতে পিছলৈ উভতি চাই পঠিয়ালে তাই। তাই ইমান পৰে পিছলৈ চোৱাই নাছিল।

ৰঞ্জনে একান্ত মনে তাইলৈকে চাই আছে। চাৰি চকুৰ মিলন হ'ল। চকু ননমালে কোনেও। চায়েই থাকিল বহুপৰ দুয়ো দুয়োলৈ। হঠাৎ প'লীয়ে জপিয়াই জপিয়াই দৌৰবলৈ দিয়াত লাগিল, সি চায়েই থাকিল।

তাই ৰঞ্জনক ভাল পায়। সিও ভাল পায় তাইক। পাচ বছৰ হ'ল সিহঁতৰ প্ৰেম-ভালপোৱাৰ। সি এতিয়া স্নাতকোত্তৰ অন্তিম বৰ্ষত আৰু প'লী স্নাতক তৃতীয় বৰ্ষত। প'লী উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত থাকোতেই প্ৰেমৰ প্ৰস্তাৱ দিছিল সি। ৰঞ্জন তেতিয়া স্নাতক তৃতীয় বৰ্ষত। বৰ অপ্ৰত্যাশিত ভাৱেই সি এই প্ৰস্তাৱ আগবঢ়াইছিল। তাৰ মনত পৰিছে।

বহুত দিনৰ আগেয়ে লিখি ৰখা চিঠিখন সেইদিনা যেনেতেনে দিবই লাগে। "কি কৰা যায়।"

ঃ ঐ ৰঞ্জন তোৰটো হোষ্টেলৰ ফালে গৈছে। (হোষ্টেল যদিও তাত কোনো আবাসী নথকাৰ বাবে এতিয়া স্নাতক মহলাৰ শ্ৰেণী বহে।)

ঃ ধন্যবাদ।

ল'ৰাজনক সি চিনি নেপায়েই। সি চিনি পোৱা-নোপোৱা প্ৰায় সকলোৱেই প'লীক তাৰ লগত জোকায়। তাৰ বেয়া নেলাগে। ৰঞ্জনেও লগত অনন্তক লৈ হেষ্টেললৈ গৈ বিচাৰিবলৈ ধৰিলে। এটা ৰুমত কেইবাজনীও ছোৱালীৰ লগত তাই কথা পাতি থকা পলীক দেখা পালে। কি কৰা যায় এতিয়া ! তাইৰ সতে অনন্তৰো চিনাকি নাই। চেনী বুলি অনন্তৰ কলেজত নামো আছে। কিন্তু মাতিবলৈ সিও টান পাইছে। কিজানিবা অপমানেই কৰে। দুয়োটাই ৰুমটোৰ আগেদি অহা-যোৱা কৰাত লাগি গ'ল। এনেদৰেও আমনি লগাত কাষৰ ৰুমটোতে সোমাই দুয়োটাই গুনা-গুঠা কৰি থাকোতে গ্ৰুপটো সিটো ৰুমৰ পৰা ওলাই আহিল। দুয়োটাই চকুলৈ চোৰা-চুই কৰি বাহিৰলৈ ওলাই আহিল। অনন্তই মাত দিলে।—

ঃ পলী

ঃ .................

ঃ.......... প......লী.......

ঃ পলী, প্লিজ

লগৰ কেইজনীয়ে ঘূৰি চালে। কিন্তু তাই নাকৰ পোনে পোনে যাত্ৰা অব্যাহত ৰাখিলে। দুয়োটা তাৰপৰা পিছে পিছে গুচি আহিল। উপায় নাই ! মুখৰ মাত যেন সিহঁতে তাতেই এৰিলে ! ৰঞ্জনেই মাত দিলে প্ৰথমে—

ঃ তোৰ ক্লাচ আছে ?

ঃ ১২-১৫ ত এটা আছে।

ঃ মোৰ এতিয়া আছে ১১-৩০ ত । অথনিৰে পৰা এটাও ক্লাচ কৰা নাই ; ব'ল ওপৰলৈ।

দুয়োটাই ওপৰলৈ উঠি আহিল। বাহিৰৰ বেঞ্চ এখনত প'লী আৰু কোনোবা এজনী বহি আছে। ৰঞ্জন আগুৱাই গ'ল।

ঃ এক্সকিউজ মি ?

ঃ ................................

ঃ মই ৰঞ্জন।

ঃ ................................

ঃ তোমাৰ বস্তু ! মানে, চিঠি এখন আছে।

ঃ ...........................

ঃ মই দিছো।

এইবাৰ তাই মাত দিলে.................

ঃ তোমাক মই চিনি নেপাওঁ ।

সি আকৌ ক'লে.............

ঃ মই ৰঞ্জন বৰুৱা B.Sc., 3rd year চিঠিখন ল'বা।

তাই হাত নপতা দেখি বহি থকা বেঞ্চখনতে চিঠিখন থৈ এবাৰো পিছলৈ নোচোৱাকৈ একেবাৰে ভাড়াঘৰ পালেহি। অনন্তই অবাক হৈ চাই থাকোতে কি হৈছে গমেই নেপালে।

সেয়াই আৰম্ভণি ! কিন্তু সিহঁতৰ এই যাত্ৰাৰ শেষ ক'ত ? প্ৰতীক্ষাৰ অন্ত পৰিব কেতিয়া ? ঘৰত ভনীয়েক আৰু ভায়েক ! এবছৰৰ ভিতৰতে সি কিবা এটা সংস্থাপন পাবনে ?

হু........ও.............অ..................ম............হ

এটা দীঘল হুমনিয়াহ সৰি পৰিল, ক'ব নোৱাৰাকৈয়ে। ইমান সময় সি নিজৰ মাজতে আছিল, কিন্তু চকুদুটা প'লীৰ ওপৰতেই নিবদ্ধ আৰু তাইৰ চকুযুৰিও।

ঃ আ........আ.........মা........!

ঠিকেই পলীয়েই চিঞৰিছে। সম্বিত ফিৰাই চিঞৰটো অনুধাৱন কৰাৰ আগতেই দেখিলে স্বয়ং ফণীধৰ প'লীৰ পৰা এহাতমান দূৰত্বত দণ্ডায়মান। কি কৰা যায় !

প'লী.............প..............লী............প............লী............

সি উঠি যাবলৈ চেষ্টা কৰিলে, নাই। কোনো ৰকমেই গাটো লৰ-চৰ কৰিব নোৱাৰি। তাৰ মাতটোও ইমান সৰুকৈ ওলাইছে। কিবা এটা কৰিবই লাগিব। ফণীধৰে দংশন কৰেই নহ'লে ! দেহৰ সমস্ত শক্তি ব্যৱহাৰ কৰি চিঞৰি উঠিল পুণৰ.........

ঃ প.......লী

কিন্তু হঠাতে যেন ভূমিকম্পহে হব ধৰিলে পৃথিৱীখন জোৰেৰে তল-ওপৰ কৰিব লাগিছে, ফুলবোৰ চিতিকি পৰিছে ! সন্মুখৰ প্ৰতিটো বস্তুৱেই চক্ৰাকাৰে তাৰ চাৰিওফালে ঘূৰিব লাগিছে। সি যেন উফৰি পৰিব এতিয়া ! জোপোহা এটাত সৰ্বশক্তিৰে খামোচি ধৰি প'লীলৈ চালে, তাই উফৰি পৰিছে, বহুত দূৰলৈ চিতিকি পৰিছে তাই, বহুত দূৰলৈ..........অতি কষ্টেৰে মাতটো ডাঙৰকৈ উলিয়াই চিঞৰি দিলে সি——

ঃ প.......লী

সকলো থান-বান হৈ গ'ল ! 'ধুপুচ' "O'h hang your Polee!" কপি থকা পৃথিৱীখনে নিষ্ঠুৰভাৱে কৈ উঠিল !

—হা——হা——হা——হা—— কোনে হাঁহিছে ?

কল্পনাৰ ৰঙীন তুলিকাৰে আকাশৰ অসীম নীলিমাৰ সীমাহীন বুকুতেই মনৰ সুখত পৰমতৃপ্তিৰে সি আঁকি গৈছিল সুন্দৰ ছবিখন ! বন্ধুবৰ্গৰ প্ৰৱল হৰ্ষোল্লাসত সি মচখাই একাকাৰ হৈ জহি-খহি পমি আঁন্ধাৰৰ মাজত হেৰাই গ'ল, অলেখ পোহৰ থাকোতেওঁ !

সকলো মিছাৰ মাজতো সি একমাত্ৰ সচাঁটো বিচাৰি পালে লগে লগেই...........মেঁছস্থ তাৰ নিজৰ কোঠাটোত, মকৰাজাল, এলান্ধুৰে ওৰা তাৰ অতিকৈ মৰমৰ বিচনা (খাতিয়া)খনৰ তলত বিচনাখনৰেই খুটা এটাত সাৱতি ধৰি পৰি আছে সি। ফুল ? ফুল তাৰ ৰুমত ঠিকেই আছে, ৰুমমেটে কাহানিবাই কিবা চখত এবটল পানীত জীয়াই থৈছিল । কিন্তু সি এতিয়া শুকাই জৰাজীৰ্ণ ৰূপলৈ ফুলৰ সকলোখিনি গুণ হেৰাই পেলাইছে। খিৰিকীৰ পৰ্দাখন বতাহত অলপ অলপকৈ কপিছে। চিলিঙখন লেতেৰা, তাত পাতি দিয়া হৈছে অসংখ্য জাল, গৰাকী মকৰাৰ এটা বিৰাট পৰিয়াল, যাৰ বসতি ৰুমটোৰ বেৰ, প্ৰতিটো কোণা আৰু বিচনাৰ তললৈকে বিস্তৃত। আলনাত খেলি-মেলিকৈ পৰি আছে পেণ্ট, চাৰ্ট, স্পটিং, টাৱেল আৰু গামোচা। দুটামান চাৰ্টে হেঙ্গাৰত উলমি ঝুলনা খেলিছে। টেবুল দুখনত কিতাপবোৰ অৱশ্যে পৰিপাতিকৈয়েই আছে বুলিব লাগিব, দুয়োখন টেবুল লগ লগা। কিতাপবোৰৰ সৈতে তাত সদম্ভে ঠিয় দি আছে আধা খোৱাকৈ এৰা আধা গিলাচ ৰঙা চাহ। খাই শেষ কৰা চিগাৰেটৰ টুকুৰাৰে সৈতে এটা চিগাৰেটৰ পেকেট।

আৰু চাবৰ ইচ্ছা নহ'ল— স্বৰ্গৰ পৰা নৰকলৈ নে নৰকৰ পৰা স্বৰ্গলৈ উঠি আহিল ভবাৰ আগতেই সি হাঁহিৰ উৎস বিচাৰিব লগীয়া হ'ল। অৰ্ধশায়িত হৈ মূৰটো হাত এখনত ভেজাদি হাঁহিৰ উৎস সন্ধান কৰি বন্ধুবৰ্গৰ কৌতূহলী মুখবোৰৰ ওপৰেদি তাৰ চাৱনি বাগৰি আহি পকা মাজিয়া খনত স্থিৰ হৈ ৰ'ল।

–হা–হা–হা

আকৌ হাঁহিৰ ৰোল উঠিল।

এনেতে দুৱাৰ মুখত এখন নতুন মুখৰ অৱিৰ্ভাৱ ঘটিল। অনন্তৰ। Ex- "Magazine Secretary" সি কোঠাটোৰ চাৰিও ফালে চকুফুৰাই নাক কোচালে..................

ঃ Desgraceful.

ৰঞ্জনে হাঁহিলে

ঃ কি Desgraceful অনন্ত। মই নে মোৰ শোৱাটো ? কোনটো ?



ঃ Everything you rascale, now getup শুবলৈ জেগা নেপালি।

সি গেট আপ হোৱাৰ আগতেই যতীনে ৰগৰ কৰি সুধিলে

ঃ হেই ! প'লী প'লীকৈ কোন পটেশ্বৰীক চিঞৰিছিলি ?

যতীনে তাৰ 'প'লী' অধ্যায়টো নেজানে।

ৰঞ্জনে গহীনহৈ উত্তৰ দিলে ঃ কাকো চিঞৰা নাছিলো! বৰঞ্চ এটা সত্য আৱিস্কাৰ কৰি দুখ লাগিছিল, স্বৰ্গ-মৰ্ত্য পাতাল নৰকৰ সকলোকে চিঞৰি চিঞৰি জনাই দিবৰ ইচ্ছা হৈছিল– প্ৰেম ভালপোৱা, ছোৱালী সকলোবোৰেই অনৰ্থক। বালি চাপৰিত সজা বালিৰ মহলটোৰ দৰেই ক্ষন্তেকীয়া। সত্য মাথোন মোৰ এই বিচনাখন, ৰুমটো আৰু মোৰ পকেটৰ মণিবেগটো। কিন্তু তহতে তাৰ কথা শেষ নহ'লৈই, ৰাজু জকজকাই উঠিল——

ঃ চুপ চালা নিলাজ, প'লীলৈ চিঠিলিখি দিবটো নোৱাৰিলিয়েই। প'লীকলৈ কবিতা আমি লিখো ? ইহ ! 'অৰ্থহীন' ক'বলৈ আহিছে !

ঃ মনে মনে থাক। তই উঠ এতিয়া, অনন্তই ৰঞ্জনক উঠাই দি কলে—

ঃ আমাৰ সব ৰেডি, তোৰ গল্প–কবিতা হ'লনে নাই ? কালিলৈ প্ৰেছত দিব লাগে।

ঃ অনন্তই ১৯৯৯-২০০০ বৰ্ষৰ ডিব্ৰুয়ানখন উলিয়াবলৈ যো-জা কৰিছে।

ঃ হৈছে হৈছে, গল্প কবিতা মেচিনত বনায় নেকি ? যে ডেলিভাৰী-ডেট দিব লাগে। লিখা হৈ গ'ল কপি কৰিবলৈ বাকী, কালিলৈ পাই যাবি।

ঃ এলেহুৱা কৰবাৰ।

ভোৰভোৰাই ভোৰভোৰাই অনন্ত ওলাই গ'ল। ৰঞ্জনেও টাৱেলখন লৈ গা-ধুবলৈ ৰুমৰ বাজ হ'ল বাকীবোৰক পাত্তা নিদিয়াকৈয়ে।

সি ভোৰভোৰাই ভোৰভোৰাই উভতি আহিল। চাবোন নাই। সি ধ্ৰুৱক চিঞৰিলে——

ঃ ধ্ৰুৱ, !

ঃ অ' গৈছো, ৰবা ।

ঃ ধ্ৰুৱ, যোৱানা দোকানৰ পৰা চাবোন এডোখৰ লৈ আনা, মোৰ কথা ক'বা।

ঃ নাই নাই ৰঞ্জনদা, মই বাকীত আনিব নোৱাৰো দেই।

ঃ অগত্যা সি পাৰ্চটো খুচুৰি দুটা পাঁচটকীয়া মুদ্ৰা উলিয়াই দিলে। মুখেৰে ভোৰ ভোৰালে——"চাল্লা মাহৰ শেষতেহে সব শেষ হয় !" পুণৰ দ্ৰাজটো খুলি চিগাৰেটৰ পেকেটটোৰ পৰা উলিয়াই চিগাৰেট এটা জ্বলাই ল'লে। ভাবিলে, "মাহেকীয়া আলোচনী নুপুৰৰ কাৰ্য্যালয়লৈ" যাব লাগিব। সম্পাদকে মাতিছিলে। ৰঞ্জনলৈ লিখিৰখা চিঠিখন ডাকত দিব লাগিব। মইনাৰ ৰুমলৈও যাব লাগিব।"

গা টো ধোৱাৰ পিছত কাপোৰকানি পিন্ধি ডিওডৰেন্ত স্প্ৰে কৰি ল'লে ভালকৈ।

ঃ বা ৰঞ্জনদা বৰ টিপ্-টপ্ হৈ ওলাইছে ! তাছ খেলি থকাৰ পৰাই ধ্ৰুৱই মুৰ ডাঙি ৰগৰ কৰি ক'লে। বাকী কেইটাইও। আকৌ বাক্যবান আৰম্ভ হোৱাৰ আগেয়ে লৰা লৰিকৈ সি ৰুমটোৰ পৰা ওলাই আহিল।

নুপুৰৰ কাৰ্য্যালয়ত কাম কৰা ল'ৰা কেইটাৰ বাদে আন কাকো লগ নেপালে সি। কেৱল চিঠিখন প'ষ্ট কৰিয়েই সি ঘুৰি আহিল। ৰূপজুন, ধৰিত্ৰী আৰু ৰঞ্জনা তাৰ স্কুলীয়া বান্ধৱী। প্ৰাথমিক বিদ্যালয়ৰ পৰা হাইস্কুলীয়া শিক্ষাৰ শেষলৈকে সিহঁতি একেলগে পঢ়িছিল। যতীন আৰু সি ডিব্ৰুগড়লৈ বিজ্ঞান পঢ়িবলৈ আহিল। ৰূপজুন হঁতে তিনিচুকীয়া কলেজতে কলেজীয়া শিক্ষা আৰম্ভ কৰিলে। ৰূপজুন-ধৰিত্ৰীয়ে আগতে চিঠিপত্ৰ দিছিল যদিও এতিয়া নিদিয়ে। কিন্তু ৰঞ্জনাৰ লগত তাৰ পত্ৰালাপ আগৰদৰেই চলি আছে। ৰঞ্জনাক সি ভাল পাইছিল আৰু তায়ো ভালপায় (?) তাক। কিন্তু সিহঁতৰ মাজত প্ৰেম বুলি কোনো সম্বন্ধ নাই। এতিয়া সিহঁত বন্ধুও নহয় প্ৰেমিক-প্ৰেমীকাও নহয়। ৰঞ্জনাৰ বাদে সি আন কাৰোবাৰ কথা ভাবিবও নোৱাৰে। সি কেৱল তাইকেই ভালপাব বুলি প্ৰতিজ্ঞাও কৰিছিল। কিন্তু এতিয়া তাৰ কি হৈছে সি নিজেই বুজি পোৱা নাই। প'লীক লগৰ বোৰে তালৈ জোকাইছিলহে। এতিয়াও জোকায়। প্ৰথম অৱস্থাতটো সি অকনমানো দুৰ্বলতা অনুভৱ কৰা নাছিল কিন্তু এতিয়া সি জোৰ কৰিও তাৰ দুৰ্বলতা ৰোধ কৰিব পৰা নাই। সি একেবাৰে মচি দিবলৈ চেষ্টা কৰিছে 'প'লী' নামটো তাৰ মনৰপৰা, তাৰ অভিধানৰ পৰা। কিন্তু সি পৰা নাই। সি ইমান দুৰ্বল হৈ পৰিছে কিয় ?

পাছ বেলাটো এনেয়ে সোমাই থাকি আমনি লগাত সি

অকলে ওলাই আহিল। ভাইটি-দাৰ দোকানৰ ভিতৰলৈ সোমাই গৈ বিচনা খনত এনেয়ে বাগৰি পৰি দিলে। অভ্যাস বশত চকুৰ আগত পেপাৰখন মেলি ধৰিলে। সদায় একে খবৰ, খং উঠিগ'ল তাৰ, পেপাৰখন সামৰি থৈ দিলে। হঠাৎ তাৰ চকুগ'ল ওলোমাই থোৱা আলোচনী বোৰলৈ। আৰে ! নুপুৰ ওলালেই। লগে লগে তাৰ এখন হাত পকেটলৈ যোৱাত মনটো সেমেকী গ'ল। পইচা নাই। বাকীত খুজিবলৈও বেয়া লাগিছে। "ধেৎ, চাবটো পাৰি" কিবা এক উত্তেজনাত সি নুপুৰখনলৈ খৰধৰকৈ পাত লুটিয়ালে। তাৰ উপন্যাসখন প্ৰকাশ পাইছে। তাৰ প্ৰথম উপন্যাস। চিঞৰি দিবৰ মন গ'ল তাৰ । ইতিমধ্য তাৰ গল্প এটাও প্ৰকাশ পাইছিল। সি ৰ'ব নোৱাৰিলে—

ঃ ভাইটিদা এইখন বাকীত দিব ? অধিৰ আগ্ৰহেৰে সি সুধিলে।

ঃ অ নুপুৰখন তোমাৰ কিবা এটা ওলাইছেনে ! মই তোমাক ক'বলৈকে পাহৰিছিলো সুধিব লাগেনে ? লৈ যোৱা, ক'লেই হ'ল।

ঃ নহয় মানে.........বহুত ধন্যবাদ! এতিয়া পাণ এটা দিয়ক।

পাণটো লৈয়েই সি দীঘলকৈ সুহুৰি এটা মাৰি মেচ অভিমুখে যাবলৈ খৰখেদা লগালে। কিবা এক চিৰ আকাংক্ষিত বস্তু হঠাতে পোৱাৰ সহজাত উত্তেজনাই ৰঞ্জনক আচ্ছন্ন কৰি ৰাখিছে।

হঠাৎ এক প্ৰচণ্ড চৰত ৰঞ্জন ধৰফৰাই উঠিল।

ঃ অভদ্ৰ ! কলেজ, বজাৰ, দোকান কতোৱেই তহঁতৰ পৰা সাৰিব নোৱাৰি। নীলাজ কৰবাৰ !

কি হ'ল একো ধৰিব নোৱাৰি সি চৰটোৰ উৎস বিচাৰি ওপৰলৈ চাওতে তাৰ জীৱ উৰি গ'ল। স্বয়ং প'লী তাৰ ঠিক সন্মুখতে যুদ্ধং-দেহি মনেৰে ঠিয় দি আছে। লাজতে সি পুণৰ তলমূৰ ওপৰ কৰিব পৰা নাই। কিহৰ বাবে তাক চৰমাৰিলে প'লীয়ে ? সিটো নিজে আজিলৈকে তাইক জোকোৱা বা বেয়া ব্যৱহাৰ কৰা নাই আৰু এতিয়াও সি কেৱল কাষলতিৰ তলত নুপুৰখন ভৰাই সুহুৰিয়াই সুহুৰিয়াই পাণৰ লগত বেলেগে খাবলৈ অলপ চুন লোৱাত ব্যস্ত আছিল। কিন্তু.........

ঃ শুনা..............

সি কিবা কোৱাৰ আগেয়ে প'লী দুপ-দুপাই দোকানৰ পৰা ওলাই গ'ল।

তাৰপৰা সি কেতিয়া আহি মেচৰ বাৰাণ্ডাত ভৰিদিলেহি গমেই নেপালে সি। কপালৰ ঘাম মুখৰ ওপৰেদি টপ-টপকৈ সৰি পৰিছে। কমত সোমাব খুজিও বৈ গ'ল সি। ভিতৰৰ পৰা ৰমেশৰ মাত ভাহি আহিছে।

আমাৰ ৰঞ্জনৰ একো নহ'ব। ইমান লিখে। ক'চৰ কিতাপ বাদদি গোটেই ৰাতি লিখে। লাইট অফ্ কৰিবলৈ ল'লে কব— "মই কিবা লিখি আছো।" আৰে কিমান লিখ ? কোনোবা আলোচনীত ওলাইছেনে কিবা। এই 'চিন্ময়'ক' চা ! উপাধি-চুপাধি নাই, আৰে, কি লিখিছে চা না কি ৰসাল বৰ্ণনা! "অথনিৰে পৰা তাইক বিচাৰি সি কলেজ চলাথ কৰি ফুৰিছে। নাই ! এটাও ক্লাচ কৰা নাই আজি সি "এইবাৰ লাষ্ট নহ'লে কালিলৈ বিচাৰিব লাগিব, সদায় লগ পাঁও আজিহে চাল্লা..............!" ব'টানি ডিপাৰ্টমেন্টৰ ফালে যাওঁতে সি তাইক ফিজিক্স আৰু ব'টানি ডিপাৰ্টমেন্টৰ মাজৰ ঠেক কৰিদৰটোত দেখা পালে। নামটো নেজানেই ক'বলগীয়া থিনি মনতে জোকাৰি লৈ সি আগুৱাই গ'ল। এনে সময়ত সি ওচৰ পালেগৈ, ঠিক সেইসময়তে তাই তাৰপৰা আহিবলৈ লৈছে। কৰিদৰৰ ঠেক-সৰু চিৰিটোৰ তলফালৰ পৰা প্ৰথম ষ্টেপটোত সি আৰু তৃতীয় তথা শেষ ষ্টেপটোত তাই। দুয়োটা মুখা-মুখিকৈ অলপ সময় থমকি ৰ'ল। কোনোমতে কিন্তু জোৰকৈ সি তাৰ মাতটো স্বভাৱিক কৰি আৰম্ভ কৰিলে-

ঃ তুমি মৰানৰ.........? আৰে এয়া দেখোন মোৰ হৈছিল। এইটো কমতে মই তাইক প্ৰপজ কৰিছিলো বুলি উলিওৱাৰ বাবে গালি পাৰিবলৈ প্ৰেক্টিছ কৰিছিলো। 'পৰিমা'ৰ লগত মোৰহে এইবোৰ হৈছিল। জুলীৰ কথাও লিখিছে। কিন্তু কথাবোৰ এই চিন্ময়ে জানিলে কেনেকৈ ? কোন ই ?? ৰমেশৰ মাতটো বিস্ময়ত ডাঙৰ হৈ গৈছিল।

ঃ তই কাৰোবাক কৈছিলি হ'ব পায়।—সেয়া ৰাজুৰ মাত।

ঃ নাজানো পায়। পৰিমাৰ ওঁঠ দুটি কিন্তু সঁচায়ে ধুনীয়া। পাইছে মজা। এতিয়া কলেজত মোক দেখি নপলালেই হয়। মোৰ কথাভাবি হোষ্টেলৰ মেচ বন্ধ থাকিলেও কৰবীবাৰ কমলৈ আহি ভাত খালেও পেটলৈ ভাত নেযায়। দেৱজিতৰ লগত ডেটিং মাৰোতেও মোৰ কাৰণে ট্ৰেজেডী ফালে।

ৰমেশৰ কথাকোৱাৰ ধৰণ দেখি ভিতৰত হাঁহিৰ ধুম উঠে। জোৰকৈ দুৱাৰখন মেলি ৰঞ্জন সোমাই গ'ল । তাক দেখি



ৰাজু জক্-জকাই উঠিল—

ঃ চাচোন চা নুপুৰখন চা। কিমান ধুনীয়া লেখিছে। তই গোটেই ৰাতিটো টোপনি খতি কৰি কৰি কি ঘটি ডাল লিখ ? এটাও নোলায়!

বিচনাত তলমূৰকৈ পৰি দি ৰঞ্জনে হুকহুকাই কান্দি দিলে। সিহঁত অবাক হ'ল, কি হ'ল। কি হ'ল ইয়াৰ ? ৰাণাই সেমেনা সেমেনি কৰিবলৈ ধৰিলে। সিহঁতে সদায় কামোৰ-কামোৰি কৰে। আজি ৰাজু তাৰ ওচৰ চাপি সংকোচেৰে কৈ উঠিল।

ঃ চা, ৰঞ্জন আমি সদায় ধেমালী কৰোঁ। ধেৎ বুৰ্বক। চাই থাক্না এদিন তোৰ লেখা ওলাবই। এই চিন্ময়ক গুলি মাৰনা । বাদদে সেইবোৰ। কি হ'ল ?

সিহঁতে কেনেকৈ বুজিব তাৰ বুকুত কিহৰ ধুমুহাই অহাযোৱা কৰিছে !

ঃ দোকানত মোক প'লীয়ে এনেয়ে চৰিয়ালে ! তাৰ কান্দোনটো জোৰে ওলাই আহিল, বাকী কেইটাই হাঁহি ৰখাব নোৱাৰা হ'ল।

ঃ ভালেই হ'ল দে মোৰ পাটনাৰ এটা পালো। গালত ছোৱালীৰ লিহিৰী আঙুলীৰ পৰশ পাই আমি যৌৱন ধন্য কৰিছো।

ৰাজুৱে নিজৰ গালখন মোহাৰি কৈ উঠিল।

মই তাইক একো কৰা নাই। আৰু তাই মোক—সব তহঁতৰ কাৰণে——সি আৰু একো ক'ব নোৱাৰা হ'ল।

(২)

"মোৰ বাহিৰে কোনে বুজিব
তোমাৰ বাদে আনক চোৱাৰ অৰ্থহীনতা........"

তাইৰ আজি পঢ়িবলৈ একেবাৰে মনযোৱা নাই। মূৰটো গৰম হৈ আছে। তাৰ চেহেৰাটো মনলৈ আহিলেই ভমককৈ খঙটো উঠি আহে। ভাত বনাবলৈও মনযোৱা নাই।

ঃ এই কণটি ভাত বনানা, পাপাৰ ভোক লাগিব।

কণটি তাইৰ ভনীয়েক। তাই পোন্দোৰাকৈ পনীলৈ চাই কিতাপখন সামৰিলে।

পঢ়াত একেবাৰে মন নবহাত Sociologyৰ নোটটো জাপি থৈ তাই ভায়েক-ভনীয়েকৰ পঢ়া টেবুলৰ ওচৰলৈ গ'ল। ভায়েকৰ মূৰত এনেয়ে হাতখন ফুৰাই দিলে। ভায়েকৰ সেইফালে কানসাৰেই নাই, ছবি এটা আঁকি তাৰ কাষত লিখি আছে E for.........। ৰাতৰি কাকত পঢ়িথকা দেউতাকে হঠাতে চকুতুলি চোৱাত তাইৰ চকুৱে চকুৱে পৰিল, তাই তাৰপৰা ওলাই আহিল। বিচনাখনতে এনেয়ে বাগৰি শুই দিলে। নুপুৰ খনলৈ চকু যোৱাত সেইখন আনি তাই চিন্ময়ৰ নতুন উপন্যাসখন উলিয়াই ল'লে। লেখকজন নতুন, তাই আগতে নুপুৰতেই গল্প এটা পঢ়িছিল। বহুত ভাল লাগে তাৰ লিখনি পঢ়ি, তাইৰ। সাৱলীল লেখনী সৰল বৰ্ণনা। যোৱা মাহৰ নুপুৰত চিন্ময়ৰ গল্পটো পঢ়ি তাইৰ অসম্ভৱ ভাল লাগিছিল। লগে লগে তাই তাৰ লেখনীৰ ফ্ৰেণ্ড হৈ গৈছিল। দেউতাকেও গল্পটো পঢ়ি কৈছিল ।

ঃ লেখকজন নতুন কিন্তু বৰভাল লেখিছে।

ঃ অ' গল্পটো পঢ়ি মোৰো খুব ভাল লাগিল, কেনেবাকৈ লেখকজনৰ লগত চিনাকি হ'ব পৰা হ'লে! উৎসাহিত হৈ তাই হঠাতে কৈ পেলাইছিল। তাৰ পিছিত ভয়ে ভয়ে চহিছিল দেউতাকৰ মুখলৈ।

ঃ অ' নুপুৰৰ কাৰ্যালয়লৈও যাব পাৰ। বিদ্যুতক মই ভালদৰেই চিনি পাওঁ, মোৰ কথা ক'বি। নহ'লে চিঠিও লিখিব পাৰচোন ঠিকনা বিচাৰি নুপুৰলৈ।

তাই ইমান দিনে ভয় কৰি থকা দেউতাকৰ মুখত কথাকেইষাৰ শুনি আনন্দ অতিশয্যত দেউতাকক সাৱতি ধৰিছিল। আনন্দতে হৰ-হৰকৈ চকুপানী ওলাই আহিছিল তাইৰ ! অনবৰতে গহীন-গম্ভীৰ হৈ থকা দেউতাকেও যে তাইক ইয়াৰ বাবে গালিৰ সলনি সমৰ্থন জনাব তাই ভাবিবই পৰা নাছিল। তাই লগে লগে চিঠিলিখি ডাকত দি আহিছিলগৈ। বহুতদিন অপেক্ষা কৰিলে তাই কিন্তু উত্তৰ নাহিল। এতিয়া ভনীয়েক হঁতে তাইক জোকাবলৈ আৰম্ভ কৰি দিছে।

একান্ত মনে পঢ়ি উপন্যাসখন তাই শেষ কৰিলে।—— নায়ক-নায়িকাই একেখন কলেজতে পঢ়ে, নায়কৰ লগৰবোৰে নায়িকাক নায়কৰ লগত জোকাই ব্যতিব্যস্ত কৰে নায়ক নায়িকাৰ খং ট্ৰেজেডী আৰু শেষত নায়কৰ লগত নায়িকাৰ প্ৰেম। লগতে নায়কৰ বন্ধুবৰ্গৰ ৰসাল প্ৰেমৰ সৰস বৰ্ণনা। কাহিনীটো তাইৰ লগত প্ৰায় মিলে। তাইৰ মনলৈ, অথনি চৰিয়াই অহা ল'ৰাটো ঘপকৈ আহে। এইবাৰ কিন্তু তাইৰ খঙ নুঠিল । কাহিনীটোৰ

বাবেই যেন তাই তাক ক্ষমা কৰি দিলে। উপন্যাসখন আকৌ এবাৰ পঢ়িবলৈ লওঁতেই ভনীয়েকে ভাত খাবলৈ মাতিলে। মন নাছিল যদিও খাবলৈ গ'ল।

না ঃ তাইৰচোন টোপনীয়েই নধৰে। উপন্যাসৰ কাহিনীটোৰ কথা ভাবি থাকোতে কিমান সময় পাৰ হ'ল গমেই নেপালে। হঠাতে তাইৰ মাকলৈ মনত পৰি গ'ল। তাই ক'ব নোৱাৰাকৈয়ে চকুৰ পৰা পানী ওলাই আহিল। তাই আৰু সিহঁতে মাকক বৰ সৰু থাকোতেই হেৰুৱালে। তাই খপকৈ উঠি বহি দিলে। চিন্ময়ে তাইলৈ চিঠি দিবই লাগিব ! লগে লগে তাই লাইটটো জ্বলাই হৃদয়ৰ সমষ্ট আবেগ ঢালি চিঠি এখন লিখি পেলালে। তাই আগতেও এবাৰ এনেদৰে লিখিছে কিন্তু .........। হয়তো তাৰ হাতত চিঠি নপৰিবঁগেও পাৰে। এইবাৰ নিজেই নুপুৰৰ কাৰ্য্যালয়লৈ গৈ দি আহিব লাগিব। চিন্ময়ৰ ঠিকনাও খুজি ল'ব লাগিব। কালিলৈকে যাব তাই..........!

অশান্ত মন এটা লৈ খিৰিকিৰ গ্ৰীলত আওজী বিচনাৰ ওপৰত বহি আছে প'লী। হাতত এইমাহৰ নুপুৰখন। চিন্ময়ৰ উপন্যাস "আধাৰশীলা" উলিয়াই থোৱা আছে। চকুৰ দৃষ্টি চিলিঙত নিবদ্ধ। যোৱা ৰাতি তাই শুব নোৱাৰিলে ! চিন্ময়ৰ কথা ভাবোতেই গ'ল, সি কিয় উত্তৰ দিয়া নাই ! চিন্ময়ৰ মুখখন, কল্পনাৰেও কেনে হ'ব ভাবি উলিয়াব নোৱাৰিলে তাই।

তাই বাৰু প্ৰেমত পৰিছে নেকি ? তাইটো প্ৰেমৰ পক্ষপাতি নাছিল। কেতিয়াও প্ৰেম নকৰো বুলি তাই দৃঢ়প্ৰতিজ্ঞ ! কিন্তু এই চিন্ময়ে দুমাহতে সকলো খেলিমেলি লগাই দিলে। অনবৰতে কেৱল এটাই নাম 'চিন্ময়' যাৰ ঠিকনা আনকি উপাধিও নাজানে তাই। যাৰ কথা নেভাবো বুলিও থাকিব নোৱাৰি, কেৱল এটাই নাম -'চিন্ময়'। তাই কিয় ইমান দুৰ্বল হৈ পৰিছে ? কিয় ?? এয়াই নেকি প্ৰেম ? নিশ্চয় এয়াই !

তাই কোৱা শুনিছে প্ৰেমত পৰিলে মানুহ ভগবান বিশ্বাসী, আৰু মনটো প্ৰেমময় মৰমীয়াল হয়। খু-উৰ মৰমীয়াল হয় মনটো। কিন্তু তাই, তাই যে বহুত উৰ্দ্ধত। তাই ইমান উৰ্দ্ধত হৈ পৰিছে কিয় ? খঙ উঠিলে কিয় পাহৰি যায় সকলো? তাই কিয় একো ক'ব নোৱাৰা হৈ পৰে তাক দেখিলেই ? তাই কিয় একো ক'ব নোৱাৰা হৈ পৰে তাক দেখিলেই ? কিন্তু তাইওতো নিবিচাৰে এইবোৰ তথাপি হৈ যায়।

এইবাৰ তাই আলোচনীখন সামৰি থৈ খিৰিকিৰ গ্ৰীলত খামোচি বাহিৰৰ ফালে থকা মেটেকাৰনী খনলৈ চাই থাকিল একান্ত মনে। কিবা এটাৰ যেন সন্ধান কৰিছে, তাইৰ দুচকুৱে কিন্তু পোৱা নাই। বিচৰা কিবা এটা নেপালে তাইৰ মনৰ উদ্ধতালীবোৰে সাৰ পাই উঠে। অত্যন্ত জেদী তাই নিজৰ ওপৰতে। একো নেমানে তাইৰ জেদে! নিজৰ ওপৰত নিজৰেই জেদ ! কি থাকে ইয়াৰ মাজত তাই নিজেই নেজানে। প্ৰেমত পৰিলে মানুহ মৰমিয়াল হয়। কিন্তু তাইৰ এনে হয় কিয় ? তাইওটো এজনৰ প্ৰেমত একপক্ষীয় ভাৱে হ'লেও আকন্ঠ নিমৰ্জ্জিত। তাইওতো ভাৱে প্ৰেমৰ কথা !

নুপুৰখনলৈ হঠাতে চকু গ'ল তাইৰ। তাইৰ লগত যোগাযোগ কৰিবপৰা সকলোৱেই দিছিল, ফোন নম্বৰ থকা হ'লে সেইটোও দিলেহেঁতেন। কিন্তু কোনো উত্তৰ নিদিলে চিন্ময়ে। মনত হতাশা জাগিছে তাইৰ ! তাই প্ৰেমৰ উপযুক্ত নহয় নেকি। কৰবাত ভুল হ'ল নেকি ? তাইৰ ভাষাবোৰ শুদ্ধ নহ'ল নেকি ? কেনেদৰে লিখিলে তাইৰ ভাষাবোৰ হৃদয়ৰ ভাষা প্ৰেমৰ ভাষা——হ'ব ? তাইৰ পূৰ্ণবিশ্বাস আছে সঁচা প্ৰেমত ! আৰু সঁচা প্ৰেমটো বিফল নহয় কিন্তু তাই কিয় বিফল ?? তাই ভুলটো ক'ত কৰিছে ? তাইনো প্ৰেমিকা হ'ব কেনেকৈ। তাইৰ মৃৰত ক্ৰোধৰ অনল জ্বলি উঠে, হঠাতে বিস্ফোৰিত হ'ব পাৰে তাইৰ দুচকু ঘৃণাত। ক্ৰোধৰ বৰ্ণ্যাই তাইকলৈ যায় নৰকলৈ ! তাইক তাইৰপৰা বহু যোজন দূৰলৈ, যাৰ বাবে তাই ৰঞ্জনক পাণ দোকানৰ সন্মুখত চৰিয়াইছে।

উফ—ইমান নিষ্ঠুৰা, ইমান নিৰ্দয়ী, ইমান উৰ্দ্ধত, ইমান ক্ৰুদ্ধা, ইমান অহংকাৰী তাই। বুকুখনে বিষত তল-ওপৰ কৰি উঠিল প'লীৰ। কিবা এটা যেন ডিঙিলৈকে আগুৱাই আহিছে। কান্দিব নেকি তাই। ওঠে ওঠ চেপি খিৰিকিখনৰ কাষৰপৰা আঁতৰি আহিল তাই। নাই নাই মই ইমান নিৰ্দয়ী নহয়, ইমান নিষ্ঠুৰা কেতিয়াও হ'ব নোৱাৰো। মোক ক্ষমা কৰা। ভনী হিচাবে ক্ষমা কৰা মোক। তোমাৰ ওচৰলৈ যাম মই।

বিৰ বিৰ কৈ তাই ক'বলৈ ধৰিলে। বিচনাখনত উবুৰি হৈ সশব্দে উচুপি উঠিল তাইৰ দেহটো কপি উঠিছে, গাৰুটো তিতি উঠিছে, তাৰ প্ৰতি ৰঞ্জনৰ প্ৰতি থকা তাইৰ সকলো ক্ষোভ নিমিষতে আঁতৰি গৈছে। ল'ৰাই ছোৱালী জোকাবই !

ৰুমত ৰঞ্জন অকলে আছে। বাকীবোৰ কলেজলৈ গ'ল।



আজি তাৰ কলেজ যাবলৈ একেবাৰেই মন নগল। বিচনাখনতে উবুৰিহে তালৈ অহা প'লীৰ চিঠিবোৰ পঢ়ি আছে। একেবাৰে শেষত অহা চিঠিখন খামটোৰ পৰা উলিয়াই ল'লে। এবাৰ দুবাৰ কেইবাবাৰো পঢ়িলে সি চিঠিখন তাৰ বিশ্বাসেই হোৱা নাই প'লীয়েই যে চিঠিখন লিখিছে। হৃদয়ৰ সমস্ত আবেগ ঢালি দিছে চিঠিখনত তাই ! ইম্যান অভিমান কৰিব জানেনে তাই ? যোৱা কালিৰ চৰটোৰ কথা নিমিষতে পাহৰি গ'ল সি। প'লীৰ ওপৰত উঠি থকা খঙবোৰ একেবাৰে নোহোৱা হৈ গ'ল ! তাৰ দুৰ্বলতা যেন আৰু অলপ গাঢ়হে গ'ল। সি পাহৰি গ'ল এইজনী ছোৱালীয়েই যে তাক চৰিয়াইছিল। চিঠিখনৰ উত্তৰ দিবনেকি সি, কৈ দিব নেকি সিয়েই চিন্ময় বুলি ? ধুৎ...............

হঠাতে ৰমেশ সোমাই আহি তাক তেনে অৱস্থাতে দেখিলে কিন্তু একো নকলে। পেন্ট-চাৰ্টবোৰ সলোৱাৰ পিছটো তাক তেনে অৱস্থাতে দেখি অলপ কৌতূহল জাগিল, একো মাতবোল নকৰাকৈ চিঠিখনে ঢাকি ৰখা মুখখন চাই ল'লে সি। চকু মেলাই আছে ওঠ দুটা লৰি আছে অলপ অলপকৈ। তাৰ অলপ ধেমালী কৰিবলৈ মন গ'ল। সন্তৰ্পনে ৰুমটোৰ পৰা উলাই আহিল ৰাজুহঁতক মাতিবলৈ। ৰাজু-ধ্ৰুৱ কেতিয়াবাই আহিছিল কলেজৰ পৰা। তাহাত দুটাক কথা নপটাকৈ মনে মনে ৰুমটোলৈ মাতি আনিলে ৰমেশে। একেবাৰে ৰঞ্জনৰ আটাইকিটা আহি পোৱাৰ পিছত সি খপকৈ ৰঞ্জনৰ হাতৰ পৰা চিঠিখন টান মাৰি কাঢ়ি আনিলে আৰু জোৰেৰে কৈ উঠিল—

ঃ ৰঞ্জনে ট্ৰেজেডী ফালিছে চা।

চক খাই উঠিল ৰঞ্জন। ইমান সময়ে সি নিজৰ মাজতে বিভোৰ হৈ সোমাই আছিল। চিঠিখন ৰমেশৰ হাতত দেখি তাৰ জীউ উৰি গ'ল। সি কাওঁ-বাওঁ কৰিবলৈ ধৰিলে—

ঃ প্লিজ ৰমেশ নপঢ়িবি না সেইখন। মোৰ পাৰ্চনেল সেইখন। নেচাবি-না-সেইখন।

ঃ চালে কি হ'ব ? মই তোৰ কিবা নেজানিব লগীয়া থাকি গ'লে জানিম আৰু।

চিঠিখনৰ বাবে দুয়োটাৰ মাজত জোটা-পোটা লাগিল। বিচনাখনৰ ওপৰত পৰি থকা খামটো ধ্ৰুৱই বুটলিলৈ চাবলৈ ধৰিলে। জোটা-পোটাত ৰাজুও চামিল হ'ল। খামটোৰ ওপৰৰ ঠিকনাটো ধ্ৰুৱই এনেয়ে পঢ়ি চালে–চিন্ময় নুপুৰ কাৰ্য্যালয়, চৌকীডিঙ্গী চি আৰ বিল্ডিং ডিব্ৰুগড়। ধ্ৰুৱ অবাক। কথাটো কি ? তাৰ মানে ৰঞ্জনদাই চিন্ময়।

ঃ ই-উ-ৰেকা ইউৰেকা.....!

ধ্ৰুৱৰ চিঞৰ শুনি আটাইকেটাই জোটা-পোটা এৰি তাৰফালে চালে। ধ্ৰুৱৰ হাতত খামটো দেখি ৰঞ্জন ৰঙা পৰি উঠিল। ধ্ৰুৱই চিঞৰি পঢ়িশুনাই দিলে ঠিকনাটো।

বেঙা হৈ চাই আছে ৰমেশ আৰু ৰাজুৱে। কথাটো বুজি উঠি দুয়োটাই একেলগে চিঞৰি উঠিল

ঃ তাৰমানে তয়েই চিন্ময় !

ৰঞ্জনৰ মুখত সন্মতিসূচক বেঙা হাঁহি। আচৰ্য্য আনন্দ উল্লাসত, সাৰটি ধৰিলে ৰমেশে ৰাজুৱে প্ৰাণখুলি হাঁহিছে, ধ্ৰুৱই তাক ডাঙি ধৰিলে। পাহৰি গ'ল সিহঁত ক'ত ! আটাইকেইটাই চিঞৰি চিঞৰি গান গাবলৈ ধৰিলে আনন্দ হুলস্থূলত পৰিৱেশটো বেলেগ হৈ গ'ল ।

ঃ আবে পাটি হ'ব লাগে। ৰঞ্জন, বল গাহৰী আনোগৈ। ৰ

ৰমেশে হাঁহি হাঁহি টি-চাৰ্টটো পিন্ধি চিঞৰি চিঞৰি ক'লে। মালিকনীয়ে চিঞৰা শুনা পালে সিহঁতে। মূহুৰ্ত্ততে নাচগান বন্ধ হৈ মৰিশালিৰ নিৰ্জনতাই বিৰাজ কৰিলে ৰুমটোত। মাত্ৰ মালিকনীৰ মাতটো স্পষ্টকৈ শুনা গ'ল।

ঃ কি হৈছে ৰমেশ ?

ঃ চোৰ এটা ধৰা পৰিছে, বৰমা ঘটনা কি ৰমেশে বুজাই ক'লে।

ঃ ৰঞ্জন, আমিও পঢ়িছো তোমাৰ লেখা পাটি আমাকো লাগিব কিন্তু।

মূহুৰ্ত্ততে পৰিৱেশটো আনন্দমুখৰ হৈ উঠিল। আটাইকিটা ওলাই গ'ল। ৰমেশ, ধ্ৰুৱ বজাৰলৈ। ৰঞ্জন আৰু ৰাজু গ'ল নুপুৰৰ কাৰ্য্যালয়লৈ।

(৩)

অকলেই ওলাই আহিল পলী। "প্ৰথমে ৰঞ্জনৰ মেচলৈ যাব লাগিব। নাঃ নেযায় তালৈ, আগতে নুপুৰৰ কাৰ্য্যালয়লৈ যাব তাই।" মনতে ভাবিলে তাই....।

নুপুৰৰ কাৰ্য্যালয়তে ৰঞ্জনে সম্পাদক বিদ্যুৎ আৰু প্ৰঞ্জলৰ লগত ৰাজুৰৈসেতে সাধাৰণ কথা-বতৰা পাতি বহি আছিল। তিনিও

দুৱাৰ মুখত কাৰোবাৰ উপস্থিতিৰ উমান পাই সিফালে ঘূৰি চালে। প'লী। ৰঞ্জনে চিনি পাই বাও গালখনত হাতেৰে লাহেকৈ চুই লগে লগে মূৰটো ঘূৰাই দিলে।

ঃ May I come in ?

বিদ্যুতে লগে লগেই কলে।

ঃ Oh why not ! You are most welcome !

অনুগ্ৰহ কৰি বহক !

ঃ Thank you !

ঃ কওকচোন কি সকামত আহিল। আমি কেনেদৰে সহায় কৰিব পাৰো।

তাই অলপ অস্বস্তিবোধ কৰিছে তথাপি লাজ লাজ ভাবেৰে খকামকাকৈ আৰম্ভ কৰিলে।

মই প'লী শইকীয়া, মোক তুমি বুলিলেই ভালপাম এইবাৰ H.S. 2nd yearত আছো আপোনালোকৰ আলোচনীৰ লেখক চিন্ময়ৰ ঠিকনাটো বিচাৰি আহিছো তেখেতক লগ পাব বিচাৰিছিলো......।



তাই 'দাৰি-কমা' নোহোৱাকৈ কৈ যোৱাৰ মাজতে প্ৰাঞ্জলে ক'বলৈ ল'লে। ৰঞ্জনৰ ইঙ্গিত পায়ো কৈ গ'ল প্ৰাঞ্জল গোহাঁয়ে নূপুৰৰ সহকাৰী সম্পাদকে। তেওঁ কৌতুক অনুভৱ কৰিছিল তাইৰ কথাত

ঃ চিন্ময়ে ভাল লিখে ন ! এইমাহৰ উপন্যাসখন নিশ্চয় পঢ়িলা ; কেনে লাগিল ?

ঃ ভালেই লাগিছে, খুব ভাল লাগিল পঢ়ি।

ঃ চিঠিপত্ৰও দিছিলা নেকি তুমি ?

ঃ অ' যোৱা মাহত কেইবাখনো দিছিলো। উত্তৰ পোৱা নাই। ঘৰৰ সম্পূৰ্ণ ঠিকনাও দিছো কিন্তু......চিঠি ডাকত দিলে নেপাইহি বুলি ভাবি এইবাৰ নিজেই এখন লৈ আহিছো। তেখেতৰ ঠিকনাটো পালে......!

ঃ তেখেতৰ ঠিকনা তোমাক বৰ্তমান প্ৰয়োজন নাই, তোমাৰ ওচৰে-পাজৰেই আছে তেখেত। তোমাৰ চিঠিৰ উত্তৰও এইবাৰ সোণকালেই দিব নিশ্চয়। তুমি অলপ সময় ধৈৰ্য্য ধৰিলেই হ'ল। সদ্যহতে তুমি অনা চিঠিখনো দি যোৱা। তেখেতলৈ বহুত চিঠি আহেতো সেয়ে উত্তৰ লিখোতে পলম হয়। তুমিও উত্তৰ পাওঁতে সেয়ে হয়তু পলম হৈছে। চিন্তা নকৰিবা এইবাৰ উত্তৰ পাবাই পাবা।

একেৰাহে কথাখিনি কৈয়েই প্ৰাঞ্জলে তাইলৈ স্থিৰ ভাৱে চাই ৰ'ল—চকুযুৰি অলপ চলচলীয়া হৈ আছে যি সহজেই কৈ দিব পাৰে "মই যোৱাৰাতি উজাগৰে আছো।" প্ৰাঞ্জলে তাইক চিন্ময়ৰ ঠিকনাটো নিদি কিবা অন্যায় কৰিছে নেকি ? নাই যি হ'ব হ'ব চিনাকি কৰি দিয়াই ভাল হ'ব। মনতে ভাবিলে প্ৰাঞ্জলে।

তাই ইতিমধ্যে পাৰ্চৰপৰা চিঠিখন উলিয়াই তেওঁলৈকে আগবঢ়াই দিছে । তেওঁ চাই আছে তাইলৈ।

ঃ ওহো ! মোক নহয়, এখেতক দিয়া। এখেতেই চিন্ময় ! তোমাৰ ফেভৰিট্ ! ছদ্ম নামত লিখে ৰঞ্জন বৰুৱা আচল নাম।

প্ৰাঞ্জলে ৰঞ্জনলৈ আঙুলীয়াই কৈ উঠিল। প্ৰাঞ্জলৰ নাটকীয়তাত চক্ খাই উঠিল ৰঞ্জন। হাঁহিমেই নে কান্দিম অৱস্থা তাৰ।

ইমান সময়ে প'লীয়ে কাষত কোন বহি আছে মনেই কৰা নাছিল। উত্তেজিত হৈ সেইকালে চোৱাত হাঁহিবই নে কান্দিব তাই ! তাই যে কল্পনাও কৰা নাছিল!

ঃ ইয়েচ হি ইজ চিন্ময় ! ছদ্ম নামটোৰ বাবে তোমাক ঠিকনাটো দিবলৈ কষ্ট হৈছিল। এতিয়া আমাৰ কাম শেষ। তোমালোক অলপ ৰ'হা আমি কাম এটা কৰি আহো। চাহ খাই



যাবা, আৰু ৰঞ্জন তোমাৰ চিঠিবোৰ লৈ যাবা, তোমাৰ চিঠিৰ উৎপাতত আমি থাকিব নোৱাৰা হৈ গৈছো ! এই 'গুলো' তই প্ৰকাশৰ পৰা চাহ চাৰি কাপ আনি দিবি।

কৈয়েই প্ৰাঞ্জল ওলাই গ'ল। বিদ্যুৎ কেতিয়াবাই গৈছিল। ৰাজুও এনেয়ে বাহিৰলৈ ওলাই আহিল। অফিচ ৰুমটোত এতিয়া কেৱল সিহঁত দুটাই। কোনেও একো কোৱা নাই। ভাষাবোৰ যেন হেৰাই গৈছে !

অবাক চাৰনিৰে তাই চাই ৰ'ল চিন্ময়লৈ মাত্ৰ। এইজনেই চিন্ময়, এইজনেই ৰঞ্জন যাক তাই ঘৃণা কৰিছিল। 'অসভ্য ৰঞ্জন' তাইৰ প্ৰেম চিন্ময় ? ইমান কাষত থকাৰ পাছতো তাই নিচিনিলে ? আৰু সি দেখোন তাৰ চকুযুৰিত আছে অদ্ভুত সৰলতা। এই ৰঞ্জনটো সেই অসভ্য ৰঞ্জন নহয়। এযোৰ সৰল চকুৰ অধিকাৰী য'ত থুপখাই আছে পৃথিৱীৰ সমস্ত মৰম আকো......

ঃ কি হ'ল প'লী ? হতবাক প'লীলৈ চাই কৈ উঠিল ৰঞ্জনে।

ঃ কিন্তু কিন্তু......! মোৰ চিঠিৰ উত্তৰ দিয়া নাছিলা কিয় ?

ঃ সেইদিনা তুমিয়েই কৈছিলা দেখোন ৰঞ্জনৰ কথাটো শেষ হোৱাৰ আগেয়ে প'লীয়ে সকলো পাহৰি সাৰটি ধৰিলে তাক।

ঃ জীৱনত ইমানখিনি সুখ পাম বুলি কেতিয়াও ভবা নাছিলো চিন্ময়। মই ভুল কৰিলো ক্ষমা কৰিবা ৰঞ্জন। তোমাক মই চিন্ময় বুলিয়েই মাতিম। মই বিশ্বাসেই কৰিব পৰা নাই ! ইমান সফলনে ?

ঃ তোমাৰ নে মোৰ ? মোৰ প্ৰেমহে সফল হৈছে। তুমিটো মোক গোটেই জীৱন ঘৃণাই কৰিলাহেঁতেন।

ঃ প্লিজ চিন্ময়। মোক আৰু কষ্ট নিদিবা বহুত কষ্ট দিলা তুমি মোক..................

প'লী ৰুকি ৰুকি ৰঞ্জনৰ বুকুৰ গভীৰলৈ সোমাই গৈছে। সিও পৰম-আবেগেৰে সাৰটি ধৰিছে তাইক। হেৰাই যাব খোজা ; এখন সাঁকোৰ আধাৰশীলা স্থাপন হৈছে পুণৰ এই ফুলিব, এই ফুলিবলগা গোলাপৰ কলিটিৰ দৰে তাইৰ কাণত কোনোবাই যেন ফুচ্ ফুচাই কৈছে এৰি নিদিবি প'লী......এৰি নিদিবি নহলে হেৰাই যাব আকউ............

ঃ প'লী

ঃ হু

ঃ কোৱানা এবাৰ মোক ভালপাওঁ বুলি।

ঃ তুমি কোৱা।

ঃ ওহো তুমি ক'ব লাগিব।

ঃ ওহো..................

ঃ মই তোমাক ভাল পাওঁ দুয়োটাৰ মুখত একে লগেই ফুটি উঠিল কথাষাৰ হাঁহি দিলে দুয়ো। সেই হাঁহি মিলনৰ প্ৰাপ্তিৰ সেই হাঁহি জোনাকৰ............

ওহম.........

ঃ গাধ হঁত এইখন প্ৰেমপুৰি পাইছ ? নূপুৰৰ কাৰ্য্যালয়। বিদ্যুৎ-দাহতে আকহি দেখিলে কি হ'ব ......

ৰাজু আহি থিয় হোৱাত লাজ পালে । প'লীয়ে দুহাত এৰি মুক্ত কৰি দিলে। প'লীক ৰঞ্জনে

ঃ দাদা চাহখিনি ঠাণ্ডাই হ'ল।

এনেতে গুলোৱে আহি ক'লে। সি চাহখিনি কেতিয়াবাই দি গৈছিলহি। তাৰ মানে...............

এবাৰ ৰঙা এবাৰ বগা পৰা মুখখন ঢাকি ধৰিলে প'লীয়ে। ❐

ৰাজু, ৰমেশ, হেমচন্দ্ৰ, ধ্ৰুৱপঙ্কীজ, ৰাণা, জোনটি, অনন্ত তথা সকলো বন্ধুবৰ্গলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

- ধ্ৰুৱজ্যোতি -

# অসমৰ কেইগৰাকীমান বিশিষ্ট লোকসকলৰ সন্মান সূচক উপাধি।


য়েছমিন বেগম
উঃ মাঃ দ্বিতীয় বৰ্ষ


| | | |
|---|---|---|
| ১। | সাহিত্যাচাৰ্য | অতুলচন্দ্ৰ হাজৰিকা আৰু মিত্ৰদেৱ মহন্ত। |
| ২। | উপন্যাস সম্ৰাট | ৰজনীকান্ত বৰদলৈ। |
| ৩। | বিহগী কবি | ৰঘুনাথ চৌধুৰী। |
| ৪। | বাগ্মীবৰ | নীলমণি ফুকন। |
| ৫। | অগ্নি কবি | কমলাকান্ত ভট্টাচাৰ্য্য। |
| ৬। | বকুল বনৰ কবি | আনন্দ চন্দ্ৰ বৰুৱা। |
| ৭। | বিদ্ৰোহী কবি | প্ৰসন্নলাল চৌধুৰী। |
| ৮। | শেৱালি কবি | ৰত্নকান্ত বৰকাকতি। |
| ৯। | অসম কেশৰী | অম্বিকাগিৰি ৰায়চৌধুৰি। |
| ১০। | কলাগুৰু | বিষ্ণু প্ৰসাদ ৰাভা। |
| ১১। | ধ্বনি কবি | বিনন্দ চন্দ্ৰ বৰুৱা। |
| ১২। | নটসূৰ্য্য | ফণী শৰ্মা। |
| ১৩। | সাহিত্য ৰথী | লক্ষ্মীনাথ বেজবৰুৱা। |
| ১৪। | ৰূপকোঁৱৰ | জ্যোতি প্ৰসাদ আগৰৱালা। |
| ১৫। | গল্প সম্ৰাট/সাহিত্য শিৰোমণি | চৈয়দ আব্দুল মালিক। |
| ১৬। | দাৰ্শনিক কবি | দুৰ্গেশ্বৰ শৰ্মা। |
| ১৭। | প্ৰতিমাৰ খনিকৰ | চন্দ্ৰ কুমাৰ আগৰৱালা। |
| ১৮। | বুৰঞ্জীবিদ্ | বেণুধৰ শৰ্মা। |
| ১৯। | প্ৰেম আৰু ৰ'দালিৰ কবি | হীৰেন ভট্টাচাৰ্য্য। |
| ২০। | প্ৰতিমা পাণ্ডে বৰুৱা | হস্তী কন্যা। |

## জানানে ?

১। বেজবৰুৱাই কি বস্তুক ডেথক্ৰেটিক আখ্যা দিছিল ?
উত্তৰ ঃ- হাঁহি।
২। সকলো অনুষ্ঠানৰে নিজা এক প্ৰতীক থাকে। অসম সাহিত্য সভাৰো এক প্ৰতীক আছে। এইটো কোনে অংকন কৰিছিল?
উত্তৰ ঃ- যুগল দাস।
৩। কোনটো মচ্‌জিদ ভাৰতৰ ভিতৰত আটাইতকৈ ডাঙৰ ?
উত্তৰ ঃ- দিল্লীৰ জুম্মা মচ্‌জিদ।



৪। বিশ্বৰ আটাইতকৈ ডাঙৰ বিমান বন্দৰ কি ?
উত্তৰ ঃ- চৌদি আৰবৰ জেদ্দাৰ ওচৰৰ 'আব্দুল আজিজ' বিমান বন্দৰ।
৫। পৃথিৱীৰ বয়স কিমান ?
উত্তৰ ঃ- প্ৰায় ৪৬০ কোটি বছৰ।
৬। মানৱ দেহৰ আটাইতকৈ ডাঙৰ সিৰাডাল ক'ত অৱস্থিত ?
উত্তৰ ঃ- হৃদযন্ত্ৰৰ মাজত।
৭। কোনটো গ্ৰহক 'নীলা গ্ৰহ' বুলি কোৱা হয় ?
উত্তৰ ঃ- পৃথিৱীক।
৮। পৃথিৱীৰ প্ৰথম মহিলা বিজ্ঞানী কোন ?
উত্তৰ ঃ- মেৰী কিউৰী।
৯। কোন দেশত সূৰ্য্য নিশা ৰাতি দেখা যায় ?
উত্তৰ ঃ- 'নৰৱে'।
১০। বিশ্বৰ কোন খন দেশত বাতৰি কাকত কাপোৰত প্ৰকাশিত হয় ?
উত্তৰ ঃ- 'স্পেইন'।
১১। বিশ্বৰ কোনখন নদীৰ পানী গৰম হয় ?
উত্তৰ ঃ- নীল নদী।
১২। বিশ্বৰ আটাইতকৈ বেছি সন্তানৰ মাতৃ কোন ?
উত্তৰ ঃ- লিয়নটিনা এলবিনা, ৪৫টা সন্তানৰ জননী (চিলি)।
১৩। মানুহৰ পিছত আটাইতকৈ বুদ্ধিমান প্ৰাণী কি ?
উত্তৰ ঃ- ডলফিন্ ।
১৪। অলিম্পিকৰ জন্মদাতা ?
উত্তৰ ঃ- বেৰণ পিয়েৰ দ্য কুবাৰটিন।
১৫। পৃথিৱীৰ মুঠ জনসংখ্যাৰ শতকৰা ৫০ভাগে ১৬০ খন দেশ-মহাদেশত বস বাস কৰে। বাকী ৫০ শতাংশই চাৰিখন দেশত বস বাস কৰে। দেশ কেইখনৰ নাম কি কি ?
উত্তৰ ঃ- চীন, আমেৰিকা, ভাৰতবৰ্ষ আৰু ৰাছিয়া।

## কৌতুক

১। শিক্ষক ঃ- যতীন, কচোন পদ কেইবিধ ?
যতীন ঃ- পদ দুবিধ ছাৰ।
শিক্ষক ঃ- কি কি ?
যতীন ঃ- ছাৰ, আপদ আৰু বিপদ,
২। গ্ৰাহক *(দোকানীৰ প্ৰতি)* ঃ- দোকানী বহী আছেনে ?
দোকানী ঃ- হয়, ৰাতিপুৱাৰে পৰা বহিয়ে আছো।
গ্ৰাহক ঃ- নহয়, মানে লিখা বহী আছেনে ?
দোকানী ঃ- লিখা বহী ক'তো বিক্ৰী নহয় নিজেই লিখিব লাগিব।
৩। এজন মানুহে আন এজন মানুহক কৈছে মই আমেৰিকা, জাপান, ৰাছিয়া আৰু বহু ঠাই ভ্ৰমণ কৰিছোঁ।
দ্বিতীয় মানুহ ঃ- তেন্তে আপোনাৰ ভুগোল সম্পৰ্কে যথেষ্ট জ্ঞান আছে।
প্ৰথম মানুহ ঃ- হয়, মই ভুগোলত তিনিদিন থাকি আহিছো।

Sri Bidhu Pd. Borkakaty

*B.Sc.. 1st year*

১। কর্মপ্ৰাণ " হেমচন্দ্ৰ গোস্বামী"

যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা আৰু ওচৰ-চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু, তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিৱী এৰি যোৱা তেতিয়া যেন তুমি হাঁহি হাঁহি যোৱা আৰু আনে তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।"

২। "হেনৰি ডেভিদ থৰো"

যিটো জানো সেইটো জানো বুলি জনা আৰু যিটো নাজানো সিইটো নাজানো বুলি জনাটোৱে হ'ল প্ৰকৃত জ্ঞান।"

৩। "হজৰত মহম্মদ"

"হিংসা নকৰিবা, জুইয়ে যেনেকৈ খেৰ পোৰে, হিংসায়ো তেনেকৈ পুণ্যবোৰ নাশ কৰে।"

৪। "পাপলেচ"

"আমি যি জানো সি অতি সামান্য, আমি যি নাজানো তাৰ সীমা নাই। এতেকে, নিজকে জ্ঞানী ভবাটো অনুচিত।"
আমাৰ মহাবিদ্যালয় বাণিজ্য বিভাগৰ প্ৰৱক্তা ড০ মহেশ কুমাৰ জৈনদেৰক সৰ্বভাৰতীয় বেচৰকাৰী সংগঠন "INTERNATIONAL INTEGRATION AND GROWTH SOCIETY (IIGS)-এ শিক্ষাৰ ক্ষেত্ৰত তেখেতৰ বিশেষ অৱিহনাৰ বাবে যোৱা ২৯-১১-২০০১ তাৰিখে নতুন দিল্লীত আয়োজন কৰা, সংগঠনৰ ২৩ তম ৰাষ্ট্ৰীয় কৰ্মশালাৰ এক গাম্ভীৰ্য্যপূৰ্ণ সভাত উক্ত বঁটা প্ৰদান কৰে।



কেন্দ্ৰীয় শ্ৰমমন্ত্ৰী "শ্ৰীযুত শাৰদ যাদৱ"ৰ পৰা বঁটা গ্ৰহণৰ এক মূহূৰ্ত।

NCC গ্ৰুপৰ "চিনিয়ৰ আণ্ডাৰ অফিচাৰ শ্ৰী যুগা চন্দ্ৰ গগৈয়ে নতুন দিল্লীত অনুষ্ঠিত ২০০০ চনৰ 'থল সৈনিক কেম্প'ত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰে।



**শ্ৰী যুগা চন্দ্ৰ গগৈ**
চিনিয়ৰ আণ্ডাৰ অফিচাৰ



আন্তৰাষ্ট্ৰীয় বিজ্ঞান সংগঠনৰ ফেলশ্বিপৰ সন্মানেৰে সন্মানিত "ড০ দিলীপ কলিতা"।

আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰৱক্তা ড০ দিলীপ কলিতাক "INTERNATIONAL SOCIETY FOR CONSERVATION OF NATURAL RESOURCES" নামৰ সংগঠনটোৰ প্ৰাকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণৰ ওপৰত আগবঢ়োৱা গৱেষণামূলক বৰঙণিৰ বাবে সংগঠনৰ ফেলশ্বিপৰ (FNRS) সন্মানেৰে সন্মানিত কৰিছে।



*Dibru College Football Team*

*Dibru College Computer Centre*





*Dibru College NCC Group*

*A Memoriable Scene of*
*Dibru College Foundation Day on*
*16th Aug. 2001*



*Member of The Executive Committee : Dibrugahr*
*Staff Co-operative Trift Society Ltd.*



## বিদায় সম্বৰ্দ্ধনা

আমাৰ মহাবিদ্যালয়ৰ
বেঙ্গলী বিভাগৰ সদ্য অৱসৰ প্ৰাপ্ত
মূৰব্বী অধ্যাপক শ্ৰীযুত ক্ষিতীশ ৰায়দেৱলৈ
মহাবিদ্যালয়ৰ সমূহ শিক্ষক, কৰ্মচাৰী আৰু
ছাত্ৰ-ছাত্ৰীবৃন্দই যাচিছোঁ আন্তৰিক সম্বৰ্দ্ধনা।

কৰ্মজীৱন ঃ ১৯৬৭ চনৰ ২৯ জুলাই পৰা
২০০১ চনৰ ৩০ নৱেম্বৰলৈ।

## প্ৰাচীৰ পত্ৰিকা "জাগ্ৰত"



সম্পাদ্বকদয়
প্ৰশান্ত শইকীয়া
অনন্ত খনিকৰ

প্ৰাচীৰ পত্ৰিকা "জাগ্ৰত"ৰ পৰা.......

## এটি পুৱাৰ অনুভৱ

**ৰাজকুমাৰ কৰুণা দেউবী**
*স্নাতক ১ম বৰ্ষ (বিজ্ঞান)*

ৰৌদ্ৰোজ্জ্ব এটি পুৱা
বিষাদৰ কালিয়া সনা
শীতৰ সেমেকা বতৰত
সৰিয়হ ফুলবোৰৰ বোকোচাত
নিয়ৰৰ টোপালবোৰে
চিক-মিকাই জিলিকি উঠিছে।
ঘন কুঁৱলীৰ আৱৰণ ফালি
সূৰুযৰ ৰক্তিম আভাই
আদৰি আনিছে এটি নতুন দিনক.....!!
এই দৃশ্য চাবলৈ
সিহঁতৰ হয়তো আঁহৰি নাই
বাৰুদৰ গন্ধত মতলীয়া হৈ
আধাপুৰা মৃতদেহবোৰত;
ভ্ৰাতৃ ভগ্নীলৈ বুলেট সিঁচি দিয়াত
সিহঁতে বিচাৰে আনন্দ...!
এনে পৈশাচিক মনোবৃত্তিক লৈ
মানৱতাক কলঙ্ক জাপি দি
স্বৰ্গাৰোহনৰ স্বপ্ন দেখে সিহঁতে !!
ভয় হৈছে কাৰোবাৰ
এই পুৱাই কিজানিবা খহাই নিয়ে,
সিহঁতৰ 'আপোন' নামৰ চুড়াটোক।
আতংকত শিয়ৰি উঠে
আশাৰ দুৱাৰ-জপনাবোৰ
কিজানি ভাঙি নিয়ে, নিৰাশাৰ ঢৌবোৰে...!
সিহঁতৰ প্ৰাণোচ্ছাসহীন হৃদয়ে
সাতোবৰণীয়া ৰঙীন নিয়ৰবোৰক প্ৰশ্ন কৰে......
মনৰ আবেগৰ কুঁৱলীবোৰ আঁতৰাবলৈ
উদয়!উদয়! উদয়
হ'বনে এদিন
নতুন দিগন্তৰ.........?

## অচিনাকী পথ অচিন যাত্ৰা

**দৃষ্টি ৰাজখোৱা**
*স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

নদীখনৰ ঢৌবোৰ চঞ্চল
শিলৰ ফাঁকে ফাঁকে বিচ্ছুৰিত, কামনা!
কহুৱা বনৰ ফুলত বেদনাত আভা
আমি কোন ?
পথিক ?
অচিনাকী পথৰ......
যাত্ৰাৰ শেষ......
হিমালয়ৰ বৰফাবৃত্ত শিখৰ ?
বিলাসী অট্টালিকা ?
নে মঙ্গল গ্ৰহ?
অনাহুত কামনাৰ চিকাৰ
নদীৰ চঞ্চলতা
বিচ্ছুৰিত কামনাৰ ক্ৰন্দন
প্ৰতিটো পঁজাত !
আমি আগবাঢ়ো
কামনাৰ ঢৌৰেৰে
ছন্দবদ্ধতা শৃংখলাবিহীন ভাৱে
বৰষুণত তিতা বেদনাৰ্ত আভাৰ
কহুৱাৰ বননিৰে......
গতিয়েই জীৱন
গতিময় জীৱনৰ চিত্ৰাংকন
এতিয়া বাঁকদৰ ঘোৰাত
শিলৰ ফাঁকত
শীত তাপ নিয়ন্ত্ৰিত কোঠাত
আঃ কি আচৰ্য্যজনক
বিচিত্ৰ পথ !
অনন্য জীৱন !
আচহুৱা যাত্ৰা !

## ভায়োলিনৰ সুৰ

ঘনশ্যাম সোনোৱাল
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

তুমি যে যাছিলা প্ৰেম
জোনাকেৰে সুশোভিত
নদীৰ বুকুত পৰি টুকুৰা টুকুৰ হ'ল
তুমিযে যাছিলা প্ৰেম
এন্ধাৰে গ্ৰাস কৰা
সাগৰৰ বুকুত উত্তাল ঢৌ তুলি
ভাঙি নিলে মোৰ হৃদয়ৰ গৰা
তুমিযে যাছিলা প্ৰেম
গ্ৰীষ্মৰ প্ৰখৰ উত্তাপ হৈ
সৰি নিলে
মোৰ বিশাল প্ৰেম বৃক্ষৰ
কেউটি পাহিৰ সুবাহ সমূদায়
তুমিযে যাছিলা প্ৰেম
পাহৰণিৰ বুকুত জাহ যোৱা দুঃস্বপ্নহে ৰ'ল।
এতিয়া দুৰৰপৰা ভাঁহি অহা
করুণ ভায়োলিনৰ সুৰহে মাথোন............॥

## উপলব্ধি

শ্ৰী বসন্ত বড়ি
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

ফাগুনৰ পছোৱাই
হঠাৎ আজি গুছালেহি
নিজান দুপৰীয়াৰ ওৰণি
প্ৰথম বুধবাৰৰ আলি-আই-লিগাংত
ধ্বজা উৰিল নীল আকাশত
কল্পনাৰ ফুটাইদি কাণ উনাই শুনিলো
ঢোল, পেঁপা, বাঁহীৰ মাত।
নিজান ৰাতি
বতাহৰ তৰংগত শুনিলো
ৰিণি ৰিণি মৃদু সুৰ ঐ-নিতমৰ
মনত ভাহি উঠিল
এখন ধূসৰ ছবি
বৰ্ণালীৰ কিৰণ নিৰাস আৰু স্মৃতি।
তাহানিৰে সেই সুৰীয়া গীত
আজিও মোৰ হিয়াত বাজি উঠে
এনেকুৱা লাগে যেন
মই অতীত হৈ যোৱা নাই
কাংকানৰ সেই স্মৃতিৰ বাবেই
মই আজিও জীয়াই আছো
সময়ে কাহানিও নোৱাৰে মচিব
মই সাঁচি ৰখা সেই স্মৃতি
মোৰ অন্তৰৰ নিভৃত কোণত॥



## এক অভিমানী শিল্পী

শ্ৰী লাৰিন লিগেন।
*স্নাতক প্ৰথম বৰ্ষ। (কলা)*

নামি আহে দুখৰ নিশাবোৰতো
কত যে ৰঙীন সপোন ;
ব্যঙ্গ য'ত মোৰ মায়াবী জীৱন
কত উন্মনা যুৱতীৰ প্ৰেম-নিৱেদন।
সিহঁতৰ ভাল পোৱা সপোনবোৰ
স্তব্ধ হওক কবিতাৰ মাজত
হৈ এটি মিঠা সোঁৱৰণী
সেয়েহে যাত্ৰা মোৰ কবিতা ৰচি ;
মই যেন এক অহংকাৰী কবি।
মনত মাথো মায়াৰ নাচোন
তাৰ বাদে নাই একো মোৰ বাবে
অথবা আনৰ বাবে মোৰ;
কল্পনা নামৰ কাগজখিলাৰ বুকুত
অনাগতৰ ভিন্ন ৰঙেৰে,
আঁকি গৈছো মাথো
বহু নিৰাকাৰ ৰঙীন ছবি
যেন এক অভিমানী শিল্পী।

## সোন জনী, প্ৰথম চাৱনিতে

শ্ৰী অম্লান জ্যোতি পেগু।
*স্নাতক ১ম বৰ্ষ।*

তোমাৰ প্ৰথম ছাৱনিতে
এক মিঠা শিহৰণ
যাদু যেন তোমাৰ দুটি এয়নৰ
আৱেগ ভৰা এটি মধুৰ ক্ষণ।
তোমাৰ প্ৰথম চাৱনিতে
বুজাব নোৱাৰা এক অনুভূতি
যাৰ সংজ্ঞা মাথো মইহে জানো
আন একোৱাই নহয়, ই কল্পানৰ
বালিঘৰ মাথো।
তোমাৰ দুটি নয়নৰ আলোকত,
হৃদয়ভেদি উঠিল এক অচিন জোৱাৰ
বুজি নাপাও এই জোৱাৰ
তুমি বুজাবানে বাৰু সোণজনী......?
মোৰ নয়ন দুটি থিৰ দৃষ্টি
মাথো তোমাৰ বহল বক্ষত
কিয় জানানে......? সোণজনী ও নকওঁ,
সহাঁৰি জানো দিবা মোৰ স্বপ্নাতুৰ
হৃদয়ক।
কমলা ৰঙেৰে আবৃত্ত দেহাত
ক'লা পোছাক মোৰ ভাল লাগিছিল।
গোপনে সজালো প্ৰেমৰ ৰাজকাৰেং
বিশ্বাস জানো কৰিবা সোণজনী......?
সেইবোৰ আন একোৰেই নহয়
ই শৰতৰ তলসৰা শেৱালী
অতীতৰ কোনোবা এটি নিঃসংগতাৰ অনুভূতি
সোণজনী; ই স্মৃতিৰ সৌধ মাথো.....।

## LET ME SHOW YOU

**Mintu Handique**
*B.Sc. 1st year*

Let me bring the smile on your face,
And wipe the tears away ;
Let me hold your hands for a while
To keep you secqurely safe

Let me bring the light of you heart,
And share your sorrows and pain;
Trust me and we can the oceans,
Togethor we can fight the dark clouds & the heavy rains.
Let me fulfill all your wishes,
Let me be the one to low you
For my low for you is endlessly true.
Give me your heart, your soul, your every thing--
Give me your hand,
For I will be the one to hold you
And be with you always till the end.

## DOWN

**Vijayeta Tirkey**
*B. Sc. 1st Year*

The serene night annihilates, with the prodigious entry of the beauteous down, The naughty breezy air bloues around, teasing the timid leaves and making trembling sound.

Song bird sing down chorus in jolly mood,
felling their soothing melodiaus voices in gardens and woods.
Fragile blooming flowers,
Sprawls its fragrance rapturo usly and the teeny weeny buds waits to bloom shirpyly.
This is the moment the moment when the entire earth bound rejing, rejuvenate srekindle.
This is the moment in which every human soul refreshes and rejoices.

# এটি নতুন ৰোগ A.I.D.S

## A.I.D.S :- একোৱাৰ্ড ইমিউন ডেফিচিয়েন্সি চিনড্ৰ'ম।

## (আলম লৈ)

শ্ৰী গুণ কান্ত কোঁৱৰ
*স্নাতক তৃতীয় বৰ্ষ(বিজ্ঞান শাখা)*

বৰ্তমান বিশ্বৰ সকলো মহামাৰী ৰোগৰ ভিতৰত A.I.D.S নামৰ বেমাৰ টোৱেই আটাইতকৈ মাৰত্মক। পৃথিৱীৰ প্ৰতিটো কোনতেই এই বেমাৰৰ প্ৰসাৰতা বৃদ্ধি পোৱাৰ লগেলগে বিজ্ঞানী সকলেও ইয়াৰ ওপৰত অধ্যয়ন কৰিবলৈ ধৰিলে। তাৰ ফল স্বৰুপেই আমেৰিকাৰ ডাঃ মাইকেল গটবিল নামৰ চিকিৎসা বিজ্ঞানী জনৰ আপ্ৰান চেষ্টাত এই ৰোগটো ধৰা পৰে।

এই ৰোগৰ কাৰণ সম্পৰ্কে প্ৰথমে নানাধৰণৰ সূত্ৰ আগবঢোৱা হৈছিল, কিন্তু দিন যোৱাৰ লগে লগে গৱেষণাৰ পৰা এইটো স্পষ্ট হৈ পৰিল যে এই ৰোগ সৃষ্টি কৰে এক সুক্ষ্ম জীৱাণুৱে। এই জীৱানুৰ ভাইৰাছৰ লগত সাদৃশ্য আছে আৰু ই এজনৰ দেহৰ পৰা আন এজনৰ দেহলৈ সোঁচৰিব পাৰে। পৃথিৱীৰ সকলো ঠাইতে এই জীৱাণু আৱিস্কাৰৰ বাবে গৱেষণা চিলল। অৱশেষত ফ্ৰান্সৰ বিখ্যাত পেষ্টিঅৰ ইনষ্টিটিউটৰ গৱেষক ডাঃ লাক মন্টেনিয়াৰে ১৯৮৩ চনৰ মে' মাহত এই ৰোগ সৃষ্টি কৰা ভাইৰাচ বা জীৱাণুটো আৱিস্কাৰ কৰিলে। ইয়াৰ অলপ পাছতে আমেৰিকাৰ ডাঃ ৰবাৰ্ট গেলই এই ভাইৰাচ বা জীৱণুটো চিনাক্ত কৰাৰ লগতে ইয়াক গৱেষণা গাৰত কৃটিমভাৱে গজাবলৈকো সমৰ্থ হ'ল। এই ভাইৰাচক এইড্‌ছ ভাইৰাচ বা HRLV-2 (হিমেন টি লিমকাচাইট ভাইৰাচ-২) নামেৰে নামাকৰণ কৰা হ'ল।

এই ভাইৰাচে ৰোগটো কেনেদৰে সৃষ্টি কৰে সেই বিষয়ে জানিবলৈ গৱেষণা কৰি দেখা গ'ল যে, ভাইৰাচটোৱে মানুহৰ তেজৰ শ্বেতকনিকা গোষ্ঠীৰ টি (T) লিমকাচাইট বোলা এটা বিশেষ কোষক আক্ৰমণ কৰে।স্বাভাৱিক অৱস্থাত এই T লিমকচাইট কোষটোৱে মানুহৰ শৰীৰত বাহিৰৰ পৰা জীৱাণু আদি সোমালে তাক প্ৰতিৰোধ কৰাৰ প্ৰক্ৰিয়াটোৰ সূচনা কৰাৰ লগতে সক্ৰিয় ভাৱে সহায় কৰে সেয়ে ইয়াক সহয়কাৰী বা হেল্পাৰ (Helper) লিমকচাইটো বোলা হয়।এই কোষে শৰীৰত জীৱাণু সোমালে তাক ধংস কৰিবলৈ শৰীৰৰ বি-লিমকচাইটবোৰক 'এন্টিবডি' প্ৰস্তত কৰা কাম আৰম্ভ কৰোৱায় আৰু তাত সহায় কৰে। এনে কোষ নাথাকিলে শৰীৰে জীৱাণু আদিৰ বিৰুদ্ধে এন্টিবডি প্ৰস্তুত কৰি ৰোগ প্ৰতিৰোধ কৰিব নোৱাৰা হয়। এই দৰে ভাইৰাছে এনে টি- লিমক্চাইটবোৰক বাচি বাচি প্ৰথমে আক্ৰান্ত কৰে আৰু কোষটোৰ ভিতৰত সোমাই পৰে। সোমাই লোৱাৰ পাছত ই কোষটোৰ ভিতৰত অতি দ্ৰুতভাৱে বংশবিস্তাৰ কৰে আৰু এটা সময়ত T কোষটো ধ্বংস কৰি পেলায়। সহস্ৰ সহস্ৰ নতুনকৈ সৃষ্টি হোৱা এইড্‌চ ভাইৰাছে এতিয়া ৰক্ত প্ৰবাহৰ আটাইবোৰ T কোষক আক্ৰমণ কৰি ধ্বংস কৰি পেলায়। ফলত শৰীৰত ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতা নোহোৱা হয় আৰু ৰোগীৰ মৃত্যু ঘটে।





# "উপ-সভাপতিৰ প্ৰতিবেদন"

(২০০০-২০০১)

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকলবীৰ পুৰুষে অসমৰ মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ প্ৰাণাহুতি দিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

তাৰোপৰিমোক ২০০০-২০০১ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপঃসভাপতি পদলৈ নিৰ্বাচিত কৰি বিভিন্ন দিহা পৰামৰ্শৰে সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱা তথা ডিব্ৰুয়ানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া তথা শিক্ষা শুৰুসকল আৰু কৰ্ম্মচাৰী বৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগ বঢ়াইছো।

উপঃ সভাপতি পদত অধিষ্ঠিত হৈ মুল লক্ষ্যত কিমানখিনি সফলতা লাভ কৰিবলৈ সক্ষম হলো তাৰ মুল্যায়নৰ ভাৰ মাননীয় সুধীবৃন্তৰ হাতত অৰ্পণ কৰিলোঁ।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে কাৰ্য্যনিৰ্বাহিক সভাৰ জৰিয়তে "মহাবিদ্যালয়ৰ সপ্তাহ"ৰ দিন ধাৰ্য্য কৰি প্ৰথম বাৰৰ বাবে অস্থায়ী প্ৰেক্ষাগৃহৰ পৰিবৰ্তে মহাবিদ্যালয়ৰ চৌহজতে মঞ্চ সজাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইয়াৰ পাছতে আমাৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন উন্নয়ন মুলক সমস্যাৰ লগতে শৈক্ষিক পৰিবেশ উন্নতিৰ বাবে ছাত্ৰ/ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকা বৃন্দকলৈ মহাবিদ্যালয়ৰ চাহদৰ ভিতৰত গছপুলি ৰোৱাৰ কাৰ্য্যসূচী হাতত লোৱা হয়।

তাৰোপৰি ডিব্ৰু মহাবিদ্যালয়ৰ যি বিলাক অৰ্ধনিমিত কাম হৈ আছিল, সেই কামবোৰৰ ওপৰত আমি ছাত্ৰ একতা সভাই এখন সাধাৰণ বৈঠগ বহি উক্ত কাৰ্য্যত আমি আলোচনাৰে নিম্নলিখিত প্ৰস্তাৱ সমূহ সৰ্ব্বসন্মতি ক্ৰমে গ্ৰহণ কৰি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ জৰুৰী বিবেচনাৰ্থে প্ৰেৰণ কৰা হয়।

১। স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে মহাবিদ্যালয়ৰ পশ্চিম দিশত থকা চাৰি বিঘা মটি কলেজৰ নামত নামজাৰি কৰিবলৈ শ্ৰীযুত জালানদেৰ আৰু উপযুক্ত মহোদয়ৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰিব লাগে।

২। নিৰ্মিত ছাত্ৰী নিবাস অনতি পলমে ছাত্ৰী সকলৰ বাবে মুকলি কৰি দিব লাগে।

৩। নিয়মীয়াকৈ উপস্থিতি নথকা অধ্যাপক অধ্যাপিকাৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰা।

৪। ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিফৰ্ম পৰিধান কৰাটো বাধ্যতা মূলক কৰিব লাগে।

৫। মহা বিদ্যালয়ৰ প্ৰসাৱগাৰ, শৌচাগাৰ আদি বহলাব লাগে আৰু বৰ্তমানে থকা কেইটাৰ উন্নতি সাধিব লাগে।

৬। মহাবিদ্যালয়ৰ অধ্যক্ষ পদটোত স্থায়ী নিযুক্তিৰ ব্যৱস্থা হ্ণ কৰিব লাগে।

এখনি শিক্ষানুষ্ঠানৰ সৰ্ব্বাঙ্গীন উন্নতি সেই শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল। এই শৈক্ষিক পৰিবেশটোৰ মাজতে অৰাজকতাই দেখাদিলে শিক্ষানুষ্ঠান মনৰ উন্নতি হিতৰ বিপৰীতে যোৱা পৰিলক্ষিত হয়।

ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰী উভয়ে নিজৰ দায়িত্বৰ প্ৰতি আওকান নকৰি মহাবিদ্যালয়ৰ খনক যাতে এটা নতুন ৰূপত সজাই তোলে তাৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে সকলো পক্ষলৈ অনুৰোধ জনালোঁ।

মোৰ প্ৰতিবেদনৰ শেষত অধ্যক্ষ মহোদয় আৰু সকলো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কমনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে

**শ্ৰী পুতুল চাহ।**
*উপঃ সভাপতি*
*ডিব্ৰু মহাবিদ্যালয়*
*ছাত্ৰ একতা সভা।*

# বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন (৯৯-২০০০)

## শৰীৰ চৰ্চা বিভাগ সম্পাদকৰ প্ৰতিবেদন



লিখনিৰ আৰম্ভণিতে গৌৰবোজ্বল ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষা গুৰুৰ আসন অলংকৃত কৰা শ্ৰদ্ধাভাজন সধ্যক্ষ মহোদয় আৰু অধ্যাপিকা মণ্ডলী, প্ৰিয়ভাজন সতীৰ্থ ছাত্ৰ ছাত্ৰীবৃন্দলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

১৯৯৯-২০০০ চনৰ মহাবিদ্যালয় ছাত্ৰ এক সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত হৈ দায়িত্বভাৰ গ্ৰহণ কৰি ইং ১২-১২-৯৯তাৰিখৰ পৰা আৰম্ভ হোৱা ৩৫তম মহাবিদ্যালয় সপ্তাহৰ ইং ১৫-১২-৯৯ আৰু ১৬-১২-৯৯ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে শৰীৰ চৰ্চা বিভাগৰ খেল সমূহ অনুষ্ঠিত কৰা হয়। বিভাগৰ প্ৰায় সকলো প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ যায়।

উল্লেখযোগ্য যে সমস্যাৰে জৰ্জৰিত ডিব্ৰু মহাবিদয়ৰ সীমিত সুবিধাৰ মাজেৰে নিজস্ব কৰ্ত্তব্য পালন কৰাৰ প্ৰতিশ্ৰুতিৰে শৰীৰ চৰ্চা বিভাগৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো। আৰু তাক কাৰ্য্যত পৰিণত কৰিবলৈ যথাসাধ্য চেষ্ঠা কৰিছিলো।

সদৌ শেষত অনিচ্ছাকৃত ভাৱে থাকি যোৱা ভুল এটিৰ বাবে ক্ষমাৰ বিচাৰি পূৰ্ণৰ সকলোলৈকে শ্ৰদ্ধা জনাই এই চমু প্ৰতিবেদন সামৰিছোঁ।

**শ্ৰী উত্তম সোনোৱাল।**
*ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা, ডিব্ৰুগড়।*
*(১৯৯৯-২০০০)*

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন।



প্ৰতিবেদনৰ আৰম্ভনিতেই ডিব্ৰু মহাবিদ্যায়ৰ অধ্যক্ষা মহোদয় আৰু সমূহ অধ্যাপক/অধ্যাপিকালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো আৰু যিসকল ছাত্ৰ-ছাত্ৰীৰ সহায়- সহযোগ, প্ৰেৰণাৰ ফলত মই এই মহাবিদ্যালয়খনিৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মোৰ দায়িত্বসমূহ আঁকোৱালি লৈছিলো আৰু সেইবিলাক নিয়াৰিকৈ সম্পাদনা কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। কিন্তু মহাবিদ্যালয়খনিৰ তৰফৰ পৰা আগবঢ়োৱা সীমিত পুঁজিৰ বাবে মই মোৰ দায়িত্বসমূহ সুকলমে সম্পাদনা কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো। তথাপিতো মই মোৰ সাধ্যানুসৰি যিমান পাৰো আন্তৰিকতা তথা উৎসাহেৰে আগবাঢ়ি গৈছিলো। যদি কৰবাত ভুল কৰিছিলো মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো। মহাবিদ্যালয়ৰ ৩৫তম প্ৰতিভা সন্ধানী সপ্তাহত মোৰ দায়িত্বত কেৰম, বেড্‌মিন্টন, টেবুল টেনিচ আৰু ডবা খেল প্ৰদৰ্শন কৰিছিল আৰু প্ৰতিযোগিতাসমূহ যথেষ্ট উপভোগ্য হৈছিল। প্ৰয়োজনীয় সহায় সহযোগ আৰ্থিক উৎসাহ আৰু এটি সু-পৰিবেশ পালে আমাৰ যুৱক যুৱতীসকলে অধিক উন্নত মানৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব বুলি মি ভাবো। তদুপৰি ১০/১২/২০০০ পৰা ১১/১২/২০০০ লৈ অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় বেড্‌মিন্টন প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়খনিৰ তৰফৰ পৰা অংশগ্ৰহণ কৰা শ্ৰীমান মৃদুপৱন হাতিবৰুৱাই ল'ৰাৰ শাখাত প্ৰথম স্থান অধিকাৰ কৰি আমালৈ গৌৰৱ তথা সন্মান কঢ়িয়াই আনিলে। এইখিনিতে মোৰ সকলো দায়িত্ব সুকলমে তথা শৃংখলাবদ্ধভাৱে পৰিচালিত কৰাত মোক সহায়ৰ হাত আগবঢ়োৱা সৰ্বশ্ৰী পুতুল, ভাস্কৰ, খালিদ, উদ্ধৱ, ভগৱান, বিজয়, প্ৰণৱ, নৱজ্যোতি, আৰ্নল্ড আৰু এলবাৰ্টলৈ মোৰ আন্তৰিক মৰম চেনেহ তথা শুভচ্ছা সদায়েই থাকিব। সদৌ শেষত এই বিভাগৰ সম্পাদক হিচাপে মই মহাবিদ্যালয়খনিৰ সৰ্বাংগীণ উন্নতি কমনা কৰি মোৰ প্ৰতিবেদন ইয়াতে সামৰিছো।

# ছাত্ৰী জিৰণী কোঠাৰ নিবেদন/প্ৰতিবেদন

*"জয়তু ডিব্ৰু মহাবিদ্যালয়"*

*"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা"*



মহাবিদ্যালয়ৰ এগৰাকী সম্পাদিকা হিচাপে মই মোৰ এবছৰীয়া কাৰ্যকালৰ চমু বিৱৰণ দাঙি ধৰিবলৈ পাই মই নিজকে সৌভাগ্য শালীবুলি ভাবিছোঁ।

প্ৰতিবেদনৰ আৰম্ভণিতে মই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া। উপধ্যক্ষা মহোদয়া তথামোৰ মাননীয় শিক্ষাগুৰু সকললৈ আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ সমুহ সতীৰ্থ বৃন্দ সকল তথা মোৰ মৰমৰ অনুভা-অগ্ৰজ সকলৰ প্ৰতি আন্তৰিকতা পূৰ্ণ অভিনবান আৰু ইয়াৰ প্ৰমূখ্যে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি আমাৰ যি সকল সন্তানে জাতীয় অস্তিত্ব ৰক্ষাৰ্থে আত্ম বলিদানেৰে মৃত্যুক সাৱটি ললে সেই সকলে শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

১৯৯৯-২০০০ বৰ্ষৰ (চনৰ) ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিৰ্বাচনত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে মই বিনা প্ৰতিদন্দিতাৰে জয়ী হওঁ।

মই কাৰ্য্যাভাৰ গ্ৰহণ কৰাৰ পাছত ছাত্ৰী জিৰণী কোঠা যি অসুবিধা তাৰ বাবে মই আগবাঢ়িলো। যিহেতু মই মহাবিদ্যালয়ৰ কতৃপক্ষক আমাৰ ছাত্ৰীসকলৰ অসুবিধা অৱগত কৰোৱাত সেই মতে তেওঁ আমাৰ ছাত্ৰী সকলৰ কাৰণে মাটি কোঠা ঠিক কৰি দিলে। সময় কম হোৱা বাবে মই মোৰ কাৰ্য্যকালত ছাত্ৰী কোঠাৰ বাবে সকলো সুবিধা কৰিব নোৱাৰিলো সেই বাবে মই........................

এই ক্ষেত্ৰত মই প্ৰতিবেদনৰ জৰিয়তে মই আমাৰ মাননীয় অধ্যক্ষা মহোদয়াক অনুৰোধ কৰো যে ছাত্ৰী জিৰণী কোঠাৰ বাবে আৰু যি সামাগ্ৰী প্ৰয়োজন সেই সামগ্ৰী যেন আমাক অনতি পলমে পূৰণ কৰি দিয়ে যেন।

মোৰ কাৰ্য্যবোৰ গ্ৰহণ কৰাৰ অতি কম সময়ৰ ভিতৰতে মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হয়। উক্ত সপ্তাহত ভালে সংখ্যক প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। তাৰে মোৰ বিভাগৰ অন্তৰ্গতবোৰ বিভিন্ন খেল সমূহ হ'ল–বেড্‌মিন্টন, ডবা , কেৰম, টেবুল-টেনিছ। এই ক্ষেত্ৰত প্ৰতিযোগিতাৰ ক্ষেত্ৰত মোৰ কিছু অসুবিধা হৈছিল যিহেতু মোৰ বন্ধু (ছাত্ৰ-জিৰণী কোঠাৰ সম্পাদক) দুৰেন্দ্ৰ বড়াৰ অসুখ হোৱাৰ বাবে মই তেওঁৰ কিছু দায়িত্ব হাতত লওঁ এই ক্ষেত্ৰত অৱশ্যে বন্ধুসকলৰ সহায় সহযোগত মই কাম সমূহ সুচাৰু ৰূপে পালন কৰিব পাৰিলো।

সদৌ শেষত অনিচ্ছাকৃত ভাবে থাকি যোৱা ভূল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি পুনৰ সকলোলৈকে শ্ৰদ্ধা জনাই এই চমু প্ৰতিবেদন সামৰিছোঁ।

শ্ৰীমতী চন্দানী গুৰুং।

*ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা*

*ছাত্ৰ একতা সভা ঃ*

# বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন

(২০০০-২০০১)



*"সাধাৰণ সম্পাদকৰ প্ৰতিবেদন"* ঃ

প্ৰতিবেদনৰ পোন প্ৰথমে যি সকল বীৰপুৰুষে মাতৃৰ তথা দেশৰ সন্মান ৰক্ষা কৰিবলৈ গৈ নিজৰ প্ৰান আহুতি দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো আৰু লগতে যিসকলে দেশৰ গৌৰৱ কঢ়িয়াই আনিলে তেখেত সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

তাৰোপৰি মোক ২০০০-২০০১ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদলৈ নিৰ্বাচিত কৰিলে তাৰ বাবে সমূহ ডিব্ৰুয়ানক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মই বহুতো কাম কৰিমবুলি ভাবিছিলো, তথাপিও এবছৰীয়া কাৰ্য্যাকালৰ যিখিনি কৰিব পাৰিলো তাৰ এক খতিয়ান তলত ডাঙি ধৰিলো।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত এখন টেবুল, ঘড়ি আৰু কাৰ্য্যালয়ৰ সন্মুখত এখন চাইন বৰ্ড লগোৱা হয়।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশলৈ লক্ষ্য কৰি ২৩, ২৪, আৰু ২৫ নবেম্বৰত তিনিদিনীয়াকে "অনেষা" গ্ৰন্থমেলা অনুষ্ঠিত কৰা হয়।

২০০১ বৰ্ষৰ ২ জানুৱাৰী পৰা ৮ জানুৱাৰী লৈ মহাবিদ্যালয়ৰ ক্ৰীড়া সমপ্তাহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সহযোগত পালন কৰা হয়।

মহাবিদ্যালয়ৰ এক প্ৰাকৃতিক পৰিবেশ গঢ়ি তোলাৰ মানসেৰে মহাবিদ্যালয়ৰ চৌহদত বৃক্ষৰোপন কৰা হয়। বৃক্ষৰোপন কাৰ্যসূচীটো সফল্যমণ্ডিত কৰিবৰ বাবে জিলা বন বিষয়াক আমন্ত্ৰণ কৰি আনি বৃক্ষৰোপন কৰোৱা হয়। উক্ত কাৰ্যসূচীও মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

১৩আগষ্ট তাৰিখে উচ্চ শিক্ষা লাভ আশাৰে ডিব্ৰু মহাবিদ্যালয়লৈ অহা নৱাগত সকলক আদৰণি জনোৱা হয়। উক্ত আদৰণি সভাত বিশিষ্ট অতিথি হিচাপে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক সন্মানীয় শ্ৰীযুত কল্যান গগৈক আমন্ত্ৰন জনোৱা হয় আৰু আমাৰ আমন্ত্ৰন ৰক্ষা কৰি তেওঁ সভাত উপস্থিত থাকি বহু দিহা-পৰাৰ্মশ লগতে মহাবিদ্যালয়ৰ আধাৰকৰা প্ৰেক্ষাগৃহ নিৰ্মানৰ বাবে এককালীন সাহায্য আগবঢ়ায় বুলি ঘোষণা কৰে। বৰ্তমান সেই সুবিধা আমি লোৱা প্ৰয়োজন।

ছাত্ৰ একতা সভাৰ উদ্যোগত একতা সভাৰ কাৰ্য্যালয়ত ১৮ আৰু ১৯ ছেপ্তেম্বৰ দুদিনীয়াকৈ কৌস্তভ গ্ৰন্থমেলা অনুষ্ঠিত কৰা হয়। গ্ৰন্থমেলাত ৰেহাই মূল্যত গ্ৰন্থ বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰী পৰা লোৱা বৰঙনিৰ পৰা আৰ্থিক ভাবে দুৰ্বল ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি বিতৰণ কৰা হয়। এনে বিতৰণ প্ৰক্ৰিয়া ভাৱিষ্যত দিনত অব্যাহত থাকিব বুলি, আশা কৰিলো।

৬৩তম ডিব্ৰুগড় অসম সাহিত্য সভাৰ প্ৰাকমূৰ্হূত্ত মহাবিদ্যালখন বং লগোৱা হয় লগতে বহু বছৰৰ মূৰত শ্বহীদবেদীটো সজাই তোলা হয়।

বিশেষ ভাৱে ব্যৰ্থহলোঃ- মোৰ কাৰ্য্যকালত গ্ৰীস্মকালত শিক্ষা আহৰণ কৰাৰ সুবিধা বাবে প্ৰতি কমত ফেন লগোৱা ব্যৱস্থা কৰিছিলো আৰু সকলো কৰাৰ পিছত অধ্যক্ষয়ে, লৰাই ভাঙিব বুলিকৈ লগাব নিদিলে। এই ক্ষেত্ৰত মই অধ্যক্ষক জগৰীয়া বুলি প্ৰকাশ কৰিলো।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বহু কৰণীয় থাকি গ'ল। কিন্তু এইটো অপ্ৰিয় হলেও সত্য যে যদি মহাবিদ্যালয়ত এখন পৰিচালনা সমিতি আৰু এজন স্থায়ী অধ্যক্ষ নহব, সেই পৰ্য্যন্ত সমস্যাবোৰ সমাধান নহব। আমি পৰিচালনা সমিতি গঠন কৰিবৰ বাবে বহুবাৰ লিখিত ভাৱে স্থানীয় বিধায়ক তথা বৰ্তমান বিধানসভাৰ অধ্যক্ষ সন্মানীয় শ্ৰীযুত পৃথিবী মাঝি মহোদয়ক দিচপুৰলৈ গৈ আবেদন কৰিছিলো। তেওঁ বিষয়ৰ গুৰুত্ব বুজি সমিতিখন গঠন কৰাত সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজি পৰ্যন্ত সমিতি গঠন ন'হল ইয়াৰ আৰত যি লুকাই আছে আমি অৱগত নহয়। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষজন স্থায়ী হববাৰে প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে অসমৰ শিক্ষামন্ত্ৰী সন্মানীয় শ্ৰীযুত হেমপ্ৰকাশ নাৰায়ন মহোদয়ৰ লগত যোগাযোগ কৰা হৈছে আৰু এইক্ষেত্ৰত সকলোৱে পূৰ্ণ সহাযোগিতা থাকিলে আমি অনাগত দিনত এজন স্থায়ী অধ্যক্ষ পাম।

উপৰোক্ত বিষয়বোৰেই মোৰ কাৰ্যকালৰ খতিয়ান।

কৃতজ্ঞতা স্বীকাৰ ঃ

১। ভাৰপ্ৰাপ্ত অধ্যাক্ষা শ্ৰীযুক্তা প্ৰতিভা সেন আৰু ভাৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত কাতেশ্বৰ তালুকদাৰ।

২। ডিব্ৰু মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা চাৰে বিক্ষৰোপন কাৰ্য্যত বহুতো সহায় কৰিছিল , তাৰোপৰি শ্ৰীযুত বীৰেণ বৰুৱা চাৰৰ সহযোগত কৌস্তুভ গ্ৰন্থমেলো আয়োজন আৰু মোৰ চাঁয়া স্বৰুপে মোক অনবৰতে দিহা-পৰামৰ্শ দিয়া শ্ৰীযুত হেম চুতীয়া চাৰ আৰু কলেজৰ গৌৰৱ শ্ৰীযুত মনেশ কুমাৰ জৈন চাৰৰ "বিকাশ ৰত্ন বঁটা" লাভ কৰাৰ বাবে মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধাজ্ঞাপন কৰিছো। আৰু লগতে সমূহ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো।

৩। ডিব্ৰুগড় জিলা উপায়ুক্ত মহোদয় শ্ৰীযুত বানীকান্ত পেগু।

৪। অন্যান্য দিশত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ আগবঢ়োৱা মোৰ বন্ধু তথা মহাবিদ্যালয়ৰ প্ৰাক্তন সম্পাদক দ্বীপেন সদিকৈ আৰু বন্ধু কেশৱ গগৈ।

৫। কাৰ্য্যকালৰ আৰম্ভনিৰ পৰা অন্তিম মূহৰ্তলৈকে মোক সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহবিষয়ববীয়া লগতে বন্ধু ৰাতুল, অনন্ত, নিলোৎপল, বিজু, কুকিল, (ভাইটি)নয়ন, ধৰ্ন, আচিক ভন্টি কমী, নিতু, নাছিৰুইনলৈ, মোৰ আন্তৰিক মৰম ও নবাগত শুভেচ্ছা থাকিল।

শেষত অনিচ্ছাকৃও ভাৱে থাকি যোৱা ভূল-ক্ৰটিবিলাকৰ ক্ষমা বিচাৰি পুনৰ সকলোলৈকে মোৰ শ্ৰদ্ধা জনাই মোৰ প্ৰতিবেদন সামৰিলো।

ধন্যবাদেৰে

ঋচিকেশ শইকীয়া।

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

শ্ৰী উচিত কোঁৱৰ।



অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এখনি লেখত ল'ব লগীয়া মহাবিদ্যালয় হৈছে ডিব্ৰুগড়ত অৱস্থিতি ডিব্ৰু মহাবিদ্যালয়। এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয় খনিৰ ২০০০-২০০১ চনৰ ছাত্ৰ একতা সভা নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালখনিৰ স্বাৰ্থৰ হকে সেৱা কৰিবলৈ সুবিধা পাই নিজকে ধন্য মানিছো।

ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ডিব্ৰুয়ান আৰু অধ্যাপক অধ্যাপিকা বৃন্দৰ আশিস শিৰোগত গ্ৰহণ কৰি সাংস্কৃতিক সম্পাদক ৰূপে কি কৰিলো বা নকৰিলোঁ সেইয়া আপোনালোকে তথা সময়ে নিৰূপন কৰিব। নাজানো ছাত্ৰ একতা সভাৰ অতি আদৰৰ চেনেহৰ অলংকাৰেৰে বিভুষিত এই আসনখনিৰ মৰ্য্যাদা আৰু সদব্যৱহাৰ কৰিব পাৰিছিলো নে নাই। কিন্তু মোৰ বিশ্বাস জানি শুনি কোনো ধৰণৰ অসৎ ব্যৱহাৰ কৰা নাই। অজানিতে যদি মোৰ ভুল হৈছে তাৰ বাবে সকলোৰে ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

ডিব্ৰু মহাবিদ্যালৰ ছাত্ৰ একতা সভা ২০০০-২০০১ বৰ্ষৰ সংস্কৃতিক সম্পাদক ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিন পিছত আন বছৰৰ দৰে মহাবিদ্যালয় "বাৰ্ষিক ক্ৰিড়া সপ্তাহ" যিদৰে আয়োজন কৰি আহিছে ঠিক সেইদৰে এইবাৰো ৩৬তম মহাবিদ্যালয়ৰ সপ্তাহ ০২-০১-২০০১ তৰিখৰ পৰা ০৮-০১-২০০১ লৈকে আয়োজন কৰা হয়। এই ৩৬তম মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহৰ কাৰ্য্যসূচী ০৫-০১-২০০১ আৰু ০৬-০১-২০০১ এই দুটা দিনত অনুষ্ঠিত কৰা হয়। মোৰ এই প্ৰতিযোগিতাসমূহত যথেষ্ট প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। মোৰ কাৰ্য্যকালত নতুনকৈ সংযোজন কৰা "সুন্দৰী" প্ৰতিযোগিতাৰে সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহ উন্নত মানদণ্ডৰ হৈছিল।

সময় নিচিনা ভাল চকু কাৰোৰে নাই। সাধনা আৰু সময় একেলগে থাকে। সময় নিজৰ ঠাইতৰে থাকে আৰু আমি মৃত্যুলৈ আগবাঢ়ি গৈ থাকো। এইকথালৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ত বিভিন্ন প্ৰতিযোগিতা মাজে সময়ে ছাত্ৰ-ছাত্ৰীৰ আনন্দৰ বাবে আৰু উপকৃত হবৰ বাবে পাতিব লাগে। কিন্তু পাতিবৰ বাবে অৰ্থ তথা সময়েই বা নহয়। মহাবিদ্যালয়ৰ বিভিন্ন বন্ধ, যেনে নিৰ্বাচন, বিভিন্ন পৰীক্ষা আদি। মই মোৰ কাৰ্য্যকালত সময় সুবিধা উলিয়াই পাতিব নোৱাৰিলো ভৱিষ্যতে যিসকলে এই পদ লব তেওঁলোকক মাজে সময়ে পাতিবলৈ অনুৰোধ জনালো।

মই দুখেৰে কব বিচাৰো যে মোৰ স্বাস্থ্য বেয়া হোৱা কাৰণে আন্তঃমহাবিদ্যলয় প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সুবিধা কৰি দিব নোৱাৰিলো।

মোৰ কাৰ্য্যকালত, প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে সৰস্বতী পূজা এইবাৰ ছাত্ৰ-ছাত্ৰীৰ বিপুল সমাৰেশেৰে পৰম্পৰাগত ভাৱে আমাৰ মহাবিদ্যালয়ত সাধাৰণ সম্পাদকৰ সহযোগত অনুষ্ঠিত কৰা হয়।

এইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুক্তা প্ৰতিভা সেন বাইদেউলৈ। (বৰ্তমান প্ৰাক্তন) শ্ৰীযুক্তা হৰদ্বীপ কোৰ ওৱালীয়া বাইদেউ, শ্ৰী পনৰজ্যোতি গগৈদেৱ আৰু ডঃ ৰুণুমা শৰ্মা বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছো।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে পৰিচালনা কৰা আৰু বিভিন্ন ক্ষেত্ৰত হিতোপদেশ, সু-পৰামৰ্শ দিওতা সৰ্বশ্ৰী ৰঞ্জিত সিংহ চাহ, ৰূপজ্যোতি হাজৰীকা চাব আৰু আমন্ত্ৰিত বিচাৰক শ্ৰীযুত প্ৰশান্ত হাজৰীকাদেৱলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

কাৰ্য্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে মোৰ লগত ছাঁৰ দৰে লাগি সহায় আগবঢ়োৱা এইকেইজন বন্ধু-বান্ধৱী, স্নেহ-শ্ৰদ্ধা অক্ষয় হৈ ৰব। সৰ্বশ্ৰী দিগন্তদা, বিকাশ, কল্যাণ, দেৱজিৎ, দীপজ্যোতি, তপন, ৰাজীৱ, ভাস্কৰ, নয়ণ, বিজু, ৰবি, নৰজিৎ, প্ৰণৱ, ৰূপম, ৰুমী, বিনা, জোনমণি, জোনালী, নিতু, দেৱলক্ষী, গীতা, মালা, হেমাজ্যোতি, গীতিমণি, আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ মই কৃতজ্ঞতা জনাইছো।

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সমূহ অধ্যাপক অধ্যাপিকাৰ ভৱিষ্যত মংগল কামনা কৰিছো।

*"জয় আই অসম"*



*জয়তু ডিব্ৰুয়ান*

*জয়তু ডিব্ৰু মহাবিদ্যালয়*

জয় জয়তে ডিব্ৰুমহাবিদ্যালয়ৰ "ছাত্ৰী জিৰণী কোঠৰ" প্ৰতিবেদন লিখিবলৈ লোৱাৰ প্ৰাৰম্ভণিতে ডিব্ৰুমহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি সমূহ অধ্যাপক, অধ্যাপিকা তথা মহাবিদ্যালয়ৰ সমূহ সতীৰ্থবৃন্দ আৰু ডিব্ৰুয়ান সকলোলৈ মোৰ শতসহস্ৰ প্ৰণিপাত আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

২০০০-২০০১ চনৰ ছাত্ৰ একতা সভাৰ "ছাত্ৰী জিৰণী কোঠাৰ" সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰি যি সকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টি য়ে বিশেষ ভাৱে অবিহনা যোগাই মহাবিদ্যালয় খনৰ উন্নতিৰ হকে সেৱা আগবঢ়াবলৈ সম্পাদিকা ৰূপে অধিকৰ্তা কৰি মোক সুবিধা প্ৰদান কৰিলে, তেওঁলোক সকলোকে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ এনে এটা গধুৰ দায়িত্ব পালনত মই কিমানখিনি

---

# মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

শ্ৰী মিন্টু সোনোৱাল।



প্ৰতিবেদনৰ আৰম্ভনিতে ২০০০-২০০১ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মূখ্য খেল বিভাগৰ সম্পাদকৰ দায়িত্ব বহন কৰি থকা কাৰ্য্যকালত মোক সকলো প্ৰকাৰেৰে দিহা-পৰামৰ্শ দি সহযোগ আগবঢ়োৱা শিক্ষাগুৰু সকলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু মোক সকলো সময়তে সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী, আৰু ভাইটী-ভণ্টীলৈ মোৰ আভিনন্দন জ্ঞাপন কৰিছো।

দ্বিতীয়তে দেশৰ আৰু জাতিৰ হকে যুজ দিয়া বীৰসকল আৰু মাতৃভূমিৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদ সকলৰ পবিত্ৰ আত্মাৰ প্ৰতি মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০০-২০০১ বৰ্ষৰ মূখ্য মেল বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ লোৱাৰ পাছতেই ৩৬তম মহাবিদ্যালয়ৰ বাষিক ক্ৰীয়া সপ্তাই মোৰ বিভাগৰ সৈতে জড়িত খেল সমূহ অনুষ্ঠিত কৰো। মই ছাত্ৰ সকলৰ মাজত ক্ৰিকেট আৰু ভলীবল আৰু ছাত্ৰী সকল মাজত এখন কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। ছাত্ৰ একতা সভা আৰু অধক্ষ্যা অধ্যাপক সকলৰ মাজত এখন ক্ৰিকেট খেলৰ আয়োজন কৰিছিলো যদিও শিক্ষাগুৰু সকলৰ অনুপষ্ঠিতিৰ কবাবে এই খেলখন বাতিল কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহত অংশ গ্ৰহণকৰা খেলুৰে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সুপ্ত হৈ থকা ক্ৰীয়া প্ৰতিভা জাগ্ৰত হৈ উঠা পৰিলক্ষিত হ'ল।

মোৰ কাৰ্য্যকালৰ কাৰ্য্যসূচীত মই একেবাৰে ব্যৰ্থ হওঁ। কাৰ্য্যসূচী হিচাপে আন্তঃমহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে প্ৰথমখন ৫-১ গলৰ DDR College ৰ লগত বিজয়ী হৈছিল যদিও P.G. Classesয়ে আমাৰ মহাবিদ্যালয়ৰ দলটি শোচনীয়ৰূপে পৰাজয়বৰণ কৰে।

মহাবিদ্যালয়ৰ ভলীবল দলটি গঠন কৰিবৰ বাবে মাত্ৰ দুজনমান ছাত্ৰৰ বাহিৰে আন কোনো ছাত্ৰ উপস্থিত নোহোৱাৰ বাবে দল গঠন কৰা সম্ভৱ নহল। ব্যৰ্থ কাৰ্যকালৰ আন্ত মহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতা পৰিচালানা কৰোতে যিহেতু মই নিজেও মহাবিদ্যালয়ৰ দলত এজন নিয়মীয়া খেলুৰৈ আছিলো সেইয়ে দলৰ মাজত দেখা দিয়া সকলো প্ৰকাৰৰ অসুবিধা দুৰ কৰিবলৈ অপ্ৰাণ চেষ্টা চলাইছিলো। কিন্তু এই ক্ষেত্ৰত বহু কষ্টৰে আগুৱাব লগা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ সকলো খেলবোৰ D.U Campusত অনুষ্ঠিত হৈছিল। D.D.R. College গলত ১৩ ৰাণত বিজয় হৈ D.H.S.K. Commerce College ৭ ৰাণত বিজয়ী হৈ Assam Madical College লগত-১৯ ৰানত ডিব্ৰু মহাবিদ্যালয়ৰ বিজয়ী হৈ কোৱাটাৰ ফাইনেল খেলত প্ৰতিদ্বন্দিতা কৰাৰ সযোগ লাভ কৰিছিলো। প্ৰথমখন কোৱাটাৰ ফাইনেলত যোৰহাট মহাবিদ্যালয়ৰ ৩৫ ৰাণত বিজয়ী হৈ ছেমিফাইনেলত North Lahimpur মহাবিদ্যালয়ৰ সন্মুখী হওঁ। আমি এই খেলখনৰ লগত পৰাজিত হোৱাৰ মূহুৰ্ত্তটো মোৰ লগতে আমাৰ দলৰ কোনেও নিশ্চয় পাহৰিব নোৱাৰিব North Lahimpur মহাবিদ্যালয়ৰ দলতো বিধিনিষিভাৱে অংশগ্ৰহণ কৰা এজন মান

খেলুৱৈৰ বিৰুদ্ধে সকলো প্ৰমাণ থকাতো এজনো In-Charge মহাবিদ্যালয়ৰ অধ্যক্ষই প্ৰেৰণ নকৰাৰ বাবে কৰাতো সম্ভৱ হৈ নুঠিল। এইটো সচাঁকৈয়ে বৰ দুখ লগা বিষয়। ছাত্ৰসকলৰ সমস্যাবোৰ বুজ লবলৈ আন মহাবিদ্যালয় দলৰ গলত স্বয়ং অধক্ষ্য আহি উপস্থিত হোৱা পৰিলক্ষিত হৈছিল। কিন্তু আমাৰ লগত এজন শিক্ষাগুৰুক পঠিয়াবৰ প্ৰয়োজন অনুভাৱ নকৰাটোৱেই আমি বিফল হোৱা প্ৰধান কাৰণ যেন পৰিলক্ষিত হৈছিল।

উল্লেখযোগ্য যে আমাৰ ডিব্ৰু মহাবিদ্যালয়খন নানান সমস্যাৰে জাজৱিত। ইয়াত খেলোৱৈসকলৰ বাবে প্ৰয়োজনীয় আহিলা পাতিৰ সম্পূৰ্ণৰূপে অভাৱ। মহাবিদ্যালয়ৰ কৃতপক্ষই ইয়াক দুৰ কৰাৰ সকলো প্ৰয়োজন অনুভৱ কৰা নাই মই ভাবো যে, শিক্ষা দীক্ষাৰ লগতে ছাত্ৰসকলৰ খেল ধেমালিৰ সৈতে জড়িত থকাবো প্ৰয়োজন। এই নানান অসুবিধাৰ মাজতো মই মোৰ দায়িত্ব সুচাৰ ৰূপে পালন কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা চলাইছিলো। এই ক্ষেত্ৰত কেতিয়াবা অনিচ্ছাকৃত ভাৱে হলেও শিক্ষাগুৰু, বন্ধু-বান্ধৱী আৰু ভাইটি, ভন্টি সকলৰ ওচৰত কৰা ভুলাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা শ্ৰীযুত দিলিপ কলিটা চাৰ Mr. Sohan Lal Yadav শ্ৰীযুত পূৰন্দৰ দিহিঙিয়া, শ্ৰীযুত ফুল আহমেদ, .................... দা সকলৰ ওচৰত সদয় চিৰকৃজ্ঞ হৈ থাকিম।

ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালত প্ৰতি মূহুৰ্ততে সহযোগিতাৰ হাত আগবঢ়োৱা দাঁদ, বন্ধু, বান্ধৱী শ্ৰী ক্যালান সোনোৱাল শ্ৰী দেৱজীৎ চেতিয়া, ৰিদীপ, মানৱ, জ্যোতি, শ্ৰীমতী টিংকুমনি সোনোৱাল, শ্ৰীমতী পল্লবিকা কছাৰী,.... আৰু নাম নজনা আনবহুতলৈ মই ধন্যবাদ জ্ঞাপন কৰিলো আৰু বিশেষ ভাৱে মই আমাৰ ডিব্ৰু মহাবিদ্যালয়ৰ ফুটবল দলটিৰ আৰু ক্ৰিকেট দলটিৰ সমূহ খেলুৱৈ সকললৈ ধন্যবাদ যাচিলো সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্ব্বঙ্গীনি উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

অজিত মানিকীয়াল।

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু, সমূহ সতীৰ্থ তথা ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

ডিব্ৰু মহাবিদ্যালয়ৰ একতা সভাৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হৈ মই মোৰ বিভাগীয় কাৰ্য্যসূচী সূচাৰু ৰূপে পৰিচালনা কৰিবলৈ যি প্ৰতিজ্ঞা কৰিছিলো, হয়তো বিভাগীয় কাৰ্য্যসূচী নিয়াৰি কৈ পৰিচালনা কৰাত অনেকখিনি ক্ৰটি থাকি গ'ল। তাৰ মাজতো পূজনীয় শিক্ষা গুৰু সকলৰ বহুমূলীয়া উপদেশ, যিসকল প্ৰতিযোগিয়ে বিভাগীয় খেলত অংশ গ্ৰহণ কৰি প্ৰতিযোগিতা সমূহ আগবাঢ়ি যোৱাত সহায় কৰিলে, সমূহ সতীৰ্থ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকলে যি সহায় সহযোগ আগবঢ়ালে তাৰ বাবে সকলোৰে ওচৰত মই কৃতজ্ঞ হৈ ৰলো।

শেষত জয়তু ডিব্ৰু মহাবিদ্যালয়, জয়তু শিক্ষাগুৰু সকল, জয়তু সমূহ সতীৰ্থ তথা ছাত্ৰ একতা সভাৰ বিভাগীয় বিষয়ববীয়া সকল, জয়তু জন্মভূমি অসম।

ধন্যবাদ।

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



**Miss Sudipta Ghosh Biswas**
*B. Sc. 2nd year (Deptt. of Physics)*

সফল হ'ব পাৰিছো সেইয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত অৰ্পন কৰিলো।

ক্ৰীড়া হল মানৰ জীৱনৰ এক অনুপম কলা, এক অবিচ্ছেদ্য অংগ। খেল-ধেমালিয়ে মানুহক শাৰীৰিক তথা মানসিক সাফল্যৰ অনাবিল আনন্দ দিবলৈ সক্ষম কৰে। আজিৰ যুগত ক্ৰীড়াৰ উন্নতিয়ে দেশৰ গৌৰৱ আনি দিয়ে। খেল ধেমালিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা সমূহ বিকশিত হ'বলৈ সুবিধা তথা আনন্দ উৎসাহ দিয়া আমাৰ সকলোৰে কৰ্তব্য। গতিকে উক্ত কথাষাৰত গুৰুত্ব দি মই মহাবিদ্যালয়ত খেলৰ সামগ্ৰীৰ যথেষ্ট অভাৱ হোৱা স্বত্বেও আন্তঃবিভাগৰ খেল সমূহ সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ একান্ত যত্ন কৰিছিলো। ৩৬ তম মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আন্তঃবিভাগত কেৰম, বেড়মিন্টন, ডবা আৰু টেবুল টেনিচ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কিন্তু অতি দুখেৰে জনাওঁ যে উক্ত প্ৰতিযোগিতা সমূহত প্ৰতিযোগী সকলৰ হেপাহ তথা উৎসাহ উদ্যম একেবাৰেই কম। গতিকে কেৱল বেড়মিন্টন আৰু কেৰম খেলৰ বাহিৰে আন সকলোবিলাক খেলত প্ৰতিযোগী সকলৰ মানদণ্ড নিম্ন।

নিৰ্বাচনৰ প্ৰাৰ্কমূহুৰ্তত আপোনালোকৰ আগত যি প্ৰতিশ্ৰুতি দিছিলো তাক কাৰ্যত পৰিনত কৰিব পাৰিছোনে নাই তাৰ বিচাৰৰ ভাৰ সকলো অধ্যাপক, আধ্যাপিকা আৰু ডিব্ৰুয়ানৰ হাতত অৰ্পন কৰিছো। তাৰোপৰি জনাওঁ যে মহাবিদ্যালয়ত ছাত্ৰীসকলৰ নিজা এটা স্থায়ী জিৰনী কোঠাৰ অভাৱ আছিল। ই আমাৰ দীৰ্ঘদিনীয়া অভাৱ। এই অভাৱৰ ফলত ছাত্ৰী সকলে পাঠদান নথকাৰ সময়ত বাৰান্দাত ৰৈ থাকিব লগীয়া হৈছিল। গতিকে প্ৰতিশ্ৰুতি দিয়া মতে আজি মই এই অভাৱ দুৰ কৰিব পাৰি নিজে অত্যন্ত সুখী হৈছো।

আশা ৰাখিছো মহাবিদ্যালয়ৰ সাপ্তাহিক ক্ৰীড়া অনুষ্ঠিত কৰিবলৈগে যি অভাৱ অভিযোগৰ সন্মুখীন মই হৈছিলো সেই অভাৱ অভিযোগৰ সন্মুখীন আগন্তুক সম্পাদিকা সকল নহয়।

**কৃতজ্ঞতা স্বীকাৰঃ**

"মোৰ কাৰ্য্য সমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মোক বিশেষ ভাৱে সহায় কৰা সেইসময়ৰ অধ্যক্ষা মহোদয়া শ্ৰীযুতা প্ৰতিভা সেন বাইদেউ, অধ্যাপিকা শ্ৰীযুতা নন্দিনী কোৱঁৰ বাইদেউ, শ্ৰীযুত কান্তেশ্বৰ তালুকদাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিম।

তাৰোপৰি নিৰ্বাচনি পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি সকলো দিশতে অবিহনা যোগাই অহা মোৰ দাদা শ্ৰী ৰাতুল সোনাৱাল, অনন্ত তামুলী, পুতুল চাহু, দ্বিগন্ত গগৈ, উপেন সন্দিকৈ, বলিন গগৈ, কুশল কোঁৱৰ, চুমীন হাজৰিকা। বাইদেউ চন্দ্ৰানী গুৰং, জোনালী দত্ত। বন্ধু অজিত মানিকীয়াল, ঋষিকেশ শইকীয়া, সুনীল হাজৰিকা। ভাইটি আশিক বৰগোহাঁই, ৰকি আহমেদ, নয়নজ্যোতি ৰাজকুমাৰ। ভন্টী ৰুমী বৰ্মন, নিতুমণি সোনোৱাল। তথা জ্ঞাত-অজ্ঞাত সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ অজানিত ভুল-ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাই মহাবিদ্যালয়ৰ সৰ্বাংগীন উত্তৰোত্তৰ কামনা কৰি আৰু লগতে মোৰ ডিব্ৰুয়ান বন্ধু-বান্ধৱীলৈ অফুৰন্ত শুভেচ্ছা জনাই মোৰ প্ৰতিবেদন সমাৰিছোঁ।

"জয়তু ডিব্ৰুয়ান"

"জয়তু ডিব্ৰু মহাবিদ্যালয়"

## REPORTS OF COLLEGE WEEK
1999-2000

### T. T. (BOY'S) (SINGLE)
WINNER : Sri Tapuban Das.
RUNNERS-UP : Sri Pallab Das.
THIRD : Sri Putul Sahu.

### BADMINTON (BOY'S SINGLE)
CHAMPION : Sri Yuga Sunder Gogoi.
RUNNER-UP : Sri Pronab Gogoi.

### (BOY'S DOUBLE)
CHAMPION : Sri Yuga Sunder Gogoi. & Sri Bhaskar Sonowal.
RUNNER-UP : Sri Washique Hussain. & Sri Babul Sonowal.

### CARROM SINGLES (GIRLS)
1st Miss Dimple Boregohin.
2nd Miss Chandrani Gurung.
3rd Miss Prarthana Tanti.

### CARROM DOUBLES (GIRLS)
1st Miss Pahari Saikia.
Junali Dutta.
2nd Miss Rita Gogoi.
Dimple Boregohin.

### BADMINTON SINGLES (GIRLS)
1st Miss Rumi Phukan.
2nd Miss Binita Saikia.

### BADMINTON DOUBLE (GIRLS)
1st Miss Binita Saikia.
Miss Junali Dutta.
2nd Miss Hiramoni Dutta.
Miss Rumi Phukan.

### CHESS (GIRLS)
1st Miss Pahari Saikia.
2nd Miss Rumi Phukan.
Miss Chandrani Gurung.

### JYOTI SANGEET
1st Sri Parthapratim Bora.
2nd(i) Sri Karuan Hondique.
2nd(ii) Miss Parishmita Boruah.
Sri Tulu Hondique.

### VISHNU RABHA SANGEET
1st Sri Parthapratim Bora.
2nd Miss Parishmita Boruah.
Sri Karuna Hondique.
Sri Tulu Hondique.

### SOMABATA SANGEET
1st Parishmita Baruah and Party.
(i) Parishmita Boruah. (Leader)
(ii) Anjumora Khatun.
(iii) Kankana Gogoi.
(iv) Raju Rajkonwar.
(v) Tulu Hondique .
(vi) Dinabandhu Das. (Tabala)

### MODERN SONG
1st Sri Karuna Hondique.
2nd Sri Parthapratim Bora.
Sri Tulu Hondique.
Miss Parishmita Baruah.

### BIHU DANCE
1st Miss Bornali Borguhain.

### CONSULATION PRIZE
(i) Miss Nikhamoni Phukan.
(ii) Miss Niramoni Saikia.

### BEST SINGER OF THE YEAR
(i) Sri Parthapratim Baruah.
(ii) Sri Karuan Hondique.

### BORGEET COMPETITION
1st Sri Tulu Hondique.
2nd Miss Bornali Borgohain.
Miss Parishmita Baruah.
Sri Karuna Hondique.

### LOKOGEET COMPETITION
1st Sri Tulu Hondique.
2nd Sri Parthapratim Bora.
Sri Karuna Hondique.

### GAJAL
1st Sri Parthapratim Bora.
2nd Sri Karuna Hondique.
Miss Parishmita Baruah.

### BHUPENDRA SANGEET
1st Sri Karuan Hondique.
2nd (i) Sri Parthapratim Bora.
2nd (ii) Sri Tulu Hondique.
Miss Parishmita Baruah.

### JAYANTA SANGEET
1st Sri Karuan Handique.
2nd Miss Parishmita Baruah.
Sri Raju Rajkonwar.

### MODERN DANCE
1st Miss Sangeeta Saikia.
2nd Miss Nikhamoni Phukan.
Miss Bornali Borguhain.

### PARVATI PRASAD SANGEET
1st Sri Parthapratim Bora.
2nd Sri Karuna Hondique.
Miss Parishmita Baruah.

### JHUMUIR GEET
1st Sri Parthapratim Bora.
Sri Raju Rajkonwar.
(i) Miss Parishmita Baruah.
(ii) Sri Karuna Hondique.

### CONSULATION PRIZE
Sri Simanta Sonowal.

### POWER LIFTING BOYS
BELOW 52KG GROUP

1stMr, Kalyan Sonowal. (52) Total = 860 (PLB)
2nd Mr, Rubul Singh. (46) Total = 590 (PLB)
3rd Prasanta Das. (52) Total = 590 (PLB)

### 52 To 57kg Group

1st Balin Gogoi. (55) Total = 780 (PLB)
2nd Noran Sangmai. (55) Total = 770 (PLB)
3rd Dipak Borman. (55) Total = 760 (PLB)

### 57 To 62 kg Group

1stMr. Bimal Chetia. (60) Total= 950 (PLB)
2nd Mr. Gunabhi Sonowal.(58) Total= 710 (PLB)

### 62 to 67kg Group

1st Biswajit Gogoi. (65) Total = 910 (PLB)
2nd Robin Chitia. (64) Total = 740 (PLB)
3rd Bhaskar Borpujari. (63) Total = 680 (PLB)

## POWER LIFTING BOYS

### 67 to 72kg Group

1st Mr. Kushal Konwar. (70) Total = 780 (PLB)
2nd Mr. Rana Sinha. Total = 620 (PLB)

### 72 kg Above

1st Jiten Robi Das. Total = 730 (PLB)

## STRONG MAN OF DIBRU COLLEGE 1999-2000

Mr. Kalyan Sonowal.

## ARM ALRESTLING BOYS

### Below 50kg Group

1st Mr. Bipul Moran.
2nd Mr. Rintu Gogoi.
3rd Mr. Raju Lohar.

### 55kg Group

1st Mr. Kalyan Sonowal.
2nd Mr. Basanta Changmai.
3rd Mr. Bijay Saikia.

### 60kg Group

1st Mr. Bimal Chitia.
2nd Mr. Abhisit Gogoi.
3rd Mr. Sailain Boruah.

### 65 kg Group

1st Mr. Bishwajit Gogoi.
2nd Mr. Rajasha Bora.
3rd Mr. Nipul Sonowal.

## ARM WRESTLING BOYS

1st Mr. Kushal Konwar.
1st Mr. Nabajit Changkakati.

## CHAMPION OF CHAMPION DIBRU COLLEGE 1999

Mr. Bimal Chitia.

## ARM WRESTING GIRLS

### Below 50kg Group

1st Miss Heramoni Dutta.
2nd Miss Chandrani Gurung.
3rd Miss Pumpi Borguhain.

### 50 to 55 kg Group

1st Miss Mummi Deori.
2nd Miss Pahari Saikia.
3rd Miss Binita Saikia.



## BOXING RESULT

### Below 45 to 50kg Group

WINNER : Mr. Jyoti Goegei.
RUNNERS-UP : Mr. Ajit Manelia.

### 55 to 60 Group

WINNER : Mr. Rishikesh Saikia.
RUNNERS-UP : Mr. Diganta Bora.

### 65 to 70 kg Group

WINNER : Mr. Basanata Chamgmai.
RUNNERS-UP : Mr. Diganta Bora.

### 70 to 75 Group

WINNER : Mr. Kushal Kanwar.
RUNNERS-UP : Mr. Rana Sinha.

## BODY BUILDING COMPITITION

### 5 foot 3" Group

1st Bimal Chetia.
2nd Hemanta Kanwar.
3rd Basanta Sangmai.

### 5 foot 6" Group

1st Jatin Sonowal.
2nd Ashook Urang.
3rd Buddendra Das.

## MR DIBRU COLLEGE 1999-2000

Mr. Bimal Chitia.

## MR. MUSCULE MAN OF DIBRU COLLEGE 1999-2000

Mr. Hemanta Konwar.



# REPORTS OF COLLEGE WEEK
## 2000-2001

CRICKET CHAMPION TEAM:

1. Rishikesh Saikia.
2. Dipen Gogoi.
3. Pimpu Hazarika.
4. Kalyan Hazarika.
5. Debojit Chetia.
6. Biman Dutta.
7. Mintu Sonowal(C).
8. Jun Gogoi.
9. Khalid Ahmed.
10. MoonMoon Moran.
11. Surajmoni Konwar.
12. Ajit Manikyal.
13. Kennedy Rajbonsh
14. Manik Jyoti Borah
15. Akalabya Gogoi
16. Monoj Sonowal(Pello).

KABADI CHAMPION TEAM (GIRLS) :

1. Miss Rumi Dhukan(C)
2. Miss Junali Dutta.
3. Miss Nirmala Tanti.
4. Miss Seema.
5. Miss Sitra Sonowal.
6. Miss Anjuara Khatun.
7. Miss Junmoni Bhuyan.
8. Miss Monika Sonowal.

VOLLEY-BALL CHAMPION TEAM:

1. Monoj Sonowal.
2. Jun Gogoi.
3. Kenedy Rajbanshi.
4. Biman Dutta.
5. Biman Hazarika.
6. Dipen Gogoi.
7. Shashi Bhusan Das.
8. Mintu Sonowal.

100 MTR RACE (BOYS)

1st Tapan Das.
2nd Nikhil Hazarika.
3rd Manuranjan Sonowal.

100 MTR RACE (GIRLS)

1st Rumi Phukan.
2nd Vijyeta Tirkey.
3rd Junali Dutta .

200 MTR RACE (BOYS)

1st Tapan Das.
2nd Nikhil Hazarika.
3rd Ashok Yadav.

200 MTR RACE(GIRLS)

1st Rumi Phukan.
2nd Vijyeta Tirkey.
3rd Munmi Deori.

MARATHAN BOYS

1st Jagdish Saikia.
2nd Nikihil Hazarika.
3rd Monoj Sonowal.

800 MTR RACE (BOYS)

1st Tapan Das.
2nd Jagadish Saikia
3rd Amit Newar.

1600 MTR RACE (BOYS)

1st Tapan Das
2nd Jagadish Saikia
3rd Amit Newar.



400 Mt Race (BOYS)

1st Tapan Das.
2nd Monuranjan Sonowal.
3rd Jiten Mech.

400 Mt Relay Race (BOYS)

1st Jagdish Saikia.
2nd Dipangkar Borah.
3rd Mukul Ch. Bohar.
4th Kushal Konwar.

1600 Mt Relay (Final) (BOYS)

1st Jagadish Saikia.
2nd Dipangkar Borah.
3rd Kushal Konwar.
4th Mukul Ch. Borah.

Shot Phut (Final) (BOYS)

1st Umacharan Bagri.
2nd Monuranjan Sonowal.
3rd Ashok. Yadav.

SHOT PHUT FINAL GIRLS.

1st Junali Dutta.
2nd Vigyeta Tirkey.
3rd Pahari Saikia.

DISCUSS FINAL (BOYS)

1st Umacharon Bagri.
2nd Monuranjan Sonowal.
3rd Ashok Yadav.

DISCUSS FINAL (GIRLS)

1st Pahari Saikia.
2nd Junali Dutta.
3rd Vijyeta Tirkey.

LONG JUMP (BOYS)

1st Tapan Das.
2nd Bharawati Bora.
3rd Monuj Sonowal.

LONG JUMP (GIRLS)

1st Rumi Phukan.
2nd Sudipta Ghosh Biswas.
3rd Munumi Deori.

JABLIN THROW (Final) (BOYS)

1st Basanta Bori.
2nd Ratul Sonowal.
3rd Jiten Mech.

JABLIN THROW (Final) (GIRLS)

1st Pahari Saikia.
2nd Junali Dutta.
3rd Monalisa Deori.

LONG JUMP) (BOYS)

1st Tapan Das.
2nd Bharawati Bora.
3rd Monuj Sonowal.

LONG JUMP (GIRLS)

1st Rumi Phukan.
2nd Sudipta Ghosh Biswas.
3rd Mumni Deori.

BEST ATHLETIC

Mr. Tapan Das.

TABLE TENNIS SINGLES (Boys)

WINNER : Utpal Saikia.
RUNNERS-UP : Ashifur Rahman.
THIRD : Ananta Buragohain.

TABLE TENNIS DOUBLES (Boys)

WINNER : Utpal Saikia & Dibyajyoti 3rd Munmi Deori. Hazarika.
RUNNERS-UP : Ananta Tamuli & Ashifur Rahman.
THIRD : Ananta Buragohain & Bitupan Sonowal.

BADMINTON SINGLES (Boys)

WINNER : Wajid Hussain.
RUNNERS-UP : Bhababhuti Borah.
THIRD : Mridul Sonowal.

### BADMINTON DOUBLES
(Boys)

WINNER : Wajid Hussain. & Zehirul Islam.
RUNNERS-UP : Anupam Kuch. & Rajkamal Das.

### CARROM SINGLES
(Boys)

WINNER : Ratul Sonowal.
RUNNERS-UP : Hamanta Bokalial.
THIRD : Jyotish Chetia.

### CARROM DOUBLES
(Boys)

WINNER : Santanu Saikia.& Gunjan Sonowal.
RUNNERS-UP : Kalyan Sonowal. & Debojit Chetia.
THIRD : Bolin Gogoi. & Sumin Hazarika.

### CHESS COMPITION
(Boys)

WINNER : Pankaj Dowarah.
RUNNERS-UP : Thaneswar Gurung.
THIRD : Ratul Chetia.

### BADMINTION SINGLES
(Girls)

FIRST POSITION : Miss Rumi Phukan.
SECOND POSITION : Miss Rosy Chetia.
THIRD POSITION : Miss Chitra Sonowal.

### CARROM SINGLES
(Girls)

FIRST POSITION : Miss Junali Dutta.
SECOND POSITION : Miss Sudipta Ghosh Biswas.

### CARROM DOUBLES
(Girls)

FIRST POSITION : Miss Sudipta Ghosh Biswas. & Miss Junali Dutta.
SECOND POSITION : Miss Rumi Phukan & Miss Pahari Saikia.

# OUR EX-EDITORS

| VOL. NO. | EDITORS | YEAR |
|---|---|---|
| i | Ram Chandra Goswami | 1965-66 |
| ii | Haren Handique | 1968-69 |
| iii | Kiran Saikia | 1969-70 |
| iv | Dibakar Gogoi | 1972-73 |
| v | Kanakeswar Dowerah | 1977-78 |
| vi | Sachi Handique | 1982-83 |
| vii | Devakanta Konwar | 1983-84 |
| viii | Rabindrajeet Gogoi | 1984-85 |
| ix | Bitul Neog | 1985-86 |
| x | Sukumar Chetia | 1986-87 |
| xi | Miss Gitimallika Gogoi | 1987-88 |
| xii | Profulla Kalita | 1988-89 |
| xiii | Sanjeeb Narayan Chaudang Boruah | 1989-90 |
| xiv | Utpol Sonowal | 1990-91 |
| xv | Chandan Kumar Sonowal | 1991-92 |
| xvi | Nilim Kumar Das | 1993-94 |
| xvii | The seventeenth Issue is edited by Amiya Kumar Borah | 1994-95 |
| xviii | Dipan Handique, Rahul Dev Sonowal | 1996-97 |
| xix | Anupam Saikia & | 1997-98 |
| xx | ANANTA KHANIKAR & PRASANTA SAIKIA | 1999-2000 2000-2001 |



DIBRU COLLEGE BUILDING